A
DICTIONARY OF PHRASES

FROM ASSAMESE TO ASSAMESE AND ENGLISH

BY

BENUDHAR RAJKHOWA B. A.

অসমীয়া

খণ্ডবাক্য-কোষ।

শ্রীবেণুধৰ ৰাজখোৱা বি, এ,ৰ দ্বাৰা সংগৃহীত।

Published by
The Managing Proprietor of
"The Assam Stores", P. O.—Rehabari, Assam.

Printed by
S. D. Rajkhowa at the
"Assam Commercial Company" Press, Dibrugarh.

১৯১৭

Price— { Cloth Re. 2/8 / Paper Re. 2/0 } বেচ— { পকা বন্ধা ২৷৷ আঠে টকা। / কেঁচা বন্ধা ২৲ দুটকা। }

প্রকাশকৰ কৱ-লগীয়া।

এই পুথিখনি ছাপাখানাত দিয়াৰ পাচতে শ্রীযুত বেণুধৰ ৰাজখোৱা ডাঙৰীয়া যোৰহাটলৈ বদলি হ'ল। পুথিৰ ওপৰঞ্চি অংশ তেখেতে যোৰ-হাটৰপৰা হে পঠাইছে। সেই হেতুকে, আৰ্হি-কাকত চোৱাত অসুবিধা ঘটি, আখৰ-জোঁটনি সম্পৰ্কীয় আৰু অন্যান্য দোষ অনেক বৈ গৈছে। তাৰ বাবে প্রকাশক হে ৰগৰীয়া। দ্বিতীয় তাঙৰণত সকলো প্রকাৰৰ আসোঁৱাহ শুধাম বুলি আমি গাত লৈছোঁ। আমাৰ বিশেষ অনুৰোধ মতে ৰাজখোৱা ডাঙৰীয়াই তেখেতৰ ছবি এটি পুথিত দিবৰ নিমিত্তে অনুমতি দিয়াত আমি তেখেতৰ প্রতি কৃতজ্ঞতা প্রকাশ কৰিলোঁ। এই পুথিৰ কোন্ অংশ কাৰ্য্য কেতিয়া কৰা হৈছিল, তাৰো এটি তালিকা ৰাজখোৱা ডাঙৰীয়াই আমাৰ অনুৰোধ মতে প্রস্তুত কৰি ব্যৱহাৰৰ নিমিত্তে আমাক দিছে। পাঠক সকলৰ কুতুহল নিবৃত্তিৰ নিমিত্তে তালিকাটি তলত তুলি দিলোঁ :—

খণ্ডবাক্যবিলাকৰ ফৰ্দ্দ লিখা আৰম্ভ	৪	নবেম্বৰ	১৯১৫।
অসমীয়া অৰ্থ লিখা শেষ	১৯	মার্চ্চ	১৯১৬।
ইংৰাজী অৰ্থ লিখা শেষ	২৪	এপ্রিল	১৯১৬।
ইংৰাজী অৰ্থ লুটিণাই লিখা শেষ	৭	জুন	১৯১৬।
সামৰণি	১১	জুন	১৯১৬।
বৰ্ণমালা অনুযায়ী শৃঙ্খলা শেষ	১১	আক্তোবৰ	১৯১৬।
ছাপাৰ নিমিত্তে নকল আৰম্ভ	১১	জুন	১৯১৬।
ছাপাৰ নিমিত্তে নকল শেষ	১৬	আক্তোবৰ	১৯১৬।
ছাপা আৰম্ভ	৪	নবেম্বৰ	১৯১৬।
ছাপা শেষ	১৩	আগষ্ট	১৯১৭।

এই পুথিত যিবিলাক খণ্ডবাক্যৱলী ভুক্ত নহল, যদি কোনো ভদ্রলোকে ৰাজখোৱা ডাঙৰীয়ালৈ সেই বিলাকৰ তালিকা পঠিয়াই দিয়ে, তেনেহলে তেখেতে সেইবিলাক খণ্ডবাক্যাৱলী দ্বিতীয় তাঙৰণত ঠাই দিব বুলি আমাক জানিবলৈ দিয়াত আমি সেই কথাৰো এইখিনিতে উল্লেখ কৰি থলোঁ। ইতি

আসাম ষ্টোৰ্চ, ডিব্রুগড়।
২৬ জুলাই ১৯১৭ চন

শ্রীবাপাৰাম দাস।

Preface.

The want of a Dictionary of Assamese Phrases has long been felt by those who are interested in the cause of the Assamese language and literature. The present work is intended to remove this want to some extent. There are 2387 phrases in this book. There can be no doubt that the book will be found to contain numerous inaccuracies. I have not been able to give it a shape as I had desired originally, for want of sufficient leisure. My excuse in rushing it through hurriedly is that the demand for such a book has been felt to be pressing, and I have thought that any book is better than no book.

I have endeavoured to elucidate the phrases in the best way possible. I have found that people use some phrases freely in their ordinary parlance, though they are absolutely ignorant of their origin. In those cases, I have given such explanations as conform as nearly as possible to their current meanings. Again, there are phrases which are susceptible to two or more explanations. In those cases, I have given the explanations which appear to be reasonable and sound. If any explanation of a phrase which I have given in this book is found to be incorrect, it is hoped that the generous public will communicate the fact to me, so that the error may be removed from it in the next edition. I may add, that the number of phrases in the Assamese language is so large that it is next to impossible to write a dictionary which can claim to be exhaustive. That the number will certainly be not less than double in the next edition goes without saying.

The phrases are used as ordinary parts of speech such as verbs, nouns, adjectives, adverbs etc. These are indicated in the book by means of abbreviated forms. It should be borne in mind that a phrase, though shown as a particular part of speech, can be conveniently adapted for use as some other part of speech. A phrase also can be split up and the parts used separately by themselves. A phrase again can be expanded or modified according to convenience.

I have included in this book those phrases only, as a general rule, which are *idiomatic*. But some important words and compound words also have been used in it. As they are idiomatic in character and expressive of particular ideas in a forcible way, I have not omitted them from the present volume, though really they ought to find a place in a dictionary of words.

Dibrugarh ;
15th October 1916

Benudhar Rajkhowa.

পাতনি

——০ঃ()ঃ০——

অসমীয় খণ্ডবাক্য-কোষৰ অভাৱ বহু কালৰেপৰা অসমীয়া সাহিত্যৰ হিতাকাঙ্ক্ষী সকলে অনুভৱ কৰি আহিছে। সেই অভাৱ কথঞ্চিৎ পৰিমাণে পূৰ্ণ কৰিবৰ নিমিত্তে আমি এই পুথিখনি যুগুত কৰিলোঁ। ইয়াত ২৩৮৭ টা খণ্ডবাক্য আছে। পুথিৰ গাত যে বহু আসোঁৱাহ ৰৈ গৈছে, সেই কথা আমি নিঃসন্দেহে যুজিব পাৰিছোঁ। আমি পুথিখনিৰ গাত যেনে সাজ পিন্ধাম বুলি ভাবিছিলোঁ, সময়ৰ নাটনিত তেনে কৰিব নোৱাৰিলোঁ। লৰালৰি কৰি হয়াক প্ৰকাশ কৰাৰ উদ্দেশ্য এইয়ে যে এই শ্ৰেণীৰ পুথিৰ অভাৱ এনে বেচি হৈছে যে এনে পুথি সমুলি নোলোৱাতকৈ খৰচীয়াকৈ ওলোৱাও ভাল।

খণ্ডবাক্যবিলাকৰ শুদ্ধ ব্যাখ্যা দিবৰ নিমিত্তে আমি সাধ্যমতে পুৰুষাৰ্থ কৰিছোঁ। কোনো কোনো খণ্ডবাক্য এনেকুৱা যে তাৰ চলিত অৰ্থটোকে হে মানুহে বুজি পায় মূল কি কোনেও কব নোৱাৰে। তেনে স্থলত যি ব্যাখ্যাৰ দ্বাৰা চলিত অৰ্থ সৰ্ব্বতোভাৱে বোধগম্য হব পাৰে, তেনে ব্যাখ্যা প্ৰয়োগ কৰা হৈছে। আৰু ক'ত কোনো খণ্ডবাক্যৰ মূলৰ ব্যাখ্যা দুই বা ততোধিক প্ৰকাৰে হব পাৰে তেনে স্থলত যি ব্যাখ্যা আটাইতকৈ অধিক যুক্তিসঙ্গত, তাকে ব্যৱহাৰ কৰা হৈছে। সাহিত্য-ৰথী-সকলে কোনো ব্যাখ্যা অসঙ্গত দেখিলে যেন দয়া কৰি আমাক জনাবলৈ দিয়ে, ইয়াকে গোহাৰি কৰিলোঁ। আমি দ্বিতীয় সংস্কৰণত সকলো প্ৰস্তাৱৰ আসোঁৱাহ খচৰাৰ নিমিত্তে গাত ললোঁ। অসমীয়া ভাষাত খণ্ডবাক্যৰ সংখ্যা ইমান অধিক যে একেবাৰে সম্পূৰ্ণ খণ্ডবাক্য-কোষ প্ৰকাশ কৰা এক প্ৰকাৰ অসম্ভৱ বুলিলেও দায় নাই। মুঠতে এই কথা কলেই হব, যে যত দূৰ সম্ভৱ সম্পূৰ্ণৰ ওচৰাওচৰি কৰিবৰ নিমিত্তে অন্ত বাৱলৈ যত্ন কৰা যাব। আমি ডাঠি কব পাৰোঁ, যে দ্বিতীয় সংস্কৰণত খণ্ডবাক্যৰ সংখ্যা অতি কমেও দুগুণ বাঢ়িব।

খণ্ড বাক্যবিলাক ক্ৰিয়া, বিশেষ্য বিশেষণ ইত্যাদি শব্দ-প্ৰকৰণৰ বিভাগ মতে ব্যৱহৃত হয়। কোনটো খণ্ডবাক্য কেনে-স্বৰূপে ব্যৱহৃত হৈছে, তাক সংক্ষিপ্ত চিহ্নৰ দ্বাৰা বুজাই দিয়া হৈছে। কোনো খণ্ডবাক্য যি বিভাগত দেখুৱালে ব্যাখ্যা বুজিবৰ নিমিত্তে সুচল হয়, সেই খণ্ডবাক্য সেই বিভাগত দেখুওৱা হৈছে।

সেই বুলি ভাক যে আন বিভাগত ব্যবহাব কবিব পব। নাযায় এনে নহয়। আক কোনো খণ্ডবাক্য বিশ্লেষণ কবি তাব এটা অংশকো পৃথকে ব্যবহাব কবা যায়। সেইৰূপে, খণ্ডবাক্য বৃদ্ধি বা সালসলনি কবিও ব্যবহাব কবা বীতি চলিত আছে।

যিবিলাক খণ্ডবাক্যক বীতিসিদ্ধ প্রয়োগ-স্বৰূপে ধবা গৈছে সাধাবণতঃ সেইবিলাকক মাথোন এই পুথিত ঠাই দিয়া হৈছে। তাব উপবি, লাগতিয়াল বুজি কেতবিলাক ওটীয়া আক যুটীয়া শব্দকো ব্যবহাব কবা হৈছে। যদিও তেনেকুবা শব্দ শব্দকোষত ঠাই পাব-লগীয়া আছিল, তথাপি বীতিসিদ্ধ আক বিশেষ ভাব-প্রকাশক ৰাবে সেইবিলাককো আমি খণ্ডবাক্য-কোষত সুমাই লোৱাটো উচিত বিবেচনা কবিলোঁ।

ডিব্রুগড়।
২৯ আশ্বিন ১৮৩৮ শক।

শ্রীবেণুধব বাজখোৱা।

Abbreviated forms of the parts of speech used in this book.

ক্রি,	... ...	ক্রিয়া	verb.
ক্রি-বিণ,	... ...	ক্রিয়া-বিশেষণ ...	adverb.
বিং,	... ...	বিশেষ্য	noun.
বিণ,	... ...	বিশেষণ	adjective.
অ্য,	... ...	অব্যয়	indeclinable.

SRIJUT BENUDHAR RAJKHOWA B A.

YA PRESS 6 COLLEGE SQUARE CALCUTTA

অসমীয়া খণ্ডবাক্য-কোষ।



অ।

অঁকবা মৈত উঠা—ক্রি, চহোৱা মাটি মৈৰে সমান কৰা হয়। মৈৰ ওপৰত এজন মানুহ উঠে আৰু গৰৰে তাক টানি লৈ যায়। অঁকবা মানুহে মৈত উঠিবলৈ পালে তাৰপৰা নামিব নোখোজে। এতেকে,—কোনো কার্য্যত হাত দিলে তাক এৰিব নোখোজা, কোনো কার্য্য আঁকোৰগোজালিকৈ কৰিবলৈ ধৰা, to persist in doing a thing obstinately.

অকল-শৰীয়া পহু—বিং, পহু লগৰে চৰে। এতেকে,—লগৰীয়া নোহোৱা মানুহ, a lonely helpless person.

অকলৈ শকত—বিণ, সকাম-নিকামত দহ চাৰি ভকত লাগে। এতেকে,—পৰৰ সাহায্য নোহোৱাকৈ আপোনা-আপুনি সক্ষম, self-sufficient.

অকাল-কুষ্মাণ্ড—বিং, অকালত প্রসৱ হোৱা কুষ্মাণ্ডৰ দৰে লোপ্‌ত্থোপ্‌ ভ্রূণ, অমঙ্গলীয়া মানুহ, an abominable person.

অশুকৱা—বিণ, শুকত শৰণ নোলোৱা, অশৰণীয়, অনাচাৰী, uninitiated, impure.

অচলা ভক্তি—বিং, লৰচৰ নোহোৱা ভক্তি, স্থিৰ ভক্তি, unshakeable faith, deep piety.

অচলা লক্ষ্মী—বিং, লক্ষ্মী = ঐশ্বর্য্য-বিভূতিৰ অধিষ্ঠাত্রী দেবী। অচলা = স্থানান্তৰ নোহোৱা। এতেকে,—চিৰস্থায়ী ঐশ্বর্য্য বিভূতি, abiding fortune.

অচিন কাঠৰ খোৱাকো নলগোৱা—ক্রি, যি কাঠ চিনি পোৱা নায়ায়, তাৰ খোৱাকো

ঢেঁকীত লগাব নালাগে। এতেকে,—যাব অতি-গুবি চিনি পোৱা নাযায় তেনে মানুহেবে সৈতে সামন্য বাযিয়ো সম্পর্ক নৰখা, to keep absolutely no concern in any matter, however trivial it may be, with one whose antecedents are not known.

অজগৰ সাপ—বিং. লবিব-চবিব নোৱৰা গাৱঁৰাল মানুহ, উঠিব-লবিবলৈ মন নোযোৱা ধোদা মানুহ, a corpulent person, a sluggard.

অজাতিত খোৱা—ক্রি, খোৱা=সম্ভোগ কৰা। অজাতি=যাব জাতি নাই, হীন-জাতীয়া। এতেকে,—হীন জাতীয়া তিৰোতা সম্ভোগ কৰ, to have sexual intercourse with a woman of low caste.

অজামিল—বিং. আগৰ দিনত এই নামেৰে এজন মহাপাপী ব্ৰাহ্মণ আছিল। এতেকে,—মহা দুষ্ট মানুহ, a too wicked person.

অজীণ-পাতকী—বিণ যি মানুহে লোকৰ লগত ক্ষীণ যব নোৱৰা পাতক কাৰ তেনে মানুহ, a quarrelsome person.

অজীণাশ—বিং. [অজীর্ণাশী] যি মানুহে লোকৰ লগত খই ভাজি ক্ষীণ যব নোৱাৰে অর্থাৎ মিচিব নোৱাৰে তেনে মানুহ, a quarrelsome person.

অজৌ-কালৰ বজৌ-গুটি—বিং. [আজৌ-কালৰ বজ্র-গুটি] আজি-ককাৰ দিনৰ বজ্রময় গুটি, অর্থাৎ বহু বয়স হোৱা হাড়-টনকীয়া মানুহ। (বহু-দিনীয়া গছ হলে তাৰ গুটিবিশাক নিচেই সক হয় এই ভাব বুজোৱা হৈছে), a strong-built dwarfish fellow.

অঠে-কঠে শুকোৱা—ক্রি, ৰবকৈ বেজাৰ পালে অঠে-কঠে শুকায়। এতেকে,—ৰবকৈ বেজাৰ পোৱা, to be deeply aggrieved.

অ'ত থিয় হোৱা ত'ত থিয় হোৱা—ক্রি. অ'ত থিয় হৈ ত'ত থিয় হৈ বেলি পৰিবৰ হৈছে নে নাই চাই থাকে যাতে গধূলি হলে কাম-বন এৰি ঘিৰাব পৰা যায়। এতেকে,—অবাবত কাল নিওৱা, to waste time in idleness

অতি-শ্ৰী হলে হত-শ্ৰী হোৱ.—ক্রি, [অতি-শ্রী হলে হত শ্রী হোৱ] কোনো কামৰ মাত্রা অতিৰিক্ত হলে ফল ভাল নোহোৱা, to come to grief if one goes to extremes.

অতি-ভক্তি হলে চোৰৰ লক্ষণ হোৱা—ক্রি, যি মানুহে নিয়মিত ভক্তিৰ বহির্ভূত

ভক্তি দেখায়, সেই মানুষের শরীরে চোরের লক্ষণ থাকে, অর্থাৎ সেই মানুষ প্রকৃতপক্ষে দুষ্ট স্বভাবযুক্ত। এতকে—অতি ভাল বুঝালে [illegible] স্বভাবের বোঝে to prove to be really a bad man by exceeding the limit of any good thing.

অতি [illegible] [illegible] কোনো বিষয় অতিকে টানা হয় তখনি [illegible] must.

অ [illegible] বোঝে [illegible] [illegible] বোঝে] বোঝা ঠাহর বোঝা অর্থাৎ নিষ্ফল বোঝা, to have no effect, to come to no use

অধঃ [illegible] [illegible] থুইল নে পাতাল, সাগর অর্থাৎ ডাঙ্গর বিপদ, deepest calamity

অনাচার [illegible], যে শাস্ত্রের তাকে বচন নামানে, অরীতিয়া holding heterodox ideas, immoral.

অনেক মাছত বগালি বসা হোরে—[illegible] পানীত মছ অধিক দেখিলে বগালিয়ে এই-লোক থাকে সেহটোকে খাব ঠিক করিবে নেরবি বসার লবে দেখিবার ভারবে খপাদি খাবোঁতেই এটি-দুটিকে আটাইখিনি মাছ খালা সবিষয়। এতকে,—অধিক আনন্দত চুর্তি হেরওয়া, to be confused in the excess of joy.

অপার সমুদ্র—বিং, পার পাবলৈ নাইকিয়া সাগর অর্থাৎ উদ্ধারর উপায় নথকা বিপদ, great calamity.

অপুত্রকর পুত্র—বিং, যার পুত্র নাই তার যদি পুত্র ওপজে, তেনেহলে আনন্দর সীমা নাথাকে। এতকে,—অপুকগীয়া বস্তু, a rare and valuable thing.

অপহতা অসুরা—বিং, দেবতা সকলর লগত অনেক অনুচর থাকে, সেইবিলাকক 'অপহতা অসুরা' বোলা হয়। সেইবিলাকে নানা-প্রকার বাভিচার কার্য্য করে। ডাঙ্গর মানুহক দেবতার তুলনা করা হৈছে। এতকে,—কোনো ডাঙ্গর মানুহর লাত ফুর সংবরণর অনিষ্টকারী অনুচরবর্গ, the staff of attendants of a great personage who walk about doing mischief to people.

অবচন বোলা—ক্রি, কর্ণ-মনগীয় কথা কোরা, অশিষ্ট ভাষা ব্যবহার করা, to

use uncivil language.

অবাইচ্ মাত—বিং, [অবাচ্য মাত] কব-নলগীয়া মাত, অশিষ্ট ভাষা, uncivil language.

অভ্যাসত কৰ্ণপথে শৰ কৰা—ক্রি. আগৰ দিনত আসামত অভ্যাসৰ দ্বাৰা কাণৰ বাটে দি কাঁড় সৰকাই ধনুৰ্ব্বিদ্যাত পাৰ্গতালি দেখাইছিল। এতেকে,—অভ্যাসৰ দ্বাৰা কঠিন কার্য্যও সিদ্ধি কৰিব পৰা, to be able to work wonders by habit.

অমঙ্গল মাতি অনা—ক্রি, উদ্ভণ্ডালি কৰিলে অমঙ্গল নিজে মাতি অনাৰ দৰে হয়। এতেকে—উদ্ভণ্ডালিৰ দ্বাৰা অমঙ্গল চপোৱা, to become subject to evil by deliberately committing excess in anything.

অমায়া ভকত—বিং, [অমায়া ভকত] যাৰ মায়া অর্থাৎ ভেদ-জ্ঞান নাই তেনে পুৰুষ, সমদর্শী পুৰুষ, a high-souled person in whose eye all worldly distinctions vanish.

অমায়া লৰা—বিং, [অমায়া লৰা] সক ল'ৰাই ৫ বছৰ বয়সলৈকে মায়াৰ অতীত অৱস্থাত থাকে। এতেকে,—কেঁচুৱা ল'ৰা, an infant.

অমায়া সুখ—বিং, [অমায়া সুখ] মায়া দুখৰ হেতু। যাৰ মায়া নাই, তেওঁৰ অবিচ্ছিন্ন সুখ। এতেকে,—পৰম সুখ, bliss, highest happiness.

অমাতৰ মাত—বিং, যাৰ মাত বেগতে শুনিবলৈ পোৱা নাযায় তেনে জনৰ মাত, অতি শুৱলা মাত, a siren voice, sweetest voice.

অমূর্ত্তক জ্বৰ—বিং, চহা মতে জ্বৰ এটা অপদেৱতা। জ্বৰে কেতিয়াবা মূর্ত্তি ধৰি দেখা দিয়ে। এই স্থলত অমূর্ত্তকভাৱে আবির্ভূত হৈছে বুলি কোৱা হৈছে অর্থাৎ সি স্বয়ং আহি অমূর্ত্তকভাৱে জ্বৰীয়া মানুহটোৰ গাত লাগিছে। এতেকে,—অতি উগ্র জ্বৰ, very high fever.

অ'ৰ গোঁসাই ত'লৈ নিয়া—ক্রি, বামুণে ভাগ ভাগ কৰি ফুল থয়। এটা এটা ভাগক এজন এজন গোঁসাই অর্থাৎ দেৱতা বুলি কল্পনা কৰি লোৱা হয়। পূজা কৰোঁতে অ'ৰ ফুল ত'লৈ নিয়ে অর্থাৎ ইয়াৰপৰা এপাহ ফুল নি তাত থয় গৈ, আৰু তাৰপৰা এপাহ ফুল নি আন এঠাইত

থয় গৈ। এতেকে,—কোনো বস্তু এঠাইৰপৰা আন এঠাইলৈ নিয়া অর্থাৎ বিশৃঙ্খল কৰা, to scatter about things in confusion, to put things into disorder.

অলপতে কলপ কটা—ক্রি, সাপে মোট সলোৱাকে কলপ কটা বোলে। অলপতে কলপ কাটিছে বুলিলে বুজা যায় যে অলপ পূৰ্ব্বতে সাপ সেই ঠাইত আছিল, আৰু ভাগ্যে হে তাত থকা মানুহ জনৰ কোনো অপকাৰ নহল। এতেকে,—অলপতে বচ্চা পোৱা, কথমপি সাৰি যোৱা, to have a narrow escape.

অলপ পানীৰ মাছ—বিং, তাকৰীয়া পানীত মাছে চেল-চেলাই ফুৰে। এতেকে,—চেল-চেলাই ফুৰা অলপ-ধতুৰা তুচ্ছ মানুহ, a contemptible person.

অৱস্থা-নাইকিয়া—বিণ, [শৰীৰৰ অৱস্থা-নাইকীয়া] অতি-ক্ষীণ, emaciated.

অ হৰি অ ৰাম বোলা—ক্রি, সৰাহ-হুকযাত 'অ হৰি অ ৰাম' বুলি নাম ধৰা হয়। এতেকে,—ঈশ্বৰক চিন্তি কোনো কার্য্য আৰম্ভ কৰা, to begin a work auspiciously.

আ।

আইটী বাইটী বুলি ফুৰা,—ক্রি, কোনো তিৰোতাক আইটী আৰু কোনো তিৰোতাক বাইটী এনে সম্বোধন কৰি ফুৰা, অর্থাৎ হলিগলিকৈ ফুৰা, to live in a too familiar way with all.

আইটী-মাক,—বিং, জীয়েকক আইটী বুলি মতা যায়। এতেকে,—ঘৈণীয়েক, the mother of ones daugther i. e. wife.

আই ধৰ বাই ধৰ লগা—ক্রি, কোনো বিপদ হলে আই ধৰ, বাই ধৰ বুলি যাৰে তাৰে

সাহায্য খোজা হয়। এতেকে,—বিপদগ্রস্ত হোৱা, to be overtaken by diro calamity.

আই হেৰ বাই হেৰ বুলি ফুৰা—ক্রি, লোকক কাৰৌ-কোকালি কৰি ফুৰা, to pursue a begging policy.

আও-কঠীয়াৰ সঁচ—বিং, বেয়া জাতৰ কঠীয়াৰ সঁচ, নীচ বংশৰ মানুহ, a person of low origin.

আওমৰণেৰে মৰা ক্রি, বেয়া মৰণেৰে মৰা, অস্বাভাবিক মৃত্যু পোৱা, to die an unnatural death.

আঁকৰীৰে গৃহবাস—বিং, একো কথা-বতৰা নজনা বৈণীৰে সৈতে গৃহস্থালি পাতিলে আমনি-জঞ্জাল সহিব লাগে। এতেকে,—অপৰিত্যাজ্য অথচ খেদিব নোৱৰা জঞ্জাল. a necessary evil.

আঁচলত জীউ বন্ধা—ক্রি, অতি ভয় পাই জীউ শৰীৰৰ-পৰা বাজ হোৱাত বিহৰ আঁচলত ধৰি ৰখি খোৱা হৈছে, এনে ভাব বুজোৱা হৈছে। এতেকে, অতি ভয় পোৱা to be terror-stricken beyond measure.

আঁচলৰ ধন—বিং, দুখুনী তিৰোতাই বিহাৰ আঁচলত ধন বান্ধি থয়। এতেকে,—অতি আদৰৰ কোনো সম্পত্তি, an object of endearment.

আঁচু-কাঠৰ তল পোৱা—ক্রি, (উপকথা) আঁচু কাঠৰ তলপাই আঁচু-পানীত গা ধোলাহ বঙ্গা হৈ শিয়ালে নিজক বঙ্গ বুলি ঘোষণা কৰি অন্যান্য জন্তু-বিলাকৰ ওপৰত ফাঁকি কৰি ৰাজত্ব কৰিছিল। পাচে বগৰীয়া শিয়ালে হোৱা দিয়াত সিও স্বভাব-সিদ্ধ ধৰ্ম্ম অনুসৰি হোৱা দিবলৈ ধৰাত তৰ ফাঁকি ওলাই পৰিল। এতেকে,—ৰবলোকৰ লগত থাকি ইতৰ লোকে ৰবলোকালি কৰিবলৈ চেষ্টা কৰা to find oneself in the company of a great man and imitate him unsuccessfully (said of a person of little consequence).

আঁঠ-আঙুলীয়া কপাল—বিং, কপালত সৌভাগ্য লিখা থাকে। যাৰ কপাল আঁঠ-আঙুলীয়া অৰ্থাৎ অধিক বহল তাৰ সৌভাগ্য অধিক। এতেকে,—অত্যন্ত সৌভাগ্য, exceptionally good luck.

আঁঠিয়া কল গিলা—ক্রি, আঁঠিয়া কল কপ্-কপ্-কৰে গিলিব পৰা যায়। অসমীয়া মানুহে ল'ৰাক আঁঠিয়া কল খুৱায় বাবে আঁঠিয়া কল খোলা

হৈছে। এতেকে,—কোনো কার্য্য অতি সহজে সম্পাদন কৰা, to do a thing quite easily.

আঁঠু লোৱা—ক্রি. আঁঠু পাৰি লোৱা] মাটিত আঁঠু পাৰি বহা, to fall on the knees

আঁঠুৰ মজত মুৰ গুমোৱা ক্রি বুঢ়া মানুহে কুঁজা হৈ মুৰটো দুই আঁঠুৰ মজত গুমহি থকা। এতেকে,—নিস্তেজভাবে কার্য্য কৰা, এলহুত কাল-যাপন কৰা, to do a thing listlessly, to waste time in idleness.

আঁঠুৰ চহ ঠেং মেল — ক, আঁঠুৰ যিমান দীঘল হয়, সেই অনুসাৰে ঠেং মেলিব লাগে। আঁঠুৰ পুৰা দীঘল হ'লে ঠেং পুৰা দীঘলকৈ মেলিব লাগে। আঁঠুৰ চুটি হ'লে ঠেং বেছি খৰ লাগে। তাকে নকৰিলে, ঠেং বেছি আঁঠুৰ তৎখণাৎ মহ সেমা পৰে, নাইবা আঁঠুৰ ফাটিব পাৰে। এতেকে,—নিজৰ সামৰ্থ চহ কৰ্য্য কৰা, আয় চাহ ব্যয় কৰা to act according to one's means, to live within one's income

আঁঠুৰ-তলৰ মহ—বিং, আঁঠুৰ ভিতৰলৈ মহ সেমালে তাক মাৰিব পাৰি। এতেকে,—সহজে যাক নষ্ট কৰিব পাৰি তেনে জন, সমূলি পৰৰ অধীন মানুহ a person who is at the mercy of another, a helpless person.

আঁঠুৰ আঁঠুৰ সাঁতোৱা—ক্রি, [আঁঠুৰে আঁঠুৰে সাঁতোৱ] বামত সাঁতোৱা অৰ্থাৎ বগুৱা বই চুচৰি খুব, মড়কৰ হেৰথুৰি খাই ফুৰা, to be involved in a dire calamity.

আঁঠে-পাৰে—ক্রিবিণ, আঁঠ দিনৰ মুৰত বা পাখৰৰ মুৰত, মাজে সময়ে, occasionally

আঁহ ফল —ক্রি, বহুত আঁহ মিলি ভৰী হয়। জৰী ফালি প্রত্যেক আঁহ যেলেগ কৰি দেখুওৱা হয় বোলা হৈছে। এতেকে,—পৰিয়ালৰ মানুহক প্রত্যেকৰ যেলেগ স্বার্থ এনে ভাব বুজাই দিয়া, মিল ভাঙ্গি অমিল কৰা, to cause disagreement among people by explaining that their interests clash with one another instead of being identical as supposed.

আঁহে আঁহে কথা থকা—বিণ, শৰীৰৰ প্রতি আঁহে কথা থকা, বহু বিষয় বিদিত

থকা, টেঙৰ possessing all manner of experiences good or evil, subtle.

আকাজ-ভাগী—বিণ, কাৰ্য্যভাগী নোহোৱা, তাঁত সূত বৰ নজনা তিৰোতা, অকৰ্ম্মণ্যা তিৰোতা, an unaccomplished woman.

আকাৰ ইকাৰ মতা—ক্রি, [আকাৰ-ইঙ্গিত মতা] কথাৰে নামাতি আকাৰ-ইঙ্গিতেৰে মতা, ঠাৰে-চিঁয়াৰে মতা, to insinuate, to give an oblique hint.

আকালৰ ভাত—বিং, দুৰ্ঘোৰ বিপদৰ যথোপযোগী সাহায্য, timely succour, opportune relief.

আকাশত চাং পতা—ক্রি, খুঁটা নোহোৱাকৈ চাং পতা, মূল সঁজুলি নোহোৱাকৈ কোনো বিষয়ৰ আলোচনা কৰা, to form an utopian scheme.

আকাশৰ তৰা বিচৰা—ক্রি, পাব নোৱৰ বস্তুলৈ হেঁপাহ কৰা, দুৰাগত আশা কৰা, to aim at the impossible.

আকালো নোহোৱা ভঁড়ালো নোহোৱা—বিণ, ধান সমূলি নাথাকিলে আকাল হয়, অধিকৈ থাকিলে ভঁড়ালত সাঁচি থোৱা হয়। এতেকে,—অতি দুখীয়াও নহয় অতি চহকীও নহয় এনেৰূপ, মজলীয়া অৱস্থাপন্ন, neither poor nor rich, of moderate means.

আকাশী চৰগ ভাগি পৰা—ক্রি, আকাশৰপৰা বজ্রপাত হোৱা, অর্থাৎ অকস্মাৎ বিষম দুর্ঘটনা হোৱা, the falling of a bolt from the blue.

আগ কৰা—ক্রি, প্রধান পাতি লোৱা; ভক্তিৰ চিন-স্বৰূপে সম্মুখলৈ বঢ়াই দিয়া; ভবিষ্যতে ভক্তি-উপহাৰ দিবৰ নিমিত্তে মনতে সঙ্কল্প কৰা, to acknowledge as leader, chief or representative; to put forward as a token of respect; to promise mentally to make an offering as a mark of devotion.

আগনি খাবণী টোপা—বিং, যি টোপা খাবণী প্রথমে সৰে সেই টোপা খাবণী অতি চোকা। এতেকে,—অতি চোকা মানুহ, a scold.

আগ পাত আগ ঢাৰি—বিং, মানী লোকক সবাহত সকলোৰে আগত ঢাৰি অর্থাৎ আসন দিয়া হয় আৰু সকলোতকৈ আগেয়ে পাত অর্থাৎ মাহ-প্রসাদ দিয়া হয়। এতেকে,—বিশিষ্ট সম্মান, foremost rank.

আগ পিচ কৰা—ক্রি, কোনো বস্তু কোনো লোকৰ এৰেলি আগলৈ নি

থোৱা আৰু এবেলি পিচলৈ নি থোৱা অৰ্থাৎ আল-পৈচান ধৰা, ওচৰতে লাগি-ভাগি মান-সম্ভ্ৰম দেখুওৱা, to attend on a great man.

আগ-মজহ খোৱা—ক্ৰি, বুকুৰ আগ-মজহ নষ্ট হলে মানুহ জীয়াই নাথাকে। এতেকে,—অন্তৰত অতিপাত বেজাৰ দিয়া, to wound one's feelings mortally.

আগ বঢ়াই অনা—ক্ৰি, [আগলৈ বঢ়াই অনা] সম্ভ্ৰম বুজাই নিজৰ আগ কৰি অলপ বাট লৈ অহা, to welcome.

আগৰ আগ ভাগ—বিং, সবাতো আগ ভাগ, শ্ৰেষ্ঠ ভাগ, the first share, the lion's share.

আগৰ গৰু বাঘে খোৱা—ক্ৰি, জাকত যি গৰু আগ হৈ থাকে, বাঘে হাবিত তাকে ধৰি লৈ যায়। এতেকে, কোনো কাৰ্য্যৰ আগত থাকি বিপদগ্ৰস্ত হোৱা, to incur risk by taking one's place in the front line.

আগ-বঢ়ুৱা—বিণ, যি বঢ়ত আগত যায়, অগ্ৰগণ্য, সাহিয়াল, forward.

আগলৈ শৰাই দিয়া—ক্ৰি, সম্মুখলৈ শৰাই বঢ়াই দিয়া, ভক্তি জনোৱা, to show mark of respect.

আগাম পুৰাণ—বিং, [আগম পুৰাণ] আগম অতি প্ৰাচীন শাস্ত্ৰ, পুৰাণ তাৰ বহু পাচৰ শাস্ত্ৰ। এতেকে,—আগৰপৰা পাচলৈ সকলো কথা, আদ্যোপান্ত বৃত্তান্ত, a complete account.

আগ ধৰি—ক্ৰি-বিণ, বহু মানুহে খোজ কাঢ়ি গলে আগ পিচ কৰি যায়। যিটো মানুহে আগত যায় সি লানিৰ আগটো ধৰি অৰ্থাৎ পোনাই বাধি যায় বোলা হৈছে। এই ছলত, এই বাক্য 'স্থান-বোধক' অৰ্থৰপৰা 'কাল-বোধক' অৰ্থলৈ বাগৰিছে। এতেকে'—আগেয়ে, প্ৰথমে, at first, at the outset, beforehand.

আগ-গুৰি নোহোৱা বন—বিং, কাঠি-কামিৰ বন কৰোঁতে বাঁহৰ আগ কোন ফালে আছে আৰু গুৰি কোন ফালে আছে ঠিক কৰি লৈ সেই দিহাৰে চল লগাই কাটি কোনো বস্তু তৈয়াৰ কৰে। তাকে নকৰিলে কাম বিশৃঙ্খল হৈ পৰে। এতেকে,—বিশৃঙ্খল কাম, disorderly work.

আঘৈণী ঘৈণী হোৱা—ক্ৰি, যি তিৰোতা ঘৈণী হবৰ নিমিত্তে অনুপযুক্ত, সেই তিৰোতাই ঘৈণী হবলৈ পালে বৰকৈ আয়ম ধৰে। এতেকে,—অযোগ্য মানুহে কোনো বিষয়ে উন্নতি লাভ কৰিলে বৰকৈ আয়ম ধৰা,

the mean exhibiting of power by an unworthy woman.

আঙুলীৰ মুৰত দিন লেখা—ক্রি, সাধাৰণ মানুহে দিন লেখিবলৈ হলে আঙুলীৰ মুৰত লেখে। কোনো কাৰ্য্য হবলৈ আৰু কেই দিন আছে, আঙুলীৰ মুৰত দিনে দিনে লেখি থাকে বোলা হৈছে। এতেকে,—অধৈর্য্য হৈ অপেক্ষা কৰা, to wait impatiently for anything

আঙুলীৰ মুৰত লেখিব পৰা—বিণ, সাধাৰণ মানুহে লেখ কৰিবলৈ হলে আঙুলীৰ মুৰত লেখে। কিন্তু আঙুলীৰ মুৰত অধিক সংখ্যা লেখিব পৰা নাযায়। এতেকে,—অল্প-সংখ্যক, that can be counted on one's finger's ends, a few,

আছে দান দিয়া, নাই সমিধান দিয়—ক্রি, [দান আছে দান দিয়া, দান নাই সমিধান দিয়া] কোনো মানুহে বস্তু খুজিলে যদি দিব পৰা যায়, তাক সেই বস্তু দিব লাগে। যদি দিব পৰা নাযায়, তেনেহলে সমিধান দিব লাগে অর্থাৎ মুখেৰে সোধ-পোছ কৰিব লাগে। এতেকে,—অনুৰোধ ৰক্ষা কৰা বা ৰক্ষা কৰিব নোৱাৰাৰ কাৰণ শিষ্টভাবে বুজাই কোৱা, to comply with a request if possible or to explain politely the reason for inability of compliance.

আজি কালি—ক্রি-বিণ, বৰ্ত্তমান কালত, now-a-days, at present.

আটাইবে একো পাল—বিং, আটাই মানুহবে একে বিধীয়া কষ্ট বা অসুবিধাৰ পাল, like difficulties for all by turns.

আড়িৰ মুৰ চিতলৰ গদা—বিং, আড়ি মাছৰ মুৰ আৰু চিতল মাছৰ গদা সমূলি কাঁইটীয়া বাবে খাব পৰা নাযায়। এতেকে,—কোনো বস্তু বা কাৰ্য্যৰ বেয়া অংশ, the worst part of anything.

আতোল-তোল দৈয়ন দিয়া—বিণ, বিয়াত দৰা-কন্যাক দৈয়ন দিয়া হয়। তেতিয়া দৰা-কন্যাক অতিকৈ আদৰ-সাদৰ কৰা হয়। দৈয়ন = দৈ + আনি। আতোল-তোল = আহ্, তোল্, তোল্। দৈ অনা অৰ্থে বিতত হৈ আন এজনক এই বুলি কোৱাৰপৰা এই বাক্যৰ উৎপত্তি হৈছে:—"আহ্, তোল্, তোল্, দৈ আনি দে", অর্থাৎ "আহ্, খবকৈ দৈ-বাটি-টো তুলি দৈ দে, মই পানি দিওঁ"। এতেকে,—অতিকৈ আদৰ-

সাদৰ কৰা, dearly beloved.

আদৰা দৰা—বিং, যাক বিয়ালৈ পূৰ্ব্বে আদৰি অনা হৈছে তেনে দৰা, অৰ্থাৎ দ্বিতীয় বিয়াৰ দৰা, a widower bridegroom.

আদৰি অনা—ক্রি, যথোচিত অভ্যর্থনা কৰি অনা, to welcome with due ceremonies.

আধা-কটা—বিণ, নেজ এডোখৰ কাটিলে কুকুৰ চোৰা হয়। এতেকে, দুষ্ট, টটাটিঙ্গা. cunning.

আধা-খুণ্ডা—বিণ, (আধা-খুণ্ডা = গুৰি নোহোৱা, খৰচীয়া)। হঁটা, rough.

আধা-পেটী ভাত—বিং, আধা-পেটীকৈ খোৱা ভাত অৰ্থাৎ অপূর্ণ কামনা, a partially satisfied desire.

আধ্যা পৰা—ক্রি, পৃথিৱী আধ্যা অন্ত পৰা অৰ্থাৎ সর্ব্বনাশ হোৱা, আহৰি হোৱা, to be done for.

আনা-জৰীৰে গণা—ক্রি, সাধাৰণতে জৰীৰে মালা গথা হয়, আনা-জৰীৰে মালা গাঁথিব পৰা নাযায়। এতেকে,—অতি নিপুণভাবে কোনো কার্য্য-সম্পাদন কৰা, to do a thing by a skilful contrivance.

আপটৰ পট—বিং, যাৰ তুল্য পট নাই তেনে প্রকাৰৰ পট, অতি সুন্দৰ ছবি, অতুল সৌন্দর্য্যযুক্ত মানুহ, a perfect picture of beauty, an exceedingly beautiful person.

আপদ চোচোৱা—ক্রি, [আপদ সুচোৱা] আপদৰ সূচনা কৰা অৰ্থাৎ পাচত আপদ হব এনে ভাব কোনো কথা বা কার্য্যৰ দ্বাৰা পূৰ্ব্বতে বুজোৱা, to say or act ominously.

আপদৰ কালত ঔৰে গল্ হেঙ্গোৱা—ক্রি, ঔ-টেঙ্গা খালে গল নেহেঙ্গায়। কিন্তু এই স্থলত কোৱা হৈছে যে আপদৰ কালত ঔৰে গল হেঙ্গায়। এতেকে,—আপদৰ কালত দুর্ব্বল মানুহেও দ্রোহ আচৰা, the doing of harm to a person who has fallen on evil times by one who is too weak.

আপদৰ মাত—বিং, আপদ-কালৰ আশ্বাস-বাণী, আপদ-কালত সহানুভূতি দেখুওৱা বুজনি, an expression of sympathy in times of distress.

আপুনি নাঙঠা হৈ জগতক বৰ দিয়া—ক্রি, মহাদেৱে সকলোকে বৰ দি বিভূতি-

শালী কৰে, কিন্তু নিজে নাজঠা (দিগষৰ)। এতেকে,—নিজে শোচনীয় অৱস্থা পোৱা কিন্তু পৰৰ উপকাৰ কৰা, to do good to all although oneself badly off.

আপোনাৰ নাক কাটি সতিনীৰ যাত্ৰা-ভঙ্গ কৰা—ক্ৰি, (উপকথা) অমঙ্গলীয়া ঘটনা দেখিলে কোনো ঠাইলৈ যাত্ৰা কৰিব নাপায়। তিৰোতা মানুহে মাকৰ ঘৰলৈ যোৱা এটি অতি আনন্দৰ বিষয়। কোনো তিৰোতাই মাকৰ ঘৰলৈ যাবলৈ ওলাওঁতে সতিনীয়েকে খিয়ালত তেওঁক বাধা দিবলৈ আন একো উপায় নাপাই নিজৰ নাকটো কাটি পেলালে। এই অমঙ্গলীয়া ঘটনা দেখি সিজনা তিৰোতাৰ যাত্ৰা-ভঙ্গ হল। এতেকে,—নিজৰ মহা অনিষ্ট কৰিও পৰৰ সামান্য অনিষ্ট কৰিবলৈ কুণ্ঠিত নোহোৱা, not to shrink from doing a serious injury to oneself, only if it serves to put some one else to some sort of inconvenience however slight it may be.

আপোনে ছপোন ভাৱোৱা—ক্ৰি. আপোন আৰু এপোন শব্দৰ সাদৃশ্যবশৰা এই বাক্যৰ উৎপত্তি হৈছে। এতেকে,—আত্মীয় মানুহে অধিক অপকাৰ কৰা, to do serious injury to an intimate friend or a kinsman.

আৱতৰীয়া বেঙেনাই মোক তোল মোক তোল কৰা—ক্ৰি, বতৰত বেঙেনা গছ কলে বেঙেনা যেনে ভাল হয়, আবতৰত গছ কলে বেঙেনা তেনে ভাল নহয়। আৱতৰীয়া বেঙেনাই "মোক তোল মোক তোল" অৰ্থাৎ "মই বঢ়িয়াকৈ লাগি আছোঁ, মোক তুলি লৈ যা" এই বুলি কয় ধোলা হৈছে। এতেকে,—কোনো অযোগ্য মানুহে নিজক বখানি কথা কোৱা, to speak highly of oneself without the necessary qualification.

আৱৰী জাতি—বিং, ৱৰী জাতিৰ ওলোটা, যাক ৱৰাৱ নোৱাৰি তেনে জাতি, অসভ্য জাতি, a savage tribe.

আৱৰী বাৱৰী কোৱা—ক্ৰি, [আৱৰী বাৱৰী ভাষা কোৱা] আৱৰী মানুহৰ দোৱান বুজিব পৰা নাযায়। 'বাৱৰী' অনুকৰণ অব্যয়। এতেকে,—যিহকে তিহকে কোৱা, বলকা, to speak aimlessly, to talk at random, to rave.

আভুরা ভঁবা—ক্রি, [আভুরাক ভঁবা] আভুরাক যেনেকৈ ভঁবা যায় তেনেকৈ ভঁবা, প্রবঞ্চনা কবা, to hoodwink, to impose on.

আভোকব ন মুঠিয়েই জোবা—ক্রি, সাধাবণ মানুহে ছ মুঠি চাউলব ভাত খায়। এই স্থলত কোৱা হৈছে যে বান্ধিবব নিমিত্তে ন মুঠি চাউল লৈছে, অথচ কৈছে যে আভোক বাবে ইমানেহে জুবিব। এতেকে,—মুখেবে নিস্পৃহাব ভাব দেখুৱাহ কার্য্যেবে অতি-স্পৃহা দেখুওৱা, to show indifference for anything outwardly, although too anxious to have it.

আমঠু ক'লা পবা—ক্রি, ডঙ্গব বেজাবত আমঠু ক'লা পবে অর্থাৎ নিস্তেজ হয়। এতেকে,—ডাঙৰ বেজাব পোৱা, to be stung to the quick, to be mortified.

আমাব তেওঁ—বিং, যৌগীয়েকে গিৰিয়েকব নাম নধবি 'আমাব তেওঁ' বোলে। এতেকে,—স্বামী, my so-and-so, i. e. husband.

আয়ুসত চাউল থকা—ক্রি, চাউল অর্থাৎ ভাত খাই কাল যাপন কবা হয়। এতেকে,—আয়ুসত কাল থকা অর্থাৎ আয়ুসব কাল পূর্ণ নোহোৱা, the subsisting of the tenure of life.

আয়ুসত বল থকা—ক্রি, হিন্দুমতে আয়ুসব বল পূর্ব্ব জন্মব কর্ম্মজনিত পুণ্য-নির্দ্ধাবিত। এতেকে,—আয়ুসত পুণ্যব বল থকা অর্থাৎ পুণ্যব ফল-স্বৰূপে আয়ুস থকা, the lasting of life as a reward of virtue.

আবৈতকৈ উখুৱাব খচ্‌খচনি টান হোৱা—ক্রি, আবৈ চাউলব ভাতে পেট খচ্‌খচায়, উখুৱা চাউলব ভাতে পেট খচ্‌নখচায়। এই স্থলত আবৈতকৈ উখুৱাব খচ্‌খচনি টান বোলা হৈছে। এতেকে,—যি মানুহে খচ্‌খচাব লাগে সি খচ্‌নখচাই যি মানুহে খচ্‌খচাব নালাগে সি খচ্‌খচোৱা। [খচ্‌খচোৱা—(ভাতব পক্ষে) খোচা যিদ্ধা কবা। (মানুহব পক্ষে) সেৱা-নেপেৱাকৈ ধবা, টানি ধবা, জোব দি ধবা,] the making of a demand with greater insistence by an unconcerned person than by the person who is directly interested in the matter.

আবৈয়া—বিণ, আবৈ অর্থাৎ নিসিজোৱা ধানব চাউলব সিচিনা, ছুটা-মুটা, rough.

আলচ পত।—ক্রি, [আলোচনা পতা] চক্রান্ত কৰা, to plot, to design.

আল-লগা বামুণ—বিং, 'পিঠিয়াল' 'ঘৰিয়াল' ইত্যাদি আলযুক্ত বামুণ। এই-বিলাক বামুণ পূৰ্ব্বে শূদিৰ আছিল। লেকাই চেটিয়াই লগুণ পিন্ধাই ইহঁতক বণলৈ পঠিয়াইছিল। বণৰ পাচত ইহঁতৰ লগুণ বৈ গল। এতেকে,—নীচ বামুণ। (নিন্দা প্রয়োগ) a Brahmin of impure origin, a low Brahmin.

আলাযৰ লাড়ু—বিং, কেঁচুৱা লৰাক লাড়ুৰে তুলনা কৰা হৈছে। কেঁচুৱা লৰা সোটমোচ হৈ থকা বাবে ঘূৰণীয়া লাড়ুটোৰ নিচিনা দেখা যায়। প্রভেদ এই যে লাড়ু মাটিত থাকে, কিন্তু কেঁচুৱা লৰা আলাযত থাকে অর্থাৎ কোলাত উঠি ফুৰে। এতেকে,—অতি আদৰৰ মানুহ, a dearly beloved person.

আলি বাটত চালি ধৰা—ক্রি, কোনো মানুহে সাজ-পাৰ পিন্ধি মুকলি ঠাইত থাকিলে বতাহত কাপোৰ-কানি উড়ি ফেৰ মেলি পৰে। তেতিয়া সেই মানুহক চালি ধৰা ম'বাৰ নিচিনা দেখা যায়। 'আলিবাট' বুলি অতি প্রকাশ্য ঠাই বুজোৱা হৈছে। এতেকে,—বেহ-ৰূপ প্রকাশ কৰি দেখুওৱা, to make a vain display of beauty.

আলুৱে পোথাই উঘলা—ক্রি, [আলুৱেৰে পোথাৰে উঘলা] গছ উঘালিলে যদি তাৰ আলু মাটিত থাকি যায় তেনেহলে তাৰপৰা আকৌ গছ গজি আহে। আৰু যদি পোখা থাকে, তেনেহলে সিও ডাঙৰ হৈ থাই গছৰ নিচিনা হব। এই স্থলত, এনে ভাবে গছ উঘালে বোলা হৈছে যে ভবিষ্যতে তেনে গছ হবৰ আশা কোনো প্রকাৰে নাথাকে। এতেকে,—কোনো মানুহক নির্ব্বংশ কৰা। তাৰ পৰা,—সর্ব্বস্বান্ত কৰা, to destroy root and branch, to ruin completely.

আলেকৰ পালেক—বিং, [পূৰা বচন :—আলেকৰ পালেক, কুকুৰা-চোৱাৰ ভাৰীৰ ভাগিনীয়েক।] কুকুৰা-চোৱাই বজাৰ কুকুৰা পুহিছিল। তেনে-কুৱা সৰু বিষয়াৰ ভাৰ কঢ়িওৱা মানুহ. তাৰে ভাগিনীয়েক। "আলেকৰ পালেক" ছন্দ মিলাবৰ নিমিত্তে ব্যবহৃত হৈছে, তাৰ নিজা অর্থ নাই। এতেকে,—একো সম্বন্ধে নোপোৱা মানুহ। (বিদ্রূপ-প্রয়োগ) one thoroughly unconnected by relationship (used ironically).

আলৌ-লৌৱা গোৱাঁ—বিং. পার্ব্বতীয় মেমকাৰ আলগুৱা ঝীয়েক আছিল। এতেকে,—আলগুৱা ছোৱালী, a dearly beloved delicate girl.

আশাধাৰী জীৱ—বিণ, আশাৰ ওপৰত প্ৰাণ ধাৰণ কৰা মানুহ, man who lives through hope.

আশাত নিৰাশ হোৱা—ক্রি, আশা কৰি ধাকোঁতে আশা-ভগ্ন হোৱা, to be broken-hearted.

আশা বৈতৰণী নদী—বিং, বৈতৰণী নদীৰ সোঁত অতি প্ৰবল। মানুহ মৰিলে এই নৈ পাৰ হৈ পৰলোকলৈ যাব লাগে। এতেকে,—অতি প্ৰবল, আৰু মৰণকাল পৰ্য্যন্ত চলি থকা আশাৰ সোঁত, hope as long as life lasts.

আশীৰ্ব্বদীয়া লৰা—বিং, আশীৰ্ব্বাদৰ দ্বাৰা জন্ম পোৱা লৰা অৰ্থাৎ বাপেকৰ সম্পৰ্ক নোহোৱাকৈ ওপজা লৰা, জহৰা লৰা, (ব্যঙ্গাৰ্থ) an illegitimate child, (used ironically).

আহুদি খুওৱা—ক্রি, (আহুদি=অশুদ্ধি, এবিধ কুমন্ত্ৰৰ ক্রিয়া)। এই ক্রিয়াৰ দ্বাৰা মানুহক সৰ্ব্বতোভাৱে বশৱৰ্ত্তী কৰিব পৰা যায়। এতেকে,—পৰৰ কুৎসা ৰটি কোনো মানুহক নিজৰ মতলৈ আনা, to convert a person to one's way of thinking by questionable methods.

ই।

ই-কাণ সি-কাণ হৈ সহস্ৰ-কাণ হোৱা—ক্রি, ই-কাণৰপৰা সি-কাণলৈ গলে সহস্ৰ-কাণলৈ যায়, অৰ্থাৎ কোনো কথা এজনৰপৰা আন এজনে শুনিলে ক্ৰমশঃ তাক সকলো মানুহে জানিবলৈ পায় গৈ। এতেকে,—

কোনো কথা দ্বিতীয় মানুহক কলেই সি সৰ্ব্বত্ৰ প্ৰচাৰিত হোৱা, to spread far and wide if known to a second person.

ইচাট-বিচাট কৰা } ইচাটি বিচাটি কৰ } —ক্ৰি, "বিচাট" বিষদ শব্দৰ অপভ্ৰংশ। "ইচাট" অনুকৰণ শব্দ। এতেকে,—বিহ্বল হোৱা, to be ill at ease, to feel restless.

ই তিনি গুণৰ বাজ—বিং, সত্ত্ব, ৰজ, তম, এই তিনি গুণ। এই তিনিও গুণৰ বাজ বুলি কোৱা হৈছে। এতেকে,—কোনো কাৰ্য্যেৰে সৈতে যৎকিঞ্চিৎ ভাৱেও সম্পৰ্কিত নোহোৱা, throughly unconnected, outside the pale.

ইন্দ্ৰৰ অমৰাৱতী—বিং, অমৰাৱতী দেৱৰাজ ইন্দ্ৰৰ নগৰ আছিল। স্বয়ং বিশ্বকৰ্ম্মাই ইয়াক নিৰ্ম্মাণ কৰিছিল। এতেকে,—বিচিত্ৰ নগৰ, a picturesque city.

ইন্দ্ৰৰ সভাত কেঁচাৰ কুকলি—বিং, ইন্দ্ৰ দেৱৰাজ। তেওঁৰ সভাত সকলো দেৱতা থাকে, আৰু তেওঁ স্বয়ং সভাপতি। সেই সভা অত্যন্ত গহীন আৰু তাত গুৰুতৰ বিষয়ৰ মীমাংসা হয়। তেনেকুৱা সভাৰ সভ্য সকলৰ বক্তৃতাৰ মাজত কেঁচাৰ কুকলি হাস্যাস্পদ কাণ্ড বুলি কোৱা হৈছে। এতেকে,—গহীন আৰু ডাঙৰ সভাত অপদাৰ্থ মানুহৰ বক্তৃতা, a speech of a contemptible person in an august assembly.

ই-পুৱী—বিং, এই পুৱী, ইহলোক, this world.

ই সি—বিং, এই বস্তু সেই বস্তু অৰ্থাৎ কিবাকিবি, this or that, something.

ঈ।

ঈশ্বৰৰ ছলে লীলা বোলা, মানুহৰ ছলে কীৰ্ত্তি বোলা—ক্ৰি,] ঈশ্বৰৰ দোষ ছলে লীলা বোলা, মানুহৰ দোষ ছলে কীৰ্ত্তি বোলা] হিন্দুমতে শ্ৰীকৃষ্ণ

স্বয়ং ঈশ্বৰ। লঙা-কালত তেওঁ অত্যাচাৰ কৰিছিল। সেইবিলাক কার্য্যক মানুহে ঈশ্বৰৰ লীলা বুলি কয়। কিন্তু সাধাৰণ মানুহে যদি তেনেকুৱা অত্যাচাৰ কৰে, তেনেহলে সকলোৱে "তাক ফীলা" এই বুলি কয়। এতেকে,—ৰাজলোকৰ দোষকো গুণৰ শাৰীত পেলোৱা কিন্তু ইতৰ লোকক সেই একে প্রকাৰৰ দোষতেই অতিৰিক্ত দণ্ড দিয়া, to call the faults of a great man accomplishments, but those of a common man crimes deserving of heavy punishment.

ঈশ্বৰে চকু মেলি চোৱা—ক্রি, ঈশ্বৰৰ দৃষ্টি পৰা, শুভ দিন উদিত হোৱা, the coming on of better days.

উ।

উঁই-চিৰিঙ্গাই জুইত পৰি মৰিবলৈ পাখি গজা—ক্রি, উঁই-চিৰিঙ্গাৰ যেতিয়া পাখি গজে, তেতিয়া সি উৰি গৈ জুইত পৰি জাহ যায়। এতেকে—তুচ্ছ মানুহৰ সৌভাগ্য তাক নষ্ট কৰিবৰ নিমিত্তে দেখা দিয়া, to possess fortune light-heartedly so that it serves simply to cause one's ruin ultimately.

উকহে খোৱা—বিং, উকহ পোকে খালে অর্থাৎ কামুৰিলে মানুহ বিতত হয়। এতেকে,—বিতত, অধৈর্য্য, impatient, restless.

উগ্রসেনে বুদ্ধি মাধৱত নোলোধা—ক্রি, উগ্রসেন শ্রীকৃষ্ণৰ মোমায়েক আছিল। তেওঁ শ্রীকৃষ্ণৰ পৰামর্শ নোলোৱাকৈ কোনো কার্য্য নকৰিছিল। কিন্তু বিপদ-কালত তেওঁৰো বুদ্ধি হত হল। এতেকে,—বিপদ-কালত

মুহ্ৰ হলে যোগ্যতম মানুহৰো পৰামৰ্শ নোলোৱা, not to take advice even from the worthiest man when one loses his head in dire distress.

উচটাই গাই-গৰু বোওৱা—ক্রি. হিন্দু মানুহে গাই-গৰুৰে হাল বালে জাতি-ভ্ৰষ্ট হয়। এই স্থলত, উচটাই হিন্দুৰ দ্বাৰা গাই-গৰু বোওৱা হৈছে বোলা হৈছে। এতেকে,—কোনো অন্যায় কাৰ্য্য নিজে নকৰি উচটনিৰ দ্বাৰা পৰৰ দ্বাৰা কৰোৱা, to incite some one else to do a wrongful act.

উজটিত পৰি মৰা—বিণ, নিশকতীয়া মানুহে উজটি খাই মাটিত পৰিয়েই প্ৰাণ হেৰুৱায়। এতেকে,—অলপ ধতুৰা, wanting in calibre or stamina.

উঠি-অহা—বিণ, (উঠা=বঢ়া) বয়স বাঢ়িলে বিদ্যা-বুদ্ধিও বাঢ়ে। এতেকে,—জীৱনৰ প্ৰথম আধা ছোৱা কালত বয়স পাই যোৱা, উন্নতিশীল, growing, promising, rising.

উঠি পৰি লগা—ক্রি, গধুৰ বস্তু লৰাবলৈ উঠে, কিন্তু লৰাব নোৱাৰি পৰি যায় এই দৰে চেষ্টা কৰা অর্থাৎ অত্যন্ত পুৰুষাৰ্থ কৰা, to make utmost effort.

উঠি বহা—ক্রি, নৰিয়া মানুহে ঢাৰি-পাটীত পৰি থাকে, উঠি বহিব পৰা হলেই ৰোগ ভাল হ'ল বুলি ধৰিব পৰা যায়। এতেকে,—বিপদৰপৰা উদ্ধাৰ পোৱা, to get rid of any difficulty.

উঠি-বজা—বিং, [উঠি ফুৰা বজা] উঠি-লৰি মানুহক চলাই ফুৰা বজা। এতেকে—পৰৰ ওপৰত প্ৰভুত্ব চলোৱা মানুহ, ক্ষমতাশীল পুৰুষ, a man of power and influence.

উদক ভেঁট-ৰখীয়া পতা—ক্রি, মাছ ধৰিবৰ নিমিত্তে মানুহে পানীত ভেঁটা বান্ধে। খল-খলনি শুনি মাছে ভেঁটাৰ ওপৰে জঁপিয়াই যাবলৈ চেষ্টা কৰে বাবে কোনো এজন মানুহক ভেঁটা-ৰখীয়া পতা হয়। এই স্থলত কোৱা হৈছে যে উদক অর্থাত স্বভাৱতে যি মাছৰ লুভীয়া হেনে প্ৰাণীক ভেঁটা-ৰখীয়া পতা হৈছে। এতেকে,—যাৰ যি বস্তুলৈ অতিৰিক্ত লোভ তাক সেই বস্তুৰ ৰখীয়া পতা, to appoint a naturally hostile person as guardian or protector.

উদৱ সাত পুকষে কেঁচা মাছ খোৱা—ক্রি, মানুহে মাছ সিজাই খায়। ইয়ে পূৰ্ব্ব কালৰপৰা কেঁচা মাছ খাই আহিছে। এতিয়া সি সেই অভ্যাস এৰি মাছ সিজাই খাব নোৱাৰে। এতেকে,—পূৰ্ব্ব কালৰ চলিত ৰীতি সহজে এৰিব নোৱৰা, to be unable to give up easily a custom which has been prevalent since a long time.

উধনীয়া ভেম—বিং, উধানৰ সমান অৰ্থাৎ ডাঙৰ ভেম, great vanity.

উধৰ পৰা মুধলৈ—ক্রি-বিণ, [অধৰ পৰা উধ-লৈ] (অধ = অধঃ। উধ = ঊৰ্দ্ধ)। 'অধৰ' পৰা 'ওধ' আৰু 'ওধৰ' পৰা 'উধ' শব্দ বাগৰি ওলাইছে। অধ শব্দে 'উধ' ৰূপ ধৰাত পিচৰ 'উধ' শব্দে উচ্চাৰণৰ সুচলৰ অৰ্থে মুধ আকৃতি ধৰিলে। এতেকে,—তলৰ পৰা ওপৰলৈ, গোটেই, সমুলি, from top to bottom, entirely.

উপকাৰীক অজগৰে খোৱা—ক্রি, যদি কোনো মানুহে সাপক বধ নকৰি এৰি দিয়ে, তেনেহলে সাপে চল পালে সেই মানুহকে খুটিব, উপকাৰ মানি তাৰ প্ৰাণ ৰক্ষা নকৰে। এতেকে,—ক্রূৰ প্ৰকৃতিৰ মানুহে উপকাৰ নামানি উপকাৰীৰ সৰ্ব্বনাশ কৰা, অকৃতজ্ঞ হৈ মহা অনিষ্ট সাধন কৰা, to harm the benefactor.

উপজি গোট ভাত গিলা—ক্রি, কেঁচুৱা লৰাক ভাত ফেনেকি খুওৱা হয়, সি গোটা ভাত গিলিব নোৱাৰে। এতেকে—কোনো ডাঙৰ কাৰ্য্য লাহে লাহে কৰিবলৈ চেষ্টা নকৰি এৰে দোপতে কৰিবলৈ যোৱা, to try to do a difficult thing all at once instead of step by step.

উপজি ৰাতিপুৱা—বিং, [উপজি হোৱা ৰাতিপুৱা] ৰাতি মানুহ টোপনিত মৰাৰ নিচিনা হৈ থাকে। ৰাতিপুৱা হলে টোপনিৰপৰা উঠি ওপজাৰ নিচিনা হয়। এতেকে,—নিচেই ৰাতিপুৱা, the first stage of the morning.

উবুৰি খাই ধৰা—ক্রি কোনো টান কাৰ্য্য থিৰ হৈ কৰিব নোৱাৰি উবুৰি খাই ধৰি কৰিবলৈ চেষ্টা কৰা হয়। এতেকে,—অত্যন্ত পুৰুষাৰ্থ কৰা, to try to the utmost.

উভতি নচা—ক্রি, ওভতা হৈ অৰ্থাৎ মুৰ তললৈ আৰু ভৰি ওপৰলৈ কৰি নচা, অভপালি কৰা, to act perversely.

উভতি বাট বোলা—ক্রি, ওভতা হৈ অৰ্থাৎ মুৰ তললৈ আৰু ভৰি ওপৰলৈ কৰি

খোজ কঢ়া অর্থাৎ বিপৰীতভাৱে কার্য্য কৰা, to act in an unusual manner.

উভলা গছ দেখি আটায়ে বাগি কুঠাৰ মৰা—ক্রি, যি গছ থিয় হৈ থাকে, তাৰ ওচৰলৈ কোনো মানুহ নাযায়। কিন্তু যি গছ উভলি পৰি থাকে, যেয়ে সেয়ে গৈ তাক বাগি কুঠাৰেৰে কাটে। এতেকে,—পৰি থকা অর্থাৎ দুর্ব্বল মানুহ দেখি যেয়ে সেয়ে অপকাৰ কৰা, the injuring by anybody and everybody of a person who has fallen on evil times.

উভঁহা উত্তৰ—বিং, [উভঁহীয়া উত্তৰ] (উভহা=উভ+আঁহ+ঈয়া) আঁহৰ দিহেৰে কোৱা নহয় এনে উত্তৰ অর্থাৎ প্রশ্নানুযায়ী নহয় এনে উত্তৰ, an evasive reply.

উভে নদী- বিণ, [উভয় নদী] পানী অধিক হলে নদীৰ উভয় পাৰ উপচি যায়। এতেকে,—উপচি যোৱা, অপৰিমিত, overflowing, enormous, too much.

উমনি লোৱা—ক্রি, চৰায়ে পোৱালি জগাবৰ নিমিত্তে কণীৰ ওপৰত বহু দিন উমনি লয়। এতেকে,—কোনো কার্য্যত অতিৰিক্ত কাল ব্যাপৃত থকা, to keep oneself employed in anything for an unduly long time.

উমৈহতীয়া শ বাহি শ হোৱা—ক্রি, যাৰ আত্মীয়-স্বজন সৰহ, সেই মানুহ ৰাতি মজিলে শ বাহি হয় অর্থাৎ বেগতে তাক ৰাতি নৌ পুৱাওঁতেই মৰিশালিলৈ নিব পৰা নাযায়, কিয়নো শ কান্ধত লৱলৈ ইটোৱে সিটোৱে ৰাগি ধৰি থাকে। অসমীয়া মানুহৰ মতে শ বাহি হোৱা স্থগিত কার্য্য। এতেকে,—উমৈহতীয়া কার্য্য সুকলমে শীঘ্রে সমাধা নোহোৱা, the doing of a joint business in a bad way.

উৰহিৰ ওৰ—ক্রি, (ওৰ=গোড়, মূল) উচ্চাৰণৰ সাদৃশ্য বশতঃ উৰহিৰ 'ওৰ' বোলা হৈছে। এতেকে,—কোনো মানুহৰ কথা, বিষয় বা কার্য্যৰ মূল, the root cause of anything.

উৰি অহা—ক্রি, বাঁহৰপৰা চৰাই-পোৱালি কাঢ়ি নিলে মাকে উৰি খুটিবলৈ আহে। এতেকে,—কোৱেৰে খং-মুৱাকৈ অহা, to rush threateningly.

উলাহৰ মাদলি—বিং, (মাদলি=ডিঙ্গিত পিন্ধা অলঙ্কাৰ)। উলাহ বুজোৱা মাদলি। এতেকে,—হৰ্ষোৎফুল্ল মানুহ a person in high glee.

উলুৰ লগত বগাৰি পোড়া—ক্রি উলুবনীৰ মাজে মাজে বগাৰি গছ থাকে। খেতি-বাতিৰ নিমিত্তে মাটি মুকলি কৰিবলৈ উলুবনীত জুই লগাই দিয়া হয়। সেই জুইত উলু যে পোৰে সৈ বগাৰি গছো পুৰি যায়। এতেকে—সঙ্গদোষত অপৰাধী মানুহৰ লগত নিৰপৰাধী মানুহক দণ্ড কৰা, to punish an innocent person along with a guilty person on the ground of association.

উৱাই ৰাতি পুৱাই যোৱা—ক্রি [পুৱাই ৰাতি পুৱাই যোৱা] পুহ-মহীয়া ৰাতি বৰ দীঘল। এতেকে,—দীঘল ৰাতি অতিবাহিত হোৱা, the passing away of the longest night.

উশাহতে ক্রি-বিণ, এবেলি উশাহ লওঁতে যিমান পৰ লাগে সিমান পৰতে, মুহূর্ত্ততে, at once, immediately,

উশাহ পোৱা—ক্রি, [উশাহ ঘুৰি পোৱা] উশাহ নিকধ হৈ থাকি আকৌ পোৱা, শকাহ পোৱা, বিপদত অলপ তৰণি পোৱা, to be relieved.

উ।

উণৈছত বা বলোৱা—ক্রি, [উণপঞ্চাশৎ বায়ু বলোৱা] বায়ু উণপঞ্চাশ প্রকাৰ বুলি প্রসিদ্ধ। বেগেৰে লৰি-ধাপৰি ফুৰিলে বতাহ বলি যায়। এতেকে,—আনন্দত মতলীয়াভাবে ফুৰা, বঙ্গত উধাৰ হোৱা, to be excessively hilarious

উণৈছ বিছ—বিং, উণৈছ আৰু বিছৰ ভিতৰত যিমান প্রভেদ, সিমান প্রভেদ; নিচেই অলপীয়া প্রভেদ, a slight difference.

ঊষা পটেশ্বৰী—বিং, ঊষা শোনিতপুৰৰ বাণ ৰজাৰ জীয়েক, আৰু শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ ঘৈণীয়েক। তেওঁ অতি সুন্দৰী আছিল। (পটেশ্বৰী = ৰাজ-পাটৰ ঈশ্বৰী অৰ্থাৎ প্ৰধান ৰাজ-মহিষী; তাৰপৰা, ৰূপৱতী তিৰোতা)। এতেকে,—অতি ৰূপৱতী তিৰোতা, an extremely beautiful woman.

এ।

এই অনা দেওৱা—ক্ৰি. সাঙ্গহ, কৰাই আদি জলপানৰ নিমিত্তে খোলাত এবাৰত যিমান চাউল দিয়া যায় তাক 'অনা' বোলে। সেই চাউল সেই গলে 'এই অনা দিলে' বুলি কোৱা হয়। এতেকে,—কোনো এবাৰৰ কাৰ্য্য নিষ্ফল হোৱা, the coming to nothing of a particular venture.

এঁহ গছৰ পৰা কেঁহ গছলৈ—ক্ৰি, [আঁহ গছৰপৰা কেশ গছলৈ] আঁহ-ডালৰ-পৰা চুলি-ডাললৈ, নিচেই ক্ষুদ্ৰ বিষয় পৰ্য্যন্ত, to the minutest things.

এক গাঁৱঁৰ এক মাৱৰ—বিং, [এক গাঁৱঁৰ প্ৰজা এক মাৱৰ সন্তান] একে মাকৰ সন্তানৰ ভিতৰত যেনে প্ৰীতি-স্নেহ থাকে, একে গাওঁৰ প্ৰজাৰ ভিতৰতো তেনেকুৱা প্ৰীতি-স্নেহ থাকে। এতেকে—একে গাওঁৰ প্ৰজা-বিলাকৰ ভিতৰত সহোদৰ ভাই-ককাইৰ তুল্য প্ৰীতিভাৱ, brotherly feelings among persons of the same place.

এক দেৱ এক সেৱ বিং, "এক দেৱ এক সেৱ এন বিনে নাই কেৱ" এইটি মহাপুৰুষীয়া ধৰ্ম্মৰ মত। (এক দেৱ = এক মাত্ৰ দেৱ অৰ্থাৎ শ্ৰীকৃষ্ণ, এক সেৱ = এক মাত্ৰ সেৱা অৰ্থাৎ শ্ৰীকৃষ্ণৰ সেৱা।) এতেকে,—একমাত্ৰ ধ্যান-ধাৰণা, whole-hearted devotion, warm

attachment.

একহি পুরুষ—বিং, একৈছ পুরুষ, বহু পুরুষ, many generations.

একা-ঢেকা মানুহ—বিং, মহ-গকরে চক খালে যি পোনে যায় সেই পোনেই গৈ থাকে, তাক ওভোতাই আনিব পৰা নাযায়। এতেকে,—কোনো কার্য্যব পোনে ঢাল লগে সেই কার্য্যবপৰা ওভোতাই যাক আনিব পৰা নাযায় তেনে মানুহ, a wayward fellow.

একাণে সোমাই একাণে ওলোৱা—ক্রি, কোনো কথা একাণে সোমাই তেঁতিয়াই একাণে (আন কাণে) ওলোৱা অর্থাৎ শুনা মাত্রকতে পাহৰি যোৱা, কথা মনত নথকা, to forget a thing as soon as it is heard.

একাদশত গুরু হোৱা,—ক্রি, ('একাদশত বৃহস্পতি হোৱা' চোৱাঁ। বৃহস্পতি দেৱতা সকলব গুরু।)

একাদশত বৃহস্পতি হোৱা—ক্রি, (জ্যোতিষীয়া মাত) জন্ম-পত্রিকাব একাদশত যদি বৃহস্পতি থাকে তেনেহলে ফল অত্যন্ত শুভ হয়। এতেকে,—ভাগ্য সুপ্রসন্ন হোৱা, the smiling of fortune.

একাদশীয়া বামুণে গবাহ গবাহ কৰা—ক্রি, একাদশী তিথিত বামুণে লঘোন দিয়ে। লঘোন ভাঙ্গোতে ভোকত ডাঙৰ-ডাঙ্গৰকৈ একো গবাহ ভাত খায়। এতেকে,—কোনো কার্য্য হুঁটাহেৰে কৰা, to do a thing with extreme avidity.

একীল খালে এবুধি চপা—ক্রি, যদি এটা কীল খোৱা যায় তেনেহলে তাব লগতে এটা বুদ্ধি চাপে অর্থাৎ মাৰ-কীল খালে হে শিক্ষালাভ হয়। এতেকে,—ঠেকা পাই শিক্ষা পোৱা, to learn a lesson by sad experience.

একে মুখেই ধান-চিবা দিয়া, একে মুখেই চাউল-চিবা দিয়া—ক্রি, এবেলি এখন মুখেৰে ধান-চিবা দিম বুলি কৈ থুৰি সেই মুখেৰেই চাউল-চিবা দিম বুলি কয়, এনে বোলা হৈছে। এতেকে,—কথা সলাই কোৱা, to change opinions one after the other.

একে খুণ্ডাতে যোৱা—ক্রি, [একে খুণ্ডাতে মৰি যোৱা] মহ গকরে মানুহক মুৰেৰে খুণ্ডা মাৰে। টানকৈ খুণ্ডা মাৰিলে একে খুণ্ডাতে মানুহ মৰে।

গুল্ম পিত্ত আদি কোনো কোনো রোগেও বুকুত খুণ্ডা মারি ধরে আক কেতিয়াবা হেনেকুরা একে খুণ্ডাতে মানুহ মরে। এতেকে,—তৎক্ষণাৎ প্রাণ হেকওরা, to meet with instantaneous death.

একে পাততে খোরা একে কান্ধত লোরা মানুহ—বিং, একে পাততে অর্থাৎ একে শরীত খায় আক একে চাঙ্গিতে মরা-শ শ্মশানলৈ নিয়ে এনেকুরা মানুহ অর্থাৎ একে খেলর মানুহ; লগর সঙ্গর মানুহ; অতি মিলর মানুহ, persons belonging to the same clan, community, class; companions in weal or woe.

একৈয়া বোটলা—ক্রি, খলি-খেল খেলোঁতে যি একৈয়া গুটি বোটলে সি মুঠর ওপরত বহু গুটি পায়। এতেকে,—ঠায়ে ঠায়ে অলপ আর্জ্জন করি বহু আর্জ্জনর গরাকি হোরা, to make a fortune by securing small but constant gains.

এখন তাল নবজা—ক্রি, তাল বজাবলৈ হলে তুখন তাল লাগে, এখন তাল নাবাজে। সেইরূপে, দন্দ করিবলৈ হলেও দুজন মানুহ লাগে। এতেকে,—দুই পক্ষর এক পক্ষ তাল হলে দন্দ লাগিবর স্থল নোহোরা, the existing of no room for quarrel when any one of the two parties does not want to quarrel.

এখনকে দহখনকৈ লগোরা—ক্রি, এখন বন যদি বেয়াকৈ করা হয় তেন্তে সেই এখনকে ভাঙি দহখন বন বেয়াকৈ করা হৈছে বুলি দেখুরাই কথা লগোরা, অতিপাতকৈ কথা লগোরা, to speak ill of others by coloured statements.

এগোট হোরা—ক্রি, কেইবা গোট মানুহ লগ হৈ এগোটর নিচিনা হোরা, একমত হোরা, to be of one mind, to be united.

এচহীয়া মানুহ—বিং, কাঠ ফালিলে পোনে পোনে নাফাটি কেতিয়াবা সি বেঁকাকৈ ফাঁটি যায়। (এচহীয়া=এটা চাহির সমান অর্থাৎ আগর ফাললৈ একণিমান।) এতেকে,—পোন বাটে কার্য্য নকরি তৎক্ষণাৎ যেই বাটে মন যায় সেই বাটে কার্য্য করা মানুহ, a perverse person.

এছাল ছিগিলেও কথা নেরা—ক্রি, ইমানকৈ কথা কয় বোলা হৈছে যে জিবার এছাল

অর্থাৎ এখন ছাল বা প্রথম ছাল ছিগি যায়। এতেকে,—তর্কত হাব নামানি যেনে তেনে প্রকাবে নিজব মত এবি নিদিয়া, to adhere to one's opinion dogmatically.

এটকা মহন্তব শপথ—বিং. 'এটকা' শব্দে পূর্ণসংখ্যা বুজাইছে। এটকা মহন্ত = পূর্ণসংখ্যাব মহন্ত অর্থাৎ পূর্ণাঙ্গ ধর্ম্ম। এতেকে,—যৎপবোনাস্তি ডাঙ্গব শপথ, an oath in the name of all that is sacred.

এটা চকু কণা কব. এখন কাণ কলা কৰা—ক্রি. এফালে নেদেখাকৈ আৰু এফালে নুশুনাকৈ থকা, আওকণীয়া ভাও ধবি থকা, ধবকৈ মন কাণ নিদিয়া, to be inattentive.

এটা চাউল পিটিকিলে এচক ভাতব গম পোৱা—ক্রি, ভাত সিজিছে নে নাই সিজা চাবলৈ হলে এটা চাউল হাতেবে পিটিকি চোৱা হয়। তাৰপবা গোটেই চক ভাত সিজা নিসিজাব গম পোৱা যায়। এতেকে,—কোনো মানুহব এটা কথা জানিলেই তাব সমুদায় স্বভাব জনা, to be able to know the character of a person by knowing a single incident of his life.

এঠাইত কাটিলে সাত ঠাইত গজা—বিণ, কোনো গছ যদি কাটি দিয়া হয়, তেনে-হলে কটা-ঠাইব তলতে পোথা ওলায়। এই স্থলত কোৱা হৈছে যে তাক এঠাইত কটা হৈছিল, কিন্তু সি সাত ঠাইত গজিল, অর্থাৎ আগেয়ে এডাল গছ আছিল, কিন্তু এতিয়া সাত ডাল গছ হ'ল। এতেকে,—যাক কোনো মতে অপকাব কবিব পবা নাযায় তেনে মানুহ, অতি টেঙৰ মানুহ, a too clever person.

এডালি চুলিকে দুডালি কৰা—ক্রি, একণিমান বস্তুকে দুফাল কৰা অর্থাৎ সামান্য বিষয়তো বেলেগ ভাব দেখুওৱা, to show a spirit of disunion even in the minutest affairs.

এড়ালি চুলিকে সাত ফাল কৰা—ক্রি,এডালি চুলিকে অর্থাৎ নিচেই একণিমান বস্তুকো ভাগ কবি সাত ফাল কৰা অর্থাৎ অতি কৃপণতা কৰা, to act miserly in an extreme degree.

এডিঙ্গি পানীত পবি পিয়াহত মৰা—ক্রি, ডিঙ্গিব ওচবলৈকে পানী থাকিলে সেই পানী মুখ মেলি খাবব নিমিত্তে নিচেই উজু। এই স্থলত কোৱা হৈছে যে সিমানতো পানী খাবলৈ নাপাই পিয়াহত মৰে।

এতেকে,—ধন-সম্পত্তি থকাতো তাক ভোগ কবিবলৈ নোপোৱা, সম্পত্তি থকা স্বত্বও ক্ষণত কবা, to comport oneself as a poor man though living in plenty.

এডেও ডুডেওকৈ লোটা নিবব চেও ধব,— ক্রি ডেও মধাব ছলেবে লাহে লাহে লোটাব পোনে চাপি আহি কোনেও নোদেখাকৈ লোট চুব কবি লৈ যায় বোলা হেছে। এতেকে,—নিৰ্দ্দোষ ভাব কবাব ফাঁটি কবি পবাক-অপহবণব চেষ্টা কব, to attempt to rob a person by assuming an attitude of innocence.

এতেখব বেলি— বিং [সবহীয়া এতাখব বেলি] বহু সময়, a considerable time

এথমকত— ক্রি-বিণ, ধম্-ধম্ কবে অহা কোনো এবাবত, suddenly and precipitately on one occasion.

এথুমুহাত— ক্রি-বিণ, ধুমুহাব দবে কোবেবে অহা কোনো এবাবত, suddenly and precipitately on one occasion.

এনেই উৰ্ব্বশী দুবাবে বাট দিয়া—ক্রি, উৰ্ব্বশী স্বৰ্গব অপ্সবী। তেওঁ ইন্দ্রব সভাব নাচনী আছিল, আৰু আকাশেদি উৰি ঘুবিব পাৰিছিল। এই হেতুকে, উৰ্ব্বশী=অতি চঞ্চলা তিবোতা। এনেকুৱা তিবোতাক বন্ধ কাব ৰাখিলেও তেওঁ যেনে তেনে প্রকাবে এপোনে বাট উলিয়াই খবৰদাৰী বাজ হয়। তাকে নকবি যদি দুবাব মেলি সেই পোনে যাবলৈ বাট থোৱা যায়, তেনেহলে তেওঁ যে ঘবৰপৰা ওলাই যাব, তাব কোনো সন্দেহ নথাকে। এতেকে,—দুষ্ট মানুহক দুষ্টালি কবিবলৈ চল লগাই দিয়া, to put a wicked person in a field where he can give full play to his evil propensities.

এনেই বুঢ়ী নাচনী তাতে নাতিনীয়েকব বিয়া হোৱা—ক্রি বুঢ়ী মানুহব নাতিনী চাবলৈ বৰ হেঁপাহ। নাতিনী ডাঙৰ হৈ বিয়া হলে বুঢ়ীব আনন্দ বৰকৈ বাঢ়ে। তাতে যদি বুঢ়ী নাচনী হয়, তেনেহলে সেই বিয়াত তাইব নাচোনব সীমা নাথাকে। এতেকে,—অতিৰিক্ত আনন্দব কাৰণ হোৱা, the coming of pleasure to a person who is by nature pleasurably disposed.

এন্দুবক সেন্দুব পিন্ধোৱা—ক্রি, এন্দুব ঘিণ-লগা-প্রাণী, তাক সেন্দুব পিন্ধালে

ভাল দেখিগি। এতেক,—স্বভাবতে যি ঘৃণিত তক কৃত্রিম উপায়ব দ্বাব সুন্দব কবিবব নিমিত্তে যত্ন কবা to attempt to beautify a naturally ugly perso

এন্দুবে মাটি খনা, ঘবত বথ হেবা—ক্রি, চোবে মাটিব তলে দি সিন্ধি খানে। এন্দুবেও সিন্ধিব নিচলৈকে গাত খানে। চোব বাহিবব মানুহ, কিন্তু এন্দুব ঘবব ভিতবতে থাকে। এতেকে —ঘবব ভিতবত কোনো ওঙ্গব অপবাধ কব, the doing of serious crime in a family by one of the members of that family.

এন্ধাবত পেপিওবা ক্রি, এন্ধাবত কোনো বস্তু হাতেবে পেপিয়ালে বিচাবি পোৱা নাযায়। এতেকে, কণ-মুনীকে বিচবা, to grope in the dark.

এন্ধাবত দলি মবা—ক্রি এন্ধাবত বাখা দেখ নালাগে। তেতিয়া দলি মবিলে ভাল লাগিবও পাবে, নালাগিবও পাবে। এতেক,—কণ, মুনীকে কোনো কার্য্য কবা, to act at random.

একলীযা ভাবে কামি-হাড় ভঙ্গা—ক্রি, এখন ভাব দুমাবে দুটা মানুহে ধবি কঢ়িয়ালে যদি ভাব একলীয়া হয় অর্থাৎ যদি একালে অধিক গধুব হয তেনেহলে সেই ফালব ভাবীয়ে দুখ অধিক হয়। এতেকে,—দুটা কার্য্যত অধিক ভাব বোবা অংশীদাবব কষ্ট মাবাত্মক হোব, to be overburdened singly in a joint business.

একাল শেনে খোবা—বিণ, ভাল বস্তু দেখিলে শেনে থাপ মাবি লৈ যায়। কোনো মানুহ এনে সুন্দব খোজা হৈছে যে শেনে মুখব একাল অর্থাৎ এখন গাল থাপ মাবি নি খাই পেলায অৰ্থাৎ-স্বরূপে তেওঁব এখন গাল নাইকিয়া হয়। এতেকে,—অতি সুন্দব, (বিদ্রূপ), too beautiful (used ironically.)

এবেলি সাপে খুটিলে লেজুতো ভয় কোবা - ক্রি, লেজু দেখিবলৈ সাপব নিচিনা। এই স্থলত কোবা হৈছে যে এবেলি যি মানুহক সাপে খুটিছে, তাব লেজু দেখিও সাপ বুলি ভ্রম হয়। এতেকে -- কোনো বিষয়ত এবেলি ভয় পালে তত্তুল্য সামান্য বিষয়তো ভয় পোৱা, to get frightened on account previous sad experience of a real danger by any danger which is similar to it though unreal

in character.

এবুবি ছ-অঁৰা- বিণ, কুড়িটাই এবুবি আৰু চাৰিটাই এ-অঁৰা এই-ৰূপে অঙ্কৰ লেখ হয়। (ছ-অঁৰা=চৌবিছ।) এতেকে,—বহু, অধিক, excessive, too many.

এমা-দিমা লৰা—বিং, [এমাহ দুই মাহৰ লৰা] এমাহ-দুমাহ বয়সীয়া লৰা, কেঁচুৱা লৰা। (এমা-দিমা শব্দ 'ডিম' শব্দৰপৰা ওলোৱা সম্ভৱ দেখা নাযায়।) children of tender years.

এৰা-পাত খোৱা—বিণ, ছাগলীয়ে এৰা-পাত খায়। এতেকে,—অনৰ্থক বেলে-বেলাই ফুৰা, talkative, chatty.

এলাতকৈ চেলাৰ বিষ টান হোৱা—ক্রি, এলা=আল্লা। চেলাই কামুৰিলে ধ্যান-ভঙ্গ হয়। ঐহিক কষ্ট সহিবলৈ টান। পৰকালৰ যাতনা হৃদয়ঙ্গম কৰিব পৰা নাযায়। এতেকে,—ভবিষ্যৎ কষ্টতকৈ বৰ্ত্তমান কষ্ট গুৰুতৰ হোৱা, to be troubled more by feelings of existing difficulties than by ideas of any future danger however great it may be.

এশখন মুখেৰে কোৱা—ক্রি, একেটা কথাকে বহু বাৰ বহু ৰকমেৰে সলাই কোৱা, বাৰে-পতি কথা সলাই বহু বাৰ বহু মিছা কোৱা, to talk differently on different occasions, to speak any number of lies.

এশ গৰু মাৰিলে বাঘৰ মৰণ হোৱা—ক্রি, প্রবাদ আছে যে বাঘে বধ কৰা গৰুৰ সংখ্যা বাঢ়ি গৈ যেতিয়া এশ হয় তেতিয়া বাঘৰ মৰণ মিলে অর্থাৎ মানুহৰ হাতত তাৰ প্রাণ যায়। এতেকে,—অতিৰিক্ত পাপ হলে নষ্ট হোৱা, to be ruined as a result of an excess of vice.

এসাজি খুওৱাৰ সমান বং পোৱা—ক্রি, নিমন্ত্রণ কৰি এসাজি ভাত খুৱালে যিমান বং পোৱা যায় সিমান বং পোৱা অর্থাৎ বৰকৈ বং পোৱা, to be extremely delighted.

এহাতৰ হুল দুহাতে কাঢ়িব নোৱৰা—ক্রি, হুল এহাতত ফুটে, কিন্তু দুই হাতেৰে ধৰি আঙুৰিও তাক কাঢ়িব পৰা নাযায়। এতেকে,—কোনো বেয়া কার্য্য সহজে কৰি পিচত বহু কষ্ট কৰিও তাৰ উপশম কৰিব নোৱৰা, not to be able to undo even with a great effort a

mischief which has been done quite easily.

এহাতলৈকে হাত চুচি খোৱা—ক্রি, দৈ-গাখীৰৰ কাৰণত হাত কীলাকুটিলৈকে সুমাই দিলে কীলাকুটিৰপৰা এহাতলৈকে ঠাৰিত গাখীৰ লাগি আছে। মানুহ জনে সেই হাত চুচি গাখীৰ খায় অর্থাৎ গোটেই কলহ গাখীৰ একলো বাকি নোথোৱাকৈ খায় বোলা হৈছে। এতেকে,—অতিৰিক্ত ভোজন কৰা to eat a giant's meal.

এহাতে চাপৰি নবজা—ক্রি, ['এখন তাল নবজা' চোৱাঁ।]

এহেও নোহোৱা তেহেও নোহোৱা—ক্রি, [এ'হুতো নোহোৱা তেহেতো নোহোৱা] এই ঠাইতো নোহোৱা সেই ঠাইতো নোহোৱা ক'তো একো নোহোৱা, সকলো বিষয়ে নিষ্ফল হোৱা, to be unsuccessful here as well as there i. e. not to be able to get on anywhere.

ঐ।

ঐদেহি-বৈদেহি গোৱা—ক্রি, [আই ঐ দেহি বাই ঐ দেহি গোৱা] যিহকে মন যায় তাকে বলকা, নানা-প্রকাৰ অর্থশূন্য কথা কোৱা, to talk incoherently.

ঐয়া-হৈয়া—ক্রি, বিহুত বহু মানুহে ঘুম পাতি 'ঐয়া-হৈয়া' শব্দ উচ্চাৰণ কৰে। এতেকে,—অধিক মানুহে হাই-উকমি কৰি খেলিমেলিকৈ কাৰ্য্য কৰা, to act in confusion.

ও।

ওঁঠ-চেপিলে পিয়াহ ওলোৱা—বিণ কেঁচুৱা লৰাই ওঁঠৰ দ্বাৰা পিয়াহ চুপি খায়। এই স্থলত লৰাটো হামান সক বুলি কোৱা হৈছে যে তাৰ ওঁঠ চেপিলে এতিয়াও পিয়াহ ওলায় অর্থাৎ সি মাকৰ পিয়াহ খাবলৈ এৰা বহু দিন হোৱা নাই। এতেকে,—সক, (লৰাত খাটে।) infant,

ওঁঠ চেলেকা—ক্রি, কোনো বস্তু খাবৰ নিমিত্তে মনকৈ লোভ লাগিলে ওঁঠৰ পানী ওলায়। যদি খাবলৈ পোৱা নাযায় তেনেহলে ওঁঠটো জিভাৰে চেলেকি পানীখিনি শুচাই পেলোৱা হয়। এতেকে, মনকৈ লোভ কৰি খাবলৈ নাপাই নিৰাশ হোৱা। তাৰপৰা, যেই সেই কোনো কাৰ্য্যত নিৰাশ হোৱা, to be disappointed.

ওঁঠৰ পানী পৰা—ক্রি, কোনো বস্তু খাবৰ নিমিত্তে মনকৈ লোভ লাগিলে ওঁঠৰ-পৰা পানী পৰে। এতেকে, —মনকৈ লোভ লগা, to be strongly tempted to eat or drink.

ওঁঠাৰখন মুখেৰে কোৱা—ক্রি, বহু বাৰ সলাহ কথা কোৱা, to make varying statements.

ওঁঠাৰটা নাম দিয়া—ক্রি, [ওঁঠাৰটা বেয়া নাম দিয়া] যি যেনেকুৱা কার্য্য কৰে, সি সেই অনুযায়ী নাম পায়। এতেকে,—বহু বেয়া কার্য্য কৰে বুলি দোষাৰোপ কৰা, to ascribe too many faults to any one.

ওচৰৰ পুঠি খলিহা—বিং, পুঠি খলিহা নিচেই সক মাছ। তথাপি তাক যদি ওচৰতে পোৱা যায় তেনেহলে সিও লাভজনক হয়। সেইৰূপে অলপীয়া ধন-বস্তু যদি ওচৰতে পোৱা যায় তেনেহলে তাকো লাভ-জনক বুলি ধৰা হয়। এতেকে,—ওচৰতে পোৱা বাবে লাভজনক বুলি ধৰা অলপীয়া ধন-বস্তু, small things near at hand and considered on that account to be profitable.

ওজাৰ নাকত খঁৰে খোৱা—ক্রি, (ওজা=বৈদ্য।) ওজাই পৰৰ ৰোগ ভাল কৰে। কিন্তু তেওঁৰ নিজৰ নাকতে খঁৰে খায়। খঁৰ সাধাৰণতঃ নাকত নহয়, কিন্তু ওজাৰ তেনে ঠাইতে খঁৰ হয়। এই স্থলত দুটা ভাৰ বুজোৱা হৈছে:-

(১) সকলোৰে দেখা ঠাইতে খঁৰ হয়।

(২) খঁৰে খাই ছিদ্ৰি পেলায় অর্থাৎ নাক নাইকিয়া হয় বা লাজ

নাইকিয়া হয়। এতেকে, যি কোনো মানুহে কোনো কার্য্যত পৈণত সেই কার্য্যতে সেই মানুহে খাটি পোৱা, to be worsted in a field which is specially one's own.

ওপৰ-চকুৰ মানুহ—বিং, ওপৰলৈ চকু কৰি ফুৰিলে হুল-জোঙ্গে ফুটিবৰ আশঙ্কা থকে। এতেকে, গমা-গপা নকৰা লোক, তললৈ নমনা মানুহ, অসাৱধান বা বে-হিচাবী মানুহ, a superficial, indiscriminate, or careless person.

ওপৰ-পেটত খোৱা—ক্রি, (পেট+পেটৰ আহাৰ), আহাৰৰ ওপৰত, অৰ্থাৎ আহাৰৰ পূৰ্ব্বে খোৱা, to eat before meal.

ওপৰ-হাত—বিণ, যুজত হাত ওপৰ হে থাকিলে তাক চলাব পৰা যায়। এতেকে,—অন্যতকৈ শ্রেষ্ঠ superior.

ওফন্দি গঙ্গাটোপা হোৱা ক্রি, গঙ্গাটোপা মাছ ওফন্দি ওখ হৈ থাকে, কিন্তু সি আহাৰৰ নিমিত্তে অযোগ্য। এতেকে,—অযোগ্য মানুহে নিজে ডাঙৰ বুলি ভেম পাতি থকা, to be puffed up with vanity.

ওফোন্দা ভেম—বিং, কোনো বস্তু ওফন্দিলে ডাঙৰ বুজায়। এতেকে,—ডাঙৰ ভেম, great vanity.

ওভোতাই মোট ছেলোৱা,—ক্রি, আহোম-ৰজাৰ দিনত গুৰুতৰ অপৰাধ কৰিলে ওভোতাহ গাৰ মোট ছেলোৱে হৈছিল: এতেকে,—উগ্র শাস্তি দিয়া, to punish severely.

ওৰা পতা—ক্রি, কাছ-আদি কোনো কোনো প্রাণীয়ে লেথেৰি পাতি কণী পাবে। তাকে 'ওৰা পতা' বোলে। এতেকে,—সন্তান প্রসৱৰ নিমিত্তে আৰম্ভ কৰা, অৰ্থাৎ ভবিষ্যতে বহু সন্তান-জন্মৰ পূৰ্ব্ব-লক্ষণ-স্বৰূপে প্রথম সন্তান প্রসৱ কৰা, (তিৰোতাত খাটে।) to be delivered of a child heralding the birth of a number of children in future years.

ওলোটা বেদ—বিং, হিন্দুৰ ক্রিয়া কাণ্ড বেদৰ বিধি অনুযায়ী কৰা হয়। এতেকে,—বিপৰীত নিয়ম বা প্রণালী, an unusual rule or procedure.

ঔ।

ঔচ্ বুলিলে ওচৰ চপা—ক্রি, কুকুৰক 'ঔচ্' বুলি মতিলে সি ওচৰ চাপে। এতেকে,—কুকুৰৰ দৰে নীচভাৱে পৰৰ আজ্ঞা পলা, to do sneakingly as one is bid, to carry out order slavishly.

ঔ পৰা—ক্রি, ঔ-টেঙ্গা পাৰিলে মাটিত ধুপ-ধুপ-কৰে পৰে। পিঠিত কোনো মানুহে ভুকুৱালেও সেইৰূপ শব্দ হয়। এতেকে,—ভুকু মৰা বা মাৰ-কীল কৰা, to deal heavy blows with the fist.

ক।

কঁকাল চাই মেখেলা—বিং, কঁকালৰ জোখ চাই মেখেলাৰ আকাৰ হয়, অর্থাৎ কঁকাল ডাঙৰ হলে মেখেলা ডাঙৰ লাগে, কঁকাল সৰু হলে মেখেলা সৰু লাগে। এতেকে, যথাযোগ্য কার্য্য, an appropriate action.

কঁকাল পৰা—ক্রি, মানুহ বুঢ়া হলে কঁকাল পৰে। এতেকে,—অকর্ম্মণ্য হোৱা, to be rendered useless.

কঁকাল ভগা—ক্রি, কঁকাল শৰীৰৰ মধ্যস্থান। কঁকাল ভাগিলে প্রধান বল নষ্ট হয়। এতেকে—প্রধান বল নষ্ট হোৱা, to be rendered unserviceable.

কঁকাল ভাঙ্গি নচা—ক্রি, নাচনীয়ে নানা-প্রকাৰ কঁকাল-ভঙ্গি কৰি নাচে। এতেকে,—ভালকৈ নচা, to dance prettily.

কাঁহ পৰি জিম যোৱা—বিণ, কাঁহৰ শব্দ উঠি সেই শব্দ আপোনা-আপুনি পৰি জিম যাব নাপায়। কাঁহত হাত দি শব্দটো তৎক্ষণাৎ মাৰ নিয়াব লাগে। এতেকে,—মানুহ-চুমুহ নাইকিয়া নিজগাল, pervaded with deep silence.

কাহে কাঁহে লাগিলে বজা—ক্রি, ছটা কাঁহৰ পাত্ৰ লাগিলে অর্থাৎ ঠেকাঠেকি হলে বাজে অর্থাৎ শব্দ কৰে ছটা মানুহে লাগিলে অর্থাৎ দন্দ্ব লাগিলে বাজে অর্থাৎ মুখেৰে গালিগালি কৰে। এই দ্বন্দ্ব, দন্দ্ব কৰা মানুহক কাঁহৰ লগত তুলনা কৰা হৈছে। এতেকে—বেগতে খং উঠা দুজন মানুহৰ ভিতৰত সামান্য বিষয়ে দন্দ্ব লাগ, the quarrelling of two persons of equally excitable temperament.

কাঁহী-পাতে গা বটা—ক্রি, (কাঁহী=কাঁহীৰ বাহত লিচিনা ধৰ খকা বহল পাতেৰে এবিধ গছ।) হাবত সেনাপে কাহী-পাতে অৱশ্যে অলপ-চুৰপ লাগোট কিন্তু পৰিশ্রমী গাঁৱলীয়া মানুহৰ পক্ষে ই লিচেঙ সামান্য আঘাত। এতেকে—নাম-মাত্ৰ ভাবে হৰা to be harmed nominally

কঁচিয়া খেচ দিয়া ক্রি দাঁতিৰ জাঁঠৰ চুচিয়া খুচি ধৰ হয় এতেকে,—ববকৈ অত্যাচাৰ কৰা, to outrage, to torment

কুজৰ মুখত কীল মৰা কি, কুঁজৰ ঠিক্ মুখতে অর্থাৎ ওপৰত কীল মাৰি দিলে কুঁজ পোন হৈ যায় বুলি কয়। কোনো মানুহক কোন কৰিলেই হলে তাৰ কুঁজত অর্থাৎ তাৰ দুৰ্ব্বল গুণ আছে তাৰ ওপৰতে কীল মাৰিব লাগে অর্থাৎ আঘাত কৰিব লাগে। এতেকে—কোনো মানুহৰ দুৰ্ব্বল অংশত আক্রমণ কৰা to deal with a person just in the right way so as to obtain from him what is wanted.

কুঁজাত ধৰ—ক্রি, নাঙ্গল ধৰা অর্থাৎ বেঁকোৰ। এতেকে,—মঙ্গলত ধৰা, হাল বাবলৈ ধৰা, খেতি আৰম্ভ কৰা, চহা ব্যবসায় অবলম্বন কৰা, কষকৰ সাধাৰণ ব্যবসায়ৰ দ্বাৰা জীবিকা উপাৰ্জ্জন কৰা, to live by ploughing the land, to earn by the sweat of the brow, to lead a laborious life.

কেঁকোৱা-গাঁত বিচৰা—ক্রি, কেঁকোৱাৰ গাঁত অকোৱা-পকোৱা। গাঁতত সোমালে কেঁকোৱাক বিচাৰি পাবলৈ টান হয়। কেঁকোৱাৰ গাঁত বুলিলে পলাই সাৰিব পৰা ঠাই বুজায়। এতেকে,—ভয়ত পলোৱা, to run away through great fear.

কেঁকোৱা-খোলা দিয়া—ক্রি, কেঁকোৱাৰ পোৱালিয়ে মাকৰ গৰ্ভ খুলি প্রাণনাশ

কৰি শুদা খোলাটো থৈ জন্ম লয়। এতেকে,—অন্তঃসাৰ-শূন্য কৰা, নির্য্যাতন কৰা, অনেক কষ্ট দিয়া, to reduce to skeleton.

কেঁকোৱা চেপা দিয়া—ক্রি, কেঁকোৱাই ঠেঙেৰে বৰকৈ চেপি ধৰে। এতেকে,—টানকৈ চেপা দিয়া অর্থাৎ কষ্ট দিয়া, to squeeze, to torture.

কেঁকোৱা নাঙ্গলত ধৰা—ক্রি, নাঙ্গলৰ আকাৰ কেঁকোৱা। নাঙ্গলৰ দ্বাৰা খেতিৰ কার্য্য কৰা হয়। এতেকে,—হাল-চহ কৰা, খেতিয়কৰ ব্যৱসায় অৱলম্বন কৰা, to lead a rural life.

কেঁচা ৰণত পাৰ মৰা—ক্রি, ৰণৰ প্রথম অৱস্থাত উভয় পক্ষৰে ভীষণ ৰক্তপাত হয়। পিচত বহু সৈন্য মৰি ৰণৰ বল কমে। এতেকে,—কোনো শঙ্কটজনক কার্য্যত প্রথমাৱস্থাতে যোগ দি নাশ পোৱা, to suffer terribly by doing an extremely hazardous act.

কেঁচুৱে এৰেলি গাঁতৰ পৰা ওলালে সোমাব নোৱৰা—ক্রি, মানুহে কয় যে কেঁচুৱে এৰেলি গাঁতৰপৰা ওলালে ঘূৰি গাঁত বিচাৰি নাপায়। গাঁতত সোমাব নোৱাৰি কিছু পৰ বগাই-ঝগাই ফুৰি মৰি থাকে। এতেকে,—কোনো নিশকতীয়া মানুহে নিজ ঠাই এৰি গলে আকৌ সেই ঠাই নোপোৱা, not to be able to regain lost ground (said of a weak person).

কেচু খোঁচৰোতে সাপ ওলোৱা—ক্রি, মাটি খুঁচৰি কেঁচু উলিয়াবলৈ যাওঁতে কেতিয়াবা সাপ ওলায়। এতেকে,—অলপ লাভলৈ চাওঁতে ডাঙৰ বিপদ উপস্থিত হোৱা, the coming of a great danger to a person in his attempt to make a nemin al gain.

কেঁচুটো হোৱা—ক্রি, কেঁচুটোৰ নিচিনা লেউ-সেউ হোৱা, নিজৰ মানসিক শক্তি সামর্থ্য নাইকিয়া হোৱা, সম্পূর্ণ পৰাধীন হোৱা, to be abjectly submissive.

কেঁচুত শগুণ পৰা—ক্রি, কেঁচু নগণ্য জীৱ। সি মৰিলে তাৰ মঙ্গহ খাবলৈ শগুন পৰে বোলা হৈছে। এতেকে,—অতি ডাঙৰ মানুহে অতি সামান্য বস্তুলৈ লোভ কৰা, to hanker after a trifling gain although in comfortable position.

কেঁত্ কৰা—ক্রি, গাত দুখ পালে কেঁত্-কৰে চিঞৰ মাৰি দিয়ে। এতেকে,—দুখ পোৱা, to feel pain.

কেঁৱা-কুজা ভঙ্গা—ক্রি, তাঁতৰ সূতা কেতিয়াবা কেঁৱা হয় অর্থাৎ পোনে পোনে

নগৈ আন সুতাৰ মাজে দি যায়, আৰু কেতিয়াবা কুঁৱা হয় অর্থাৎ সুতাৰ কুঁজ বা কোঁহা ওলায়। শিপিনীয়ে কেঁৱা আৰু কুঁজ ভাঙ্গি অর্থাৎ ভাল কৰি তাঁত বয়। এতেকে,—কোনো কার্য্যৰ আসোঁৱাহ-বিসোঁৱাহ শুচোৱা, to remove defects.

কেঁৱা দুপৰ—বিং, কেঁৱা অর্থাৎ অলপ কতীয়া দুপৰ, দুপৰৰ ঠিক পূর্ব্ব-ভাগ সময়, the part of the day immediately preceding the mid-day.

কোঁ-কোঁ কাঁ-কাঁ কৰা—ক্রি, পাৰ চৰায়ে জোৰ পাতি নিজৰ বাহুত কোঁ-কোঁ কাঁ-কাঁ কৰি থাকে। এতেকে,—নিজৰ ঘৰতে তিৰোতা আৰু লৰা ছোৱালীৰে সৈতে হাই-উকমি নোহোৱাকৈ কাল যাপন কৰা, শান্তিৰে গৃহস্থালি চলোৱা, to live in a humble but peaceful home.

ক-খ পুথি—বিং, শিক্ষা কৰোতে 'ক-খ'ৰ পৰা আৰম্ভ কৰা হয়। এতেকে,—প্রথম শিক্ষা-পুথি, an A. B. C. book, a first primer.

ক-খ ম-ম পঢ়া—ক্রি, প্রথম-শিক্ষাৰ পুথি পঢ়া, অলপীয়া শিক্ষা পোৱা, to obtain a little education, to have a smattering of knowledge.

'ক' বুলিব নোৱৰা—বিণ, যি মানুহ সম্পূর্ণৰূপে অশিক্ষিত সি 'ক' এই আখৰ-টোকে পঢ়িব নোৱাৰে। এতেকে,—সম্পূর্ণৰূপে অশিক্ষিত, মহামুর্খ, grossly stupid.

'ক' বুলিয়েই বৰ্ণমালী পঢ়িবলৈ যোৱা—ক্রি, বৰ্ণমালী পুথিৰ ভাষা আৰু ভাব, বৰ টান। যি মানুহে 'ক' বোলে অর্থাৎ প্রথম শিক্ষা অৱস্তু কৰে, তাৰ পক্ষে বৰ্ণমালী পঢ়া অসম্ভৱ। এতেকে,—যি কার্য্য অতি শিক্ষিত মানুহৰ পক্ষে সম্ভৱ সেই কার্য্য অলপ শিক্ষিত মানুহে কৰিবলৈ যোৱা, অসাধ্য-সাধন কৰিবলৈ চেষ্টা কৰা, the attempting by a novice to do what can only be done by a veteran.

কচু-কটা দিয়া—ক্রি, কচু কাটিবলৈ অতি সহজ। এতেকে—অতি সহজে নাশ কৰা, to cut up very easily, to annihilate.

কচু-শাকৰ ভেঁটি—বিং, আগৰ দিনত ডাঙৰ মানুহেৰে সৈতে ভেঁট হবলৈ হলে কিবাকিবি বস্তু লৈ যাবৰ নিয়ম আছিল। যি মানুহ নিচেই দুখীয়া

সি একো নিৰ নোৱাৰি কচু-শাক দুটলি লৈ তাকে ভেঁটি দিয়ে গৈ। এতেকে, দুখীয়া উপহাৰ, a humble present.

কচু-পাতৰ পানী—বিং, কচু-পাতত থকা পানীৰ নিচিনা অথিক বস্তু বা মানুহ, anything unstable or transient in nature.

কচুৰ কটাৰি—বিং, কচু নিচেই কোমল, তাৰ দ্বাৰা কটা কাৰ্য্য হব নোৱাৰে। এতেকে,—অকামিলা বস্তু, a useless weapon.

কটনা কটা ভাত—বিং. [কাটনী কটা ভাত] কাটনীয়ে পনু কাটি সূতা উলিয়াই কাপোৰ বৈ বেচি সেই ধনেৰে জীবিকা উপাৰ্জ্জন কৰে। এই কাৰ্য্যত অত্যন্ত পৰিশ্ৰম লাগে। (ভাত=জীবিকা) এতেকে,- বহু কষ্টেৰে উপাৰ্জ্জিত ধন-বস্তু। (তিৰোতাত খাটে।) hard-earned livelihood (applied to a woman).

কটা কাণ চুলিৰে ঢকা—ক্রি, আহোম ৰজাৰ দিনত কাণ-কটা দণ্ডৰ বিধি আছিল। এই দণ্ড অতি অপমানজনক। কাণ-কটা মানুহে কাণৰ ওপৰৰ চুলি দীঘলকৈ ৰাখি কটা অংশ ঢাকি থয়। এতেকে,—লাজ ঢকা, to hide shame.

কটা কাণ জোৰা দিয়া—ক্রি, আহোম ৰজাৰ দিনত ডাঙৰ অপৰাধ কৰিলে কাণ কটা হৈছিল। এই দণ্ড অতি অপমানজনক। এতেকে,—লাজ ঢাকিবলৈ চেষ্টা কৰা, to attempt to hide shame.

কটা ঘাত খাৰণিৰ চাট্ দিয়া—ক্রি, কটা ঘাত খাৰণিৰ চাট্ দিলে যন্ত্ৰণা অসহনীয় হয়। এতেকে,—এটা অপকাৰ কৰি এটাই পুনৰ শত্ৰুতাচৰণৰ দ্বাৰা সেই অপকাৰ অসহনীয় কৰা, to aggravate misery.

কটা ঘাত চেঙ্গা তেল দিয়া- ক্রি, প্ৰথমতে কোনো মানুহক কটা হয়। তাৰ পাচত সেই কটা ঘাতে চেঙ্গা তেল ঢালি দিয়া হয়। তেনে কৰিলে যন্ত্ৰণা অসহনীয় হয়। এতেকে,—দুখতে দুখ দিয়া, অপকাৰতে অপকাৰ কৰা, এবেলি অপকাৰ কৰি পুনৰ অহিতাচৰণৰ দ্বাৰা তাক অসহনীয় কৰা, to aggravate once's trouble.

কটা বান্ধ দিয়া—ক্রি, কাটিবলৈ নিওঁতে যেনে বান্ধ দিয়া যায় তেনে বান্ধ দিয়া, অতি টানকৈ বন্ধা, to bind tightly.

কটা-মৰা শত্ৰু—বিং, চলত পালে যাক কাটিব পাৰে আৰু মাৰিব পাৰে তেনে শত্ৰু, মহাশত্ৰু, a bitter foe.

কটা যোৱা—বিণ, যাক কাটি বধ কৰা হব অর্থাৎ যাৰ সম্মুখত বিপদ উপস্থিত তেনেকুৱা, (গালিৰ মাত) damned (a term of reproach).

কটাৰ পো—বিং, [কটা যোৱাৰ পো] কটা-যোৱা যোগ্যৰ মানুহৰ পুতেক, ওকতৰ জগৰীয়া প্ৰকৃতিৰ মানুহ, (গালিৰ মাত) a rascal, a scoundrel (a term of reproach).

কটিয়া বজৰু—বিং, (বজৰু=বদ) বজ্ৰময় অৰ্থাৎ টান-বান্ধৰ কটিয়া মানুহ, a strong-built dwarfish fellow.

কঠালৰ এঠা—বিং, কঠালৰ এঠা লেকেতীয়া, তাত মাখি-আদি পৰিলে লাগি ধৰে। এতেকে,—যাৰ হাতত পৰিলে এৰাব পৰা নাযায় তেনে মানুহ, আকৰ্ষণকাৰী মানুহ, প্ৰেমিকা তিৰোতা, an attractive person, a captivating woman.

কঠিয়া মৰা—ক্ৰি, কঠিয়া ধান মৰা, বীজ নষ্ট হোৱা, সঁচ নাইকিয়া হোৱা, the destroying of the seed or germ of anything.

কঠিয়াহে চুটি, জেঠতে পৰা—বিং, কঠিয়া যদিও চুটি, কিন্তু তাক জেঠতে অর্থাৎ বতৰৰ আদিতে পৰা হেঁচে। এতেকে,—আকৃতিত কটিয়া কিন্তু বয়সত বহু-দিনীয়া-মানুহ। তাৰপৰা,—বাহিৰে একো কথা নজনা কিন্তু ভিতৰে বহু কথা জনা মানুহ, a person who has lived long but is smaller in growth ; hence, a simple-looking wicked person.

কণ-কঠিয়া মৰা—ক্ৰি, বীজ মৰা, সঁচ নষ্ট হোৱা, (কঠিয়া=কঠিয়া ধান, সঁচ।) to destroy completely.

কণা বিধতা—বিং, বিধতাৰ এটা চকু কণা বুলি কয়, কিয়নো তেওঁ এফাল মানুহৰ কপালত সুখ লিখে, আৰু এফাল মানুহৰ কপালত দুখ লিখে। যাৰ পোনে ভাল চকু পৰে, তাৰ কপালত সুখ লিখে আৰু যাৰ পোনে কণা চকু পৰে, তাৰ কপালত দুখ লিখে। এতেকে—কোনো মানুহৰ সুখ আৰু কোনো মানুহৰ দুখ বিধান কৰোঁতা ব্ৰহ্মা, Brahma who disposes good to some men and evil to some men.

কণা-বেহা কৰা—ক্ৰি, [কণাই বেহা কৰা] দুচকু-কণা মানুহে বেহা কৰিলে চকুৰে বস্তু দেখিবলৈ নোপোৱা গতিকে বেয়া বস্তুকে ভাল বুলি অতিৰিক্ত বেচ দি কিনে। এতেকে,—অজ্ঞতা-বশতঃ অতিৰিক্ত

বেচ্‌দি আনৱপৱা কোনো বস্তু লোৱা, মূর্খতা-দোষত অতিৰিক্ত ৱানচ দি কোনো কার্য্য কৰোৱা, to work at a loss.

কণা মাকৰিটোৱেও গম নোপোৱা—ক্রি, নিজে কোৱা কথা নিজৰ কাণৰ ভিতৰত থকা কণা-মাকৰিটোৱেও শুশুনাকৈ থকা অর্থাৎ কোনো কথা অতি গুপ্তভাৱে থোৱা, to keep anything as a secret with utmost care.

কণা হাঁহক পতান দি ভুকিওৱা—ক্রি, দুচকু কণা অর্থাৎ অন্ধ হাঁহক পতান দিলে সি তাকে ভাল ধান বুলি জানে। এতেকে,—মিছা ছলাহ দি ৰোৱা, to hoodwink a foolish person by giving him something unsubstantial.

কণাৰ দলি—বিং, দুচকু কণা অর্থাৎ অন্ধ মানুহে দলি মাৰি থাকিলে হঠাৎ এৰেলি লাগে। এতেকে,—অনুমানৰ ওপৰত কৰা কার্য্য, random shot, guess-work.

কণাৰ দিন ৰাতি—বিং, (কণা=দুচকু কণা, অন্ধ।) অন্ধৰ পক্ষে দিন আৰু ৰাতিৰ প্রভেদ নাই। এতেকে,—স্বভাৱতে বিচাৰৰ অক্ষম মানুহৰ পক্ষে কোনো বিষয়ৰ বিচাৰ, an opinion given by a person who is naturally disqualified to give it.

কণাৰ লাখুটি—বিং, [দুচকু কণাৰ লাখুটি] অন্ধৰ লাখুটি অর্থাৎ নিচলাৰ একমাত্র সহায়, the only support of the weak.

কণাকণি কৰা—ক্রি, পৰৰ কলঙ্ক ফুটাই নকৈ ইজনে সিজনৰ কাণত, সিজনে আন এজনৰ কাণত, এই ৰূপে গুপ্তভাৱে কোৱা-কুৱি কৰে। এতেকে,—গুপ্তভাৱে কলঙ্ক ৰটা, to speak ill of others in whispers.

কণী বিহৱ গুটি—বিং, যদিও গুটি এক্‌ণিমান তথাপি কণীবিহৱ গুটি অর্থাৎ সেই গুটি গজি ডাঙৰ গছ হৈ ভবিষ্যতে তাৰপৱা কণীবিহ উৎপন্ন হব, এই ভাব বুজোৱা হৈছে। এতেকে,—ভবিষ্যতে যি শত্রু-স্বৰূপ অপকাৰী হব তেনে মানুহ বস্তু বা কার্য্য, anything destined to do serious harm in future.

কণী-বিহৱ সঁচ—(সঁচ=বীজ।) শত্রুক কণী-বিহেৰে তুলনা কৰা হৈছে। এতেকে,—ভবিষ্যতে শত্রু হব এনে মানুহ, an enemy in embryo.

কণী-লগা ভুকু—বিং, কণী-লগা মাছ ডাঙ্গৰ বুজায়। এতেকে,—ডাঙ্গৰ ভুকু, a heavy blow with the fist.

কতীয়া মাহ—ক্রি, (কতীয়া মাহ = কাত্তি-মাহ।) কাত্তি-মাহৰ পৰা দিন চুটি হবলৈ আৰম্ভ কৰে। এতেকে,—চুটি মাহ, a short month.

কথা কলেই জগৰ লগা—ক্রি,—দুষ্কাৰ্য্য কৰিলে জগৰ লাগে, কিন্তু সেই কথা যদি কোনোৱে কয় অৰ্থাৎ প্ৰকাশ কৰে তেনেহলে সেই মানুহ জগৰত পৰে। এতেকে,—দুষ্কৰ্ম্ম প্ৰকাশিত হলে জগৰীয়া হোৱা, the styling of an action as wicked when it is spoken out and not when it is done.

কথা গৰকা—ক্রি, ভৰিৰে যেনেকে মাটি গৰকা অৰ্থাৎ ওপৰ-তল কৰা হয়, সেইৰূপে মুখেৰে কথা ওপৰ-তল কৰা হয় বোলা হৈছে। এতেকে,—কথা ভাল বেয়া গমি চোৱা, to weigh the *pros* and *cons* of anything.

কথা তল পেলোৱা—ক্রি, আন এটা কথা কৈ পূৰ্ব্বৰ কথা তল পেলোৱা অৰ্থাৎ লুকুওৱা, to cause a thing to be lost sight of by introducing a different topic.

কথা দি কথা লোৱা—ক্রি, [নিজৰ কথা দি পৰৰ কথা লোৱা] বিশ্বাস বুজাবৰ নিমিত্তে নিজৰ সম্পৰ্কীয় কথা প্ৰকাশ কৰি আনৰ-পৰা আৱশ্যকীয় গুপ্ত কথা উলিয়াই লোৱা, to get out secrets from another person by pretending to disclose one's own secrets.

কথা পাগোলা—ক্রি, গৰুৰে ঘাঁহ খাই পিচত তাক উলিয়াই পাগোলে অৰ্থাৎ আকৌ খায়। এতেকে,—একেটা কথাকে ঘুৰাই ঘুৰাই কৈ থকা, to speak the same thing over and over again.

কথা পাহৰোৱা—ক্রি, অন্যান্য অপ্ৰাসঙ্গিক আলাপৰ দ্বাৰা প্ৰস্তাবিত কথা অৰ্থাৎ মূল বিষয় পাহৰোৱা, to cause to forget the main issue by introducing irrelevent matter.

কথা পিন্ধোৱা—ক্রি, এজনৰ বেয়া কথা লৈ গৈ আন এজনৰ ডিঙ্গিত জাঁৰি দিয়া, কথা লগোৱা, to back-bite.

কথা ফুটি-ফাটি যোৱা—ক্রি, কোনো বস্তু ফুটিলে বা ফাটিলে সক সকডোখোৱা-বিলাক উফৰি গৈ সিঁচিৰতি হৈ পৰে। কথাও সেইৰূপে ফুটি-ফাটি

যায় বোলা হৈছে। এতেকে,—কোনো কথা অতি শীঘ্রে চাৰিও পোনে প্রচাৰিত হৈ পৰা, the circulating of a news far and wide.

কথা বুলিলে বতাহ বলা—ক্রি, মুখৰপৰা বতাহ ওলালেই কথাৰ উৎপত্তি হয়। কাজে কাজেই সেই কথা বতাহৰ লগতে উড়ে। এতেকে,—কথা শীঘ্রে ৰাষ্ট্র হোৱা, the running out into the world of a fact spoken out as waves of air i. e. the gaining of wide publicity of a fact spoken out.

কথাই কোবাই উকৰাই নিয়া—ক্রি, বতাহে কোনো বস্তু কোবাই উকৰাই নিয়ে। কথাক বতাহেৰে ৰিজোৱা হৈছে। অধিকৈ কথা কৈ থাকিলে প্রকৃত কথাৰপৰা আঁতৰাই উকৰাই নিয়ে অর্থাৎ অবাস্তৰ কথা কোৱা হয়। এতেকে,—আলাপৰ আধিক্যত অবাস্তৰ কথা কোৱা, to be led away from the main issue by the heat of conversation, to digress during the course of conversation.

কথাত আখৈ ফুটা—ক্রি, আখৈ ভাজোঁতে ফট্-ফট্-কৈ ফুটে। ৰৰকৈ কথা কলেও কথা ফট্ফটাই থাকে। এতেকে,—বহু কথা কোৱা, to talk too much.

কথাত বোৱা—ক্রি, (বোৱা=স্খলিত নোহোৱা।) কোনো কথা কৈ সেই কথাৰপৰা স্খলিত নোহোৱা, to stand by one's word or promise.

কথাৰ আঁত—বিং, কথা কওঁতে কোনো এটা পটি ধৰি কথা কোৱা হয়। সেই পটিক সূতাৰ আঁতেৰে ৰিজোৱা হৈছে। আঁত হেৰালে সূতা আউলীয়া হয়। পটি হেৰালেও কথা বেমেজালি হয়। এতেকে,—কথাৰ পটি, the thread of a speech.

কথাৰ কথা—বিং, কথাৰ লগৰ কথা, যোগ্য কথা, a fact worth the name.

কথাৰ চেও—বিং, ঢোলৰ নিচিনা কথাৰো চেও আছে। এতেকে,—কথা কোৱাৰ ভাও, a mode of speech.

কথাৰ ছলত—ক্রি-বিণ, লাগডিয়াল কথা কবলৈ হলে কোনো মানুহে সাধাৰণ কথা কোৱাৰ ছলেৰে তাৰ মাজতে সুমাই কয়। এতেকে,—সাধাৰণ

কথা কোরার ভাও করি, on the pretext of speaking on an ordinary topic.

কথার ধার—বিং, নৈর পানী সকলো পোনে সমানে চলি নাযায়। যি পোনে সোঁত প্রবলভাবে চলে, তাকে পানীর ধার বোলে। নৈরে সৈতে কথার তুলনা করা হৈছে। এতেকে,—কথার মুখ্য গতি, the drift of a statement.

কথার মাত—বিং, (মাত=প্রকাশ।) কোনো এক ধরণে কথার প্রকাশ, anything spoken by way of example.

কথার মাহিলা—বিং, [কথার মহলা] বিস্তাত পার্গত হেছে নে নাই সেই বিষয়ে মহলা দিয়া হয়। এই স্থলত কোরা হৈছে যে কথার মহলা দিয়ে অর্থাৎ চিকুণকৈ কথা কব পারে নে নোরারে সেই বিষয়ে মহলা দিয়ে। এতেকে,—কথা কোরার নিপুণতা, a clever turn of speech.

কথার মুরত—ক্রি বিণ, (মুর=শেষ।) কথার শেষত, just at the point when a statement is finished.

কথা বেরা—ক্রি, (বেরা=বিচলিত নোহোরা।) কথার স্খলন নোহোরা, the abiding of a word or promise.

কথা বোরা—ক্রি, (বোরা=থকা, চিরস্থায়ী হোরা।) কোনো কথা (বিশেষকৈ কুখ্যাতি) চিরকাললৈ থকা, the lasting of a fact for ever.

কথার লাচ—বিং, (লাচ=নাচ।) কথার ভঙ্গি, an unwary movement of the tongue.

কন্দা-কটাতৈকে লগত যোরাকে ভাল পোরা—ক্রি, সতী যেরা নিয়মরপর। এই বচনর সৃষ্টি হৈছে। যি তিরোতাই সহ-মরণর ইচ্ছা করে, তেওঁক মাথোন সতী যাবলৈ দিয়া হৈছিল। এই স্থলত কোরা হৈছে যে সতী যাবর নিমিত্তে আন্তরিক ইচ্ছা নাই, কিন্তু মানুহক দেখুরাই ররকৈ কন্দা কটা করা হয়। আন মানুহে তেতিয়া কন্দা-কটাতৈকে লগত সতী যোরাই ভাল বুলি কয়। তেনে করিলে তিরোতা জনাই অরশ্যে কান্দিবলৈ এরি দিয়ে। এতেকে,—সদাই বেজার করাতৈকে মরি যোরাকে ভাল পোরা, (বিদ্রূপ-প্রয়োগ।) to prefer death to misery, (used ironically.)

কন্যাকাল হোরা—ক্রি, (কন্যা=বিবাহর কন্যা।) বিবাহ-যোগ্য কাল হোরা,

তিৰোতাৰ প্ৰথম ঋতু-স্নান হোৱা, to attain puberty, (said of a girl.)

কন্যা-খোজ দিয়া—ক্রি, কন্যাৰ নিচিনাকৈ খোজ চলোৱা অৰ্থাৎ অতি লাহে লাহে খোজ কঢ়া, to walk too slowly.

কন্যা-দানৰ ভোজ—বিং, বিয়াৰ পিচত কন্যা-দানৰ ভোজ দিয়া হয়। সেই ভোজ ডাঙৰকৈ পতা হয়। এতেকে,—ডাঙৰ ভোজ, a grand feast.

কপাল-ফুটা—বিণ, কপালত সৌভাগ্য লিখা থাকে বুলি কয়। (ফুটা=নষ্ট হোৱা।) এতেকে,—মন্দ-ভাগী, দুৰ্ভগীয়া, of bad luck, unfortunate.

কপাল লেখা হোৱা—ক্রি, বিধতাই জীৱনৰ ঘটনাৱলী কপালত লিখি দিয়ে বুলি মানুহৰ বিশ্বাস আছে। এতেকে,—ভাগ্য মন্দ হোৱা, to have a bad luck.

কপাল মুকলি হোৱা—ক্রি, কপালত বিধি-লিপি লিখা থাকে, সেই হেতুকে 'কপাল' বুলিলে 'ভাগ্য' বুজায়। ভাগ্যক সূৰ্য্যোৰে তুলনা কৰা হৈছে। যেনেকৈ ডাৱৰ গুচি সূৰ্য্য মুকলি হয়, সেইৰূপে বিষাদ গুচি ভাগ্য প্ৰকাশিত হয়। এতেকে,—সৌভাগ্য উদিত হোৱা, the coming of good luck.

কপালৰ ঘাম মাটিত পেলোৱা—ক্রি, অতিৰিক্ত শাৰীৰিক পৰিশ্ৰম কৰিলে কপালৰ-পৰা ঘাম বাগৰি মাটিত পৰে। এতেকে,—অতিৰিক্ত পৰিশ্ৰম কৰা, to labour very hard.

কৰ পানী কলৈ যায় চোৱা—ক্রি, বাৰিষা বাণ-পানী আহিলে মানুহ সাৱধান হব লাগে। কিন্তু কৰ বাণ কলৈ যায় অৰ্থাৎ বাণ-পানী কোন ফালৰপৰা আহি কোন ফালে যায় তাৰ লক্ষণ চাই হে নিজে কি কৰা উচিত তাৰ দিহা কৰিব লাগে, কিয়নো বাণ পানী সেই হাতে সমূলি নাহি আন হাতে বাগৰি যাব গৈ পাৰে। এতেকে,—ভাব-গতি চোৱা, to watch the course of a certain event.

কৰম-কানিৰ অধিকাৰী—বিং (কৰম=শ্ৰাদ্ধকৰ্ম্ম, 'কানি' অনুৰূপ শব্দ।) শৰাধ-বিধিৰ গৰাকি অৰ্থাৎ পুতেক, a legitimate son.

কৰাই খোলাত দিয়া যেন হোৱা—ক্রি, খোলাত অৰ্থাৎ পাত্ৰত গোটা কৰাই ভজা যেন হোৱা, শুকাই-উখাই যোৱা, to look pallid.

কবি খোৱা মানুহ—বিং, [বন কবি খোৱা মানুহ] শাৰীৰিক পৰিশ্ৰমৰ দ্বাৰা জীবিকা উপাৰ্জনকাৰী মানুহ, শ্ৰমজীবী মানুহ, one who earns livelihood by manual labour.

কবিয়াই-কপিয়াই উঠ.—ক্রি, [কাহ কফ লৈয়েই উঠা] কাহ আৰু কফ বোগত পৰি থাকি আৰোগ্য লাভ কৰিছে, কিন্তু কাহ আৰু কফ সাৱশেষকৈ গুচা নাই, কাহ আৰু কফ লৈয়েই নবিষ উঠিছে বোলা হৈছে। এতেকে,—বোগৰ উপশম পোৱা, to slightly recover health and strength after sickness or debility.

কল খোৱা ধতু উলিওৱা—ক্রি, কেঁচুৱা লৰাক আঠিয়া জল খুওৱা হয়। (কল খোৱা ধাতু = কল খাওঁতৰ দ্বাৰা বৰ্দ্ধিত জীৱন।) এতেকে—ৰৱকৈ কষ্ট বা আহুকাল দি ধতু বাজ কৰাৰ নিচিনা কৰ, অতিপাত কষ্ট বা আহুকালৰ দ্বাৰা বিতত কৰা, to molest terribly.

কল গিলা—ক্রি, কল গিলিবলৈ পৰিশ্ৰম নালাগে। এতেকে,—বিনা পৰিশ্ৰমে ভোগ কৰা, to enjoy without labour.

কলত ঢোকা মোৱা, ঢোকাত কল মোৱা—ক্রি, থোক লগা কল-গছ ভৱত হালি পৰিব খুজিলে তাক ঢোকা দি ৰখা হয়। সেই ঢোকা মাটিত নোপোতাকৈ ৰখা হয়, কিয়নো গছৰ হেঁচাত সি আপোনা-আপুনি ঠিক হৈ থাকে। ঢোকাই যেনেকৈ গছক থিয় কৰি ৰাখে, গছেও ঢোকাক সেইদৰে থিয় কৰি ৰাখে। এতেকে,—পৰস্পৰে পৰস্পৰৰ সাহায্যত ঠিক্ হৈ থকা, to be assisted reciprocally.

কল-তলে বাঁহ-তলে—ক্রি-বিণ, যতে ততে মানুহে নেদেখা ঘোকোট ঠাইত, in any out-of-the-way place.

কল থোকা বাহুলীয়ে খোৱা—ক্রি, বাহুলিয়ে কল থোকা খালে কল-বাৰী থকা খেতিয়কে তাক সদাই হৈ থকা তুচ্ছ ঘটনা বুলি ভাবে। এতেকে,—তুচ্ছ ঘটনা হোৱা, the happening of a trivial incident.

কল-পুলিৰে বিয়া হোৱা—ক্রি,—যি জন তিৰোতাৰ বিয়া সমুলি নহয়, মৰণৰ পূৰ্ব্বে শুদ্ধ হবৰ নিমিত্তে এটা কল-পুলিক দৰা পাতি তাৰে সৈতে তেওঁৰ বিয়া পতা হয়। এতেকে,—গোটেই জীৱন আবিবিয়ে হৈ থকা, to remain unmarried throughout life (applied to a woman).

কলগ্রহ হোৱা—ক্রি, [গলগ্রহ হোৱা] (গলগ্রহ=যাক গলত গ্রহণ কৰা হয় সি, ডিঙ্গিত আৰি লোৱা ভাব।) এই বচনত আন এটা অর্থ নিহিত আছে :—যাক কলৰ দৰে গ্রহণ কৰা হয় অর্থাৎ ডিঙ্গিৰ নেলুত লগাত লোৱা হয় সি, খাণ্ডঁতে ডিঙ্গিত লাগি ধৰা বস্তু, যাক গিলিবও নোৱাৰি উলিয়াবও নোৱাৰি তেনে বস্তু। এতেকে,—এৰিব ধৰিব নোৱৰা-স্বৰূপ হোৱা, to adhere as a clog, encumbrance, burden.

কলমৰ খোচ—বিং, কলমৰ আগ জোঙ্গা। তাৰে তুলা-পাতত খুচি লিখা হয়। এতেকে,—লিখিত কথা, টোকা বা আদেশ, anything in writing.

কলিকতীয়া ফাঁকি—বিং, কলিকতাত বহু জাতীয় মানুহৰ সমাগম হয়, আৰু সি বহুল কাৰবাৰৰ নগৰ। তাত অনেক দুষ্ট মানুহে নানা প্রকাৰৰ বুজিৰ নোৱৰা ফাঁকিৰ দ্বাৰা ধনোপার্জ্জন কৰে। এতেকে,—সহজে বুজিব নোৱৰা ফাঁকি, ডাঙৰ ফাঁকি, a clever trick.

কলিজা-খোৱা—বিণ, কলিজা খালে মানুহ মৰে। এতেকে,—মর্ম্মভেদী, সাংঘাতিক, fatal.

কলিয়া আখৰ—বিং, ক'লা মহীৰে আখৰ লিখা হয়। এতেকে,—লেখা-পঢ়া, বিদ্যা, knowledge, education.

কলিয়া কানাই—বিং কানাই শ্রীকৃষ্ণৰ নাম। তেওঁৰ বৰণ ক'লা আছিল বাবে। তেওঁক কলিয়াও বোলা হয়। এতেকে,—ক'লা বৰণৰ মানুহ, a dark-skinned man.

কলিয়া কৃষ্ণাই—বিং, ['কলিয়া কানাই' চোৱাঁ।]

কলিয়া খেতৰ—বিং, খেতৰ এবিধ দেও। তাৰ সংস্কৃত নাম ক্ষেত্র-পাল। তাৰ আকৃতি বৰ ক'লা। এতেকে,—বৰ ক'লা বৰণৰ মানুহ, a black fellow,

কলিয়াপানীত মেলা—মি, (কলিয়াপানী=আন্দামান দ্বীপ।) অপৰাধীক আন্দামানলৈ পঠোৱা হয়। আন্দামানলৈ যাওঁতে বাটত সাগৰ পাৰ হৈ যাব লাগে। সাগৰৰ পানী কলিয়া অর্থাৎ নীল-বৰণীয়া। এতেকে,—দ্বীপান্তৰ-দণ্ডৰ আদেশ কৰা, to sentence a criminal to transportation.

কলী ফেঁচী—বিং, ফেঁচা দেখিবৈলে আশুৱনী আৰু কলা। এতেকে,—আগচী কলী তিৰোতা, an ugly dark-complexioned woman.

কলৈ যাওঁ গোপাল কলৈ যাওঁ কৃপাল লগোৱা—ক্রি, হে গোপাল মই কলৈ যাওঁ হে কৃপাল মই কলৈ যাওঁ এনে কথা কোৱা অর্থাৎ বিতত হোৱা, to be at one's wit's end.

কল্পতৰু বৃক্ষ— বিং, কল্পতৰু বৃক্ষ স্বর্গত আছে। যেয়ে যি কল্পনা কৰি পাবলৈ প্রার্থনা কৰে, এহ বৃক্ষে তাকে সেই বস্তু দান কৰে। এতেকে,—মহাদানী পুৰুষ, a great philanthropist.

কল্পতৰু বৃক্ষে মাগন্তা জনক ফল দান কৰা—ক্রি, কল্পতৰু বৃক্ষে সকলোকে ফল দান কৰে, কিন্তু যি মাগিলৈ নাযায় সি ফল পাব নোৱাৰে। এতেকে,—প্রার্থনা নজনালে কোনেও কোনো বাঞ্ছিত ফল লভিব নোৱৰা, the securing of a boon from the generous by a person who applies for it.

কহুৱা চোৰ— বিং, চোৰে চুৰ কৰিবৈলে যাওঁতে যদি কাহি থাকিব লগীয়া হয়, তেনেহলে তাৰ কার্য্য নিষ্ফল হয়। এতেকে,—কোনো কার্য্যৰ নিমিত্তে যথোপযুক্ত গুণ নথকা মানুহ, one without the requisite qualification for a particular work.

কাউৰী—বিং. কাউৰীবিলাকে কা-কা কৰি কোঢ়াল কৰি থাকে। এতেকে,—কোঢ়াল কৰি ফুৰা মানুহ, a noisy fellow.

কাউৰী কুকুৱা মাটিত নৌ পৰা পৰ— বিং, ৰাতি পুৱালে কাউৰী আৰু কুকুৱা গছৰ ডালবপৰা আহি মাটিত পৰে হি। এই স্থলত 'কুকুৱা' পদে 'বন-কুকুৱা' বুজাইছে। এতেকে,—কাউৰী আৰু কুকুৱা ওলোৱাৰ পূর্ব্ব সময় অর্থাৎ ৰাতিৰ অন্তত প্রথম পোহৰৰ সময়, day-break.

কাউৰীয়ে কা-কা কৰা পৰ—বিং, ৰাতি পুৱালে কাউৰীয়ে কা-কা কৰি মাতে। এতেকে,—নিচেই ৰাতিপুৱা সময়, the early part of morning.

কাউৰীয়ে ৰটা—ক্রি, নীচ মানুহক কাউৰীৰে তুলনা কৰা হৈছে। কাউৰীয়ে মানুহৰ বেয়া কথা অর্থাৎ অশুভ বাতৰি ৰটে। নীচ মানুহে পৰৰ বেয়া কথা অর্থাৎ কলঙ্ক প্রচাৰ কৰে। এতেকে,—নীচ মানুহে কলঙ্ক প্রচাৰ কৰা, to circulate a scandal like a mean fellow.

কাউৰীয়ে শগুনে নোখোৱা—বিণ, মানুহ মৰি ৰৰকৈ গৈলিলে তাক কাউৰী আৰু

শস্তনেও নোখোৱা হয়। এতেকে,—নিচেই অৱস্থাহীন, অতি দুৰ্দশা গ্ৰস্ত, সমুলি উপায়ৱহিত, extremely wretched.

কাকতী-ফড়িং পৰা—ক্রি, যি পথাৰত কাকতী-ফড়িং পৰে, তাৰ শস্য খাই সমুলি নষ্ট কৰে। এতেকে,—সমুলি নষ্ট হোৱা, to be blasted, to be devastated.

কাচনমতি বাই—বিং, [কাঞ্চনময়ী বাই] সোণৰ নিচিনা তিৰোতা, ৰূপহী তিৰোতা, a bright and beautiful woman.

কাচুটি এৰা—ক্রি, কামৰ জঞ্জালত শুতি-শান্তি নাপালে চুৰিয়াৰ কাচুটি অৰ্থাৎ তল-পোন্ধ সৰি পৰিলে তাক খুচি লৰলে সময় পোৱা নাযায়। তেতিয়া কাচুটি এৰিয়েই ফুৰিব লগাত পৰে। এতেকে,—চুৰিয়া-কাপোৰ সামৰি লৰলে সময় নোপোৱা, বিত্তত বা বিচেষ্টা হোৱা, to have no leisure for anything, to be hard-pressed for time.

কাঠ-কটা বন—বিং, কাঠ-কাটিবলৈ টান। এতেকে,—টান বন, পৰিশ্ৰমৰ কাম, a difficult work.

কাঠ-ফটা জ্বৰ—বিং, ৰদত্ত কাঠ ৰৰকৈ তপত হলে ফাটে। জ্বৰতো মানুহৰ গা ৰৰকৈ তপত হয়। কাঠ যেনেকৈ পৰি থাকে, জ্বৰ হলে মানুহো সেইৰূপে পৰি থাকে, উঠা-লৰা কৰিব নোৱাৰে। এতেকে,—ৰব টান জ্বৰ, fever accompanied by very high temperature,

কাঠত মৰা দি মৰা—ক্রি, কাঠত টানকৈ মাৰিলে ঠাং ঠাং শব্দ হয়। মানুহকো টানকৈ প্ৰহাৰ কৰিলে তেনেৰূপ শব্দ হয়। এতেকে,—টানকৈ প্ৰহাৰ কৰা, to give a hard blow.

কাঠৰ কঠুৱা—বিং. কাঠৰ কঠুৱা ভাগ অৰ্থাৎ কাঠৰ যি ভাগ ৰৰ টান সেই ভাগ। এতেকে,—অতি টান অৰ্থাৎ নিৰ্দ্দয় মানুহ, a cruel-hearted person.

কাঠৰ খুটা—বিং কাঠৰ খুটা যেগতে লৰাব নোৱাৰি। এতেকে, লৰিব-চাৰৰ মন নোযোৱা মানুহ, এলেহুৱা মানুহ, one who is too lazy to move, a sluggard.

কাঠৰ চেকি—বিং, কাঠৰ চেকি যেগতে লৰাব নোৱাৰি। এতেকে,—লৰিব-

চৰিৰ নোখোজা এজেহুৱা মানুহ, a too lazy person.

কাঠৰ পুতলা—বিং, কাঠৰ পুতলাই নিজে একো কৰিব নোৱাৰে। মানুহে যেনেকৈ নচুৱায় সি তেনেকৈ নাচে। এতেকে,—সৰ্ব্বতোভাৱে পৰৰ দ্বাৰা পৰিচালিত মানুহ, a puppet, a doll, one who is entirely led by others.

কাঠৰ মুঢ়া—বিং, মুঢ়াটো বহি থকা মানুহৰ নিচিনা দেখি। বাঁহ আদিৰ মুঢ়া বেগতে লৰাব পাৰি, কিন্তু কাঠৰ মুঢ়া লৰাচৰা টান। এতেকে,—লৰিৰ-চৰিৰ নোখোজা সোৱোপা মানুহ, an exceedingly lazy fellow.

কাঠে কাঠে পৰা—ক্রি, কাঠ টান বস্তু। যদি এডাল কাঠ আন এডাল কাঠৰ লগত পৰে, তেনেহলে কোনো ডাল কাঠ পোটোকা নপৰে বা ভাগি নাযায়। দুইৰো ঘঁহনিত দুই উঠি যায়। কিন্তু এডাল কাঠ আৰু এডাল বাঁহ বা কাঠতকৈ আন কোমল বস্তুৰ লগ হলে তেনে নহয়। এতেকে,—দুজন সমান টান বা পটু মানুহৰ যুঁজ লগা, fighting with each other by persons who are equally matched.

কাণ উনাই থকা—ক্রি, [কাণ উন্নীযাই থকা] কোনো কথা ভালকৈ শুনিবৰ নিমিত্তে কাণ উন্নীত অৰ্থাৎ থিয় কৰি থোৱা হয়। এতেকে,—সজাগ হৈ থকা, to be on the alert.

কাণ-কটা—বিণ, আহোম ৰজাৰ দিনত অপৰাধৰ বাবে কাণ-কটা দণ্ড দিয়াৰ বিধি আছিল। এতেকে —অপৰাধী, নিলাজ, shameless.

কাণ-কটা আৰু চোৰৰ মিতিৰালি—বিং, (কাণকটা=নিলাজ, অঘাইটং।) দুৰ্জ্জনে দুৰ্জ্জনেৰে সৈতে পতা বন্ধুতা, friendship between a knave and a thief, friendship based on vice.

কাণ ছোৱাৱা—ক্রি, কোনো কথা কাণত গৈ ছুলে অৰ্থাৎ সামান্যৰূপে স্পৰ্শ কৰিলে তাক সামান্যৰূপে শুনা যায়। এতেকে,—সংক্ষেপে জনোৱা, to communicate a fact briefly.

কাণ দিয়া—ক্রি, [কাণ পাতি দিয়া] যি ফালৰপৰা কথা কোৱা হয়, সেই ফালে কাণ পাতি দি তাক শুনা হয়। এতেকে,—শুনা, to lend an ear, to listen.

কাণ দুখন কাটি ভোৱ-তাল বজোৱা—ক্রি, কাণখন দেখিবলৈ তালৰ নিচিনা। কাণ দুখন কাটি তাকে ভোৱ-তাল কৰি বজোৱা হয় বোলা হৈছে। এতেকে,—উগ্ৰ দণ্ড দিয়া, to punish severely.

কাণ পতা—ক্রি, কোনো কথা ভালদৰে শুনিবলৈ হলে যি পোনৰপৰা কথা আহে সেই পোনে কাণখন পাতি দিয়া হয়। এতেকে,—সাৱধানে শুনা, to hear attentively.

কাণ মুৰ কাটি ঘোচা কৰা—ক্রি, 'ঘোচা' 'ঘুকুচা' পদৰ অপভ্রংশ। মুৰ কাটে অর্থাৎ মুৰৰ চুলি ক্ষুৰাই দিয়ে। আহোম ৰজাৰ দিনত কাণ কাটি আৰু মুৰৰ চুলি ক্ষুৰাই দণ্ড দিয়াৰ বিধি আছিল। কাণ মুৰ কাটিলে মানুহটো ঘুচা-মুচা দেখা যায়। এতেকে,—উগ্ৰ দণ্ড দিয়া, to punish severely.

কাণ-মুৰ জোকৰা—বিণ, দগা গৰুক কাণত আৰু মুৰত কোবাই দিয়া হয়। দুখ পাই সি কাণ-মুৰ জোকাৰে, কিন্তু তথাপি হালত নচলে। এতেকে,—দগা, stupid, doltish, sluggard.

কাণ-মুৰ থিয় কৰা—ক্রি, জন্তুৱে হাবিত কিবা শব্দ শুনিলে মুৰ দাঙি কাণ থিয় কৰি শুনে। এতেকে,—সজাগ হোৱা, to be on the alert.

কাণ-মুৰ নাইকিয়া কেঁকোৱা—বিং, আগৰ দিনত ডাঙৰ অপৰাধ কৰিলে কাণ কটা হৈছিল আৰু মুৰ ক্ষুৰাই দিয়া হৈছিল। কাণ আৰু মুৰ (মুৰৰ চুলি) নথকাটো অপৰাধী অর্থাৎ লাজ নাইকিয়া মানুহৰ চিন আছিল। কেঁকোৱাৰ কাণ আৰু মুৰ নাইকিয়া। এতেকে,—লাজ নাইকিয়া মানুহ, নিধক মানুহ, a shameless person.

কাণে কাণ মাৰি সৰা—ক্রি, [কাণে দি কাণ মাৰি সৰা] কাণে দি=দাঁতিয়ে দি। কাণ মাৰি=দাঁতি লাগি। এতেকে,—কথমপি ৰক্ষা পোৱা, to have a narrow escape.

কাণে কাণে সাৰি যোৱা—ক্রি, ['কাণে কাণ মাৰি সৰা' চোৱঁ।]

কাণে নাকে খাই মৰা—ক্রি, কোলো, ৰবল, পকৰা আদিয়ে কাণে নাকে কামুৰিলে মানুহ বিতত হয়। এতেকে,—জুমুৰি দি ধৰি বিতত কৰা, ৰবকৈ আহুকাল কৰা, to annoy greatly.

কাণে নাকে মাত যোৱা—ক্রি, ৰোগত মগজু দুৰ্ব্বল হলে কাণৰ আৰু নাকৰ শক্তি কম হয়। কাণে দি সোসোৱনি শব্দ হয় আৰু মাত নাকে ওলায়

অর্থাৎ গেন্‌গেনীয়া হয়। এতেকে,—অতি দুর্ব্বল হোৱা, to become too weak.

কাণে-মুবে খাই মৰা—ক্রি, মুৰত সৰহকৈ ওকণী হলে কাণে-মুবে বগাই কামুবি আহকাল কৰে। এতেকে,—জুমুবি দি ধৰি আহকাল কৰা, ৰকৈ দিগ্‌ কৰা, to annoy excessively.

কাণত ঠিলা মৰা—ক্রি, কাণৰ বাট ঠিলাবে মাৰিলে কথা শুনা নাযায়। এতেকে,—নুশুনা, to turn a deaf ear, to be in ive.

কাণত মন্ত্র দিয়া—ক্রি, গুকৰে শিষ্যক মন্ত্র দিওঁতে কয়। এতেকে,—গুপ্তভাবে কোনো শিকনি দিয়া, to instr secretly.

কাণ তলীয়া চৰ—বিং, কাণ তাল লাগি যোৱাকৈ মৰা ডাঙৰ চৰ, a severe slap on the face.

কাণনী-নাকনী হোৱা—ক্রি, [কাণ-পানী নাক-পানী হোৱা] কাণে-নাকে পানী সোমালে উশাহ নিকধ হোৱাৰ নিচি অনুভব হয়। এতেকে,—বহু মানুহৰ আমনি-আহকালৰ দ্বাৰা বিতত হোৱা, to be worried by numerous petty annoyances.

কাণি-মুনি দিয়া—ক্রি, আত্ম-ৰক্ষাৰ নিমিত্তে মনস্তোপায় হলে কণা-মুনা হৈ যেনিয়ে পায় তেনিয়ে টোকোন ঘুৰাবলৈ ধৰে। এতেকে,—চকুৰে নেদেখাকৈ কোনো কার্য্য কৰা, নভৰা-নিচিকৈ উধাই-মুধাই কার্য্য কৰা, to do a thing at random.

কান্দনি কলৰ ভাৰ—বিং, [কান্দনি-নিবাৰণী কলৰ ভাৰ] কেঁচুৱা লৰাৰ কান্দনি-নিবাৰণৰ নিমিত্তে বাটত থলোৱা কলৰ ভাৰ, an offer of plantains made to a deity presiding over a household for the purpose of stopping too much crying of a baby.

কান্দি ভাত খোৱা—বিণ, যি লৰাই ঠেহ পাতি ভাত মাখায়। মাকে বলেৰে ধৰি আনি খাবলৈ দিলে সি কান্দি কান্দি ভাত খায়। এতেকে,—কেঁচুৱা লৰাৰ চনা, লৰালি, childish (said of a person).

কান্দিলে কল পোৱা—ক্রি, যিহে কান্দিলে মাকে কল দি নিচুকায়। এতেকে,—চিঞৰ-বাখৰ কৰিলে প্রতিকাৰ পোৱা, to have a grievance redressed by insistent representation.

কান্দোনত গছৰ পাত সকওৱা—ক্রি, যদি কোনো মানুহক অবণ্যত নির্ব্বাসিত কৰা হয়, তেনেহলে সেই মানুহৰ কান্দোনত সহানুভূতি দেখুৱাবলৈ গছ-গজনিত বাজে আন কোনো নাথাকে। এই স্থলত কোৱা হৈছে যে তাৰ কান্দোন এনে মৰ্ম্মভেদী যে গছে নিজে ওচৰলৈ আহিব নোৱাৰি পাত সকৱাই তাৰ দ্বাৰা ওচৰলৈ আহি সহানুভূতি দেখুৱায়। এতেকে,—অতি বেজাৰেৰে টানকৈ কন্দা, to lament distressfully.

কান্ধ পাতি লোৱা—ক্রি, গধুৰ বস্তু লবলৈ শৰীৰৰ সৰ্ব্ব-বল প্রয়োগ কৰি এক কান্ধ পাতি লব লাগে, to take a heavy burden with all effort.

কান্ধ পেলাই দিয়া- ক্রি, দুষ্ট হালেৰা গৰুৱে কান্ধৰপৰা যুৱাঁই পেলাই দিয়ে। এতেকে,—মন-বন কৰিব নোখোজা, to shirk work.

কান্ধ সলোৱা- ক্রি, [কান্ধৰ ভাৰ সলোৱা] ভাৰীয়ে কান্ধ বিষালে সেই কান্ধৰ-পৰা ভাৰ নি আন কান্ধত লয়। এতেকে,—এজনৰ ভাৰ সলাই আন এজনে লোৱা, টা কার্য্যত এজনে অন এজনক আজৰাই দিয়া, to give a person relief in any hard work.

কান্মুলি-লুটিয়ালুটি—বিং, কান্মুলি মাছে এবেলি ই লুটি এবেলি সি লুটি হয়। এতেকে,—সুবিধা অনুযায়ী মতৰ পৰিবৰ্ত্তন, a change of sides according to expediency.

কাঠি-চেলেকাৰ মৰণ মিলা—ক্রি, ডাঙ পিঠা খৈ দিলে মনে-মনে কাৰলা সাপ আহি খাই গুচি যায়। পিত জেঠা আহি পিঠা লাগি থকা কাঠি চেলেকে। গিৰিহঁতে দেখাপাই তাকে পিঠা-চোৰ ভাবি কুবিয়াই মাৰি পেলায়। এতেকে,—এত দোষী টেঙৰ মানুহ সাৰি গৈ নিৰ-পৰাধী অজলা মানুহ বিপদগ্রস্ত হোৱা, the falling of an innocent but simple person in danger after the escape of the guilty but clever person.

কাপ-চেলেকা—বিং, লিখোঁতে কেতিয়াবা লাহ কাপটো মুখত সুমোৱা হয়। চৰাইৰ পাখিৰে কাপ হয়। কাপ যি সুমালে কেঁচা মজহু খোৱাৰ তুল্য দোষ বুলি ধৰা হয়। এতেকে,—লেখক, (নিন্দা প্রয়োগ) a penman (used contemptuously)

কাপে খোৱা—ক্রি, কাপেৰে কোনো এটা কথা লিখি স্বার্থৰ বিকল্পে লিখি দিলে সেই লেখাই ভবিষ্যতে লিখোতাৰ শত্রু কৰে। এতেকে,—

কাপর দ্বারা মার জক অনিষ্ট হোয়া, to be seriously harmed by the use of the pen.

কার্য্যর তার বুজ —ক্রি, যি কার্য্য যি তারেরে করিলে স্বার্থ সিদ্ধির সুচল হয়, সেই কার্য্য সেই তারেরে করিবলৈ বুদ্ধি পোরা ; কার্য্যর ধারা বুজা, to know how to do a particular thing in a particular way.

কার দিন কার রাতি—বিং. [কারো দিন কারো রাতি] আনন্দর পরিমাণ ইমান অধিক হয় গোল হৈছে যে দিন আরু রাতির প্রভেদ নাইকিয়া হয় অর্থাৎ কোনোরে দিনতেই থাকে, কোনোরে বা রাতি ফুরি ফুরে। এতেকে,—অপরিমিত আনন্দ-ভোগ, the continual enjoyment of pleasure in an unusual manner.

কারো মুখলৈ কোনেও চাব নোরারা অবস্থ—বিং মানুহে বিপন্ন মানুহর মুখলৈ চাই পুতৌ করে। এই স্থলত বুজোরা হৈছে যে যিবিলাক মানুহ আছে, সিহঁতর কেইও জন সমানে বিপন্ন বারে কারো মুখলৈ কোনেও চাব নোরারে। এতেকে,— কোনেও কারো পুতৌ করিব নোরারা অবস্থা, the condition of a number of people in which any one is unable to help any other because all of them are equally involved in distress.

কাল শত্রু—বিং, (কাল=যম।) যমে মানুহ মারে। যমতকৈ মানুহর ডাঙর শত্রু নাই। এতেকে,— দুর্যোর শত্রু, a bitter foe.

কালে-অকালে—ক্রি-বিণ, কেতিয়ারা উচিত সময়ত আরু কেতিয়ারা অনুচিত সময়ত, অর্থাৎ যেতিয়াই-তেতিয়াই সময়-অসময় নভরাকৈ, in season and out of season.

কালক্ষণ মিলা—ক্রি, (কালক্ষণ=অশুভ ক্ষণ।) কোনো কার্য্য অশুভ ক্ষণত করিলে দুর্গতি হয়। এতেকে,—দুর্গতি চপা, বিপদর সময় ওচর হোরা, the approaching of misfortune.

কালক খোরা—ক্রি, [কলিজাক খোরা] মহা অনিষ্ট করা, to do a great mischief.

কালর আপদ—বিং, কেতিয়ারা এনে আপদীয়া কার্য্য ঘটে যে মানুহে ইচ্ছা করি যে তেনে কার্য্য করিব পারে, এনেটো সম্ভব নহয়। তেনে স্থলত কোরা

হয় যে সেই কার্য্য কালৰ অর্থাৎ যুগৰ প্রকৃতিগত গুণৰ দ্বাৰা উৎপাদিত। এতেকে,—কালোচিত আপদীয়া কার্য্য অর্থাৎ ডাঙৰ অমঙ্গল, a momentous evil.

কালৰ কুটিল গতি—বিং, কালৰ বেঁকা-বেঁকি গতি অর্থাৎ ভাগ্যৰ চঞ্চলতা, the vicissitudes of fortune.

কাললৈ কথা ৰোৱা—ক্রি, [চিৰকাললৈ কথা ৰোৱা] চিৰকালৰ নিমিত্তে কলঙ্ক থকা, the lasting of a scandal for ever.

কালে টনা—ক্রি, 'কাল' শব্দে 'যম' বুজায়। এতেকে,—মৃত্যুৰ কাললৈ বেগেৰে যোৱা, আয়ুষ ক্ষয় হোৱা, to be on the path of death and destruction.

কালফুৰা সফুৰা—বিং, এই দুটা যমৰ প্রধান কিঙ্কৰ। ইহঁতৰ আকাৰ ভয়ঙ্কৰ। এতেকে,—যমৰ কিঙ্কৰৰ নিচিনা মানুহ, দেখিলে ভয়-লগা মানুহ, a fierce-looking person, a terrible figure.

কালিকা লগা—বিণ, কালিকা=কালী দেবী; তাৰপৰা,—কালী-দেবীৰ মাহাত্ম্য। এতেকে,—মাহাত্ম্য-লগা, awe-inspiring.

কাৱৈ মাছ বছা—ক্রি, কাৱৈ মাছ বাছিবলৈ টান। এতেকে,—টান বন কৰা, to do a difficult job.

কাহৰী আই—বিং, কানিৰ অধিষ্ঠাত্রী দেবী। (কানীয়াবিলাকে সঘনে কাহি থাকে বাবে সিহঁতৰ দেবী কাহৰী-স্বৰূপ,) the goddess presiding over the destinies of opium-eaters represented as coughing

কিনা হাইৰ ঠোঁটলৈকে মঙ্গহ উলিওৱা—ক্রি, যিটো হাই ধন দি কিনি আনা হয়, তাৰ মঙ্গহ যে খোৱা হয়েই, ঠোঁটও বাদ দিয়া নাযায়। এতেকে,—যি বস্তু ধন-খৰচ কৰি পোৱা হয় তাৰ কোনো অংশ মিছাতে নষ্ট নকৰা, অর্থাৎ অপব্যয় নকৰা, to act frugally.

কিৰিণিৰ ধন—বিং, কিৰিণি নহলে ধন গোটাৰ নোৱাৰি। এতেকে,—কিৰিণি ব্যৱহাৰৰ দ্বাৰা সঞ্চিত ধন, riches acquired by miserly conduct.

কিলিংথা লগা—ক্রি, [কালক্ষণ লগা] কালক্ষণ মিলিলে কার্য্যত আসোঁৱাহ ঘটে। এতেকে,—আসোঁৱাহ লগা, to be confronted with obstacles.

কিহবাই পোৱা—ক্রি, ভূত, পিশাঁচ, দত্ত-আদি দেওৰ ভিতৰত কোনোবা এজন

দেওৱে পালে অর্থাৎ গাত আহি লগিলে নিজৰ ওপৰত নিজৰ আয়ত্ত নাথাকে। এতেকে,—নিজৰ ওপৰত নিজৰ অৱস্থা হেৰুওৱা, to be out of oneself, to lose control over self.

কীল-খোৱা—বিণ, ৰবকৈ দুষ্টালি কৰি ফুৰিলে যোকৰ কীল খাব লাগে। এতেকে,—মহাদুষ্ট, very wicked.

কীলৰ খাব খোৱা—ক্রি, কল গছ, ফুট-ছাই, পুনি ইত্যাদিৰ দ্বাৰা খাব প্রস্তুত হয়। চহা মানুহে সদাই খাব খায়। এই কথাত কোৱা হৈছে যে তেনে খাব নাখাই কীলৰ দ্বাৰা প্রস্তুত খাব খায়। এতেকে,—সদাই কীল-মাৰ খোৱা, to be beaten too often.

কীলৰ বাদুৰৰ ডখোৱা—ক্রি, ['ভাত ভগৱন্ত পলোৱা' চোৱা।]

কুকুৰ চিকুণ হ'লে গিৰিহঁতৰ যশ হোৱা—ক্রি কুকুৰ চিকুণ হলে বুজা যায় যে গিৰিহঁতে তাক ভালকৈ পোহ-পাল দিছে। এতেকে,—তলতীয়া মানুহৰ অৱস্থা ভাল হলে ওপৰঞ্চি মানুহে সেই বাবে শলাগ পোৱা, the accruing of credit to a master if his servant is well off.

কুকুৰ-টোপনি—বিং, কুকুৰে দুৰ্যোৰ টোপনিত থাকিলেও খিৰিক কৰিলেই শাৰ পায়। এতেকে,—তৎক্ষণাৎ শাৰ পোৱা টোপনি, the state of sleep when a person wakes at the slightest sound.

কুকুৰ মৰণেৰে মৰা—ক্রি, কুকুৰে ভাতৰ চক ছুলে আটায়ে খেদি কুৰি তাক মাৰে। এতেকে,—ঘৃণিত অপযশ পাই মৰা, to die an ignominious death.

কুকুৰৰ নেজ দীঘল হলে নিজে পাৰি বহা—ক্রি, কুকুৰৰ নেজ দীঘল হলে নিজে পাৰি বহে, আন কুকুৰক তাৰে এডোখৰত পাৰি বহিবলৈ নিদিয়ে। কোনো মানুহৰ সম্পত্তি বেচি হলে সি নিজে ভোগ কৰে, তাৰে এক অংশ আনক ভোগ কৰিবলৈ নিদিয়ে। সম্পত্তিশালী মানুহক কুকুৰেৰে তুলনা কৰা হৈছে। এতেকে,—ঘৃণিত-জীৱন মানুহৰ সম্পত্তি বাঢ়িলে নিজে মাথোন তাক ভোগ কৰা, (গালিৰ মাত.) to enjoy a good thing all alone like a mean self-seeker, (used in reproach).

কুকুৰে কাঁইট নোখোৱা কৰা—ক্রি, কুকুৰে মাছৰ কাঁইট হেঁপাহেৰে খায়। এই

স্থলত এনেৰূপে তাক অত্যাচাৰ কৰে বোলা হৈছে যে সি যদিও কাঁইট দেখিলে লোভ সামৰিব নোৱাৰে, তথাপি সি কাঁইট খাবলৈ এৰি দি পলাই যায়। (কুকুৰৰ সম্বন্ধীয় বচন সি মানুহত খটোৱা হৈছে,) to ill-treat a person savagely.

কুকুবে কামোৰা, ছৱালে দলিওৱা—ক্রি, পুৰা বাক্য—"দুখৰ উপৰি, দুখ পাৰ্ব্বতী, দুখৰ উপৰি দুখ। কুকুবে কামোৰে, ছৱালে দলিয়ায়, কতো নিমিলয় সুখ"॥ এই বাক্যৰ দ্বাৰা কষ্টৰ আতিশয্য বুজায়। জন্তুৰ ভিতৰত কুকুৰ নীচ আৰু মানুহৰ ভিতৰত ছৱাল অর্থাৎ লৰা দুৰ্ব্বল। এনে কুকুৰ আৰু এনে লৰাই অপকাৰ কৰিবলৈ সাহ পায় বোলা হৈছে। এতেকে,—সামান্য মানুহৰ হাতত অনেক প্ৰকাৰৰ লঘু লাঞ্ছনা পোৱা, to be annoyed in manifold petty ways (said of a poor man).

কুকুৰ-ধূলি জীৱ—বিং, মানুহৰ ভৰি শৰীৰৰ অধম অবয়ব। তাৰ ভৰিৰ ধূলি ততোধিক অধম। এই স্থলত মানুহৰ ভৰিৰ ধূলি সুবুলি কুকুৰৰ ভৰিৰ ধূলি বোলা হৈছে। এতেকে,—নিকৃষ্ট প্ৰাণী, a mean sorry fellow.

কুকুৰ-ধেমালি—বিং, কুকুৰে কামোৰা-কামুৰি কৰি ধেমালি কৰে। এতেকে,—বাহিৰে শত্রুভাব দেখুৱাই কৰা মিতিৰালি, familiarity expressed in acts of feigned hostility.

কুকুৰা কাটি শপত খোৱা—ক্রি, আহোম ৰজাৰ দিনত কুকুৰা কাটি শপত খোৱাৰ নিয়ম আছিল। এনেকুৱা শপত ডাঙৰ শপতৰ শ্রেণীত গণ্য হৈছিল। এতেকে,—ডাঙৰ শপত কৰা, to take a solemn oath.

কুকুৰাৰ ঠেং কাটি মঙ্গল চোৱা—ক্রি, আহোম ৰজাৰ দিনত বাইলুংবিলাকে কুকুৰাৰ ঠেঙেৰে মঙ্গল চাইছিল। বাইলুংবিলাক এইৰূপ ভবিষ্যৎ গণনাত পাৰ্গত আছিল আৰু তেওঁবিলাকৰ সিদ্ধান্ত মতেই ৰাজকীয় ডাঙৰ কাৰ্য্যত হাত দিয়া হৈছিল। এতেকে,—ভবিষ্যৎ কোৱা, to prophesy.

কুচৰী—বিণ, যাক কুঠাৰৰ আঘাতৰ দ্বাৰা চিৰি পেলোৱা হয় তেনে-স্বৰূপ। (তিৰোতাক খাটে।) দুৰ্ঘোৰ অপৰাধ কৰিলে এনে দণ্ড পাবৰ যোগ্য

হয়। এতেকে,—ঘোৰ অপৰাধিনী। (গালিৰ শব্দ), sinful, (a term of reproach, applied to a woman).

কুন্দত কটা—বিণ, কুন্দ-শালত কোনো বস্তু কাটিলে সি যেনিবলৈ ধুনীয়া হয়। এতেকে,—ধুনীয়া, well-shaped, beautiful.

কুমলীয়া এদা পাই ভবিত মোহাবি থোৱা—ক্রি, বুলু এদাৰ ডাল টান, আৰু তাত ছাল ডাঠ। তাৰ ডাল কটাবিবে কাটিব লাগে আৰু কাটোঁতে জালে নাকত আৰু চকুত জনজনাই ধৰে। কিন্তু কুমলীয়া এদাৰ ছাল মোহাবিলেই এবি যায় আৰু তাৰ জ্বালা নাই। এই ছলত, তুচ্ছভাব বুজাবলৈ ভবিত মোহাৰে বুলি কোৱা হৈছে। এতেকে,—চিলা মানুহ পালে তাৰ অপকাৰ কৰিবলৈ এফেৰি সঙ্কোচ নকৰা, not to hesitate to injure a person who is powerless to resist.

কুম্পানীৰ দিন—বিং. [কোম্পানীৰ দিন] ইষ্ট ইণ্ডিয়া কোম্পানীৰ দিন অৰ্থাৎ ইংৰাজৰ ৰাজত্ব, the days of the East India Company i.e. the British rule.

কুম্ভকর্ণৰ টোপনি—বিং, কুম্ভকর্ণে ৬ মাহ একেৰাহে শুই থাকে। তেওঁ ৰাৱণৰ ভায়েক আছিল আৰু লক্ষ্মণৰ হাতত প্ৰাণ হেৰুৱায়। এতেকে—দীঘলীয়া টোপনি, deepest slumber.

কুৰু-পাণ্ডৱৰ যুদ্ধ—বিং. কুৰু আৰু পাণ্ডৱৰ ভিতৰত হোৱা যুদ্ধ, ইমান ঘোৰতৰ হৈছিল যে ইয়াৰ বৰ্ণনা কৰিবলৈ যাওঁতে ভাৰতবৰ্ষৰ অদ্বিতীয় কাব্য মহাভাৰতৰ সৃষ্টি হয়। এতেকে,—তুমুল যুদ্ধ, a terrible war, a fierce struggle.

কুৰুং-কাৰাংকৰা—ক্রি, [কুৰ্-কাৰ্ কৰা] চাবিপাটীৰ ইফালে সিফালে অলপ অলপ বাগৰ মাৰিলে কুৰ্-কাৰ্ শব্দ হয়। এতেকে,—অলপ লৰ-চৰ কৰা। তাৰ পৰা,—এলাহ এৰি অলপ-অচৰপ কাম-কাজ কৰা, to shake off laziness and take to some sort of work.

কুলা-বুঢ়ী ওলোৱা—ক্রি, বাহী বিয়াৰ দিনা এজনী বুঢ়ীয়ে মুখত এখন কুলা লৈ নাচে। এতেকে,—বহুৰালি কৰা, to play the part of a buffoon.

কুলাৰ আগৰ খুহু—বিং, কুলাৰ আগত খুহু নাথাকে, মলখু থাকে। মলখু

গোটা চাউলতকৈ ভাল। এতেকে,—বেয়া বুলি বুজোৱা ভাল বস্তু, a thing which is really good but interpreted as bad with a sinister motive.

কুশ ছিঙ্গি দিয়া—ক্রি, বিয়াত ছোৱালী উলিয়াই দিলে কুশ ছিঙ্গি দিয়া হয়, অর্থাৎ সেই দিন ধৰি ছোৱালীয়ে বাপেকৰ গোত্ৰ এৰি গিৰিয়েকৰ গোত্ৰ পায়। এতেকে,—সমুলি সম্পৰ্ক নাৱাখি দান কৰা, to give absolutely.

কুহুলিয়াই কথা কোৱা—ক্রি, কুলিৰ দৰে কুহু কুহু মাত মাতি কথা কোৱা, লেনিয়াই কথা কোৱ, to talk endearingly.

কূটা এডোখৰ চুডোখৰ নকৰা—বিণ, সমুলি বন বাৰি নকৰা, খোদা, an extremely indolent person.

কেওঁ কিছু নাইকিয়া—বিণ, [কেওঁ মানুহ কিছু বস্তু নাইকিয়া] আত্মীয়-স্বজন ও ধন-বস্তু নাইকিয়া, নিৰাশ্রয় ও টোকেনা, সহায় সম্পত্তিহীন, destitute, helpless.

কেতৰ-কলিয়া— বিণ, [কেতৰ কলিয়া] কেতৰ এবিধ ভূত। সিহঁতৰ গাৰ বৰণ অতি ক'লা। এতেকে,—অতিপাত ক'লা, jet-black.

কেয়াঁ আঙ্গুলীৰ জোৰ লৰ নোৱৰা—ক্রি, বুজঁত হুতাহুতি কৰা হয়। এই স্থলত কোৱা হৈছে যে হাতৰ যি নিচেই সৰু অঙ্গ অর্থাৎ কেয়াঁ আঙ্গুলী তাৰে জোৰ লৰ নোৱাৰে অর্থাৎ তাকে বলেৰে নোৱাৰে। এতেকে,—সমুলি সমকক্ষ হব নোৱৰা, অলপো বলে নোৱৰা, to be inferior out of all proportion.

কেৰ্কেঁটুৱাৰ বাঁহ-পাতৰ ভেঁটি—বিং, কেৰ্কেঁটুৱা বাঁহনীত থাকে। ভেঁটি দিবলৈ তাৰ বাঁহপাততে বাজে আন একো সম্পত্তি নাই। এতেকে,—ক্ষুদ্র মানুহৰ ক্ষুদ্র উপহাৰ, a humble present by a humble person.

কেলপনীয়া জীৱ—বিং, (কেল্‌পনীয়া = কেলেপ্‌ + জীয়া।) অনাহাৰত কেলেপ-কেলেপ্‌ কৰি থকা জীৱ, দীন-হীন প্রাণী, তুচ্ছ মানুহ, a wretch.

কেহেলি-কেন্দেলিকৈ খোৱা—ক্রি, কোনো মানুহৰ কোনো ঠাইলৈ যাবৰ ইচ্ছা নাথাকিলে তাক যদি বলেৰে তালৈ পঠোৱা যায়, তেনেহলে সি বাটে বাটে কান্দি আৰু কান্দি এখুজি-দুখুজিকৈ লাহে লাহে যায়।

এতেকে,—অতি লাহে লাহে যোৱা, অনিচ্ছাবশতঃ যোৱা, to walk leisurely.

কোটকোৱা কাঁইটে ফুটা—ক্রি, খোচা-বিন্ধা কৰাৰ দৰে অসুবিধা ভোগ কৰা, আহুকাল পোৱা, to be annoyed greatly.

কোমল-ধুনুলি—বিং, ধুনুলি নিচেই কোমল। এতেকে,—সুকোমল মানুহ, an extremely delicate person.

কোৱ মতা—ক্রি, যি যি দূষণীয় কার্য্য কৰিলে মানুহৰ ৰোগ জন্মে, তেনে কার্য্য কৰিলে ৰোগ নিজে মাতি আনাৰ দৰে হয়। (কোৱ=শাৰীৰিক অসুখ।) এতেকে,—ৰোগোৎপাদক কার্য্য কৰা, to lead a life of irregular habits.

কোলাবটো এৰি পেটৰটোলৈ আশা কৰা—ক্রি, [কোলাৰ লৰাটো এৰি পেটৰ লৰাটোলৈ আশা কৰা।] জন্ম পোৱা সন্তান এৰি গর্ভস্থ সন্তানলৈ আশা কৰা অর্থাৎ সম্প্রতি যাক পোৱা হৈছে তাক এৰি ভবিষ্যতে যাক পোৱা হব তালৈ আশা কৰা, হাতেৰে পোৱা বস্তুলৈ কাণ নকৰি দূৰণীয়া আশা কৰা, to give up a thing in hand in expectation of a thing to come.

কোৱা-কা জিলী-জা—বিং, কোনো মানুহৰ মাত শুনিবলৈ পোৱা নাযায়। 'কোৱা' অর্থাৎ কাউৰীৰ 'কা' 'কা' আৰু জিলীৰ 'জা' 'জা' শব্দ শুনিবলৈ পোৱা যায়। এতেকে,—ঘোৰ নিস্তব্ধতা, deep silence.

কোৱাত কৈ বাতৰি দিয়া—ক্রি, (কোৱা=কাউৰী।) কাউৰীৰ আগত কৈ অর্থাৎ কাউৰীক দূত-স্বৰূপে পঠিয়াই বাতৰি দিয়ে বোলা হৈছে। এতেকে,—কৱৰাত কোনোবা মানুহৰ মুখেৰে বাতৰি পঠোৱা, গুপ্তভাৱে বাতৰি পঠোৱা, to send a news secretly.

কৌটী-কলীয়া ৰীতি—বিং, [কোটী-কলীয়া ৰীতি] কোটী কালৰপৰা চলি অহা ৰীতি, পূর্ব্বাপৰ প্রচলিত ৰীতি, a time-honoured custom.

কৌৱৰৱ চাউল খাই পাণ্ডৱৰ গুণ গোৱা—ক্রি, বিদূৰ কৌৱৰৱ অন্নেৰে প্রতিপালিত হৈছিল, কিন্তু তেওঁ সদাই পাণ্ডৱৰ পক্ষ সমর্থন কৰি কথা কৈছিল। সেই কথাৰপৰা এই বাক্যৰ উৎপত্তি হৈছে। এতেকে,—অগুণকাৰী হোৱা, to be ungrateful to the benefactor.

ক্রিয়া ধৰা—ক্রি, [ক্রিয়া কৰিবলৈ ব্রত ধৰা] শ্রাদ্ধাদি ক্রিয়া কৰিবৰ নিমিত্তে ব্রত পালন কৰা, to observe fasting on account of a religious ceremony.

ক্রিয়াহীন বামুণ—বিং, বামুণ ক্রিয়া-কাণ্ডহীন হলে ভ্রষ্ট হয়। এতেকে,—অনাচাৰী বামুণ, a degenerate Brahmin.

খ।

খঁৰা দা জোকৰা—ক্রি, দুখীয়া মানুহে খঁৰা দা ব্যৱহাৰ কৰে। এতেকে,—দুৰ্ব্বলী মানুহে ভয় দেখুওৱা, to brandish a powerless weapon to show empty threats.

খঁৰা ধুন—বিং, (খঁৰা = অসম্পূৰ্ণ।) কাপোৰ-কানি, অলঙ্কাৰ-পাতি ইত্যাদিৰ সঁজুলি সম্পূৰ্ণ হব লাগে। যদি কোনো এটা বস্তু কম হয়, তেনেহলে ধুন অসম্পূৰ্ণ হয়। এতেকে,—অসম্পূৰ্ণ ধুন, the lack of completeness in fashion.

খাঁজে-খোপে খোৱা—ক্রি, বাঁহ কাঠ-আদিত কটা খাঁজ খোপত লাগি মিলি পৰে। এতেকে,—এটা বস্তু বা কাৰ্য্য আন এটা বস্তু বা কাৰ্য্যৰ লগত ভাল মতে মিলি যোৱা, সম্পূৰ্ণ সামঞ্জস্য হোৱা, to fit in perfectly with.

খুঁটাত বান্ধি লোৱা—ক্রি, অতিপাত মাৰ-কীল কৰিবৰ নিমিত্তে মানুহক খুঁটাত বান্ধি লোৱা হয়। এতেকে,—উগ্ৰ দণ্ড দিবৰ নিমিত্তে উদ্যোগ কৰা, to prepare to beat soundly.

খুঁটি খাব পৰা—ক্রি, চৰাই-পোৱালি ডাঙৰ হলে নিজৰ ঠোঁটেৰে খুঁটি টোপ খাব পাৰে, তাৰ আগেয়ে মাকে খুৱাই দিয়ে। এতেকে,—নিজে উপাৰ্জ্জন কৰিব পৰা, to be able to earn an independent liveli-

hood.

খুঁটি পুতি উজুটি খোৱা—ক্রি [আপুনি খুঁটি পুতি আপুনি উজুটি খোৱা] মাটিত খুঁটি পোছা থাকিলে খুঁটিত ভবি লাখি উজুটি খোৱা হয়। এতেকে,—আপোনাৰ কাৰ্য্যৰ দ্বাৰা আপুনি বাটি খোৱা, to be adversely affected by one's own conduct.

খুঁটিয়া-খুঁটি লগা—ক্রি, চৰাইবিলাকে ইটোৱে-সিটোৱে ঠোঁটেৰে খুঁটিয়া-খুঁটি কৰে। এতেকে,—পৰস্পৰ সামান্য প্ৰকাৰৰ দ্বন্দ্ব-বিবাদ কৰা, to engage in petty quarrels.

খুঁটীয়া মহে নাও বুৰোৱা—ক্রি, ওৱালে নাওত উঠি নাকী ধৰি খুঁটিৰ ধৰচীয়া মহ নৈত পাৰ কৰে। কেতিয়াবা সেই মহে নাও বুৰাই দিয়ে। এতেকে,—আপোন মানুহে সৰ্ব্বনাশ কৰা, the doing of the greatest harm by one's dearest relative or friend.

খোকা পতা—ক্রি, অধিক মাছ পাবৰ নিমিত্তে আশা কৰি ঠুহা বা চেপাৰ পৰিবৰ্ত্তে খোকা পতা হয়। এতেকে,—অধিক লাভ পাবৰ নিমিত্তে আশা কৰা, to covet inordinately.

খৎ ধাৰ কৰিব নলগা—ক্রি, যি বস্তু কোনো মানুহৰ আছে, সেই বস্তু তাৰ দেখুৱাবৰ প্ৰয়োজন নাই। সকলো মানুহৰে নিজৰ খৎ আছে, কোনোৱে আনৰপৰা তাক ধাৰ কৰিব নালাগে। এতেকে,—খৎ দেখুওৱাৰ প্ৰয়োজন নোহোৱা, to perceive the uselessness of making an exhibition of anger.

খৎ নামে চণ্ডাল হোৱা—ক্রি, শপত লোৱাৰপৰা এই বাক্য ওলাইছে। ইয়াৰ প্ৰকৃত অৰ্থ "খৎ এই নামেৰে সম্পৰ্ক থকা যৎকিঞ্চিৎ কামো যদি কৰোঁ, তেনেহলে মোক চণ্ডালৰ তুল্য নীচ জ্ঞান কৰিবা"। এতেকে,—খঙাল মানুহ চণ্ডালৰ তুল্য নীচ হোৱা, to prove to be a person of low origin by giving vent to anger.

খৎ-শিঙা বজোৱা—ক্রি, বিপদৰ জাননী দিয়া, ('খৎ-শিঙা বজোৱা' চোৱাঁ।) to give a danger signal.

খৎ সৰা—ক্রি. [খৎ সকওৱা] খৎ সাৰে অৰ্থাৎ পলাই সাৰে। যাক সি আক্ৰমণ কৰিব খোজে, সি ওলোটাই আক্ৰমণ কৰিলে খৎ নিজে পলাই সাৰে। ৰাটি যাওঁতে বাটত যি পায় তাকে অপকাৰ কৰি পলাই যায়। মুদ্ধত

হটি যোৱা সেনাই এনেকপ আচৰণ কৰে এই ভাব বুজায়। এতেকে,—বলী শত্রুক অপকাৰ কৰিব নোৱাৰি নিৰপৰাধী দুৰ্ব্বল মানুহক অপকাৰ কৰি ক্রোধ প্রকাশ কৰা, to take revenge on a weak person for an injury done by another who is too powerful.

খঙ্গত আপোনাৰ মঙ্গহ আপুনি খোৱা—ক্রি, অতিপাত খং উঠিলে কাকো একো অপকাৰ কৰিব নোৱাৰিলে কোনো কোনো মানুহে নিজৰ শৰীৰৰ কোনো এটা অংশ কামুৰি ছিঙ্গি পেলায়। এতেকে,—খঙ্গত বিহ্বল হোৱা, to be over-powered by anger.

খঙ্গত একো নাইকিয়া হোৱা—ক্রি, ইমান খং উঠে যে একো নাইকিয়া হয়, অর্থাৎ যালৈ ভাবি খং এৰিব লাগে তেনে কোনো মানুহ নাইকিয়া যেন ভাব হয়। এতেকে,—অতি ক্রোধান্বিত হোৱা, to be beside one-self in anger.

খঙ্গত জামদগ্নি হোৱা—ক্রি, জামদগ্নি ঋষিৰ পুতেক পৰশুৰাম আছিল। তেওঁৰ খং ইমান উগ্র আছিল যে নিজৰ মাক ৰেণুকাক কুঠাৰেৰে কাটিলে, আৰু ২১ বাৰ ক্ষত্রিয় সংহৰি পৃথিবী নিক্ষত্রিয়া কৰিলে। এতেকে,—অতি খঙ্গাল ভাবধাৰণ কৰা, to be mad with rage.

খঙ্গত পেট-কাটি ছমাহলৈ শুকনী খোৱা—ক্রি, ইমান খং উঠে যে নিজৰ পেটটো কাটে। পিচত কটা ঘা শুকোৱাৰৰ নিমিত্তে ছমাহলৈ ঔষধ খাব লাগে। এতেকে,—খঙ্গৰ ওপৰত হঠাৎ মহা অনিষ্ট সাধন কৰি পিচত সেই অনিষ্টৰ উপশমৰ নিমিত্তে বহু কাল যত্ন কৰা, খঙ্গত খত্তেকতে কোনো কার্য্য কৰি পিচত তাৰ ফল-স্বৰূপে বহুকাল মনস্তাপ কৰা, to do an act in anger on the spur of the moment and then to repent for it for a long period.

খঙ্গৰ কীল লপা-থপা হোৱা—ক্রি, (থপা=থাপ; লপা অনুৰূপ।) খঙ্গত অলপকৈ থাপ মাৰিলেই দন্দ লগা, to be offended even at the touch of the hand when the hand is laid in anger.

খঙ্গে গৈ মুৰৰ চুলি পোৱা—ক্রি, খঙ্গত ওপৰলৈ তেজ উঠে। এই স্থলত কোৱা হৈছে যে খং গৈ ইমান ওপৰলৈ উঠিছে যে সি মুৰৰ চুলি পাইছে গৈ। এতেকে,—অতিকৈ খং উঠা, to be extremely angry.

খজুৱতি উঠা—ক্রি, গাৱ খজুৱতি উঠিলে উচ্‌পিচ্‌ লাগে। এতেকে,—উচ্‌পিচ্‌ লগা, to be impatient to do anything.

খত-বান্ধ দি ধৰা—ক্রি, [খতেৰে বান্ধ দি ধৰা] খত=দলিল। যাতে কথা লুটিযাব নোৱাৰে সেই মতে দলিলত লিখি কথা বান্ধি দিবলৈ টানি লোৱা, ধৰকৈ তাগিদ কৰা, to bind by written agreement, to demand peremptorily.

খন খাই খন পেলোৱা—ক্রি, এখন খাই এখন পেলোৱা, (তামোল-খোৱাত ব্যৱহৃত হয়।) to chew *pan* and throw it away and then chew another and so on i. e. to chew *pan* too frequently.

খন্তেকীয়া ভোজ—বিং, ভোজ বান্ধি-বাঢ়ি যুগুত কৰি থাকৰ পৰত এনেকুৱা বিপদ উপস্থিত হব পাৱে, যে খাওঁতা নোহোৱা হৈ সেই ভোজ তাতে পেলনি যায়। বিপদ হবলৈ বেচি পৰ নালাগে, এই ভাব বুজায়। এতেকে,—বহু আয়োজনৰ দ্বাৰা সম্পাদিত হোৱা কিন্তু তৎক্ষণাৎ দুৰ্ঘটনাৰ দ্বাৰা নষ্ট হব পৰা কোনো বস্তু বা কার্য্য, anything which is done with great care but which is liable to be marred in a moment by accident.

খৰচী মৰা—ক্রি, [খৰচীয়া মৰা] কথাৰ খৰচীয়া অৱস্থা মৰা অর্থাৎ কঠিনতা গুচাই ঢিলা কৰি দিয়া, ভাঙ্গি-পাতি বুজোৱা, to make easy or clear, to remove the stiffness of anything.

খৰম গোঁসাই—বিং, ধৰদোৱা থানত শ্রীশঙ্কৰ দেৱৰ এজোৰ খৰম আছে। মহাপুৰুষীয়াবিলাকে তাকে ঈশ্বৰ বুলি ভাব কৰে, the sandal of Sankar Deo preserved in the Bordoa Satra in Nowgong and worshipped by the Vaishnabites.

খৰলি খোৱা—ক্রি, দুখীয়া মানুহে লোণৰ পৰিবর্ত্তে খাৰ দি শাকৰ আঞ্জা খায়। এতেকে,—দুখীয়া খাৱন খোৱা। তাৰপৰা,—টোকোনাভাৱে কালযাপন কৰা, to lead a poor life.

খৰি দিয়া—ক্রি, মানুহ মৰিলে খৰি দি দাহ কৰা হয়। এতেকে,—শৱ দাহ কৰা, to cremate.

খৰি-তাৰী—বিং, টোকোনা মানুহে হাবিত খৰি কাটি ভাৱেৰে কঢ়িয়াই বেচে গৈ।

এতেকে,—টোকোনা মানুহ, a pauper.

খর্ব্ব-নিখর্ব্ব—বিণ, খৱ+ৱৱ। সংখ্যা-বাচক খর্ব্ব শব্দৰ পাচত নিখর্ব্ব শব্দ আছে বাবে এই স্থলত নিখৱ্ব শব্দ যোজিত হৈছে। তাৰ বেলেগ অর্থ নাই। এতেকে,—ৱৱ চোকা, very smart.

খলি পোত—ক্রি, খলি=খুলি বা খোলা, কোনো কার্য্যৰ নিমিত্তে নির্দ্দিষ্ট স্থান-বিশেষ। পোতা=পতি লোৱা, শিপাই লোৱা, এৰিব নোৱৰাকৈ লোৱা। এতেকে,—নিগাজিকৈ ঠাই লোৱা, to live for a considerable period under temptation (used in a depreciative sense).

খৱে-ধৱা—বিং, [খাৱে ধৱা] অজীর্ণ ৰোগ। ('খৱ' শব্দেৰে সম্বন্ধ নাই।) indigestion.

খহুলা ভেকুলী—বিং, ভেকুলীৰ ছালখন খহটা-খহটি, দেখাত সি খহুলা যেন বোধ হয়। এতেকে,—কদাকাৰ মানুহ, ঘিণলগা মানুহ, one who is ugly, deformed, disgusting or disagreeable.

খাই এগাৰি যোৱা—ক্রি, [খাই উগাৰি যোৱা] অপৰিমিত আহাৰ কৰিলে উগাৰ আহে। এতেকে,—অপৰিমিত আহাৰ কৰা, to eat to surfeit.

খাই পাত ফলা—ক্রি, খাই পাত ফালি পেলাই দি নাই খোৱা বুলি কোৱা অর্থাৎ উপকাৰ পাই শলাগ নোলোৱা, to be ungrateful.

খাই মৱা—ক্রি, মানুহক কোনো জন্তুৱে খালে সি মৰি যায়। এতেকে,—অতি পাত আহুকাল কৰা, to annoy too much.

খাইকহ—ক্রি, [খাক্ষস] প্রবাদ মতে ৰাইকহৰ (ৰাক্ষসৰ) মাত ডাঙৰ, সি ৰাও-ৰাওকৈ মাতে। খাইকহৰ (খাক্ষসৰ) খৰ ডাঙৰ, সি খাণ্ড-খাণ্ড মুৰ্ত্তি ধৰি ফুৰে। এতেকে,—অতিপাত খঁকুৱা মানুহ, a gourmand.

খাইমুৱা মানুহ—বিং, যি মানুহে মুৰ খায় অর্থাৎ পৰিয়ালৰ আন আন মানুহক মাৰি অকলশৰীয়া হয় সেই মানুহ। (কোনো মানুহৰ গাত কুলক্ষণ থাকিলে তাৰ দোষত পৰিয়ালৰ আটাইবিলাক মানুহ মৰি যায়, এনে বিশ্বাসপৰা এই বাক্যৰ উৎপত্তি হৈছে।) a solitary man in a family living after the death of all the other members.

খাণ্ড খাণ্ড মুর্ত্তি—বিং, [খাণ্ড খাণ্ড কৰা মুর্ত্তি] অতি আকলুৱা মানুহ ; বৰ খঙাল মানুহ, a gourmand; a furious person.

খাটনিক লোটনি বোলা—ক্রি, খাটনি আৰু লোটনি এই দুই শব্দ সমার্থক বোলা হৈছে, কিয়নো ডকাইতে লুটিলে যেনেকৈ মানুহ সর্ব্বস্বান্ত হয়, খাটনি ধৰিব জনা মানুহে খাটনি ধৰিলেও সেইৰূপে সর্ব্বস্বান্ত হয়, অর্থাৎ সি তাৰ যথাসম্পত্তি দিও খাটনি ধৰা মানুহক সন্তুষ্ট কৰে। এতেকে,—খাটনি আৰু লোটনি দুইকো সমান হানিজনক গণ্য কৰা, to regard flattery and robbery as same, both being equally disastrous in their effect upon the person who is flattered and the person who is robbed.

খাব জানিলে চাউলেই চিৰা হোৱা—ক্রি, চিৰা=চাউল চিৰা, সান্দহ। ৰৰা-চাউল ভাজি টোঁকিত খুণ্ডিলে সান্দহ হয়। এই স্থলত কোৱা হৈছে যে খাব জানিলে চাউলেই অর্থাৎ ৰৰা চাউলেই চিৰা হয়, অর্থাৎ চিৰাৰ সমান তৃপ্তিদায়ক হয়। ৰৰা চাউল তিয়ালে কোমল-চাউল হয়, আৰু সি তৃপ্তিদায়ক জলপান। এতেকে,—নিয়ম—প্রণালী জানিলে অসুবিধাজনক কার্য্য বা বস্তুকো সুবিধাজনক কৰি লব পৰা, to turn a bad thing to good account if one knows how to do it.

খাব-জীবৰ লক্ষণ—বিং, এনেৰূপ লক্ষণ যাৰ দ্বাৰা বুজিব পৰা যায় যে মানুহ জনে ভবিষ্যতে ভালমতে খাব পাৰিব আৰু ভালমতে জীব পাৰিব, অর্থাৎ উন্নতিৰ চিন, signs of future prosperity.

খাবলৈ পাই এন্‌গেনোৱা—ক্রি, [খাবলৈ পাই গেনগেনোৱা] কোনো মানুহক ভালকৈ খাবলৈ পাইছে। সিমানতে তাৰ সম্পূর্ণ তুষ্টি হব লাগে। কিন্তু তেনে নহৈ তাৰ লেন বাঢ়ি যায়। ভোজনৰ বিষয়ে কিবা-কিবি অসন্তোষ-বুজোৱা কথা সি লেনিয়াই কয়। লেনিয়াই কোৱা বাবে মাত গেন-গেনীয়া হয়। এতেকে,—কোনো বিষয়ে তৃপ্তি সম্পূর্ণ হোৱা বাবে লেন ধৰি অসন্তোষৰ ভাব বুজোৱা, অসন্তোষৰ কাৰণ নথকা স্বত্বেও অসন্তোষপ্রকাশ কৰা, to grumble where no real grievance exists.

খাম লম বুলি জীয়াই থকা—ক্রি, [ভাত খাম কাপোৰ লম বুলি জীয়াই থকা]

ভালমতে ভাত খাম আৰু ভালমতে কাপোৰ লম অর্থাৎ সুখ-স্বচ্ছন্দতা উপভোগ কৰিম এই আশা লৈ জীৱনধাৰণ কৰা, to live with the hope of enjoying pleasure.

খাব কঢ়া জিবা—বিং, ঘৰৰা কাপোৰ খাব কাঢ়িলে হে পিন্ধিব পৰা যায়। জিযাক কাপোৰেৰে তুলনা কৰা হৈছে। এতেকে,—শিষ্টালাপী জিবা, a polished tongue.

খাবখোৱা জিবা—বিং, চহা মানুহে খাব বেচিকৈ খায় আৰু সিহঁতৰ ভাষা শুদ্ধ নহয়। এতেকে,—অশুদ্ধ মাত, faulty language.

খালৰ যখিনী—বিং, খাল লেতেৰা, তেনে লেতেৰা ঠাইত যখিনী হে থাকে, মানুহ নাথাকে। এতেকে,—লেতেৰী তিৰোতা, a slut.

খালে-দোঙ্গে—ক্রি-বিণ, যতে-ততে, anywhere and everywhere.

খায় নে কান্ধত পিন্ধে কব নোৱাৰা—ক্রি, কোনো বস্তু খাদ্য স্বৰূপে ব্যৱহৃত হয় নে কান্ধত পিন্ধিবৰ নিমিত্তে অর্থাৎ অলঙ্কাৰ-স্বৰূপে ব্যৱহৃত হয়, সেই বিষয় নাজানে বোলা হৈছে। এতেকে,—কোনো বিষয়ে একো নজনা, to be in dismal ignorance.

খিটিং-খাটাং লগা—ক্রি, কাঁহৰ কাঁহী বটী ইটোৱে-সিটোৱে লাগি খিটিং-খাটাং শব্দ কৰে। সেই কথাৰপৰা এই বাক্যৰ সৃষ্টি হৈছে। এতেকে,—সামান্য প্রকাৰৰ দন্দ-কাঁজিয়া লগা, to be engaged in petty querrels.

খুণ্ডা-মৰে নিয়া—ক্রি, [খুণ্ডা-মৰাই নিয়া] খুণ্ডা-মৰা যোগত তৎক্ষণাৎমৃত্যু ঘটে। (নিয়া=পৰলোকলৈ নিয়া, মাৰি নিয়া।) এতেকে,—তৎক্ষণাৎ প্রাণ-নাশ হোৱা, to be killed instantaneously.

খুণ্ডাই লাখুটি—বিং, লাখুটিৰে কাঠ বাঁহ, মাটি আদিত খুণ্ডা খাই টক্-টকাই ফুৰে। এতেকে,—খুণ্ডা-খুণ্ডলি খাই টক্‌টকাই ফুৰা মানুহ, টাস-বন্ধীয়া কষ্ট-সহিষ্ণু কটিয়া-চানেকীয়া মানুহ। (লাখুটি মানুহতকৈ চুটি, এই কথাৰপৰা কটিয়া ভাব ওলাইছে, a strong-built dwarfish fellow.

খুণ্ডি ভাঙ কৰা—ক্রি, মৰিয়াই পিতল খুণ্ডি ভাঙ অর্থাৎ চটা কৰে। ৰবকৈ মাৰ-পিট কৰা, to assault severely.

খুদ্ খোৱা—ক্রি, [চাউলৰ খুদ্‌খোৱা] যি মানুহৰ খেতি নাই, সি লোকৰপৰা

খুদ্-চাউল মাগি আনি তাকে বান্ধি ভাত খায়। এতেকে,—অতি টোকোনা, impecunious.

খেও খোরা—ক্রি, জালোবাই পানীত খেয়ালি জাল মাৰ মাছ ধৰা জাল নিয়মিত-রূপে চাবিও পোনে সমানে মেল খাই পৰাকে 'খেও খোৱা' বোলে। খেও খালে খেওৰ ভিতৰত পৰা মাছ সাৰি যাব নোৱাৰে। এতেকে—কোনো কথা বা কার্য্য যেনে-স্বরূপ হৈ লাগে তেনে-স্বরূপ হৈ পৰা, মিলি পৰা, (জাল 'মেলি' পৰে আক কথা 'মিলি' পৰে এই সাদৃশ্যপৰা এই বাক্যৰ সৃষ্টি হৈছে।) to be in agreement, harmony, correspondence, concord.

খেৰ শুকোৱা দি শুকোৱা - ক্রি, খেৰ কাটি থলে বদত তৎক্ষণাৎ শুকাই যায়। এতেকে,—শীঘ্রে ক্ষীণ হৈ যোৱা, to be going down rapidly in health.

খেৰৰ শনি—বিং, খেৰৰ শনি পুৰিলে তৎক্ষণাৎ ছাই হৈ যায়। এতেকে,—কোনো খস্তেকীয়া বস্তু, মানুহ, কার্য্য ইত্যাদি, anything of a transient nature.

খেৰণীয়ে বননীয়ে—ক্রি-বিণ, যতে-ততে অযন্ত ঠাইত, in any out-of-the-way place.

খোজত পকৱা মৰা—ক্রি, পকৱা নমৰোক বুলি যাওঁতেও খোজত পকৱা মৰে এই ভাব বুজোৱা হৈছে। এতেকে,—নিচেই লাহে লাহে খোজ কঢ়া, to walk too slowly.

খোপ এৰা—ক্রি, ['খোপ ছিঙ্গা' চোৱাঁ।]

খোপ ছিঙ্গা—ক্রি, কোনো বস্তু খোপত লাগিলে নেৰায়। এই স্থলত বোলা হৈছে যে খোপ ছিঙ্গে অর্থাৎ খোপৰপৰা একৰাই দিয়ে। এতেকে,—কোনো মানুহে কোনো এটা মততে লাগি থাকি বহু পৰৰ মুৰত সেই মত এৰি দিয়া, to concede.

খোপ লগা—ক্রি, [খোপত লগা] খোপত লাগিলে কোনো বস্তু বেগতে নেৰায়। এই স্থলত, কোনো কথাৰ খোপ লাগিছে অর্থাৎ মানুহ জনে কোনো এটা কথাত লাগি আছে, বেগতে কথাটো এৰি নিদিয়ে এনে ভাব বুজোৱা হৈছে। এতেকে,—গপ লগা, to be too proud to do a thing (usod playfully).

খোৱ লোৱা—ক্রি, ('খোৱ' আৰু 'খোৱোৱাং' সম্পৰ্কীয় শব্দ।) থকা-ঠাই লোৱা, to take abode in expectation of gains (used in a depreciative sense).

খোৱাৰ খোজে-পিছে অপৰাধ ধৰা—ক্রি, যি খোৱা নাম পাইছে সি এবেলি ভবেলি ভালৰূপে খোজ পেলালেও মানুহে তাৰ খোজত দোষ হে দেখে। এতেকে,—যাৰ দিন মন্দ হয় তাৰ সকলো কাৰ্য্যকে মানুহে খেয়া বুলি ধৰা, to find fault at every step with a person who has fallen on evil times.

খোলা উলিওৱা—ক্রি, ভিতৰত শাহ নাইকিয়া হলে অকল খোলাটো থাকে। এতেকে,— সাৰ-পদাৰ্থ নষ্ট কৰা, to reduce to skeleton.

খোলাকটিৰ তাল—বিং, তাল কাঁহৰ দ্বাৰা নিৰ্ম্মিত। খোল কটিৰ তাল হৰ নোৱাৰে। এতেকে,—মূল্য নাইকিয়া বস্তু, অকামিলা বা তুচ্ছ পদাৰ্থ, an article of no value, a useless or contemptible thing.

খোৱা-কামোৱা কৰা—ক্রি, [খোৱাত কামোৱাকামুৰি কৰা] কুকুৰবিলাকে কোনো খোৱা বস্তু পালে প্ৰত্যেকে তাক অকলে খাবৰ নিমিত্তে আনক কামুৰি খেদাবৰ চেষ্টা কৰে। এতেকে,—কোনো বস্তুৰ নিমিত্তে নীচালিভাৱে দন্দ পতা, to wrangle meanly.

খোৱা-লোৱা কৰা—ক্রি, ভোগ কৰা অৰ্থাৎ পুৰুষে তিৰোতাৰ লগত আৰু তিৰোতাই পুৰুষৰ লগত সঙ্গম কৰা, to have sexual intercourse.

খোৱা-লোৱা কৰা—ক্রি, (খোৱা=ভোগ কৰা; লোৱা=পতিস্বৰূপে লোৱা।) সহবাস কৰা, to cohabit.

গ।

গছত কঠাল থৈ ওঁঠত তেল ঘঁহা—ক্রি, কঠাল খাওতে এঠা নালাগিবৰ নিমিত্তে ওঁঠত তেল ঘঁহি লোৱা হয়। এই স্থলত কোৱা হৈছে, যে কঠাল গছত

থাকোঁতেই অর্থাৎ তাক নৌ পাবোঁতেই উঠত তেল ঘঁহা হয়। এতেকে,—কোনো কার্য্য শেষ পোৱাৰ পূৰ্ব্বেই তাৰ ফললাভ হল বুলি জ্ঞান কৰি তদনুযায়ী চলা, to count on the result of a work before it is actually finished.

গছত তুলি শুৰি কটা—ক্রি, ছল কৰি গছত তুলি পাচত শুৰি কাটি দিলে গছ পৰি যায়, লগতে গছৰ ওপৰত থকা মানুহো পৰে। এতেকে,—বিশ্বাস-ঘাতকতা কৰা, to betray.

গছৰ গুটি খাই নাম নোকোৱা—ক্রি, গছৰ গুটি চুৰ কৰি খোৱা হয়; কিন্তু কোন মানুহৰ বাৰীৰ গছ তাৰ নাম কোৱা নহয়। এতেকে,—ধৰা নপৰাকৈ কোনো অপকাৰ কৰা, to do a wrong secretly.

গছৰ পাত লগে নসৰ—ক্রি, গছৰ পাত আটাইবিলাক একে লগে নসৰে। যাৰ যেতিয়া সময় হয়, সেই পাত তেতিয়া সৰে। মৃত্যু-কাল উপস্থিত হলে মানুহো সেইৰূপে মৰে, কোনেও কালেও বাট নাচায়, বয়স বা আগ-পাচ একো নামানে। এতেকে,—আটাইবিলাক মানুহ একেলগে নমৰা, to die each in his appointed hour.

গজমুৰা মানুহ—বিং, [গজৰ ভিতৰত মুৰ তুল্য মানুহ] মুৰা হাতী অকলে থাকে এই কথাৰপৰা, কোনো মানুহৰ মুৰ হাতীৰ দৰে ডাঙৰ কিন্তু সি অকলে থাকে অর্থাৎ তাৰ বংশ-পৰিয়াল মৰি অন্ত পৰে, এই অর্থৰ উৎপত্তি হৈছে। এতেকে,—কুলক্ষণীয়া মানুহ, an ill-omened person.

গজ-হস্তী—বিং, [গজ-গজীয়া হস্তী] ওখ-ডাঙৰ হাতী, a big elephant.

গজৰ খৈয়া—বিং, [গোজোৰা খৈয়া] নগাৰ বহুটীয়াক খৈয়া বোলে। গোজোৰা = গোজোৰা-গোজোৰকৈ উৰৰ দিয়া। খৈৰাবিলাকে কাম-বন ভালকৈ নকৰিছিল। কোনো কামলৈ পাচিলে গোজ্-গোজাই থাকে। এতেকে,—আপাহি থাকিলেও বন-বাৰি নকৰা মানুহ, লৰ-চৰ কৰিব নোখোজা ওঠোৰ-গোঠোৰ মানুহ, a rough unwilling worker.

গড়-গতি—বিং, চলণ-ফুৰণ, আও-ভাও, movements, conduct.

গণিতা কৰা—ক্রি, লেখ কৰা, লেখত লোৱা, যথাযোগ্য সম্মান কৰা, to count, to consider, to regard.

গতি লগা—ক্রি, ভাল গতি লগা। বিদ্রূপাত্মক ব্যৱহৃত হয়। এতেকে,—অৱস্থা কোনো বিষয়ে বেয়া হোৱা, to be settled (used ironically), hence, to be unsettled, to be done for.

গতি হোৱা—ক্রি, স্বৰ্গলৈ গতি হোৱা অৰ্থাৎ মৰণ হোৱা, to be dead.

গধূলি সাত হাল বোৱা—ক্রি গধূলি মনত পাতে যে পিচ দিনা সাতখন হাল বাব, কিন্তু পিচ দিনা এখনো বোৱা নহয়। এতেকে,—মনতে বহু আলচ কৰা কিন্তু কাৰ্য্যত একো কৰিব নোৱাৰা, to do many things in theory but absolutely nothing in practice.

গপ ৰখা—ক্রি, গপে শোভা পোৱা, অহঙ্কাৰ অক্ষুণ্ণ থকা, to be unimpaired in dignity.

গপে সিদ্ধি হোৱা আৰু তপে সিদ্ধি হোৱা—ক্রি, কোনো কাৰ্য্য গপেৰে অৰ্থাৎ নিজৰ মানত থাকিলে সিদ্ধি হোৱা আৰু তপেৰে অৰ্থাৎ সাধনা কৰিলে সিদ্ধি হোৱা, the fulfilling of an object either by preserving a dignified calm or by resorting to austere practices.

গৰখীয়া খেমালি—বিং, গৰখীয়া লৰাই গৰু চৰাওঁতে দিন নিয়াৱৰ নিমিত্তে মিছামিছি খেমালি কৰে। এতেকে,—অৰ্থশূন্য লৰালি কাৰ্য্য, অলাগতিয়াল কাৰ্য্য, a childish affair, a useless work.

গৰখীয়া ভাল হলে গৰু ভাল হোৱ—ক্রি, গৰখীয়াই যদি ভালৰূপে গৰু ৰাখে, তেতিয়া গৰুৰে জেওৰা ভাঙ্গি শস্য নষ্ট কৰিব নোৱাৰে। এতেকে,—চলাওঁতা ভাল হলে চলোঁতা ভাল হোৱা, the turning out of a person to be good or bad according as he is directed in the right way or in the wrong way by his superior, adviser or guardian.

গৰখীয়া মেল—বিং, গৰখীয়া লৰাই গৰু চৰাওঁতে জুম পাতি বহি মিছামিছি মেল পাতে। এতেকে,—খেমেলীয়া মেল, a childish meeting.

গৰত থৈ কুটা—ক্রি, মাছ মঙহ গৰত থৈ কুটা হয়। এতেকে,—কাটি-মাৰি উচ্ছেদ কৰা, to destroy completely.

গৰগাঞা মিতিৰ—বিং, গৰগাওঁ আসামৰ ৰাজধানী আছিল। তাৰ ৰাসিন্দা-বিলাক টেঙৰ আৰু অঘাইটং আছিল। আজিহিয়ে বিদায় লৈ

নাওত উঠিলে গবগঞা মিতিবে মুখেবে অবন বুজাই কয় 'মিতিব, আজি নাযাবা, থাকাচোন' কিন্তু ইফালে গম ধবিব লোৱাবাকৈ ভবিবে নাওখন হেঁচি দিয়ে। নাও গৈ পানীব ধাবত পবিলে তাক আৰ বাখিব পবা নাযায়। এতেকে,—কপটীয়া বন্ধু, an insincere friend.

গবগাঙৰ কথা শুনি তল যোৱা—ক্রি, আসামব বাজধানী গবগাঙ এনে চমৎকাব নগব আছিল যে তাব কথা শুনিলে বিস্ময়ত তল যাব লাগে। এতেকে,—কোনো আচবিত বস্তু বা ঘটনাব কথা শুনি বিচুৰ্ত্তি হোৱা, to be dazed on hearing any description of a wonderful thing or event.

গৰখুণ্ডা মহাজন—বিং, মহাজন=মহন্ত। মহন্তসকলে ডবা কোবায়। ডবাব ছালখন গৰব ছালেবে ছোৱা যাবে ডবা কোবোৱাক গৰখুণ্ডা বোলা হৈছে। গৰ খুণ্ডাব প্রকৃত অর্থ গৰু বন্ধোৱা। এই কার্য্য উচ্চ-জাতীয় হিন্দুবে নকবে। এতেকে,—ডবা-কোবোৱা মহন্ত, (গালিব ৰাত) a *mohonta* who plays the *daba* which is a kind of large drum prepared with cow-skin (used abusively).

গৰু-খোজব পানী—বিং, পথাবব গৰু-খোজব ফাটত বৰষুণব পানী বয়। এতেকে,—নিচেই অলপীয়া পানী, a small quantity of water.

গৰু চুব কবি পথা ধবিবলৈ লাজ পোৱা—ক্রি, পথা ধবি চোবে গৰু চুব কবি লৈ যায়। এই স্থলত কোৱা হৈছে, যে গৰু চুব কবিবলৈ লাজ নাপায়, কিন্তু পথা ধবি নিবলৈ লাজ পায়। এতেকে,—কোনো দুষ্কর্ম্ম কবিবলৈ লাজ নাপাই সেই দুষ্কর্ম্মব আনুষঙ্গিক কার্য্য কবিবলৈ লাজ পোৱা, to commit a hateful crime and yet be ashamed to show hands.

গৰু-চোব—বিং, হিন্দুবে গৰুক দেৱতুল্য ভাবে। তেনে গৰুক চুব কবাটো অতি জঘন্য কার্য্য বুলি ধবা হয়। এতেকে,—অতিপাত অসৎ লোক, a notorious thief, a great knave.

গৰু-চোবৰ গঙ্গা-স্নান—বিং, গৰু চুব কবাটো মহা পাপব ভিতবত গণ্য হয়। তেনেকুৱা মহাপাপীব পক্ষে গঙ্গা-স্নান অসার্থক। এতেকে,—

অসার্থক কার্য্য, an infructuous action.

গৰু-বিচৰা দিয়া—ক্রি, খেতিয়ক মানুহৰ পক্ষে গৰু-সর্ব্বপ্রধান সম্পত্তি। গৰু হেৰালে সিহঁতে বিচাৰিবলৈ কোনো ঠাই বাকি নথয়। এতেকে,—হেৰাথৰি খাই বিচাৰি ফুৰা, to make a labourious search.

গৰু মৰা, পোক সৰা—ক্রি, গৰুৰ ঘা হলে পোকে গৰুৰ লগ লাগে। পোকে ঘা বহুলাই নি শেহন্তত গৰুটো মাৰে গৈ। যেতিয়া গৰু মৰে, তেতিয়া পোক আঁতৰি যায়। গৰু জীয়াই থাকে মানে গিৰিহঁতৰ, গৰু আৰু পোক দুইৰে সৈতে সম্বন্ধ থাকে, অর্থাৎ গিৰিহঁতে গৰুৰ পোক বাছি থাকিব লাগে। যেতিয়া গৰু মৰে আৰু পোক আঁতৰি যায়, তেতিয়া গিৰিহঁতৰ দুইৰেপৰা সম্বন্ধ এৰায়। সেই-ৰূপে, সুবিধা বুজি মানুহেও কোনো এজন মানুহৰ লগ লাগে আৰু সেই মানুহক উঙৰালিৰ দ্বাৰা সর্ব্বনাশ কৰে। ফল-স্বৰূপে, তাৰ প্রাণ-হানি হয়। এতিয়া কোৱা হৈছে, যে যদি কাৰাবাৰ সেই আশ্রয়দাতা মানুহেৰে সৈতে সম্বন্ধ আছিল, সি মৰাত সেই সম্বন্ধ যে গুচিলেই, লগে-লগে তাৰ আশ্রয়ত থকা স্বার্থান্বেষী মানুহ জনৰ পৰাও সম্বন্ধ গুচিল। এতেকে,—কোনো এজনৰ, সম্বন্ধীয় মানুহৰ মৰণ হলে সেই সম্বন্ধীয় মানুহেৰে সৈতে স্বার্থ সিদ্ধিৰ নিমিত্ত যিলগ লাগিছিল, সেই স্বার্থান্বেষী মানুহৰপৰা প্রথম জনৰ সম্বন্ধ ছিগা, the disconnecting of two persons on account of loss of another who served as the connecting link.

গৰু হৈ খাঁহ খোৱা—ক্রি, গৰু মূর্খ বুলি খ্যাত। এতেকে,—মূর্খ হৈ মূর্খ কার্য্য কৰা, to play the part of a fool.

গৰুড়ৰ পাখা বান্ধি থোৱা—ক্রি, গৰুড়-পক্ষীক পোৱালি অৱস্থাতে পাখা বান্ধি সৰহ দিন থৈ পৰা নাযায়, কিয়নো ডেউকাত বল হলে সি ডোল-ফাঁহটি ছিঙ্গি নিশ্চয় উৰাও মাৰিব। এতেকে,—বলৱন্ত প্রাণীৰ স্বাভাবিক বল নিবাৰণ কৰিব নোৱৰা, to be powerless to arrest the natural development of genius, to be unable to prevent the growth of anything by artificial means.

গলৰ মণি—বিং, মণি গলত ওলোমাই পিন্ধা হয়। এজনে আন এজনক আঁকোৱালি ধৰি গলৰ ওচৰলৈ টানি আনি মৰম কৰে। এতেকে,—অতি আদৰৰ মানুহ, one much beloved, a darling.

গলধন ধৰা—বিণ, যেতিয়া ম'হৰ গলধন ধৰে, তেতিয়া সি যুঁজিবলৈ বিচাৰি ঘুৰে। এতেকে,—যুজাক, (ব্যঙ্গাৰ্থে) a fighter, a bully(used ironically).

গলধনৰ গাগৰি—বিং, (গাগৰি=গেজেৰি, কথাটোৰ টেলাই নকৰা ভাবপ্ৰকাশ।) প্ৰবাদ আছে যে গাগৰিৰ স্থান মানুহৰ গলধন। যাৰ গলধন ডাঙৰ, তাৰ গাগৰি ডাঙৰ অৰ্থাৎ ভেম বেছি। গলধনত ফুহুৱাই দিলে গাগৰি ভাগে তৰ্থাৎ ভেম টুটে। এতেকে,—সহজে ভাঙিব পৰা ভেম, মিছা ভেম, vain boasting, bragging.

গাঁতৰ এদুৰ—বিং, এদুৰ গাঁতৰ ভিতৰত থাকে। সি গাঁতৰ ভিতৰৰ কথা হে জানে, বাজৰ কথা নাজানে। এতেকে,—অজ্ঞ মানুহ, an uninformed person, an ignoramus.

গাঁতলৈ যোৱা—ক্ৰি, মানুহ মৰিলে শৱ গাঁতক পোতা হয়। এতেকে,—মৃত্যুৰ ওচৰ চপা, (গালিৰ ভাত) to approach the grave (used abusively).

গাঁতে আঁটা—ক্ৰি, শৱ পুতিবলৈ গাঁত লাগে। এই স্থলত কোৱা হৈছে, যে মৰিলে পুতিবলৈ গাঁতৰ নাটনি নহয়। এতেকে,—সামান্যভাবে কালযাপন কৰি মৰি যোৱা, হাকাল-বিকাল নকৰাকৈ জীৱন-লীলা সাং কৰা, the passing of life in an unostentatious manner.

গা অহা-ক্ৰি, [গাৰ ভঙ্গি অহা] গাৰ ভঙ্গি বাজনাৰ চেওৱেৰে মিল হোৱা, the harmonising of the movements of a dance with the tune of the music.

গা আলেগা দিয়া—ক্ৰি, গা আলগ কৰি দিয়া অৰ্থাৎ নিজে আঁতৰি থকা, কোনো বস্তু বা কাৰ্য্যৰে সম্বন্ধ নৰখা, to dissociate oneself from anything, to evade responsibility.

গা উঠা—ক্ৰি, [গাৰ তেজ উঠা] উলাহ লাগিলে গাৰ তেজ উঠে অৰ্থাৎ বেগেৰে চলিবলৈ ধৰে। এতেকে—উলাহ লগা, to be animated.

গা এৰা দিয়া—ক্ৰি, সাৰি যোৱা, ('গা ধৰা দিয়াৰ' ওলোটা) to slip off, to escape.

গা এৰি দিয়া—ক্ৰি, [গাক যাবলৈ এৰি দিয়া] সমস্ত সোঁতত উটি যাবলৈ গা এৰি দিয়া, চেষ্টা কৰিবলৈ এৰি দিয়া, to be drifted down

stream, to abstain from exerting oneself in anything.

গা কৰা—ক্রি, [গাৰ নিচিনা কৰা] মানুহৰ গাৰ নিচিনা দেখা পোৱা অৱস্থা কৰা, শৰীৰৰ অৱস্থা আগতকৈ ভাল কৰা, to recoup health.

গা কুটকুটোৱা—ক্রি, একে ঠাইৰ বহি থাকিলে গা কুটকুটায়। এতেকে,—কোনো কার্য্য কৰিবৰ নিমিত্তে উচ্‌পিচ্‌ লগা, to be impatient to do anything.

গা-গধুৰ—বিণ, গা গধুৰ হলে উঠিব-লবিবৰ মন নাযায়। এতেকে,—এলেহুৱা, inert, sluggish, inactive.

গা গুৱাহাটীয়া হোৱা—ক্রি, আসামৰ ৰাজধানী শিৱসাগৰ আছিল। গুৱাহাটী নগৰ শিৱসাগৰৰ ভটীত আছে। এতেকে,—গা ভটী দিয়া, সোঁত-বয়স পাৰ হোৱা, to be on the down-hill of life, to be past middle age.

গা ঘাটি দিয়া—ক্রি, শাৰীৰিক অৱস্থা হীন হোৱা, to be in failing health.

গা ঘেলোৱা—ক্রি, ঘেলোৱা=গা+হেলোৱা। এই 'গা'ৰ অস্তিত্ব পাহৰি পুনৰ ক্রিয়াৰ আগত 'গা' যোজনা কৰা হ'ল। এতেকে,—আয়মেৰে ফুৰা, অৰাবত কাল কটোৱা, to walk with affected dignity, to spend time wantonly.

গা চাই গামোছা—বিং, আগৰ দিনত গামোছাক চুৰিয়াৰ দৰে ব্যৱহাৰ কৰা হৈছিল। দীঘল মানুহৰ নিমিত্তে দীঘল গামোছা, আৰু চুটি-চাপৰ মানুহৰ নিমিত্তে চুটি গামোছা লাগিছিল। এতেকে,—যথাযোগ্য বস্তু, a suitable or appropriate thing.

গা চেকেৰ কৰি যোৱা—ক্রি, চোকা অস্ত্রেৰে কাটিলে গা চেকেৰ কৰি যায়। এতেকে,—পৰৰ দুখত সহানুভূতিৰ ভাব ওপজা, feeling poignantly for the sufferings of another.

গা জৰ্জৰীয়া লগা—ক্রি, (জৰ্জৰীয়া=শুকান।) শৰীৰ পৰিপাটী যেন বোধ হোৱা। তাৰপৰা,—লেঠা-জঞ্জাল গুচি ভাল লগা, to be disencumbered, to be disembarrassed.

গা জিলিকা—ক্রি, তিৰোতাৰ গৰ্ভ পাঁচ-মহীয়া হলে গা জিলিকে অৰ্থাৎ গা দেখি গৰ্ভ হৈছে বুলি নিলগৰপৰা মানুহে জানিব পাৰে। এতেকে,—

তিরোতার গর্ভ বাহিরবপরা বুজির পরাকৈ ডাঙর হোৱা, to be big with child.

গা টঙোৱা—ক্রি, [গা টান হোৱা] 'টঙোৱা' ক্রিয়া প্রকৃতিতে অকর্মক। কিন্তু মূল হেৱাহ পিচত সকর্মক-স্বরূপ ব্যবহৃত হল। মানুহৰ গা ৰোগত পৰি থাকিলে ৰোগসেও হয়। ৰোগ ভাল হলে গা টান হয়। এতেকে,—ৰোগৰপরা মুক্তি পাই কিছু সুস্থ সবল হোৱা। তাৰপরা,—আর্থিক অৱস্থা কিছু উন্নত কৰা, to be convalescent; hence, to be somewhat improved pecuniarily.

গা দঙা—ক্রি, নৰিয়া ভাল হলে গা দাঙি উঠ-বহা কৰা হয়। এতেকে,—ৰোগৰ উপশম হোৱা। তাৰপরা,—আর্থিক অৱস্থা কিছু উন্নত কৰা, to be convalescent; hence, to be somewhat improved pecuniarily.

গা দহদহীয়া লগা—ক্রি, 'দহদহীয়া' 'দহ' শব্দ 'দৃঢ়' শব্দৰপরা ওলাইছে। দহ-দহীয়া = টনটনীয়া। এতেকে,—গা সুস্থ-সবল লগা। তাৰপরা,—আর্থিক অৱস্থা স্বচ্ছল হোৱা, to be healthy and strong; hence, to be improved pecuniarily, to be well off.

গা-ধন—বি, দৰাৰপরা ছোৱালীৰ গাৰ বাবে মূল্য-স্বরূপ লোৱা ধন, money taken from a bridegroom as the price of the bride.

গা-নৰিয়া মানুহ—বি, গর্ভৱতী মানুহে ৰবকৈ উঠি-নবি ফুৰিব নোৱাৰে। নৰিয়া মানুহৰ গা বেনে অক্ষম হয়, গর্ভৱতী মানুহৰো গা তেনে অক্ষম হয়। এতেকে,—গর্ভৱতী তিরোতা, a pregnant woman.

গা পাতি লোৱা—ক্রি, পৰৰ দোষ নিজৰ গাত পাতি লোৱা, পৰৰ দায়িত্ব লোৱা, to take the responsibility on one's own shoulder.

গা পেলাই দিয়া—ক্রি, শকত বস্তু দাঙোতে গা পৰি যায়। এতেকে,—চেষ্টা কৰিবলৈ এৰি দিয়া, নিৰাশ হোৱা, to lie supinely, to be listless, or inattentive, to lose heart.

গা ভগা—ক্রি, তিরোতাৰ প্রসৱৰ পূর্ব্বৰ স্রাৱ হোৱা; ক্ষীণ হোৱা, to be discharged of female matter before delivery; to be thin and weak.

গা-ভাৰী—বিণ, গাত অর্থাৎ গর্ভত ভাৰ লোৱা, গর্ভৱতী, pregnant.

গা ভাল হোৱা—ক্রি, তিৰোতাৰ প্রসব হোৱা, to be delivered of a child.

গা-মুৰ ধোৱা—ক্রি, তিৰোতাই ঋতুৰ পাচত গা আৰু মুৰ ধোৱে। সেইৰূপে শুচি হোৱাৰ পাচত পতি-সঙ্গম হয়। এতেকে,—to conceive child in the womb.

গা যোৱা—ক্রি, [গাৰ তেজ যোৱা] তিৰোতাৰ বক্ত-স্রাব হোৱা, to be affected with hæmorrhage (said of a woman).

গা বঞ্জিত বঞ্জিত কৰ—ক্রি, 'বঞ্জিত' শব্দৰ সংস্কৃত 'বঞ্চ্' ধাতুৰ সম্পৰ্ক নাই সি 'বণং জিতম্' এই বাক্যৰপৰা উৎপন্ন হৈছে। বণ জিকিলে শৰীৰৰ যেনে ভাব হয় তেনে ভাব হয় বুলি বোধ হৈছে। এতেকে —আনন্দত গা নাচি উঠা, to be exhilarated, to feel buoyant.

গা বাইজাই কৰা—ক্রি, (বাইজাই=বয় যাওঁ।) গা এৰেলি বয় আৰু এৰেলি যায় অর্থাৎ লৰি থাকে। এতেকে,—গা অথিৰ গা। [প্রবাদকৈ ভোকত গ বাইজাই কৰে বোল হয়], to stagger, to reel.

গা বোৱা—ক্রি, [গাৰ তেজ বোৱা] তিৰোতাৰ বক্ত-স্রাব বন্ধ হোৱা, সুস্থীয়া হোৱা, নিজগৰী হোৱা, (সচৰাচৰ বিদ্রুপার্থত ওলোটা ভাব বুজায়, যেনে, আমাৰ ফালে গা ব'ল=আমাৰ সুস্থভাব আঁতৰিল, আমি জঞ্জালত পৰিলোঁ), the stopping of hæmorrhage of a woman ; to be well off. (Often used ironically, when it means, 'to be ill off').

গা লৰা—ক্রি, গর্ভ লৰা, প্রসব-কাল উপস্থিত হোৱা, the turning of a child in the womb previous to delivery.

গা লৰা—ক্রি, কোনো কার্য্য কৰিবলৈ হলে গাটো লৰাই আগ বাঢ়ি যাব লাগে। এতেকে,—কোনো কার্য্য কৰিবলৈ উদ্যোগ হোৱা, preparing to do any work.

গা সাতখন আঁঠখন কৰা—ক্রি, নাচনীয়ে নাচোঁতে গা বৰকৈ ভাগে। এই স্থলত গা ইমান ভাগে বোলা হৈছে যে সি সাতখন আঁঠখন হৈ যায়। এতেকে,—আনন্দত বৰকৈ নচা অর্থাৎ উত্রাবল হোৱা, to be extremely jubilant.

গা সুৰি বোৱা—বিং, [গা স্রবি যোৱা] তিৰোতাৰ বক্ত-স্রাব, hæmorrhage

(applied to a woman).

গা হৈ কোৱা—ক্রি. নিজে দায়িত্ব গ্রহণ কৰি কোৱা ; ডাঠি কোৱা, to speak confidently.

গাত গাই লগা, মাত-বোল নোহোৱা—ক্রি. দুজন মানুহে গাই গাই লাগি থাকে, তথাপি সিহঁতৰ ভিতৰত মাত-বোল নাই বোলা হৈছে। এতেকে,—চিৰেই ওচৰ-চুবুৰী। মানুহেৰে মিলা-প্রীতি নথকা, the living of too close neighbours on terms of hostility.

গাই গোটে পেটে ভঁৰাল হোৱা—ক্রি, [গাত গুণীয়কৈ পেটে ভঁৰাল হোৱা] গাই গৰু এগোট হৈ পেটে পেটে ভঁৰাল হোৱা অর্থাৎ প্রত্যেকেই বেলেগ হৈ সুকিয়াকৈ খোৱা, to live every one for himself.

গাটোৰ লগতে হাঁটে যোৱা—ক্রি, গাটো যেনি যায়, গাটোৰ ছাঁটোও তেনি লগে লগে যায়। এতেকে, অভেদ-স্বৰূপে থকা, to associate with a person like his shadow, to live in inseparable association.

গাত গামোছা লোৱা—ক্রি, ছোৱালী বিলাকে পাট-গাভৰু হলে তদা মেখেলাৰে নাথাকি গাত এখন গামোছা লৈ থাকে। এতেকে,—পাট-গাভৰু হোৱা, to arrive at the stage preceding puberty, generally between 10 and 14 years (said of a girl).

গাত চিকুটিলে গম পোৱা—ক্রি, পৰক চিকুটিলে সি কিমান দুখ পায়, সেই কথা নিজৰ গাত চিকুটি চালেহে গম পোৱা যায়। এতেকে,—পৰৰ দুখ নিজৰ দুখেৰে বিজাই অনুমান কৰা, to realize the feelings of another person by comparing them with like feelings in one's own mind.

গাত জুই জ্বলা—ক্রি, জুই লাগিলে গা যেনেকৈ পুড়ি দেই যায়, সেইৰূপে পুড়ি-দেই যায় বোলা হৈছে। এতেকে,—অতিৰিক্ত বেজাৰ-কষ্ট পোৱা, to be deeply afflicted with sorrow.

গাত জৰে-বিষে উঠা—ক্রি, বেজাৰত তত হোৱা, to suffer anguish.

গাত পাখি গজা—ক্রি, চৰাইৰ গাত পাখী গজিলে সি উৰণীয়া হয়। এতেকে,—ডাঙৰ-দীঘল হোৱা, নিজে নিজৰ তত্ত্বাবধান লব পৰা হোৱা, to grow sufficiently to be able to take care of oneself.

গাত বিহ লগা – ক্রি. বিহ লাগিলে যেনেকৈ গা ছিগি-ভাগি যায়, সেইরূপে ছিগি-ভাগি যায় বোলা হৈছে। এতেকে,—বেজাৰত ছাটি-ফুটি লগা, to be highly excited with feelings of grief.

গাত বিহ-কাঁড় লগা—ক্রি. বিষাল কাঁড় গাৰ ভিতৰলৈ সোমালে যেনে লাগে তেনে লাগে বোলা হৈছে। এতেকে,—বেজাৰত ছাটি-ফুটি কৰ, to be morbidly affected with grief.

গাত বিহু লগা—ক্রি, বিহুত গা ভাঙ্গি নাচি বং-ধেমালি কৰা হয়। এতেকে,—ৰবকৈ আনন্দ-ভাৰ ওপজা, to be overjoyed.

গাত লেঠা হোৱা—ক্রি, গৰ্ভৱতী হোৱা, to become pregnant.

গাত শিপা গজা—ক্রি, গছত শিপা গজিলে তাক লৰাৰ পৰা নাযায়। এতেকে,—এলাহত লৰিব-চৰিব নোৱৰা, to be too lazy to move.

গাত হাত ফুৰোৱা—ক্রি, গক মৰু আদি জন্তুক জাতি কৰিবৰ নিমিত্তে গাত হাত ফুৰাই চুক ভলা হয়। এতেকে,—চুকচুকোৱা, to cajole, to blandish, to flatter.

গাৰ উমান—বিং, নিজৰ (মনৰ) অনুমান, mental vision, surmise.

গাৰ কেৱেপ নোহোৱা—ক্রি, শোওঁতে গা কাতি-কুতা কৰিলে চাঙৰ 'কেৱেপ' শব্দ হয়। এতেকে,—কাতি-কুতা নোহোৱা, অকাতৰে সহি থকা, to endure without flinching.

গাৰ গতি বিষম হোৱা—ক্রি. (বিষম=সাংঘাতিক অৱস্থা।) শৰীৰ সাংঘাতিক অৱস্থাৰ পোনে ঢাল লোৱা অর্থাৎ মৃত্যু-কাল ওচৰ চপা, the approaching of the end of life.

গাৰ গোন্ধত সাতখন বিলৰ মাছ মৰা—ক্রি, দুর্গন্ধ পানীত মাছ মৰি যায়। এই স্থলত, গাৰ গোন্ধ এনে বেয়া বুলি কোৱা হৈছে যে তাৰ গোন্ধত সাতখন বিলৰ মাছ মৰে। এতেকে,—শৰীৰ অতি দুর্গন্ধময় হোৱা, to emit an offensive smell from the body.

গাৰ গোঁসাই নাইকিয়া হোৱা—ক্রি, প্রতি মানুহৰ গাত একো জন গোঁসাই অর্থাৎ শৰীৰ-ৰক্ষক দেৱতা থাকে বুলি কয়। ডাঙৰ বিপদ হবৰ কালত শৰীৰ-ৰক্ষাৰ উপায় নাথাকিলে, গাৰ গোঁসাই আগেয়ে জাঁতৰে। এতেকে,—বিপদৰপৰা সাৰিবৰ উপায় নাইকিয়া হোৱা, বিপদত অধিৰ হোৱা, to be at one's wit's end.

গাৱ নোম মেদেখা পৱ—বিং, সাঁজ লাগিলে গাৱ নোম চকুৱে নেদেখা হয়। এতেকে,—সাঁজলগা বেলি, dusk.

গাৱ নোম শত্রু হোৱা—ক্রি [গাৱ নোম হৈ শত্রু হোৱা] অতি আপোন মানুহেই শত্রু হোৱা, to behave like an enemy though bound by ties of nearest friendship or relationship.

গাৱ ফালে পৱ-পালি দিয়া—বিণ, ৰোগ টান হলে মানুহে ৰাতি ৰোগীৰ ওচৰত বহি পৱ-পালি দিব লাগে। তেনে অৱস্থাত ৰোগীৰ গা নিচেইকৈ ক্ষীণাই-শুকাই যায়। এতেকে—নিচেইকৈ ক্ষীণ, অতি দুৰ্ব্বল, weak and emaciated.

গাৱী ধৱা—ক্রি, [গাৱ শ্রী ধৱা] সবল হোৱা, to grow fat.

গাই বাহ খোলাকটিৰ তাল পোৱা—ক্রি. নাম গালে, তাল বালে, কিন্তু শেষত জানিব পাৰিলে যে সেই তাল কাঁহৰ তাল নহয় খোলাকটিৰ হে তাল, অর্থাৎ হমান পৰিশ্রমৰ ফলত কেৱল এজোৰ খোলাকটিৰ তাল পালে, এই বাক্যৰ দ্বাৰা এই ভাব বুজোৱা হৈছে। এতেকে,—বহু পৰিশ্রম কৰি নগণ্য লাভ পোৱা, to have a nominal gain though strenuous efforts were made.

গাই ৰাই চোৱা—ক্রি, যেতিয়ালৈকে উপযুক্ত মাননী দিয়া নহয়, তেতিয়ালৈকে গায়ন-বায়নৰ জোৰাহ ঘুৰি ঘুৰি নতুন নতুন চেও মাৰি থাকে। এতেকে,—কোনো কাৰ্য্য কৰিবৰ নিমিত্তে বহু যত্ন কৰা, to try hard.

গাইমুৱা মানুহ—বিং, গাই মাইকী। যি মানুহৰ মুখত দাড়ি গোফ নগজে, তেনে মানুহক মাইকীৰ নিচিনা দেখা যায়। এতেকে,—মাইকী-মুৱা মানুহ, a man of feminine appearance.

গাখীৱতকৈ বগা হলে কুঠিয়া হোৱা—ক্রি, (কুঠিয়া=কুষ্ঠ-কণীয়া) গাখীৰৰ ধৱণ বগা কিন্তু কুষ্ঠ ৰোগৰ ধৱণ তাতোকৈ বগা। এতেকে,—অতিৰিক্ত মঙ্গল অমঙ্গলত পৰিণত হোৱা, the degenerating of a virtue to the category of vice by being pushed to extremes.

গাখীৱতে মহৰ খুটি—বিং. কোনো ঠাইত গাখীৰ সাধাৰণতে পোৱা যায়, তাতে মহৰ খুটি পতা হয় বোলা হৈছে। এতেকে,—সুখৰ উপৰি সুখ,

super-added pleasure.

গাখীবৰ নামেৰে পানী খোৱা—ক্রি, গুৱালে গাখীৰ পানী মিহলাই বেচে। কোনো সময়ত সি ইমানকৈ বেচি পানী মিহলায়, যে সেই গাখীৰ পানীৰ তুল্য হয়। এই স্থলত কোৱা বৈছে, যে গাখীৰ পানীৰ তুল্য হলেও, তাক হেঁপাহ কৰি খোৱা যায়। এতেকে,—নাম-মাত্ৰ ভালৰ সংশ্রৱ থকা বস্তুকো পাবলৈ আকাঙ্ক্ষা কৰা, to relish a thing which has the slightest tinge of good mixed with it; to desire a thing which, though not good in itself, passes as such by being associated with something good.

গাখীৰে গুড়ে সনা—ক্রি, গাখীৰে গুড়ে সানিলে ভালকৈ মিলি যায়। এতেকে,—ভালকৈ মিলি যোৱা, to agree thoroughly.

গাজত লগা—বিণ, [গাজ = কুমলীয়া পুলি।] হৃদয়ৰ মৰ্ম্মস্থান কোমল বাবে তাক গাজ বোলা হৈছে। এতেকে,—মৰ্ম্ম-ভেদী, cutting to the quick, pungent, severe.

গাজনি গোমৰণি—বিং, মেঘে বহু পৰ গাজি-গুমৰি থাকিলে বৰষুণ নহয়। মানুহেও বৰকৈ ডবিয়াই-হুঁকিয়াই থাকিলে মাৰ-কীল হবলৈ নাপায়। এতেকে,—মাৰ-কীল নোহোৱা ডাবি হুঁকি, robuke uttered in a thundering voice but not followed by beating.

গান্ধী মাৰি হাত গোন্ধোৱা—ক্রি, গান্ধী তুচ্ছ প্রাণী। তাৰ গাটো বৰকৈ গোন্ধায়। তেনেকুৱা তুচ্ছ প্রাণীক মাৰিলে পুকষালি নাই, বৰং হাত গোন্ধায়। এতেকে,—তুচ্ছ মানুহক নষ্ট কৰি অপমান আৰ্জ্জন কৰা, to soil one's reputation by injuring an insignificant person.

গাভিনী শিয়াল—বিং, শিয়ালৰ পেট গেৰেলা। শিয়ালীৰ পেট তাতোকৈ গেৰেলা। গাভিনী শিয়ালীৰ পেট অতিপাত গেৰেলা, আৰু সিহতে বৰকৈ লৰি-চৰি ফুৰিব নোৱাৰে। এতেকে,— বৰকৈ লৰিব-চৰিবৰ মন নোযোৱা ভেৰেহা এলেহুৱা মানুহ, a person of unwieldy bulk, a lazy person.

গাভী মানুহ—বিং, [গা-ভাৰী মানুহ] গাত ধন-বস্তুৰ টোপোলা থাকিলে গাঁৰ ভাৰ বেচি হয়। এতেকে,—সম্পত্তিশালী মানুহ, a rich man.

গায়নব ঘবব কুকুবে বাগ দিয়া—ক্রি, গায়নব গীত সদায় শুনি থাকি তেওঁব ঘবব সকলোবে অলপ-অচবপ গীত জনা হয়। এই ছলত কোৱা হৈছে যে আন কি কুকুবেও বাগ দিব জানে অর্থাৎ ঝগ টানি গীত গাব জানে। এতেকে,—যি মানুহে কোনো বিদ্যা জানে তেওঁব ঘবব সকলোবে সেই বিদ্যাব বিষয়ে অলপ-অচবপ জনা, the knowing of something of the master's craft by each one connected with him in however a humble way.

গায়নব ঘেটা—বিং, গায়নে ঘেটা মাৰোঁতে ঘৰক কোঢ়াল হয়। এতেকে,—ডাঙৰ কোঢ়াল, a loud noise.

গায়নব জেঙ্গা মৰা—ক্রি. গায়নব জোৰাক নানা প্রকাৰেৰে মাননী দিব লাগে। তেওঁলোকব জেঙ্গ, হমান সবহ, যে সহজে তাক মৰা টান। এতেকে,—কোনো জটিলীয়া বিষয়ৰ জঞ্জাল ভঙ্গা, লেঠা মৰা, to settle a knotty affair.

গাল মৰা—ক্রি. মুখৰ ভিতৰলৈ কোনো বস্তু এনেৰূপে মাৰি পঠোৱা হয়, যে গটাটো ডাঙৰ হৈ দুখন গাল ওফন্দি পৰে। আন মানুহে কেনেবাকৈ খাদ্য বস্তু নিজে এইৰূপে বেগতে খাব পেলায়। এতেকে,- আত্মসাৎ কৰা, to appropriate to one's own use.

গালি পাৰিলে আলিয়ে যোৱা—ক্রি, গালি গাই দি নপৰাকৈ আলিয়ে অর্থাৎ আন পোনে যায় বোলা হৈছে। কাঁড় মাৰিলে গাত আঘাত লাগে; কিন্তু গালি পাৰিলে তেনেৰূপে আঘাত নালাগে। এতেকে,—গালি দিয়ে মানুহৰ প্রকৃত অপকাৰ কৰিব নোৱাৰা, the failing of abusive language to do actual harm to any one.

গালিৰ বাহ—বিং, হমানকৈ গালি পাৰে বোলা হৈছে, যে গালিবিলাক গাত লাগি লাগি গাটো ওফন্দি এটা গালিৰ বাহ হৈছে। কোদো, বৰল আদি শুৱা থকা প্রাণীৰে গালিক তুলনা কৰা হৈছে। সেইবিলাক গাত লাগিলে মানুহৰ যেনে কষ্ট হয়, গালি গাত লাগিলেও তেনে কষ্ট হয়। এতেকে,—যাক সদাই গালি পৰা যায় তেনে মানুহ, a person who is an object of continual vituperation.

গালৈ সামৰা—ক্রি, নিজৰ গালৈ অর্থাৎ নিজলৈ সামৰা, আত্মসাৎ কৰা, to appropriate to one's own use.

গাহৰি-গঁড়াল—বিং, গাহৰিৰ গঁড়াল অতি লেজেৰা। এতেকে,—জঘন্য বাসস্থান, a nasty dwelling-place.

গুড় চেলেকোৱা—ক্রি, কেঁচুৱা লৰাক নেয়ে গুড় চেলেকায়, সি তাৰে লগতে যায়। এতেকে,—ফুচুলোৱা, to entice, allure, tempt.

গুণ টনা—ক্রি, বৰ নাও কোনো নৈত উজাই নিওঁতে গুণ টানি নিয়ে। এতেকে,—প্রাণ-কাতৰে বল দিয়া, to exert to the utmost.

গুণ নাপালে ধৰম পোৱা—ক্রি, ভাল-কামত যশস্যা নাপালেও পৰ-কামত নিশ্চয় ধর্ম্ম-ফল পোৱা, to be blessed if not praised.

গুণৱতী বাধা—বিং, বাধা এনে গুণৱতী আছিল যে স্বয়ং ঈশ্বৰে প্রেমত আবদ্ধ হৈছিল। এতেকে,—গুণৱতী মহিলা, an accomplished woman.

গুৰি কঠাল পৰা দিয়া—ক্রি, কঠাল-গছৰ গুৰিৰ ফালে ডাঙৰ কঠাল লাগে। তেনেহুৱা ডাঙৰ কঠাল পৰিলে বৰকৈ শব্দ হয়। এতেকে,—ডাঙৰ শব্দেৰে পৰা, to fall with a loud noise.

গুৰি-শকত—বিণ, গুৰি তলত থাকি গছ ডাল ধৰি থাকে। যদি গুৰি শকত হয়, তেনেহলে গছ বতাহত উঘলি নপৰে। মানুহৰো সেইৰূপে তলত ধৰিবলৈ যদি বৰলোক থাকে, তেনেহলে তাক সহজে কোনোৱে অপকাৰ কৰিব নোৱাৰে। এতেকে,—বৰলোকৰপৰা সাহায্য পোৱা, having a powerful backing.

গুৰি-পকৰাৰ অলপ পানীয়েই বাণ হোৱা—ক্রি, বাণ-পানী আজিলে মানুহ গৰু আদি উটুৱাই নিয়ে। গুৰি-পকৰা অতি ক্ষুদ্র। অলপ পানীত সি ঠাৱৰিব নোৱাৰি উটি যায়। এহেন্তে কোৱা হৈছে যে সেয়ে তাৰ পক্ষে বাণৰ তুল্য হয়। এতেকে,—দুৰ্ব্বল মানুহৰ পক্ষে সামান্য অসুবিধাই দুর্ধৰ্ষৰ বিপদৰ তুল্য হোৱা, the regarding of a slight inconvenience as great danger by a person who is weak and helpless.

গুৰিত গোবৰ দিয়া—ক্রি, গছৰ গুৰিত গোবৰ দিলে গছ বাঢ়ে। এতেকে,—কোনো কার্য্য সফল কৰিবৰ নিমিত্তে যথোচিত উপায় কৰা, to promote the growth of anything.

গুৰুলা গুৰুল কীল—বিং, [গেৰেলা গেৰেল কীল] শকত ডাঙৰ কীল, heavy

blows.

গুৰু-ভকতৰ জাঁৱ হোৱা—ক্রি, কোনো মানুহ মৰিলে সি গুৰু আৰু গুৰুভৰ জাঁৱ হয় অর্থাৎ তেওঁবিলাকে তাক সংসাৰত আৰু দেখিবলৈ নাপায়। এতেকে,—মৃত্যুপ্রাপ্ত হোৱা, to die.

গুলিটোৰ দৰে যোৱা—ক্রি, হিলৈৰ গুলি অতি বেগেৰে যায়। এতেকে,—অতি বেগেৰে যোৱা, to travel with utmost rapidity.

গুৱাল-গালি পৰা—ক্রি, গুৱালবিলাকে মহ গৰু চৰাওঁতে চিঞৰি চিঞৰি বিহু-নাম গোৱাৰ ছলেৰে, কাৰো নাম নধৰাকৈ, উখাই-মুখাই গালি পাৰে। এতেকে,—কোনো মানুহক নাম নধৰাকৈ গালি পৰা, to direct an abuse against people in a general way without referring to any particular individual by name.

গৃহস্থৰ চৰণ—বিং, [গৃহস্থ দেৱতাৰ চৰণ] গৃহত থকা দেৱতা অর্থাৎ ইষ্ট দেৱতা। ('চৰণ' শব্দৰ পৃথক অর্থ নাই, ভক্তি বুজাবৰ নিমিত্তে ই ব্যৱহৃত হয়), the household deity.

গেঙেৰি দিয়া—ক্রি, কুকুৰ বাঘ আদি জন্তুৰে গেঙেৰি দি ভয় দেখুৱায়। এতেকে,—ভয় দেখুওৱা, to show one's teeth, to threaten.

গেন্ধেলা হাতেৰে কৰা—ক্রি, (গেন্ধেলা=দুর্গন্ধ।) হাত দুর্গন্ধ হলে সেই হাতেৰে কৰা কার্য্যও দুর্গন্ধ হয়, এনে ভাব বুজোৱা হৈছে। এতেকে,—লেতেৰাকৈ কৰা, to act clumsily.

গেৰ নসৰা লৰা—বিং, চৰাই-পোৱালিবিলাকৰ গেৰ জগাৰ কিছু দিন পাচত সৰে। এতেকে,—কম বয়সৰ লৰা। (ব্যঙ্গার্থ) a mere infant.

গেৱেলা হালত বোৱা—ক্রি, গৰুৰ দ্বাৰা হে হাল বোৱা হয়। এই স্থলত, গেৱেলাৰে হাল বায় বোলা হৈছে। এতেকে—দুখীয়া মানুহে দুখীয়া-ভাৱে কার্য্য কৰিবলৈ লাজ পাই চহকী মানুহৰ অনুকৰণ কৰিবলৈ গৈ হাস্যাস্পদ কার্য্য কৰা, to ape a great man.

গেলা গপ—বিং, শৰ গেলিলে উখহি ডাঙৰ হয়। গপ নাথাকে অর্থাৎ মৰে। এই স্থলত কোৱা হৈছে যে, সি মৰি গেলি যায়। এতেকে,—নিষ্ফল ডাঙৰ অহঙ্কাৰ, vain boasting.

গেলা ডাৱৰীয়া—বিং, ডাৱৰীয়া বতৰত বৰযুণ পৰি ঠাই-ভূঁই গেল-গেলীয়া হয়। এতেকে,—ওলাব সোমাব নোৱৰা বা কাম-বন কৰিব নোৱৰা ডাৱৰীয়া

বতৰ, a foul weather.

গেলাত টেঙা দিয়া—ক্রি. [গেলা মাছত টেঙা দিয়া] গেলা মাছৰ আঞ্জা কৰিবলৈ হলে তাত টেঙা নিদি জালুক দিয়ে। গেলা মাছৰ আঞ্জাত টেঙা দিলে, মাছ উৰলি সমুলি অনুপযুক্ত হয়। এতেকে,—কোনো অপকাৰ কৰি সেই অপকাৰকে গুৰুতৰ কৰা, to aggravate an injury.

গোট গৰু—বিং, [গোটেই গৰু] তেনেই গৰু, অর্থাৎ জধ মুর্খ, সমুলি জ্ঞান নাইকিয়া মানুহ, a dunce.

গোট ভাত গিলা—ক্রি, ['উপজি গোট ভাত গিলা' চোৱাঁ।]

গোটে গোটে মানুহ গিলা—বিণ, ডোখৰ ডোখৰ নকৰাকৈ গোট মানুহক গিলি পেলায় বোলা হৈছে। এতেকে,—ৰাওমুৰা, monstrous.

গোত্রৰ গালি—বিং, [স্বগোত্রৰ গালি] স্বগোত্রৰ মানুহে গালি পাৰিলে তাক সহিবলৈ টান। এতেকে, আত্মীয়-স্বজনৰ অসহনীয় দুর্ব্বাক্য, reproaches by one's own kith and kin which are unbearable.

গোনা মটা ওলোৱা—ক্রি, গোনা মটা মহ বৰ বলী। এতেকে,—বৰ বলী স্বৰূপে ওলোৱা অর্থাৎ অতি পৰাক্রমী বুজোৱা, to display prowess.

গোন্ধোৱা কথা—বিং, বস্তুৰ বেয়া গোন্ধ মানুহে সহিব নোৱাৰে। এই স্থলত, বেয়া কথাক বেয়া গোন্ধেৰে তুলনা কৰা হৈছে। এতেকে,—অশ্রাব্য কথা, অসহনীয় অন্যায় কথা, a nasty thing, a highly wrongful or improper act, a nuisance.

গোম সাপৰ কণী অনা—ক্রি, গোম সাপ বিষাল আৰু তাৰ খং বেচি। তাৰ কণী আনিলে সি উগ্রমূর্ত্তি ধৰি খেদা দিয়ে। এতেকে,—শক্তিমন্ত খঙ্গাল মানুহৰ দ্রোহ আচৰা, to annoy a person who is too powerful.

গোৰ মাৰি গঙ্গাত পেলোৱা—ক্রি, হিন্দুমতে গঙ্গাত স্নান কৰিলে বহুপুণ্য হয়। গোৰ মাৰি পঠিয়ালে যদি মানুহ জন গৈ গঙ্গাত পৰে গৈ, তেনেহলে তেওঁ সেই কার্য্যৰ দ্বাৰা গঙ্গা-স্নানৰ ফল পায়। এতেকে,—অপকাৰ কৰোঁতে অনিচ্ছাবশতঃ উপকাৰ কৰা, to benefit a person accidentally while intending to do him harm.

গোৱে পোৱে তল যোৱা কথা—বিং, যদি কোনো মানুহৰ গৰুৱে সৈতে ভাব পুতেকৰ আস্বাভাবিক মদম হয়, তেনেহলে হিন্দুমতে সেই গৰু আৰু লৰা দুইও অশুচি হয়। এতেকে,—গুৰুতৰ জগৰীয়া কথা, a heinous crime.

গোসাঁনী লগা—বিং, (গোসাঁনী=কালী গোসাঁনী।) কালী গোসাঁনীৰ দ্বাৰা সমাক্রান্ত হোৱা, inspired.

গোহাঁই গাভৰু মানুহ—বিং, আহোম ৰজাৰ দিনত আহোমৰ ডাঙৰ বিষয়াসকলক গোহাঁই আৰু তেওঁবিলাকৰ যৌনীসকলক গাভৰু বোলা হৈছিল। এতেকে,—ওপৰ তৰপৰ সম্ভ্রান্ত মানুহ, the aristocracy.

গোহালিৰ গৰুৱে বাৰীৰ ঘাঁহে বাহি নহা—ক্রি, নিজৰ গোহালিৰ গৰু আৰু নিজৰ বাৰীৰ ঘাঁহ এই দুইটাৰ বাহি নিমিলে অর্থাৎ নিজৰ গৰুৱে নিজৰ বাৰীত ঘাঁহ নাখাই পৰৰ বাৰীত ঘাঁহ খায়। এতেকে,—নিজৰ উপযুক্ত মানুহক ভাল নাপাই একে গুণসম্বলিত পৰৰ মানুহক ভাল পোৱা, the taking of fancy to a person of another family in disregard of a person of own family though the latter possesses the requisite qualifications not inferior to those of the former.

গ্রাহ গজেন্দ্রৰ যুদ্ধ—বিং, পূর্ব্বকালত গ্রাহ আৰু গজেন্দ্রৰ ভিতৰত এনে ঘোৰতৰ যুদ্ধ হৈছিল যে গজেন্দ্রৰ নিৰুপায় হৈ বিষ্ণুক স্তুতি কৰিলে। বিষ্ণু আহি সুদর্শন চক্রৰ দ্বাৰা গ্রাহৰ মুখ চিৰি দিলত গজেন্দ্রৰ উদ্ধাৰ হল। এতেকে,— ভীষণ যুদ্ধ, a severe struggle, a terrible battle.

ঘ।

ঘটা লৱোৱা—ক্রি [ঘণ্টা লৱোৱা] (ঘণ্টা=টিলিঙ্গা।) টিলিঙ্গা বজাওঁতে ৱৰকৈ লৰি থাকে। এতেকে,—কোনো মানুহক খঙেৰে ধৰি জোকাৰ-পো�ৱাৰ কৰা, to handle a person roughly.

ঘঁৱিয়াল-পৰা দিয়া—ক্রি, ঘঁৱিয়াল পানী-জুৰুলিত দীঘল হৈ পৰি থাকে। এতেকে,—দীঘল হৈ পৰি থকা, to lie down at full length.

ঘিউঁ-চকত হাত দি অহ—ক্রি, কন্যাকালৰ সময়ত ছোৱালীয়ে ঘিউঁ-চকত হাত দিবৰ নিয়ম আছে। তেনে কৰিলে সৌভাগ্যৱতী হয় বুলি কয়। এতেকে,—ভাগ্যৱতী হোৱা, to come with a good luck (applied to a woman).

ঘোঁৱা নৌ ঘটোঁতে চাবুক ঘটা—ক্রি, চাবুকৰ দ্বাৰা ঘোঁৱা চলোৱা হয়। ঘটিবলৈ টান, কিন্তু চাবুক ঘটিবলৈ একো টান নহয়। এই স্থলত কোঁৱা হৈছে, যে ঘোঁৱা ঘটিম বুলি আশা কৰি, নৌ ঘটোঁতেই আগেয়ে চাবুক ডাল আনি থোৱা হয়। এতেকে,—কোনো কাৰ্য্যৰ প্ৰধান অংশ আগেয়ে নকৰি সামান্য সৰু সৰু অংশ কৰা, to do an ancillary part before the principal part of an action.

ঘোঁৱা-বাগৰ দিয়া—ক্রি, ঘোঁৱাই অনবৰত লৰা-ধপৰা কৰি ফুৰে, তাৰ শীঘ্ৰে ভাগৰ নালাগে। যেতিয়া তাৰ ভাগৰ লাগে, তেতিয়া সি মাটিত পৰি এটা বাগৰ দিয়েই, আকৌ উঠি লৰ মাৰে। কোনো কোনো কামিলা মানুহেও সেই-ৰূপে কাৰ্য্য কৰি ফুৰে আৰু ভাগৰ লাগিলে চাৰিপাটীত খন্তেক পৰি থাকি আকৌ উঠি পুৰণৰ দৰে কাৰ্য্য কৰে। এতেকে,—নিচেই অলপ পৰ চাৰিপাটীত পৰি জিৰণি লোৱা, to rest for a very short time only by lying down on the bed.

ঘোঁৱা-শিঙৰ কৰিয়া পিছোৱা—ক্রি, ঘোঁৱাৰ শিং নাই। ঘোঁৱা-শিঙৰ কৰিয়া হৰ নোৱাৰে। এতেকে,—পাৱলৈ নাইকিয়া পদাৰ্থৰ দ্বাৰা গঠিত অৰ্থাৎ অতুলনীয় অলঙ্কাৰ দান কৰা, (ব্যঙ্গাৰ্থ) to make a gift of a rare jewel (used ironically).

ঘোঁৱাৰ চুটি—বিং, ঘোঁৱাই বেগেৰে চুটি মেলিব পাৰে। এতেকে,—অতি-পাত লৰ। তাৰপৰা,—অতিপাত কাৰ্য্যতৎপৰতা, too much

running ; hence, great activities.

ঘনচিৰিকাই বাজহাঁহৰ বুলন ধৰা—ক্রি, (সাধু-কথা) ঘনচিৰিকাই বাজহাঁহৰ বুলন শিকিবলৈ গৈ বাজহাঁহৰ বুলনো শিকিব নোৱাৰিলে, নিজৰ বুলনো পাহৰিলে। তেতিয়াৰপৰা এনে উপায় নাপাই সি ডেও দি খোজ কাঢ়িবলৈ ধৰিলে। এতেকে,—ইতৰ মানুহে ৰৰ-লোকৰ কার্য্য অনুকৰণ কৰা, the aping of a great man by an insignificant fellow.

ঘনাই খুঁটিলে শিঙৰাও মাছ হোৱা—ক্রি, শিঙৰা মাছত সাৰ-পদার্থ কম থাকে। যদি ৰহীত শিঙৰা মাছে ঘনাই খোঁটে অর্থাৎ যদি ৰহীৰে শিঙৰা মাছ বাৰে-পাতে ধৰা হয়, তেনেহলে আটাইবিলাক মাছ গোটাই সাৰ-পদার্থ অধিক পোৱা যায়। এতেকে,—আকৰীয়া লাভ ঘনাই পালে সিও কার্য্যকৰ হোৱা, the turning of small gains to be profitable in the long run if they are obtained unceasingly.

ঘৰ গছকা—ক্রি, বিয়াৰ পিচত কন্যাই দৱাৰ,ঘৰলৈ আহি ঘৰ গছকি তেতিয়াই বাপেক মাকৰ ঘৰলৈ উভতি যায়। এতেকে,—ঘৰ-দখল লোৱাৰ নিয়ম কৰা, to take formal possession of a house,

ঘৰ গুচাই বাঁহতল কৰা—ক্রি, বাঁহতল জেগেলা ঠাই। (গুচোৱা=নষ্ট কৰা।) এতেকে,—ঘৰকৰা অৱস্থা সমূলি হীন কৰা, to bring household affairs to rack and ruin.

ঘৰ জিনা—ক্রি, ঘৰত থিতাপি হৈ নিজৰ স্বামিত্ব বুজোৱা, to overlord a household.

ঘৰ ধৰা—ক্রি, (ঘৰ=গৃহস্থালি।) গৃহস্থালি চলোৱা to manage household affairs.

ঘৰ পতা—ক্রি (ঘৰ=গৃহস্থালি।) বিয়া কৰোৱা to marry.

ঘৰ পতা ককা—বিং, গৃহস্থালি পতা ককা অর্থাৎ বুঢ়া মানুহ। যো-যা কৰি দিবা কন্যাৰ বিয়া পতা মানুহ, a match-maker.

ঘৰ-বুঢ়া—বিং, প্রত্যেক গৃহস্থৰ পৰিয়ালত এজন বুঢ়া মানুহ থাকে, যি ঘৰতে থাকি বাৰী-ঘৰ ঠিক কৰি ৰাখে। এতেকে,—ঘৰ-বাৰী ঠিক কৰি ৰখা বুঢ়া মানুহ, an old man who superintends the domestic

economy of a family.

ঘৰ-বেৰা দিয়া—ক্রি. শত্রুয়ে ঘৰৰ চাৰিওফালে বেৰি ধৰা, ঘৰ আক্রমণ কৰা, to attack a house from all sides.

ঘৰ ভঙ্গা—ক্রি, (ঘৰ=গৃহস্থালি।) গৃহস্থালি নষ্ট কৰা, to ruin a household.

ঘৰ লোৱা—ক্রি, [ঘৰত থাকিবলৈ লোৱা।] নতুন ঘৰত প্রথম বসতি কৰা, to make a formal entry into a house.

ঘৰ লোৱা— ক্রি, [ঘৰ মানি লোৱা] নিজৰ ঘৰ বুলি মানি লোৱা, নিজ ঘৰ বুলি তদনুযায়ী কার্য্য কৰা, to regard a house as one's one house.

ঘৰ শুদা হোৱা, বাজ শুদা মোহোৱা—ক্রি, (শুদা=ধন-বস্তুহীন।) প্রকৃততে দুখীয়া হলেও বাজত দুখীয়া ভাব নেদেখুওৱা, not to appear as poor in public though really poor.

ঘৰৰ ঘৈণী—বিং, ঘৰ অর্থাৎ ঘৰৰ কার্য্য বা গৃহস্থালি চলোৱা ঘৈণী. a wife who manages the household.

ঘৰৰ মানুহ—বিং [ঘৰৰ মূল মানুহ] ঘৈণীয়েক বা গিৰিয়েক, a wife or a husband.

ঘাই ঘৰ—বিং, নির্দ্দিষ্ট ঠাইত থকা চিৰস্থায়ী পৈত্রিক ঘৰ, home.

ঘিটিং মৰা—ক্রি, ভূঁইকঁপ অহাৰ পূর্ব্বতে ঘিটিং শব্দ হয়। ভূঁইকঁপ পোৱা হি মাত্রে যায় গৈ অর্থাৎ সি ক্ষণস্থায়ী মাথোন। এতেকে,—হঠাৎ শুচি যোৱা, to disappear suddenly.

ঘুকুটিয়াই থকা—ক্রি, কোনো মানুহৰ কোনো কথা কৈ মনোযোগ আকর্ষণ কৰিবলৈ হলে হাতেৰে ঘোকোটা মাৰি তাৰ গাটো লৰাই দিয়া হয়। এতেকে,—বাৰে বাৰে কথা সোঁৱঁৰাই থকা, to remind a person repeatedly of anything.

ঘুলি লোৱা—ক্রি, ম'হে ঘুলিত পৰি বোকাত লেটি-পেটি হৈ থাকে। এতেকে,—কোনো বিষয়ত সম্পূর্ণৰূপে জড়িত হোৱা, to be completely immersed in anything.

ঘেৰ-ঘেৰণি টনা—ক্রি, মৰিবৰ সময়ত কণ্ঠত কফ উপস্থিত হৈ উশাহ টানোতে ঘেৰ-ঘেৰণি শব্দ হয়। এতেকে,—মৃত্যুকাল উপস্থিত হোৱা, to

gasp, to respire convulsively.

ঘোচামৰ অৰী—ক্রি, [ঘৰ-স্বামীৰ অৰী] দৈনন্দিনকে গিৰিয়েকক অৰীয়ে কোৱা ঘৰে বাহি থয়। এতেকে,—দৈনন্দিনক, the housholder's teather i. e. a wife.

ঘোষা বত্নাবলী পঢ়া—ক্রি, আগৰ দিনত শ্রীমাধৱ দেৱৰ দ্বাৰা ৰচিত নাম-ঘোষা আৰু বত্নাবলী পুথি যি পঢ়িব পাৰিছিল, তেওঁক বিদ্বান বোলা হৈছিল। এতেকে,—ওখ-খাপৰ শিক্ষা পোৱা, to be highly educated.

চ।

চেঁচনি দিয়া—ক্রি, [চেঁচা পানী দিয়া] কোনো মানুহ অচেতন হলে মুখত চেঁচা পানী দিয়া হয়। এই স্থলত, পানীৰ দ্বাৰা নিদি কথাৰ দ্বাৰা জুৰণি দিয়া বুজাইছে। এতেকে,—শান্ত হবলৈ বুজনি দিয়া, to give soothing advice, to try to console.

চেঁচুকৰ ডেমডেউকা—বিং, ডেমডেউকা চেঁচুকত গজে। সি বদ সহিব নোৱাৰে। এতেকে, –সুকোমল মানুহ, a delicate person, one unaccustomed to do hard work

চকু গজা—ক্রি, কেঁচুৱা লৰাৰ 'চকু' মুকলি হয়, আৰু গছৰ 'চকু'ৰ পৰা পোখা গজে। এতেকে,—বুজন হোৱা, to be growu-up.

চকু থাকি খালত পৰা—ক্রি, বিপদ দেখিও আওহেলা কৰি গৈ থাকি বিপদত পৰা, জানি-শুনি বিপদগ্রস্ত হোৱা, to run into danger deliberately.

চকু দিয়া –ক্রি, কোনো মানুহৰ প্রতি আসক্তিৰ সঞ্চাৰ হৈ তালৈ চকু দিয়া অর্থাৎ তাৰ প্রতি আকৃষ্ট হোৱা, to be attracted towards any one amorously.

চকু পকোৱা—ক্রি, খং উঠিলে মানুহে চকু পকাই ধৰে। এতেকে,—খঙাল ভাব ধৰা, খং কৰা, to look on angrily.

চকু ভাঙ্গি চোৱা—ক্রি, অতি আগ্রহেৰে কোনো পোনে চালে চকু ঘৰকৈ ঘুৰাই ভঙ্গাৰ নিচিনা কৰা হয়। এতেকে,—অতি আগ্রহেৰে চোৱা, to look at wistfully.

চকু মেলি চোৱা—ক্রি, চকু মুদি থাকিলে কোনো বস্তু দেখা নাযায়, চকু মেলিলে হে তাক দেখিবলৈ পোৱা যায়। এতেকে,—কোনো মানুহৰ ফালে দৃষ্টি অর্থাৎ শুভ দৃষ্টি পেলোৱা, অনুগ্রহ কৰা, to feel compassion towards any one, to take pity on any one.

চকুত থু দি কন্দা—ক্রি, কান্দিলে চকু-লো ওলায়। লোকক দেখুৱাই মিছা-মিছিকৈ কান্দিবলৈ হলে চকুত থু সানি তাকে চকুলো বুজাব লগীয়া হয়। এতেকে,—কপটীয়া সহানুভূতি প্রকাশ কৰা, to express feigned sympathy.

চকুত বালি মৰা—ক্রি, চকুত বালি চেটিয়াই দিলে ধুৱঁলি-কুৱঁলি দেখা যায়। এতেকে,—চাই থাকোঁতেই চকুৰে নেদেখা কৰা অর্থাৎ চকুৰ আগতে ফাঁকি দিয়া, বুদ্ধিৰ নোৱৰাকৈ তৎক্ষণাৎ ডাঙৰ প্রবঞ্চনা কৰা, to cheat daringly.

চকুত লগা—বিণ, (লগা=উজ্জ্বল হৈ লগা।) দৃষ্টি-আকর্ষণকাৰী; অর্থাৎ শুৱনী, of attrative appearance.

চকুৰ কুটা, দাঁতৰ শাল—বিং, চকুত কুটা পৰি চকু খচ্‌খচাই থাকে। যেতিয়ালৈকে সি নোলায়, তেতিয়ালৈকে মানুহ জনে তত্ নাপায়। দাঁতত শাল সোমালেও বৰ আহুকাল লাগে। জিবাধন অবিশ্রাম সেই ঠাইলৈকে গৈ থাকে। যেতিয়ালৈকে সি নোলায়, তেতিয়ালৈকে মানুহ জনৰ অসুখ-আশাঁতি লাগি থাকে। শত্রুক তেনেকুৱা কুটা আৰু শালেৰে তুলনা কৰা হৈছে। যেতিয়ালৈকে শত্রু 'নোলায়' অর্থাৎ আঁতৰ নহয়, তেতিয়ালৈকে শান্তি পোৱা নাযায়। এতেকে,—ডাঙৰ শত্রু, a bitter foe.

চকুৰ পচাৰতে—ক্রি-বিণ, চকুৰ পচাৰ পৰোঁতে যিমান সময় লাগে সিমান সময়তে অর্থাৎ তুৰন্তে, in the twinkling of an eye, immediatly, at once.

চকুবে নেদেখা আক কাণেৰে শুকুনা দেশ—বিং, যি দেশৰ চিত্ৰ জীৱন্ত মানুহে নেদেখে আক যি দেশৰ বাৰ্ত্তা জীৱন্ত মানুহে শুকুলে তেনেকুৱা দেশ, অৰ্থাৎ পৰলোক, the next world.

চকুবে জুহ-আঙ্গনি দেখা—ক্ৰি, ['চকুবে সৰিয়হ-ফুল দেখ' চোৱাঁ। এই স্থলত, আঁক-বাঁক চিত্ৰবিলাকক 'সৰিয়হ-ফুল' নুবুলি 'জুই-আঙ্গনি' বোলা হৈছে।]

চকুবে সৰিষহ ফুল দেখা—ক্ৰি, দুৰ্ব্বলতা অধিক হলে মৰ ঘুৰাৰ আক চকুবে সম্মুখত আঁক বাঁক চিত্ৰ উড়ি ফুৰা যেন দেখে। সেইবিলাক চিত্ৰ হালধীয়া সৰিয়হ-ফুলৰ সদৃশ। মুৰত বৰকৈ আঘাত পালেও সেইৰূপে মুৰ ঘুৰাই তেনেকুৱা চিত্ৰ দেখা পোৱা যায়। এতেকে,—বিষম প্ৰহাৰ পোৱা, বৰকৈ মাৰ খোৱা, to receive a severe beating.

চকু মুদা—ক্ৰি, মানুহ মৰিলে চকু মুদ যায়। এতেকে,—মৰা, to die.

চকু-মুদা কুলি—বিং, কুলিয়ে কাউৰীৰ বাহত কণী পাৰে। কুলিৰ চকু আক কাউৰীৰ চকু যেলেগ। কিন্তু কুলি-পোৱালিয়ে চকু মুদি থাকে। কাউৰী-মাকে নিজৰ পোৱালি বুলি তাক টোপ খুৱাই পুহি থাকে। যেতিয়া উড়ণীয়া হয় কুলি-পোৱালিয়ে উডাও মাৰে। কাউৰী-মাকে ফাঁকি বুজিব পাৰি তাৰ পাচে পাচে খেদি যায়। এতেকে,—টনকিয়াল নোহোৱা পৰ্য্যন্ত আঁকৰাৰ ভাও ধৰি পৰৰ ঘটন খোৱা টেঙৰ মানুহ, a clever person living at the expense of another till he is in a position to earn an independent income.

চকু-লগা মানুহ—বিং, তীক্ষ্ণ চকু থকা মানুহ অৰ্থাৎ ভাল বেয়া তৎক্ষণাৎ বাছিব পৰা মানুহ, a sharp sighted, acute or discerning person.

চকু-লোৱে বাট নেদেখ—ক্ৰি, [চকু-লোৱেৰে বাট নেদেখা] চকু-লো অধিককৈ ওলালে বাট-পথ নেদেখা হয়। এতেকে,—বৰকৈ কন্দা, to shed profuse tears.

চটাই পাথৰী—বিং [চট্‌চটাই ফুৰা পাথৰী] পাথৰী=পথৰা অৰ্থাৎ কেইবাটাও মিহলি ৰঙৰ কাপোৰ পিন্ধা তিৰোতা। এতেকে,—চট্‌চটাই ফুৰা বিলাসিনী তিৰোতা, a coquette, a flirt.

চ'ত ফুৰা—ক্ৰি, চ'তৰ মাহত টোলৰ ছাত্ৰবিলাকে ঘৰলোকৰ ঘৰে ঘৰে ফুৰি আশীৰ্ব্বাদ দি ধন তোলা, the soliciting of alms from well-

to-do people by a party of Brahmin students wander ing about in the month of Chaitra.

চ'তৰ বিহুলৈ ছমাহ থাকোতেই হাত মেলি নচা—ক্রি, চ'তৰ বিহুত মানুহে উবাই-ঘুবাই নাচে। এই স্থলত কোৱা হৈছে, যে চ'তৰ বিহুলৈ ছমাহ থাকোতেই, সেই উপলক্ষে এতিয়াই হাত মেলি নাচে। এতেকে, আনন্দৰ কাৰণ প্ৰকৃতিত উপস্থিত নোহোৱাতেই আনন্দপ্ৰকাশ কৰা, to express pleasure before the cause of pleasure actually arrives.

চতিয়া-চতি কৰা—ক্রি, চ'তৰ মাহত শিপিনীবিলাকে, বিহুলৈ কাৰ কাপোৰ আগেয়ে ওলায়, সেই কথাৰে অড়িয়া-অড়ি কৰে। তাকে 'চতিয়া-চতি' কৰা বোলে। এতেকে, —অড়িয়া-অড়ি কৰা, to vie with each other.

চনকা মানুহ—বিং, গছৰ ডাল চনকা হলে বেগতে ভাগি পৰে। সেইৰূপে মানুহৰ মন চনকা হলে ভাগি যায় অৰ্থাৎ সেই মানুহে কোনো এটা কামতে লাগি নাথাকি সচ্‌কৈ তাক এৰি পেলায়। (চনকা=চনচনীয়া, চন-চন কৰে এৰাত পৰা।) এতেকে,—কোমল মনৰ মানুহ, a person who is yielding in nature.

চয়-নিচয় কৰা—(নিচয়=নিশ্চয়।) সিদ্ধান্ত বা নিষ্পত্তি কৰা to decide one way or the other.

চৰখৰীয়াত পৰা—ক্রি, নৈত চৰখৰীয়া বালি পৰে। তাৰ ওপৰে পানী থাকে। পানীৰ গভীৰতা বুজিব নোৱাৰি সেই পোনে নাও চলাই নিলে নাও লাগি ধৰে। এতেকে,—বিপদ অনুমান কৰিব নোৱাৰি হঠাৎ যে বিপদত পৰা, to run into danger unawares.

চৰণৰ ছাঁ—বিং, ৰৱলোকক ৰৱণছেৰে বিজোৰা হৈছে। ৰৱণছে ছাঁৰ দ্বাৰা আশ্রয় দিয়ে। ৰৱলোকে বিভূতিৰ দ্বাৰা আশ্রয় দিয়ে। ঈষৎ পৰিমাণ বুজাবৰ নিমিত্তে 'চৰণ' শব্দৰ প্রয়োগ হৈছে। এতেকে,—ঈষৎ পৰিমাণ বিভূতিৰ দ্বাৰা আশ্রয়দান, protection afforded by a great man at a trifling cost.

চৰণে চপাই ধৰা—ক্রি, নাও সোঁতত উটি যাব খুজিলে ভৰিৰে চপাই ধৰা হয়। এই স্থলত, জীৱনক নাওলৈৰে বিজোৰা হৈছে। ৰৱলোকে চৰণেৰে

অর্থাৎ ঈষৎ পরিমাণ বিভূতির দ্বারা ইহার মানুষের জীবনউদ্ধার করিবে পারে বোলা হৈছে। এতেকে—যৎসামান্য সাহায্য দ্বারা উদ্ধার করা to save one by showing the slightest favour (said of a great man).

চবাইটি হৈ ধনটি খুঁটি নোযোবা—ক্রি, চবায়ে যদি এটি খুঁটি খালে অতি সামান্য অপকার হয়। এই স্থলত তেনেকুয়া সামান্য অপকারো নকরে বোলা হৈছে। এতেকে,—যৎকিঞ্চিৎ অপকার নকরা, একেবারে অহিংসা-চরণ করা, to refrain from doing even the slightest injury.

চবিয়াই গাল দোন কেন করা—ক্রি, চবিসালে গাল উখহি পরে। এই স্থলত ইমান উখহে বোলা হৈছে, যে গালে দোনর আকৃতি ধারণ করিছে। এতেকে,—বরকৈ চবিওরা, to slap severly on the cheek.

চকত সুধি চাউল বহোরা—ক্রি চকত চাউল বহাই ভাত বন্ধা হয়। কিন্তু চাউল বহাব লাগে নে নালাগে, সেই বিষয়ে চকর অনুমতি লোরা নাযায়। এতেকে সর্ব্বতোভাবে তলতীয়া মানুহর অনুমতি লৈ কার্য্য করা, to be dictated by an underling who is the principal interested party.

চকত খাতী—বিণ, কেতিয়াবা কোনো রান্ধনীয়ে ভাত বান্ধি থাকোঁতে লোভ সামবির নোৱাবি চকতে কিবাকিবি ভাল বস্তু খায়। এতেকে,—লুভুনী, greedy (said of a woman).

চকলৈ জাল নোযোবা—ক্রি, (চক=ভাতর চক। জাল=ছুইর জাল।) ভাত নাবান্ধিলে লঘোনে থাকিব লগীয়া হয়। এতেকে,—সমূলি অনাহারে থকা, to remain absolutely without food.

চবাই-কাণে পহু-কাণে শুনা—ক্রি, [চবাই-কাণেরে পশু-কাণেরে শুনা] কোনো কথা পশু-পক্ষীয়ে শুনি কোৱা-মেলা করাত সেই কথা বহুদূর উৰি অহাত শুনিবলৈ পোৱা যায় বোলা হৈছে। এতেকে,—কথাবাত কোনোবা মানুহর মুখে শুনা, উৰা-বাতরি-স্বরূপে শুনা, to hear anything through wild rumour.

চল পাই চাপরি বোৱা—ক্রি, (চাপরি বোৱা=নাম-প্রসঙ্গ করা।) চল পাই নহলে নাম-প্রসঙ্গ করিব নোৱারি। এতেকে,—সুবিধা পাই আনন্দ-

প্রকাশ করা, to feel excited by gaining an advantageous position,

চলা জনা পুরুষ—বিং, যি জনা পুরুষ চলিল অর্থাৎ পরলোকলৈ গল সেই জনা পুরুষ, পরলোকপ্রাপ্তি হোৱা মাতাত্মা পুরুষ, a great man who has departed this life.

চহাই বেহ শিকা—ক্রি, আগৰ দিনৰ গাওঁৰ চহা মানুহে খেতি কৰিছিল, আৰু নগৰীয়া মানুহে বেহা কৰিছিল। বেহা ওখ খাপৰ ব্যৱসায়ৰ ভিতৰত গণ্য আছিল। এই কলত বুজাৱা হৈছে যে চহাই বেহা শিকিলে আনন্দত ধৈর্য্য হেকৰায়। এতেকে—ইতৰ মানুহে উচ্চ পদ পাই অধীৰ হোৱা, to act as an upstart.

চাই বাট বোলা—ক্রি, [তলৈ চাই বাট বোলা] যাওঁতে বাটৰ হাল-জেং চাই-চিন্তি খোজ কাঢ়ে বোলা হৈছে। এতেকে,—সাবধানে কার্য্য কৰা, to act with caution,

চাউল উঠা—ক্রি, (চাউল = জীবিকা। উঠা = দূৰীভূত হোৱা।) জীবিকা অন্ত হোৱা অর্থাৎ জীবিকাৰ স্থল নাইকিয়া হোৱা, to be deprived of the means of earning one's livelihood.

চাউল উঠা—ক্রি, অন্নৰ দ্বাৰা সংসাৰ-যাত্রানির্ব্বাহ কৰা যায়। অন্নৰ সংস্থান অন্ত পৰিলে সংসাৰ-যাত্রা অন্ত পৰে। (উঠা = দূৰীভূত হোৱা ; অন্ত পৰা।) এতেকে,—আয়ুষ-শেষ হোৱা। the finishing of the course of life,

চাউল-খোৱা—বিং, চাউল-সিজোৱা খোৱা অর্থাৎ ভোজ, dinner, feast

চাউল চক নিয়া—ক্রি, ঘৰবপৰা নিলগত গৈ তাতে থাকি বন-বাৰী কৰিবলৈ হলে চাউল আৰু চক আদি ভাত বন্ধাৰ সঙ্গলি লৈ যাব লাগে। এতেকে,—কোনো এঠাইত কিছু দিন থকা, to halt in a place longer than one day.

চাউল মোকলোৱা—ক্রি, ঘৰত আবদ্ধ অৱস্থাৰপৰা চাউল মুকলি কৰি আকৌ পাবলৈ সমর্থ হয় বোলা হৈছে। এতেকে,—জীবিকা-উপার্জ্জন কৰা, to earn one's livelihood.

চাওদাং উঠা—ক্রি, চাওদাঙৰ নিচিনাকৈ উঠি কাটি-ছিঙ্গি পেলোৱা, এফালৰপৰা নষ্ট কৰি যোৱা, to devastate.

চাং-পত্তা কথা—বিং, মিছাব খুটা লগোৱা চাৰত স্থাপিত কথা, মিছা গল্প, a false story.

চাঙত তুলি ধোৱাঁ দিয়া—ক্রি কেঁচা কল চাঙৰ ওপৰত তুলি ধোৱাঁ দিলে সি শীঘ্ৰ পকে। এতেকে যতনেৰে ৰখা, (ব্যঙ্গাৰ্থে) to maintain with tender care (used ironically).

চাঙিত উঠা—ক্রি, মানুহ মৰিলে শৱ চাঙিত তুলি মাটি-শালিলৈ নিয়া হয়। এতেকে,—মৰা, to die.

চাপৰি ঘোৱাকে কুঁজা বোলা—ক্রি, কুঁজা মানুহে গাটো পোন কৰি যাব নোৱাৰে, চাপৰি খোজ কাঢ়ে। কোনো কুঁজাৰ সম্পৰ্কে কোৱা হৈছে যে সি চাপৰি গৈছিল। এতেকে,- কোনো অপ্ৰিয় কথা পোনে-পোনে স্বীকাৰ নকৰি বেঁক বাটে স্বীকাৰ কৰা, to admit an unpleasant thing in a round-about way.

চাপৰিয়ালৰ দোন—বিং, চাউল আদি জোখৰ দোনত ১০ কঠা ধৰে। কিন্তু চাপৰিয়ালৰ দোনবিলাকত ৭ কঠাতকৈ বেচি নধৰিছিল। এতেকে,—কম জোখৰ দোন, a short measure.

চামৰ পিৱা পাৰি দিয়া—ক্রি, মান-সম্ভ্ৰম দেখুৱাবলৈ হলে আলহিক চামৰ পিৱা, পাৰি দিয়া হয়। এতেকে,—মান-সম্ভ্ৰম দেখুওৱা, to show high regard.

চাৰি আঙুলীয়া কপাল—বিং, যাৰ কপাল বহল তাৰ ভাগ্য ভাল, আৰু যাৰ কপাল ঠেক তাৰ ভাগ্য বেয়া বুলি কয়। (চাৰি আঙুলীয়া = ঠেক।) এতেকে,—মন্দ ভাগ্য, bad luck,

চাৰি আলিৰ বটনি—বিং, [চাৰি আলিৰ মুখৰ বটনি] চাৰিটা আলিয়ে দি মানুহ আহি মুখতে লগ লয়। তাতে নানা জনে নানা কথা বটে। এতেকে,—বাটকৰা মানুহৰ দায়িত্বহীন উক্তি, a haphazard statement by an irresponsible person.

চাৰি চাপৰ বাজ—বিণ, মানুহে টোলৰ চাৰিও পোনে চাপ মাৰে। এতেকে,—টোলৰ বাহ্য অৰ্থাৎ সকলো প্ৰকাৰৰ সম্পৰ্কবহিত, outside the pale of anything.

চালি-জাৰি থকা—ক্রি, চালিলে জাৰিলে ধান-চাউল ইফালৰপৰা সিফাললৈ যায়, সিফালৰপৰা ইফাললৈ আহে। এতেকে,—লকৰাই মুকোৱা,

আমনি করা, to molest.

চালে চকু বোরা—বিণ, চাই পঠিয়ালে চকু তাতে বৈ থাকে, তারপরা আন কালৈ চকু ঘুরাব নোরারি। এতেকে,—অতি শুরনী, fascinating.

চালে পানী কটা—ক্রি, [চালে দি পানী কটা] কোনো বস্তু অস্ত্রর দ্বারা কাটিলে সেই বস্তুর মাজে দি অস্ত্র সরকি যায়। এই স্থলত, পানী যরর চালর মাজে দি সরকি যায় বোলা হৈছে। এতেকে,—অতিরিক্ত বান-পানী উঠা, the rising of flood to a very high level.

চালে বাবে কোবোরা—ক্রি, যতে ততে কোবোরা অর্থাৎ বিশৃঙ্খলভাবে কার্য্য করা, to beat about the bush.

চিকা মুরা—ক্রি, চিকাই কিবাকিবি খোরা বস্তু চুর করি নিয়ে। চোরেও চুর করে। চিকার দরে চোরও দুর্গন্ধময় অর্থাৎ ঘৃণনীয়। এতেকে,—চুর করা, to steal.

চিকা মারি হাত গোন্ধোরা—ক্রি, চিকা নগণ্য জীব। তাক বধিলে পুরুষালি প্রকাশ নাপায়। বরং সেই কার্য্যর দ্বারা হাত দুর্গন্ধময় হয়। এতেকে,—নগণ্য লোকর অপকার করি দুর্নাম অনা, to cast stain on a fair name by injuring a helpless person.

চিকা-পোরালি—বিং, চিকা-পোরালির নিচিনা অর্থাৎ কেটেঙা নিচলা মানুহ, an infirm or feeble person.

চিকুটি লাও বুঢ়া করা—ক্রি, জালি লাও হে খাবর যোগ্য। চিকুটিলে লাও শীঘ্রে বুঢ়া অর্থাৎ পুরঠ হয়। জালি নে বুঢ়া চাকলৈ হলে চিকুটিলে গম পোরা যায়। এতেকে,—সামান্য অহিতাচরণর দ্বারা শত্রুক সজাগ করা, to put an enemy on his guard by pin-pricking him.

চিকুটি শিলক ক্ষয় নিরাব নোরারা—ক্রি, নখেরে চিকুটিলে শিলে ক্ষয় নাপায়। বরলোকক শিলেরে তুলনা করা হৈছে। এতেকে,—[illegible] বরলোকর অপকার করিবর নিমিত্তে অপারগ হোরা, to be unable to harm a formidable opponent (said of a powerless individual).

চিকুণ চাম—বিং, [চিকুণ ছাম] শ্রীকৃষ্ণর এটা নাম আছে। কেওঁ কেবিবলৈ

চিকুণ আছিল। এতেকে,—পৰিষ্কাৰ পৰিচ্ছন্ন মানুহ, a comely, neat or tidy person.

চিকুনাই কথা কোৱা—ক্রি, সাজ-পাৰ পিন্ধাই চিকুণ কৰি কথা কোৱা, শুনিবলৈ শুৱলা কৰি কথা কোৱা, to speak in a polished style.

চিক্ৰত গগন ফলা—ক্রি, ৰবকৈ চিক্ৰ মাৰিলে শব্দ গগন লগে। এই স্থলত চিক্ৰ ইমান টান ধুনি কোৱা হৈছে, যে তাৰ শব্দ আকাশলৈ উঠি, আকাশ ফালি পেলায়। এতেকে,—ৰবকৈ চিক্ৰ-বাগৰ কৰা, to rend the sky with loud cries.

চিত হৈ মাৰলি লেখা—ক্রি, নৰিয়া মানুহে চিত হৈ পৰি থাকোঁতে চালৰ মাৰলি-বিলাক দেখা পায়। ঘৰটোত কেই ডাল মাৰলি আছে, তাকে মনতে লেখি সময় খেদায়। এতেকে,—নৰিয়া পৰা, to be confined to bed with a severe attackof illness.

চিপ টান—ক্রি, মাৰৰ সময়ত মানুহে উশাহ লওঁতে, ৰবঙীৰ চিপ টান মাৰিলে যেনে দেখা যায় তেনেভাবে, মুখটো দাং খাই যায়। এতেকে,—মৰণৰ কাল উপস্থিত হোৱা, respire convulsively i. e. to be on the point of death.

চিৰাল-ফটা দিয়া—ক্রি, চিৰাল পকিলে ৰবকৈ ফাটে। এতেকে,—চিৰাচিৰকৈ ফটা, to be cracked thoroughly.

চিলনী আই—বিং, ['চিলনী জীয়েক' চোৱা।] কোনো ছোৱালী আলসুৱা আৰু আজলী। তাইক গিৰিয়েকৰ ঘৰতো মাকে গৈ গৃহস্থালি কাৰ্য্য দেখুৱাই-শুনুৱাই দিব লাগে। এতেকে,—আজলী ছোৱালীৰ টেঙৰী মাক। a clever mother of a simple girl.

চিলনী জীয়েক—বিং, (সাধু কথা) মানুহৰ ছোৱালী এটী চিলনীয়ে পাহ তুলি তালি ডাঙৰ-দীঘল কৰি বিয়া দিলে। কিন্তু মনুষ্য-সমাজত নথকাৰ নিমিত্তে তাই গৃহস্থালি কাৰ্য্য নাজানিছিল। কোনো কাৰ্য্য কৰিব নোৱাৰিলে তাই চিলনী-মাকক মাতে। চিলনীয়ে উড়ি গৈ দিয়া কৰি দি সেই কাৰ্য্য উত্তমৰূপে কৰোৱাই দিয়ে। এতেকে,—আলসুৱা আজলী ছোৱালী, a beloved simple girl.

চিলনী-সাঁতোৰ - বিং, আকাশত চিলনী উড়ি ফুৰে। কোনো মানুহে পাণীত

আকাশৰ পোনলৈ চকু কৰি সাঁতোৰে। এতেকে চিত হৈ দিয়া সাঁতোৰ। swimming on one's back.

চিলাই থাপ মৰা—ক্রি, (চিলা=চিলনী।, চিলনীয়ে অকস্মাৎ বস্তু থাপ মাৰি লৈ যায়। এতেকে,—গম ধৰিব নোৱৰাকৈ অকস্মাৎ কোনো বস্তু অপহৰণ কৰা, to rob one of a thing suddenly.

চিলাই নিয়া কোৱাই নিয়া—ক্রি, (চিলা=চিলনী। কোৱা=কাউৰী।) চিলনীয়ে আৰু কাউৰীয়ে গম নোপোৱাকৈ অকস্মাৎ আহি কোনো বস্তু থাপ মাৰি লৈ যায়। এতেকে,—অকস্মাৎ গম নোপোৱাকৈ আহি পৰৰ ধন-বস্তু অপহৰণ কৰা, to appear suddenly and rob one of something.

চিলাত কৈ বাতৰি দিয়া—ক্রি, (চিলা=চিলনী।) চিলনীৰ আগত বাতৰি কৈ পঠোৱা অর্থাৎ গুপ্তভাৱে বাতৰি পঠোৱা, to communicate a news secretly.

চিলিম ছিগা—ক্রি, ধপাত খাওঁতে ধোঁৱাখোৱা টানকৈ ছপিলে চিলিমৰ জুই ঘৰকৈ জ্বলে। চিলিমৰ পাগ টান নহলে চিলিমটো মাজতে ছিগি যায়। সেয়ে হলে ধপাত-খোৱাৰ উপায় নাহকিয়া হয়। এতেকে,—উপায়-ৰহিত হোৱা, to be helpless.

চুক-সুন্দৰী—বিং, ভেকুলী ঘৰৰ চুকত থাকে। এতেকে,—ঘৰৰ চাৰি বেৰৰ বাজলৈ নোলোৱা সুন্দৰী তিৰোতা। (ব্যঙ্গার্থ।) an indoor beauty (used ironically).

চুকত থাকি চুকত কামোৰা—ক্রি, ঘৰৰ চুকত সাপ থাকে। সি কেতিয়াবা বাতি চল চাই আহি গিৰিহতৰ চুকত কামোৰে। এতেকে,—আশ্রয়দাতাৰ অহিতাচৰণ কৰা, to serve one a bad turn ungratefully.

চুকৰ ভেকুলী—বিং, ভেকুলীয়ে ঘৰৰ চুকৰ কথাত বাজে আন কথা নাজানে। এতেকে,—অজ্ঞ মানুহ, an ignoramus, one having absolutely no experience of the outside world.

চুঙ্গাৰ বাদুলি—বিং, বাদুলিয়ে চুঙ্গাৰ যোপত সোমাই থাকে। সি চুঙ্গাৰ কোপত বাজে আন ঠাইৰ কথা একো নাজানে। এতেকে,—বাহিৰৰ কথা নজনা অর্থাৎ অনভিজ্ঞ মানুহ, one without the slightest

experience of the outside world.

চুঙাৰ বাহুলিয়ে ঢোল যেন কণী পৰা—ক্রি, চুঙাৰ বাহুলি নিচেই সৰু, কিন্তু তাৰ কণীটো ঢোল যেন অর্থাৎ বৰ ডাঙৰ। এতেকে,—সৰু মানুহে ডাঙৰ কাম কৰা, the doing of a big thing by a small man.

চুঙাৰ ফোঁপত হাত সুমাই থকা—ক্রি, কাম-বন কৰিবলৈ হাত লৰাব লাগে। এই স্থলত কোৱা হৈছে, যে হাত দুখন চুঙাৰ ফোঁপত সুমাই থয় অর্থাৎ তাক এনেভাবে থয়, যাতে সমলি তাক লৰাব পৰা নাযায়। এতেকে,—অতিপাত এলাহত কালযাপন কৰা, to spend time in extreme laziness.

চুটি কাপোৰ—বিং, চুৰিয়াতৈ দীঘল কাপোৰ লাগে, কিন্তু মেখেলাতৈ চুটি কাপোৰ লাগে। এতেকে,—মেখেলা, a petticoat.

চুলি কটা মিছিমি—বিং, কিছুমান মিছিমিয়ে চুলি কাটে, কিছুমানে দীঘল চুলি ৰাখে। কাৰ্য্য-ক্রমত 'চুলি কটা'ৰ অথ হল 'যি আনৰ চুলি কাটে'। এতেকে,—অসভ্য ভয়-জনক মানুহ, a fierce barbarian.

চুলি ছিঙ্গি কাতৰ কৰা—ক্রি, তিৰোতাৰ চুলি অতি আদৰৰ বস্তু। তেনে বহু-মূলীয়া বস্তু ছিঙ্গি আসন পাতি কাতৰোক্তি জনায় বোলা হৈছে। এতেকে,—অতি কাতৰভাবে মিনতি জনোৱা, to implore feelingly.

চুলিয়ে ধাতু যোৱা—ক্রি, মানুহ মৰিলে ভৰিৰ ফালৰপৰা লাহে লাহে মৰি ধাতু ওপৰলৈ যায়। এই স্থলত, ধাতু ইমান ওপৰলৈ যায় বোলা হৈছে, যে সি উভাই চুলি পাইছে গৈ। কোনো কাৰ্য্যত বৰকৈ ভয় পালে মানুহ মৰাৰ দৰে হয়। এতেকে,—বৰকৈ ভয় পোৱা, to be terrified to the utmost.

চুণ খাৰ কৰা—ক্রি, [চুৰ্ণকাৰ কৰা] অপমানৰ দ্বাৰা চুৰ্ণকাৰ কৰা, গুকতৰ-ভাবে অপমানিত কৰা, to humiliate extremely, to mortify.

চুণৰ ফোঁটত মৰা—ক্রি, চুণৰ ফোঁট লক্ষ্য কৰি তাত মাৰে অর্থাৎ সেই ফোঁটতে নিলগৰপৰা ছিলৈৰ গুলি বা ধেনুৰ কাঁড় মাৰি লগোৱা হয়। এতেকে,—কোনো কাৰ্য্য অলপো লৰচৰ নোহোৱাকৈ ঠিকতে কৰা, to do a thing in an exact manner.

চুণৰ চকত হাত দি অহা--ক্রি, কন্যাকালৰ সময়ত এটা ঘিঁউৰ চক আৰু এটা চুণৰ চক দুটা পাতি জোৱালীক যেই সেই এটা চকত হাত দিবলৈ কোৱা হয়। ঘিঁউৰ চকত হাত পৰিলে সৌভাগ্য আৰু চুণৰ চকত হাত পৰিলে দুৰ্ভাগ্য বুজায়। এতেকে—ভাগ্যহীন হোৱা, to come with a bad luck.

চেং-চেং ভক্-ভক্—বিং, জুইয়ে পুৰিলে গা চেং চেঙায় আৰু ভক-ভকায়। সুন্দৰী তিৰোতাৰ সৌন্দৰ্য্য দেখিলেও কামাগ্নি উদিত হৈ শৰীৰৰ দাহভাব উপস্থিত হয়। এতেকে,—সুন্দৰী তিৰোতাৰ সৌন্দৰ্য্য, the elegance of woman.

চেনেহৰ চুমাই নাকটি ছিঙা—ক্রি, (নাকটি=নাকৰ আগটি।) চেনেহতে মুখত চুমা খোৱাৰ ভাৱেৰে নাকত কানোৱ মাৰি নাকৰ আগটি ছিঙি দিয়ে বোলা হৈছে। এতেকে,—মিত্রৰ ভাও ধৰি শত্রুতাচৰণ কৰা, to do a hostile act under cover of friendship.

চেৰ-পেটী বেং—বিং, [চেৰেলা-পেটী বেং] বেঙৰ পেট সাধাৰণতে গেৰেলা। চুটি-চাপৰ মানুহক বেঙেৰে তুলনা কৰি মানুহ জনৰ পেটটো চেৰেলা এই প্ৰভেদ দেখুওৱা হৈছে। এতেকে,—চেৰেলা চুটি-চাপৰ মানুহ, a thin short statured person.

চেৰেলী গাই—বিং, গাই চেৰেলী হলে দেখিবলৈ যেনে হয়, তিৰোতা চেৰেলী হলে দেখিবলৈ তেনে হয় বোলা হৈছে। এতেকে,—নিচলী তিৰোতা, a lean woman.

চেলকণা মাছ—বিং, চেলকণা নিচেই সৰু মাছ, অলপ পানীতে চেল-চেলাই ফুৰে। ইতৰ মানুহেও সামান্য ধন-বস্তু পালেই চেল-চেলাই ফুৰে। এতেকে,—সামান্য ধন-বস্তু পাই চেল-চেলাই ফুৰা ইতৰ মানুহ, an insignificant person making a display of his small asset on which he sets too much value.

চেলাপটি জোক—বিং, গাত চেলাপটি জোক লাগিলে বেগতে নেৰায়। এতেকে,—কোনো কাৰ্য্যত লেকেটীয়াকৈ লাগি থকা মানুহ, a tenacious person.

চৈধ্য চৰণ শিকা—ক্রি, [চৈধ্য শৰণ শিকা] চৈধ্য ভুৱনত শৰণ লৈ শিকা, ভাগৰ শিকা পোৱা অৰ্থাৎ মহা বিপদগ্ৰস্ত হোৱা, to be overtaken

by the direst calamity.

চৈধ্য ভুবন দেখা—ক্রি, পলাই সাবিবলৈ ঠাই বিচাবি গৈ চৈধ্য ভুবন দেখা হয় বুলি কোৱা হৈছে। এতেকে,—পলাহ সাবিবলৈ তত্-মত্ নোপোৱা, চ্‌ৰ্ত্তি হেকৱা, to beat one's wit's end.

চোং সলোৱা—ক্রি, ডাঙৰ কাৰণ নাথাকিলে জন্তুৱে চোং এৰি নাযায়, এই কথাৰ-পৰা এই বাক্যৰ উৎপত্তি হৈছে। এতেকে,—কোনো ডাঙৰ কাৰণৰ নিমিত্তে থকা ঠাই এৰি যোৱা, to change one's habitation for some special reason.

চোকা টেকেলা—বিং, কোনো কাৰ্য্যৰ নিমিত্তে টেকেলাক পাচিলে সি সেই কাৰ্য্য-সাধনৰ অৰ্থে হুৱমুৰকে ধৰে। টেকেলা যদি চোকা হয়, তেন্তে সি নেৱাপেপেৱাকৈ ধৰি কোনো প্ৰকাৰেৰে কাৰ্য্য উদ্ধাৰ কৰে। এতেকে,—নেৱানেপেৱাকৈ ধৰা টান মুগীয়া মানুহ, a person who makes a peremptory demand, one who presses hard for anything.

চোতালৰ আগৰ দুৱৰি—বিং, চোতালৰ আগৰ দুৱৰি দিনো মানুহে খচকে, কিন্তু পুৱা হলে সি আকৌ ঠন ধৰি পৰে। এতেকে,—বহু অত্যাচাৰ পাইও তস্তি থকা মানুহ, a person who possesses the power of recovering from oppression or exhaustion.

চোৱা চেলেকা মানুহ—বিং, আনে পেলাই দিয়া তামোলৰ চোৱা চেলেকি খোৱা মানুহ অৰ্থাৎ নীচ আৰু পৰপ্ৰত্যাশী মানুহ, a mean sorry fellow dependent on another's bounty.

চোৰ পলালে বুদ্ধি ওলোৱা—ক্রি, বস্তু চুৰ কৰাৰ পূৰ্ব্বেই চোৰ-নিবাৰণৰ বুদ্ধি অৰ্থাৎ উপায় কৰিব লাগে। এই স্থলত কোৱা হৈছে, যে চোৰে বস্তু চুৰ কৰি গৈ যোৱাৰ পাচত চোৰ নিবাৰণৰ উপায় স্থিৰ কৰা হৈছে। এতেকে,—কোনো অনিষ্ট হৈ যোৱাৰ পাচত অনিষ্ট নিবাৰণৰ উপায় নিৰ্দ্ধাৰিত কৰা, to adopt preventive measures after the mischief has been done.

চোৰ ধুলিলে ওৰ পৰা—ক্রি, চোৰৰ সদাই ধৰা-পৰাৰ ভয় মনত জাগি থাকে। গিৰিহঁতে গম পাই 'চোৰ' বুলি কোৱা মাত্ৰে, তাৰ ওৰ পৰে অৰ্থাৎ ধৰা পৰিলে যি উপায় অবলম্বন কৰিব লাগে আগেয়ে তাক ভাবি

খোৱা স্বত্ত্বেও, সকলো পাহৰি পেপুৱা লাগি ধৰা পৰে। (ওৰ পৰা = অন্ত পৰা, শেষ হোৱা।) এতেকে,—দোষী মানুহ সশঙ্কিত অৱস্থাত থকাৰ নিমিত্তে সহজে ধৰা পৰা, the apprehending of a guilty person on account of his over-anxieties for safety.

চোৱক মোৰে পোৱা—ক্রি, 'মোৰ' এবিধ মুৰ-ফুৰণি রোগ। এই শব্দৰ 'মুৰ' শব্দেৰে সৈতে সম্পর্ক আছে। চোৱে পৰৰ বস্তু চুৰ কৰি নি 'মোৰ' কৰে অর্থাৎ 'নিজৰ' কৰে। এই স্থলত 'মোৰ' শব্দৰ দুই অর্থ বুজাই কোৱা হৈছে। চোৱক 'মোৰে' পায় অর্থাৎ চোৱে চুৰ কৰি পলাই যাওঁতে 'মোৰে' ধৰি পৰি যায় আৰু তেনে অৱস্থাত চুৰ কৰা বস্তুৰেই তাক ধৰা পেলায়। এতেকে,—পৰক ঠগ মানুহে নিজে ঠগত পৰা, to cheat a person who is himself a cheat.

চোৱৰ শপথ—বিং, চোৱে চুৰ কৰি চুৰ নাই কৰা বুলি সহজে শপথ কৰে। এতেকে,—মিছা শপথ, a false oath.

চোৱে চোৱে পিতল গঢ়া—ক্রি, যি পিতলৰ লোটা-কলহ গঢ়ে সি নিজে চো�ৰ, আৰু যি তাক গঢ়িবলৈ দিয়ে সিও চোৰ। গঢ়োঁতাৰ মন্ত্রণাত গঢ়াওঁতাই চুৰ কৰি পিতল আনি দুই জনে মিলি লোটা-কলহ তৈয়াৰ কৰে, প্রকৃততে পিতলৰ গৰাকিয়ে এইবিলাক একো বুজ নাপায়। ইয়াৰ দ্বাৰা বুজোৱা হৈছে, যে লোটা-কলহৰ গৰাকি গঢ়াওঁতাও নহয় গঢ়োঁতাও নহয়, যাৰপৰা পিতল চুৰ কৰি অনা হৈছে সি হে প্রকৃত গৰাকি। এইৰূপে চোৱে চোৱে মিলি কাৰ্য্য কৰিলে সি নিষ্ফল হয়। এতেকে,—কোনো বিষয়ে প্রকৃত গৰাকিৰ মতামত নোলোৱাকৈ অসম্পর্কিত মানুহে মিলি কোনো কাৰ্য্য কৰা, the entering into agreement by two parties about a matter which vitally concerns a third party and nto themselves.

চোৱে নিয়া গৰুয়ে বাটে বাটে ঘাঁহ পোৱা—ক্রি, চোৱে চুৰ কৰি নিয়া গৰুয়ে বাটে বাটে অর্থাৎ হাবিয়ে-বননীয়ে যেনিয়ে নিয়ে তেনিয়ে ঘাঁহ খাই যায়। তাক ঘাঁহনীলৈ নি চৰোৱাৰ আৱশ্যকতা নাই। যি মানুহে যতে ততে ফুৰি থাকে, তাৰ খোৱা-পিন্ধাৰ দিহাও সেইৰূপে ঠাইয়ে ঠাইয়ে

নিলে তাৰ নিমিত্তে সি বেলেগে ভাবন-চিন্তা কৰিব নালাগে। বাহিৰত ফুৰি ফুৰা মানুহে ভাত-পানী খোৱাৰ দিহাও বাহিৰতে কৰে. ভাত খাবৰ নিমিত্তে নিজ ঘৰলৈ আহিবৰ আৱশ্যকতা নাই। দুষ্ট মানুহৰ ঘৰলৈ আহিবৰ আৱশ্যকতা নাই, আনকি ভাত খাবৰ নিমিত্তেও আহিব নালাগে। 'চোৱে নিয়া' কথাৰ দ্বাৰা বুজোৱা হৈছে, যে সেই মানুহটোক লোকে এই দৰে লৈ যায়, অৰ্থাৎ কোনো বেয়া মতলব দেখুৱাই তাক লৈ যায়। এতেকে,—দুষ্ট মানুহৰ খোৱা-লোৱাৰ ব্যৱস্থা সুবিধা নুজ যতে ততে কৰি ফুৰা, the finding of his necessities in any place where he happens to be for the time being by a wicked person who has been tempted away from his house.

চোৱ-চং—বিং, যাতে চোৰে সহজে কোনো বস্তু চুৰ কৰি নিব নোৱাৰে সেই-দৰে ঘৰৰ চালৰ অলপ নামতে পতা বস্তু-থোৱা চাং, a high platform for safe custody of property.

চোৱাত মেলা—ক্রি, গাত বিছা আদি মেলি দিলে সি যতে বগায় ততে গা বিজ-বিজায়। আগৰ দিনত দণ্ড-স্বৰূপে মানুহৰ গাত চোৱাতেৰে কোবোৱা হৈছিল। যতে চোৱাত লাগে, ততে গা বিজ-বিজায়। এতেকে,—চোৱাতৰ ঠাইলৈ গোটেই গাতে উঘাই-মুঘাই কোবোৱা অৰ্থাৎ বৰকৈ যন্ত্ৰণা দিয়া, to torture.

ছ।

ছা চাই নচা—ক্রি, সৰু লৰাই বাতি চাকিৰ পোহৰত বেৰত নিজৰ গাটোৰ ছা দেখি হাত-ভৰি জোকাৰি নচাৰ দৰে কৰে। এতেকে,—কাল্পনিক বস্তুক সত্য অনুমান কৰি ল'বাৰ দৰে অঙ্গিভঙ্গি কৰা, মিছা অনুমানৰ ওপৰত কাৰ্য্য কৰা, to dance at a shadow like a child i. e. to act on a false assumption.

ছাঁটোকে বাঘটো দেখা—ক্রি, ভয়াতুৰ মানুহে বাতি কোনো বস্তুৰ ছাঁটো দেখি তাকে

সঁচ,সঁচি বাঘ বুলি অমূলক সন্দেহ কৰে। এতেকে,—অমূলক সন্দেহ কৰা, to entertain unfounded suspicion.

ছাঁতে শুকোৱা, মুঠিতে লুকোৱা—বিণ, মানুহে বদত শুকায়, কিন্তু এই স্থলত ছাঁতে শুকায় বোলা হৈছে। 'মুঠিতে লুকায়' অর্থাৎ কঁকাল মুঠিতে লুকায়, কঁকালৰ মেৰ মুঠিৰে থামুচি পোৱা যায়। এতেকে, সুকোমল কৃশ-মধ্যমা, দিপ্‌লিপ্‌। (ছোৱালীত খাটে।) delicate and slender-waisted, charming (said of a girl).

ছয় পো বাৰ নাতি দেখা—ক্রি, অতি দীর্ঘজীবি মানুহে ছয় পো আৰু বাৰ নাতি দেখিবলৈ পায়। এতেকে, অত্যন্ত দীর্ঘায়ুস হোৱা, to attain a very long life.

ছাই-আলি—বিং, আলি মাটিৰ বন্ধা হয়, ছাইৰে বন্ধা আলি ববকৈ জিলিকে কিন্তু ক'মিলা নহয়, কিয়নো পানী আহিলে তাক উটাই লৈ যায়। এতেকে,—দেখিবলৈ ধুনীয়া কিন্তু অচিৰস্থায়ী কার্য্য, বস্তু বা বিভূতি, anything of an ephemeral nature.

ছাই-খোচৰা—বিণ, পৰৰ অলঙ্কাৰ পাতি গঢ়োঁতে সোণাৰিৰ জুহালত সোণৰ কণিকা পৰি থাকে। ছাই খুচৰি পাচত সোণাৰিয়ে সেইবিলাক নিজলৈ থৈ দিয়ে। সোণ-অপহৰণ হিন্দুৰ ভিতৰত মহাপাপ বুলি গণ্য হয়। এতেকে,—অন্যায় উপায়ৰ দ্বাৰা উপার্জ্জনকাৰী, earning by unfair means.

ছান কঢ়া—ক্রি, [ছিন কঢ়া] হিন্দী ছিন্‌ কাঢ়ি লোৱা। 'ছিন্‌' ক্রিয়াৰ গুড়ি পাহৰি যোৱাত অসমীয়া 'কঢ়া' ক্রিয়াৰ যোগ হল। লগে লগে 'ছিন'ৰ গঢ় লৰি 'ছান' হল আৰু অর্থ লৰি 'কিছু কাঢ়ি লোৱা' হল। এতেকে,—একাংশ কাঢ়ি লোৱা, to rob a slice.

ছাব দি ধৰা—ক্রি, বাঘে গৰু মহ হঠাৎ ছাব দি ধৰে। এতেকে,—উমান নোপোৱাকৈ হঠাৎ কোনো মানুহক দোষী বুলি ধৰা, to charge a person directly with an offence in a manner so that he may not have time to think over and may thus be compelled to admit it.

ছাল-ছিগা—বিণ, [কান্ধৰ ছাল ছিগা] ভাৰ কঢ়িয়াওঁতে দুখীয়া মানুহৰ কান্ধৰ ছাল ছিগি যায়। এতেকে,—ভিকহু, টোকোনা, utterly

destitute.

ছাল-বাকলি নাইকিয়া—বিণ, গছৰ ছাল-বাকলি নাথাকিলে যথা হয়। এতেকে,—লথা, সর্ব্বশূন্য, মহা-দরিদ্র, poverty-stricken.

ছুই নিকিলোৱা—অধিকক্কৈ গালি-শপনি পাৰি কিলোৱাৰ নিচিনা কৰে, কিন্তু হাতেৰে ছুই নিকিলায়, অর্থাৎ ছুই কিলাবলৈ মাথোন বাকি থয় এই ভাব বুজোৱা হৈছে। এতেকে,—অতিপাত গালি-শপনি পৰা, to abuse violently.

ছুব নোৱৰা—ক্রি, ['নোৱৰা হোৱা' চোৰাঁ]।

ছুবলৈ পালে খাবলৈ পোৱা—ক্রি, কোনো বস্তু ছুই-মেলি চলাবলৈ পালে তাক খাবলৈ চল উলিয়াব পৰা যায়। এতেকে,—কোনো অধিকাৰৰ একাংশ লাভ কৰিলে সর্ব্বাংশ লাভ কৰিবৰ নিমিত্তে সুবিধা উলিয়াব পৰা, to be able to secure the full right if once able to secure just a fraction of it.

ছুৱা-পাত চেলেকা—বিণ, ভাত খোৱাৰ পাচত ছুৱা-পাত পেলাই দিলে কুকুৰ আহি তাক চেলেকে। এতেকে,—কুকুৰৰ দৰে নীচ ও পৰপ্রত্যাশী, slavishly dependent.

ছেলোমন—বি', [ছেলোৱা-মন] নিশকতীয়া মনৰ মানুহ, an imbecile,

ছেলোৱা কপৌ—বিং, খোৱা-চৰাই অর্থাৎ কপৌ, পাৰ, ছাইঠা, পৰঘুমা ইত্যাদিৰ ভিতৰত কপৌটোৱেই সৰু। তাতে যদি তাৰ ছালখন ছেলাই পেলোৱা হয়, তেন্তেলে তাক নিচেই সৰু দেখি। এতেকে,—নিচেই সৰু মানুহ, অতি ক্ষীণ মানুহ, a weakling, an imbecile.

ছোৱা-ছোৱে কাটিলেও এটোপা গাৰ তেজ নোলোৱা—বিণ, ইমান নীৰস যে ছোৱা-ছোৱে কাটিলেও গাৰ এটোপা তেজ নোলায় অর্থাৎ সমূলি ৰস-পম নাইকিয়া, এই ভাব বুজোৱা হৈছে। এতেকে,—আও-টোকোনা, utterly destitute.

জ।

জগত-জাননী পতিত পাৱনী—বিণ, যাক জগতৰ মানুহে জানে আৰু যি পতিত লোকক পবিত্ৰ কৰে। এতেকে,—সুপ্ৰসিদ্ধ আৰু অসাধাৰণ ক্ষমতাশালী, renowned and talented,

জগা কাঠ—বিং, [জেৰা কাঠ] নৈত উটি আহি জেকি থকা কাঠ। এনে কাঠ যতে ততে লাগি পৰি থাকে। এতেকে,—অৱ-চৰ কৰিব নোখোজা এজেৰুৱা মানুহ, a too lazy person.

জড়ভৰত হোৱা—ক্ৰি, পূৰ্ব্ব-কালত ভৰত ৰজাই মৌনব্ৰত অবলম্বন কৰিছিল। তেওঁক তেতিয়া জড়-অৱস্থাপন্ন যেন দেখ যাইছিল। এতেকে,—নমত,—নোবোলা হোৱা, মৌন হোৱা, to become mute.

জধ মুৰ্খ— বিণ [জড় মুৰ্খ] জড়বৎ মূৰ্খ অৰ্থাৎ ঘোৰ মুৰ্খ, a blockhead.

জনম-জাতি কোৱা—ক্ৰি জন্ম-জাতি কথা দি বিষয়ৰ বিৱৰণ কোৱা, আঁতি-গুড়ি কোৱা, to give a narrative of one's life.

জনমতি যোৱা—ক্ৰি, [জনম-টি যোৱা] জনম=জন্মকৰি কাল, গোটেই জীবন। এতেকে,—গোটেই জীবন দুখত অতিবাহিত হোৱা, to be miserable throughout one's life.

জনমৰ দুখীয়া—বিণ, গোটেই জনম দুখীয়া, আজন্ম দুখীয়া, steeped in life-long poverty.

জনাই-নজনাই—ক্ৰি-বিণ, আধা-জনাকৈ আৰু আধা-নজনাকৈ, with partial knowledge, ill-knowingly.

জনাৰ ভাত মাছ—বিং, ভাত মাছ খাবলৈ যত্ন কৰিব নালাগে। যি কোনো কাৰ্য্যত অভিজ্ঞ, সি সেই কাৰ্য্য অনায়াসে কৰিব পাৰে। এতেকে,—অভিজ্ঞ লোকৰ পক্ষে সহজ-সাধ্য কাৰ্য্য, a simple matter to an experienced person.

জয়-কালত ভয় নোহোৱা—ক্ৰি, যেতিয়া কোনো লোকৰ দিন ভাল থাকে, তেতিয়া শত্ৰুৱে তাৰ অহিতসাধন কৰিব নোৱাৰে। এতেকে,—সৌভাগ্য থাকিলে কোনো বিষয়ে ঘাটি হবৰ আশঙ্কা নোহোৱা, to have no reason for apprehension when one's stars are on the ascendant.

জয়-জয় ময়-ময়—বিং, [জয়ময় জয়ময়] 'ময়' সংস্কৃত তদ্ধিত প্রত্যয়। 'জয়ময়' শব্দে 'জয়-পরিপূর্ণ' অর্থাৎ চারিও কালে জয়, এমে ভাব বুজায়। এতেকে,—সর্ব্বাদীন মঙ্গল, triumph all round.

জয়-পাতে জয়—বিং. [জয়মাত্রে জয়] জয় হোৱা মাত্রে জয় অর্থাৎ উন্নতির অব্যবহিত পাচতে অবনতি, fall immediately after triumph.

জয়ে জয়ে—ক্রি-বিণ, জয় উচ্চাবণ কবি কোনো কার্য্য আবম্ভ কবা হয়। এতেকে,—সর্ব্ব-প্রথমে, at the very outset.

জয়-ঢোল কোবোৱা—ক্রি, পূর্ব্ব কালত বণত জয় হলে জয়-ঢোল কোবোৱা বীতি আছিল। এতেকে,—অতি আনন্দিত হোৱা, to be jubilant.

জয় বাম বোলা, জয় হবি বোলা—ক্রি, সবাহত "জয় বাম বোলা, জয় হবি বোলা" এই বুলি নাম শেষ কবা হয়। এতেকে,—কোনো কার্য্য শেষ কবা, to come to the end of anything.

জবাসন্ধ দেৱতাই লম্ভা—ক্রি, জবাসন্ধ পবাক্রমী অসুব বজা আছিল। জবকো এটা অসুব বা অপদেৱতাব কার্য্য বুলি চহা মানুহে ভাবে। জবব অসুবব নাম, উচ্চাবণব সুবিধাৰ বাবি, 'জবাসন্ধ' দিয়া হৈছে। এতেকে,—জ্বব-বোগব দ্বাবা আক্রান্ত হোৱা, to have an attack of fever.

জবী ববকৈ টানিলে ছিগি যোৱা—ক্রি. জবী অলপ চুটি থাকিলে টানিলে ওলায়, আৰু এইদবে টানি গাঁথি দিলে হে বান্ধ কট্‌কটীয়া হয়। কিন্তু যদি জবী ববকৈ অর্থাৎ অতিবিক্তভাবে টনা হয়, তেনেহলে সি ছিগি যায়। এতেকে,—কোনো কার্য্য অতিবিক্তভাবে কুট্‌কটীয়া কবিবলৈ গৈ তাক সমূলি ভ্রষ্ট কবা, to spoil the whole thing in an attempt to make it better than the best.

জল-জল পট পট—বিণ, [জলজলীয়া ফটফটীয়া] জলজলীয়া আৰু ফটফটীয়া বস্তু সকলোবে নিলগবেপবা দেখা পায়। এতেকে—জনাজাত, প্রখ্যাত, conspicuous, distinguished.

জলকীয়াব জালকেই সোৱাদ পোৱা—ক্রি, জলকীয়াই যদিও পোৰে, তথাপি মানুহে সোৱাদ বস্তু যিৰূপে ব্যবহাব কবে তাকো সেইৰূপে হেঁপাহেবে ব্যবহাব কবে। এতেকে,—বাহিবে দেখাত অসুবিধাজনক কার্য্যত তাব কোনো এটা মোহিনী শক্তিব দ্বাবা আকৃষ্ট হৈ লিপ্ত হোৱা, to be associated with anything that is apparenty repuls-

ive but yet exercises peculiar fascination over its subject.

জলত দিয়া থলত দিয়া—ক্রি, জলত জলশাই ডাঙ্গৰীয়া, থলত থলশাই ডাঙ্গৰীয়াৰ নামে উৎসৰ্গ দিয়া হয় অর্থাৎ জলে থলে সকলো ঠাইতে দান কৰা হয়। এতেকে,—অ'ত ত'ত দান কৰা, ইটো সিটো কাৰ বহু মানুহক দিয়া, to spend money in diverse petty ways.

জলাহ-যমুনা ঘোৰ—ক্রি, (জলাহ=জলাশয়, যমুনা=ডাঙৰ জলাশয়।) চাৰিওপেলে পানীৰ উচ্চি পৰা, to be over-flooded all around.

জহনিৰ বুকুত ঘোৰ—বিণ, জহনিক বাঘে খোৱাৰ লগত তুলনা কৰা হৈছে। সেই বাঘে যেনেকৈ বুকুত চাপি জহনিৰ সকলো শক্তি হৰণ কৰে, তেনেকৈ যি কোনো মানুহে যাক বুকুত চাপি ধৰে তাৰ সকলো শক্তি হৰণ কৰে। এতেকে,—অতিশয় ঘোৰ, যাৰ পৰা সকলোৱে কেৱল দেখা পোৱা যায় তেনেকুৱা মানুহ বা বস্তু (গালিৰ অর্থত) worthy of destruction (a term of abuse),

জাক ফুৰা—ক্রি, [জাকত ফুৰা] সঙ্গমৰ নিমিত্তে জাকত ফুৰি ফুৰা। (গৰুৰ খাটি, মতা আৰু মাইকী উভতে।) to walk in company to satisfy sexual craving applied to cattle).

জাকত জিলিকা—বিণ, শুৱনী গাভীৰ গাত জাকত জিলিকি যায়। এতেকে,—শুৱনী, conspicuous, beautiful.

জাকৈয়া ছোৱালী—বিং, জাকৈ বাহ মেলা ছোৱালী অর্থাৎ বাহিৰত ওলাই ফুৰা গাৱঁলীয়া ছোৱালী, a country girl.

জাত এৰা—বিণ, কোনো শস্য যদি নিজৰ জাত এৰে, তেনেহলে ক্রমশঃ তাৰ আকাৰ সৰু হয় আৰু গুণ লোপ পায়। এতেকে,—চেফেৰা, degenerate.

জাত চাই বঠিয়া—বিং, বেয়া জাতৰ কঠিয়া হলে ধান বেয়া হয়; আৰু ভাল জাতৰ কঠিয়া হলে ধান ভাল হয়। এতেকে,—বাপেক মাক চাই লৰা-ছোৱালী, children resembling their parents.

জাতি চন্দন—বিং, জাতি চন্দন অতি দুৰ্ব। এতেকে,—অতি দুৰ্ব মানুহ, a very meek and mild person.

জান-নাজান—বিণ, [জানি-নাজানি] কোতৱাৰা জানি আৰু কেতিয়াবা নাজানি এনেকুৱা অর্থাৎ অতি ক্ষুদ্ৰ, ভালকৈ মণিব নোৱৰা, কম, too minute

or small, infinitesimal,

জানন্ত মোমা—বিং. (সাধুকথা) গাঁওঁৰ ভিতৰত সকলোতকৈ জনা বুলি জানন্ত মোমা নাম পাইছিল। নিগনি কি জন্তু চিনিব নোৱাৰি সকলো মানুহে জানন্ত মোমাক সুধিবলৈ গল। জানন্ত মোমাই মনতে ভাবি চালে :—"ইয়াক পানীত পেলাই চোৱা যাওক। যদি ই তলেই যায়, তেনেহলে হাতী আৰু যদি ওপঙ্গে তেনেহলে পানীকাউৰী।" ইয়াকে ভাবি জানন্ত মোমাই নিগনিটো পানীত পেলাই দিলে। নিগনি পানীৰ তললৈ গোতাই গৈ প্ৰকৃতপক্ষে হাতী এই কথা জানন্ত মোমাই সকলোকে বুজাই দিলে। এতেকে,—জনা বুলি মিছা গণ্ড মৰা মানুহ, an ignoramus, a vain pretender to knowledge.

জাপৰ বাপোৰ—বিং, বাতি শোঁতে কেইবা তৰপীয়াকৈ জাপি হাঁহ কৰি কাপোৰ গাত দোৱা হয়। এতেকে—জোঁত গাত লোৱা কাপোৰ, a cloth used as a covering in bed.

জাৰি জোকাৰি দিয়া—বিং. কোনো বস্তু দি এটাই পাকোটাত যি টুটা এটা লাগি থাকে, পাচত তাক জাৰি জোকাৰি দিয়া হয় বোলে, হৈছে এতেকে—একো বাকি নৰখাকৈ দিয়া, to give away the entire quantity.

জাল পতা—ক্ৰি, পহু ধৰিবৰ নিমিত্তে জাল পত হয়। এতেকে,—অপকাৰ কৰিবৰ নিমিত্তে ফিকিৰ পতা, to plan, design, conspire.

জাল ফালি হৰিণা ঘোৱা—ক্ৰি, জাল পাতি হৰিণা ধৰা হয়। জালত পৰিলে কেতিয়াবা হৰিণাই জাল ফালি পলাই যায়। এতেকে,—শত্ৰুক কৌশল ভেদ কৰি সাৰি যোৱা, to outwit an enemy.

জালকে জকাই বোলা—ক্ৰি. জাল শব্দে এই স্থলত সক ঘোকোটা জাল বুজাইছে তেনে জাল আৰু জকাইৰ আকৃতিৰ ভিতৰত বহু দূৰ সাদৃশ্য আছে মাছ ধৰিবলৈ যেতিয়া ৰবকে লৰালৰি লাগে, তেতিয়া জকাই বিচাৰি গৈ ভুলত জালকে জকাই বুলি জনা হয়, এই ভাঁৱ বুজোৱা হৈছে। এতেকে,—ভুলত এটাক আন এটা বুলি ধৰা, to commit a mistake of identity.

জি-জি—বিং, মাত দুফুটা কেঁচুৱা সৰাই "জি-জি" শব্দ উচ্চাৰণ কৰে। সৰাই

সেই কথাবে মাছ খাবলৈ খুজিছে বুলি মাকে ভাবে। এতেকে,—মাছ। (কেঁচুৱা লৰাৰ সম্পৰ্কে ব্যৱহৃত হয়) fish served in a dish (applied with reference to a baby).

জিবাখন কাটি পেলোৱা—ক্রি জিবাৰ সাহায্যেৰে কথা কোৱা হয়। এবেলি কোনো কথা কৈ তাৰ পাচত নাই কোৱা বুলি আঁসৈ মাতিলে জিবা কাটি পেলোৱাৰ নিচিনা হয়। এতেকে,—এবেলি কোনো কথা কৈ ঘুৰি আঁসৈ যতা, কথা লবোৱা to withdraw a word once spoken.

জিবাৰ পানী ওলোৱা—ক্রি, ভাল বস্তু খাবৰ নিমিত্তে হেঁপাহ হলে জিবাৰ পানী ওলায়। এতেকে,—কোনো ভাল বস্তুৰ নিমিত্তে হেঁপাহ হোৱা, to feel the temptation of anything too strongly.

জিবনীয়া মৌ—বিং, মৌ-জাক উড়ি যাওঁতে বাটত সুবিধাজনক ঠাইত বৈ অলপ পৰ জিৰাই সেই ঠাই এৰি গুচি যায়। এতেকে,—কোনো ঠাইত স্বাৰ্থৰ নিমিত্তে অস্থায়ীভাৱে থকা মানুহ, a person who resides in a certain place temporarily to serve his selfish ends,

জী-মৰা জোৰাঁই—বিং, জীয়েক মৰিলে জোৰাঁয়েকলৈ পূৰ্ব্বৰ দৰে মৰম-চেনেহ নাথাকে। এতেকে,—যাৰপৰা সম্বন্ধ ঘটে সেইজন আঁতৰা যাবে মৰম-চেনেহৰ পৰা বঞ্চিত হোৱা মানুহ, মৰম হেৰুওৱা মানুহ, one losing the love of another on account of the loss of a person dear to both,

জীয়া জুই—বিং, জুইয়ে চেৎচেঙায়। কোনো আপোন মানুহক ডাঙৰ বিপদত পৰা দেখিলেও গা চেৎচেঙায়। প্ৰভেদ এয়ে যে জুই মৰা, কিন্তু বিপদগ্ৰস্ত লোক জীয়া। জীয়া জুইৰ তাপ মৰা জুইৰ তাপতকৈ বেচি বোধ হয়, এই ভাব বুজোৱা হৈছে। জীয়া জুইয়ে আন্তৰিক তাপ দিয়ে, মৰা জুইয়ে বাহ্যিক তাপ দিয়ে। এতেকে,—অত্যন্ত সন্তাপদায়ক, ঘোৰ বিপদগ্ৰস্ত আত্মীয় মানুহ, a beloved person in great affliction.

জীয়া বাৰী—বিং, [গিৰিয়েক জীয়াতে বাৰী] গিৰিয়েক জীয়াই থাকোঁতেই বাৰীৰ তুল্য ব্যৱহাৰ পোৱা জিৰোতা, a neglected wife.

জীয়া ভূত—বি, মানুহ মৰিলে আত্ম গৈ ভূত হয়। ভূতে অত্তপালি কৰে। এই স্থলত জীৱন্ত অৱস্থাতে ভূত বুলি কোৱা হৈছে। এতেকে,—অত্তপালি কৰা মানুহ, অত্যন্ত দুৰ্দ্ধান্ত মানুহ, a person of violent dispcsition, a too wicked person.

জীয়াৰ দিন টুটা—ক্রি, দিন শব্দে কাল অৰ্থাৎ আয়ুস বুজাইছে। (জীয়া=জীয়া মানুহ।) এতেকে—জীৱিত মানুহৰ আয়ুস ক্ৰমশঃ কম হৈ যোৱা, the gradual decreasing of a man's life.

জীয়ই উজান-ভাটি কৰ—ক্রি, শৰীৰৰ ডাঙৰ কষ্ট হলে জীয়টো এবেলি ওপৰলৈ উঠ আৰু এবেলি তললৈ নামে অৰ্থাৎ ওলাই যাবৰ নিমিত্তে অস্থিৰ হয়। এতেকে,—অতিপাত বিপদগ্ৰস্ত হোৱা, to be morbidly afflicted with grief.

জীয়ন্তে মৰা—ক্রি, জীয়ন্ত অৱস্থাতে মৰাৰ দৰে হোৱা অৰ্থাৎ মহাকষ্টত পৰি মৃত্যুপ্ৰায় হোৱা, to be overwhelmed by the direst calamity.

জুই খোৱা—ক্রি, জুই খালে শৰীৰৰ অভ্যন্তৰ পুৰি যায়। ডাঙৰ বিপদত পৰিলেও চিন্তাত আভ্যন্তৰিক দাহ উপস্থিত হয়। এতেকে,—ডাঙৰ বিপদত পৰা, to run into great danger.

জুই দিলে মুখ নোপোড়া মানুহ—বিং, যি মানুহে মুখেৰে অতিকৈ কথা কব পাৰে, তাৰ মুখৰ তেজ বৰ চোকা বোলা হয়। জুইৰ তেজো চোকা। জুইৰ তেজতকৈ মুখৰ তেজ চোকা হলে, জুইয়ে মুখক বিঘাত কৰিব নোৱাৰে। এতেকে,—অতিপাত চোকা মুখৰ মানুহ, a person having an acrimonious tongue.

জুইত জাঁপ দিয়া—ক্রি, ডাঙৰ বিপদক জুইৰে তুলনা কৰা হৈছে। সম্মুখত ডাঙৰ বিপদ দেখিও তাত গৈ পৰা যেনে, জাঁপ মাৰি জুইত পৰাও তেনে বোলা হৈছে। এতেকে,—দেখাদেখি ডাঙৰ বিপদত উপযাচি পৰা, to court great danger deliberately.

জুইত জাহ যোৱা—ক্রি, ফড়িং আদি জুইত পৰিলে যেনেকৈ জাহ যায়, মানুহো ডাঙৰ বিপদত পৰিলে তেনেকৈ জাহ যায় বোলা হৈছে। এতেকে,—ডাঙৰ বিপদত পৰি সমূলি ধ্বংস পোৱা, to be completely ruined by deliberately running into great danger.

জুইয়ে ধরা দিবে— ক্রি. বতাহে লাগি বাগি জুইয়ে ওচরত কা মনুহক পেদি খোঁচ মরে। এতেকে,— টনকৈ তাগিদা করা, to make an insistent demand for anything.

জুই-আঙঠ কাপোরেরে ঢাকি থব লোৱা— ক্রি. যদি জুইর আঙঠা কাপোরেরে ঢাকি দিব যায়, তেনেহলে কাপোরেরে পুড়ি আঙঠা ওলাই পরে। সেইরূপে, মনুহর প্রকৃত গুণ অবৃত করি রাখিব পরা নায়; সি যেন তেন প্রকারে প্রকাশিত হয়। এতেকে,— প্রকৃত গুণ লুকাই রাখিব নোৱাৰা, to be unable to suffocate real genius by opposition.

জুই-ছাই দর— বিং, [জুই যেন তপত ছাই দর] বেছ তাত ছুই চুব নোৱাৰি। কোনো বস্তুর দর অতিরিক্ত হলেও তাক চুব নোৱাৰি অর্থাৎ কিনি হাতত লব নোৱাৰা। এতেকে,—অতিরিক্ত মূল্য, বিনিব নোৱাৰা বেচ, prohibitive price, excessive value.

জুই-পানী অসঙ্গার হোৱা— ক্রি. দুবর মনুহর হিতবত ডঙ্গর শত্রুতা চলিলেই ঘবর পর সি ঘরলৈ জুই আরু পানীর চল-চলা বন্ধ হয়। জুই আরু পানী জীবনযাত্রার নিমিত্তে প্রধান লাগতিয়াল আরু সেই দুটা বস্তু যতে তাতে বিনা মূল্যে পোৱা যায়। জুই আরু পানীর মূল্য নাই আরু সেই দুই বস্তু খোজনীয়াক নিদিলে মহাপাপ হয়। এতেকে,— ভয়ানক শত্রুতা হোৱা, to be on terms of bitterest enmity.

জুইশালত গঢিলে কমাৰশালত গঢ়িব পরা— ক্রি, কমাৰে নিজ ব্যবহাৰর নিমিত্তে কাম চলাব পরাকৈ জুইশালত অস্ত্র তৈয়াৰ করি প্রথম কাম শিকে। অভিজ্ঞতালাভ করিলে পাচত কমাৰর বৃত্ত ধরি বেচিবর নিমিত্তে উত্তম অস্ত্র কমাৰশালত তৈয়াৰ করে। এতেকে,—সক কাম করি শিক্ষা হলে হে ডাঙর কাম করিব পরা, to be able to do an important business by being trained from the humblest stage.

জুগলি— বিং, [যুগলি] যাক যোগান দিয়া যায় অর্থাৎ আহাৰ দিয়া যায় সি, পেট। (বিদ্রূপ-প্রয়োগ।) stomach (used ironically).

জুলীয়া গুড়— বিং, গুড় জুলীয়া হলে সি একে ঠাইতে নাথাকে, যেনিয়ে সুবিধা পায় তেনিয়ে বাগবি যায়। সেইরূপে যি মানুহর মতর স্থিরতা নাই, সিও

যেনি সুবিধা পায় তেনি বাগৰি যায়, অর্থাৎ সেই ফালটোকে মত পৰিবৰ্ত্তন কৰে। এতেকে—অস্থিৰ মতি মানুহ, one without a fixed principle of his own, an irresolute person, a waverer.

জুপুৰা হাবিত বাঘ থকা—ক্রি, (জুপুৰা=সৰু) চৰাইৰ জুপুৰ হাবি থাকে, আৰু তাত গৰু মহ চৰে। গৰু মহ ধৰিবৰ নিমিত্তে বাঘ ডাঙৰ হাবিপৰা আহি যেন ঠাইত আহাৰ বিচাৰি ফুৰে। এতেকে—সৰু সুধা কাষাত ডাঙৰ ভয়ৰ কাৰণ থকা, the happening of danger in small matters.

জুলুকি জুলুকি শিৰোৱা—ক্রি, [জোলোকা জোলোকে শিকোৱা] ভাত বেঞ্জাৰত টেটু শুকায়, তেতিয়া জোলোকা-জোলোকে পানী থব লাগে। এই স্থলত কোৱা হৈছে যে এনে শিকনি দিয়া হয়, যে মানুহটাৰ জোলোকা-জোলোকে পানী থব লগীয়া হয়। এতেকে,—উগ্র দণ্ড দিয়া, নানা প্রকাৰ আতকাল কৰা, to punish severely, to annoy in different ways

জেঠ-মহী। পকা আম যেন সেই জোপাই সোৱাদ হোৱা—ক্রি, আম কেঁচা অৱস্থাত টেঙা হৈ থাকে, পাকিলে সোৱাদ হয়। স্বভাৱতে কোনো আম টেঙা আৰু কোনো আম সোৱাদ। কিন্তু পকিলে সকলো-বিলাক আম সোৱাদ হয়। জাতত আম টেঙা নে সোৱাদ, কেঁচা অৱস্থাত খাই চালে হে চিন পোৱা যায়। জেঠ মাহত সকলো আম পাকে। এতেকে,—উপযুক্ত সময়ত যেই সেই বস্তু সোৱাদ হোৱা, the turning out of anything to be sweet in its proper time.

জেবেঙ্গাল নিয়া—ক্রি আহোম ৰজাৰ দিনত শিৰসাগৰৰ ওচৰত জেবেঙ্গা পথাৰত অপৰাধীক প্রাণদণ্ড দিয়া হৈছিল। এতেকে,—প্রাণদণ্ড দিয়া, to condemn a person to death.

জোকৰ মুখত চুণ দিয়া—ক্রি, জোকৰ মুখত চুণ দিলে সি তৎক্ষণাৎ মৰি যায়। এতেকে,—যাক যি প্রকাৰেৰে ঘটুৱাব লাগে তাক সেই প্রকাৰেৰে ঘটুওৱা, to punish a person appropriately.

জোখা লগা—ক্রি, নিয়মিত জোখত লগা। (অধিকাংশ স্থলত ব্যঙ্গার্থত ব্যৱহৃত হয়। তেতিয়া তাৰ অর্থ ওলোটা হয়, যেনে—নিয়মিত জোখত

নলগা। তাৰপৰা অসুবিধা হওঁতাৰ বা লেঠা লগা।) to be well proportioned, symmetrical, harmonious concordant. (Often used ironically, when it bears the opposite meaning, to be ill-proportioned unsymmetrical, unharmonious, discordant Thence, to be put to inconvenience).

জোৰ পুড়ি ববলাৰ হাত পোৱা—ক্রি, জোৰ লাহে লাহে পুড়ি চুটি হৈ যায়। জুই হাত পাবলৈ অলপ থাকোঁতেই ঘৈণীয়েকে গৈ আন এতাঁৰ জোৰ দিয়ে গৈ। কিন্তু ববলাৰ ঘৈণীয়েক নোহোৱাত তাক আন এতাঁৰ জোৰ দিওঁতা মানুহে নোলায়। কাজে-কামেহে জোৰ পুড়ি গৈ জুইয়ে ববলাৰ হাত পুড়িবৰ উপক্রম কৰে বোলা হৈছে। ববলাৰ ভাল গৃহস্থালি হব নোৱাৰে। 'ববলা' শব্দ নিঃসহায়তাৰ ভাব বুজাইছে। এতেকে,—কোনো এটা বিষয়ত সহায়-সাৰথীহীন মানুহৰ অৱস্থা শোচনীয় হোৱা, the going down of the affairs of a person without help to the extreme limit.

জোৰৰ আগত বাতি—বিং. (বাতি=চাকি।) জোৰৰ পোহৰ ডাঙৰ। তাৰ আগত চাকিৰ পোহৰ নিজিলিকে। এতেকে,—ববলোকৰ আগত ক্ষমতা বুজাব নোৱৰা সাধাৰণ মানুহ, an insignificant fellow in the presence of an illustrious personage.

জোৰা দি কোৱা—ক্রি. [মিছা জোৰা দি কোৱা।] বঢ়াই কোৱা, to exaggerate.

জোৰাই দিয়া—ক্রি. মুখেৰে জোৰা পাতি দিয়া অর্থাৎ মতা হলে মাইকীৰে আৰু মাইকী হলে মতাৰে জোৰা লগাই কথা কোৱা, to speak of person as pairing with another of the opposite sex.

জোল ওলোৱা—ক্রি, কোনো বস্তু চেপিলে জোল ওলায়। এতেকে,—হেঁচা-টেপাত কষ্ট পোৱা, ডাঙৰ অসুবিধা পোৱা, to be put to much inconvenience.

জোলে জোৰা—ক্রি, ['জোল ওলোৱা' চোৱা।] ইমান সবহকৈ জোল ওলায় যে সেইখিনিয়েই জোৰে। (ব্যঙ্গার্থত ব্যৱহৃত হৈছে।) এতেকে,—বহুকষ্ট পোৱা, to be distressed.

জাতিয়ে অগা-ভেটা নকৰিলে গঙ্গা পাব গৈ পৰা—ক্রি, কোনো কুকুৰে অচিনাকি কুকুৰ বাটত দেখিলে তাক অগা-ভেটা কৰি কামোৰা-কামুৰি কৰে। কুকুৰে একেবাহে ভাগৰ নলগাকৈ গৈ থাকিব পাৰে। সি কয়:—"মোক যদি জাতিয়ে অগা-ভেটা নকৰিলেহেঁতেন, মই গৈ গঙ্গা স্নান কৰি সদ্গতি পাব পাৰিলোঁহেঁতেন। এতেকে,—জাতিৰ বাধা নাপালে বহু উন্নতি কৰিব পৰা, to be able to rise to eminence but for obstacles put in one's way by kith and kin.

জানে গৰকা—ক্রি, [জানেৰে গৰকা] কোনো বস্তু ভৰিৰে গৰকিলে সি লেও-সেও হয়। কথাৰো কঠিনতা ভাগিলে আৰু ভাল-ৰূপে বুজিলে সি লেও-সেও হয়। এতেকে,—কোনো কথা পৰে মোকোৱাকৈ নিজ-জ্ঞানৰ দ্বাৰা ভালৰূপে বুজি লোৱা, to consider within one-self the *pros* and *cons* of anything.

জ্বলা জুইত হাত সুমোৱা—ক্রি, জ্বলি থকা জুইত হাত সুমালে সি পুড়ি-দেই যায়। এতেকে,—দেখাদেখি ডাঙৰ বিপদত উপযাচি পৰা, to embrace danger deliberately.

জাল খোৱা—ক্রি, কোনো মানুহক বৰকৈ মাৰ-কীল কৰিলে তাৰ গাত বিষ হয়। তেঁতিয়া সি যদি জাল খায়, তেনেহলে বিষ কমে। এতেকে,—বৰকৈ মাৰ-কীল খোৱা, to be beaten soundly.

জালত দিয়া সোণ—বিং, সোণ জালত দিলে অর্থাৎ জুইত পুড়িলে সি অতি উজ্জ্বল হয়। এতেকে,—অতি শুবনী মানুহ, a bright and beautiful person.

জালে-জোলে খোৱা—ক্রি, দুখীয়া মানুহৰ আঞ্জা পাচলি নথকাত জুলীয়া হয়। তাকে সিহঁতে জলকীয়া বা জালুকৰ জাল দি খায়। এতেকে,—দুখীয়া খাবনেৰে খোৱা, to live on a plain diet.

ট।

টকালি [illegible] উপাদেয় বস্তু [illegible] তাহাকে লাগি টকালি করা [illegible] শব্দ হয়। এতদেশে,—গুড়ের ভোজন করা to eat with a relish.

টং করি চে[illegible] [illegible] [illegible] তৎক্ষণাৎ সহজ কথা [illegible] to understand a child's explanation.

[illegible] [illegible] [illegible] করা] হাত ঘোরান [illegible] ঠেকা হয়। এ অর্থে—হাত নাড়া। [illegible] হাতের ঠারের দ্বারা; [illegible] হাত ঘুরাইয়া [illegible] করিতে শুদ্ধ হাত নাড়া দিলে বোঝায় to move one's hand. Hence, to communicate anything by signalling with the hand, to show by a mere turn an empty hand

টং টাং—বং, টং-গুটিকে [illegible] কুড়িয়াই নৈ [illegible] কুড়ওয়া মানুহ, ঠোঙ্গোনি খাই কুৰা মানুহ, one who is tossed about as a play-ball, a person receiving indignities from all quarters.

টাঙোন জোকোৱা—ক্রি, মানুহে মাৰ-বিল কৰিবৰ নিমিত্তে মাতু হৈ টাঙোন জোকাৱে। এতেকে,—মৰিয়াবলৈ উদ্যোগ কৰা, ভয় দেখুওৱা, to show fight, to threaten.

টান পালে ৰাম বোলা—ক্রি, (টান=টান অৱস্থা, কষ্ট, বিপদ।) সম্পদৰ কালত ঈশ্বৰক পাহৰি থকা যায়, বিপদত হে ঈশ্বৰৰ প্ৰতি ভক্তি জাগৃত হয়, এনে ভাব বুজোৱা হৈছে। এতেকে,—কষ্ট পালে ঈশ্বৰৰ নাম কৰা, to remember God only in times of adversity.

টানি-আজুৰি কৰা—ক্রি, যেনে তেনে উপায়েৰে কষ্ট কৰি কৰা, to act with a great deal of inconvenience.

টানি-মানি—ক্রি-বিণ, ('মানি' অনুৰূপ শব্দ।) অতিকৈ টানি অর্থাৎ যদিও অতিকৈ টানি ধৰা হয় তথাপি, at most.

টিক্‌চি-বিক্‌চি উঠা—ক্রি, টিকচি=টিঙ্গত চৰি। 'বিক্‌চি' অনুকাৰ শব্দ। থং টিঙত অর্থাৎ মুৰত চৰি মানুহটো বহা অৱস্থাৰ পৰা উঠে ঘোলা হৈছে।

খং উঠিলে মানুহ উঠে আৰু পুৰণি নিমিত্তে সাজু হয়। এ তকে.—ক্রোধত উগ্রমূর্ত্তি ধৰা, to be furiously excited.

টিকনিব আগত খং উঠা ক্রি, খং উঠিলে তেজ দুবলৈ উঠে। এই স্থলত কোৱা হৈছে যে তেজ যেমান ওপৰলৈ উঠিছে, সিমান দৈ টিকনিৰ আগ পায়গৈ। এতেকে,—অতিকে খং উঠা, to be highly excited with anger.

টিকা ভগা— ক্রি, গাই-গৰু পোৱালি দিয়াৰ পূৰ্ব্বলে দুই টিকাত অলপ খোল হয়। এতেকে,—গাই-গৰুৰ পোৱালি দিয়াৰ সময় উপস্থিত হোৱা, the coming of the time of delivery of a cow.

টিকাত গুৰিয়াওক খাবলৈ নেৰা —ক্রি, উপাদেয় বস্তু খাবলৈ বহিলে, কোনো মানুহে যদি টিকাত গুৰিয়াই খাবলৈ হাক দিয়ে, তথাপি খাবলৈ নেৰে। এতেকে— কোনো উপাদেয় বস্তু খাবলৈ হাক দিলেও নাথাই থাকিব নোৱাৰা, not to cease eating a delicacy at any cost.

টিকাত চাপৰ মৰা—ক্রি,ঢোলৰ অভাৱত টিকাত চাপৰ মৰা অর্থাৎ আনন্দত মতলীয়া হোৱা, to be transported with joy.

টিকাৰ ছাল ছেলিলেও কথা নেৰা— ক্রি কোনো মানুহক ধৰি চোচাৰাই টানি নিলে তাৰ টিকাৰ ছাল ছেলি যায়। এই স্থলত কোৱা হৈছে যে তেনে কৰাতে নিজৰ কথা নেৰে। এতেকে,—গা ধলেৰে ধৰিলেও কথা নেৰা, আঁকোৰগোঁজালিকৈ নিজৰ মতত ধৰি থকা, to adhere to one's opinion dogmatically at any cost.

টিকা-ফটা ৰ'দ— বিং, (টিকা=ৰবি মাটি, ওখ ঠাই।) টান ৰদত টিকা চিৰাচিৰে ফাটে। এতেকে. টান ৰ'দ, scorching sunshine.

টিঙনা নাওত ওপৰ-ভৰা হোৱা—ক্রি, টিঙনা নাওত ওপৰ-ভৰা হলে সি কাতি হৈ বুৰি যায়। এতেকে,—যিমান চঙালিৰ পৰা যায় কোনো কাৰ্য্যৰ ভাৰ তাতকৈ অধিক হোৱা, to be over-burdened.

টিঙিৰি তুলা হোৱা—ক্রি, (টিঙিৰি তুলা=টিঙিৰি মৰা মাত্ৰেই খপ-কৰে জ্বলি উঠা তুলা।) আগৰ দিনত টিঙিৰি মাৰি তুলাৰে জুই ধৰি ৰখা হৈছিল। এতেকে,—খপ-কৰে খঙত জ্বলি উঠা, হঠাৎ অগ্নি-মূর্ত্তি ধাৰণ কৰা, to be suddenly excited with anger.

টিলিকিতে উৰাই দিয়া—ক্রি, কোনো মানুহক একেবাৰে গণিতা নকৰিলে তাক

উৰাই দিয়া যায় অর্থাৎ তাৰ অস্তিত্বকে নামানে। টেলাই নকৰা বুজাবলৈ মানুহে টিলিকি মাৰি কথা কয়। এতেকে, সমুলি টেলাই নকৰা, to show utter disregard of any one.

টুকবিয়াই চোৱা—ক্রি, কোনো বস্তু টুকবিয়াহ চালে সি খোঁপোলা নে শাহ-পকা বুজিব পাৰি। এতেকে,—উমান লোৱা, গঢ়-গতি বুজা, to sound one's mind,

টুটকীয়া নহলে গাঁও নবহা—ক্রি, নতুনকৈ কোনো এঠাইত গাঁও বহাবলৈ হলে টুটকীয়া মানুহ গৈ নানা প্রকাৰ কথা লগাই আনি গাঁওবপৰা মানুহ ভগাই আনে। এতেকে,—সকলো কাৰ্য্যতে টুটকীয় মানুহৰ আৱশ্যক, থকা, the turning out of a slanderer to be useful in some way in any affair.

টুটকীয়া নাৰদ—বিং, নাৰদৰ দৰে টুটকীয়া কথা কোৱা মানুহ, লগনীয়া মানুহ, a slanderer, a backbiter.

টুপাই বুৰ মৰ,—ক্রি, বুৰ মাৰোঁতে টুপুং কৰে শব্দ হয়। বুৰ মাৰিলে মানুহটো তৎক্ষণাৎ লুকাই যায়, পানীৰ তলে তলে সি কেনি যায় কোনেও ওত ধৰিব নোৱাৰে। এতেকে,—খিতাতে গা লুকুওৱা, কোনো এটা কাৰ্য্য কৰি গ নেদেখুৱাই সুৰুক-কৰে আঁতৰি যোৱা, to escape after doing a thing without showing one's hand, to disown authorship of an action after having done it, to disappear suddenly.

টেৰ-টুকি দিয়া—ক্রি, [টাৰি টুকি দিয়া] তেলৰ টাৰি টুকি দিয়ে অর্থাৎ টাৰিত তেলৰ শেষ নোথোৱাকৈ তেনেই দিয়ে বোলা হৈছে। এতেকে,—বাকি নোহোৱাকৈ দিয়া, তেনেই দিয়া, to give away wholly and completely.

টেৰু-টেকী বাই—বিং, টেৰু-টেৰু-কৰে কথা কৈ থকা অর্থাৎ প্রগল্‌ভা তিৰোতা, a noisy woman.

টেকাম-টেকামকৈ খোৱা—ক্রি, খাওঁতে জিবা অধিকৈ লৰচৰ কৰিলে টেকাম-টেকাম শব্দ হয়। এতেকে,—তৃপ্তিৰে খোৱা। (ব্যঙ্গার্থত ব্যৱহৃত হয়।) to eat with a gusto (used ironically).

টেকেলি দিয়া—বিং, বিয়াত দৰালি ধৰীয়া মানুহে কন্যাক নোৱাৰৰ নিমিত্তে

টেকেলিবে পানী দিয়া উৎসর্গ, the ceremony of giving water for the bath of the bride in a wedding.

টেকেলি-পেটা—বিণ, টেকেলির নিচিনা পেট থকা, বর পেটুরা, pot-bellied, Having a prominent belly.

টেঙৰৰ ডিঙিত ঢোল লগা—ক্রি, ঢোল ডিঙিত লাগিলে বেগতে নেৰায়। অৰ্থাৎ মানুহৰ ঢোল ডিঙিত লাগে অৰ্থাৎ ঢোল লাগিলেও সি বেগতে তাক এৰিব পাৰে, কিন্তু টেঙৰৰ ঢোল ডিঙিত লগাৰ লিচিতে তাৰ সাৰিবলৈ টান পৰে। এই স্থলত বিপদক ঢোলেৰে তুলনা কৰা হৈছে। এতেকে,—টেঙৰ মানুহে টেঙৰালি কৰি ঘুৰোঁতে দেখাং ধৰা পৰি বিপদত পৰিলে সাৰিবলৈ টান হোৱা the entangling of a cunning person in an inextricable difficulty.

টেঙৰৰ সাতোটা গুণ থকা—ক্রি, সাতোটা = বহু সংখ্যক। 'গুণ' শব্দে এই স্থলত দুগুণ অৰ্থাৎ ফিকিৰ বুজাইছে। এতেকে,—টেঙৰ মানুহৰ বহু ফিকিৰ থকা the possessing of very many artifices by a clever person.

টেঙা আম এবেলি বেচিব পৰা—ক্রি, টেঙা আম মানুহে জানি-শুনি নিকিনে। বেচোঁতাই টেঙা আমকে মিঠা বুলি ফাঁকি দি কেতিয়াবা বেচে। এই স্থলত কোৱা হৈছে, তেনে-ৰূপে সেই জন মানুহে এবেলি মাথোন বেচিব পাৰে, কিয়নো পিচলৈ তাৰপৰা আৰু সেই মানুহে কেতিয়াও আম নিকিনে। এতেকে—গোটেই জীৱনত কোনো মানুহক এবেলি মাথোন ঠগিব পৰা, to be able to deal with a person badly only once during one's life time i. e. for the first time only after which one is found out and avoided during the rest of his life.

টেঙা দিয়া—ক্রি, টেঙা বস্তু খাবলৈ দিয়া। এতেকে,—বেজাৰ-অসন্তোষ দিয়া, to displease.

টেটুত ক্ষুৰ দিলেও ফুটা কড়ি এটা নোলোৱা—বিং, যদি ডকাইত আহি টেটুত ক্ষুৰ দি কয় "এটা ফুটা কড়ি উলিয়াই দে, নহলে তোক কাটি পেলাম" তথাপি সি সিমানকে উলিয়াব নোৱাৰে। এতেকে,—নিচেই টোকোনা মানুহ, poorest of the poor.

টেটুত ডোল এডাল দিয়া—ক্রি, টেটুত ডোল বন্ধা থাকিলে গকরে মৈলেকে ইচ্ছা করে তৈলেকে যাব নোৱাৰে। সেইৰূপে মানুহে তিৰোতা বিয়া কৰিলে মুকলি-মুৰীয়াকৈ ঘৰ এৰি ফুৰিব নোৱাৰে। এতেকে,—বিয়া কৰাই দিয়া, (মত, মানুহৰ সম্পৰ্কে খাটে।) to get a man married.

টেটুলৈকে ধাৰ—বিং, ধাৰৰ পৰিমাণ ক্ৰমাণ অধিক বোলা হৈছে যে আৰু অলপ যদি ধাৰ বাঢ়ে তেনেহলে মানুহটো মলমূলি পোত যাব। এতেকে,—অপৰিমিত ধাৰ, heavy debt.

টেটোন টামন—বিং, টেটোন আৰু টামন নামেৰে দুটি শিয়াল ভাই-ককাই আছিল। এতেকে,—অতি ধূর্ত্ত মানুহ, a too cunning fellow.

টোকু-টোকু টাকু-টাকুকৈ থক,—ক্রি, হাঁহে বোকা-পানীত ঠোঁটেৰে টোৰ-টোক টাক-টাক কৰি থাকে। এতেকে,—দুখীয়া চলন ও মিলাপ্ৰীতিভাবে কাল-যাপন কৰা, to lead a humble life.

টোকোৰা পঁজা—বিং, পঁজ = জুপুৰি ঘৰ।) টোকোৰাৰ বাহৰ নিচিনা বাসস্থান। সমূলি দুখীয়া ঘৰ, a wretched hut.

টোকোৰা লথিওৱা দিয়া—ক্রি, (সাধুকথা) চৰায়ে বাহ কেনেকৈ বান্ধিব লাগে এই কথা ঈশ্বৰে টোকোৰাৰ আগত বুজাই দিলে। টোকোৰাই আন আন চৰাইক সেই বিদ্যা নিশিকালে। সেই অপৰাধত আটাইবিলাক চৰায়ে টোকোৰাৰ মুৰত লথিয়াবলৈ ধৰিলে। তেতিয়াৰপৰা টোকোৰা লথামুৰা হ'ল। এতেকে,—বহু মানুহে গোট খাই কোনো এজনক গাই-পতি অলপ-অচৰপ মাৰকিল কৰা the causing of some slight injury to one by each of a crowd of men.

টোটক-নাটক কৰা—ক্রি, [টুটক-নাটক কৰা] তালৈ টুটক অর্থাৎ কমক, তালৈ নাটক অর্থাৎ নোজোৰক এনেভাৱ কৰা, সামান্যভাৱে কপটাচৰণ কৰা, to act in a jealous spirit in petty affairs.

টোপ পৰিবলৈ নিদিয়া—ক্রি, চৰায়ে পোৱালিক টোপ খুৱাওঁতে মুখতে মুখ সুমাই দি খুৱায়, টোপ মাটিত পৰিবলৈ নিদিয়ে। এতেকে,—অতি চেনেহেৰে পালন কৰা। to foster with utmost solicitude, to bring up with tender care.

টোপনি-খকুৱা—বিণ, টোপনিলৈ থক অর্থাৎ হেঁপাহ থকা, অধিকৈ শুই থকা, heavy with sleeping.

টোপনিয়ে জোকোৱা—ক্রি, প্রাণী মানুহে যেনেকৈ শুবলৈ জোকায় টোপনিয়েও তেনেকৈ শুবলৈ জোকায় বোল হৈছে। এতেকে,—টোপনি আহিব পোন্ধা, to be inclined to sleep, to be heavy with sleepiness.

টোপা-কাঁড়টো মোহা দি যোৱা—ক্রি, টোপা কাঁড় অতি বেগেৰে যায়। এতেকে,—অতি বেগেৰে যোৱা, to travel with almost celerity.

টোপা খহ—বিং, টোপা খহ দেখিলে ঘিণ লাগে। এতেকে,—ঘৃণনীয় মানুহ, a disgusting person.

ঠ।

ঠোঁট-কটা কাউৰী—বিং কাউৰীয়ে ঠোঁট এছাবি বমলিয়াই ফুৰে। তাৰ ঠোঁটিৰ আগটো যদি ৰ টি দিয়া যায়, তেনেহলে সি অতিৰিক্তভাবে ঠোঁট এছাবি বমলিয়াবলৈ ধৰে। অতিৰিক্তভাবে যিহকে তিহকে কথা কৈ ফুৰা মানুহক এনেকুৱা কাউৰীৰে সৈতে তুলনা কৰা হৈছে। এতেকে,—অনৰ্থক বলকি ফুৰা নিলাজ মানুহ, a shameless person with an unrestrained tongue.

ঠোঁট মুখ চেলেক,—ক্রি, লুভীয়া বস্তু আগত দেখিলে খাবৰ নিমিত্তে হেঁপাহ হৈ মানুহে ঠোঁট অৰ্থাৎ ওঁঠ আৰু মুখ চেলেকে। এতেকে,—ইচ্ছা থকা স্বত্বেও কোনো বস্তু নোপোৱা to be disappointed for not obtaining a thing which is very much desired.

ঠন ধৰা—ক্রি, [ঠানি ধৰা] ঠানি ওলালে গছৰ শ্ৰী বাঢ়ে। মানুহক গছেৰে তুলনা কৰা হৈছে। এতেকে,—ধন-সম্পত্তি বঢ়া, to be well off, to be thriving or prosperous.

ঠাই দি টপটপনি শুনা—ক্রি, যদি কোনো মানুহক থাকিবলৈ ঘৰত ঠাই দিয়া

হয়, সেইহলে সি সেই বাবে প্রয়োগ হব লাগে। এই স্থলত কোৱা হৈছে যে শব্দাগ লোৱা দুবত থাকোক সি নানা প্রকাৰ আমোদাঁহ ধৰি গিৰিহঁতৰ আগত নানা প্রকাৰেৰে উপ্টপাহ কথা কৈ থাকে। এতেকে,—কোনো মানুহক আশ্রয় দিয়া সি শব্দাগ হৈ নানা প্রকাৰৰ আমোদাঁহ ধৰা, to hear complaints from a protege for shortcomings made instead of expressions of gratitude for benefits received.

ঠাই নাইকিয়া—বিণ, কোনো বস্তু অতিৰিক্ত হলে যেনেই ঠাই নাইকিয়া হয়। এতেকে,—অতিৰিক্ত, অপৰিমিত, অসংখ্য, excessive, plentiful, innumerable.

ঠৰঙ্গা পচলা—বিং, মানুহে কল-পুলি পচলা কৰি খায়। কল-পুলিৰ ডাঙৰ-পাত নাথাক, আৰ তাত খোক নহয়। কাহ কৰিলেও সি ঠৰঙ্গা হৈয়েই থাকে, হালি-ডালি নাযায়। এতেকে,—ঠৰঙ্গা হৈ থকা অর্থাৎ নৰচৰ নকৰা মানুহ, বন্ধ কৰিলেই অভিজ্ঞক মানুহ, one who is too lazy to move, an extremely indolent person.

ঠেং নচুৱাই থকা—ক্রি, বন-বাৰি নোহোৱা মানুহ বহি বহি ঠেং জোকাৰি থাকে। এতেকে,—এলাহুত কালহৰণ কৰা, to spend time idly

ঠেঙৰ ওপৰত ঠেং তোলা—ক্রি, সুখীয়া মানুহে আয়মেৰে ঠেঙৰ ওপৰত ঠেং তুলি থাকে। এতেকে,—আয়মেৰে থকা, সুখ-স্বচ্ছন্দতা উপভোগ কৰা, to lead a life of ease and comfort.

ঠেং-তলে যোৱা—বিণ, ঠেং শৰীৰৰ সকলো অবয়বৰ তলত থাকে। কোনো মানুহৰ ঠেঙৰ তলে দি যি মানুহে সৰকি যায়, সেই সৰকি যোৱা মানুহটো প্রথম মানুহতকৈ বহু গুণে নাম খাপৰ বুলি বুজা যায়। এতেকে,—অতি অধম, inferior beyond comparison.

ঠেক ছিগা—বিণ, গছৰ ঠেক ছিগিলে সি উদগতি কৰিব নোৱাৰে। মানুহক গছেৰে তুলনা কৰা হৈছে। এতেকে,—প্রধান অবলম্বনশূন্য, destitiute of the principal support.

ঠেলিয়াই কোৱা—ক্রি, এনেকপ ঠেলা মাৰি কথা কোৱা হয়, যে সেই কথা ঠেলা

খাই কোনো নির্দ্দিষ্ট মানুহৰ ওচৰ চাপে অর্থাৎ সেই কথাৰ দ্বাৰা সেই মানুহৰ সম্পৰ্কে কোনো কথা সঙ্কেতেৰে বুজোৱা, to speak anything regarding a person by insinuation.

ঠোঙ্গোনা খোৱা—বিণ, মাখিলে মাখিলে ঠং ঠং কৰে শব্দ হয়। 'ঠঙ্গনা' শব্দে ঠং-কৰে কৰা প্ৰহাৰ বুজায়। 'ঠোঙ্গোৱা' শব্দ 'ঠঙ্গনা' শব্দৰ ৰূপান্তৰ। এতেকে,—মাৰ-ধিল খোৱা অর্থাৎ পৰৰ দ্বাৰা লাঞ্ছিত, অপমান, subject to indignities, vile.

ড।

ডঁবিত বান্দৰ নচা—ক্রি, নাচোন এটা টান কার্য্য। বান্দৰ জনা-জাত দুষ্ট জন্তু। মৰিয়াই-খটিয়াই তেনে টান কার্য্যকো বান্দৰৰ দ্বাৰাই কৰোৱা হয়। এতেকে,—দণ্ডৰ ভয়ত দুঃসাধ্য কার্য্যকো কৰিব পৰা, to be able to do even a piece of difficult work under the fear of punishment.

ডাঁহী সাপ—বিং, এই সাপ পৰ্ব্বতত থাকে বুলি কয় আৰু ইয়াৰ থং ইমান বেচি যে ই হেনো আকাশে দি উড়ি আহে। এতেকে,—অত্যন্ত ক্রোধী স্বভাৱৰ মানুহ, an extremely angry person.

ডবনি পিটি খোৱা—ক্রি, [ডবা পিটি খোৱা] 'অতিৰিক্ত ভোজন কৰা'ক 'ধুম-ধুম কাৰ খোৱা' বোলে। ডবা পিটিলেও ধুম-ধুম কৰে শব্দ হয়। এতেকে,—অতিৰিক্ত ভোজন কৰা, to eat enormously.

ডবনিকৈ খোৱা—ক্রি, [ডবা-সমানকৈ খোৱা] অধিকৈ ভোজন কৰা, to eat too much.

ডবা-কানীয়া—বিং, ডবা-ধোৱাঁ খোৱাত কানি-টিকিবা পুড়ি খোৱা কানীয়া, ডাঙৰ কানীয়া, a confirmed opium-eater.

ডবা কোবোৱা—ক্রি, ডবাক মানুহেৰে বিজোৱা হৈছে। ডবাৰ ছাল=মানুহৰ পিঠি। ডবাৰ মাৰি=মানুহক কোবোৱা এচাৰি। এতেকে,—ডবাক যি-ৰূপে কোবায় সেই-ৰূপে কোবোৱা, ৰৱকৈ মাৰ-কিল কৰা, to beat severely.

ডলাৰ বগৰি—বিং, ডলাৰ বগৰি একে ঠাইতে নাথাকে। ডলাখন অলপ লৰিলেই বগৰিবিলাক যেনিয়ে তেনিয়ে বাগৰি ফুৰে। এতেকে,—বাগৰি ফুৰা অৰ্থাৎ ঘনাই ঠাই সলাই ফুৰা মানুহ, one who very often changes residence.

ডমুৰ ভূত—বিং, গছৰ ডালত থকা ভূত, হাবিত থকা ডাঙৰ ভূত। ভূত ৰৱ খাকুৰা। তাৎপৰ্য্য:—ধুৰা মানুহ, a terrible ghost, hero, a glutton.

ডাং-কটা চোৰ—বিং, ৰাতি ঘৰৰ দুৱাৰত ডাং দি থোৱা হয়। ডাঙৰ চোৰে ডাং কাটি ভিতৰলৈ সোমাই বস্তু চুৰ কৰিবলৈ যায়। এতেকে,—ডাঙৰ চোৰ, a notorious thief.

ডাং কোবোৱা—বিণ, গৰু-গাহ আদি নোসোমাবৰ নিমিত্তে ঠাইয়ে ঠাইয়ে ডাং দিয়া থাকে। কোনো মানুহে ডাঙৰ ওপৰে দি পাৰ হবলৈ হলে কাপোৰ-কানি দাঙি লৱ লাগে। এই স্থলত কোৱা হৈছে, যে কাপোৰ কানিয়ে ডাং কোবাই যায় অৰ্থাৎ ডাঙত লাগি চুচৰি যায়। এতেকে,—উচ্ছৃঙ্খল, (মানুহত খাটে) disorderly, irregular (applied to man).

ডাবিত সুৰাসুৰ নাগ কঁপোৱা—ক্রি, এনেৰূপে ডবিওৱা হয় বোলা হৈছে যে সুৰ, অসুৰ আৰু নাগ অৰ্থাৎ ত্রিভুৱনবাসী সকলোৱে ভয়ত কঁপি যায়। এতেকে,—অতিপাত ডবিওৱা, to abuse grossly, to rebuke sternly.

ডাল কোবোৱা—ক্রি, বান্দৰে ডালত ওলমি সেই ডাল এৰি আন ডাললৈ গলে এৰি দিয়া ডালটো কোব মাৰি ওপৰলৈ যায়। বান্দৰে এইৰূপে অতিজৰেপৰা ডালে ডালে বগাই ফুৰে। সি আজিলৈকে ঘৰ নাসাজি পূৰ্ব্বৰ ৰীতি অনুযায়ী চলি আছে। এই স্থলত পূৰ্ব্বৰ ৰীতি মতে চলা মানুহক বান্দৰেৰে তুলনা কৰা হৈছে। এতেকে,—আদিম অৱস্থাৰে কালযাপন কৰা, অতীজৰ ৰীতি অনুযায়ী চলা, to live

in the primitive style, to follow an antiquated custom.

ডাল চোৰ—বিং, ডালে ডালে নিয়ে অর্থাৎ কোনে বস্তু সৰ-সুবাকৈ কাটি লুকুবাই নিনি গোটে গোটে চুৰ কাৰি নিয়ে বোলা হৈছে। এতেকে,—ডঙ্গৰ চোৰ, a notorious thief.

ডাল জোৰা দিয়—ক্রি, মূল গছৰ লগত ডাল জোৰা দিয়া অর্থাৎ মূল কথাৰ লগত অমূলক কথা যোগ দিয়া, বঢ়াই কথা কোৱা to exaggarate.

ডাল দৰিদ্র মানুহ—বিং, [ডাল-ডলীয়া দৰিদ্র মানুহ] ঘৰৰ বেৰ ডাল-ডলীয়া অর্থাৎ সমূলি সেৰেঙ্গা এহ ভাব বুজোৱা হৈছে। এতেকে,—নিঃকিন মানুহ, a destitute person.

ডিঙ্গিত ধৰি কন্দা—ক্রি, আত্মীয়-স্বজনে বিপদগ্রস্ত মানুহৰ ডিঙ্গিত ধৰি কান্দে। এতেকে, বিপদত সহানুভূতি প্রকাশ কৰা, to make a passionate display of sympathy

ডিঙ্গি পাতি থোৱা—ক্রি, বধ কৰিবৰ নিমিত্তে ডিঙ্গিত অস্ত্রাঘাত কৰা হয়। এই স্থলত, ইচ্ছা পূর্ব্বক ডিঙ্গি কাটিবলৈ পাতি থয় বোলা হৈছে। এতেকে,—মহৎ অপকাৰৰ নিমিত্তে সাজু হৈ থকা, to be prepared for the worst.

ডিঙ্গিৰ হাড়মাল—বিং, কুকুৰে হাড় চোবাওঁতে কেতিয়াবা হাড় ডিঙ্গিৰ ভিতৰৰ নেলুত লাগি ধৰে। হাড় ডাল সি একবাৰেও নোৱাৰে, গিলিবও নোৱাৰে। এনে অৱস্থাত কুকুৰে ফুৰে। (হাড় মাল = হাড়ৰ মাৰ অর্থাৎ হাড় লাগি ধৰা মাৰাত্মক ব্যাপাৰ।) এতেকে,—যাক এৰিবও পৰা নাযায় ধৰিবও পৰা নাযায় তেনে কার্য্য বা মানুহ, যাৰপৰ ঘৰকৈ আহুকাল পেৰা যায় তেনে কার্য্য বা মানুহ a thing which cannot be got rid of though annoying.

ডুখৰী পিৰাৰ মাৰ—বিং, [ডুখৰীয়া পিৰাৰ মাৰ] ডুখৰীয়া অর্থাৎ ভগা পিৰাত কৰা প্রহাৰ বুজায়। ভগা পিৰাত ইতৰ মানুহ বহে, ভগা পিৰাত মাখিয়ালে বেচিকৈ সুখ পায়, আৰু আন অন্য বিচাৰিলে বেলি হয় বাবে যদি থকা পিৰাৰেই মাৰিওৱা হয়, এই বাক্যত এই তিনিও ভাব জড়িত আছে। এতেকে,—ঢুকি পোৱাতে থকা যেই সেই নিম্নশ্রেণী অস্ত্রৰ দ্বাৰা গুৰু প্রহাৰ, a heavy assault by means of any-

thing picked up near at hand.

ডেকা কৰ্হে যোৱা—ক্রি, [ডেকা-কালে যোৱা] ডেকা-কালতে মৃত্যুগামী হোৱা, to die prematurely.

ডোম চোৰ—বিং, (ডোম=আলোৱা ডোম।) ডোমে চুচীয়া নাওৰেৰে জাল ৰাবলৈ যাওঁতে বাটত বা পাৰত থকা মানুহৰ ধন বস্তু চুৰ কৰি নাও মেলি শুচি যায়। তেনে স্থলত চোৰ ধৰা নপৰে। এতেকে,—টেঙ্গৰ চোৰ, ধৰা নপৰা চোৰ, a cunning thief, an undetected thief.

ডোমৰ ঢেঁকী—বিং. ডোমৰ ঢেঁকী চুটি। এতেকে,—চুটি চাপৰ মানুহ। (গালিৰ ৰূপত) a short-statured person (used abusively).

ঢ।

ঢেঁকী-খুৰীয়া বুদ্ধি—বি, ঢেঁকী-খোৱা মটহা বস্তু। এতেকে,—মটহা বুদ্ধি, obtuse intellect.

ঢেঁকী-খুৰীয়া মাৰ—বিং, ঢেঁকী-খোৱা শকত-ডাঙৰ বস্তু, তাৰে মৰিয়াল্লে ৰৱকৈ দুখ পোৱা যায়। এতেকে,—ডাঙৰ প্ৰহাৰ, severe assault.

ঢেঁকী শাল ফুৰিলে খুদৰ আকাল নোহোৱা—ক্রি, ঢেঁকী-শালত অনেক খুদ পৰি থাকে। খুদ বিচৰা মানুহে ঢেঁকীশাল ফুৰিলেই খুদ পাব পাৰে। যৎসামান্য বস্তু চলেই যাৰ চলে, সেই মানুহে যত্নে ততে ফুৰিলে তাক পাব পাৰে, এই ভাব বুজায়। এতেকে,—সামান্য মানুহৰ সামান্য অভাৱ যত্নে ততে পূৰণ হোৱা, the fulfilling of the trifling wants of a poor man quite easily in any way.

ঢেঁকুৰা কুকুৰেও বাট নিদিয়া—বিণ, ঢেঁকুৰা কুকুৰ=ঢেঁকী-শালত শুই থকা সোতৰা কুকুৰ। নিতান্ত জুকলা-জুপুৰা মানুহক তেনে কুকুৰেও

যাবলৈ বাট নিদিয়ে খোলা হৈছে। এতেকে,—অতিকৈ জ্বলা-জ্বপুৰা shabby and miserable.

ঢেঁবা-পাক দিয়া—ক্রি, ঢেঁবা-চৰাই বিলাকে পাৰী পাতি আকাশে দি অকাই-পকাই উড়ি যায়, আৰু আগৰ পাৰীৰ বাটে বাটে পিচৰ পাৰী যায়। গায়নৰ জোৰাই গায়ন গাওঁতে সেইক্রমে যায় দেখি গায়নৰ এটা পাকৰ নাম ঢেঁবা-পাক। এতেকে,—আগৰ পাৰীৰ পিচ ধৰি যোৱা, মতভা-নিচিন্তাকৈ পৰৰ অনুকৰণ কৰা, to follow the front line, to imitate others unthinkingly.

ঢোঁবা সাপৰ ফোঁপাউৰি—বিং, ঢোঁবা সাপৰ বিষ নাই, কিন্তু তাৰ ফোঁপাউৰি অর্থাৎ ফোঁচফোঁচনি বেচি। এতেকে,— ক্ষমতাহীন মানুহে মুখেৰে দেখুওৱা ভয়, empty threats by a weak person.

ঢাৰীৰ আঁৰত বজাকো চৰ্চ্চা—ক্রি, মাজত আঁৰ থাকিলে মানুহক দেখা পোৱা নাযায়। ঢাৰীৰ আঁৰত অর্থাৎ গুপ্ত স্থানত থাকি বজাৰ নিচিনা অসীম ক্ষমতাপন্ন মানুহৰো নিন্দাচর্চ্চা কৰিব পৰা যায়, এই ভাব বুজেৱা হৈছে। এতেকে,—লুকাই থৰ লোকৰো নিন্দ চর্চ্চা কৰিব পৰা, to be able to speak ill even of the greatest man of the land behind the screen.

ঢেৱাই-মেৱাই পৰা—ক্রি, [ঢৱাত মেৱাই পৰা] খাটৈ ভাৰ লগিলে মানুহে ঢৱাত আহি মেৱপাক খাই পৰে। এতেকে,—বৰকৈ ক্লান্ত হোৱা, to feel too much exhausted.

ঢেৱেকনি মৰা—ক্রি, মানুহে হঠাৎ ডাঙৰ ডাবি দিলে মেঘে ঢেৱেকনি মৰাৰ নিচিনা শব্দ শুনি। এতেকে,— হঠাৎ ডাঙৰকৈ ডাবি দিয়া, to scold in a thundering voice, to rebuke sternly.

ঢেৱা-ঠাৰি সিজোৱা—ক্রি, ঢেৱা-ঠাৰি বেগতে নিসিজে। নিসিজা মানুহক ঢেৱা-ঠাৰিৰে তুলনা কৰা হৈছে। এতেকে,—নিসিজা মানুহক সিজা কৰিবলৈ চেষ্টা কৰা অর্থাৎ দুটা মানুহক পৰামর্শ দিয়া, to offer advice to a wayward person.

ঢোকাতে কল ৰোৱা, কলতে ঢোকা ৰোৱা—ক্রি, লাগনী কলগছ ভৱত পৰিব খুজিলে তাক ঢোকা দি ৰখা হয়। এই সূত্রত কোৱা হৈছে, যে ঢোকা পাই কলগছ নপৰাকৈ থিৰ দি থাকে, আৰু কলগছৰ হেঁচা পাই

ঢোকাও নপবাকৈ থিয় দি থাকে। ঢোকাৰ তলৰ মুৰ মাটিত নোপোতাকৈ ওপৰতে লগাই থোৱা হয়। কলগছৰ হেঁচা নপৰিলে সি নিশ্চয় মাটিত পৰি যাব। ৰবলোকক কলগছেৰে আৰু ইতৰ লোকক ঢোকাৰে তুলনা কৰা হৈছে। এতেকে,—ৰবলোক আৰু ইতৰলোক উভয়ে উভয়ৰ সাহায্যৰ দ্বাৰা কাৰ্য্য চলোৱা, the affording of help mutually between a great man and an ordinary man.

ঢোল পিটি শুনোৱা,—ক্রি, কোনো বাতৰি ভাল মতে ৰাষ্ট্ৰ কৰিবলৈ হলে তাৰ ঢোল পিটি শুনোৱা যায়। এতেকে,—বহুলকৈ প্ৰচাৰ কৰা, ৰাষ্ট্ৰ কৰা to circulate widely.

ঢোলৰ লগত টেমেকা—বিং, ভাল ঢোল ধুম-ধুম কৰে বাজে। টেমেকা শব্দে টেমেক টেমেক-কৰে বজা বেয়া ঢোল বুজায়। এতেকে,—কোনো প্ৰধান মানুহৰ লগত অকিঞ্চিৎকৰ মানুহ. a mean sorry fellow by the side of a distinguished person.

ঢৌ লেখা,—ক্রি, নৈৰ পানীত অথংখ্য ঢৌ উঠে। যি মানুহৰ কোনো কাম-কাজ নাথাকে, সি পাৰত বহি কিমান ঢৌ ভটিয়াই গৈ আছে, তাকে লেখি থাকে। এতেকে,—কাম-বন নকৰি কাল কটোৱা, নিষ্কৰ্ম্মা হৈ থকা, to idle away time.

ঢৌতে খৰ মৰা—ক্রি, পানীত সাঁতোৰোঁতে খৰ মৰা হয়। কিন্তু বাৰিষা ঢৌ উঠিলে খৰ মাৰিবলৈ টান হয়। যিবিলাক পাকৈত মানুহ, সেইবিলাকেঢৌৰ পাক বুজি ঢৌতে খৰ মাৰিব পাৰে, অৰ্থাৎ ঢৌ উঠোঁতে তাৰ লগতে গাটো দাঙ্গি দি ঢৌ পৰোঁতে তাৰ লগতে গাটো লুটিয়াই পেলায়। এতেকে,—কল্পালৰ ভিতৰতে আজৰি উলিওৱা, to snatch away time from busy moments to be able to do something else.

ত।

তপত ভাতৰ ধোৱাঁই খোৱা—ক্রি, তপত্ত ভাত বাঢ়িলে তাৰপৰা বৰকৈ ধোৱাঁ ওলায়। ভাত খাবলৈ বহা মানুহজনক ভাৰ ধোৱাঁই খায় অৰ্থাৎ ধোৱাঁ চকুত সোমাই আমনি কৰে। অসতে ধীয়া মানুহৰ সম্পৰ্কে এই বাক্য ব্যৱহৃত হয়। সকলো পোনে সুখ হোৱা স্বত্বেও সেই মানুহে মনেৰে পাতি কোলো এটা অসন্তোষৰ কাৰণ উলিয়াই লয়, আন একো নহলে তপত ভাতৰ ধোৱাঁহ আমনি কৰে বুলি আপত্তি কৰে। এ'তেকে —মিছা কষ্ট কল্পনা কৰি ক্লেশ পোৱা, to be worried by imaginary ills, to be troubled by unreal grievances.

তপত পিড়--বিং, (পিড় = পিণ্ড।) দশপিণ্ড দিওঁতে অস্থি ভাঙিব লাগে। এতেকে,—মৃতকৰ হস্তে দশপিণ্ড, the tenth day funeral ceremony prevalent among the Hindus.

তপতে তপতে—ক্রি-বিণ, লো আদি ধাতু তপত হৈ থাকোঁতেই তাক পিটি অস্ত্র আদি বস্তু প্রস্তুত কৰিব পৰা যায়, চেঁচা হলে ধাতুৰে ভাঁজ নলয়। এতেকে,--অবিলম্বে, without delay.

তয়াময়া যুদ্ধ--বিং [ত্বয়া ময়া যুদ্ধ] (ত্বয়া = যুষ্মদ্ শব্দৰ তৃতীয়াৰ এক বচন, ময়া = অস্মদ্ শব্দৰ তৃতীয়াৰ এক বচন। ত্বয়া ময়া = তোমাৰ দ্বাৰা আৰু মোৰ দ্বাৰা।) তুমি আৰু মই এই দুই জনে লাগি এজনৰ নিষ্পত্তি হোৱাৰ পিচত হে যুদ্ধশেষ কৰা হব বোলা হৈছে। এতেকে --ঘোৰতৰ যুদ্ধ, a terrible battle.

তৰ-চেঙ্গেলি—বিং, চেঙ্গেলি মাছ স্বভাৱতে ছটয়টীয়া। তৰত অৰ্থাৎ বাম পানীত আৰু ছটয়টীয়া হয়। এ'তেকে,—বৰকৈ ছটয়টীয়া মানুহ, a cunning or subtle person.

তৰা নৰা ছিঙা—ক্রি, [লৰত তৰা নৰা ছিঙা] ইমানকৈ ভয় পাই লৰ মৰা হয় যে হাবিৰ তৰা আৰু পথাৰৰ নৰা উজটিত ছিঙি যায়। এতেকে,—অতি বেগেৰে লৰি পলোৱা, to flee precipitately.

তলৰ মাটি ওপৰ কৰা—ক্রি, তলৰ মাটি ধূলি কৰি ওপৰলৈ উড়ুওৱা অৰ্থাৎ মহা আড়ম্বৰ কৰা, to make an excessive display of pomp.

তল-খুচরীয়া মানুহ—বিং, এন্দুরে মাটির তলে তলে খুচরি ডাঙর গাঁত করে। মাটির ওপর ভাগ আগর দরে সমান হৈ থাকে। এতেকে,—এজনর কথা ভিতরি আন এজনক লগোরা মনুহ, গম নিদিয়াকৈ পরর অনিষ্ট করা মানুহ, a back-biter, a slanderer, one who harms another without being suspected of doing it.

তল-খুচরীয়া বুদ্ধি—বিং, এন্দুরে ঘরর তলে দি মটি খুচরি গাঁত খানে। ওপরর-পরা সেই গাঁত দেখিবলৈ পোরা নাযায়। এই স্থলত, বুদ্ধির নোরারাকৈ গুপ্তভাবে অহিত আচরণ করা মানুহক এন্দুরেরে তুলনা করা হৈছে। এতেকে,—গুপ্ত অভিসন্ধি, secret design.

তল-হাত—বিণ, খুঁজত দুটা মানুহ পরি গলে যি জনর হাত তলত পরে সি বল করিব নোরারে। যার হাত ওপর হৈ থাকে, সি সেই হাতেরে আক্রমণ করিবলৈ সুবিধা পায়। এতেকে, বশবর্ত্তী, পরাধীন, subservient, dependent

তলি-উদং মানুহ—বিং, তলি উদং অর্থাৎ বস্তু নথকা পাত্রেরে মানুহক বিজোরা হৈছে। এতেকে,—ধন-সম্পত্তি নাহকিয়া মানুহ, a destitute person.

তলে তলে—ক্রি বিণ, কোনো মানুহে পানীর তলে তলে বুরিয়াই বহু দূরলৈকে যায়। সি কেনি যায় তাক কোনেও নেদেখে, কেতিয়া এঠাইত ওলয়গৈ কেতিয়া হে তাক দেখিবলৈ পায়। এতেকে,—গুপ্তভাবে, কোনেও গম ধরিব নোরারকৈ, secretly, without being noticed by any one.

তলে পুতল দিয়া—ক্রি, তাঁতর পুতল কাপোরখনর ওপর ফালে লগোরা হয়। আহোমবিলাকে পূর্ব্বে পুতল তলর ফালে লগাইছিল। যি সময়ত এই বচনর সৃষ্টি হয়, সেই সময়ত কোনো কোনো আহোমর প্রধান মানুহে শত্রু-দমনর অর্থে' ষড়যন্ত্র করিছিল। এতেকে,—ষড়যন্ত্র করা, to conspire, to plot.

তাম তুলসী নমনা—বিণ, হিন্দুর মানত তাম আঁক তুলসী পবিত্র বস্তু। এতেকে,—বিধর্ম্মী, অনাচারী, holding heretical ideas, immoral.

তামোল-পান কটা—ক্রি, বিয়ার বন্দবস্ত ঠিক হাল দর-ঘরপরা ছোরালী-ঘরলৈ দয়-দস্তরেরে তামোল-পানর ভার নিয়া হয়। বাইজ মাতি সেই

তাম্বোল-পান কটা হয়। এতেকে—বিয়াৰ কথাবস্ত ঠিক হোৱা, ratify negotiation of marriage.

তাম্বোল-পান দি অনোৱা—ক্রি, তাতৰ মানুহক কোনো কথা জনাবলৈ হলে তাম্বোল-পান আগ বঢ়াই অনোৱা হয়। এতেকে,—শ্রদ্ধা-ভক্তিৰ কোনো কথা অনোৱা, to represent anything reverentially to a distinguished person.

তাৰকা ৰাক্ষসী—বিং, তাৰকা নামৰ ৰাক্ষসী আছিল। পঞ্চ পাণ্ডৱৰ অজ্ঞাতবাসৰ কালত এই ৰাক্ষসীয়ে মুখ মেলি ভীমক গিলিবলৈ আহোঁতে ভীমে তাইক বধ কৰিলে। এতেকে,—ভয়ৱহ ৰাক্ষসী-স্বভাৱাপন্ন তিৰোতা, an amazon.

তাল-জুৰীয়া লৰা—বিং, এজোৰৰ দুপাট তাল হ-বহু সমান। তাল যেনেকৈ বাঢ়ে, লৰাইও সেইৰূপে বাঢ়ে, অৰ্থাৎ ইটোৱে সিটোৱে দন্দ-হাই কৰে, এই কথাৰপৰা ল'ৰাক তাৰেৰে তুলনা কৰা হৈছে। এতেকে,—হ-বহু সমান দুটা ল'ৰা, সমান বয়সীয়া আৰু দেখিবলৈ একে ৰকমৰ দুটা ল'ৰা, a couple of boys who are equal in all respects.

তালবাল খোৱা—ক্রি, [টলবল খোৱা] মুৰত ডাঙৰ আঘাত পালে মুৰ টলবলাই যায়। মানুহে ডাঙৰ বিপদত পৰিলেও মুৰ ঘুৰাই যায়। এতেকে,—বিপদত পৰি অস্থিৰ হোৱা, to be deeply affected by misfortune.

ত্ৰাহি মধুসূদন—বিং, এই বাক্য সংস্কৃত। ইয়াৰ দ্বাৰা 'হে মধুসূদন, পৰিত্ৰাণ কৰা' এই অৰ্থ বুজায়। ভয়ঙ্কৰ বিপদত পৰিলে মানুহে এইৰূপে ঈশ্বৰৰ নাম লয়। এতেকে,—কোনো ভয়ঙ্কৰ বিপদৰপৰা উদ্ধাৰ পাৰৰ নিমিত্তে ব্যগ্ৰহৃত হোৱা ঈশ্বৰলৈ কাকুতি-মিনতি, an earnest prayer to God for deliverance from a supreme crisis.

তিগ্ৰমাত্তি খং উঠা—ক্রি, [অত্যুগ্ৰমূৰ্ত্তি খং উঠা] অতি উগ্ৰভাৱে খং উঠা, to be highly irritated with anger.

তিতা দিয়া—ক্রি, তিতা বস্তু খাবলৈ দিয়া। এতেকে,—কাকৰো বেয়াৰ-অসন্তোষ দিয়া, to disgust greatly.

তিতা মুখীয়া লগা—ক্রি, [তিতা-মুখীয়া লগা] কাকৰো তিতা বস্তু খালে মুখখন

যহ বেলিলৈকে তিতা হৈ থকাত আহকাল লাগে। এতেকে,—বৰকৈ আহকাল লগা, to feel exeedingly disgusted.

তিথিব মুবত পানী চলু দিয়া—ক্রি, শৰাধ-আদি সকাম তিথি অনুযায়ী কৰা হয়। তিথিব মুবত অর্থাৎ যি তিথিত সকাম হব লাগে, সেই তিথিত সকাম কবিব লাগে। পানী চলু দিয়া=জলাঞ্জলী দিয়া। জলাঞ্জলীব দ্বাৰা আত্মাব সদ্গতি হয় বুলি কয়। মানুহব বিকাব হলে মুবত পানী দিয়া হয়। এই স্থলত আত্মাব বিকাবব বাবে তিথিব মুবত পানী দিয়া হয়, এনে ভাব বুজোৱা হয়। এতেকে,—মৃতকব হতে নির্দ্ধাবিত কালত জলাঞ্জলী দিয়া, to observe funeral ceremonies on due dates as enjoined by the *shastra*.

তিন-দিনিয়া গা-মূব ধোৱা— ক্রি, তিবোতাব ঋতু হলে তিন দিনব মুবত গা আৰু মুব ধোৱে। সাধাবণতে গা ধোওঁতে তিবোতাবিলাকে মুব নিতিয়ায়, কিয়নো খোপাব চুলি সদাই তিয়ালে পচি যায়, কিন্তু ঋতু-স্নানব সময়ত মুব তিয়াই দিয়ে। এতেকে,—ঋতু-স্নান কৰা, to take purificatory bath on the third day after the monthly menstrual flow

তিনি গধুলি—বিণ, [তিনি বেলাব বেলি গধুলি] প্রথম বেলা বাতিপুৱা, দ্বিতীয় বেলা দুপবীয়া, আৰু তৃতীয় বেলা গধুলি। এতেকে,—সন্ধিয়া সময়, evening.

তিনি টিলিকি মবা—ক্রি, মনত আনন্দ হলে মানুহে টিলিকি মাবে। এই স্থলত তিনি বাব টিলিকি মাবে বোলা হৈছে। এতেকে,—আনন্দত উত্তাবল হোৱা, to be too much excited with pleasurable emotions.

তিনি টেলেদনি খোৱা—ক্রি, [তিনি ঠেলনি খোৱা] অবশেষত তলৈ তিনি বাব ঠেলা খোৱা অর্থাৎ বিপদত জর্জ্জবিত হোৱা, to be dashed about from post to pillar.

তিনি তলকতে—ক্রি-বিণ, [তিনি তিলতে] (তলকতে=তিলেকতে।) তিনি তিল পবিমিত সময়ত অর্থাৎ তুবন্তে, immediately.

তিনি তেলনি মাবি খোৱা—ক্রি, [তিনি দিনত তেলনি মাবি খোৱা] ইতব শ্রেণীব মানুহে মানুহ মবিলে তিন দিন তেল মাখায়। তাব পাচত

আঞ্জাত তেল মাখি খায়। (তেলনি=মহ তেল। অধিক অর্থ বুজাবলৈ 'অনি' প্রত্যয় ব্যবহৃত হয়।) এতেকে,—উপাদেয় ভোজন করা, to eat a dish of delicacies.

তিনি-পৰীয়া বেলি—ক্রি—বিণ, [দিনৰ তিনি পৰীয়া বেলি] দিনৰ তিনিপৰীয়া সময় পাৰ হলে বাজি হবলৈ আৰু এপৰ আথোন বাকি থাকে। এতেকে,—বহু পৰত, at a late hour.

তিনি ভুবন দেখা—ক্রি, পলাই সাধিবলৈ ঠাই বিচাৰি গৈ স্বর্গ, মর্ত্য, পাতাল এই তিনি ভুবন দেখা পায় বোলা হৈছে। এতেকে,—হেৰাবাৰি খাই ফুৰা, বিভত হোৱা, to flee for life.

তিনি মুনি বাট—বিং, [তিনি মুৰী বাট] তিনি বাটৰ মুখ যোগ হোৱা ঠাই, a place where three roads meet.

তিনি সত্য খোৱা—ক্রি, তিনি বেলি 'সত্য কৈছোঁ' বুলি শপথ কৰা অর্থাৎ দৃঢ় শপথ কৰা, to take a solemn oath.

তিপচিয়ে গৰুড়ৰ উৰাও মাৰিব খোজা—ক্রি, তিপচি অতি সৰু চৰাই। গৰুড় মহাপক্ষী। তিপচিয়ে গৰুড়ৰ উৰাও কেতিয়াও মাৰিব নোৱাৰে। এতেকে,—অসম্ভৱ কার্য্য কৰিবলৈ চেষ্টা কৰা, to attempt an impossible feat.

তিপচিৰ ভজ—বিং, তিপচি একণিমান চৰাই, তাৰ মঙহ ভাজি খাবলৈ দিয়া নগণ্য কথা। এতেকে,—নগণ্য উপহাৰ, a humble gift

তিৰী-বধ, গো-বধ, সাত কপিলা বধ—বিং, হিন্দু-ধর্ম্মমতে তিৰোতা-বধ, গৰু বধ, সাতোটা কপিলা গৰু-বধ এইবিলাক মহাপাপৰ ভিতৰত গণ্য। এই-বিলাক কৰিলে যিমান পাপ হয়, কোনো কার্য্য কৰিলে সিমান পাপ হব বুলি, শপথ দিবলৈ এই বাক্য ব্যবহৃত হয়, a form of oath binding oneself most solemnly to do a thing and inviting damnation upon one's head in the event of the thing not being done.

তিৰী-বৈৰী সীমা বৈৰী—বিং, (তিৰী=বিবাহিতা তিৰী, বৈৰীয়েক। সীমা=মাটিৰ সীমা।) যি মানুহে পৰৰ তিৰোতাক ভাগে অর্থাৎ ভাগুৱাই নিজৰ তিৰোতা কৰিবলৈ যায় আৰু যি পৰৰ মাটিৰ সীমা ভাঙে অর্থাৎ পৰৰ মাটি চেলি নিজৰ সীমাভুক্ত কৰে, সেই মানুহে যাৰ

মহাশত্রু। এতেকে,—মহাশত্রু, a deadly enemy.

তিৰী-মতি মানুহ—বিং, শিক্ষা আৰু অভিজ্ঞতাৰ অভাৱত তিৰীৰ মতি বা বুদ্ধি পুৰুষতকৈ কম। এতেকে,—কম বুদ্ধিৰ তিৰোতা মানুহ, a frail woman.

তিৰোতা-সেৱা—বিণ, [তিৰোতাক সেৱা কৰা] বৈণীয়েকৰ বশৱৰ্ত্তী, hen-pecked.

তিল-তুল্য—বিণ, যাৰ দ্বাৰা এটা তিলৰ সমান গধুৰ বা পাতল হলেও ধৰিব পৰা যায় তেনে তুল্য। এতেকে,—একিলো কম-বেচ নোহোৱা সমান, well-balanced, exact

তিল-পৰিমাণে—ক্রি-বিণ, তিল সক খণ্ড। এতেকে,—অলপ পৰিমাণে, তাকৰকৈ, to a small extent, slightly.

তিল-মাহ খোৱা—ক্রি, প্রবাদ আছে যে যমলোকলৈ যাওঁতে বৈতৰণী নৈ পাৰ হৈ যাব লাগে। বহু মানুহে সি-পাৰে হাতত তিলৰ লাক আৰু মাহৰ লাড়ু লৈ থিয় দি থাকে। বৈতৰণী পাৰ হওঁতে তিৰোতা মানুহৰ ৰবকৈ ভাগৰ লাগে। তিল-মাহৰ লাক খাই তেওঁবিলাকে বল পায়। যি জনা পুৰুষৰ হাতৰপৰা যি জনা তিৰোতাই লাক খায়, সেই পুৰুষক সেই তিৰোতাই এই জন্মত স্বামী পায়। এতেকে,—পূৰ্ব-জন্মত স্বামী নির্দ্ধাৰিত হোৱা, to have a person as husband according to a pre-ordained decree.

তিলকে তাল কৰা—ক্রি, তিল অতি ক্ষুদ্র, কিন্তু তাল ডাঙৰ বস্তু। এতেকে,—অতি ক্ষুদ্র কথা এটাকে ডাঙৰ কথা কৰি কোৱা, ধৰকৈ বঢ়াই কোৱা, to exaggerate.

তিলোত্তমা—বিণ, সুন্দ আৰু উপসুন্দ দুই ভায়েক অতি প্ৰতাপী অসুৰ আছিল। দেৱতা সকলে তেওঁবিলাকক মাৰিবৰ নোৱাৰি বিষ্ণুৰ সাহায্য খুজিলে। বিষ্ণুৱে বিশ্ব-ব্রহ্মাণ্ডৰ সকলোবেপৰা তিল তিল কৰি সৌন্দৰ্য্য নি এজনা উত্তম কন্যা সৃজি সুন্দ আৰু উপসুন্দৰ ওচৰলৈ পঠালে। অনুপম কন্যালাভ কৰিবৰ নিমিত্তে দুইৰো ভিতৰত তুমুল যুদ্ধ হ'ল, আৰু শেষত দুয়ো নিহত হল। এতেকে,—অতি ৰূপৱতী কন্যা, a paragon of beauty.

তীখৰচিং—বিং, [তীখৰ লিংহ] তীখাৰ, চিকিনা মানুহ, চোকা মানুহ, a sharp

person, a clever person.

তুবি-মুবি করা—ক্রি, [টেবি বেবি করা] (টেবি=টেরা, বেঁকা। 'বেবি' অনুরূপ পদ।) পোন বাটে নষ্টে বেঁকা বাটে যোরা, যিবতে কোনো কার্য্য করিবলৈ কোরা হয় সেইযিতে নকরা, আদেশর বিপরীত ভাবে কার্য্য করা, to act cunt-wiriwise, to act perversely.

তুলসীর লগত কলপটুরা মুক্ত হোরা—ফ্রি, কলপটুরার খোল সাজি তাত তুলসী-পাত থৈ পূজারিয়ে পূজা করে। এনে করাত তুলসী যে মুক্ত হয়েই, তার লগতে কলপটুরাও মুক্ত হয় বুলি কোরা হৈছে। এতেকে,—নিজে অযোগ্য হৈও যোগ্যর সঙ্গত পরি উপকার পোরা, to be benifited, though undeserving, along with a good man by reason of companionship.

তুলি ধরা—ক্রি, কোনো মানুহক ওপরলৈ তুলি ধরিলে সকলোরে দৃষ্টি তেওঁর ওপরত পরে। সেইরূপে ভাল সাজ-কাপোর বা অলঙ্কার-পাতিয়েও মানুহক তুলি ধরে অর্থাৎ পরর দৃষ্টি আকর্ষণ করে। এতেকে,—সুশোভিত করা, to make prominent to the eye, to cause to appear beautiful.

তেজ পিয়া—ক্রি, বাঘে গরু-মহ বধি তেজ পিয়ে। এতেকে,—বধ করা, গুরুতর দণ্ড দিয়া, to kill, to punish severely.

তেজক পানী করা—ক্রি, অতিরিক্ত শ্রম করিলে তেজ পনীর হয় অর্থাৎ তেজর বল কমে। এতেকে,—কঠিন পরিশ্রম করা, to labour too hard.

তেজে ভুটি যাওঁ ফাটি যাওঁ করা—ক্রি, মানুহটোর নাড়ীত তেজর প্রবাহ ইমান বেচি বোলা হৈছে যে থাকিবলৈ ঠাই নোপোরাত নাড়ী ভুটি-ফাটি তেজ ওলাই পরিবর উপক্রম হৈছে। এতেকে,—গাত যবটুকু তেজ হোরা, to have a blooming appearance.

তেল-টেঙা ঘঁহা—ক্রি, গাবঁলীয়া মানুহে তেল আৰু টেঙা ঘঁহি গা পরিষ্কার করে। এতেকে,—গা আওঁতোরা, to be neat and in good order.

তেল নাইকিয়াত কলপীয়া হোরা—ফ্রি, অবস্থাহীন হলে মানুহ অকলা হয়। অবস্থা-হীন হোরা কথা খীকার নকরি কোরা হৈছে যে তেল নথঁহার নিমিত্তে হে চুলি কলপীয়া হৈছে, আন কারণে নহয়। এতেকে,—অবস্থা

বেয়া হোৱা স্বত্বেও বেয়া বুলি নোকোৱা, not to admit misfortune though afflicted with misfortune as a matter of fact.

তেলীয়াই তেল পোলোৱা, কপহুৱাই লেট পেটোৱা—ক্রি, (সাধুকথা) তেলীয়াই তেলৰ ভাৰ পাৰি যোৱাত কান্দিবলৈ ধৰিলে। কপহুৱাই ফাকটি জুৰি সহানুভূতিপ্রকাশ কৰাৰ ভাৱেৰে লগতে এপোনে কান্দিবলৈ ধৰিলে, আন পোনে কপাহবিলাক তেলত পেলাই লেটপেটাই ললে। তেলীয়াই কান্দি-কাটি শুচি গল, কপহুৱাই তেলখোৱা কপাহ লৈ নিজৰ ঘৰ পালে গৈ। নিজ ঘৰত কপাহ চেপি আটাইবিনি তেল উলিয়াই ললে। এতেকে,—পৰৰ দুখ পতিওৱাৰ ছলেৰে স্বাৰ্থসিদ্ধি কৰা, to serve one's ends under a pretence of expressing sympathy with another in distress.

তেলে ধৰা—ক্রি, (তেল=চৰ্ব্বি।) চৰ্ব্বি বাঢ়িলে মানুহ বা জন্তুৰ ফুৰ্ত্তি বেচি হয়। এতেকে,—বেচি ফুৰ্ত্তি হোৱা, to be full of life and vigour.

তোম বান্ধি উটাই দিয়া—ক্রি, [তোমত বান্ধি নৈত উটাই দিয়া] নৰ-বধীয়ে মানুহক বধ কৰি ডোখৰ-ডোখৰকৈ কাটি তোমত ভৰাই নৈত উটাই দিয়ে, যাতে চিন-ছাব নথকা হৈ ভাৰ ধৰা পৰিবৰ আশঙ্কা নাথাকে। এতেকে,—উগ্র দণ্ড দিয়া, to punish severely.

তোবা তোবা দেখুওৱা—ক্রি, 'তোবা' মুছলমানী শব্দ। কোনো বিপৰীত ঘটনা দেখিলে মুছলমানে 'তোবা' শব্দ উচ্চাৰণ কৰে। এই স্থলত, এসেকুৱা বিপৰীত ঘটনা দেখুওৱা হয় বোলা হেঁতে যে মানুহ জনে 'তোবা' 'তোবা' কৰিব লগাত পৰে। এতেকে,—বিপৰীত ঘটনা দেখুওৱা অর্থাৎ গুৰুতৰ ভাবে অহিত আচৰণ কৰা, to harm a person seriously.

থ।

থল গবকা—ক্রি, থল (স্থল) গর্ব্বকিলে অহে। এই স্থলত কোনো থলর মানুহক গবকা বুজোৱা হৈছে। এতেকে,—কে মো ঠাইৰ মানুহবিলাকক কিছুকাল থাকি বহুওৱা অর্থাৎ বশ কৰা, to establish one's reputation in a place by residing in it for some time.

থান-থিত নোহোৱা—বিণ, [স্থান-স্থিতি নোহোৱা] লবি কুৰা অর্থাৎ ঘৰ-বাৰী নোহোৱা দুখীয়া, vagabond, indigent.

থালি ভগা জুইয়ে খেদা—ক্রি, কুঁহিয়াৰৰ বহিৰ থালি ভাগিলে যালি-গাঁতৰ জুইয়ে সম্মুখত যাকে পায় তাকে ভস্মীভূত কৰে। এতেকে,—পিচে পিচে নেৰা-নেপেৰাকৈ খেদি যোৱা, অনৰৰত দ্রোহ আচৰ, to pursue relentlessly, to continue to act hostilely.

থিৰ-কাণ—বিং, হাবিত জন্তুৰে খিৰিক-খাৰাক শব্দ হলে কাণ থিৰ কৰি শুনে। এতেকে,—সজাগ, সাৱধান, wakeful, vigilant.

থিৰ গোৰ—বিং, থিৰ হৈ মৰা গোৰ, টান গোৰ, a severe kick.

থিৰৈ থিৰৈ স্বৰ্গলৈ যোৱা—ক্রি, অতি পুণ্যাত্মা মানুহে পূর্ব্ব-কালত থিৰ হৈ থকা অৱস্থাৰে স্বৰ্গলৈ গৈছিল বুলি কয়। এতেকে,—স্বশৰীৰে স্বৰ্গলৈ যোৱা ; ধর্ম্মজীৱন ধাৰণ কৰা, to ascend the heaven in flesh and blood ; to lead a saintly life.

থিৰৈ মৰা—ক্রি, থিৰ অৱস্থাতে বা তৎক্ষণাৎ মৰা অর্থাৎ নভৱ-নিচিন্তা ডাঙৰ বিপদত পৰি মৰাপ্রায় হোৱা, to be ruined by falling into an unforeseen danger.

থুকুচি পেলোৱা—ক্রি, কোনো বস্তু গড়ত থৈ থুকুচ-থুকুচ-কৰে দাবে কাটি পেলোৱা হয়। এই স্থলত ককর্ষনাৰ দ্বাৰা থুকুচি পেলোৱা বুজোৱা হৈছে। এতেকে,—ককর্ষনাৰ দ্বাৰা কাটি পেলোৱাৰ তুল্য কৰা অর্থাৎ ৰৰকৈ ককর্ষনা কৰা, to scold sharply.

থুপৰী তিৰোতা—বিং, থুপৰী=(থোপোৱা+ঈ, স্ত্রীলিঙ্গ।) জন্মগত আলোৱাঁহ থকাত কোনো তিৰোতাই থোপোৱা লাগি থাকে। কন্যাকালৰ সময় হোৱাতো তেনে তিৰোতাৰ কন্যাকাল নহয় আৰু তেওঁ গৃহস্থালী কার্য্যতো অকামিলা হয়। এতেকে,—বাঢ়িব নোৱৰা কঁটিয়া তিৰোতা ;

কন্যাকালর সময় হোৱাতে। কন্যাকাল নোহোৱা তিৱোতা ; অকার্য্যভাগী তিৱোতা, a woman of arrested development; a woman not subject to menstruation ; an unaccomplished woman.

খেকেচ-নেকেচ কৰ,—ক্রি. কোনো বস্তু অনাদৃত হলে খেকেচ্-কৰে পেলাই দিয়ে। ('নেকেচ,' অনুকাৰ শব্দ) এতেকে,—অনাদৰ কৰা, to slight, to treat with intentional neglect or superciliousness.

খেকেচি পেলোৱা—ক্রি, [মুখ মাটিত খেকেচি পেলোৱা] উগ্র দণ্ড দিয়া, to punish severely.

খেকেৱা ঠং। দিয়া—ক্রি. খে.কৰা ৰবকৈ ঠাহি গোল সানি ৰদত শুকাই থোৱা হয়। এতেকে,—কথাৰে কোনো মানুহক ৰবকৈ ঠাহি পেলোৱা অর্থাৎ অতিকৈ গালি-শপনি পৰা, to reproach vilely.

খেকেৱা ফুল—বিং. খেকেৱাৰ ফুল নাই, কিন্তু প্রবাদ আছে যে খেকেৱা ফুল ৰাতিৰ ভিতৰতে ফুলে, ৰাতিৰ ভিতৰতে মৰে. কোনেও তাক দেখা নাপায়। এতেকে,—কোনেও বুজ নোপোৱাকৈ গুপ্তভাৱে কৰা কার্য্য, a secret act.

খেন-খেন মেন-মেন—বিং, ['খেন-মেন' পদৰ দ্বিত্ব] 'খেন-মেন' পদ 'খান-বান' পদৰ অপভ্রংশ। কোনো বস্তু ভাঙিলে টুকুৰা-বিলাক খান-বান হৈ যায় অর্থাৎ ঠাগে ঠায়ে উফৰি পৰে। এই স্থলত কোৱা হৈছে যে প্রকৃত ৰোগ নাই কিন্তু গাটো ভগ-ছিগাৰ নিচিনা অনুভৱ হৈ থাকে। এতেকে,—সামান্য শাৰীৰিক বিকাৰ, slight indisposition.

দ।

দাঁত কৰচা—ক্রি, ববকৈ খং উঠিলে মানুহে দাঁত কৰচে। এই বাক্য অকর্মৰ আৰু সকর্মক উভয় প্রকাৰে ব্যৱহৃত হয়। এতেকে,—ববকৈ খং উঠা বা খং কৰা, to be infuriated, to reproach over much.

দাঁত ছেলোৱা—ক্রি, মৰা মানুহে দাঁত ছেলাই পৰি থাকে। এতেকে,—মৰা মানুহৰ দৰে একো কৰিব নোৱাৰাকৈ পৰি থকা, অকর্মণ্য হোৱা, to lie useless.

দাঁত ছেলোৱা—ক্রি, (ছেলোৱা=উলিওৱা) ববকৈ হাঁহিলে দাঁত ওলাই থাকে। এতেকে,—ববকৈ হঁহা, to laugh outright.

দাঁত নিকটোৱা—ক্রি মৰা শব দাঁতবিলাক নিকট খাই থাকে অর্থাৎ ওলাই থাকে। এতেকে,—মৃত্যুগামী হোৱা, to die.

দাঁত নিকটোৱা—ক্রি, ববকৈ হাঁহিলে দাঁত নিকট যায় অর্থাৎ ওলাই থাকে। এতেকে,—ববকৈ হঁহ, to laugh outright.

দাঁত নিকটোৱা—ক্রি, শুকুৰী বা কুকুৰক খেদি নিলে যেতিয়া সি সাৰিব নোৱৰা হয়, তেতিয়া উভতি দাঁত নিকটাই দেখুৱায়। সেইৰূপে মানুহে কোনো দোষ কৰিলে যদি সাৰিব নোৱৰাকৈ ধৰা পৰে, তেতিয়া সি লাজত দাঁত নিকটাই হঁহাৰ ভাব দেখুৱায়। এতেকে,—ববকৈ লাজ পোৱা, লাজত উপায় নোপোৱা, to be put out of countenance.

দাঁতে দাঁতে লগা—ক্রি, মৃত্যুৰ সময়ত মুখ মেলিব পৰা নাযায়। তেতিয়া ওপৰৰ দাঁতে তলৰ দাঁতে লাগি ধৰে। এতেকে,—মৃত্যুকাল উপস্থিত হোৱা, to be on the point of death.

দন্দ জোকোৱা—ক্রি, আগৈয়ে নিজে জোকাই দন্দ পাতি লোৱা, to pick a quarrel.

দমদমোৱা—ক্রি, মাটিত গোৰোহনি মাৰি দম্ দম্ শব্দ কৰা, খঙাল ভাব দেখুওৱা, to assume an offensive attitude.

দৰা দেখুৱাই সুৱাণ্ডৰি তোলা—ক্রি, বিয়াত দৰা কন্যা-ঘৰলৈ অহাৰ পূর্ব্বেই সুৱাণ্ডৰি তোলাৰ নিয়ম। দৰা আহিলে দৰাক দেখুৱাই সুৱাণ্ডৰি তুলিবলৈ যোৱাটো গহৰিৰ কার্য্য। এতেকে,—অতি বিলম্বকৈ কার্য্য

করা, to make very great delay in doing a thing.

দলনিত পোনা মেলা—ক্রি, দলনি ড জর জলাশয়। দলনিত গরৈ শল, শাল আদি মাছে অসংখ্য পোনা জগাই মেলি দিয়ে। পোনাবিলাকে চারিও পোনে সিঁচিবতি হৈ অনাই-বনাই ফুরে। এতেকে,—অনাই-বনাই ফুরা অবস্থা করা, থান-থিত নোহোরা করা, অত্যন্ত দুর্দ্দশাগ্রস্ত করা, নিরাশ্রয় করি এরি দিয়া, to set a person at large without any one to protect him, to let a person loose in the broad world without any one to take care of him.

দশবথর এগছ কূটা দুগছ নকরা—ক্রি, এগছ কূটা দিগি দুগছ করিলে যৎসামান্য কার্য্য করা হয়। এই স্থলত, সিমান ফেরাও কার্য্য নকরে বোলা হৈছে। দরখনত দহ গছ কূটা থাকে অর্থাৎ অনেক সরু-মুরা কাম থাকে। সেইবিলাক কামর এফেরিকে নকরে বোলা হৈছে। 'দশবথর' বিশেষ একো অর্থ নাই। দশ' শব্দ যোগ দি এটি সংজ্ঞা শব্দ যুগুত করা হৈছে মাথোন। এতেকে,—সমূলি কাম-বন নকরা, to do absolutely no work, to lie wholly inactive.

দহ বুলিলে দহ হোৱা, পঁচি বুলিলে পঁচি হোৱা,—ক্রি, (কড়ি খেলর বাক্য) পঁচি=পঁচিছ। দহ বুলি কড়ি পেলাই দিলে দহ পরে আরু পঁচি বুলি পেলালে পঁচি পরে। এতেকে,—যিহকে বোলা যায় সেয়ে হোৱা অর্থাৎ ইচ্ছানুযায়ী কার্য্য হোৱা, to have anything fulfilled according to one's desire.

দহ ভকতর আঁর হোৱা—ক্রি, কোনো মানুহ মরিলে সি দহ ভকতর (বাইজর) আঁর হয়, অর্থাৎ তাক বাইজে সংলাবত আরু দেখিবলৈ নাপায়। এতেকে,—মৃত্যু প্রাপ্ত হোৱা, to die.

দহ ভকতর আশীৰ্ব্বাদ—বি, (দহ ভকত=বাইজ।) বাইজর আশীর্ব্বাদ, the blessings of the people.

দহ ভকতর দোষে হোৱা—ক্রি, (দহ ভকত=বাইজ।) বাইজক অসন্তোষ দিয়াটো দূষণীয় কার্য্য। (দোষে হোৱা=দোষ লগা।) এতেকে,—বাইজর বিরক্তিভাজন হোৱা, to incur the displeasure of the public.

দহখন মানুহের কথা কোৱা—ক্রি, দহ মেলি দহ রকমে কথা কোৱা, মেলিয়ে

বেলিলে সলাই কথা কোৱা, to change one's opinion every time.

দহটকীয়া হোৱা—ক্রি, কোনো মানুহে বহু টকা রূপৰ গৰাকি হলে যেনে হয় তেনে হোৱা; গম-গমীয়া হোৱা; সুস্থ ও সবল হোৱা, to be strong and vigorous.

দহো কুৰি—ক্রি-বিণ, দহো কুৰি শপথলৈ মন কৰি নিশ্চিতকৈ, অবশ্যে অবশ্যে, certainly, without fail.

দক্ষিণা লোৱা খোজ দিয়া—ক্রি, বামুণে শ্রাদ্ধাদিত দক্ষিণা লবৰ নিমিত্তে অতি বেগেৰে খোজ দিয়ে। এতেকে,—অতি বেগেৰে খোজ দিয়া, to walk too fast.

দাঁত খাই উঠ,—ক্রি, [খঙত দাঁত খাই উঠা] অধিক খঙত মানুহে ইচ্ছা নকৰা স্বত্বেও দাঁত খাই উঠে অর্থাৎ থিয় হয়। মুঁজিবলৈ হলে মানুহে থিয় হব লাগে। এতেকে,—খঙৰ ভমকত থিয় হোৱা, মুঁজিবলৈ উদ্যত হোৱা, to rise to one's feet in a menacing attitude, to show fight.

দাতা কর্ণ—বিং, কর্ণে নিজৰ পুতেক বৃষকেতুক ব্রাহ্মণক দান দিছিল। এতেকে,—মহাদানী পুৰুষ, a great philanthropist.

দান চাই দক্ষিণা—বিং, ব্রাহ্মণক দান দিওঁতে দানৰ লগত দক্ষিণা দিব লাগে। দান যদি ডাঙৰ হয়, দক্ষিণা যেচিকৈ দিব লাগে। দান যদি সৰু, দক্ষিণা তাকৰকৈ দিব লাগে। এতেকে,—যথোচিত কার্য, an appropriate action.

দান-মান কৰা—ক্রি, [দান অমান কৰা] কোনো মানুহক এটা বস্তু দি ঘুৰাই আনিলে তেওঁক এবেলি মান কৰি ঘুৰি অমান কৰা হয়। এতেকে,—কোনো মানুহক এবেলি মান কৰি ঘুৰি অমান কৰা, সম্ভ্রম দেখুৱাই অব্যবহিত পাচতে অসম্ভ্রম দেখুওৱা, to show disrespect immediately after respect.

দাঁতে তৃণ ধৰা—ক্রি, পূর্ব্বকালত শৰণাগত হলে দাঁতেৰে তৃণ কামুৰি ধৰাৰ নিয়ম আছিল। এতেকে—শৰণাগত হোৱা, to own allegiance, to submit.

দাঁতে দাঁতেৰে অহা—ক্রি, কিমানোতাই দিয়া ধন দান-ভাগৰ পিছ হোৱা কোনো

বিষয়ের প্রস্তাবিত উভয় পক্ষের সর্ত্ত মিল হোৱা, to come to terms

দিন উঠা—ক্রি, [শুভ দিন উঠা] শুভ দিন উদিত হোৱা, ভাগ্যোদয় হোৱা, the rising of fortune.

দিন উঠা—ক্রি, [শুভ দিন উঠা] শুভ দিন শুচা, সৌভাগ্য দূরীভূত হোৱা, the coming of good days to an end.

দিন পৰা—ক্রি, [শুভ দিন পৰা] শুভ দিন অস্ত হোৱা, সৌভাগ্য অবসান হোৱা, the waning of fortune.

দিন পালে ক্ষণ পোৱা—ক্রি, বহু দিন পালে শুভ ক্ষণ উপস্থিত হয়ই লব পৰা যায়। এতেকে,—সময় পালে সুযোগ পোৱা, to find opportunity by securing delay.

দিন ভিক্ষা কৰি তনু ৰক্ষা কৰা—ক্রি যি মানুহৰ সঞ্চিত ধন-বিত্ত নাই, সি দিনে কাম কৰি তাৰ উপার্জ্জনৰ দ্বাৰা ঘৰ চলায়। এতেকে,—দিনে ভিক্ষা কৰি পোৱা অন্নৰ দ্বাৰা প্রাণধাৰণ কৰা অর্থাৎ নিচেই দুখীয়াভাবে গৃহস্থালি চলোৱা, to live from hand to mouth.

দিন মন্দ হোৱা—ক্রি, (জ্যোতিষীয়া মাত) অবস্থা অশুভ হোৱা, to be fallen on evil times.

দিনে নটা—ক্রি, (দিন=আয়ুস।) আয়ুসৰ নাটনি হোৱা, অল্পায়ুস হোৱা, to to be short-lived.

দিনেকে দিনে—ক্রি-বিণ, [দিনেকে দিনেকে] দিনেক=এক দিন।) প্রত্যেক দিনে, every day.

দিহা লগা—ক্রি, ('দিশ' শব্দৰপৰা 'দিহা' শব্দৰ উৎপত্তি হৈছে।) ভাল ব্যৱস্থা হোৱা। তাৰপৰা—(ব্যঙ্গার্থত) তাৰৰ অসুবিধা হোৱা, to be settled, hence (ironically) to be done for.

দিহিঙে দিপাঙে—ক্রি-বিণ, [দিহাঙে দিবাঙে] দিহাং আৰু দিবাং শদিয়াৰ ওপৰে আছে। এই দুই নৈ নামি আহি ব্রহ্মপুত্রৰ আকাৰ ধাৰণ কৰিছে। এতেকে,—ঘতে ততে বিপদসঙ্কুল ঠাইত, in distant regions attended with danger.

দীঘল দি পৰা—ক্রি, মাটিত হাত ভৰি মেলি দীঘল দি পৰি সাষ্টাঙ্গ প্রণিপাত কৰা হয়। এতেকে,—সম্পূর্ণৰূপে নেওঁ হোৱা, to submit unconditionally,

দীঘল ঠেঙ্গীয়া—বিং, যবযুগব যাবতিলাধ দীঘল ঠেঙ্গব মিচিনা দেখ যায়। এতেকে,—যবযুগ, Lain.

দীঘল পকরা—বিং, সাপ পকর-জাতীয় প্রাণী, প্রভেদ এয়ে যে সাপব আকৃতি দীঘল। এতেকে,—সাপ, a snake,

দুই নাওত দুই ভরি হোৱা—ক্রি, এখন নাওত এটা ভরি আক আন এখন নাওত আনটো ভরি থাকিলে বিপদব আশঙ্কা. কিয়নো পানীব সোঁতত নাও দুখন আঁতবা-আঁতবি হব পাবে। এতেকে,—দোধোব-মোবত পবা, to be in a dilemma.

দুই বাঘে খাব নোৱাবা—বিণ, যদি কোনো গৰু বা মহ বৰ ডাঙৰ আক মজবুত হয়, তেনেহলে তাক দুটা বাঘে মিলিও খাই শেষ কবিব নোৱাবে। এতেকে,—বৰ গৰাল excessively fat.

দুই হাতে আজোৱা—ক্রি, দুয়া হাতেবে বন আজুবি উঘালে বোলা হৈছে। এতেকে,—অপবিমিত শ্রম কবা to labour too hard.

দুই হাতে সামবা—ক্রি, বেচি হলে দুয়ো হাতেবে ধন-বস্তু ধাহি-মুহি সামবে। এতেকে,—অতি হেঁপাকেবে ধন-বস্তু গোটোৱা, to accumulate property with inordinate covetousness.

দুখ কবিলে মুখ ভবা—ক্রি, (ভবা=খোৱা-বস্তুবে ভবাই) শ্রম কবিলে ভাল-মতে খাবলৈ পোৱা to be able to earn a comfortable living by means of labour.

দুখনীয়া পিন্ধা—ক্রি, সক ছোৱালীয়ে অকল মেখেলা পিন্ধি থাকে। পাট-গাভক হলে গাত এখন গামোছা লয়। এতেকে,—পাট-গাভক হোৱা, to arrive at girlhood.

দুখী দুখী অবস্থাবে কবা—ক্রি, [দুখীয়ে দুখী অবস্থাবে কবা] দুখীয়া মানুহে দুখীয়া অবস্থাবে কোনো কার্য্য কবা, to act like a humble man in a humble way.

দুখে কুলাই-পাচিয়ে নথবা—ক্রি, ধান-চাউল কুলাবে জাবি পাচিত খোৱা হয়। ধান-চাউল বেচি হলে পাচি ভবি যায়। বাকিখিনি কুলাতে খোৱা হয়। কিন্তু ধান-চাউল যদি ভাঙটাকৈ বেচি হয়, তেনেহলে কুলাই-পাচিয়ে নথবা হয়। এই হলত, দুখক ধান-চাউলেৰে তুলনা কবা হৈছে। এতেকে,—অতিবিক্ত দুখ-কষ্ট পোৱা, to have an

overload of misery.

দুচলি খবি—বিং, (শুকতীয়া মাত) পাপ আৰু পুণ্য, virtue and vice.

দুটি ভবি ধৰা—ক্রি, দুটি ভবি ধৰি কাকুতি মিনতি কৰা হয়। এতেকে,—কাকুতি-মিনতি কৰা, to beseech, to entreat, to pray earnestly.

দুপতীয়াতে জঁয় পৰা—ক্রি, গছৰ পুলি দুপতীয়া অৱস্থাতে জঁয় পৰে বোলা হৈছে। এতেকে,—প্রথম অৱস্থাতে শ্রীহীন হোৱা, to be waning at the outset.

দুৰ্ব্বাদল দন্দ—বিং মুকলি ঠাইত দন্দ লাগে। তত দুৰ্ব্ব, অর্থাৎ দুবৰি বন থাকে। ৰবকৈ দন্দ লাগিলে দুৰ্ব্বাৰ দলন হৈ যায় অর্থাৎ বন মৰি যায়। এতেকে,—ডাঙৰ দন্দ, fierce struggle, violent quarrel, bitter enmity.

দুভঙীয়া উত্তৰ—বিং, [দুভঙীয়া উত্তৰ] দুটা ভাষাৰে অর্থাৎ দুটা অর্থযুক্ত ভাষাৰে কোৱা উত্তৰ, ব্যর্থবোধক উত্তৰ, an ambiguous reply.

দুভাগ খোৱা—বিং, ওজা-পালি গোৱাত যি ধন পোৱা যায়, সেই ধনৰ যিমান অংশ পালিয়ে পায়, ওজাই তাৰ দুগুণ পায়। এতেকে,—ওজা, a master, chief or leader.

দুয়োতকৈ দুয়ো চৰা—ক্রি, ইটোতকৈ সিটো চৰা আৰু সিটোতকৈ ইটো চৰা অর্থাৎ দুয়ো সমানে চৰা, to stand out each above the other, i. e. equally in a high degree.

দুষ্টৰ একাল হোৱা, সজ্জনৰ সর্ব্বকাল হোৱা—ক্রি, দুষ্ট মানুহৰ একালত মঙ্গল হোৱা কিন্তু সজ্জনৰ সর্ব্ব-কালত মঙ্গল হোৱা, the coming of good fortune to a wicked person only once but to a just man at all times.

দূৰতে বিষ্ণু হোৱা—ক্রি, বিষ্ণু—বিশেষৰূপে দূৰ, অন্ত অর্থ, বৃদ্ধাৱস্থাৰ ভাবেৰে। শৰীৰ খেল মেলুওৱা হৈছে। বিষ্ণু অতি ধার্ম্মিক আছিল। তেওঁ অধর্ম্মপথা বহু দূৰত থাকে। এতেকে,—নিজলাভে থাকক হোৱা, to keep oneself at a long distance from anything.

দূৰৈৰা ৰাজালি—বিং, বৌ আৰু ৰঙালি ডাঙৰ মাছ কিন্তু সি যদি দূৰত থাকে, তেনেহলে তাৰেই মানুহে হেপাহ কৰকে। এতেকে,—দূৰৈৰ লাভজনক কাৰ্য্য, a profitable business carried on at a distance from the home.

দেউত ঈশ্বৰ—বিং, (দেউতা=দেৱতা। ঈশ্বৰ=ঐশ্বৰ্য্যশালী প্ৰভু) অতি সম্ভ্ৰান্ত লোক, an honourable man.

দেউতা বিধতা বুলি কুৱা—ক্ৰি, পৰক কাষৌ-কোকালি কৰি কুৱা, to entreat a person servilely with a view to obtain certain favours from him.

দেও উঠা,—ক্ৰি, [দেও হৈ উঠা] অপদেৱে লক্ষিলে মানুহে দেও-দুপাল কৰে আৰু অস্বাভাবিক কথা বলকিবলৈ ধৰে। এতেকে,—অস্বাভাবিক কাৰ্য্য কৰা, to act in an unnatural way.

দেও চাই বলি—বিং, দেও উগ্ৰ হলে, তেওঁক সন্তুষ্ট কৰিবলৈ বলি ডাঙৰ দিব লাগে। দেও সৰু হলে, বলি সৰু হব লাগে। এতেকে,—যথোচিত কাৰ্য্য, an appropriate action.

দেও দেও কৰা—ক্ৰি কোনো আচৰিত কথা দেখিলে "দেৱ" "দেৱ" শব্দ উচ্চাৰণ কৰা হয়। এতেকে,—আচৰিত মনা, to be struck with wonder,

দেওধনি উঠা—ক্ৰি, [দেওধাইনী হৈ উঠা] দেওধাইনীবিলাকক দেৱে লক্ষে ধুলি কয়। তেতিয়া সিহঁতে উন্মত্ত মানুহৰ নিচিনা হয় আৰু ভবিষ্যৎ বিষয়ক প্ৰশ্নৰ প্ৰকৃত উত্তৰ দিব পাৰে। এতেকে,—উন্মত্ত মানুহৰ দৰে আচৰণ কৰা, to act in mad excitement.

দেখা কথা—বিং, যি কথা সকলোৱে দেখিবলৈ পায় অৰ্থাৎ জন-জাত তেনে কথা। তাৰপৰা,—উচিত কথা, ঠিক কথা, an apparent thing; hence, a proper thing, a right thing.

দেখা কথাত পাট-মঙ্গল চোৱা—ক্ৰি, ভবিষ্যৎ কথা জানিবৰ নিমিত্তে মানুহে পাট-মঙ্গল চায়, কিন্তু যিটো দেখা কথা অৰ্থাৎ যি কথা চকুৰ আগতে ওলাই থাকে, তাক জানিবৰ নিমিত্তে পাট-মঙ্গল চাবৰ আৱশ্যকতা নাই। এতেকে,—স্বতঃসিদ্ধ কথা জানিবলৈ ক্লেশ-সাধ্য উপায় অৱলম্বন কৰা, to make a labourious attempt to find out what is but

a self-evident truth.

দেখিলে লেখা—ক্রি আহোম বৰজাৰ দিনত পাহৰৰ হিচাব আছিল। যাতে পাইক লুকাব পৰা নাযায়, সেই নিমিত্তে নিজ চকুৰে নেদেখিলে কোনো পাইক লেখত ধৰা নহৈছিল। মানুহক আগত দেখিলে যেনেকৈ লেখত ধৰা যায়, কাৰ্য্যকো সেইৰূপে আগত দেখিলে অৰ্থাৎ তাৰ ফল দেখিলে লেখত ধৰা যায়। এতেকে,—কাৰ্য্যৰ ফল দেখিলে সেই কাৰ্য্যৰ মূল্য নিৰ্দ্ধাৰিত কৰা, to set value to an action by the amount of tangible result which it produces.

দেৱত নলগা, ভকতত নলগা—বিণ, কোনো বস্তু দেৱক উৎসৰ্গি দিয়া হয় আৰু কোনো বস্তু ভকতলৈ আগ বঢ়োৱা হয়। যি বস্তু দেৱতো নালাগে আৰু ভকততো নালাগে, সেই বস্তু অসাৰ্থক। এতেকে,—অসাৰ্থক, নিষ্ফল, unavailing, useless.

দেৱতাই দিলেও বিধতাই নিদিয়—ক্রি স্বয়ং দেৱতাই কোনো বস্তু দান কৰিলেও, দেৱশ্রেষ্ঠ বিধতা অৰ্থাৎ ব্রহ্ম, বিষ্ণু হলে, তাক ভোগ কৰিবলৈ পোৱা নাযায় বোলা হৈছে। এতেকে,—ভাগ্য সুপ্রসন্ন নাথাকিলে কোনো বস্তু পাইও ভুঞ্জিবলৈ নোপোৱা, not to be able to enjoy a gift which is already received if the receiver happens to have a bad luck.

দেশ-ভগন—বি, দেশত বিপদ হলে মানুহবিলাক যেনিয়ে তেনিয়ে ভাগি-ভুঁহুৰি যায়। এতেকে,—ৰাষ্ট্ৰবিপ্লব, anarchy, political confusion.

দেশ ছাড়ি বিদেশলৈ যোৱা—ক্রি (ছাড়ি=এৰি) অত্যন্ত ভয়ানক কষ্ট নহলে নিজৰ দেশ এৰি মানুহে বিদেশত বসতি কৰিবলৈ নাযায়। এতেকে,—স্বদেশত কষ্ট সহিব নোৱাৰি বিদেশত গৈ বসতি কৰা, to be unable to bear misfortune any longer in one's home and so leave it and settle in a foreign land.

দেশৰ মানে—ক্রি-বিণ, [দেশৰ সমানে] গোটেই দেশখনতে যিমান আছে তাৰ সমানকৈ, বহু পৰিমাণে, অধিকৈ, to a great extent.

দেৱতৰ আগ—বিণ, [দেৱত কৰি আগ] দেশখনৰ মানুহৰ চৈ আগ, আটাইতকৈ আগ, foremost of all.

দেহে কোষে—ক্রি-বিণ, [দেহে কাষে] ধন-প্রাণে, whole-heartedly.

দেহি সুখবি—ব্য, (দেহি = দেহ, শরীর) যেহেতু মানুষের নিজের শরীরের সুখবি অর্থাৎ প্রকারে-বন্ধন সাধ্য আছে, তার দ্বারা নিজে কষ্ট পেলে তার বুঝোবা হয়। এই ধরণের মানুষের থাকে। এতেকে,—স্বার্থপরতা ব্যঞ্জক অন্তর্ম শব্দ, selfish.

দৈতে থাকি লোহোরা—বিং, [বিশেষণ থাকি লোহোরা] অবিতীয়, অতুলনীয়, incomparably good, excellent.

দৈত্য-কুলত প্রহ্লাদ—বিং, দৈত্য-কুলে প্রহ্লাদ বৈষ্ণব বলা বিষ্ণুভক্তিপূর্ণ পুত্তেক আছিল। এতেকে,—অধম বংশত উত্তম সন্তান, a righteous son in a sinful family.

দৈব-বাসনা ভল যোৱা—ক্রি, 'দৈব' আৰু বাসনা' প্রত্যেক। এই দুই পদে ভাগ্য বুজায়। (দৈব = দেবলিপি, বিধাতাই কপালত লিখা লিপি। বাসনা = সংস্কাৰ, পূর্ব্ব-জন্মৰ কৰ্ম্মানুযায়ী প্রাপ্ত সংস্কাৰ।) বিধাতাই পূর্ব্ব-জন্মৰ কৰ্ম্ম অনুযায়ী ভাগ্য লিখে। সেই ভাগ্য সংস্কাৰ-স্বরূপে এই জন্মত মানুহক কৰ্ম্মপ্রণোদিত কৰে। এই কাৰণত, সমস্ত ভাগ্য ভল গল অর্থাৎ নষ্ট হল যোৱা হৈছে। এতেকে,—সমস্ত ভাগ্য নষ্ট হোৱা, ধন-জন মান-সম্ভ্রম বিষয়-সম্পত্তি সকলো নষ্ট হোৱা, to be ruined completely.

দৈবকীৰ গভুৱা লৰা—বিং, দৈবকী শ্রীকৃষ্ণৰ মাক। 'গভুৱা' পদে 'শকত-তাকৰ' বুজায়। কংশৰ ভয়ত যদিও শ্রীকৃষ্ণক গোকুলত পঠুৱাই থোৱা হৈছিল, তথাপি তেওঁ যে দৈবকীৰ লৰা এই কথা সকলোৱে অতিবে জানিব পাৰিলে। এতেকে,—সৰ্ব্বত্র জনা-জাত মানুহ, a person who is conspicuous, well-known, renowned.

দোপাট ধৰুৱা—বিং, ইমানি সৰহীয়া ধাৰ আছে বোলা হৈছে, যে ধাৰৰ বোজাত মানুহ জলে দোপ দৈ যায়। এতেকে,—অধিক ঋণগ্রস্ত মানুহ one heavily involved in debt.

দোপাল পিটা কৰুণ—ক্রিং, কৰুণ দোপ-দোপ কৰে পৰে। ডৱা পিটিলেও দোপ-দোপ কৰে শব্দ হয়। এতেকে,—ডাঙৰ কৰুণ, torrential rain.

দোপাৰ মাজলৈ পিকিয়াই থোৱা—ক্রি, দোপাৰে উই থোৱাটো নৌকাখন পানীৰ মাজ দি, পিকিয়াই নিলে যেনেকৈ প্রায়ত সকল মানুহে নাপছিন্দা কৰে, দিনিয়ে সেই ধৰণৰ কাম দোপা দিয়া হৈছে।

এতেকে,—ভারুর মানুষ, বস্তু, কার্য্য ইত্যাদির নামের দ্বারা বহু কার্য্য সিদ্ধি করা, to be able to achieve a great deal by means of the weight of a great name.

সোনাভজা চিড়া—বিং, এমেলি ভজাকে সোনাই ভজা চিড়া। এই চিড়া খাবলৈ বর ভেলেতীয়া হয়। এতেকে,—হেপাহর বস্তু, a much-coveted thing.

সোনালত কথা কোৱা—ক্রি, মাঁতি-কাষরীয়া পর্ব্বতীয়া জাতির ভাষাক সোনান বোলা হয়। সেই সোনান অসমীয়া মানুহে বুজি নাপায়। এতেকে,—দুবুজা ভাষাত কথা কোৱা, to speak in an unintelligible language.

ধ।

ধন হলে সোণ হোৱা—ক্রি, ধন অর্থাৎ ৰূপ হলেই সোণ কিনিব পৰা যায়। এতেকে,—টকা হলে মহৎকার্য্য সাধন হোৱা, the performing of any great thing by means of money.

ধনলৈ হেঁপা—ক্রি, ধনৰ লগ ধৰিবৰ নিমিত্তে হেঁপি হোৱা, to hanker after money.

ধন-খটীয়া—বিং, ধন-খটীয়া সোতা ধন ৰখীয়া এবিধ দেও। এতেকে,—ধন-খটীয়া মানুহ, a great miser.

ধনৰ হোম যজ্ঞ—ক্রি, (ধনৰ—অৰ্থৰ।) মুকলমানৰ অৰ্থলৈ হেঁপা হৈ বিকিলে আমাৰ দেশৰে দুখুনি মানুহ ধন-খটীয়া হোৱাৰ সম্ভাবনা আছিল। সেই দুখুনিক 'ধনৰ হোম' হোৱা কৈছে। এতেকে,—অসাধ্যসাধন কৰা-সম্বন্ধে কথা, to accomplish a great undertaking.

ধনৰ বাঘ—বিং, [illegible] বাঘ। [illegible]

ধনস্থি পৈ—বিং, [ধনস্থ পৈ] ধনী [illegible] পতি, ধনবতী স্বামী। (টীকা মাত) a [illegible]husband, (slang).

ধনস্থ গছ—বিং, অপরিমিত ধন, immense wealth

ধনাই ধনাই—বিং, [illegible] ধনী ধনী ভাব [illegible] ধনীর মত ধনী ধনী এভাবে,—ধনাইয়া ধনাই, pretentious men.

ধনিয়ে কোধোধা—ক্রি, (ধনি—ধনী, ধনিয়ানি) অতিধনি পৈ ধনীর মত কথা কওয়া অর্থাৎ নিজে কোনো কাজের জন্য দায়ী নয়, কাজের সেই কার্য্যের দ্বারা নিজেকে চালিত হোয়া, to be swayed by the remote consequences of an act.

ধনে কিনা পৈ—বিং, [ধনের কিনা পৈ] ধন দি কিনি নেওয়া পতি, ক্রিতো-ভাব ধনের দ্বারা প্রতিপালিত পতি, ধনিত পতি, a husband by right of purchase i. e. a husband supported by his wife, a slavish husband.

ধনে ধনলৈ খোয়া—ক্রি, ধ'ত ধন আছে সেই ঠাইলৈ ধনে খেদি যোয়া, ধনীর ধনীলৈ যে ধন যোয়া, the coming of money to the company of money.

ধনেই ধর্ম্মর মূল হোয়া—ক্রি, পূজা-সেবা, যাগ-যজ্ঞ, দান-দক্ষিণা ইত্যাদি ধর্ম্ম কার্য্য কবিবলৈ ধনব্যয় কবিব লাগে। এভেকে,—ধনেই ধর্ম্মর মূল উপকবণ হোয়া, the earning of virtue chiefly by expenditure of money.

ধনেবে গৌল বন্ধা—ক্রি, ধন অধিক হৈ গৌলব আকাব ধবিছে বোলা হৈছে। এভেকে,—অতুল সম্পত্তিব পবাধি হোয়া, to acquire [illegible] wealth.

ধনেমান মবিশালি নহা—ক্রি, ধন যেতে থলে সেবাশুশ্রূষা নহয়। [illegible] এনে কার্য্য কবিব নোৱাবে। যেনে মানুহব সম্পর্কে যেতিয়া যে যেতি কাবণত মবিশালি হ'ব। [illegible] যেনেকৈ [illegible] যেতিয়া ধনেমান হয় তেতিয়া [illegible] [illegible] [illegible]

ধর-ধর মাৰ-মাৰ লগা—ক্রি, দম্ভ লাগিলে মুঁজাকবিলাকে ধর-ধর মাৰ-মাৰ শব্দ উচ্চাৰণ কৰে। এতেকে,—হাই-উকমি হোৱা, the making of loud noise.

ধৰমৰ খুঁটি—বিং, যাৰ দ্বাৰা ধৰ্ম প্ৰতিষ্ঠিত হৈ থাকে অৰ্থাৎ যাৰ দ্বাৰা ধৰ্মৰ ব্যতিচাৰ নহটে তেনে মানুহ, বস্তু বা গুণ। (খুঁটিত এবাল দিয়া মহ-পকৰে ধৰ্মৰ বিষয়নি দিয়া হৈছে।), the main stay of virtue.

ধৰ্ম মুধিষ্ঠিৰ—বিং, মুধিষ্ঠিৰ যৰ ধৰ্মিষ্ঠ আছিল। এতেকে,—মহ-ধৰ্মিষ্ঠ পুৰুষ। (সচৰাচৰ বিদ্ৰূপ-ভাৱত প্ৰয়োগ হয়, কিয়নো মুধিষ্ঠিৰৰ নিচিনা ধৰ্মিষ্ঠ পুৰুষ পৃথিবীত বিৰল।), virtue incarnate.

ধৰ্মক চিঁয়াই—ক্রি-বিণ, [ধৰ্ম'ক চিঁয়াই] ধৰ্মক উদ্দেশ কৰি, in the name of religion.

ধৰ্ম'ৰ ডোলেৰে বন্ধা—ক্রি, ধৰ্মপৰায়ণ কৰা, to restrain by means of the chain of religion i. e. to make devout by inoculating the precepts of religion.

ধৰ্মৰ দৌল বন্ধা—ক্রি, বহু ধন উপাৰ্জন কৰা, (বিদ্ৰূপ), to build an edifice of virtue.

ধৰ্মৰ সুক্ষ্ম গতি—বিং, ধৰ্মৰ গতি ইমান মিঠি যে তাৰ কাৰ্য্য হৈছে সে নাই হোৱা, সহজে গম পৰিব নোৱাৰি। ধৰ্মৰ ফল শীঘ্ৰ পোৱা নাযায়, কিন্তু তাৰ ফল অব্যাহত, সময়ত তাক নিশ্চয় পোৱা যায়, এই তাৰ গুণ। এতেকে,—ধৰ্মৰ ধীৰ কিন্তু অব্যাহত ফল, the slow but inevitable result of virtue.

ধাতু উঠা—ক্রি, (ধাতু = প্ৰীতি।) মনটো যৰ পৰা প্ৰীতি উঠি গোৱা যেন লাগে। এতেকে,—অতিবিক্ত ঘৃণা হোৱা, to be horrified.

ধান পকে মানে চুলিত মৰণ হোৱা—ক্রি, ধান পকিয়া মানে মানুহ চুলি যাই। চুলি যোৱা মানুহ ধান খায়। , ধানৰ পিছিলেই আহি-কৈছিলেই ধান আৰু ধানকৰে চুলি যোৱাই যেন কৰে। এতেকে,—মোহাৰ মৰণ পৰিণামৰ মানে মানে মৃত্যুৰ নামুহৰ নিচিনা লোভ আহি আকৰ্ষণ কৰিছে, ইয়াৰ অৰ্থ, the coming of a remedy follows towards death nearer the time of [illegible]

কথ থাকে। খাড়ব গল্পারে [illegible] তুলনা দিয়া তৈরে। এতেকে,—[illegible] the holding of opinion each one individually for himself.

খান-খেবর দুই—বিং, খান-খেবর [illegible] কিন্তু খেবতে [illegible] এতেকে,—[illegible] anything ephemoral.

খান-পুরীয়া কঠাল পাতর [illegible]—বি, (খান-পুরীয়া কঠাল—খান এপুরা গোটাগে বি আকার বয় সেই আকারীয়া কঠাল, ভাবর কঠাল। কোনো মনুষর মতে, খান-পুরীয়া কঠাল—খানে কঠাল কাব সলমিত এপুরা খান খোয়া যায়। কিন্তু এই অর্থ [illegible]) কেজিয়াবা খনে ভালম কঠালো পাতর [illegible] মানুহে দেখা নাপায়। এতেকে,—কোনো বিশেষ ব্যক্তিক, লেখকপবা বাদ দিয়া, to keep a prominent person out of calculation.

খাপত গজা ভুলি পবা—বিণ, খাপত গজা আক ভুলি পবা আমি-গজর আমি নিকৃষ্ট। এতেকে—নিকৃষ্ট, অকামিলা, inferior, useless.

খামনী খাই—স্ত্রি, খামনী—গা-পকত বিবোজা। [illegible] "খাই" বুলি সম্বোধন কবা হয়। এতেকে,—গা-পকত বিবোজা, a corpulent woman.

খাবে কাটিলেও কটা, গালিয়ে কাটিলেও কটা—স্ত্রি খাবে কাটক বা গালিয়ে কাটক দুয়ো সেই একে, দাবে একই। কোনো মানুহে নিজক অপকাব কবিব খাবব কাবণবাবা আনী মানুহক কাবণবাবা অর্থাৎ নিজে অপকাব কবে, নহলে [illegible] কাবণবাবা অর্থাৎ নিজব কাবণবাবা অর্থাৎ পবব মানুহেই কোব খোবা কবে। এয়াতকৈ দুয়ো [illegible] কবিলে আমাক [illegible] মানুহেই। এতেকে,—নিজে অপকাব কবক, আক নিজব [illegible] পবব মানুহক অপকাব কবাবা দুয়ো কথাব মর্ম একে যেয়া, to the hurt by a person no matter whether directly by his own hand or indirectly through another person's hand, the result being same in both cases.

[illegible]

সোণার বিবি লয় মোরারে, তথাপি অলঙ্কার পিন্ধিবার লোভ মোর, ধারে ধারে পিতলর বিবিকে পিন্ধিছো। এহেকে,—অবস্থাহীন হোয়া সত্ত্বেও আপচুতায় উন্নাসিত হৈ হুয়া, to behave with awkward exultation in straitened circumstances.

ধুই পানী খোয়া—ক্রি, কোনো বস্তু ইমান বহু-মূলীয়া বোলা হৈছে যে, সেই বস্তুটো যে পেলনি নাযায়েই, সেই বস্ত খোয়া পাত্রটোলে ধুই আৰু পানী টোপাকে যাবহার করা হয়। এহেকে,—বহু-মূলীয়া, আপুরু-শীয়া, valuable, rare.

ধুই পেলোয়া—ক্রি, কোনো পাত্র ধুই পেলালে সেই পাত্রত একণিত বস্তু নাথাকে। এহেকে,—একো নাইকিয়া করা, সমূলি ধ্বংস করা, to destroy completely.

ধুন ঢিলীকা—ক্রি, ধুন উকলি পরা, ধুন ওলোরা, ধুন প্রকাশিত হোয়া। (ব্যঙ্গার্থত ব্যবহৃত হয়।) to be out of gayeties i. e. to come down to a normal state.

ধুমকেতু পরা—ক্রি, ধুমকেতু কাচিৎ আবির্ভূত হৈ পৃথিবীলে হৈতে তাৰ সংঘর্ষ হয়। তেঁতিয়া সেই ঠাইৰ গাওঁ-ভূঁই ছাৰখাৰ হয়। অত্যন্ত দুৰ্দান্ত মানুহে আবির্ভূত হৈও সেইদৰে পৃথিবীৰ অমঙ্গল কৰায়। এহেকে,—অন্য অশিষ্ট মানুহৰ আবির্ভাৱ হোয়া, the appearing on the scene of a notoriously mischievous person.

ধুনি ধুনি ওলোয়া—ক্রি, কোনো মানুহক এসময়লে এনেকৈ কৰে বোলা হৈছে যে সি এসময়ত ধুনি-ধুনি হৈ উঠি যায়। এহেকে,—নিৰ্দয়ভাৱে প্ৰহাৰ কৰা, to beat mercilessly.

ধেই ধাত ধুনিয়েই ধনিষ্ঠই ওলোয়া—ক্রি, ধীমান-ধীমান ধুনৰ [ধেই ধাত' তেন মাৰি ধীৰ-ধাত আনিব লাগে। ধীৰ-ধাত হৈলে যাৰ, ধমক-ধামক আৰু মাৰি যাব। তেতিয়া ধীৰ-ধাত বোলা হয়, তেতিয়া ধমক-ধামক হৈ ধনিষ্ঠই পাৰ হৈ। এই মানে বোলা হৈছে যে, 'ধেই ধাত' ধুনিয়েই ধনিষ্ঠই পাৰ হৈ। এহেকে,—[illegible]

[illegible] abode.

[illegible]—কি, [illegible] মানুষে [illegible]। এ—মানুষের [illegible] an easy life.

[illegible] পচলা—বিং, কলব পচলা মুরুলি [illegible] খোক দাগিলে গছ ভাল কিছু হয়ে। [illegible] এখেবারে মিয়া হৈ থাকে। [illegible] নবাব মকবাবিয়ে এবে [illegible] এ—নবুলি কল-বাবি নকমা [illegible] drone, a sluggard.

ন।

ন-চরকী—বিং, নছুনটেক্ [illegible] নবলোকের গাড়ীর চুক্ত [illegible] এ—ন-চরকী নছুনটেক [illegible]

[illegible]—বি-বিং, [illegible] (নছুনের প্রয়োগ।) এ—[illegible]

[illegible] ন-[illegible] [illegible]—বি, [illegible]

value with the process of time.

ন পানী পাই খোৱা-পথলা—ক্রি, নকুনকৈ চৰ-পানী আহিলে খোৱা-পথলা কৰিবলৈ চল পোৱা যায়। এজেকে,—সুবিধা পাই আনন্দ-প্ৰকাশ কৰা, to feel exulted by gaining an advantageous position.

ন শ মৰিয়াই হু শ ধান পোৱা—ক্রি, আগেয়ে বজাৰ দিনত মৰিয়াইলাকক খেতি কৰিবলৈ দিয়াত ১০০ মৰিয়াই খেতি কৰি মুঠ ৩০০ পুৱা ধান পালে। এজেকে,—কোনো কাম্য কৰি সমূলি ক্ষতিগ্ৰস্ত হোৱা, to suffer dead loss in a business.

ন দি খোৱা—ক্রি, [মখ দি খোৱা] অন্তৰে টানকৈ ধৰিবলৈ জলে মখ পুতি থাকে। এজেকে,—জাঠি খোৱা, to speak confidently, to speak with a positive assurance.

মাটিত খেৱৰ ন শ—ক্রিং, (ন শ—ন শ মুঠি।) চাপৰিৰ খেৱ কাটিলে যে লেখত ধৰিব পাৰি, মাজনটে মানে সেই খেৱ কাৰো নহয়। এজেকে,—নিজৰ অধিকাৰলৈ যি আহোঁতেই নিজৰ বুলি ধৰা কোনো বস্তু, things not yet to hand.

নখা-মখা দিয়া—ক্রি, নখাই শক মখ ধান ইত্যাদি চুব কৰে। হাতে হাতে ধৰা পৰিলেও সি সৈ নলয়। এজেকে,—আঁহে মখা, to make a bare-faced denial.

নখাক খোৱা—ক্রি, অকামিলা বস্তু-যেনামি নখাক যেটি দিয়া হয়। এজেকে,—অনাদৰ কিংবা ঘৃণা কৰি আঁতৰ কৰা, to dispose of anything as worthless.

নখাৰ মিৰীয়ালি—ক্রিং, যেনেতে নিৰীয়ালি মিলে আক প্ৰয়োগে এহণ কৰিব নাপাৰে। কিন্তু নখাই মিৰীয়ালিৰ মূৰ্ত্তি হৰুণ্ডে। এজেকে,—যোগ-যুকুতা নহয়ৰ পুত্ৰ উপযুক্ত উপহাৰ, a worthy gift to an unworthy recipient.

নখাৰ বাই চাৰ-ভাল খোৱা—ক্রি, নখাৰ চমকাইছে যি সোমায়ে যে ভাল পায়, তাৰ ব্যবহাৰত সকলোৱে আৰু সোমায় বাই যায়। এজেকে,—

available for use,

নগাব সংক্রান্তি—বিং, অসমীয়া হিন্দু মানুহৰ সংক্রান্তিৰ দিনা সন্ধেৰ সময় আৰু হাল-খতি কৰে। কিন্তু নগাই সেইবিলাক নিয়ম এতো ন্যাগাছে। এতেকে,—ধর্মহীন মানুহৰ ধর্মানুষ্ঠান, a religious observance of a person who has no religion.

নগৈ গবগাওঁৰ বাতৰি কোৱা—ক্রি, গবগাওঁ আসামৰ ৰাজধানী আছিল। সেই নগৰ এনে চমৎকাৰ আছিল যে তাৰ পৰা গৈ নিজ চকুৰে নেদেখে মানে লোকৰ মুখে শুনি তাৰ বিবৰণ যথাযথ ধৰণ কৰা অসম্ভৱ আছিল। এতেকে,—আন্দাজত কথা কোৱা, to speak hearsay, to speak by guess.

নচুবাই লৈ কুৱোৱা—ক্রি, বান্দৰক নচুবাই লৈ কুৱোৱা হয়। মানুহটোৱে যেনেকৈ নচুৱায়, বান্দৰে তেনেকৈ নাচে। এতেকে,—চলাওঁতা মানুহে পৰক তাৰ (চলাওঁতাৰ) মততে চলাই লৈ কুৱোৱা, to compel to submit to one's will subserviently.

নজনা জনা—বিং, যাক কোনেও নাজানে অর্থাৎ যাৰ স্বৰূপ অবিদিত সেই জন পুৰুষ, ঈশ্বৰ, the unknown i. e. God.

নপতা কুকন—বিং, বসাই পাতিলে হে কুকন বিৰয় পাব পাৰি। এই স্থলত, কোনেও নপতাকে কুকন হৈছে বোলা হৈছে। এতেকে,—নিজে নিজে ডাঙৰ বুলি কুৱা মানুহ, মইৰৰ মানুহ, অহঙ্কাৰৰ ওপৰত প্ৰতাপ দেখুওৱা মানুহ, a self-styled lord, an over-bearing person.

নমো নমো পাৰিজাত—বিং, পাৰিজাত বিশুদ্ধ স্বৰ্গীয় ফুল। 'নমো নমো পাৰিজাত' বুলি এই ফুলৰ স্তুতি আৰম্ভ কৰা হয় বুজোৱা হৈছে। বিশুদ্ধ মানুহক পাৰিজাত ফুলেৰে তুলনা কৰা হৈছে। এতেকে,—নীতি-ধৰ্মৰ পৰাকাষ্ঠা, excessive orthodoxy.

নৰ-মনিচক ছল দেখুওৱা—ক্রি, নৰ-মনিচ=নৰ-মনুষ্য। দেৱযোনি বা ভূত-যোনিয়ে বা অদ্ভুত ক্ষমতাশালী পুৰুষে সাধাৰণ মানুহক অমানুষিক কাৰ্য্য দেখুওৱা, the showing of a miracle to an ordinary man by a spiritual being or by a man of superior intelligence.

নল মৰি গজালি ওলোৱা—ক্রি, নল পৰিণত হৈ শুকাই মৰি যায়। কিন্তু

তেতিয়া তাৰ মূলবপৰা গজালি ওলায়। এতেকে,—মানুহ বুঢ়া হৈ মৰি সিহঁতৰ পো-পোৱালি জন্ম হৈ সিহঁতৰ ঠাই অধিকাৰ কৰা, the filling of gaps created by the death of old people by their sons.

নলগা হেজাত লগা—ক্রি, (হেজা=হেঠা। নলগা=হাত লগিব নালাগে তেনেকুৱা।) যি হেঠাত ব্যাপৃত হব নালাগে তেনে হেঠাত ব্যাপৃত হোৱা, to engage in a matter with which one should have nothing to do, to interfere unnecessarily.

নলে-গলে লগা বন্ধু—বিং, নল অর্থাৎ ডিঙিৰ নলি আৰু গল অর্থাৎ ডিঙি এই দুটাৰ দৰে লগালগি বন্ধু, প্রিয়তম বন্ধু, dearest friend.

নষ্ট যোৱা—বিণ, দুষ্কার্য্য কৰিলে ফল স্বরূপে মানুহ নষ্ট হয়। এতেকে,—দুষ্কর্ম্মা (গালিৰ অর্থত।) wicked, unrighteous (a term of abuse).

নহবলৈ হোৱা—ক্রি, [আনৰ নহবলৈ হোৱা] অন্যান্য মানুহৰ কাৰো কৰো. তেনেকুৱা নহব এইভাবে হোৱা, অসদৃশভাবে হোৱা, অসাধাৰণ, ভাবে হোৱা, অতুলনীয়ভাবে হোৱা, to take place in an extra-ordinary, unusual, incomparable, excellent manner.

নাই ওই নাই মই বুলি লগা—ক্রি, [হয় মই, নাই তই, হয় তই, নাই মই] দুটাৰ ভিতৰত এটা মৰিব এটা জীয়ব এই বুলি যুঁজ লগা, to engage in a deadly duel.

নাই মুই কৰা—ক্রি, [নাই নহয় কৰা] আঁচৰ মৰা, to deny.

নাই নৌ কাটোঁতেই ঘোৱোচ কৰা—ক্রি, গকৰ পোৱালি লগা মাত্রকতে, নাই নৌ কাটিবলৈ পাওঁতেই কঁবীয়া পাতি ঘোৱোচ-ঘোৱোচ কৰে ধীৰাবলৈ যায় বোলা হৈছে। এতেকে,—কোনো কার্য্যৰ ফলভোগ কৰিবৰ নিমিত্তে অধৈর্য্য হোৱা, to be impatient to enjoy a thing before the preliminaries necessary to give effect to possession are completed.

নাই বুলিলে নাপাওঁ যিয় নোহোৱা,—ক্রি, নাপে ভাকিলে যদি নাই শুকা বুলি মনতে ভাবি লোৱা যায়, তেনেহলে যিয় নাইকিয়া হয় বুলি মানুহে কয়। এতেকে,—নাযাচিলে একো নোহোৱা, the coming to nothing

of an evil if it is thought not to be an evil at all.

নাই বুলিলেও ভাতীৰ পেটত একমহ পানী থাক.—কিছু ভাতীৰ যোগাই নেথকন তা হেঁচিয়া সি ভাঁড়েৰে পেটবপৰা পানী উলিয়াই গালৈ ঢেলেকাই যা খুব কৰে। তাৰ পেটত সদাই পানী থাকে। এই কথাত কোৱা হৈছে, যে তাৰ পেটত পানী নাই বুলিলেও একমহ পানী থাকে। তাৰপৰা মানুহক ভাতীয়ে তুলনা কৰা হৈছে। এতেকে,—তাৰপৰা মানুহৰ যেই সেই বস্তু সদাই যথেষ্ট পৰিমাণে থকা, তাৰপৰা মানুহে কোনো বিষয়ে কোনো কালে সৰ্ব্বশূন্য নোহোৱা, the stopping of a great man short of absolute destitution in any matter at any time.

নাই বলামটী নাই গুৱাহাটী বুলি—ক্রি-বিণ, আগৰ দিনত যাতায়াতৰ সুবিধা নথকাত বলামটী আৰু গুৱাহাটী দূৰণীয়া বাট আছিল। কোনো দূৰণীয়া বাটলৈ যাবলৈ হলে মানুহে কৈছিল :—"নাই বলামটী নাই গুৱাহাটী" অৰ্থাৎ "দেশ এৰি যলৈ হয় তলৈ যাম।" এতেকে,—প্ৰাণৰ মমতা এৰি অৰ্থাৎ প্ৰাণ-টাঁকি, desperately.

নাইত হাত দিয়া—ক্রি, 'নাই' শব্দৰ ওপৰত খেল কৈছে। এক অৰ্থ, অভাৱ বুজোৱা অব্যয়। আন অৰ্থ, নাহি। কোনো প্ৰশ্ন কৰিলে 'নাই' 'নাই কৰা' 'নাই হোৱা' ইত্যাদি উত্তৰ দিলে 'নাইত' হাত দিয়ে বুলি কোৱা হয়। এতেকে,—'নাই' শব্দত হাত দিয়া অৰ্থাৎ নাই বুলি কোৱা, to give a negative reply.

নাইকিয়াৰ মাক—বিং, অসমীয়া মানুহে বৈশিষ্ট্যৰেক নাম কাঢ়ি নাযাতি নথাকে নামেৰে 'আমুকাৰ মাক' বুলি মাতে। যি জনা বৈশীৰ নৰা থাকে, তেওঁক কাজেই 'নাইকিয়াৰ মাক' বুলিব লাগে। এতেকে,—নিঃসন্তান বৈশী, a childless wife.

নাও ঘুৰি তলি পালেও টিনৰপৰা নমনা—ক্রি, ওবিয়ালে নাওৰ টিনৰ ওপৰত উঠি ওবি গোমায়। ওবিয়ালৰ ঘাম বেছি, আৰু সি টিনত ওবি নাওখীয়াক হুকুম দিয়ে। নাওৰ টিন ওখ। নাওী মানুহে উঠোৱাৰ যত্নে, এনে ভাব বুজোৱা হৈছে। এই কথাত কোৱা হৈছে যে ওবিয়ে তাৰ অহঙ্কাৰ ইমান বেছি, নাও ঘুৰি নৈৰ আঁৰ, গৈলেও সি টিনৰপৰা নামেনে। এতেকে,—সৰ্ব্বনাশ হোৱা অৱস্থাত থকা, great danger

in slightly although dire consequences may result, to keep up vanity at the greatest sacrifice.

নাওরে গাওঁরে একে—বিণ, [নামে গ্রাম একে] (গ্রাম=গুণগ্রাম।) নাম অনুযায়ী গুণাবলী থকা, possessing qualities appropriate to the name.

নাও-পেটা মানুহ—বি., নাওর তলিখন চেপেটা আরু দীঘলীয়া। এতেকে,—চেপেটা আরু দীঘলীয়া পেটর মানুহ a person with a boat-shaped belly i. e. an extended level belly.

নাক-কটা—বিণ, নাক কটা অপমানর বিষয়। এতেকে,—অপমানজনক, disgraceful.

নাকটো গুৰি চপাই কট—ক্রি, আহোম ৰজাৰ দিনত নাক-কট, দণ্ডৰ বিধি আছিল। অপৰাধৰ গুৰুত্ব অনুযায়ী নাকৰ পৰিমাণ কট হয়। অতি ডাঙৰ অপৰাধ হলে নাকটো গুৰিলৈ চপাই কটা হয়। এনে কাৰ্যৰ দ্বাৰা অপৰাধীক অতি লাজ দিয়া হয়। এতেকে,—অতিপাত লাজ পোৱা, to be ashamed exceedingly.

নাকৰ তলে গোঁজা—ক্রি,—নাকৰ তলত মুখ থাকে। এতেকে,—মুখে দি গুঁজি দিয়া অর্থাৎ মুখেৰে খোৱা। (বিদ্রূপ), to thrust into the opening down the nose i. e. to eat. (used ironically.)

নাক-কাণ কটা—বিণ, আহোম ৰজাৰ দিনত নাক আৰু কাণ কাটি দণ্ড দিয়া বিধি আছিল। যি মানুহৰ লাজ নাইকিয়া, সেই মানুহে মাথোন এনে গুৰু দণ্ড পোহাৰ যোগ্য অপৰাধ কৰিছিল। এতেকে,—নিলাজ, scandalous, disgraceful.

নাক চকু লগা মানুহ—বিং, নাক আৰু চকু সকলো মানুহৰে গাত লগা থাকে। এতেকে,—বিশেষত্ব নথকা সৰ্ব-সাধাৰণ মানুহ, a person of average qualifications.

নাকৰ পানী চকুৰ পানী একে হোৱা—ক্রি, ৰবকৈ কান্দিলে নাকৰ পানী আৰু চকুৰ পানী ওলাই একাকাৰ হয়। এতেকে,—ৰবকৈ কান্দা, to weep bitterly.

নাকনী-কাকনী খোৱা—ক্রি, ['নাকনী-কাকনী খোৱা' চোৱা।]

নাখালে কৰিম হোৱাৰ, নাজানে মৰিম হোৱাৰ—বিণ, আহোম বহুৱাল বন্ধ কাৰ

কবিব পবা নাযায়, আক অন্তাব খালে পেই ওফুব হৈ কায কাবকলৈ লবি চবি ফুবিব পবা নাযায়। এতেকে,—কোনো অন্তাতে কার্য্য কবিবলৈ অক্ষম, অতিপাত এলেহুৱা, too lazy for anything.

নাচে নখন দিয়া—ক্রি. বহুতাই নাচোন বাঢ়োন কবি বহু দেখুৱায়। এতেকে,—বহুত্বালি কবা, to act with levity.

নাদব ভেকুলী—বিং, নদদ্ব ভিতবত জেকুলা থাকে। সেইবিলাকে নদদ্ব বাহিবব কথা একোকে নাজানে। এতেকে,—অজ মানুহ, one without the least experience of the outside world.

নাম্নং ন বস্নং—বিণ, [ন অম্নং ন বস্নং।] সংস্কৃত বাক্য] অন্ন আক বস্ত্র নাই অর্থাৎ খাবলৈ ভাত নাইকিয়া আক পিন্ধিবলৈ কাপোৰ নাইকিয়া, ভিকহু, utterly destitute.

নাবা বুলিলেও চাবি চাপবি বোৱা—ক্রি, চোল বজাই থাকোঁতে ঢুলীয়াক বজাবলৈ হাক দিলেও সি আক চাবি চাপব বজাই হে বন্ধ কবিব পাবে। যেতিয়া বজাবলৈ কোৱা হয়, তেতিয়া সি সীমা চেবি যায়। এতেকে,—কোনো কার্য্য কবিবলৈ আনে হাক দিলেও অপমান নকবি নোয়ৱা, উন্মত্তভাবে কার্য্য কবা, to be spurred on to do a thing by excess of spirits.

নাম ফুটি-ফাটি যোৱা—ক্রি, কোনো বস্তু ফুটিলে ব ফাটিলে টুকুবাবিলাক চাবিও পোনে উফবি পবে। এই স্থলত কোৱ হৈছে, যে মানুহব নাম ফুটি-ফাটি যায় অর্থাৎ চাবিও পোনে যায়। এতেকে,—নাম চাবিও পোনে জলা, to be far-famed.

নাম লোৱা—ক্রি, মৃত্যু-কালত মানুহে ঈশ্বৰব নাম লয়। এতেকে,—মৃত্যু-গামী হোৱা, to remember God in the last moments of life i. e. to die.

নামাতি বণ জিকা—ক্রি, দশত দুজন মানুহে উজবা-উজবি কবি থাকে। যদি এজনে মাতে, আন জনে নামাতে, মতা জনব কথাখিনি নমতা জনে জানিবলৈ পায়, কিন্তু নমতা জনব কথা মতা জনে জানিবলৈ নাপায়। পাচত নমতা জনে সেই বাবে নিজব সুবিধা কবি লব পাবে। এতেকে,—মাত-বোল নকবি অর্থাৎ মনোভাব আনক জানিবলৈ দিবি স্বার্থ-সিদ্ধি কবা, to serve one's interest by discreet

reticence.

নামব মুখেব থকা—ক্রি, নাম-গোহাব অন্তত প্রসাদ থাকলৈ পোৱা যায়। 'নামব মুখেবে' বুলিলে 'নামব অন্তত প্রসাদ নোখোৱাকৈ শুদা মুখেবে' বুজোৱা হৈছে। এতেকে,—অনাহাবে থকা, to be fasting.

নামলৈ খেদা—ক্রি, নাম অর্থাৎ সদ্ নামব লগ পাবব নিমিত্তে খেদি যোৱা, to hanker after fame.

নাম ধর্ম্ম—বিং, [হবিনাম ধর্ম্ম] হবিনাম-কীর্ত্তনস্বরূপ ধর্ম্ম, a form of worship which consists in chanting of hymns to God.

নাল-লগোৱা কথা—বিং, দা কটাবিত্ত নাল লগালে দীখল হয় আৰু ধবিবলৈ সুচল হয়। কথাতো নাল লগালে অর্থাৎ বঢ়াই কলে প্রসঙ্গ দীঘলীয়া হয় আৰু কবলৈ সুচল অর্থাৎ ধুনীয়া হয়। এতেকে,—মিছা জোৰা দিয়া কথা, exaggarated language.

নাশ্রুত নাভূত—বিণ, [ন শ্রুতং ন ভূতং] (সংস্কৃত বাক্য।) যাক শুনা নাই আৰু যি হোৱা নাই অর্থাৎ নোপোৱা নোপজা, আচবিত, miraculous, phenomenal, strange.

নাহব গছ কটা—ক্রি, নাহব গছ যব টান, তাক সহজে কাটিব পবা নাযায়। এতেকে,—টান বন কবা, to do a piece of hard work.

নাহবতকৈ সুকাঠি ওলোৱা—ক্রি, নাহব গছতকৈ সু-কাঠ নাই। এতেকে,—অতি ভালতকৈ ভাল ওলোৱা, (বিদ্রুপ।) to pretend to be better than the best. (used ironically).

নাহবব শুবি কটা—ক্রি, নাহব কাঠ টান, তাব শুবি কাটিবলৈ আৰু টান। এতেকে,—যব টান বন কবা, to do a piece of stiff work.

নাহবব শুবি পেলোৱা—ক্রি, [নাহবব শুবি কাটি গছ পেলোৱা] নাহব গছব শুবি কাটি গছ পেলোৱাটো যব টান বন। এতেকে,—যব টান বন কবা, to do a piece of stiff work.

নাহবব সাব পেলোৱা—ক্রি, [নাহবব সাব কাটি গছ পেলোৱা] সকলো গছবে সাবটো কাটিবলৈ টান, কিন্তু নাহবব সাব কাটিবলৈ আটাইতকৈ টান। এতেকে,—যব টান বন কবা, to do a piece of stiff work.

নিমব গাটোকে বনে খোৱা—বিণ, ইমান দুর্বল যুগি খোৱা হৈছে যে নিমব গাটোকে বনে খোৱায়। এতেকে,—অতি দুর্বল, too weak.

নিজর ভবিত নিজে কুঠাব মবা—ক্রি, গছ কা টাঁতে অকস্মাৎ কুঠাব ঘৈ নিজর ভবিতে লাগে। সেই কার্য্য অনিচ্ছা-বশতঃ হস। এই স্বয়ং কোরা হৈছে যে, ইচ্ছা কবি নিজে নিজর ভবিত কুঠাব মাব। এতেকে,—নিজে নিজর অমঙ্গল আচবা, নিজর কার্য্যব ঘাব আথাৰানি কবা, to act against one's own interest, to pursue a suicidal policy.

নিচালে মবা—ক্রি, থিয় হৈ থাকোঁতে মানুহৰ গাত বজ্রপাত হলে যি সেই ভাবেই চাল নোখোৱাকৈ থিৰ থিৰে মবে। এতেকে,—বিষম বিপদ-গ্রস্ত হোৱা, to be struck down instantly by a dire calamity.

নিধনীৰ ধন—বিং, নিধনীয়ে ধন পালে সেই ধন তাব অতি আদবব বস্তু হয়। এতেকে,—অতি আদবব বস্তু, a dearly beloved thi

'নিন্দিলে বন্দিবলৈ পোৱা—ক্রি, [আগে নিন্দিলে পাচে বন্দিবলৈ পোৱা] কোনো মানুহক এসময়ত নিন্দা কবিলে পাচত সেই মানুহকে বন্দিব লগীয়া হোৱা অর্থাৎ কোনো বিষয়ে তেওঁতে প্রার্থিত হব লগীয়া হোৱা, to have to bow to one who is held in contempt.

নিবুকা গৰু—বিং, গৰুয়ে মাতিব নোৱাবে কিন্তু সি অভক্ষ্য (বিষ্ঠ) ভক্ষণ কবে। মুখেবে ববকৈ নমতা কিন্তু কার্য্যেবে অনাচাব কবি ফুবা মানুহক গৰুবে তুলনা কবা হৈছে। এতেকে,—অল্পভাষী অনাচাবী মানুহ, a grave-looking wicked person.

নিবুকা চামন—বিং, চামন দেওয়ে গাত লগিলে মানুহ নিবুকা অর্থাৎ মাতিব নোৱাবা হয়। এতেকে,—ববকৈ কথা বতবা নোকোৱা মানুহ, অল্পভাষী মানুহ, a person who talks too little.

নিবুকীয়ে গাওঁ ভঙা—ক্রি, যি তিবোতা নিবুকী অর্থাৎ যি মানুহেবে ববকৈ মাত-বোল কবি নুফুবে, তেনে তিবোতাই গাওঁ ভাঙে, অর্থাৎ তলে তলে তেনে তিবোতাই এনে ভয়ানক দুষ্কর্ম্ম কবে যে, গোটেই গাওঁব মানুহ জলব-জপব হৈ থাকি, গাওঁ এবি যাব লগীয়া অৱস্থা পায় হৈ। এতেকে,—বাহিবে যাক অতি শান্ত যেন দেখা যায় ভিতবে তেনে মানুহে ঘোব দুষ্কার্য্য কবা, the doing of the worst crime secretly by a person who is known outwardly to be the most

innocent of all.

নিমাতী কন্যা—বিং, (উপকথা) কোনো এজনা রাজ-কন্যাই প্রতিজ্ঞা করিছিল যে, তেওঁ মুখেৰে নমতাকৈ থাকিল, আৰু যিজন পুৰুষে তেওঁৰ মুখৰ মাত উলিয়াব পাৰিব, তেওঁকে তেওঁ পতি-স্বৰূপে বৰণ কৰিব। এতেকে,—বৰকৈ মাৎ-চোক নকৰা হীন ছোৱালী, a girl who talks too little.

নিমুখমুৰীয়া হোৱা—ক্রি, পৰিয়ালৰ ভিতৰত মুৰ অৰ্থাৎ (অন) মানুহ নাইকিয়া হৈ থকা (অকল) মুখৰ মানুহ হোৱা, পৰিয়ালৰ অন্যান্য মানুহ মৰি-হাজি অন্ত হৈ অকল শৰীয়া হোৱা, to be left the solitary figure in the family after the death of all the other members.

নিলগতে চেই চেই কৰ—ক্রি, কুকুৰ অশুচি হওঁ। সি আহিৰ খুজিলে নিলগতে তাক 'চেই চেই' বুলি খেদি দিয়া হয়। এতেকে,—অতিকৈ ঘিণ কৰা, to look at scornfully, to despise.

নিলগৰ চৌ নিলগতে মাৰ দিওঁৰ,—ক্রি, চৌ নিলগৰপৰা বাগৰি আহে কিন্তু ওচৰ চৌ পাওঁতেই মাৰ গালে নাওৰ একো হানি নহয়। এতেকে,—বিপদ দূৰতে ৰাহত কৰা, বিপদ ওচৰলৈ চাপিবলৈ নিদিয়, to avert a far-off danger.

নিলগৰ পৰ্ব্বত শুৱনী দেখা—ক্রি, নিলগৰপৰা চালে পৰ্ব্বত শুৱনী দেখা যায়, কিন্তু ওচৰ পালে গৈ পৰ্ব্বতৰ খাল-বামবিলাক ওলাই পৰে আৰু ভোকিয়া তাক নীল বৰণীয়া নেদেখি। সেইৰূপে, নিলগৰপৰা মানুহকো সুখী দেখা যায়, কিন্তু ওচৰৰপৰা চালে তেওঁৰ কি দুখ আছে, তাক জানিব পাৰি। এতেকে,—আভ্যন্তৰিক অৱস্থা নাজানি মানুহক বাহিৰৰপৰা সুখী দেখা, to take a person to be happy by seeing him from a distance and not being able to know his real condition.

নিলাজী ধনৰ নিচিনাকৈ জঁৰ-পৰা—ক্রি, নিলাজী ধন ছুলেই-জাঁৰ পৰে অৰ্থাৎ তাৰ লাজ ইমান বেচি যে ছোৱা মাত্রকতে সি লোটা-মোচ খাই যায়, এই ভাব বুজোৱা হৈছে। এতেকে,—অতিৰিক্ত লাজৰ ভাব প্রকাশ কৰা, to be overcome with bashfulness.

মুই কৈরা—ক্রি. [মু-মুই উচ্চারণ করিয়া] নিজের মুখে নিজের দোষ, অপরাধ, বা deny.

মুখুরে মাসে খোঁড়—ক্রি, নাম [illegible] [illegible] [illegible]

নেদেখাই দেখা—ক্রি, যি মনুহে কোনো বস্তু আগেয়ে দেখা নাই, সেই মানুহে সেই বস্তু দেখিলে আচৰিত হৈ চাই থাকে। এতেকে,—আচৰিত হৈ চোৱা, to look a thing with feelings of wonder.

নেদেখিলে এওঁবাঁ চৰা—ক্রি, এওঁবাঁ নাকৰপৰা তেজ ওলোৱা এবিধ ৰোগ। তেজ চৰিলে অর্থাৎ ওপৰলৈ উঠিলে এই ৰোগ হয়। তললৈ অধিক পৰ মুখ দোঁৱাই থাকিলে তেজ চৰে। বেজাৰত মানুহে তললৈ মুখ কৰি থাকে। এই মূলত কোৱা হৈছে, যে কোনো প্ৰিয় জনক দেখা নাপালে এনে চিন্তান্বিতভাবে তললৈ মুখ কৰি থকা হয়, যে তেওঁৰ এওঁবাঁ ৰোগৰ উৎপত্তি হয়। এতেকে,—নেদেখিলে অত্যন্ত চিন্তাযুক্ত হোৱা, to be deeply aggrieved at not seeing any beloved person.

নোক-নোকী—বিং, গাভৰিৰ গাটো হেমেহা, সি নোক্-নোক্ কৰে চৰি ফুৰে। এতেকে,—গাহৰি, (উপলুগীয়া মাত।) a pig.

নোম-টেঙৰ—বিণ, [নোমে-পতি টেঙৰ] সর্ব্বাংশে টেঙৰ, অতি টেঙৰ, too cunning.

নোম-নেওৰ বঞ্চিত—বিণ, অতৰ নোম আৰু নেওৰ মাণোন সম্পত্তি। যি মানুহৰ সম্পত্তি একো নাইকিয়া, তাক নোম-নেওৰ বঞ্চিত অন্তৰে তুলনা কৰা হৈছে। এতেকে,—সর্ব্বশূন্য, আও-টোকোনা, poorest of the poor.

নোৱৰা হোৱা—ক্রি, [ছুৰ নোৱৰা হোৱা] তিৰোতা ঋতুমতী হলে মানুহ বা বস্তু একো ছুৰ নোৱাবে। এতেকে, ঋতুমতী হোৱা, to be menstruated.

প ।

পঁইতা-ভাতত খরিকা মরা—ক্রি, সিকিমর সিকিমে কোনো মরত খরিকা মুনাই দিয়া হয়। সেন-সেনীয়া পঁইতা ভাতত খরিকা মাখিবর আবশ্যকতা নাই। এতেকে,—মরা-কৃপণ, too niggardly.

পিঁয়াপি দিয়া—ক্রি, বহু মানুহে একেলগে একেখন সোনে পিঁপিঁয়াই মুখা, বহু মানুহে চাবিও কালে খেদেরালি হৈ থোকা, to scatter about on all sides.

পেপা বলি অহা—ক্রি, গছর পুলি বলি অর্থাৎ ফাঁহল হৈ পেঁপার সিটিমাটিকে বাঢ়ি যায়। এতেকে,—জীবনর প্রথমাবস্থা আবস্তুহোরা, to be in the first stage of life.

পকা আদঠা—বিং, মহাত্মালোকর ওপা পকা আদঠার নিচিনা হৈ থবটকৈ অলে। এতেকে,—মহাত্মা লোক, a great man, a genius.

পকা আমর খেলিকা কুজা মোহা ওলোরা—ক্রি, কোনো মানুহে গছত উঠি গছর ওপরতে পকা আম খায়। তার মোহাক তলটে আছি আকু আম খোজে। মোহাক কুজা যাবে গছর ওপরলৈ উঠিব নোরারে। গছত উঠা মানুহটোরে এই বুলি উত্তর দিয়ে:—"পকা আমর খেলিকা কিহর কুঁজা মোহা।" এতেকে,—স্বার্থসিদ্ধির বস্তু পালে আত্মীয়, মানী আরু অপরাধ লোককো বঞ্চনা করিবলৈ কোনো মানুহে সঙ্কোচ নকরা, not to shrink from serving one's ends by depriving a relative who is helpless and worthy of commisseration.

পকা খেকেরা—বিং, খেকেরা যুবতীর বয়স আরু পকিলে সি বয়া হয়। মানুহর মুখো যুবতীর আরু মুখর খেলো বয়া। মুখত ভেদ খেটি থাকিলে, মুখখন পকা খেকেরার নিচিনা দেখা যায়। এতেকে,—ভেদাগ-যুবীয়া মানুহ, a person with a ruddy countenance.

পখরা ফুল—বিং, কেইবা বছরর বিছনি বছরক পখরা বোলে। এতেকে,—বহু বছরর পাছ-পাছ দিয়া ফুল অর্থাৎ অতিরিক্ত ফুল, the extremes of fashion.

পাখরা-পাখি কথা—ক্রি, চরায়ে বুঢ়ি লাগোতে ইটারে সিটারে যোরাবে বুঢ়ি-

ঝুঁটি ধরি পাড়ি উথাড়ে। এতেকে জোঁটাপুটি করা, to engage in a mutual struggle.

পথ খোরা—বিণ, চোর প্রকৃতির এবো খাবলে নাপালে পথা ভালকে চোরাই খায়। এতেকে,—নীচ প্রকৃতিযুক্ত mean and wicked.

পচলা কাট দিয়া—ক্রি, কলর পচলা অনায়াসে বেলেকৈ থপিয়াই কাটে সেইরূপে কাট, to cut to pieces.

পচলাত দাঁত ভগা—ক্রি, কলর পচলারে আল্লা খেরা হয়। কলর পচলা কোমল। সি সিদিলে তাক কোমল হয়। এই হুলত কোরা হৈছে, যে তাক খাওঁতেই দাঁত ভাগে। এতেকে,—সহজ উহু কার্য্য করোঁতে অশেষ ক্লেশ পোরা. to suffer grievously in doing a trifling act.

পছোরা বতাহর লগত লরা—বিণ, পছোরা বতাহ=পশ্চিম ফালরপরা অহা বতাহ। এই বতাহ বর কোবাল। পছোরা বতাহক পিচ পেলাই লরি যোরা অসম্ভব। এতেকে,—কোবাল, চোকা, তীখামরা, too fast, exceedingly smart.

পটা পিহা দিয়া—ক্রি, পটাত পিহিলে বস্তু চূর্ণীকৃত হয়। এতেকে,—প্রহারর দ্বারা চূর্ণীকৃত করা অর্থাৎ বিষম প্রহার করা, to reduce to powder i. e. to commit a severe assault.

পটুরা চিবা দিয়া—ক্রি, কলর পটুরা যেলেকৈ চিবে তেলেকৈ চিবা অর্থাৎ উত্তম রূপে দিয়া. to punish severely.

পাঠ ফলা—ক্রি, শেষ করা চোরালীর কিতাপ যেগতে ফাটি যায়। এতেকে,—পঢ়া শেষ করা, (ব্যঙ্গার্থে) to finish one's course of education (used ironically).

পতঙ্গ হোরা—ক্রি, [পতঙ্গ হোরা] (পতঙ্গ=ফড়িং।) ফড়িং উড়ি আহি ছুইতে যাপ্‌ দি পরি মরে। এতেকে,—অন্ত হোরা, তাকর অনিষ্ট হোরা, to be done for, to be ruined.

পতাল-ধানেরে ওঁড়াল তরোরা—ক্রি, ধানেরে ওঁড়াল তরা আছে কিন্তু চাউল উড়ি চেই কিন্তু পতালেরে ভরি আছে। তেনেকুরা ধানেরে ওঁড়াল তরার এলে সার নাই। এতেকে,—অলাপতিয়াল বস্তুরে চরকী হোরা, to be rich with things of no value, to be master of

trifles.

পত্তি কৰা—ক্রি. প্রতিপাল কৰা, to nurse.

পথাৰ মুৰা—ক্রি. গৰুহে গাইহ পিছে পিছে পথাৰত খেদি ফুৰি প্রজনন কৰে। এতেকে,—সঙ্গম কৰা, (সঙ্গম কৰাই।) to have sexual intercourse (said of animals).

পথাৰৰ মাজৰ মুগা—বিং পথাৰৰ মাজৰ মুগা যেই কাৰণেপৰা গোলোৱা হয়, সেই কাৰণেপৰা পোৱা হয়। সেই কাৰণে কোনো অস্পষ্ট কাৰণৰ অৰ্থ যেন যি কৰণে কৰে সেই ধৰণৰ হয়। এতেকে,—অনেক প্রকাৰৰ ভেদেল, ভেদেগা লগা দিব পৰা কোনো কথা বা কাৰ্য, anything which is susceptible of different interpretations.

পথালি কোমোৱা—বিং, কোনো মানুহৰ ধৰণৰ গাৰি ধৰিলে তাৰ পথালি জোখ বাঢ়ে। অলঙ্কাৰ-ধৰণে কোৱা হৈছে, যে সেই জোখ বাঢ়ি যৈ জীবন জোখৰ অনুপাতে কমত হয় যৈ, যাতে সেইবাবেই কোমোৱাটোৰ মিচিনা হয়। এতেকে,—অতিৰিক্ত গাৱাল মানুহ, a disproportionately plumpy person.

পথালি চকুৱা মনিচ—বিং, (মনিচ=মানুহ।) দেৱতাসকল খিৰ-চকুৱা। সেই হেতুকে তেওঁলোকৰ দৃষ্টি। মানুহলোক পথালি-চকুৱা। সেই হেতুকে নিৰীক্ষৰ ভুল দৃষ্টি। এতেকে,—ভুল-ভ্রান্তি যাৰ প্রকৃতিগত হেনে মানুহ, ভ্রমাত্মক মানুহ, ভুল বুদ্ধিযুক্ত মানুহ. man who is liable to err.

পদশিলা গোঁসাই—বিং, শ্রীশঙ্কৰ দেৱৰ পদ চিহ্ন কৰোৱা পাথৰ শিলা হৈ আছে। মহাপুৰুষীয়া সকলে সেই পদশিলাক গোঁসাই অৰ্থাৎ ঈশ্বৰৰ তুল্য ভক্তি কৰে, the foot print of Sankar Deo preserved in the Bardoa Satra and worshipped by the disciples of the Mahapurushia faith.

পদুম-পাতৰ পানী—বিং, পদুম-পাতৰ পানী সৰু-চৰু কৰি থাকে। পাত অলপ ফটীয়া হলেই পানী থাকিব নোৱাৰে। এতেকে,—কোনো চকুলু বা অথিৰ বস্তু, anything which is evanescent in character.

পদুলি-মুদা—বিং, (মুদা=অৱস্থান গম-গতি নিৰ্ণয় কৰা।) পদুলিয়ে পদুলিয়ে অৰ্থাৎ ঘৰে ঘৰে পৰৰ বৃত্তান্তাদি সম্পৰ্কীয় কথা-বতৰাৰ গম-গতি লৈ

ফুরা মানুষ, a too frequent visitor to other people's homes.

পনিয়াল-পিটিকা দিয়া=ক্রি, পনিয়াল ফল ভাতেরে ববকৈ পিটিকা হয়। তেনে কবিলে হে সি থুলগুলীয়া হৈ খোৱাব উপযুক্ত হয়। এতেকে,—ববকৈ পিটিকা-মোচবা কবা, to squeeze thoroughly.

পব-পালি দিয়া—ক্রি, নবিয়া টান হলে পাল ব টি পব দিব লাগে। এতেকে,—টানকৈ নবিয়া পবা, to be in a precarious condition.

পব পালি দিয়া—বিণ, নবিয়া টান হলে পব-পালি দিব লাগে। তেনেকুৱা যোগী ববকৈ কীণায়। এতেকে,—অতি কীণ, too weak.

পবত কবিলে ববত মিলা—ক্রি, পবত কোনো অপকাব কবিলে নিজব ববত তদনুরূপ অপকাব হোৱা, the happening of evil to some one of a family similar to the evil which has been caused by him to some one else of another family.

পবব পালে অবব গাবে খোৱা—ক্রি, গাত অব থাকিলে আহাব কবাটো নিষিদ্ধ। কিন্তু পবে যদি আহাব যোগায়, তেতে অবব গাবেও ভাক খাবলৈ সঙ্কোচ কবা নহয়, এই ভাব বুজোৱা হৈছে। এতেকে,—পবব ধন ব্যয় কবিবলৈ অলপো সাঙ্কাচ নকবা, to spend another's money with a light heart.

পবব মুবত খোৱা, ভটিয়া নাওত খোৱা—ক্রি, ভটিয়া নাওত গলে নাও বাবলৈ যত্ন কবিব লাগে, সোঁতে নাও এনেই উটাই লৈ যায়। পবব মুবত অর্থাৎ পবব উপার্জ্জনব ওপবত থালেও সেইরূপে যত্নব আবশ্যকতা থাকে। 'পবব মুবত খোৱা' আৰু 'ভটিয়া নাওত খোৱা' এই দুই কার্য্য সমানে সুখকব, এই ভাব বুজোৱা হৈছে। এতেকে,—পবব উপার্জ্জনব ওপবত সুখ-স্বচ্ছন্দভাবে জীবন যাত্রা নির্ব্বাহ কবা, to lead an easy comfortable life at the expense of another.

পব-দেশত সব-ভেল কবা—ক্রি, পব দেশত সবাব ভেল ধবি কবা অর্থাৎ কাবো লৈতে দ্বন্দ্ব কাজিয়া নকবা, to live in amity with every one in a foreign land.

পৰিবৰ্ত্তি লবা—ক্রি, [প্রকৃতি লবা] প্রকৃতি সব হোৱা, স্বভাব বিগুণ হোৱা, to be changed for the worse in nature, temperament,

character.

পর্ব্বতত কাছ-কণী খিচব'—ক্রি, পর্ব্বতত কাছ-কণী নাথাকে, নৈব বালিত হে ভাক পোৱা যায়। এতেকে,—যি বস্তু যত পোৱা যাবার সেই বস্তু তাত খিচবা, to look for a thing in a place where it can never exist.

পর্ব্বতে পাষণ্ডে—ক্রি-বিণ, [পর্ব্বতে পাষাণে] হাবিয়ে বনিয়ে, যতে ততে, in hills and dales, anywhere and everywhere.

পবাই-নোয়বাই—ক্রি-বিণ, আধা পাবে আধা নোৱাবে এনে ভাবে, অসম্পূর্ণ দক্ষতাবে, with imperfect efficiency

পবালি পবা—ক্রি, [পবাল পবা] ধান এবেলি বনা শেষ হলে এপবাল পবা বোলে। এতেকে,—শেষ হোৱা অর্থাৎ সর্ব্বনাশ হোৱা, to be done for.

পবি মবা—বিণ, পবি তেতিয়াই মবে অর্থাৎ যেই মুহূর্ত্তত পবে সেই মুহূর্ত্ততে মবে, এই ভাব বুজোৱা হৈছে। এতেকে,—অশক্ত-দুর্বল, frail, infirm, wanting in stamina.

পকবাই পোৱা—ক্রি, পকবা এবিধ অপ-দেবী। পকবাই পালে বাটকবা মানুহে বাট হেকওৱায়। এতেকে,—বাট হেকওৱা, কোনো বিষয়ত ভিয়'দিহ ধবিব নোৱাবা, to lose one's way ; to be confused, confounded, bewildered.

পলাই পত্রং দিয়—ক্রি, [পলাই পৃষ্ঠত দিয়া] পলাই পত্রং অর্থাৎ কড়িজব দবে উড়ি যোৱা, পলাই সবা, to scamper off.

পলাই ফাঁট মবা—ক্রি (ফাঁট মবা=ফাঁটত লুকুবা।) পূর্ব্ব-কালত সীতাদেবীয়ে পৃথিবীব ফাঁটত লুকুইছিল। সেই বৃত্তান্তবপবা এই বাক্যব সৃষ্টি হৈছে। এতেকে,—বাতে সহজে বিচাবি পোৱা নাযায় এনেভাবে লুকুবা, to decamp, to scamper off.

"পলায় বাসব, পাছু নচায়" অনুবা পোৱা—ক্রি, (বাসব=ইন্দ্র।) অসুবব যুদ্ধত ইন্দ্র বাটি পলাই ইমান বেগেবে লবিছিল, যে-পিচলৈ উভতি চাবলৈ কেওঁ সময় পোৱা নাছিল। এতেকে,—ভয়ত বিহ্বল হোৱা, to flee for life, to be beside oneself in fear.

পলুবে মুখেবে সূতা কাটি মবা—ক্রি, পলুবে সূতা কাটি মহবা বাঢ়ি তাব ভিতবতে

মবি লেটা হয়। এতোক —নিজ কার্য্যব দ্বাবা নিজে মবা, to fall a victim to one's own indiscretions.

পছ খেদা দিয়া—ক্রি, পছবে অতি যোমবে লবিব পাবে। তাক পোনকৈ খেদি ধবা টান। বহু মানুহে চাবিও ফালে আগ ভেটি থাকে। আক তেতিয়া কুকুব লগাই দিয়া হয়। পছবে যেনি যাব খোজে, তেনিয়ে বাধা পায়। এইৰূপে লবা-ধপবা কবি শেষত সি ভাগবি পবে। তেতিয়া মানুহে ওচব চাপি তাক সহজে ধবিব পাবে। এতোকে,—কোনো নির্দ্দিষ্ট সীমাব ভিতবত খেদাখেদি কবি ভাগকবাই ধবা পেলোৱা, to compel an enemy to submit from sheer exhaustion by being chased within a circumscribed limit.

পাক লগা—ক্রি, জবীব যেনেকৈ পাক লাগে, মানুহবো সেই ৰূপে পাক অর্থাৎ জেজা লাগে। এতোকে,—জেজা লগা, কেঠ লগা, to be entangled, to be embarrassed, to be put to inconvenience.

পাকতে ঘুব—ক্রি, ইমান বেলেব দবি কুবি কর্ম্ম কবে যে মানুহ জনে ঠাইতে পাটো পাক মাবি ঘুবে। এতোকে,—বেগ-বেগিকৈ কার্য্য কবা, to work in hot haste.

পাক-পানী কবা - ক্রি, আগ্রাভ পাচলি দি বহু পব পাক কবি থাকিলে সি পানী হৈ যায়। এতোকে,—কোনো কার্য্য সিদ্ধাই পানী কবা অর্থাৎ সম্পূর্ণৰূপে নিজব আয়ত্বলৈ অনা to bring anything under perfect control.

পাখি-ভগা শগুণ—বিং, (পাখি=ডেউকা।) শগুণ কিলাক যেখিবলৈ জবলা যেতিয়া কোনো শগুণব ডেউকা ভাগে, তেতিয়া সি আক জবলা হয়। এতোকে,—অতিশাত জবলা মানুহ, a very dirty person.

পাখিব আঁবত থক—ক্রি কুকুবা আদি চবায়ে ডেউকাব পাখিব আঁবত পোবণিক লুমাই বাখি থাকে। এতোকে,—পবব আশ্রয়ত থকা, to live under the fostering care.

পাগব খাহিব ছোৱা—ক্রি, (পাকব খাহিব ছোৱা।) ডিংডোঙা মানুহে ভাত খাহে, কিন্তু যেতিয়া খাদু হয়, তেতিয়া ভাত খাহিব নোৱাবে। এতোকে,—মাদুলীয়া ছোৱা, to be affected with intermittent.

পাং পতা—ক্রি, [পেং পতা] মানুহৰ ভৰিৰ তলুৱাত ফুটিবৰ নিমিত্তে মাটিত নেদেখাকৈ পেং পাতি থোৱা হয়। এতেকে,—ষড়যন্ত্ৰ কৰা, to lay a plot, to machinate.

পাচী-মৰণেৰে মৰা—ক্রি, (পাচী=জাৰীপাচী। জাৰীপাচীত হোৱা মৰণেৰে মৰা অৰ্থাৎ নিজ ঘৰত জাৰীপাচীৰ ওপৰত শুই মৰা, স্বাভাবিক মৃত্যু পোৱা to die a natural death.

পাচীৰ তিৰোতা—বিং, একেলগে জাৰীপাচীত শোৱা তিৰোতা, বিবাহিতা বৈশীয়েক, a bed-companion, a married wife.

পাত-কটা দাঁড়—বিং, দীঘল দাঁড়ৰ আগত কটাৰি লগাই কল-গছৰ পাত কটা হয়। এতেকে,—গা-গাৰি নাইকিয়া দীঘল ডাঙৰ মানুহ, লেং-পেঙীয়া মানুহ, a tall but lean person, a disproportionately tall person.

পাত পাৰি ভাত নোপোৱা—বিণ, ভাত খাবলৈ পাত পাৰি বহি থাকে, কিন্তু ভাত নাপায়। এতেকে,—নিমাখিত, দুৰ্ভগীয়া, indigent, unfortunate.

পাতক পত্ৰ ভাতক ভত্ৰ বোলা—ক্রি, সামান্য সংস্কৃত বিদ্যা শিকি কোনো মানুহে শিক্ষিতাভিমানী হৈ ফুৰিছিল। ভাত শব্দ চলা বিবেচনা কৰি ভাত নুবুলি তেওঁ 'ভত্ৰ' বুলিছিল। 'পাত'ৰ সংস্কৃত পত্ৰ, এই সূত্ৰ ধৰি ভাতৰ সংস্কৃত 'ভত্ৰ' শব্দ উলিয়াইছিল। দৰাচলে, ভাতৰ সংস্কৃত 'ভাক্ত'। এতেকে—অল্প-শিক্ষিত মানুহে শিক্ষাৰ গৌৰৱ কৰি ফুৰা, to make a vain display of a smattering of knowledge.

পানী কৰি বুজোৱা—ক্রি, টান ভাঙি পানীৰ নিচিনা তৰল কৰি বুজাই বোলা হৈছে। এতেকে,—অতি ভালকৈ বুজোৱা, to explain perfectly well.

পানী-তলৰ কাঁইট—বিং, পানীৰ তলত কাঁইট থাকিলে মানুহে তাক দেখিবলৈ নাপায়। পানীত খোজ কাঢ়োঁতে কাঁইটত লাগি ভৰি ফুটে। কাঁইটক বিপদেৰে তুলনা কৰা হৈছে। এতেকে,—নেদেখা-নজনা বিপদ, an unsuspected danger.

পানী নসৰকা—বিণ, লোটা কলহৰ ফুটা থাকিলে পানী সৰকে। এতেকে,—

ফুটা নাইকিয়া অর্থাৎ নিসন্ধীয়া, আটুট, impervious, tight, close-fisted.

পানী পানী কৰি শিকোৱা—ক্রি, কোনো কথা টান হলে বুজিব নোৱাৰি, কিন্তু সেই কথা ভাঙ্গি চিলা কৰি শিকালে বুজিব পৰা যায়। এই স্থলত ইমান চিলা কৰি দিয়া হৈছে বোলা হৈছে, যে সি পানীৰ নিচিনা হৈছে। এতেকে,—ভালকৈ শিকোৱা। তাৰপৰা—বহু প্ৰকাৰৰ অত্যাচাৰ কৰা, নানা বিধৰ আহুকাল কৰা, to teach soundly, hence, to oppress in manifold ways, to harass in diverse ways.

পানী-পেটা লৰা—বিং, পানীৰে পেট-ভৰা লৰা, পনীয়া অর্থাৎ জুলীয়া আহাৰৰ দ্বাৰা জীয়াই থকা লৰা, নিচেই কেচুৱা লৰা, a little babe.

পানী বঢ়া দি বঢ়া—ক্রি, বাঢ়নী পানী লাহে লাহে নাবাঢ়ি তৎক্ষণাৎ বাঢ়ি আহে। মানুহৰ ধন সম্পত্তি বাঢ়নী পানীৰে তুলনা কৰা হৈছে। এতেকে,—অতি শীঘ্ৰে উন্নতি লাভ কৰা, to attain material prosperity in no time.

পানীত হাঁহ নচৰা—ক্রি, ডাঙৰ বিপদ হলে মানুহ মালাগে পশু-পক্ষীও দেখি তৰধ লাগে। এই স্থলত কোৱা হৈছে যে, পানীত চৰি ফুৰা হাঁহেও চৰিবলৈ এৰি ৰ লাগি থাকে। এনেকুৱা দুখত জ্ঞানহীন পক্ষীৰ হৃদয়তো আঘাত লাগি সি আহাৰ বিচাৰিবলৈ এৰি দিয়ে। এতেকে,—অতিকৈ ডাঙৰ বিপদ হোৱা, the happening of the greatest calamity.

পানীয়ে মৰা বাও—বিং, বাও ধান দ মাটিত বোৱা হয়। নৈ বাঢ়িলে বাণ পানীয়ে ধান মাৰি নিয়ে। এতেকে,—সহজে বাক নষ্ট কৰিব পৰা যায় তেনে মানুহ; অলপ-ধতুৱা মানুহ, a weak and imbecile person.

পানীৰ ঔ-টেঙা—বিং, পানীৰ চৌ উঠি ঔ-টেঙাৰ নিচিনা আকাৰ হয়। এতেকে,—অপ্ৰকৃত কথা বা কাৰ্য্য, anything unsubstantial.

পানীৰ মিঠৈ—বিং, মিঠৈ পিঠাত পানী মিহলাই সজা হয়। পিঠা নহলে অকল পানীয়ে মিঠৈ সাজিব পৰা নাযায়। এতেকে,—সাৰ-বস্তুহীন কথা বা কাৰ্য্য, anything unsubstantial.

পাপৰ পৰাচিত—বিং, পাপ কাৰ্য্য কৰিলে হিন্দুৰে পৰাচিত হব লাগে। পৰাচিত

হওঁতে ধন ব্যয় হয়। এতেকে,—দুষ্কার্য্যর ফল-স্বরূপে উৎপন্ন অনিষ্ট, a penalty for wrong-doing.

পাপীর মন পিঠাত থকা—ক্রি, সবাহতে প্রসাদর পিঠা স্থাপনার ওচিতে থোৱা হয়। ধর্ম্মিষ্ঠ মানুহে স্থাপনালৈ মন কৰি নাম পায়। পাপী মানুহে হাতেমে চাপৰি বজায়, কিন্তু মনেমে পিঠা খায় অর্থাৎ নাম যাতে সোনকালে ভাগি পিঠা বিলাই দিয়া হয়, সি সেই কথা মাথোন ভাবি থাকে। এতেকে,—সজ্জনলোকর সজতো দুষ্ট মানুহর যেয়া কথালৈ মন থকা, the turning of the mind of a wicked person towards evil in any circumstance.

পাৱতে গজোৱা—ক্রি, কেঁচা বাঁহ মাটিত পেলাই থলে তাৰপৰা গজালি ওলায়। কিন্তু গাঁথিৰপৰা হে গজালি ওলায়, পাৱৰপৰা নোলায়। এতেকে,—মূল নোহোৱাকৈ কোনো কথাৰ উত্তৰ কৰা, to make a statement having no foundation in fact.

পাৱ-দুৱীয়া মানুহ—বিং, পাৱ-চৰাইৰ দম্পতী-প্রণয় আদর্শনীয়। সিহঁতে জোৰ ভাঙ্গি কেতিয়াও থাকিব নোৱাৰে। এতেকে,—আদর্শ-প্রণয়ী-প্রণয়িনীযুগল, a pair of true lovers.

পাৱ পালে ইপাৱ হোৱা, পাৱ পালে সিপাৱ হোৱা—ক্রি, নাও বাই লৈ যাওঁতে নৈৰ ইটো পাৱ ওচৰ হলে ইটো পাৱে উঠা হয়, সিটো পাৱ ওচৰ হলে সিটো পাৱে উঠা হয় কোলা হৈছে। এতেকে,—সুবিধা বুজি মতৰ পৰিবর্ত্তন কৰা, to change sides according to expediency.

পাল খোৱা—ক্রি, পালত সম্ভোগ কৰা, (জন্তুত খাটে।) to have sexual intercourse (said of animals).

পালি পালি কৰি শিকোৱা—ক্রি, এবাৰত যি কার্য্য কৰা হয় তাক পালি বোলে। এই শব্দ 'পৰ' (প্রহৰ) শব্দৰপৰা ওলাইছে। এতেকে,—পৰে পৰে আমনি কৰা, বহু প্রকাৰে আহুকাল কৰা, to annoy too frequently, to harass in diverse ways.

পাৱে পৰি নমস্কাৰ—বিং, ভবিত ধৰি নমস্কাৰ অর্থাৎ সম্পূর্ণ বশ্যতা-স্বীকাৰ, unconditional submission.

পাহৰা ওটি খোৱা—ক্রি, খৃষ্টিয়ানবিলাকৰ মতে মানুহৰ আদি-পুৰুষ আদম

আছিল। প্রথমতে তেওঁ মায়াৰ বশিভূত আছিল। ঈশ্বৰে জ্ঞানৰ গছ এজোপা সৃজন কৰি আদমক তাৰ গুটি খাবলৈ হাক দিলে। আদমে লোভ সামৰিব নোৱাৰি যেতিয়া গুটি খালে, তেতিয়া নিজৰ প্রকৃত নির্ম্মল অবস্থা পাহৰি মায়া-জড়িত হল। এতেকে,—কোনো কথা সমূলি পাহৰি যোৱা, to forget anything entirely.

পিশাচে পোৱা—ক্রি, পিশাচে পালে মানুহে বে-ঠিকভাবে কাম কৰে। এতেকে,—হিচাব নোহোৱাকৈ কাম কৰা, ভাবি-জাবি কাম কৰা, অর্থশূন্য কামত লিপ্ত থকা, to act nonsensically.

পিচ লগা—ক্রি, [মৰাৰ পিচ লগা] পিচতে মৰা, to die after another, to follow another in death.

পিটিকাত চাৰি গুণ লোণ খোৱা,—ক্রি, কোনো লোকে লোণ ঢুকাব বুলি তাক আজ্ঞাত নাথায়। আলু, কচু, বেঙেনা আদি বস্তু পুৰি বে যত পিটিকা কৰি লোণ নোহোৱা আজাৰে ভাত খায়। এই স্থলত, পিটিকা ইমান বেচি হয় বুলি কোৱা হৈছে, যে ভাত যিখিনি লোণ সনা হয়, সেইখিনি লোণ আজাৰ লোণৰ চাৰি গুণ হৈ পৰে। এতেকে,—কৃপণৰ অযথা বহুব্যয় হোৱা, the wasting of a great deal of money in small and unnecessary matters as a miser does, spending nothing at all in matters which are really important and useful.

পিঠা হোৱা,—ক্রি, গুড়ি হোৱা, ধ্বংস পোৱা, to be ruined completely.

পিঠি খজুৱাব,—ক্রি, শৰীৰৰ কোনো অংশ খজুৱালে ঢকা মাৰি তেজ চলাই দিলে খজুৱতি শাম যাবে। এতেকে,—মাৰ-কিল খাবলৈ উদ্যোগ কৰা; দণ্ড পাব-লগীয়া কার্য্য কৰিবলৈ আগ বঢ়া, to prepare to receive a beating i. e. to be about to do a wrongful act

পিঠি ছিঙা—ক্রি, [কোবাই পিঠি ছিঙা] ধৰকৈ কোবোৱা, to beat soundly.

পিঠি দিয়া—ক্রি, কোনো মানুহৰ ফালে পিঠি দিলে দৃষ্টি অর্থাৎ অনুগ্রহৰ দৃষ্টি সেই ফালৰপৰা আঁতৰি আন ফালে পৰে। এতেকে,—বিমুখ হোৱা, অবহেলা কৰা, to withhold favour, to neglect.

পিঠিত চকুৱা মৰা—ক্রি, অপৰাধীয়ে পিঠিত চকুৱা মাৰি তাৰ অপৰাধ সাঙ্গ পাৰ পিছে যায়। দণ্ডৰ ভয়ে যেতিয়া পিঠিত উখাই-মুখাই কোবোৱা হয়,

তেতিয়া সেই কোৰ চাবৰ ওপৰত পৰাৰ নিমিত্তে অপৰাধীয়ে অনায়াসে প্ৰহাৰ সহ্য কৰিব পাৰে। এতেকে,—বিষম প্ৰহাৰ সহ্য কৰিবৰ নিমিত্তে সাজু হোৱা, to be prepared to receive a sound beating.

পিঠিত তেল ঘঁহা—ক্ৰি, তেল ঘঁহিলে পিঠি পিছল হয়। তেনেকুৱা পিঠিত কোবালে কোব পিছলি যায় আৰু কষ্ট কম হয়। এই মূলত বুজোৱা হৈছে, যে প্ৰহাৰৰ কষ্ট লাঘৱৰ অৰ্থে আগেয়ে পিঠিত তেল ঘঁহি থোৱা হয়। এতেকে,—প্ৰহাৰ পাতি লবৰ নিমিত্তে সাজু হোৱা, to be prepared to receive punishment.

পিঠিত বাৱৰি ফুল বছা—ক্ৰি, পিঠিত উঘাই-ঘুৱাই কোবালে বাৱৰি ফুলৰ নিচিনা সাঁচ বহে। এতেকে,—উঘাই-ঘুৱাই কোবোৱা, to beat severely.

পিঠিত বাইডাং ফলা—ক্ৰি, [পিঠিত কোবাই বাইডাং ফলা] উঘাই-মুঘাই কোবোৱা, to belabour mercilessly.

পিঠিত হাত ফুবোৱা—ক্ৰি, ["গাত হাত ফুবোৱা" চোৱা।]

পিলিকা বন—বিং, পিলিকি কৰি থকা বন, লাহে লাহে কৰিব পৰা বন, a tedious work.

পিহি কোঁট লোৱা—ক্ৰি, মন্ত্ৰ মাতি কোনো বস্তু পটাত পিহি গুড়ি কৰি কপালত কোঁট লোৱা হয়। এতেকে,—কোনো বস্তু বা কাৰ্য্য স্বাৰ্থ-সিদ্ধিৰ বিশিষ্ট সহায়তা কৰা, কোনো বস্তু বা কাৰ্য্য বিশিষ্টভাবে লাগতিয়াল হোৱা, (ব্যঙ্গাৰ্থ) to cause a thing to be useful in an excellent manner (used ironically).

পুখুৰিত বিহ দিয়া—ক্ৰি, পানী জীৱন-ৰক্ষাৰ প্ৰধান বস্তু। পানীৰ সম্পৰ্কে শত্ৰুতা ডাঙৰ শত্ৰুতা বুলি গণ্য হয়। পুখুৰিৰ পানীৰে ভাত ৰান্ধি ঘৰৰ সকলো মানুহে খায়। সেই পানী ত যদি বিহ দিয়া হয়, তেনে-হলে গোটেই ঘৰ মানুহ মৰিবৰ আশঙ্কা থাকে। এতেকে,—ঘোৰ শত্ৰুতাচৰণ কৰা, to do an extremely hostile act.

পুতনা ৰাক্ষসী—বিং, শ্ৰীকৃষ্ণ কেঁচুৱা লৰা হৈ থাকোঁতে কংসই তেওঁক বিষ-স্তন্য পিয়াই মাৰিবৰ নিমিত্তে পুতনাক পঠাইছিল। পুতনা মোহিনী বেশেৰে আহি শ্ৰীকৃষ্ণক স্তন্য দিছিল। শ্ৰীকৃষ্ণে স্তন্য সলাই সৰ্ব

শৰীৰৰ তেজ শোষণ কৰি পুতনাৰ প্ৰাণ-হৰণ কৰে। মৰিৰৰ সময়ত পুতনাই ভংকৰ ৰাক্ষসীৰ মূৰ্ত্তি ধৰি প্ৰাণ এৰিলে। এতেকে,—বাহিৰে মোহিনী ভিতৰে ৰাক্ষসী এনে তিৰোতা, দুৰন্ত স্বভাৱৰ সুন্দৰী তিৰোতা, a good-looking woman with fiendish character.

পুতলা নচুওৱা—ক্রি, মানুহে পুতলাক যেনেকৈ নচুৱায়, পুতলাই সেইৰূপ নাচে। পুতলাই নিজে নাচিব পৰা শক্তি নাই। এতেকে —কোনো মানুহক পুতলাৰ দৰে নচুওৱা অৰ্থাৎ সম্পূৰ্ণ নিজৰ আয়ত্বলৈ আনি নিজৰ মতেৰে তাৰ হতুৱাহ কাৰ্য্য কৰোৱা, to cause one to dance at bidding, to get a thing done slavishly according to the wishes of the doer.

পুলি-পোখা উঘলা—ক্রি, কোনো গছ-পুলি আৰু পোখাৰে সৈতে উঘালিলে তাৰ সঁচ নষ্ট হৈ যায়। এতেকে,—সৰংশে নষ্ট কৰা, to ruin a person with his whole family.

পুৱা হলে নাও মেলি যোৱা—ক্রি, নাৱৰীয়া মানুহে ৰাতিটো কোনো ঠাইত থাকি পুৱা হলেই নাও মেলি যায় গৈ। সেয়ে হলে কোনোৱে তাক লগ নাপায়, আৰু সি কেনি গল, তাকো কোনেও কব নোৱাৰে। এতেকে,—কোনো ঠাইত অস্থায়ীভাবে থাকি সেই ঠাইতে সৰ্ব্ব প্ৰকাৰৰ সম্বন্ধ ছিন্ন নিৰুদ্দেশ হোৱা, to reside temporarily in a place and then to leave it for good without the least chance of being traced out subsequently.

পূবৰ বেলি পছিমে ওলোৱা—ক্রি, পূব পিনে উদিত হব-লগীয়া সূৰ্য্য পছিম পিনে উদিত হোৱা, অৰ্থাৎ অসম্ভৱ ঘটনা সম্ভৱ হোৱা, the happening of the impossible.

পূৰ্ণহত্তীয়া মাৰ—বিং হাতেৰে পূৰ্ণভাৱে টোকোন দাঙি মৰা মাৰ, ডাঙৰ প্ৰহাৰ, a severe blow.

পূৰ্ণিমাৰ জোন—বিং, পূৰ্ণিমাৰ জোন অতি শুৱনী। এতেকে,—অতি শুৱনী মানুহ, a perfectly beautiful person.

পূৰ্ব্ব-শক্র মনে জানি—ক্রি-বিণ, পূৰ্ব্ব-কালত মহাদেৱে কামদেৱক ভস্ম কৰিছিল। পৰৱৰ্ত্তী কালত মহাদেৱে মোহিনীক দেখি মোহিত হৈ উঠিছিল, সেই

সময়তে চল চাই কামদেৱে মহাদেৱলৈ কাম বাণ মাৰি "পূৰ্ব্ব-শত্ৰু মনে জানি" শত্ৰুতাচৰণ কৰিছিল। এই বাক্য শ্ৰীশঙ্কৰ দেৱৰ 'কীৰ্ত্তন' পুথিত পোৱা যায়। এতেকে,—প্ৰতিশোধ লবৰ নিমিত্তে, revengefully.

পৃথিবী সাত ফাল কৰা—ক্ৰি পৃথিবী লৰিলে ফাটে। ববৰকৈ ধুম-ধুপাল কৰি ফুৰিলে ভৰিৰ খোজত মাটি লৰি যায়। এই কথাত, পৃথিবী ফাটি সাত ডোখৰ হৈছে বোলা হৈছে। এতেকে,—অতিপাত ধুম-ধুপাল কৰা, to lead a boisterous life.

পেট কামোৰা মানুহ মাটিতো বাগৰা, পানীতো বাগৰা—ক্ৰি, ববকৈ পেট কামুৰিলে মানুহ বিভত হয়। সি কেতিয়াবা ঢাবীপাটীত গড়ম কাপোৰৰ ওপৰত পেট পেলাই থাকে, আৰু কেতিয়াবা চেঁচা মাটিত পেট পেলাই থাকে। এতেকে,—বিপদগ্ৰস্ত মানুহে অধৈর্য্য হৈ অলাগতিয়াল কাৰ্য্য কৰি ফুৰা, to be confounded under stress of a great danger.

পেট-কুলি—বিং, কুলি-পোৱালি দেখিবলৈ কাউৰী-পোৱালিৰ নিচিনা। কুলি-পোৱালিয়ে বাতিবত অজলা ভাব দেখুৱাই কাউৰীৰ বাহত ডাঙৰ-দীঘল হয়। কেতিয়া উড়নীয়া হব পাৰে, সেই কথা মাখোন সি সদাই পেটে পেটে ভাবি থাকে। উড়নীয়া হোৱা মাত্ৰেই এদিন উড়ি পলাই যায়। তেতিয়া হে কাউৰীয়ে বুজিব পাৰে, যে তাই কুলিৰ পোৱালিক হে ইমান দিন নিজৰ পোৱালি বুলি পুহি আছিল। এতেকে,—বাহিৰে অজলা কিন্তু ভিতৰে টেঙৰ মানুহ, a person who is outwardly simple but inwardly cunning.

পেট গেৱেও-গেঠেও লগা—ক্ৰি, [পেট গেৱেলা-গেঠেলা লগা] অতিৰিক্ত ভোজন হলে পেটটো গেৱেলা আৰু গেঠেলা হয়। এতেকে,—অতিৰিক্ত ভোজনত পেটৰ অসুখ হোৱা, to feel uncomfortable by over-eating.

পেট পূজা কৰা—দেৱতাক দিনে দিনে খাদ্য বস্তু দি পূজা কৰিব লাগে। পেটকো দিনে দিনে খাদ্য বস্তু দিব লাগে। এই সাদৃশ্যৰ নিমিত্তে পেটতো এজনা দেৱতা আছে বুলি কল্পনা কৰি লোৱা হৈছে। এতেকে,—ভোজন কৰা, to eat food.

পেট পেলাই খোৱা—ক্রি, খকুৱা মানুহে খাই খাই পেটৰ ভৰত ৰৰ নোৱাৰি দীঘল হৈ পৰি থাকলৈ ধৰে। এতেকে,—অতিৰিক্ত পৰিমাণে খোৱ, to eat excessively.

পেট বোৱা—ক্রি, অবিকৈকৈ শৌচাচাৰ হোৱা, the loosening of bowels.

পেট মৰা—ক্রি, খোৱাৰ কষ্টত পেট শুকুওৱা, অনাহাৰত ৰ অল্পাহাৰত কষ্ট পোৱা, to be run down by total or partial abstinance from food.

পেট মোছা লৰা—বিং, ঠাই মুছি আনিলে যেনেকৈ ঠাই পৰিষ্কাৰ হয়, পেট মুছি আনিলে তেনেকৈ পেট পৰিষ্কাৰ অৰ্থাৎ গৰ্ভত ভবিষ্যতে লৰা সাঁচিব পৰা বস্তু একো নথকা হয়। এতেকে,—সুমলীয়া লৰা, the youngest and last child.

পেট বোৱা—ক্রি, শৌচাচাৰ বন্ধ হোৱা, the stopping of evacuations of the bowels.

পেট হোৱা—ক্রি, [পেট ডাঙৰ হোৱা] গৰ্ভ হোৱা, to become pregnant.

পেটত সাঁচা—ক্রি, গৰ্ভত সন্তানৰ সাঁচ হোৱা, to have a foetus formed in the womb, to conceive.

পেটত কিবা ওলোৱা—বিং, গৰ্ভ-নাৱেন্দা ৰোগ। (এই ৰোগৰ নাম মানুহৰ আগত কব নাপায় বাবে 'কিবা' বুলি কোৱা হয়।) an abscess in the intestines.

পেটত দেও সোমোৱা—ক্রি, পেটত দেও সোমালে মানুহৰ খুব প্ৰবল হয়। এতেকে,—অতিপাত খুব লগা, to feel hungry acutely.

পেটত ধৰা—ক্রি, (ধৰা=টানকৈ ধৰা, খোচা-বিন্ধা কৰা।) অজীৰ্ণ হলে পেটৰ ভিতৰত খোঁচা-বিন্ধা কৰে। এতেকে,—অজীৰ্ণ হোৱা, the occurring of indigestion.

পেটত ক্ষুৰ—বিং, অন্তৰ্ভূত অস্ত্ৰ অৰ্থাৎ শত্ৰু-ভাৱ, covert enmity.

পেটতে হাত ভৰি লুকোৱা—ক্রি, ভয়ত মানুহে কুঁচি মুচি থাকে। ভয় বেছি হলে হাত দুখন আৰু ভৰি দুটা কোঁচাই আনি পেটৰ ওপৰতে লগাই থৈ মূৰটো গোজা মাৰি ইমান সৰু হৈ থাকে যে শত্ৰুয়ে সহজে হাত আৰু ভৰি দেখা নাপায়। হাত ভৰি লুকাই থাকিলে মানুহটো কিবা এটা ঘৃণনীয়া বস্তুৰ নিচিনা দেখি, শত্ৰু ঘিনাতৰপৰা উঠতি যায়।

এতেকে,—যাহাক ভয় পোৱা, to be terror-stricken.

পেটৰ খহুৱতি মৰা—ক্রি, খহুৱতি উঠিলে খহুৱালে গা শাঁত লাগে। ভোক লাগিলে কিবাকিবি খাই পেট শাঁত লাগে। এতেকে,—কিবাকিবি খাই পেটৰ কলমলনি ঠেক কৰা, to mitigate the sharpness of appetite by eating something.

পেটৰ পোৱালি—বি, [পেটৰপৰা ওলোৱা পোৱালি] মাকে গৰ্ভ-ধাৰণ কৰি সন্তান প্ৰসৱ কৰে যাক সেই সন্তান নিজৰ প্ৰাণৰ তুল্য হয়। এতেকে,—প্ৰাণৰ তুল্য মৰমৰ লাহ-ছোৱালী, a dearly beloved child.

পেটৰ পোৱালি চিৰা—ক্রি, পেট চিৰি পোৱালি উলিওৱা অৰ্থাৎ গৰ্ভ ফালি গৰ্ভস্থ সন্তান বাহিৰ কৰা, to take out the foetus from the womb by dismembowelling a woman.

পেটে পেটে—ক্রি-বি, পেটৰ ভিতৰতে, নিজৰ মনতে, within oneself, inwardly, secretly.

পেটে ভাতে খোৱা—ক্রি, [পেটত ভাতে জোৱাই খোৱা] ভাতে নিজৰ পেটলৈ মাথোন জোৰে, অনক দিবলৈ নোহোৱাকৈ, এই ভৱ বুজোৱা হৈছে। এতেকে,—কোনো মতে নিজৰ ভৰণ পোষণৰ জোখাৰে উপাৰ্জ্জন কৰি জীৱন-যাত্ৰা নিৰ্ব্বাহ কৰা, to be self-supporting.

পেটে মুখে সমান—বিণ, পেটত যি কথা থাকে, মুখতো সেই কথা ওলায়। এতেকে,—অন্তৰ আৰু বাহিৰ সমান সৰল, outspoken, straightforward.

পেটুৱা মহাদেৱ—বি, মহাদেৱ থুলমুলীয়া পুৰুষ আছিল। তেওঁৰ হাত-ভৰি মস্তকাদি অঙ্গ পেট লম্বলী আছিল। এতেকে,—ডাঙৰ পেটৰ মানুহ, a big-bellied man.

পেম ধৰা—ক্রি, [প্ৰেম ধৰা] ডেকা হলে মানুহৰ মনত প্ৰেমৰ ভাব সঞ্চাৰিত হয়। তেতিয়া সি শকত-আৰহ হৈ, শৰীৰৰ শ্ৰী বাঢ়ে। এতেকে,—যৌৱনস্থ হোৱা, to be in youthful bloom.

পেৱ-পেৱীয়া ৰবৰুণ—বিং, (পেৱ, ইয়া+ঈ।) শাঁত কুঁৱিৰ পেৱিলে যেনেকৈ অনৱৰত ৰস পৰি থাকে, সেইৰূপে পানী পৰি থকা ৰবৰুণ;

নেবা-নেপেবাকৈ দিয়া সক বৰষুণ, incessant rain.

পোটক তোলা—ক্রি, [প্রতিকাৰ তোলা] কোনো কার্য্য কৰিলে তাৰ প্রতিকাৰ্য্য কৰা অর্থাৎ প্রতিফল দিয়া। ('পেট' শব্দৰে এই বাক্যৰ সম্পর্ক নাই।) to take revenge.

পোতনি ঠেকেচা দিয়া—ক্রি, পোৱা মাছ আৰু পইতা ভাত উপাদেয় আহাৰ। মেকুৰীয়ে পোৱা মাছ বৰ ভাল পায়। সি পোৱা মাছ চুৰ কৰিবলৈ আহোঁতে ধৰা পৰিলে পইতা, ভাতৰ পোতনিতে তাৰ মুখ ঠেকেচি দিয়া হয়। এতেকে,—উগ্র দণ্ড দিয়া, to punish severely.

পোতা পুখুৰিৰ বঙা—বিং, প্রবাদ মতে পুখুৰিত পাক থাকে। সেই ঠাইত থাকেই বঙা। কোনো মানুহে পোতা পুখুৰিত গৈ যদি ভৰি দিয়ে গৈ, তেনেহলে পাকে তাৰ ভৰি দুটা ওপৰলৈ কৰি মুৰটো বোকাত পুতি পেলায়। এতেকে,—আপোনাৰ ঠাইত আপুনি ডঙৰ, a lord in one's own place.

পোতা মোচৰা দিয়া—ক্রি, প্রবাদ আছে যে ভূতে মানুহক ফুচুলাই দুবৈলৈ নি বোকাত পুতি মুচৰি মাৰে। এতেকে,—উগ্র দণ্ড দিয়া, to punish severely.

পোৱা পেটী মাক—বিং, লৰা উপজিলে মাকে জালুক থায়। তেনে কৰিলে পেট শুকায়, কিন্তু বম-বমকৈ পোৱে। আন হাতে, লৰাৰ অপায়-অমঙ্গল হলে মাকৰ পেট বম-বমকৈ পোৱাৰ নিচিনা অনুভৱ হয়। এতেকে,—যি মাকে লৰাৰ জন্মৰ পূৰ্ব্বত গর্ভ-ধাৰণৰ কষ্ট সহ্য কৰে আৰু জন্মৰ পাচত লৰাৰ দুখত নিজে দুঃখানুভৱ কৰে সেই মাক, doting mother.

পোৱালি-লগা বাঘিনী—বিং, বাঘিনীয়ে অতি সাৱধানে পোৱালিক ৰক্ষা কৰি ফুৰে। পোৱালি হেৰোৱাৰ ধনিষ্ঠামান আশঙ্কা হলেই বাঘিনীয়ে খঙত উগ্রমূর্ত্তি ধৰে। এতেকে,—পুত্রপ্রাণা খঙাল তিৰোতা, a mother made furious at the prospect of a possibility of danger to her child.

পোহনীয়া নৰিয়া—বিং, পোহনীয়া জীৱ-জন্তুৰ দৰে সদাই থকা নৰিয়া, চিৰস্থায়ী নৰিয়া, a permanent disease.

পোহাবী চুপতি—বিং, পোহাবীয়ে বস্তু কিনিবলৈ যোৱা মানুহেৰে সৈতে মিছা-

মিছি চুপতি করি থাকে। এতেকে,—অর্থশূন্য আলাপ, meaning-less or unnecessary talk.

পোহাবী লেখ—বিং, পোহাবীয়ে লিখিত অঁক পাকি লেখ করে। এতেকে,—নজনা মানুহে লেজুরা প্রণালীরে করা হিচাপ an account made by an uneducated person in a round-about method, a rough clumsy account.

পোহাবীর পৈয়েক সাক্ষী—বিং, পোহাবীয়ে কোনো জগবত পরি আসে মাতি গিরিয়েকক সাক্ষী দিয়ে আন মানুহ তাইর পক্ষে সাক্ষী ওলাওঁতা নাহ। পোহাবী যেনে মিছলীয়া, গিরিয়েক তাইতকৈ অধিক মিছলীয়া। গিরিয়েকে স্বভাবতে বৈরীযেকর পক্ষ সমর্থন করি কয়, এই ভাবো পুজোরা হৈছে। এতেকে,—দুষ্টর সাক্ষী স্বার্থান্ধ অঘাংটং, a biassed knave as a witness of a cunning person.

ফ।

ফাঁপরী কঠিয়ার সঁচ নোথোৱা—ক্রি. যদি কঠিয়া-ধান ফাঁপরী অর্থাৎ বেয়া হয়, তেনেহলে তাক সমুদায়ে পেলাই দিয়া হয়। তার সঁচ খোৱা নহয়, অর্থাৎ তেনেকুৱা দুটা এটা ধান নষ্ট নকরি যৈ দিয়ার প্রয়োজন নাথাকে। এতেকে,—শত্রুক সবংশে নিধন করা, to ruin an enemy with his whole family.

ফেঁচু বজা হোৱা—ক্রি, (উপকথা) চৰাই বিলাকে তেলীয়া-সাৱেঙক বজ পাতিবৰ নিমিত্তে বাজ-পাট ঠিক কৰিলে। তেলীয়া-সাৱেঙে সাঙ্গ-পাঙ পিন্ধোতেই পলম কৰিলে। ফেঁচুৱে গিৰিস্-কৰে ডালৰপৰা আহি বাজ-পাটত বহি, সি বজা হল বুলি ঘোষণা কৰি দিলে। তেঁতিয়াৰ-

পর চোইর ভিতরত ফেঁচু বজা হয়। এতেকে,—অবৈধ কাম-হরণ করি হাবোধে হরোণর প্রেম সম্পর্ক ইতরলোকে ভোগ করা, to be worsted on account of a lady Lab.t by a person very much b.low m.r.l or position.

ফেঁটী সাপর পেৰলি পেহু—ক্রি, ফেঁটী সাপর পোহলি পুহিকে সি ওঙ্গর হৈ গিবিইক ৰমুৰ যায়। এতেকে,—ভাঁহতে ক্ষতি বিপক্ষতাচরণ করিব তেনে মানুহর অন্ত দিয়, to punish a person who turns out to be a deadly enemy in the end.

ফেঁকরার যেউ—বিং, ফেঁকরা চুবর হয়। চিবর দেখিতে ভক অক্রমণ করিবলৈ মাহ করিব লগা হরিণর মুখ যেনি যেউ যেউ করি চিএরে। এতেকে,—ফাঁকা মানুহর মুখর ফৰফলি empty vaporings of a weak person.

ফেঁহুকালি দিয়া—বিং, (ফেঁহু-ফেঁচু চৰাই) চুহুরী-শিশা হলেহ যেনিবে চিঁ-চিঁয়ায়। এতেকে,—চুহুরী মন্ত্র ৰোৱা.

ফেঁটি-বেষ মৰ—ক্রি, ৰমুণ কপালত যেনি অক্ষ দেখা লৈ চুজা-পাটল করিবর নিমিত্তে সাজু হয়। এতেকে,—চমজিত হোৱা, to be trimly dressed.

ফেঁটি-লহণ মৰ—ক্রি ৰমুণ পণ্ডিত সকলে ক্রিয়া-কণ্ড করিবর নিমিত্তে কপালত ফেঁটি আৰু গাত জনৈ লহণ লয়। এতেকে,—পাৰিপাটী সাজ হিন্দু, to be bedecked.

ঘটা বেথ ভিতৰ লৈ পৰ্ব লৈ ধুৱা হোৱা—ক্রি, গুত বেথা লৈ পৰীত নামিলে বিমান বেথ ভিতিয়, তেনে লি ধুৱা লৈ যায়। কিন্তু বিমানেহ ভিতৰক, সি নিজে তে নিবলগিয়। বিমান বেথ নিশ্চিত কৈ ৰখিব পৰা যায়, সিমান তাৰ নিজলে তে ভাল। ঘটা শাস্ত্রৰে মানুহটো দুখীয়া হোৱাৰো হৈছে। দুখীয়া দেখি কেহা সি নিজে নিবলগে কেথা নিযৌজা তাৰ ভালেই। এতেকে,—নিজে কৰিব লগীয়া কাৰ্য্য পেৰাই থলে পিচত নিজলৈ টান পৰ, the increasing of difficulties to overcome by procrastination.

ঘটা কেথাত সোণ থক—ক্রি, আগৰ দিন্ত পেৰা নাছিল। হেতিয়া কোনো মানুহে সোণ হৰলৈ হলে ঘটা বেথাৰ ভিতৰত সোণ লুমাই থয়,

কিংবা ঘট করিয়া চিহ্ন ক্ষুত্রবস্তু চোখে চুক করার আশঙ্কা থাকে। এই বে,—অপদার্থ মানুষের পিটে বহুলীয় গুণ থাকা the applying fine to a worthless person.

ফটা বাঁচ ফোর-লাগা ক্রিয়া—ক্রি [ফটা বাঁচ ফোর লাগা দ্রষ্টব্য] ফটা বাঁচ ফোর-লাগা থাকে, তেতিয়া তাক এনে ধরণর মানুষে কেনো ক্ষতি করিব পারে, তাক অসম্ভব। কিন্তু এবাদি যদি ফটা বাঁচ ফোর লাগে তেনেহলে খুব বেলেগ হোৱা অন্তরিকতাক কোনো কালে ফোর নাপাবে। এতেকে,—অতিকৈ মিল মানুহ বোলগ হলে সাধারণ ঘটনালৈ অন্তর হোৱা, to be unable to recognize persons who were most intimate, but have drawn apart.

ফট মুখারে থাকে ফোর—ক্রি, যি মানুহক কিহকে কথা কৈ থাকে। এই স্বভাৱত বোৱা যে ছ, যে মুখ ফট মানে কথা অপোন-আপুনি ওলাই পৰে, সে কোনোবাকে ৰাখি হয়পা নাযয়। এতেকে,—প্রকৃতিগত দোষত বোলো কথা ৰক্ষা কৰিব নোৱাৰে, to be unable to keep silence on account of inherent characteristic defect,

ফটিকৰ ধাৰ—বি [ফটিকৰ বৰ্ণিম ধাৰ] ফটিক=স্ফটিক।) অতি নির্ম্মলত্ব, transparence, extreme purity.

ফৰিং ছিটিক দিয়া—ক্রি, ফৰিংবিলাক ফট্‌ফটাবে ছিটিকি যেনিয়ে তেনিয়ে উড়ি পাৰে। এতেকে,—যেনে তেনেয়ে পলাহ যোৱা, to flee in confusion.

ফৰিং ফুট ডোলাৰ—বি, ফট টাঁ ডোলাত কেঁচা গছৰ পাতত পৰি ফৰিং-বিলাকে ফুটাবলৈ ধৰা শব্দ বুলি ভুল কৰি ফৰিংবোৰ উড়ি ফুৰে। এতেকে—ফট্ টাঁ ডোলাক, clear moon light.

ফাইদাং মৰা,—ক্রি, [ফট্‌দাং মৰা] ফট্‌কৰে দাং খাই পৰা মৰা অর্থাৎ হঠাৎকাৰে পলাহ মৰা, to scamper off.

ফাল কাটোঁতেই মতা বুজা যেন—ঞ্জ যাল তৈয়াৰ কৰি নাঙ্গল লগাই, সেই নাঙ্গলৰ মাটি চাই মাটি-মন্দ বুজা যায়। বহুবছৰ নহলে শস্য নহয়। এই স্বভাৱত বোৱা যে ছ, যে যাল তৈয়াৰ কৰি থাকোঁতেই মানুহৰ ভাল বেয়া বুজা যায়। এতেকে,—কোনো কাৰ্য্য কৰিবলৈ যো-যা

কবোঁতেই কার্যব আবম্ভণত নাটকৰা হোৱা ঃ ফিং ঃ কৈ পলম কৰা, to do a thing too late, to be out of season

ফিবিঙ্গতিবপবা খাণ্ডৱ-দাহ হোৱা—ক্রি, পূর্ব্ব-কালত খাণ্ডৱ নামেৰে এখন ডাঙৰ অৰণ্য আছিল। অর্জ্জুনে অগ্নি দেৱতাৰ তৃপ্তিৰ নিমিত্তে পশু-পক্ষীপূর্ণ খাণ্ডৱ-বন দাহ কবিছিল। এই স্থলত কোৱা হৈছে যে ফিবিঙ্গতিবপবা মহা অবণ্যও পুবি নষ্ট হয়। এতেকে,—সামান্য ঘটনাবপবা মহৎ অনিষ্ট হোৱা, the happening of the greatest disaster from the slightest cause.

ফুকনৰ টেকেলা—বিং, টেকেলাবিলাকৰ মুখ চোকা। ফুকনৰ টেকেলা হলে তাৰ মুখ আৰু চোকা হয়। এতেকে,—বৰ চোকা-মুখীয়া মানুহ, a sharp-tongued person.

ফুট চিনা—ক্রি, কুঁহিয়াৰৰ বহি তপত কবোঁতে ফুট উঠে। বিমান তপত হৈ যা', সিমান ফুটৰ আকৃতি আৰু বং বেলেগ হৈ যায়। ফুট কেনেকুৱা হলে বহি ঘোলনীত ঢালিবৰ উপযুক্ত হয়, তাক চিনিব লাগে। মানুহবো স্বভাবে নানা প্রকাৰ আকৃতি আৰু বৰণ ধৰে। তাৰ কেনেকুৱা ফুট অর্থাৎ কেনেকুৱা স্বভাৱ হলে কোন কার্য্যৰ নিমিত্তে সি উপযুক্ত হয়, সেই কথা চিনিব লাগে। এতেকে,—মানুহৰ স্বভাৱৰ গঢ়-গতি চিনা, to find out a person's special trait of character.

ফুটা কড়ি—বিং, কড়িৰ মূল্য বৎসামান্য। তাতে যদি সি ফুটে, তেনেহলে তাৰ মূল্য নাই বুলিলেও হয়। এতেকে,—নাম-মাত্র মূল্যৰ বস্তু, সমুলি অকামিল বস্তু, a trifle, a useless thing.

ফুটা কলহত পানী ভৰোৱা—ক্রি, ফুটা কলহত পানী ভৰালে পানী নাথাকে। সেইৰূপে, যি মানুহৰ কপাল ফুটা অর্থাৎ যি ভাগ্য-দোষত দবিদ্র, তাক লোকে ধন-বিত্ত দিলে সি নাহকিয়া হৈ যায়। এতেকে,—ভাগ্য-দোষত দবিদ্র মানুহক পৰে সাহায্য কৰি দবিদ্র্য গুচাব নোৱাৰা, to fail to make comfortable a person who is destined to be poor.

ফুটা চকুত কুটা পৰা—ক্রি, যিটো চকু ফুটা, তাতে কুটা পৰি সেই চকু অধিকৈ ফুটাইছে বোলা হৈছে। এতেকে,—এটা বিপদ থাকোঁতে আন এটা

পৰা, to be doubly injured.

ফুটুকাৰ ফেন—বিং, ফুটুকা গছৰ ডাল কাটিলে সোপা-সোপে ফেন ওলায়। অসাৰ বস্তু বুজাবলৈ 'ফেন' শব্দ ব্যৱহৃত হয়। এতেকে,—সমূলি অসাৰবা বস্তু বা কাৰ্য্য, anything unsubstantial.

ফুফু-ফাফা কৰা—ক্রি, [ফুহ্ ফুহ্ ফাহ্ ফাহ্ কৰা] ইটোৱে সিটোৱে লোকে মুগুনাটোক কথা পাতিলে দূৰৰপৰা ফুহ্ ফুহ্ ফাহ্ ফাহ্ এনে ধৰণৰ অস্পষ্ট ভাষা মাথোন শুনিবলৈ পোৱা যায়। কোনো মানুহৰ বদনাম প্ৰকাশ কৰিবলৈ এই দৰে মনে মনে কথা পতা হয়। এতেকে,—কণাকণিকৈ বদনাম প্ৰকাশ কৰা, to speak in whisper about a scandalous matter.

ফুল বস্তু—বিং, ফুল শুচি বস্তু। যদিও তাক হীনজাতৰ মানুহে ছোৱে আৰু যদিও তাৰ বেয়া ঠাহত নহয়, তথাপি তাক নিৰ্দ্দোষ বুলি ধৰা হয়। এতেকে,—ফুলৰ নিচিনা নিৰ্দ্দোষ বস্তু, anything which is harmless by nature.

ফুলতে বাঁৱী—বিং, [ফুলৰ কালতে বাঁৱী] বিয়াৰ পিচৰ প্ৰথম অৱস্থাতে বাঁৱী, a green widow.

ফেদেলী পুৰাণ—বিং, পুৰাণত গল্প থাকে। (ফেদেলী=নানা প্ৰকাৰ বিশৃঙ্খল গল্পযুক্ত।) এতেকে,—নানা প্ৰকাৰ বিশৃঙ্খল কথা, a rambling statement.

ব'।

ব'হৰ টকা—বিং, ব'হৰ টকাই টেক্-টেক্-কৰে মাতে। এতেকে,—টেক্-টেকী মাতৰ মানুহ, কোঢ়াল কৰি থকা মানুহ, a noisy person.

বকবাণীৰ জীৱ—বিং, কোনো লোকে পূৰ্ব্ব-জন্মত ভাল ঠাইত থাকিলে এই

জন্মত তার মুখ আর পূর্ব্ব জন্মত বের ঠাইত থাকিলে এই জন্মত তার দুখ হয়। এই হলত বের বা হৈছে, যে পূর্ব্ব-জন্মত সি যেনেকৈ আছিল। এতেকে,—স্বভাবতে হেতের, মানুহ, a duty, follow by nature.

বকলা মেলা—ক্রি, [বাকল মেলা] পুথি আঁচি কাঠের বাকলত লিখা হয়। পুথি পঢ়িবলৈ ধরোঁতে বাকল মেল হয়, অর্থাৎ মুরলি করি দিয়া হয়। পুথি পঢ়িবলৈ ধরিলে অধ্য. নপরাকৈ তাক সাতিব নোপায়। এতেকে,—অতি বক বথা বোর, to talk too much.

বগলি ভকত—বি', বগলিয়ে মনতে মাছ ধরিবলৈ যিকৰ পতি শান্ত মূর্ত্তি ধরি থাকে। এতেকে—ভিতৰে দুষ্ট বাহিৰে শান্ত মানুহ, a wicked person in the garb of a saint

বগা কাউৰী ওলোৱা—ক্রি, বেছিয়ৰ বৰবৰূপৰ বগা কাউৰী আদি ওলায়। কলা কাউৰীবিলাকে বগা কাউৰীক দেখিলেই খেদিবলৈ ধৰে। এতেকে—সাধৰণ মানুহৰ ব্যতিক্রম স্বৰূপে ওলোৱা; সাজ-পাৰ, কথাৰ ভঙ্গি ৰ. চলগতি ইত্যাদিৰ দ্বাৰা বিশেষত্ব বুজোৱা, to be looked on as a strange visitor.

বগা দমৰা—বিং. বগা মতা মানুহ, a male person of fair complexion.

বগা ভাত দেখিলে কাউৰীৰ আলহ লোৱা—ক্রি, 'ৰূপ' বগা, সেই দেখি 'বগা ভাত' বুলিলে ধন-সম্পত্তি বুজায়। কাউৰীয়ে দুখীয়া-ঘৰৰ ভাত বিচাৰি যায়। এতেকে,—ধন-সম্পত্তি দেখাত ধৰহতীয়া নীচ প্রকৃতিৰ মানুহৰ ওচৰ লোৱা, the flocking of mean obsequious followers with a person who can afford to give them money lavishly.

বগে নিবামহি খোৱে—ক্রি, (উপ ক) বগলিয়ে পানীৰ ভিতৰীয়া টকা মাৰি খাবে, আৰু সি ভাবে যে সি নিবামহি খাই তৃপ্তি সাধন কৰিছে। সাধু বগলিৰ কথাত মানুহে গৈ ওচৰ চাপিলে বগলিয়ে ঠোঁটৰ আগেৰে ধাৰ আটি দিয়ে। এতেকে,—দুষ্ট মানুহে স্বাৰ্থসিদ্ধিৰ নিমিত্তে সাধু ভাব আচৰণ কৰা, the playing of the part of a saint by a wicked person to serve his selfish ends.

বঙ্গহে মঙ্গহ খোৱা—ক্রি. হিংসুক জন্তুৱে মানুহৰ মঙ্গহ কামুৰি খায়। এই ছলত, বঙ্গহে মঙ্গহ খায় বোলা হৈছে। (বঙ্গহ=বংশ অর্থাৎ বংশৰ মানুহ।) এতেকে,—আপোন মানুহে ঘোৰ অনিষ্ট সাধন কৰা, the doing of the greatest harm by the nearest and the dearest person.

বঙ্গ বটালি—বিং, [বজ্রময় বটালি] বটালি যৰ টান। তাৰ মুৰত হাতুৰিৰে কুবিয়ায়, তেও তাৰ একো নহয়। এতেকে,—হাড়-শকত টান বান্ধৰ মানুহ, a person of strong physique.

বটালিৰ মুৰত টঙনিওৱা—ক্রি, বটালি বেগতে কাঠত নোসোমায়। তাৰ মুৰত হাতুৰিৰে টঙনিয়াই থাকিলে সি কাঠত সোমায়। মূর্খ মানুহক বটালিৰে তুলনা কৰা হৈছে। মূর্খ মানুহেও কোনো বিষয়ত বেগতে সোমাব নোৱাৰে। সিহঁতৰ মুৰত টঙনিয়াব লাগে, অর্থাৎ বহু কষ্ট কৰি বুদ্ধি দিব লাগে। বটালিৰ মুৰত টঙনিয়ালে মুৰটো ভোহোৱা হয়। মূর্খ মানুহকো যিমান শিকোৱা হয়, সিমান মূৰ ভোতা হয়, এই ভাব বুজোৱা হৈছে। এতেকে,—অতি মূর্খ মানুহক বহু কষ্টৰে শিক্ষা দিয়া, to teach the dull-witted with hard labour.

বঢ়া-টুটা দোষ—বিং, যিমান হব লাগে তাতকৈ বঢ়া অর্থাৎ অধিক হোৱা দোষ অথবা যিমান হব লাগে তাতকৈ টুটা অর্থাৎ নাটনি হোৱা দোষ, offences denoting excess or defect.

বঢ়া বচন বোলা—ক্রি নিয়মতকৈ বঢ়া বচন বোলা অর্থাৎ দুর্ভাষা প্রয়োগ কৰা, to use words beyond the bounds of decorum, to use unparliamentary language.

বতৰৰ কথা আগেয়ে কোৱা—ক্রি, বতৰৰ অৱস্থা কেনেকুৱা হয় তাক পূর্ব্বতে কোৱা অর্থাৎ কোনো কার্য্যৰ প্রকৃত অৱস্থাৰ বিষয়ে পূর্ব্বেই সতর্ক কৰি দিয়া, to give a warning beforhand about any event.

বতাহত উৱা—বিণ, পাতল বস্তু বতাহত উৰি যায়। মানুহ ক্ষীণালে পাতল হয়। এতেকে,— জীর্ণ-শীর্ণ, অতি ক্ষীণ। তাৰপৰা, গহীন-গম্ভীৰ নোহোৱা, lean and thin, light, wanting in seriousness.

বতাহত হল-জলা—বিণ, ইমান লিচ্‌পিচীয়া আৰু পাতল যে বতাহত গা হালি-জালি যায়। এতেকে,—লিচ্‌পিচীয়া শুৱনী। (তিৰোতাত খাটে)

extremely beautiful (said of a woman).

বধে ছোৱা—ক্রি, কোনো মানুহক বধ কৰিলে যি পাপ হয়, সেই পাপে ছোৱে অর্থাৎ সেই পাপৰে ভাগী হব লগীয়া হয় বোলা হৈছে। এতেকে,—এবিধ ডাঙৰ শপথ লোৱা, to take a form of solemn oath.

বন বোন্দা—বিং, বনৰীয়া বোন্দা মেকুৰীয়ে হাবিয়ে-বননীয়ে যতে ততে ফুৰি ফুৰে। এতেকে—ঘৰত নথকা যতে ততে ঘুৰি ফুৰা মতা মানুহ, an adult male who is fond of staying away from home.

বনুৱা বৰ—বিং, আহোম ৰজাৰ দিনত কুড়িটা পাইকৰ ওপৰত এজন বৰা আছিল। এই বিষয়াই সিহঁতৰ হতুৱাই কাম-বন কৰাই ফুৰে। এতেকে—পৰিশ্রমী মানুহ, (এই বাক্যত 'বনৰীয়া গাহৰি' এহ অর্থও মিহলি আছে। বনৰীয়া গাহৰিয়ে যেনেকৈ গুম-গুমাই ফুৰে, বৰা বিষয়াইও সেইৰূপে গুম-গুমাই ফুৰে।) a smart person.

বৰকণাৰ দেশ—বিং, ধপল-ধপল কাণেৰে এবিধ ৰাক্ষসৰ দেশ, (আজি কালি তিব্বত ৰাজ্য বুলি প্রবাদ আছে।) the country of Tibet, the people of which were believed formerly by the Assamese to have large ears.

বৰ কথা মত—ক্রি, মই বৰ এনে ভাব বুজাই কথা কোৱা, ফিতাহি কথা কোৱা, to talk vauntingly.

বৰ গছৰ টোপালে গা তিওৱা - ক্রি, (টোপাল=নীয়ৰৰ টোপাল।) বৰ গছৰ টোপাল ইমান ডাঙৰ যে সিয়েই বৰমুণৰ নিচিনা হৈ পৰে। বৰ গছক বৰলোকেৰে তুলনা কৰা হৈছে। বৰলোকৰ সাধাৰণ অৱস্থাৰ কার্য্যকে ইতৰ লোকে চন্তালিৰ নোৱাৰে, এই ভাব বুজায়। এতেকে,—বৰলোকৰ প্রকৃতিগত সাধাৰণ কার্য্য ইতৰ লোকৰ মাৰাত্মক-স্বরূপ হোৱা, the happening of a serious harm to a common man by those acts of a great personage which appears so harmless to him as being of everyday occurance and forming part of his very nature,

বৰ গছৰ তলত ছাঁ লোৱা—ক্রি, ডাঙৰ গছৰ পাত জপ-জপীয়া। বাটকৰা মানুহে টান বদত তাৰ ছাঁ লয়। এতেকে,—সংসাৰ-ক্লিষ্ট মানুহে ডাঙৰ মানুহৰ আশ্রয় লোৱা, to take shelter of a great man in time of difficulty.

বৰ চুৰিয়াৰ ফেৰ মৰা—ক্রি, বৰলোকে বৰ চুৰিয়াৰ ফেৰ সাৰি ফুৰে।

এতেকে,—বৰলোকালি কৰা, to act like a person of rank of wealth.

বৰ নৈ—বিং, আসামৰ ভিতৰত আটাইতকৈ ডাঙৰ নৈ। এতেকে,—ব্ৰহ্মপুত্ৰ নৈ, the Brahmaputra River

বৰবিহু খোৱা—ক্রি, বৰবিহু পালে মানুহ তৎক্ষণাৎ মৰে। এতেকে,—সৰ্ব্বনাশীয়া কাৰ্য্য কৰা, ঘোৰ স্বাৰ্থ-বিৰোধী কাৰ্য্য কৰা, নিজৰ বিষম অহিত আচৰণ কৰা, to act highly prejudicially to one's own interest

বৰ মতা বিং, ডাঙৰ মতা মানুহ সাহিযাল হয়। এতেকে,—সাহিযাল পুৰুষ, a spirited man, a gallant.

বৰ সবাইলৈ মনটো—বিং, যি সবাইলৈ বহু আয়োজন লাগে, তাক যেনে সেনে শীঘ্ৰে কৰিব নোৱাৰে। এতেকে,—ডাঙৰ আয়োজনলৈ মনটো, অৰ্থাৎ ওখ আকাঙ্ক্ষা, high ambition.

বৰৰ দোষ পিছলাই নিযা—ক্রি, বৰলোকৰ দোষ পিছলাই সমাজৰ বিচাৰ পাৰ কৰি লৈ যোৱা অৰ্থাৎ বৰলোকৰ দোষ সমাজে বিচাৰ নকৰা, to gloss over a great man's fault.

বৰকলা হাবি—বিং, আহোম ৰজাৰ দিনত বৰকলা হাবিবপৰা খৰি-কটীয়াই ৰজা-ঘৰলৈ খৰি যোগাইছিল। এতেকে,—ডাঙৰ কাঠনী হাবি, a big forest.

বৰদৈ চিলা—বিং. আসামত চত আৰু বহাগত ধুমুহা হয়। তাৰে কিছুমান সৰু, দুটা ডাঙৰ। বহাগৰ বিহুৰ ৭ দিন মান আগতে এটা আৰু ৭ দিন মান পাচতে এটা ডাঙৰ ধুমুহা হয়। এই দুটা ধুমুহাৰ নাম বৰদৈ চিলা। চিলাটোৰ দৰে সোসোৱাই আছে দেখি চিলা নাম পাইছে। মাইকী মানুহে বছৰি মাকৰ ঘৰলৈ যেনেকৈ বিহুৰ সময়ত আহে আৰু যায়, ইও সেই দৰে সেই সময়তে আহে আৰু যায় দেখি, ইয়াক মাইকীৰ ৰূপ দিয়া হৈছে। মাইকীৰ নামৰ শেষত 'দৈ' থাকে। এই ধুমুহা ডাঙৰ বাবে 'বৰদৈ' বোলা হৈছে। এতেকে,—বহাগৰ বিহুৰ আগৰ আৰু পাচৰ ডাঙৰ ধুমুহা, the gale which visits Assam every year about the Bahag Bihu

বৰলৰ বাহত জুই দিয়া—ক্রি, কোনো মানুহে যদি বৰলৰ বাহত জুই দিয়ে, তেনে-হলে বৰলখিলাকে তাক খন্ত উধাই-মুধাই কাণে-নাকে কামুৰি বিতত

কৰে। এতেকে,—খং উঠিলে অপকাৰ কৰিবৰ নিমিত্তে যাৰ শক্তি আছে তেনে মানুহক অপকাৰ কৰা, to irritate a person who is very powerful and capable of doing serious harm if so disposed.

ৰৱলাৱ ঘৰত শুকান ধান বিচৰা—ক্রি, যাৰ তিৰোতা নাই, তাৰ ঘৰত ধান সিদ্ধাই শুকোৱাবলৈ মানুহৰ অভাৱৰ নিমিত্তে, সেই মানুহে উখুৰা চাউলৰ সলনি আৰৈ চাউল ব্যৱহাৰ কৰে। এতেকে,—যি বস্তু যি ঠাইত পোৱা অসম্ভৱ সেই বস্তু সেই ঠাইত বিচৰা, to look for a thing in a place where it can never be expected to exist.

ৰৱশী বোৱা টোপনি—বিং, ৰৱশী বহি বা থিয় হৈ ৰায়। চিপ পানীত পেলাই মাছে খুঁটিলে তাক দাঙ্গি আনা হয়। কোনো মানুহে বহি বা থিয় হৈ টোপনিয়ায়। তেনে অৱস্থাত সি হালি-জালি যায় আৰু দেখিশলৈ ৰৱশী বোৱা মানুহটোৰ নিচিনা হয়। এতেকে,—হালি-জালি যোৱা টোপনি, drowsiness, light sleep.

ৰৱশীৰ মাছ—বিং, টোপৰ লোভত মাছ আহি ৰৱশীত লাগি ধৰে। এতেকে,—লোভত বিপদগ্রস্ত মানুহ, one who catches a bait and falls into trouble.

ৰৱষুণ গলে জাপি লোৱা—ক্রি, জাপি ৰৱষুণত হে লোৱা হয়। ৰৱষুণ শেষ হৈ গলে জাপিৰ আৱশ্যকতা নাথাকে। এতেকে,—বিপদ পাৰ হলে ৰক্ষাৰ উপায় অৱলম্বন কৰা, to take measures to protect oneself from a danger after the danger is past.

ৰৱা ভাত, মাহৰ শাক—বিং., আগৰ দিনত ৰৱা চাউলৰ ভাত আৰু মাটি-মাহৰ আজ্ঞা উপাদেয় ভোজন আছিল। এতেকে,—উপাদেয় ভোজন, dainty dishes.

ৰৱাৰ ঘৰত তৰাৰ গাঁথি দিয়া—ক্রি, আহোম ৰজাৰ দিনত কুড়িটা পাইকৰ ওপৰত ৰৱা বিষয়া আছিল। তেওঁ ঠাইয়ে ঠাইয়ে গৈ পাইক বিলাকৰ হতুৱাই কাম-ৰন কৰোৱায়। এঠাইৰ কাম শেষ হলে আন এঠাইলৈ উঠি যায়। সাধাৰণ পঁজা সাজি থাকে। দুই চাৰি দিনীয়া পঁজা ৰাখে তাত বেতৰ সলনি তৰাৰ জৰীৰে গাঁথি দিয়া হয়। এতেকে,—অস্থায়ী কাৰ্য্যত অস্থায়ীভাৱে চলা, to act in a temporary way in a tempo-

rary business.

বৰাপৈ কচু খোৱা—ক্রি, কচু বৰা অর্থাৎ গাহৰিৰ আহাৰ। গাহৰি অতি লেতেৰা আৰু নিকৃষ্ট জন্তু। ঈশ্বৰে তাৰ নিমিত্তে আহাৰৰ ব্যৱস্থা কৰি থৈছে বোলা হৈছে। এতেকে,—নিঃকিন, অধম আৰু নিৰাশ্রিত মানুহৰ নিমিত্তেও ঈশ্বৰে যথাযোগ্য জীবিকাৰ ব্যৱস্থা কৰি থোৱা, the ordaining by God of appropriate means of living for any person however humble he may be.

বৰৰা খাবনেৰে খোৱা—ক্রি বৰুৱা ডাঙৰ বিষয়া আছিল আৰু তেওঁ বিলাকৰ খাবনো সেই অনুযায়ী ডাঙৰ আছিল। এতেকে,—ডাঙৰ খাবনেৰে খোৱা, to eat sumptuously.

বলি-বাসৱৰ যুদ্ধ—বিং, পূর্ব্ব-কালত বলি আৰু বাসৱ অর্থাৎ ইন্দ্রৰ ভিতৰত খোৱতৰ যুদ্ধ হৈছিল। এতেকে,—খোৱতৰ যুদ্ধ, sanguinary battle, a deadly struggle.

বলিয়া কুকুৰে কামোৰা—ক্রি, বলিয়া কুকুৰে কামুৰিলে জাঁই উঠে। এতেকে,—চিন্তাৰ আবেগত উন্মত্তপ্রায় হোৱা, to be overtaken with anxious thoughts.

বলীৰ হাতত পৃথিবী থকা—ক্রি, যি জন বলা বলী, পৃথিবী তেওঁৰে শাসনাধীন থাকে। এতেকে,—যাৰ বল আছে সিয়েই কোনো বিষয়ত প্রভুত্ব চলাব পৰা, (বল=শৰীৰ, ধন, বিদ্যা, বা অন্য কোনো বল।) the exercising of authority by one who is powerful.

বলীয়ে নির্ব্বলীয়ে হুতাহুতি—বিং, (হুতাহুতি=হাতেৰে কৰা যুঁজ।) ডাঙৰ মানুহ আৰু সৰু মানুহৰ ভিতৰত লগা যুঁজ, অসমান যুঁজ, a quarrel between the strong and the weak, an unequal fight.

বলে নোৱৰা শিলক পৰি নমস্কাৰ কৰা—ক্রি, বলে পৰা শিলক আনি কোনো কার্য্যত লগোৱা হয়। কিন্তু যাক বলেৰে দাপিব নোৱাৰে, তাত মাহাত্ম্য আছে বুলি সেৱা-সতকাৰ কৰা হয় অর্থাৎ তাক দেৱতা বুলি গণ্য কৰা হয়। এতেকে,—যাক বলেৰে জিনিব পৰা নাযায় তেওঁৰ গাত দৈব-শক্তি আৰোপ কৰা। (এনে কৰি নিজৰ দুর্ব্বলতা লুকুৱায়, আৰু পৰৰ বলৰ প্রশংসা নকৰি তাক দৈব বল বোলা হয়।) to attribute supernatural power to a person who cannot be resisted with any chance of success.

বহৰ সুন্দৰী—বিং. (বয়=বয়স) বাঢ়িব নোৱৰা হলে মুগধন খোন্দাল নিচিনা খোপোৱা হয়। এতেকে,—অধিক বয়স হোৱা কঁটিয়া তিৰোতা, a dwarfish woman of long years.

বহি বুঢ়া—বিং. [বহি থাকি বুঢ়া] বহি থাকোঁতে থাকোঁতে বুঢ়াৰ নিচিনা হোৱা মানুহ, বহি থকা এলেহুৱা মানুহ, a stay-at-home idler.

বহি বন্ধা—বিং, [বহি হুকুম দিয়া বন্ধা] যি নিজে কাম-বন নকৰাকৈ মুখৰ হুকুম-হাকামৰ দ্বাৰা সংসাৰ-যাত্ৰা নিৰ্ব্বাহ কৰে তেনে মানুহ অৰ্থাৎ ধৰলোক, one who rises above the necessity to do manual labour, a great man.

বহিব জানিলে মাটিয়েহ পিৰা হোৱা—ক্রি, আৰামৰ নিমিত্তে আৰু কাপোৰত মলি নালাগিবৰ নিমিত্তে পিৰাত বহা হয়। এই স্থলত কোৱা হৈছে, যে বহিব জানিলে মাটিয়েহ পিৰা হয়, অৰ্থাৎ মাটিত বহিও পিৰাত বহাৰ সমান আৰাম লভিব পৰা যায় আৰু কাপোৰ নিকাকৈ ৰাখিব পৰা যায়। এতেকে,—নিয়ম-প্ৰণালী জানিলে যেয়া কাৰ্য্যকো ভাল কাৰ্য্য-স্বৰূপ কৰিব পৰা, to be able to make a bad thing as useful as a good thing provided one knows how to do it.

বহুৱা তোলা—ক্রি, [বহুৱা কৰি তোলা] বহুৱাই উঠি অঙ্গীভঙ্গী কৰে আৰু যিজনক মন যায় মুখেৰে তাকে গায়। কোনো মানুহক ৰঙৰ জোকালে তাৰ তত্‌মত হেৰায়। সি তেতিয়া উঠি বহুৱাৰ দৰে নাচে নগোন কৰি বলকিবলৈ ধৰে। এতেকে,—চুৰ্ত্তি-বুদ্ধি নোহোৱা কৰা, তত্‌ মত্‌ হেৰুওৱা, to vex, tease or annoy a person greatly.

বাইলুঙ্গীৰ মঙ্গল—বিং, বাইলুঙ্গীয়ে মঙ্গল চায়। মঙ্গল অৱশ্যে কেতিয়াবা ফলিয়ায়, কেতিয়াবা নফলিয়ায়। এতেকে,—কণামুনাকৈ হোৱা কাৰ্য্য, a fortuitous event.

বাইতকৈ চৰোৱা—ক্রি, (উপকথা) এজন মানুহৰ ঘৰ দৈণী আৰু সক দৈণী আছিল। ঘৰ দৈণীয়ে এদিন বাতি শোওঁতে সান্দহ খাইছিল, তেনে অৱস্থাতে টোপনি আছিল। পাচে সান্দহৰ গোন্ধ পাই এটা নিগনি আহি মুখত সোমাই মুখৰ ভিতৰৰ সান্দহখিনি খাই পেলালে, আৰু

লগে লগে দাঁতবিলাকো কুটিলে। দাঁতবিলাক এনে সমানভাবে কুটিলে যে ওখোৱা-মোখোৱা গুচি অতি ধুনীয়া হৈ পৰিল। পাচ দিনা সৰু বৈণীয়ে দেখা পাই কাৰণ সোধাত ঘৰ বৈণীয়ে আদ্যন্ত বৃত্তান্ত কলে। সৰু বৈণীয়ে এদিন সেই দৰে সান্দহ মুখত লৈ ঢাবীপ চীত পৰি নিগনি আহিবলৈ বাট চাই থাকিল। নিগনি সোমাই দাত চিকুলাই কুটিবলৈ আৰম্ভ কৰিছে, এলেহুৱে তেওঁ মাত লগালে:— "বাইতকৈ চবোৱা" (অৰ্থাৎ বাইৰ দাত যেনে সুন্দৰ হল মোৰ দাত যেন তাতকৈ অধিক সুন্দৰ হওঁক।) কথা কোৱা মাত্ৰে নিগনিয়ে ভয় পাই লৰ মাৰিলে। ফলত এয়ে হল যে তেওঁৰ দাঁত আগেয়ে যেনে আছিল এতিয়া তাতকৈও বহু গুণে বেয়া হল। প্ৰবাদ,— পৰৰ ভাল দেখি খিয়ালত তেনেকৰ কোনো কাৰ্য্য কৰিবলৈ চেষ্টা কৰিলে নিজৰ অৱস্থাৰ উন্নতি কৰিব নোৱাৰি পূৰ্ব্বৰ অৱস্থানো অৱনতি কৰা, to make a thing worse than it was in an endeavour to make it better than a like thing of another person under the promptings of jealousy.

বাহলৈ যেই হাত হোৱা, আইলৈও সেই হাত হোৱ — ক্ৰি, যেই হাতেৰে বাইক কিলোৱা হয় সেই হাতেৰে আইকো কিলাব পৰা যায় অৰ্থাৎ যি মানুহে গায়েকক কিলাবলৈ সাহ কৰে, সি অৱশ্যে মাকক কিলাবলৈও সঙ্কোচ নকৰে। এতেকে,—এজন মানী মানুহৰ প্ৰতি অন্যায় আচৰণ কৰিলে অন্যান্য মানী মানুহৰ প্ৰতিও তেনেকৰ অন্যায় আচৰণ কৰিবলৈ সঙ্কোচ নকৰা, to behave shabbily towards a respectable person and hence not to hesitate to behave in a similar way towards any other person of like status and rank.

বাও-কণী পৰা—ক্ৰি, বাও-কণী উমালে পোৱালি নজগে। হাঁহ-কুকুবাই তেনে কণী পাবিলে তাৰপৰা কোনো ফল নহয়। এতেকে—কোনো নিষ্ফল বা অসাৰ্থক কাৰ্য্য কৰা, to act infructuously.

বাখৰ পতোৱা—বিণ, বাখৰ পতালে অলঙ্কাৰ ওৱনী হয়। এতেকে,—ওৱনী, oligant, fanciful.

বাগৰা জীৱ—বিং, বাগৰি ফুৰা মানুহ অৰ্থাৎ একে ঠাইতে নিজাপিভাবে নাথাকি

লৰি ফুৰা মানুহ, (নিন্দা-ভাব) one having no settled habitation, a wanderer (depreciative sense).

বাঘ-কক্কা ববা ককাৰ হুৰা জিকা চোৱা—ক্রি, বাঘ আৰু ববাৰ ভয়ঙ্কৰ যুদ্ধ হয়। মানুহে নিলগৰপৰা চাই থাকি এবেলি কয় "বাঘ-কক্কা জিকিল, বৰা-কক্কা হাৰিল" আৰু এবেলি কয় "বৰা-কক্কা জিকিল বাঘ-কক্কা হাৰিল"। এতেকে,—পৰাক্রমী মানুহৰ যুদ্ধত নিজে ঠুকিৰ নোৱাৰি আঁতৰৰপৰা ৰং চোৱা, to watch with interest the course of a fatal struggle between powerful parties from a safe distance.

বাঘ চকা—বিং, বাঘে গৰ মহক পিঠিত হাতোৰাৰে চকা মাৰি পেলাই বধে। এতেকে,—ডাঙৰ চকা, a severe slap on the back.

বাঘ-ববাৰ যুঁজ—বিং, বাঘ আৰু ববাই ভয়ানক ৰূপে যুঁজ লাগে। এতেকে,—ভয়ানক যুঁজ, a terrible fight.

বাঘৰ আগ তেল খোৱা—বিণ, (তেল=চৰ্ব্বি)। আগ তেল—আগ ফালে থকা অর্থাৎ বুকুৰ ওচৰত থকা চৰ্ব্বি।) এই চৰ্ব্বি বৰ চোকা। বাঘৰ চৰ্ব্বি খালে মানুহ উন্মত্তপ্রায় হয়। এতেকে,—মদমত্ত, অঘাইটং, extremely cunning.

বাঘৰ আগত ছাগে ডেৰাডেৰি কৰা—ক্রি, ছাগলীয়ে যুঁজ লগাৰ আগতে ডেৰা-ডেৰি কৰে। এই স্থলত কোৱা হৈছে, যে ছাগলী-ৰ বাঘৰ আগত ডেৰাডেৰি কৰে অর্থাৎ বাঘেৰে যুঁজ বিচাৰে। এতেকে,—অতি পৰাক্রমী মানুহেৰে সৈতে অতি দুর্ব্বল মানুহে যুঁজিবলৈ উদ্যত হোৱা, the challenging of a powerful man to a fight by one who is too weak.

বাঘৰ চকুৰে চোৱা—ক্রি, বাঘ বৰ খঙাল, তাৰ চকুত খঙৰ ভাব জ্বলি থাকে। এতেকে,—খঙালভাবে চোৱা, অর্থাৎ উগ্রভাবে শাসন কৰা, to control sternly.

বাঘৰ পোৱালি বাঘ—বিং, বাঘ বলী জন্তু। তাৰ পোৱালিও সেই দৰে বলী হয়। এতেকে,—প্রতাপী মানুহৰ প্রতাপী পুতেক, a worthy son of a worthy father.

বাঘৰ সমান ভয়—বিং, বাঘৰ যিমান, ভূত সিমান ভয়, ডাঙৰ ভয়, terrible

fear.

বাঘ তেলে খোৱা—ক্রি, (তেল=চর্ব্বি।) বাঘৰ চর্ব্বিৰ চোকা। গাত চোকা চর্ব্বি মৰিলে মানুহৰ ফুৰ্ত্তি বেচি হয়। এতেকে,—বেচিকৈ ফুৰ্ত্তি হোৱা, to be overjoyed.

বাঘে পোৱালি পোৱা হাবি—বিং, বাঘে ডাঙৰ হাবিত চিৰস্থায়ীৰূপে বসতি কৰে, আৰু তেনে হাবিত হে পোৱালি জগায়। এতেকে,—ডাঙৰ হাবি, big jungle

বাঘে খোৱা—বিং, যি গৰুৰ আয়ুস টুটে, তাক বাঘে ধৰি খায়। এতেকে,—অল্পায়ুস, (গালিৰ মাত), short-lived, (a term of reproach).

বাঘে ঘোঙ্গে যুঁজ লগা—ক্রি বাঘ ঘোঙ্গতকৈ অলপ বেচি বলী, কিন্তু ঘোঙ্গ বাঘতকৈ বেচি খঙ্গাল। বাঘ আৰু ঘোঙ্গৰ ভিতৰত ঘোৰতৰ যুঁজ হয়। এতেকে,—ঘোৰতৰ যুঁজ লগা, to engage in a fierce conflict.

বাছি পেলোৱা—ক্রি, [হাড় বাছি পেলোৱা] খাদ্য জন্তুৰ হাড় বাছি পেলাই দি মঙ্গহ খোৱা হয়। এতেকে,—কোনো মানুহৰ হাড় বাছি তাৰ মঙ্গহ খোৱা অর্থাৎ কোনো মানুহক উগ্ৰ শাস্তি দিয়া, to inflict condign punishment.

বাছোঁতে বাছোঁতে গেলা ববালিত হাত পৰা—ক্রি, ববালি মাছ কোমল। সি গেলিলে সমূলি নষ্ট হয়। এতেকে,—অতি ভাল বস্তু পাবলৈ অতিৰিক্ত চেষ্টা কৰোঁতে অতি বেয়া বস্তু পোৱা, to select the worst thing by exercising too great caution to have the very best.

বাজ ভিতৰ কৰা মানুহ—বিং, বাজে ভিতৰে ফুৰা মানুহ, বিশ্বাসী মানুহ, one who has access into the inner chamber of a household, a confidant.

বাজলৈ উলিওৱা—ক্রি, মানুহৰ ধাতু ঘৰৰ ভিতৰত যাব নাপায়, এই বিশ্বাসৰ ওপৰত মৰিবৰ বেলিকা মানুহ বাজলৈ উলিওৱা হয়। এতেকে,—খন্তেকৰ পাচতে মৃত্যু হব বুলি থিৰাং কৰা, to expect death immediatly after.

বাট এৰি অবাটে যোৱা—ক্রি, সৰ্ব্ব সাধাৰণ মানুহে বাটে দি যায়। অবাটে

অর্থাৎ যিটো বাট নহয় সেই পোনে নাযায়। এতেকে,—প্রচলিত বীতি এবি কোনো কার্য্য কবা, to go out of the beaten track, to act against an established custom.

বাট কুবি যোৱা—ক্রি, [বাট বুকুবে বগোৱা] বাটে দি ভবিবে খোন্ধ কাঢ়ি নগৈ বুকুবে বগাই যায় বোলা হৈছে। এতেকে,—অতি কষ্টেবে বাট অতিক্রম কবি যোৱা, to walk on with difficulty.

বাট কেঁবা লগা—ক্রি, কোনো যন্ত্রব এটা অংশ আন এটা অংশেবে মিল নহলে কেঁবা লগা বোলে। বাটে দি মানুহ চলাচল কবোঁতে কেতিয়াবা দুফালবপবা দুটা মানুহ আহোঁতে কেঁবা লাগে অর্থাৎ ইজনে সিজনব ঠিক সম্মুখত ভেঁটাম্বরূপ হয়। এতেকে,—বাটত সম্মুখা-সম্মুখি হোৱা, to meet each other on the way face to face—the two coming from opposite directions.

বাটত বগবি-জেং দিয়া—ক্রি, বগবি-জেং কাইটিয়া। বাটত বগবি-জেং দিলে সেই বাটে মানুহ যাব নোৱাবে। এতেকে,—বাট ভেঁটা দিয়া, to put obstacles in the way.

বাটব বলিয়া—বিণ, ঘব এবি বাটে-পথে ফুবা বলিয়া, ডাঙব বলিয়া, stark mad.

বাটব বাটকৰা—বিং, বাটে দি অনেক বাটকৰা গৈ থাকে। বাটব কাষত থকা ঘবখিলাক পাব হৈ গৈ থাকে। সেইখিলাক ঘবব মানুহেবে সৈতে বাটকৰাব কোনো সম্পর্ক নাই। এতেকে,—কোনো প্রকাবব সম্পর্ক নথকা মানুহ, সম্পূর্ণৰূপে ভিনগীয়া মানুহ, a thoroughly unconnected person, a perfect stranger.

বাটলৈ চোৱা—ক্রি, বাটে দি মানুহ আহে। কোনো মানুহ আহিব লগীয়া থাকিলে বাটলৈ চাই থকা হয়। এতেকে,—অপেক্ষা কবা, to expect the arrival of a person.

বাটে-ঘাটে—ক্রি-বিণ, যতে ততে প্রকাশ্য ঠাইত, anywhere and everywhere.

বাটে-পথে—ক্রি-বিণ, যতে ততে প্রকাশ্য ঠাইত, anywhere and everywhere.

বাটে পোৱালি মেলা—ক্রি, জন্তুবে পোৱালি জগাই মেলি দিয়ে। ধবালি হলে

এটা বাটৰ পৰা বহুত সৰু সৰু বাট ওলাই যায়। সেই দেখি জন্তুৰে সৈতে বাটৰ তুলনা কৰা হৈছে। এতেকে,—খৰালি হোৱা, the setting in of cold weather.

বাটে যোৱা—ক্রি, সৰ্ব্ব প্রচলিত ৰীতি অনুযায়ী কার্য্য কৰা, to take the trodden path, to act according to the accepted ideas of usage and custom.

বাটৈটোকা মানুহ—বিং, বাটৈটোক চৰায়ে বাটৰ দৰে কাঠত ঠোক্-টাক্ কৰি থাকে; সি ফেতিয়াও শাঁতিৰে বহি নাথাকে। এতেকে,—ডেও-ধুপাল পাৰি ফুৰা দুষ্ট মানুহ, a fidgetty or uneasy person.

বাণ-বাৰিষা কাল—বিং, [বাণ অহা বাৰিষা কাল] ঘোৰ বাৰিষা বতৰ, the season of rains and flood.

বাণ মৰা—ক্রি. [মোহিনী বাণ মৰা] পূৰ্ব্ব-কালত যুদ্ধত মোহিনী বাণ মাৰি শত্রুক মুগ্ধ কৰি পেলাই থয়। এই কার্য্য মন্ত্রৰ দ্বাৰা সাধিত হৈছিল। সেই মন্ত্র আজি কালিও আসামত প্রচলিত আছে বুলি কয়। এতেকে,—মুগ্ধ কৰা, to enchant, to bring under perfect control.

বাতৰি গৰগাঁও পোৱা গৈ—ক্রি, গৰগাওঁ আসামৰ ৰাজধানী আছিল। সকু-মুৰা বাতৰি ৰাজধানীলৈ নগৈছিল। ডাঙৰ বাতৰি হলে চাৰিও পোনে প্রচাৰিত হৈ ক্রমে ৰাজধানী পায় গৈ। এতেকে,—বাতৰি বহু দূৰলৈকে প্রচাৰিত হোৱা, the spreading of a news far and wide.

বান্দবৰ ঘা—বিং, বান্দবৰ ঘা লাহে লাহে বিয়পি যায়। এতেকে,—বাঢ়পৰা অনিষ্ট বাঢ়ি যায় তেনে অশুভ কার্য্য, an evil which steadily increases.

বান্দবৰ ডিঙ্গিত মুকুতাৰ মালা পিন্ধোৱা—ক্রি, পূৰ্ব্ব-কালত সীতা দেবীয়ে হনুমানক এখাৰ মুকুতাৰ মালা বঁটা দিছিল। হনুমানে তাক দাঁতেৰে কামুৰি ছিঙ্গি পেলালে। সেই ঘটনাৰপৰা এই বাক্যৰ উৎপত্তি হৈছে। এতেকে,—যি মানুহে বহু-মূলীয়া বস্তুৰ মোল নুবুজি তাক অনাদৰ কৰে তেনে মানুহক তেনে বস্তু দিয়া, to give a valuable thing to an unworthy recipient.

বান্দবৰ ডিঙিত সোণৰ হাৰ পিন্ধোৱা—ক্রি. ['বান্দবৰ ডিঙিত মুকুতাৰ মালা পিন্ধোৱা,' চোৱা। কোনো লোকৰ মতে সীতা দেবীয়ে হনুমানক সোণৰ হাৰ দিছিল, মুকুতাৰ মালা নহয়।]

বান্দবৰ মুখৰ কল ভুকুৱালে সৰা—ক্রি বান্দৰে কল মুখত সুমাবলৈ পালে, তাক কেতিয়াও উলিয়াই নেপেলায়। তাক ধৰি যদি গালত ভুকুৱাই দিয়া যায়, তেতিয়া হে কল সৰি পৰে। বান্দৰে ইচ্ছা কৰি কল নিদিয়ে। কাকুতি-মিনতি কৰিলে সি কল উলিয়াই নিদিয়ে। বল-প্রয়োগৰ দ্বাৰা হে তাৰ মুখৰ কল পাব পাৰি। এতেকে,—অতিৰিক্ত স্বার্থপৰ মানুহৰপৰা কোনো বস্তু বল-প্রয়োগৰ দ্বাৰা পোৱা, to obtain a thing from an extremely selfish person by use of physical force only.

বান্দৰৰ সাত পুৰুষ ডাল কোবাই যোৱা—ক্রি, বান্দৰে অতীজৰেপৰা গছৰ ডালে ডালে বগাই ফুৰি কাল নিয়াব লাগিছে। সি আজিলৈকে থাকিবৰ নিমিত্তে ঘৰ-দুৱাৰ সাজিবলৈ শিকা নাই। এতেকে—বহু-কলীয়া ৰীতি অনুসাৰে চলা, to follow a time-honoured custom.

বান্দৰি চৰিওৱা দিয়া—ক্রি, বান্দৰবিলাকে পৰস্পৰ প্রীতি আৰু সৌহার্দ্দ বুজাবৰ নিমিত্তে ইটোৱে সিটোৱে গালত টুপুচ-টাপুচ কৰে চুমিয়ায়। এতেকে,—কম জোৰেৰে ঘনকৈ চৰিওৱা, to slap a person several times slightly on the face.

বান্দৰি নচুৱা দিয়া—ক্রি, বান্দৰক যেনেকৈ নচুয়ায়, বান্দৰে তেনেকৈ নাচে। এতেকে,—কোনো মানুহে তাৰ সম্পূর্ণ নিজৰ মতেৰে পৰক চলোৱা, to guide a person entirely according to one's own will.

বান্দৰে নাৰিকলৰ মোল সুবুজা—ক্রি, বান্দৰে নাৰিকল ভাঙিব নোৱাৰে। সি কেতিয়াও নাৰিকল খাবলৈ নাপায়। নাৰিকল কেনে সোৱাদ ফল, সি তাক নাজানে। এতেকে,—ইতৰ মানুহে ওখ শ্রেণীৰ বস্তু বা কার্য্যৰ স্বৰূপ নির্ণয় কৰিব নোৱৰা, the failing to gauge the real value of a high-class thing or action by a vulgar person.

বান্দৰে সাগৰৰ পানী খাই চুকাব নোৱৰা—ক্রি, সাগৰৰ পাৰৰ হাবিত অসংখ্য

বান্দৰ থাকে। জাকে জাকে বান্দৰ আছি সাগৰৰ পানী সদহ খাব লাগিছে, তথাপি সাগৰৰ পানী নুচুকায়। ইতৰ লোকক বান্দৰেৰে আৰু মহৎ লোকক সাগৰেৰে তুলনা কৰা হৈছে। মহৎ লোকৰ ধন-সম্পত্তিক সাগৰৰ পানী বোলা হৈছে। এতেকে,—ইতৰ লোকে মহৎ লোকৰ ধন-বস্তু আত্মসাৎ কৰিলেও মহৎ লোকৰ বিশেষ ক্ষতি কৰিব নোৱাৰা, the failing of a vulgar person to do real harm to a great man by misappropriating a part of his vast estate.

বান্দীৰ কান্তা যোগ—বিং, কন্যাকাল হোৱা সময় অনুযায়ী ভিন্নোতাৰ 'যোগ' নিৰ্ণীত হয়। 'কান্তা' ভাল যোগ। কিন্তু যি বান্দী, তাইৰ কান্তা যোগৰ শুভ ফল হবৰ স্থল নাথাকে। এতেকে,—চিৰ-দৰিদ্ৰ মানুহৰ পক্ষে গ্ৰহাদিৰ নিষ্ফল শুভ-দৃষ্টি অৰ্থাৎ যি মানুহৰ উন্নতি অসম্ভৱ তাৰ পক্ষে নিষ্ফল শুভ লক্ষণ, good signs to a person who is destined not to rise above a miserable life.

বাপ ঢোৱা-সাপ—বিং, ঢোৱা-সাপৰ থং বেচি, কিন্তু তাৰ কামোৰত বিষ নাই। ঢোৱা-সাপে কামুৰিলে আন সাপে সেই মানুহক কোনো কালে নাকামোৰে বুলি কয়, কিয়নো ঢোৱা-সাপ সকলো সাপৰ বন্ধা। বাপেকে পুতেকক ডবিয়ায় আৰু কোবায়। যাৰ দ্বাৰা লৰাৰ অমঙ্গল ঘটে, বাপেকে তেনে কাৰ্য্য নকৰে। বাপেকৰ কাৰ্য্যত বিষ অৰ্থাৎ হিংসা-ভাব নাথাকে। এতেকে,—বাহিৰে টান-মুখীয়া কিন্তু ভিতৰে মৰমিয়াল বাপেক, a stern but loving father.

বাপৰ ধন—বিং, বাপেকৰ মৃত্যুৰ পাচত পুতেকে পোৱা বাপেকৰ ধন, পৈত্ৰিক সম্পত্তি, patrimony.

বাপতি সাহোন—বিং, উত্তৰাধিকাৰী-স্বত্বে পোৱা বাপেকৰ ধন সম্পত্তি, ('পিতৃস্বৰ' পৰা 'পিতৃ সাহোন', আৰু 'পিতৃ সাহোনৰ' পৰা 'বাপতি সাহোন' কথাৰ উৎপত্তি হৈছে), patrimony.

বাপুৰ গাত বাঢ়নী লগা—ক্ৰি, (বাপু=বামুণ।) বাঢ়নী অশুচি বস্তু। ঠাই সাৰোঁতে বামুণৰ গাত বাঢ়নী লাগিলে, ঠাই সাৰোঁতা মানুহৰ যেন ডাঙৰ জগৰ লাগে। এতেকে,—ডাঙৰ জগৰ লগোৱা, (বিদ্ৰূপ) to offend highly (used ironically).

বামত সাঁতোৰা—ক্রি, মাটিত হাত ভৰি মেলি চুচবিলে সাঁতেৰ যেন দেখি। এতেকে,—চুচবি-পাগবি ফুৰা, অসীম কষ্ট-ভাগ কৰা, to be afflicted by untold misery.

বামুণ চাই ভোজনী—বিং, বামুণ ডাঙ্গৰ হলে ভোজনী ডাঙ্গৰ হব লাগে, আৰু বামুণ সক হলে ভোজনী সক হব লাগে। এতেকে,—যথাযোগ্য কার্য্য, an appropriate action.

বামুণৰ ক'লা—বিং, বামুণৰ ভিতৰত সাধাৰণতে ক'লা মানুহ নাথাকে। এতেকে,—বিজতৰীয়া বামুণ, a degenerate Brahmin.

বামুণৰ জোলোঙ্গ.—বিং, 'বামুণ' শব্দে এই স্থলত দৈৱজ্ঞ বামুণ বুজাইছে। সিহঁতে কান্ধত ডাঙ্গৰ জোলোঙ্গা লৈ গাওঁৱে গাওঁৱে ভোজনী লৈ ফুৰে। এতেকে,—ডাঙ্গৰ জোলোঙ্গা, বহু বস্তু ধৰা পাত্র, a capacious receptacle.

বামুণৰ বকৰা, শূদিৰৰ পঢ়ুৱা—বিং, পূর্ব্ব-কালত বামুণে বিষয় নলৈছিল, আৰু শূদিৰে নপঢ়িছিল। বামুণৰ ভিতৰত বকৰা আৰু শূদিৰৰ ভিতৰত লেখা-পঢ়া জনা মানুহ অসম্ভৱ আছিল। এতেকে,—বিপৰীত কার্য্য, topsyturvydom.

বামুনী গঢ়ী—বিণ, বামুনী তিৰোতাৰ মুখৰ সাঙ্গ দীঘল-চানেকীয়া আৰু নাকৰ আগ জোঙ্গা। এতেকে,—বামুনী তিৰোতাৰ নিচিনা শুৱনী, handsome like a Brahmin girl.

বামুণে হাল বোৱা—ক্রি, বামুণে হাল বোৱা হিন্দু ধর্ম্ম বিৰুদ্ধ কার্য্য। এতেকে,—অসম্ভৱ কার্য্য ঘটা, the doing of an impossible act.

বামে নাও চলোৱা—ক্রি, নাও পানীয়ে দি চলায়, বামে দি নচলায়। এই স্থলত কোৱা হৈছে, যে বামে দিয়েই গাৰ বলেৰে নাও টানি লৈ যায়। এতেকে,—গাৰ বলেৰে অন্যায় কার্য্য কৰা, to do an unjust or improper thing by sheer physical force.

বাৰ কুৰি—বিণ, বহু-সংখ্যক, numerous.

বাৰ জোৱা দিয়া কথা—বিং, কাপোৰ ফাটিলে তাপলি জোৱা দিব লাগে। এতেকে,—বাৰটা তাপলি অর্থাৎ মিছা জোৱা দিয়া কথা, বহু মিচাৰে সজাই পৰাই কোৱা কথা, a highly exaggerated account.

বাৰ বঙ্গলুৱা মানুহ—বিং, আগৰ দিনত ভাটী ফালৰপৰা অহা সকলো মানুহক

বঙ্গাল বুলিছিল। এতেকে,- বাব ঠাইবপবা অহা বাব বকমব বঙ্গলুবা মানুহ. নানা ঠাইবপবা অহা বিদেশী মানুহ, people of various nationalities.

বাব বুবি—বিণ, কুড়িটাই এবুবি হয়। এতেকে,—একুড়ি, অর্থাৎ বহু-সংখ্যক, numerous.

বাব বাহতুবা মানুহ—বিং, [বাব বসতুবা মানুহ] বাব ঠাইবপবা আহি বসতি কবা মানুহ, যবে তবেপবা আহি থকা নানা প্রকাব মানুহ. all sorts of people.

বাব ভচহু কথা—বিং, বাব বকমব ভচ্-ভচ্-কবে কোবা কথা, নানা প্রকাবব অলাগতিয়াল কথা a good deal of irrelevant matter.

বাব হাত কোবোলাব তেব হাত গুটি হোবা—ক্রি, যি কোবোলাব গছ ডাল বাব হাত দীঘল, তাব গুটিটো তেব হাত দীঘল হোবা অসম্ভব। এতেকে— অসম্ভব ঘটনা হোব', the happening of a miraculous event.

বাবেওটি কাল, তেবও যুগ—বিং, (বাবেওটি কাল=বাবেওটি মাহ কাল।) ১২ বছবে ১ যুগ হয়। 'তেবও যুগ' এই কথাব দ্বাবা 'বাবতকৈও বেচি যুগ' বুজোবা হৈছে। এতেকে,—চিবকাল, perpetually, for ever.

বালিচাহিব পবা গজ হস্তী লৈ—ক্রি-বিণ. বালিচাহি অতি সৰু, গজ-হস্তী অতি ডাঙৰ। এতেকে,—অতি সৰুবপবা অতি ডাঙৰলৈ, from the lowest to the highest.

বালি ভাত খোবা—ক্রি, কোনো আমোদ-উৎসবত নৈব বালিত গৈ ভাত বান্ধি খোবা হয়। এতেকে—দূবণি ঠাইলৈ গৈ আমোদ-উৎসব কবা, to make a holiday excursion.

বাহিবে বং-চং ভিতবে কোবা-ভাতুবি—বিং, কোবা-ভাতুবিব বাহিব কাল দেখিবলৈ বং-চঙিয়া, কিন্তু ভিতব ফাল অসাকবা। অকল বাহিব ফাললৈ চালে, সি যে কোবা-ভাতুবিতকৈ ওখ খাপব গুটি, এনে ধাবণা ওপজে, কিন্তু সি যে প্রকৃততে কোবা-ভাতুবি, আন একো নহয়, সেই কথা তাব ভিতব ফাল চালে বুজিব পবা যায়। এতেকে,— দেখাত ধুনীয়া কিন্তু প্রকৃততে অসাকবা কার্য্য, মানুহ ইত্যাদি,

anything beautiful to look at but possessing no intrinsic value.

বাহিবে লটপট ভিতবে কপট—বিং, (লট্‌পট্‌=লেট পেট।) বাহিবে লেট-পেট অর্থাৎ অতি মিল বিস্তু ভিতবে কপট ভাব, hostility under cover of friendship.

বাহু দাঙ্গি কোবা—ক্রি, বাহু স্বর্গব ফালে দাঙ্গি কোবা অর্থাৎ ঈশ্ববক চিন্তি কোবা, to speak with all earnestness, to speak confidently.

বিজুলী-সঞ্চাবে যোবা—ক্রি, বিজুলীব সঞ্চালনেবে অর্থাৎ গতিবে যোবা, অতি বেগেবে যোবা, to travel with a lightening speed.

বিদা কবা—ক্রি, [বিদ্যা কবা] কোনো এটা বিদ্যা জনা বুলি আনক দেখুবাবব অভিপ্রায়েবে কায্য কবা, to make a vain display of knowledge.

বিদ্যা লগা—বিণ, [বিদ্যা লগা] কোনো প্রকাবব বিদ্যা থকা, যেনে লেখা-পঢ়া বিদ্যা, শিল্প-বিদ্যা ইত্যাদি, qualified in any branch of useful knowledge.

বিদ্যাই লাগ দিয়া—ক্রি, (লাগ দিয়া=লগ দিয়া।) বিদ্যাই লগ পাবলৈ দিয়া, বিদ্যাক খেদি ধবিব পবা অর্থাৎ বিদ্যাবন্ত হোবা, to be endowed with knowledge.

বিধতাই দিলেও তিবতাই নিদিয়া—ক্রি, পূর্ব্বজন্মত বিধতাই যাব কপালত সৌভাগ্য লিখি দিয়ে, সি হে এই জন্মত সুখী হব পাবে। এই স্থলত কোবা হৈছে, যে বিধতাই দিলেও তিবতাই অর্থাৎ নিজব বৈণীয়ে নিদিয়ে। ঘবব গবাকি বৈণী। কোনো বস্তু বৈণীয়ে দিয়া-পোহা কবি দিলে হে তাক পোৱা যায়, নহলে বস্তু ঘবত থকা স্বত্বেও তাক ভোগ কবিবলৈ পোৱা নাযায়। এতেকে,—ঘাই গবাকিবপবা কোনো বস্তু পালেও বিলনীয়াই বিলাই নিদিয়, the withholding of a gift of a donor by a person who is appointed to administer it.

বিধতাব খোঁচ—বিং, [বিধতাব কলমব খোঁচ] কপালত লিখা বিধিব লিখন, ভাগ্যলিপি, destiny.

বিধি-পথালি দিয়া—ক্রি, বিধিয়ে (বিধতাই) পথালি দিয়া অর্থাৎ বাট ভেঁটি যেবা। দৈবে বাধাত জন্মোৱা, to be confronted with misfortune.

বিধিৰ লিখন—বিং, বিধিয়ে (বিধতাই) মানুহৰ কপালত সুখ-দুখ আদি বিষয় লিখি দিয়ে বুলি কয়। এতেকে, —ভাগ্য, destiny.

বিধুতি হোৱা—ক্রি, (ধুতি = ধৌত, শুচি। বিধুতি = অশুচি।) ঋতুমতী হোৱা, to be affected with menstruation

বিনচলৈ ওহৰা—ক্রি, গাই গৰুৱে প্রসৱৰ সময় হলে ওহাৰে অর্থাৎ ভেতিয়া হে ওহাৰত গাখীৰ গোট খায়। প্রসৱৰ পূর্ণ-কাল নৌ হওঁতেই যদি তাই ওহাৰে, তেনেহলে পোৱালি বিনচ্ বিনষ্ট হয়। এতেকে,— অসময়ত ঐশ্বর্য্য-বিভূতি অমঙ্গলৰ নিমিত্তে হোৱা, to come to possess fortune before proper time which is a sign foreboding evil.

বিনা-মেঘে বজ্রপাত—বিং. মেঘ নহলে বজ্রপাত নহয়। এই স্থলত, মেঘ নোহোৱাকৈ বজ্রপাত হয় বোলা হৈছে। বজ্র শব্দে 'দুর্যোৱ বিপদ' বুজাইছে। এতেকে,—পূর্ব্ব-জাননী নোহোৱাকৈ দুর্যোৱ বিপদ-উদয়, অকস্মাৎ মহাবিপদৰ আর্বিভাব, the occuring of a great calamity without warning.

বিপদ মাতি অনা—ক্রি, যি কার্য্যত নিশ্চিত বিপদ ঘটে তেনে কার্য্য জানি-শুনি কৰা, to invite danger.

বিবি-বাবা গোৱা—ক্রি. অস্পষ্ট ভাষা ব্যৱহাৰ কৰা, অর্থশূন্য কথা কোৱা, বিহকে-তিহকে বলকা, to talk unintelligibly, to talk nonsense.

বিয়াৰ পানী পোৱা—ক্রি, বিয়াত দৰা-কন্যাক পানী তুলি নোৱায়। প্রবাদ আছে যে, নোৱনী-পানী পালে মানুহ চিকুণ হয়। এতেকে,—দৰা-কন্যাই বিয়াৰ পাচত চিকুণ হোৱা, the attaining of bloom and vigour by a married couple after wedlock,

বিৰ দি বাট নোপোৱা—ক্রি, [ভিৰ দি বাট নোপোৱা] বহু প্রজা কোনো ঠাইত গোট খালে, তাৰ ভিতৰলৈ সোমাবলৈ বাট পোৱা নাযায়। এই স্থলত কোৱা হৈছে, যে গাৰ ভিৰ দি অর্থাৎ গাৰ হেঁচা দি ঠেলিও বাট পোৱা নাযায়। এতেকে,—বহু প্রজাৰ সমাগম হোৱা, the collecting of a dense crowd.

বিবিণা তল - বিং. বছবব আবম্ভতে মানুহে দৈবজ্ঞক সেই বছব পানী কিমান হব বুলি সোধে। দৈবজ্ঞই উত্তব দিয়ে "বিবিণা তল"। পানী বেচি হলে, বিবিণা পানীও অদৃশ্য হয়। তেতিয়া দৈবজ্ঞই কয় "মই আগেয়ে কৈছিলোঁ বিবিণা তল হব।" পানী কম হলে বিবিণা পানীব ওপবলৈ ওলাই থাকে। তেতিয়া দৈবজ্ঞই কয় "মই আগেয়ে কৈছিলো বিবিণাব তল হব"। এতেকে,—দ্ব্যর্থবোধক কথা, an ambiguous statement.

বিল লোৱা—ক্রি, বিল ললে সদাই অলপ-অচবপ মাছ পাই থকিব পাবি। বিল নলৈ সবহ মাছ ললেও সেই একেলি মাখোন মাছ পোৱা হয়। এতেকে,— খন্তেকীয়া বেচি লাভলৈ নাচাই বাব-মহীয়া অলপীয়া লাভলৈ চেৱা, to prefer small but constant gains to large gains obtained only once.

বিশুধি হোৱা—ক্রি. (বিশুধি = অশুচি।) ঋতুমতী হোৱা, to be affected with femal menstrual discharge.

বিষ-দাঁত ভগা—ক্রি, সাপব বিষ দাঁত ভাগিলে সি একো অপকাব কবিব নোৱাবে। এতেকে,— অপকাব কবিবলৈ শক্তিবহিত হোৱা, ক্ষমতাহীন হোৱা, to become powerless for mischief.

বিষম দৈবব গতি—বিং, দৈব সমভাবে নাবায় অর্থাৎ কেতিয়াবা সবলভাবে যায় আৰু কেতিয়াবা বেঁকা-বেঁকি হৈ যায়। এতেকে,—ভাগ্যব চঞ্চলতা vicissitudes of fortune.

বিহ খোৱা—ক্রি বিহ খোৱাব তুল্য বিপদ উপস্থিত হোৱা, ঘোব বিপজ্জনক কার্য্যত হাত দিয়া, to run a great risk.

বিহ-জলকীয়া—বিং, বিহ-জলকীয়াব জাল অতি উগ্র। এতেকে,—অতি উগ্র মানুহ, an exceedingly spirited person.

বিহুৱা ডেকা—বিং, বিহুব সময়ত ডেকা মানুহে বিহু-নাচ পাতে। এতেকে,— ধেমেলীয়া চফল ডেকা, a jovial young man.

বিহুবে-সংক্রান্তিয়ে—ক্রি-বিণ, সংক্রান্তি মাহেকত এদিন হয়। বিহু বছেবেকত তিনি দিন হয়। এতেকে,—কেতিয়াবা, occasionally.

বীণ-ববাগী—বিং, বীণ বাই ফুবা ববাগী, মগনীয়া, a mendicant, a beggar.

বুকু জুৰোৱা—ক্রি, মাকে লৰা বুকুত সাৱটি ধৰি থাকিলে বুকু জুৰ হয়। এতেকে,—লগত থাকি মনত শান্তি দিয়া, to give the pleasure of fellowship or association.

বুকু ফিন্দাই যোৱা—ক্রি, অহঙ্কাৰী মানুহে বুকু ফিন্দাই খোজ কাঢ়ে। এতেকে—অহঙ্কাৰীভাবে চলা, to walk haughtily.

বুকু লৰা—বিণ, (লৰা=কঁপা।) ভয়াতুৰ মানুহৰ বুকু কঁপে। এতেকে,—ভয়াতুৰ, pusillanimous, chicken-hearted.

বুকুত কামোৰ মৰা—ক্রি, বুকুত অর্থাৎ মর্ম্মস্থানত কামুৰিলে মানুহৰ জীৱনৰ আশঙ্কা হয়। এতেকে,—সাংঘাতিক অপকাৰ কৰা, to do a fatal injury

বুকুত কুঠাৰ দিলে 'ক' নোলোৱা—বিণ, বুকুত কুঠাৰ পাতি যদি কোৱা হয় 'তই 'ক' বোল, নহলে এই কুঠাৰেৰে তোৰ বুকু চিৰিম," তেনেহলেও তাৰ মুখৰপৰা 'ক' আখৰ উচ্চাৰণ নহয়। এতেকে,—মহামূর্খ, extremely dull of perception or understanding.

বুকুৰ বান্ধৈ—বিং, (বান্ধৈ=বান্ধৱ।) অতি মৰমৰ বন্ধু, a bosom friend.

বুকুৰ শাল উজলা—ক্রি, বুকুত শাল মাৰিলে, তাৰ যন্ত্রনা সুগুচে। ডাঙৰ সন্তাপ হলেও বুহুৱপৰা সুগুচে। সন্তাপক শালেৰে তুলনা কৰা হৈছে। এতেকে,—বহুকাল-ব্যাপী সন্তাপ হৰণ কৰা, to eradicate a source of continued deep anxiety.

বুকুৰে ধান বনা—ক্রি, ধান বানোতে ঢেঁকিয়ে ধুপ্-ধুপায়। ভাৱৰ উদ্বেগ হলে বুকুৰে ধুপ্-ধুপায়। এতেকে,—শোক, খিয়াল আদি ভাৱৰ উদ্বেগত বুকুৰে ধুপ্-ধুপোৱা, to be deeply swayed by feelings of grief, jealousy etc.

বুকুৰে ধিপ্-ধিপোৱা—ক্রি, ৰবকৈ ভয় পালে বুকুৰে ধিপ্-ধিপায়। এতেকে,—ৰবকৈ ভয় পোৱা, to be afraid too much.

বুটি কোৱত ধৰা—ক্রি, দুখীয়া মানুহৰ হাল গৰু নাথাকে; কোৱেৰে মাটি চহায়। এই স্থলত ইমান দুখীয়া বোলা হৈছে, যে তাৰ কোৱখনো বুটী। এতেকে,—অতি দুখীয়া ব্যৱসায় লোৱা, to lead a

humble life.

বুঢ়া ডাঙ্গৰীয়া—বি, 'বুঢ়া ডঙ্গৰীয়া' এবিধ দেও। এই দেও বৰ গংভীন আৰু মানী। এতেকে,—গংভীন আৰু মানী মানুহ, a sober and respectable person.

বুঢ়া শালিকাই মাত লব নোৱাৰে—ক্রি, শালিকাই পোৱালি হৈ থাকোঁতে হে মানুহৰ মাত শিকিব পাৰে। বুঢ়া শালিকাই মাত লব নোৱাৰে। এতেকে,—বয়স বেচি হলে নতুন কথা শিকিবলৈ অক্ষম হোৱা, to be too far advanced in life to be able to learn a new thing.

বুঢ়াৰ কথা শুণুনি খালত পৰি কেঁকোৱা—ক্রি, (উপকথা) কোনো ডেকাই বুঢ়াৰ হাক শুণুনি গৈ খালত পৰিল গৈ। পাচত বুঢ়াক দেখি খালৰপৰা তুলিবলৈ বুঢ়াক কেঁকাই কেঁকাই অনুৰোধ কৰিলে। বুঢ়াই তেতিয়া উত্তৰ দিলে:—"বুঢ়াৰ কথা শুণুন ডেকা, খালত পৰি কিয় কেঁকা।" এতেকে,—জনা-বুজা মানুহৰ কথা শুণুনি বিপদগ্রস্ত হোৱা, to be involved in danger by disregarding the warning of competent advisers.

বুঢ়াৰ হাতত চেঙ্গেলি—বিং, চেঙ্গেলি মাছ পিছল বাবে তাক হাতেৰে ধৰি ৰখা টান। বুঢ়া মানুহৰ হাত খহটা-খহটি। বুঢ়াৰ হাতত চেঙ্গেলি পৰিলে সি এবাই যাব নোৱাৰে। এতেকে,—প্রবীণ কার্য্য-কুশল মানুহৰ হাতত ধূর্ত্ত মানুহ, a cunning person under the control of a veteran who cannot be hoodwinked.

বুঢ়ী ঘৈণী—বিং, দ্বিতীয় ঘৈণীৰ বয়স কম আৰু তাই কাম-বন কৰি ফুৰে। প্রথম ঘৈণী তেতিয়া বুঢ়ী হয় আৰু তাই বহি থাকি দ্বিতিয় ঘৈণীক হুকুমেৰে চলায়। এতেকে,—মুখেৰে দিহা দিয়া আৰু নিজে কাম-বন নকৰা মাইকী মানুহ, a woman who does no work herself but superintends the work done by others in a household.

বুদ্ধি থকা ৰৱা-ধান নথকা—ক্রি, ৰৱা-ধানেৰে সান্দহ পিঠা আদি জলপান কৰা হয়। এইবিলাক জলপান কৰিবলৈ বুদ্ধি লাগে। যদি ৰৱা-ধান যুগুত নাথাকে, তেনেহলে জলপান প্রস্তুত কৰিবৰ নিয়ম-প্রণালী জনাৰ

আবশ্যকতা নাই। এতেকে,—সঁজুলি নাথাকিলে জানব আবশ্যকতা নথকা, the coming of knowledge to no purpose if there be no material to work upon.

বুদ্ধিব ফোঁপ চুঙা—বি., (ফোঁপ-চুঙা=কোঁপাল অর্থাৎ গাঁথি নোথোৱা চুঙা।) কোঁপাল চুঙাত পাখীৰ বা পানী নৰয়, ওলাই যায়। এতেকে,—বুদ্ধি-পাত্রত বুদ্ধি নোথোৱা মানুহ, মূর্খ মানুহ, a stupid person.

বুৰ-বাবা কৰা—ক্রি, বৰলোকৰ কলঙ্ক উলিয়াবলৈ কোনোবে সাহ নকৰে। তেনে স্থলত প্রথমতে ইটোৱে সিটোৱে 'বুৰ-বাবা' অর্থাৎ অস্পষ্টভাবে কোৱা-কুই কৰে। এতেকে,—কথা-কণিকৈ কলঙ্ক প্রচাব কৰা, to spread a scandal by secret insinuations.

বুৰু বুলি বোপাই বোলা—ক্রি, মাত যুটিবলৈ ধৰোঁতে লবাই প্রথমে 'বু' 'বু' কৰে। তাৰ পাচত হে 'বোপাই' শব্দ উচ্চাৰণ কৰিব পাৰে। এতেকে,—কোনো কাম ক্রমশঃ অভ্যাসৰ দ্বাৰা সিদ্ধি কৰা, to be able to do anything by learning it from the beginning by slow degrees.

বুৰে পতি সেলুক নোপোৱা—ক্রি, পানীত সেলুক থাকে। বুৰ মাৰি পানীৰ তলৰপৰা সেলুক অনা হয়। কিন্তু প্রতি বুৰতে সেলুক পোৱা নাযায়। এতেকে,—প্রত্যেক চেষ্টাতে লাভ নোপোৱা, not to expect success at every attempt.

বুলিব জানিলে মজিয়াত দেৱ পৰৰ বাট হোৱা—ক্রি, খোজ কাঢ়িব জানিলে মজিয়ালৈ ভাত থাবলৈ যাওঁতেই দেৱ পৰ অর্থাৎ বহু সময় নিয়াৰ পাৰি। নতুনকৈ বিয়া কৰি অনা ছোৱালীয়ে মজিয়ালৈ যাওঁতে ইমান লাহে লাহে যায়, যে মজিয়ালৈ যাওঁতেই বহু সময় লাগে। সেই কথাৰপৰা এই বাক্যৰ উৎপত্তি হৈছে। এতেকে,—কোনো কার্য্যৰ নিয়ম-প্রণালী জানিলে বেয়া হলেও তাক ভাল বুজাব পাৰি, to be able to show a work in bright colours although it is bad in itself provided one knows how to do it in the proper way.

বৃহস্পতি পোন হোৱা,—ক্রি, (জ্যোতিষীয়া প্রয়োগ) বৃহস্পতি সম্মুখীন হলে

সৌভাগ্য বুজায়। এতেকে,—ভাগ্যোদয় হোৱা, the rising of fortune.

বেঙ্গে ওঁঠাৰখন পাম কৰা—ক্রি, বেঙ্গৰ ঘাই ঘৰ ওঠাইত আছে, কিন্তু তাৰ পাম ওঁঠাৰ ঠাইত আছে বোলা হৈছে। দুখীয়া মানুহক বেঙ্গেৰে তুলনা কৰা হৈছে। যি মানুহৰ ঘাই ঘৰ চলাবৰ শক্তি নাই, সেই মানুহে ওঁঠাৰখন ঠাইত ওঁঠাৰখন পাম পাতে, এই ভাব বুজোৱা হৈছে। এতেকে,—দুখীয়া মানুহে বহুল কাৰবাৰ কৰা, to engage in an extensive business although a poor man.

বেঙ্গো ওলোৱা সাপেও দেখা—ক্রি, বেঙ্গেও সাপ আছে বুলি নাজানে আৰু সাপেও বেঙ্গ ওলাৰ বুলি গম নাপায়। কিন্তু যি সময়তে বেঙ্গ ওলায়, ঠিক সেই সময়তে সাপে তাক দেখা পায়। এতেকে,—দৈববশতঃ শত্রুৰে দেখাদেখি হোৱা, to meet an enemy accidentally.

বেঙ্গেনা গছত হাঁকুটি লগোৱা—বিণ, বেঙ্গেনা গছ নিচেই সৰু। বেঙ্গেনা হাতেৰে ছিঙ্গি অনা হয়। এই স্থলত, মানুহটো হেমান একণিমান বোলা হৈছে, যে সি হাঁকুটি লগাই হে বেঙ্গেনা পাবিব পাৰে। এতেকে,—নিচেই কঁটিয়া, pygmean, dwarfish.

বেজী সিওঁ সিওঁ কৰা—ক্রি, (লৰা-ধেমালি) এটা লৰাই "বেজী সিওঁ সিওঁ" বোলে, আন এটাই "নিসিবা নিসিবা" বোলে। বেজী লৈ কাপোৰ সিবলৈ বিচাৰি ফুৰে বোলা হৈছে। এতেকে,—সকলো কাৰ্য্যতে আগুৱান হৈ ফুৰা, to push on, to press forward.

বেজীৰ আগেৰে খোৱা—ক্রি, বেজীৰ আগেৰে এটা এটা কৰি কোনো বস্তু খুচি খালে নিচেই তাকৰকৈ খাব পৰা যায়। এতেকে,—নিচেই তাকৰকৈ খোৱা, to eat too little.

বেজীৰ জলা মনা, কুঠাৰৰ জলা নমনা—ক্রি, বেজীৰ জলা একণিমান, কুঠাৰৰ জলা ডাঙৰ। ডাঙৰ জলা তৎক্ষণাৎ মনিব পৰা যায়, কিন্তু একণিমান জলা মনিবলৈ টান। এই স্থলত ওলোটাই কোৱা হৈছে, যে একণিমান জলা মনিব পাৰে, কিন্তু ডাঙৰ জলা মনিব নোৱাৰে। এতেকে,—সৰু কথালৈ গম কৰা কিন্তু ডাঙৰ কথালৈও গম নকৰা, to take into account trifling details disregarding even important broad facts.

বেটীর খং বাঢ়নীত সর।—গিরিহঁতর খং হলে বেটীর কীলায়। বেটীর খং হলে তাই গিরিহঁতক কীলায় নোয়ারে যারে বাঢ়নী তাঁরর দোষ ধরি তাকে ঠেকেচ্-নেকেচ্ করে। গিরিহঁতলৈ যি খং হয়, সেই খং গিরিহঁতত সাবির নোয়ারি বাঢ়নীত সারে। এতেকে,—পরাক্রমী মানুহর প্রতি ওপজা খং বল-শক্তিহীন মানুহর ওপরত সরা, to take revenge on a weak innocent person for an offence done by a person who is too powerful.

বেটীর গোন্ধ-তেল—বিং, তিরোতার গোন্ধ-তেল পুরুষর মনোরঞ্জনর নিমিত্তে। কিন্তু বেটীর গোন্ধ-তেলর আৱশ্যকতা নাই, কিনো বেটী অস্পৃশ্য ঘৃণীত মানুহর শ্রেণীভুক্ত। এতেকে,—ঘৃণীত মানুহর লাহ-বিলাহ, coquetry of a hateful girl.

বেটীয়ে গোন্ধ-তেল পোৱা—ক্রি, বেটী ঘৃণীত শ্রেণীর মানুহ। তাই গোন্ধ-তেল ঘঁহিলে সাধারণর দৃষ্টি আকর্ষণ করিব নোৱারে। এতেকে,—স্বভাৱতে যি মানুহ ঘৃণীত সেহ মানুহে কৃত্রিম উপায়েৰে সুন্দর হবলৈ যত্ন করা, to attempt to beautify a person which is naturally ugly.

বেতনীত ঐ পরিলে বাসুদেৱায় নমঃ বোলা—ক্রি, ঐ-টেঙ্গা সকরাই দিলে যদি বেতনীত পরে, তেনেহলে তাক আনিব পরা নাযায়। তেতিয়া সেই টেঙ্গা "বাসুদেৱায় নমঃ" বুলি ঈশ্বরর চরণত অর্পণ করা হয়। এতেকে,—কোনো কার্য্য করিব নোৱারিলে ইচ্ছাপূর্ব্বক মহৎ উদ্দেশ্যেৰে সেই কার্য্য করিবলৈ এরি দিয়া বোলা, to fail to do a thing and then attribute the failure not to incapacity but to concession inspired by the noblest motive.

বেদর বাণী—বিং হিন্দুমতে বেদ অভ্রান্ত। এতেকে,—অভ্রান্তসত্য, Gospel truth.

বেন্দা বন—বিং, [বান্দা বন] বন্দীয়ে করা বন, জঘন্য কাম, drudgery, hard work in servile occupation, ignoble toil.

বেল পরিমানে—ক্রি-বিণ, বেল ডাঙর ফল। এতেকে,—ডাঙর পরিমাণে, অধিকৈ, in large measure, greatly.

বেলার বেলি—বিং, (বেলা = পুৱা, দুপরীয়া আদি। বেলি = সময়।) যথোপ-

যুক্ত সময়, proper time

বেলিয়ে আঁটে মানে কাঁচিয়ে কাটে মানে—ক্রি-বিণ, যেতিয়ালৈকে বেলি মাৰ নাযায় আৰু যেতিয়ালৈকে কাঁচিৰ চোক নাইকিয়া নহয়, তেতিয়ালৈকে দাৱনীয়ে পথাৰত ধান দাই থাকে। এতেকে,—সাধ্যমতে, with utmost power.

বেশ্যা তিৰীৰ একাদশী—বিং, একাদশী তিথিত উপবাস কৰিলে পুণ্য হয়। কিন্তু যি তিৰোতাই বেশ্যাবৃত্তি কৰে তাইৰ উপবাস নিষ্ফল। পাপবৃত্তি মানুহৰ পক্ষে শাস্ত্র বিহিত নিয়ম-পালন নিষ্ফল, এই ভাব বুজোৱা হৈছে। এতেকে,—স্বভাৱতে নিষ্ফল কার্য্য, anything which is naturally fruitless.

বৈকুণ্ঠতো ফাঁপৰে খোৱা থকা—ক্রি, 'ফাঁপৰে খোৱা' এবিধ ছালৰ ৰোগ। এই ৰোগত মাখি-ছাল ছিগি মানুহটো ফঁপৰীয়া হৈ দেখিবলৈ কুৎসিৎ হয়। পৰিষ্কাৰ পৰিচ্ছন্ন হৈ নাথাকিলে এই ৰোগৰ উৎপত্তি হয়। বৈকুণ্ঠত স্বয়ং পৰমেশ্বৰ থাকে। তাত অনাচাৰী থাকিব নোৱাৰে। এই স্থূলত কোৱা হৈছে, যে বৈকুণ্ঠতো ফাঁপৰে খোৱা আছে। এতেকে,—পবিত্র স্থানতো অপবিত্র মানুহ থকা, to reside in a holy place although a wicked man.

বৈকুণ্ঠৰ বোন্দা—বিং, বোন্দাই মানুহৰ মাছ চুৰ কৰে। যি মানুহে অন্যায় আচৰণ কৰে, তাক বোন্দাৰে তুলনা কৰা হৈছে। বৈকুণ্ঠৰ নিচিনা পবিত্র ঠাইতো যি অন্যায় আচৰণ কৰে, সি অৱশ্যে দুর্ঘোৰ অপৰাধী। এতেকে,—দুর্ঘোৰ অপৰাধী, a hopelessly fallen person, a sinful person who is irretrievally lost.

বৈচৰ গৰু—বিং, [বৈ চহৰ গৰু] হাল বৈ চহ কৰা গৰু, যাৰ দ্বাৰা খেতি কৰা হৈছে তেনে গৰু। তাৰপৰা,—সংসাৰ-ক্লিষ্ট মানুহ, বিষয়-জর্জ্জৰিত মানুহ, a mature bullock used in the plough; hence, a worldling, a toiler.

বৈতৰণী পাৰ হোৱা—ক্রি, পৰলোকলৈ যাওঁতে বৈতৰণী নৈ পাৰ হৈ যাব লাগে। এই নৈৰ সোঁত অতি কোৱাল বাবে ইয়াত পাৰ হোৱা কঠিন কার্য্য। এতেকে,—কোনো টান কার্য্য সিদ্ধ কৰা, to accomplish a difficult undertaking.

বোন্দা চব—বিং, দুটা বোন্দা মেকুৰীয়ে মুঁজ লগিয়ে ইটোয়ে সিটোয়ে টানকৈ চবিয়চবি কবে। এজেকে,—চাঁৰ চব, a severe slap on the face.

বোন্দা চেঁকেচা দিয়া—ক্রি, বোন্দা মেকুৰীয়ে মাছ চুব কবিলে, খিবিহঁতে ধবি তাব মুখখন মাটিত খেচেচে, অর্থাৎ যিখন মুখেবে সি মাছ খাইছিল, সেই-খন মুখক শাস্তি দিয়ে। এজেকে,—উপযুক্ত দণ্ড দিয়া, to punish a person severely according to his desert.

বোন্দা পব দিয়া—ক্রি, বোন্দা মেকুৰীয়ে নিগনি ধবিবলৈ পব দিয়ে, অর্থাৎ পবেক বেলি বৈ থাকে। এজেকে,—বহু কাল বৈ থকা, to wait too long.

বোপা-ককা দিনব সঙ্গ—বিং, (বোপা-ককা=বোপাই-ককা।) পূর্ব্ব-কালবপবা প্রচলিত বীতি। ('সঙ্গ' শব্দ 'সহজ' শব্দব সঙ্কোচন। সহজ= শবীবব 'সহ' জাত অর্থাৎ জন্মগত। এই শব্দে 'অভ্যাস' 'বীতি' ইত্যাদি অর্থ বুজায়।), ancestral custom.

বোপা-ককাব বীতি—বিং, বোপাই আক ককাব বীতি, অর্থাৎ পুৰষানুক্রমিক চলিত বীতি, an ancestral custom.

বোলা বচন নেবা—ক্রি, এদিন যি বচন বোলা হয় তাক প্রত্যাহাব নকবা, not to withdraw a word once spoken.

বৌযে পতা ববা—বিং, আহোম বজাব দিনত কবিটা পাইকব ওপবত ববা ধিবয়া আছিল। কোনো ড'ঙ্গব বাঙ্গ-ধিবয়াই হে ববা পাতিব পাবিছিল। এই স্থলত কোৱা হৈছে, যে নিজব বৌযেকে ববা পাতিছে। এজেকে,—আন মানুহে নমনা নিজে ডাঙৰ বুলি কুবা মানুহ, a self-styled leader.

বংশত পদ্মফুল ফুলা—ক্রি, পদ্মফুল ফুলিলে গোটেই সবোবব উজ্জ্বল হয়। কোনো বংশত মাহাত্মা পুৰুষব আবির্ভাব হলে, সেইবংশব গোটেই বংশ উজ্জ্বল হয়। এজেকে,—বংশত মহাত্মা পুৰুষ আবির্ভূত হোৱা, the flourishing of a great person in a family.

বাংবাং বিংবিং কবা—ক্রি, ["বিবি ববা গোবা" চোৱাঁ।]

বাধিং কথা কোৱা—ক্রি, অর্থশূন্য কথা কোৱা, বকবকা, to talk incoherently, to rave.

বাং বুটলি ফুৰা—ক্রি, [বাংকৰা বুটলি ফুৰা] যলৈ তলৈ গৈ বাংকৰা কথা শুনি ফুৰা, ঘৰে ঘৰে গৈ মিছা গল্প পাতি ফুৰা, অযাবত কাল হৰণ কৰা, to spend time in useless gossipings.

বিংবিং বাংবাং কৰা—ক্রি, ["বিষি-বাষা গোৱা" চোৱাঁ।]

ব্রহ্ম-আকাল—বিং, দেৱতা সকলৰ ভিতৰত ব্রহ্মা ডাঙৰ। এতেকে,— ডাঙৰ আকাল, a great famine.

ব্রহ্মাস্ত্র মৰা—ক্রি, ব্রহ্মাই দান কৰা তেজোময় অস্ত্র নিক্ষেপ কৰে বোলা হৈছে। ব্রহ্মাস্ত্র নিষ্ফল নহয়। যাৰ প্রতি এই অস্ত্র সন্ধান কৰা হয়, সেই শত্রুৰ পতন অনিবার্য্য। এতেকে,—শত্রুৰ প্রতি মাৰঘাত আচৰণ কৰা, to do a fatal injury to an enemy.

ভ।

ভেঁটি উছন হোৱা—ক্রি, গোটেই পৰিয়াল মৰি-হাজি অন্ত পৰি স্থানান্তৰ হোৱা, to suffer wholesale bereavements and then to leave the ancestral home.

ভেঁটিত তিতালাও গজা—ক্রি, এৰা ভেঁটিত গহৰা লাও-গছ গজে। তেনেকুৱা গছৰ লাও তিতা হয়। ["ভেঁটি উছন হোৱা" চোৱাঁ।]

ভেঁটিত হুদু পৰা—ক্রি, এৰা ভেটিৰ গছত হুদু পৰে। মানুহ থকা বাৰীত হুদু নপৰে। ["ভেঁটি উছন হোৱা" চোৱাঁ।]

ভকত নাভাগি দায় ভগা—ক্রি, 'ভগা' ক্রিয়াৰ খেল বুজোৱা হৈছে। প্রথম 'ভগা'=লগ এৰা। দ্বিতীয় 'ভগা'=ক্ষালন হোৱা। ভকতে দায় লগালে গোঁসাঁয়ে দায় ভাগি শুদ্ধ কৰি তাক পুণৰ গ্রহণ কৰে, সি গোঁসাইক এৰি নিদিয়ে। এতেকে,—জগৰ লাগিল স্থানান্তৰিত নহৈ উপযুক্ত দণ্ড দি পূৰ্ব্বাবস্থা পোৱা, to receive punishment for

an offence and be taken back into society instead of refusing to receive punishment and renouncing the society.

ভগা সবাহত যাগ দিয়া—ক্রি, সবাহ ভগাব পিচত যাগ দিয়া অর্থাৎ মৃত ধৰি কীর্ত্তন কৰা নিষ্প্রয়োজন। এতেকে,—সময় অতীত হৈ যোৱাৰ পিচত কোনো কাৰ্য্য কৰিবলৈ ধৰা, আলস-বিলমকৈ কাৰ্য্য কৰা, to do a thing at the eleventh hour.

ভতৰা—বিং, নবন্ধোৱা গৰুক ভতৰা বোলা যায়। বলী আৰু দুষ্ট মানুহক ভতৰা গৰুৰে তুলনা কৰা হৈছে। এতেকে,—বলী আৰু দুষ্ট মানুহ, a naughty young fellow.

ভতৰাৰ যুঁজ—বিং, দুটা ভতৰা গৰুৰ যুঁজ ডাঙৰ হয়। বলী মানুহক ভতৰাৰে তুলনা কৰা হৈছে। এতেকে,—ডাঙৰ যুঁজ, an obstinate duel.

ভদীয়া লৰা—বিং, ধান-খেতি আহাৰ আৰু শাওণ মাহত কৰা হয়। ভাদত কৰা খেতি ভাল নহয়। এতেকে,—বুঢ়া-কালত ওপজা লৰা, দুৰ্ব্বল মগজুৰ মুমলীয়া লৰা, a child born to a father in his old age, the youngest child who is found to possess a weak intellect.

ভমকৰ তালি—বিং, (ভমক=খঙৰ ভমক। তালি=তাল বজোৱা শব্দ।) খঙৰ প্ৰকোপ, a sudden outburst of anger.

ভয়ত অত্ৰাহি—বিণ, [ভয়ত অৱত্ৰাহি] ভয় পালে 'হে ঈশ্বৰ পৰিত্ৰাণ কৰা' এই বুলি প্ৰাৰ্থনা জনোৱা হয়। এতেকে,—ভয়ত বিহ্বল, terror-stricken, appalled.

ভয়ত বনৰ বাঘ কঁপা—ক্রি, ইমান ভয় কৰে বোলা হৈছে, যে মানুহ যে কঁপেই, বনৰ বাঘ পৰ্য্যন্ত কঁপে। বাঘৰ ভয়ত মানুহ কঁপে। এই স্থলত সেই ভাব ওলোটাই, মানুহৰ ভয়ত বাঘ কঁপে বোলা হৈছে। এতেকে,—অতিবিক্ত ভয় পোৱা, to be terribly afraid of.

ভয়ত ভগৱন্ত পলোৱা—ক্রি, শ্রীকৃষ্ণে লৰাকালত যশোদাক কেতিয়াবা আমনি কৰিছিল। যশোদাই কোবাব খুজিলে শ্রীকৃষ্ণে ভয়ত পলাই ফুৰে। পৰিণত বয়সতো শ্রীকৃষ্ণে জৰাসন্ধৰ ভয়ত বহুবাৰ পলাই গৈছিল। হিন্দুমতে শ্রীকৃষ্ণ স্বয়ং ভগৱন্ত আছিল। এতেকে,—ডাঙৰ হলেও

ভয়ব অধীন হোৱা, to be moved by fear however great one may be.

ভবি চেলেকা—ক্রি, ভবিত ধবি প্রণাম কবা হয়। এই স্থলত ইমানকৈ খোচা-মোদ কবে বোলা হৈছে, যে হাতেবে নধবি মুখেবে চেলেকে। এতেকে,—নীচালি খোচামোদ কবা, অযথাভাবে বশ্যতা স্বীকাব কবা, to flatter servilely, to submit meanly.

ভবি দঙ্গা—ক্রি, লথিয়াওতে ভবি দঙ্গা যায়। এতেকে,—লথিয়াবলৈ উদ্যোগ কবা, to attempt to kick

ভবি মচুবাই থকা—ক্রি, কাম-কাজ নোহোৱা মানুহে ভবি জোকাবি থাকে। এতেকে,—ধেমালিত কাল নিওৱা, to waste time in idleness.

ভবি মাবি যোৱা—ক্রি, (মাবি=মাব নিয়াই। ভবি=ভবিব মাত।) নিশব্দে যোৱা, চোবাংচৈ যোৱা, to walk stealthily.

ভবি-হাত ধোৱা—ক্রি, শৌচলৈ গলে ভবি-হাত ধোৱা হয়। এতেকে,—শৌচা-চাব কবা, to evacuate the bowels.

ভবিত তেল ঘঁগা—ক্রি, ববলোকব ভবিত গোলামে তেল ঘঁহি দিয়ে। এতেকে,—নীচ ভাবে খোচামোদ কবা, to flatter meanly, to cringe.

ভবিত তেল টেঙা ঘঁহা—ক্রি, ভবি চিকুণ কবিবব নিমিত্তে তেল আৰু টেঙা ঘঁহা হয়। এতেকে,—পবিষ্কাব পবিচ্ছন্ন হোৱা, to be neat and tidy.

ভবিত ধবা—ক্রি, ভবিত ধবি প্রণাম জনোৱা হয়। এতেকে,—সম্পূর্ণ বশ্যতা স্বীকাব কবা, সমূলি সেও হোৱা, to own complete allegiance, to submit unconditionally.

ভবিব আঙ্গুলীবে টিপা মাবি বোৱা—ক্রি, হাতব আঙ্গুলী নলগোৱাকৈ ভবিব আঙ্গুলীবে টিপা মাবি পুলি কব পবা যায়। সেইবিলাক নিচেই ইতব শ্রেণীব পুলি আৰু তাক যেনে তেনে প্রকাবেবে গোন্ধা মাবি থলেই জীয়ে। সেইদবে ববলোকে কায়-ক্লেশ নকবাকৈ অনায়াসে ইতব মানুহক জীবিকা দিব পাবে। এতেকে,—এফেবি মাথোন মন-কাণ কবি কোনো এটা জীবিকাব উপায় দিয়া, to provide a person with a means of livelihood by only a very

slight effort

ভবিব ধূলি—বিং, মানুহব সকলো অঙ্গব ভিতবত ভবি নীচ। ভবিব ভিতবত তলুৱা নীচ। পদার্থব ভিতবত ধূলি নীচ। তেনেকুৱা ভবি তলুৱাত লাগি থকা তেনেকুৱা ধূলি, এই ভাব বুজোৱা হৈছে। নগণ্য মানুহেবে সৈতে ভবিব ধূলিক তুলনা কবা হৈছে। এতেকে,—নগণ্য মানুহ, an insignificant person.

ভবিবে বোৱা—ক্রি, ['ভবিব আঙুলীবে টিপা মাবি বোৱা' চোৱাঁ।

ভলুকা গজালি—বিং, ভলুকাব গজালি দপ্‌দপ্‌কবে ওপবলৈ বাঢ়ি যায়। এতেকে,—দোপত দোপে বাঢ়ি যোৱা মানুহ, a promising man.

ভাই-মোহা ধন—বিং, ভায়েকক লুটি পোৱা ধন। (মোহা, এই ক্রিয়া সংস্কৃত 'মুষ্' ধাতুবপৰা ওলাইছে। মুষ্—লুণ্ঠন কবা, যেনে মুষিক।), money obtained by defrauding one's own brother.

ভাঙ্গি আনি ছিঙ্গি খোৱা—ক্রি, কোনো বস্তু ভাঙ্গি আনি খাব পবাকৈ সক কবি ছিঙ্গি খোৱা, ধাঁচ-মুহি খোৱা, to live wastefully.

ভাত-কাপোবীয়া চাকব—বিং, কাম কবা বাবে গিবিহঁতবপৰা খাবলৈ আৰু পিন্ধিবলৈ পায় কিন্তু দবমহা নাপায় এনে চাকব, a servant who gets only food and clothing but no wages for his labour.

ভাত খাবলৈ দিলে আঙুলী খাবলৈ দিব নোৱাৰা—ক্রি, হাতেবে ভাত খুৱাই দিওঁতে গবাহব লগত আঙুলীব আগো খাওঁতাব মুখব ভিতবলৈ সোমায়। কিন্তু খাওঁতাক ভাত খাবলৈ হে অধিকাব দিয়া হয়, লগতে আঙুলী খাবলৈ তেওঁ অধিকাব নাপায়। (ভাত=জীবিকাব প্রধান উপায়।) এতেকে,—জীবিকাব প্রধান উপায় কবি দিয়াব নিমিত্তে সেই মানুহক সেই জীবিকাবে সৈতে পোনে পোনে সম্পর্ক নথকা অন্যান্য বহুমূলীয়া অধিকাব দিবলৈ অক্ষম হোৱা, not to be able to grant all demands not directly connected with a certain demand which has been granted.

ভাত খোৱা জ্বব—বিং, কুঁহকুঁহীয়া জ্বব তেতে ভাত খালে ভাল হয়। এতেকে,—কুঁহকুঁহীয়া জ্বব, a very slight fever.

ভাত-ঘব—বিং, [ভাত খোৱা ঘব] যাব ঘবত যেতিয়াই তেতিয়াই ভাত খোৱা

যাঃ সেই মানুহৰ ঘৰ, সততে অহা যোৱা কৰা মানুহৰ ঘৰ, অতি মিত্ৰ লোকৰ ঘৰ, a favourite place of resort.

ভাত জাৰ—বিং, ভাত খোৱাৰ পিচৰ জাৰ, a slight sensation of chilliness due to eating a meal of boiled rice.

ভাতত পুতি খোৱা—বিণ, [ভাতত পুতি উলিয়াই খোৱা] আলু কচু আদি বস্তু ভাতৰ লগত সিজাই কাঁহীৰ কোষত পিটিকা কৰি খোৱা হয়। সেই-বিলাক বস্তু নিচেই সৰু আৰু ভাত বাঢ়ি দিওঁতে ভাতৰ মাজত পোতা থাকে। এই স্থলত কোনো মানুহ ইমান সৰু খোলা হৈছে, যে তাক ভাতত পুতি লৈ তাৰপৰা পিচত উলিয়াই খাব পৰা যায়। এতেকে,—নিচেই সৰু, একণিমান। (মৰমৰ মাত) tiny, slender (a term of endearment).

ভাতে হেঁচা মানুহ—বিং, অতিৰিক্ত ভাত খালে ভাতে মানুহক তললৈ হেঁচি ধৰে অৰ্থাৎ মানুহক বাঢ়িবলৈ নিদিয়ে। এতেকে,—অতিৰিক্ত ভাত খোৱা কঁটিয়া মানুহ। তাৰপৰা—স্থূল বিষয়ত লিপ্ত থকা অপৰিস্ফুট বুদ্ধিযুক্ত মানুহ, a person of stunted growth due to over-eating; hence, a person of undeveloped intellect due to employment in the gross affairs of the world.

ভাদ-মহীয়া কাউৰী—বিং, ভাদ মাহত কাউৰী-পোৱালি বাহৰপৰা ওলাই খাদ্যৰ নিমিত্তে কোঢ়াল কৰে। ডাঙৰ কাউৰীয়ে উমনিৰপৰা উঠি ভোকত কল-মলাই চিঞৰি ফুৰে। এতেকে,—ভাদ-মহীয়া কাউৰীৰ নিচিনাকৈ হাইউ-কমি কৰি ফুৰা মানুহ, a noisy fellow.

ভাদত কলী গৰু জগা—ক্রি, ভাদত কলী গৰু জগা অমঙ্গলীয়া ঘটনা বুলি সাধাৰণ মানুহে বিশ্বাস কৰে। এতেকে,—কোনো কাৰ্য্য অমঙ্গলীয়া-স্বৰূপ হোৱা, the happening of an inauspicious event.

ভাল যোঁজাতে ভলি যোৱা—ক্রি; (ভলি যোৱা=ভাঁজ লোৱা।) শলাগনি পাই নষ্ট হোৱা, to be ruined by over-praise.

ভাল হোৱা—ক্রি, [গৰ্ভৱতী তিৰোতা ভাল হোৱা] প্ৰসৱ হোৱা, to be delivered of a child.

ভালৰ ভাল—বিণ, [ভালৰ ভিতৰত ভাল] আটাইতকৈ ভাল, best.

ভালৰ ভাল হোৱা—ক্রি, স্বভাৱতে যি ভাল মানুহ তাৰ ভাল অর্থাৎ মঙ্গল হোৱা, the coming of good things to a good man.

ভালৰ মুৰত—ক্রি-বিণ, (মুৰ=ওপৰ।) ভাল কথাৰ ওপৰত, ভাল কথাৰ নিমিত্তে। (বিদ্রূপার্থত ব্যৱহৃত হয়), in consequence of a thing being good, suitable, appropriate (used ironically).

ভালে বেযাই—ক্রি বিণ, আধা ভাল আৰু আধা বেয়া এইভাৱে অর্থাৎ অসম্পূর্ণ-ভাৱে, imperfectly.

ভালক বুলি কোৱা—ক্রি, [ভাল হক বুলি কোৱা] ভালৰ নিমিত্তে অর্থাৎ মঙ্গলৰ অর্থে কোৱা, to speak with the best of intention.

ভালবি বোলোৱা—ক্রি, [ভ'লা কৰিলি বোলোৱা] এজন মানুহে আন এজন মানুহৰ অনুকূল হৈ কৰা কার্য্য তাক জনালে সি 'ভাল কৰিলি' বুলি শলাগ লয়। এতেকে,—কোনো মানুহক প্রিয়কথা জনাই তাৰ শলাগণি পোৱা, to gain one's praise by flattery.

ভালুকি নাচ—বিং, ভালুকে জপংজপং কৈ নাচে। এতেকে,—এলাগী নাচ, a grotesque, clumsy or odd dance.

ভালুক জ্বৰ—বিং, ভালুকৰ জ্বাৰ বেচি। সি জ্বাৰত কেতিয়াবা থৰ্‌থৰ্‌-কৈ কঁপি থাকে। তাকে মানুহে ভালুক জ্বৰ বোলে। এতেকে,—ডাঙৰ কঁপনী জ্বৰ, severe ague.

ভাৱনাৰ চো—বিং, ভাৱনাত একে জন মানুহে নানা ভাও লয়। ভাও লোৱা মানুহক 'চো' বোলে। এতেকে,—বহুবাৰ বহু প্রকাৰৰ অসংলগ্ন কার্য্য কৰা মানুহ, an actor who plays the part of different characters at different times in a dramatic performance, i. e. a person whose actions in life are inconsistent with one another.

ভাৱেৰে কলে পকা ধানে বাট দিয়া—ক্রি, (ভাৱ=চেও, ঠাচ, বা প্রণালী।) পকা ধানে বাট ললে ধান নষ্ট হয়। পকা ধানৰ মাজে কেঙিয়াও বাট পাব নোৱাৰি। এই স্থলত কোৱা হৈছে যে ভাৱেৰে কলে পকা ধানেও বাট দিয়ে। এতেকে,—ভাৱেৰে কোনো কথা জনালে টান মানুহো সৈমান হোৱা, the conceding even by a strong

man of a request made politely and in the right way.

ভিকাচন ভগা—ক্রি, [ভিক্ষাহল ভগা] যি ঠাইত ভিক্ষা মিলে সেই ঠাই ভাগিলে অর্থাৎ নাইকিয়া হলে জীবিকাব উপায় নাইকিয়া হয়। এতেকে,—জীবিকাব উপায়বহিত হোৱা, সর্ব্বনাশ হোৱা, to be deprived of means of subsistence, to be done for.

ভিতব-বিশ্বাসী—বিণ, [মনব ভিতবব বিশ্বাসী] অতি-বিশ্বাসী, confidential.

ভিবাই ধবি লবা—ক্রি, গাটো ভিব খুবাই ধবি লব দিয়া, বব বেগেবে লবা, to run very fast,

ভীমব গদা—বিং, ভীমব গদা বব শকত-ডাঙব আছিল। এতেকে,—শকত-ডাঙব টোকোন a heavy stick.

ভীমটোকা মানুহ—বিং, [ভীমটো যেন কায়া মানুহ] গাবাল মানুহ, a stout or corpulent person.

ভুকুতে কল নপকা—ক্রি, কল হাতেবে ভুকুবাই থাকিলে সি দপি দৈ পকাব নিচিনা হয়। কিন্তু সি এটা ভুকুতে নপকে। লাহে-লাহেকৈ বহু বাব ভুকুবাই থাকিলে হে সি তেনে অবস্থা পায়। এতেকে,—হঠাৎ কোনো কার্য্য সিদ্ধি নোহোৱা, the happening of an important event by slow degrees and not all at once.

ভুচুং পহু—বিং, [বীভৎস পশু] জন্তুব সদৃশ বীভৎস আকৃতিব মানুহ, বহুবালিকৈ কুবা মানুহ, a clown, a buffoon.

ভূত জাব—বিং, ভূতে পোৱা মানুহব জাব; তাবপবা—প্রকোপিত জাব, shivering due to ghostly possession; hence, extreme shivering.

ভূত লগা দি লগা—ক্রি, গাত ভূত লাগিল তাক যেনতে খেদাব পবা নাযায়। এতেকে,—নেবালেপেবাকৈ লগা, to make a persistent demand.

ভূতব ওপবত দানহ—দানহ ভূত চকৈ বলী। কোনো মানুহক ভূতে পায়, তাতে আকৌ দানহ আহি ওপবাত পবে, তেতিয়া সেই মানুহব নিস্তাবব উপায় নাথাকে। এতেকে,—বিপদব উপবি যদা বিপদ, a greater danger super-added.

ভূতে খোৱাদি খোৱা—ক্রি, ভূতে অপবিমিত খাব পাবে। এতেকে,—অপবিমিতরূপে খোৱা, to eat greedily, to swallow voraciously, to gormandise.

ভূতীয়াই পবত নাপালে ঘবত খোৱা—ক্রি, ভূতে মানুহব আকৃতি ধবি কেতিয়াবা কোনো পবিয়ালত থাকে। সেই মানুহকে ভূতীয়া বোলে। ভূতীয়াই পবব মানুহক ধবি খায়। কিন্তু যেতিয়া সি পবব মানুহ নাপায়, তেতিয়া নিজব পবিয়ালব ভিতবতে এজনক মনে মনে খায়। এতেকে,—ভূতব স্বভাব পোৱা মানুহে পবব অপকাব কবিব নোৱাবিলে নিজব ঘববে অপকাব কবা, to harm a person in one's own family devilishly if unable to harm somebody else outside the family.

ভেকুবি-তলব কথা—বিং, ভেকুবি গছ চাপব আৰু জোপোহা। তাব তলত মানুহ সোমাই থাকিলে দূববপবা তাক দেখা পোৱা নাযায়। এতেকে,—গুপ্ত কথা, a secret.

ভেকুলীব ছাল—বিং, কোনো অকামিলা বস্তু, a thing of no consequence, a trifle.

ভেকুলীব পিঠিত নোম গজা—ক্রি, জন্তুব পিঠিত নোম থাকে, কিন্তু ভেকুলীব পিঠিত নোম নাথাকে। টোকোনা মানুহক ভেকুলীবে তুলনা কবা হৈছে। এতেকে,—টোকোনা মানুহে সামান্য লাভ পোৱা, the securing of a trifling gain by a person who is naturally a pauper.

ভেকো-ককা—বিং, (উপকথা) কোনো দেশত সকলো মানুহ দুর্যোধ পাপাচাবী হল। কেবল এজন বুঢ়া মানুহ ধর্ম্মত থাকিল। তেওঁব নাম ভেকো। সকলোবে তেওঁক ভেকো-ককা বুলি সম্বোধন কবিছিল। ভেকো-ককাই মানুহবিলাকক পাপ-কার্য্য নকবিবব নিমিত্তে নানা প্রকাবেবে বাধা দিছিল। মানুহবিলাকে পাপব কার্য্যত ইমান দূব আগুৱাইছিল, যে ভেকো-ককা সিহঁতব বিশেষরূপে বিবক্তিভাজন হল। শেষত সিহঁতে ভেকো-ককাক দেশান্তবিত কবিবব নিমিত্তে সাজু হল। ভেকো ককাক সেই সিদ্ধান্ত জনোৱাত তেওঁ বাকৈলৈ যাত্রা হল, কিন্তু কালে যে তেওঁ গলেই দেশখন তলতৈ যাব।

সিহঁতে এহ কথাত তেওঁক মাথোন ইতিকিং কবিলে। তেওঁ দেশখন এবিবলৈ খোজ লওঁতেই সমস্ত দেশ টলবলকৈ কঁপিবলৈ ধবিলে। প্রজাবিলাক ভাত বিহ্বল হল। ভেকো-ককাক সেই দেশতে থাকিবলৈ কাকৌ-কোকালি কবিবলৈ ধবিলে। তেনেকুৱা পাপময় দেশত থকা উচিত বিবেচনা নকবি, ভেকো-ককাই যাবলৈ ধবিলে। তেওঁব পিঠিব পাচতে একালবপবা দেশখন ওলবলৈ বহি যাবলৈ ধবিলে। তেতিয়া ঘোব পাপাবিলাকৰ মবিল। বাকিবিলাকে "ভেকো-ককা মোকো নিয়" "ভেকো-ককা মোকো নিয়" বুলি আটাহ পাবিবলৈ ধবিলে। ভেকো-ককাহ সেহবিলাকক লগতে লৈ গৈ আন এখন ঠাইত বসতি কবিলে। সেই দেশত গৈ সকলো মানুহে ধৰ্ম্মজীবন ধাবণ কবি সুখ আৰু শান্তিবে কাল যাপন কবিলে। এতেকে,—অসংখ্য পাপীব মাজত অকলশবীয়া ধৰ্ম্মিষ্ঠ পুৰুষ, a solitary pious man among a host of sinners.

ভেকো-ভাবন,—বিং, [ভেকব ভাবনা] ভেকুলীয়ে ভাবনা পাতিলে সি দেখিবলৈ হাঁহি-উঠা হয়। এতেকে,—ধেমেলীয়া ভাবনা ; ভাবপবা,—আপচু কার্য্য, ব্যঙ্গার্থসূচক কার্য্য, a farcical play; hence, anything slovenly or ridiculous.

ভেট-গুটি লবা—বিং, ভেটব গুটি নিচেই সক। এতেকে,—নিচেই সক লবা, an infant.

ভেব-পেটী মোৱা—বিং, ভেব অর্থাৎ নাড়ী আদিবে পূর্ণ যাব পেট তেনেকুৱা মোৱা মাছ। এতেকে,—অপদার্থ মানুহ, a worthless fellow, a person of no consequence or importance.

ভো পণ্ডিত—বিং, [ভোভোৱাই কুবা পণ্ডিত] (সংস্কৃত অব্যয় 'ভো' শব্দলৈ চহু বাধি এই বাক্য গঠিত হৈছে।) শ্রেষ্ঠ পণ্ডিত, (বিদ্রূপ), an eminent scholar, (used ironically).

ভো বামুণ—বিং, [ভোভোৱাই কুবা বামুণ] (সংস্কৃত অব্যয় 'ভো' শব্দলৈ চহু বাধি এই বাক্য গঠিত হৈছে।) সদাচাৰী বামুণ, (বিদ্রূপ), a rigid Brahmin, (used ironically).

ভোক চবি যোৱা—ক্রি, [ভোকব পব চবি যোৱা] ভোকব সময় অতীত হোৱা, the passing away of the proper time of satisfy-

ing one's appetite.

ভোক-পিয়াহ হৰা—ক্ৰি, দেখিলে বা শুনিলে ভোক আৰু পিয়াহ গুচা। এতেকে,—বিতোপন, fascination.

ভোক বহা—ক্ৰি, গছৰ গুটি পকি তাৰ পাচত পৰি নিনিলে বস গোট মাৰে। সেই কথাবপৰা এই বাক্যৰ উৎপত্তি হৈছে। এতেকে,—ভোক বাঢি যৈ পিচত তাৰ প্ৰখৰ কম হোৱা, the decreasing of the sharpness of appetite for not satisfying it in due time.

ভোকত পেটৰ কেঁচু কুমটি মৰা—ক্ৰি, পেটৰ ভিতৰত পেলু থাকে। সেই পেলুকে কেঁচু কুমটি বোলা হৈছে। মানুহে যি আহাৰ খায়, পেলুৱে তাকে খাই জীয়াই থাকে। এই স্থলত কোৱা হৈছে, যে ইমান ভোকৰ প্ৰকোপ বাঢিছে যে পেটৰ পেলুবিলাকে অনাহাৰত মৰি গৈছে। এতেকে,—অতিপাত ভোক লগা, to suffer the extreme pinch of hunger.

ভোকৰ ভাত—বিং, যি সময়ত ভোক লাগে ঠিক সেই সময়তে যদি খাবলৈ ভাত দিয়া যায়, তেনেহলে সেই মানুহৰ প্ৰকৃত উপকাৰ সধা হয়। এতেকে—উপযুক্ত সময়ত পোৱা সাহায্য, প্ৰকৃত সাহায্য, timely help, real help

ভোকোহা এদুৰ—বিং, ভোকোহা অৰ্থাৎ শকত-আৱত এদুৰ আগঢ়িত আৰু ঘিণ-লগা। এতেকে,—আগঢ়িত আৰু ঘিণ-লগা মানুহ, an ugly and disgusting person.

ভোগাই নাম লৈ পানী-কাঁহুদিবে খোৱা—ক্ৰি, যি মানুহে ঐশ্বৰ্য্য ভোগ কৰে, তাৰ নাম ভোগাই। নিচেই দুখীয়া মানুহে পানী-কাঁহুদিবে ভাত খায়। এই স্থলত কোৱা হৈছে, যে কোনো মানুহৰ নামটো ভোগাই, কিন্তু সি ইমান দুখীয়া যে আজা-পাচলিৰ অভাৱত অকল পানী-কাহুদিবে ভাত খায়। এতেকে,—ডাঙৰ নাম লৈ টোকোনা ভাৱেৰে চলা, to be really a poor man though reputed to be a great man by the outside world.

ভোজ-খোৱা শিয়াল—বিং, মানুহে কষ্ট কৰি ভোজ বান্ধে, শিয়ালে মনে মনে জোপ লৈ থাকে। মানুহ অলপ আঁতৰ হোৱা গম পালেই, সুকৰ-কৈ আহি সি ভোজ খাই ওচি যায়। এতেকে,—নিজে শ্ৰম

নকৰাকৈ পৰৰ শ্ৰমৰ দ্বাৰা উপাৰ্জ্জিত ফল ভোগ কৰা টেঙৰ মানুহ, a cunning person living comfortably on the labours of other people.

ভোজনত বহি কুলৰ খাতৰি সোধা—ক্ৰি, ভোজনৰ পূৰ্ব্বে কুলৰ বিষয়ে সোধ-পোচ নকৰি, ভোজনত বহি কুলৰ কথা মনত পৰি সোধে "তোমাৰ কুল কি ?" এতেকে,—লাগতিয়াল কথাৰ বিচাৰ নকৰাকৈ কাৰ্য্য আৰম্ভ কৰি শেষত সেই কথাৰ বিচাৰ কৰা, to begin an enquiry about anything when it is too late to do it.

ভোজনহঁকৈ বচন মিঠা পোৱা:—ক্ৰি, মাত-কথা ভাল পালে খোৱা-বোৱাৰ ভাল-বেয়ালৈ মানুহে ৰবকৈ কাণ নকৰে। এতেকে,—ভাল দৰমহাতকৈ ভাল ব্যৱহাৰ শ্ৰেষ্ঠ বুলি গণ্য কৰা, to prefer good treatment to good wages.

ভোটা তৰা—বিং, ভোটা তৰা উজ্জ্বল আৰু ধুনীয়া। এতেকে,—প্ৰখ্যাত মানুহ, ধুনীয়া মানুহ, a distinguished person, a beautiful person.

ভোলানাথ পুৰুষ—বিং, ভোলানাথ মহাদেৱৰ এটা নাম। মহাদেৱ প্ৰধান ঈশ্বৰ-ভক্ত আৰু মায়াৰ অতীত। এতেকে,—অত্যন্ত সৰল স্বভাৱৰ মানুহ, a high-souled or magnanimous person.

ম।

মই মৰিলে মোৰ পো বন্ধা ছোৱা—ক্ৰি, পুতেকে বাপেকক বুঢ়াকালত সাহায্য কৰিব লাগে। তেনেকুৱা সাহায্যৰপৰা বঞ্চিত কোনো বুঢ়া মানুহক এই বুলি সান্ত্বনা দিয়া হৈছিল :— "তোমাৰ পোৱালি আগলৈ ডাঙৰ

মানুহ হব"। বাপেকে উত্তৰ দিলে "মই মৰিলে মোৰ পো বৰা হওক।" (অৰ্থাৎ মই মৰাৰ পাচত যদি মোৰ পো ডাঙৰ মানুহ নালাগে বৰাই হয়, তেন্তে হলেও মোৰ লাভ নাই, কিয়নো মই কিমে তেতিয়া কোনো সুখভোগ কৰিললৈ নাপাম।") এতেকে,—স্বয়ং ভোগ কৰিবলৈ নোপোৱা সৌভাগ্য পোৱা. to have a fortune too late for personal enjoyment.

মইনা চৰাই পঢ়ুওৱা দি পঢ়ুওৱা—ক্রি, মইনা চৰায়ে মানুহৰ মাত লয়, কিন্তু তাক বহু কষ্ট কৰি পঢ়ুৱালে হে কোনো কথা শিকিব পাৰে। এতেকে,—বহু কষ্টেৰে শিকোৱা, to teach laboriously.

মকৰা হিচাব— বিং, মকৰাই এডাল এডাল কৰি সূতা পাৰি জাল প্ৰস্তুত কৰে। এতেকে,—একৰ পৰিমাণলৈ সমাহ তাৰ গুণ ধৰি বঢ়াই নি উলিওৱা হিচাব, the Unitary Method of Arithmetic.

মঙহ গোন্ধোৱা—ক্রি, একে বংশৰ মানুহৰ ভিতৰত একে মঙহৰ সঁচ থাকে। কোনো কোনো জন্তুৰে আঁতৰত থাকিলেও মঙহৰ গোন্ধ পায়। বংশৰ মানুহ অচিনাকি হলেও, মঙহৰ গোন্ধৰ দ্বাৰা চিনি পোৱা যায় বোলা হৈছে। এতেকে,—কোনো আত্মীয় মানুহক চিনি নাপালেও আত্মীয় বুলি অনুভৱ কৰা, to suspect relationship intuitively.

মজা পোকে কামোৱা—বিণ, মজা পোকে কামুৰিলে তাৰ হিবত তত হেৰায়। এতেকে,—বিতত, ধৈর্যহীন, impatient.

মণি পিন্ধোৱা—ক্রি, বিয়াৰ বন্দবস্ত হলে দৰাৰ ঘৰৰপৰা ছোৱালীক মণি পিন্ধোৱা হয়। এতেকে,—বিয়াৰ বন্দবস্ত পকা হল যুঞ্জাবৰ নিমিত্তে ছোৱালীক মণি পিন্ধোৱা, to ratify a proposal of marriage.

মতা চিন চোৱা—ক্রি, মতা মানুহৰ চিন অৰ্থাৎ পুৰুষালি চোৱা, বীৰত্বৰ পৰীক্ষা চোৱা, to subject one's bravery to a severe test.

মথুৰা-পাগ—নিং, [মথুৰাপুৰীয়া পাগ] পূৰ্বে আসামলৈ মথুৰাপুৰৰ পৰা ভোজপুৰীয়া মানুহবিলাক সৰকৈ আহিছিল। ভোজপুৰীয়া-বিলাকে মুৰত ডাঙৰ পাগ বান্ধে। এতেকে,—ডাঙৰ পাগ, a big turban.

মদার গছর পান পর.—ক্রি, মদার গছ কাঁইটার কাঁইটেই ধরি বগায়লৈ চল পায় দেখি মদার গছত পান লাগে বা হয়। কিন্তু হপিলে কাঁইটর নিমিত্তে তার পান পাছিবলৈ বর টান হয়। এতেকে,—কোনো কষ্টকীয়া কার্য্য করা to do a piece of troublesome work.

মন ওফরা—ক্রি, কোনো বস্তু উফরিলে সি গৈ যতে ততে এঠাইত পরে। সেইদরে মনুহর মন গৈ হঠাৎ কিবাত পরে গৈ বোলা হৈছে। এতেকে,—হঠাৎ কিবাকৈ মন যোৱা, to have one's attention fitfully drawn towards anything.

মন গা উদোৱা—ক্রি (উদোৱা=ঊর্দ্ধ হোৱা) মানসিক আৰু শাৰীৰিক শক্তি বৃদ্ধি হোৱা উৎসাহিত হোৱা, to be inspirited.

মন পতিওৱা—ক্রি, [মনক পতিওৱা] মনে যাতে প্রতিপন্ন এনেভাবে তাক নিজে নিজে বুজোৱা, to cause the mind to believe a thing by some sort of reasoning which though not strictly logical affords relief to it.

মন-বলী—বিণ, ডাঙৰ কার্য্য কৰিব পাৰিম বুলি মনত বল থকা অর্থাৎ সাহিয়াল, spirited.

মন হলে ছন কৰিব পৰা—ক্রি, (ছন=ঊচ্ছন্ন।) কোনো ঠাই ঊচ্ছন্ন কৰিবৰ নিমিত্তে যদি প্রবল ইচ্ছা হয়, তেনেহলে সেই কার্য্য নিশ্চয় কৰিব পৰা যায় বোলা হৈছে। এতেকে,—একান্ত ইচ্ছা হলে কার্য্য কৰিলৈ বাট ওলোৱা, to find a way to do a thing if one has the will to do it.

মনে খনা পুখুৰিত পানী খাবলৈ নোপোৱা—ক্রি, যি পুখুৰি দৰাচলে খনা হয়, তাত মানুহে পানী খাবলৈ পায়। কিন্তু যি পুখুৰি খানিম বুলি মনেৰে প্রস্তাৱ কৰা হয়, সেই পুখুৰি পাচত কার্য্যতঃ খনা হৈ নুঠে। কাজেই তাত পানী খাবলৈ পোৱা নাযায়। এতেকে,—কল্পনা কৰা কার্য্য সিদ্ধি কৰিব নোৱৰা, not to be able to enjoy the fruit of a scheme built up by the imagination.

মন্ত্র পঢ়ুওৱা দি পঢ়ুওৱা—ক্রি, পুৰোহিতে মন্ত্র পঢ়ুৱায় আৰু যজমানে সেই মতে অবিকল গাই যায়। এই কার্য্য আহকণীয়া। এতেকে,—আহকালেৰে শিকোৱা, to teach with care and trouble.

মৰ-আঁউসী—বিং, জোন মৰা পখৰ আঁউসী অৰ্থাৎ কৃষ্ণপক্ষৰ অমাবস্যা তিথি, the darkest night of a lunar month.

মৰ-জাহ দিয়া—ক্রি, বীট পতঙ্গ আদি প্রাণীয়ে জুইত পৰি জাহ যৈ মৰে। এতেকে,—জানি-শুনি বিপদ-সঙ্কুল কাৰ্য্যত হাত দি নষ্ট হোৱা, to be ruined by running it to a dangerous situation deliberately.

মৰ নৈ—বিং, মৰা নৈ, সোঁত বন্ধলৈ এৰা নৈ, a silted up stream.

মৰ সাহ কৰা—ক্রি, যাৰ ভাৰ মৰণ মিলে তেনে সাহ কৰা, অতিৰিক্ত সাহ কৰা, to be over-bold

মৰণত শৰণ দিয়া—ক্রি মৰণৰ কালত শৰণ অৰ্থাৎ খোজাই দিয়া হয়। 'শৰণ' শব্দে প্রকৃততে 'আশ্রয়' বুজায়। বিপদত পৰিলে বলৱন্তৰ শৰণ লোৱা হয়। এতেকে,—প্রাণপণ কৰা, to make effort to the utmost limit

মৰমৰ চুমাই নাকটি ছিঙ্গা—ক্রি, কপট-মিত্র মানুহে গাঁত মৰমেৰে চুমা খোৱাৰ ছলত নাকৰ আগটি কামুৰি ছিঙ্গে। (নাকটি=নাক আগটি।) এতেকে,—মিত্রভাৱে শত্রুতাচৰণ কৰা, to act hostility under cover of friendship.

মৰা গৰু—বিং, মৰা গৰুতকৈ হিন্দুৰ অপবিত্র বস্তু একো নাই। এতেকে,—অতি অপবিত্র বস্তু, a very impure or loathsome object

মৰাৰ ছাল টনা—বিণ, কোনো মানুহে পৰৰ সর্ব্বস্ব হৰণ কৰে। পাচত তাক বধ কৰে। শেষত মৰা-পটোৰ গাওপৰা ছালখন টানি আনে। এতেকে,—আন মানুহক অত্যাচাৰ কৰি স্বার্থসিদ্ধি কৰা; তাৰ-পৰা,—দুর্যোৰ কৃপণ, acting selfishly by outrageous means; hence, extremely miserly.

মৰা গৰুৰ ছালে বেৰোৱা—ক্রি, মৰা গৰুৰ ছালেৰে ঢোল ছোৱা হয়। গৰুয়ে বেৰায় অৰ্থাৎ শব্দ কৰে। এতেকে,—ঢোলে শব্দ কৰা অৰ্থাৎ ঢোলৰ বাদ্য হোৱা, the sounding of drums.

মৰা মুখত চুমা নিদিয়া—ক্রি, জীয়া মানুহৰ মুখত চুমা দিয়ে, কিন্তু মৰা মানুহৰ মুখত চুমা নিদিয়ে। এতেকে,—দুখীয়া মানুহক মৰম চেনেহ নকৰা, to have no love for one who is poor.

মৰা সেহুৰী—বি', সেকুৰীক ধৰা হৰ টান। কেতিয়ৰ ধৰিব পাৰিলে তাক ৰৰকৈ মাৰওৱা হয়। তেতিয়া সি মৰাতুল্য হয়। এতেকে,—নিৰীৰ্য্য মানুহ, an imbecile.

মৰাৰ দিন বঢ়—ক্রি, মৰা মানুহৰ দিন অৰ্থাৎ মৰাৰ পিচৰপৰ কাল নিৰ্ণীত হয়। সেই কাল ক্রমশঃ বাঢ়ি যায়। এতেকে,—মৃত্যু কাল ক্রমশঃ অতীতৰ ফালে অগুৱাই হে'ৰা অৰ্থাৎ মৃত্যুকাল পূৰ্বলৈ হৈ যোৱা', the passing away of the time of death more and more into the womb of the Past.

মৰা মুৱা—ক্রি দাহৰ সময়ত চিতাৰ ওপৰত মৰা মানুহৰ মুখ উত্তৰ ফোলে থাকিব লাগে। এতেকে,—উত্তৰ দিশ, the north.

মৰি পৰি ধৰ—ক্রি, [মৰে পৰে দিধৰা] ডুখৰ পক্ষ ভাঙিব খুজিলে হাতীয়ে মৰেৰে পৰে দি ধৰে। এতেকে,—কোনো কথা পূৰা বল দি কৰিবলে চেষ্টা কৰা, to attempt to do a thing with might and main.

মৰিবলৈ জীয়লৈ—ক্রি-বিণ, শপথৰ বাক্য। নিশ্চয়ত বুজাবৰ নিমিত্তে ব্যৱহৃত হয়। "মৰিবৰ নিমিত্তে আৰু জীয়ৰ নিমিত্তে প্রতিজ্ঞা কৰি কৈছোঁ অৰ্থাৎ যদি মিছাকৈ কৈছোঁ হেনেহলে মৰিম আৰু যদি সঁচাকৈ কৈছোঁ হেনেহলে জীয়ম", a form of solemn oath.

মৰিলে গাঁতে আঁটা, জীলে ভাতে আঁট—ক্রি, মৰিলে গাঁতত পোতা হয়। এই স্থলত কোৱা হৈছে, যে মৰিলে গাঁতে আঁটিব অৰ্থাৎ পুতিবলৈ গাঁতৰ নাটনি নহয়, আৰু জীলে ভাতে আঁটিব অৰ্থাৎ খাবলৈ ভাতৰ নাটনি নহয়। এতেকে,—জীৱন-মৰণৰ নিমিত্তে ভয় নোহোৱা, to live an indifferent life.

মৰিলেও মৰ-কামোৰ নেৰা—ক্রি, কাহেই কোনো মানুহক কামুৰিলে তাক এৰি নিদিয়ে। কাহক যদি কাটি মাৰি পেলোৱা হয়, তথাপি সি কামোৰ নেৰে। সেই কামোৰেই কাহৰ মৰ-কামোৰ হয় অৰ্থাৎ তাৰ মৃত্যু আনে। এতেকে—প্রাণ গলেও কোনো কাৰ্য্য কৰিবলৈ নেৰা, not to give up doing a thing till the bitter end.

মৰো-জীওঁ সোঁ-আহিকৈ—ক্রি-বিণ (সোঁ-আহি = সব আহি-যা সমাল আধা।)

মৰোঁ বা জীওঁ বুলি মৰণ আৰু জীৱনৰ মাজলে আধা ছুমুত অৰ্থাৎ মৰণ আৰু জীৱনৰ সন্ধি-ছুলত থিয় হৈ, জীৱনৰ আশা নাথাকি আৰু মৰণৰ ভয় এৰি, desperately.

মলুৱা বান্দৰ—বিং, মলা-পাজৰ নিচিনা ঘুৰণীয়া আৰু ওফোন্দা মুখৰ বান্দৰক. মলুৱা বান্দৰ বোলে। এই বিধ বন্দৰে যাৰে তাৰে বাৰীয়ে ঘৰে সোমাই মানুহক অনেক প্ৰকাৰেৰে আহুকাল কৰি ফুৰে। এতেকে,—লোকক আহুকাল কৰি ফুৰা দুষ্ট মানুহ, a mischief-maker.

মহঙ্গীয়া লোণ—বিং, আহোম ৰজাৰ দিনত লোণ সহজে পোৱা নগৈছিল। বহু কষ্টেৰে মানুহবিলাকে মহঙ্গৰপৰা লোণ আনি বছেৰেকৰ ব্যৱহাৰৰ নিমিত্তে আটাইয়ে অলপ-অলপকৈ বটাই লৈছিল। এতেকে,—আপুৰুগীয়া বস্তু, a rare and valuable thing.

ম'হ টোকোন—বিং, ম'হ-গুবালে লৈ ফুৰা টোকোন, শকত-ডাঙৰ টোকোন, a heavy club.

ম'হত কৈ শিং চৰা—ক্ৰি, ম'হতকৈ শিং চৰা হলে অৰ্থাৎ মহে শিং জোৰ বলে নোৱৰা হলে, সি মুৰটো তললৈ দোঁৱাই থাকে। তেনে ছলত, শিং জোৰ তাৰ লাভৰ নিমিত্তে নহৈ অসুবিধাৰ কাৰণ যাথোন হয়। এতেকে,—চম্ভালিৰ নোৱৰা বস্তু বা বিপত্তিৰ গৰাকি হোৱা, to have a burden which is too much for one to bear.

মহুতৰ চিন মাহনীত ওলোৱা—ক্ৰি. মহন্তই বাহিৰত নোমোহা ঠাইত কাপোৰে-কানিয়ে নাথায়। মাহনীত মানুহ সোমালে, মাহ-গছৰ আঁৰত আনে দেখা নাপায়। তেনে ছলত মাহ খাবৰ নিমিত্তে লোভ স্বভাৱতে প্ৰবল হয়। যি প্ৰকৃত মহন্ত, তেওঁৰ মাহনীত চিন ওলায়, অৰ্থাৎ সদাচাৰী হলে মাহ নাথায় কিন্তু কপটীয়া হলে মাহ কোনেও নেদেখা-কৈ খায়। কোনো মানুহ প্ৰকৃততে ভাল নে, এই কথা, তেওঁ যেতিয়া যেয়া ঠাইত পৰে, তেতিয়া হে বুজিব পৰা যায়। এতেকে,—সৎ মানুহৰ চিন অসৎ ঠাইত ওলোৱা, the testing of the true mettle of a good man by putting him in a place where the temptation is very great.

মহুলৈ নমৰি মহুলৈ মৰা—ক্ৰি, (যহ=যশস্যা।) ছুখীয়া মানুহে মহত্বপৰা যশ পাবৰ নিমিত্তে সৎ আঁচুনি ভৰি ক্ষমীপাল্লীৰ চৰণিত পোন্ধে

আঁঠুৱাৰ বেৰ খুচি দিয়ে। চহকী মানুহে ডাঙৰ আঁঠুৱা ওপচে ভৰে। তাকে দেখি দুখীয়া মানুহেও তাৰ চাপৰ আঁঠুৱাকে বহু কৰি ওপচে ভৰে। তেনে কৰাত আঁঠুৱা দাং পাই থাকি মহ আঁঠুৱাৰ ভিতৰলৈ সোপা-সোপে সোমায়। এতেকে,—প্ৰকৃত আৱশ্যকতাৰ ফালে চকু নাৰাখি যশস্তাৰ কথা ভাবি কোনো কাৰ্য্য কৰা, to do a thing with an eye to what others would think of it without taking care to see as to how it would serve one's purpose, to act from the stand point of beauty instead of utility.

মহে তেজ এটোপা নোখোৱা মানুহ—বিং, মহে কামুৰি তেজ খায়। সি এই কাৰ্য্যৰ দ্বাৰা যৎসামান্য অপকাৰ কৰিব পাৰে। এই স্থলত কোৱা হৈছে, যে মহে তেজ এটোপাও খোৱা নাই। এতেকে,—যৎসামান্য অপকাৰো নোহোৱা মানুহ অৰ্থাৎ যি মানুহে এতিয়াও জীৱন সংগ্ৰামত সোমোৱা নাই আৰু তাৰ ভীষণতা বুজিব পৰা নাই তেনেকুৱা ডেকা মানুহ ; বিপদত নপৰা জীৱনৰ প্ৰথম অৱস্থাৰ মানুহ, a person in full vigour and health who has not yet suffered in the battle of life.

মহাদেৱে কৃষি কৰা—ক্ৰি, মহাদেৱ ভিক্ষাৰী আছিল। পাৰ্ব্বতীয়ে কৃষি কৰিবলৈ কোৱাত, তেওঁ এনে একাগ্ৰ মনেৰে কৃষি কৰিবলৈ ধৰিলে যে, ভাত-পানী খাবলৈ পাহৰি গল। এতেকে,—সাধাৰণতঃ অমনোযোগী মানুহে কোনো এসময়ত অতিৰিক্ত মনোযোগেৰে কাৰ্য্য কৰা, to work with the utmost zeal in a particular matter, being ordinarily given to do things in a slipshod manner.

মহাদেৱৰ ভিক্ষালৈ নগলে টেকেলি কাতি হোৱা—ক্ৰি, ভিক্ষাৰ দ্বাৰা মহাদেৱৰ আহাৰ চলে। ভিক্ষায় টেকেলিত থোৱা হয়। টেকেলিত অন্ন থাকিলে টেকেলি থিৰ হৈ থাকে, অন্ন নাথাকিলে সি কাতি হৈ পৰে। যি দিনা মহাদেৱে ভিক্ষালৈ নাযায়, সেই দিনা কাজেই টেকেলি কাতি হৈ থাকে। এতেকে,—দিনে ভিক্ষা কৰি দিনে প্ৰাণ ধাৰণ কৰা অৰ্থাৎ অতি কষ্টেৰে জীৱন ধাৰণ কৰা, to live from hand to

mouth, to lead a wretched life.

মাকত্‌কৈ জীয়েক কাজী হোৱা—ক্রি. মাকপাৰা হে জীয়েকে শিক্ষা পায়। এতেকে,—ওস্তাতকৈ ছাত্ৰ অধিক পাৰ্গত হোৱা, (ব্যঙ্গাৰ্থ), the outstripping of the master by the pupil, (used ironically).

মাকালে খোৱা—ক্রি, [মহা-আকালে খোৱা] ভাগৰ অভাবত কষ্ট পোৱা, to be afflicted with dire want.

মাকো মৰা—ক্রি. তাঁত বওঁতে মাকোটো হফালৰপৰা সিফালে আৰু সিফালৰপৰা হফালে এই দৰে মাৰি থকা হয়। এতেকে,—অনাই অহা যোৱা কৰি থকা, to go backward and forward.

মাগুৰ কচা দিয়া—ক্রি, মাগুৰ মাছ যিৰূপে কচে সেইৰূপে কচা, ক্ষত-বিক্ষত কৰা, ভীষণ অত্যাচাৰ কৰা, to mutilate, to torture horribly.

মাছ খোৱা উদ—বিং, উদে মাছ দেখিলে তাৰ লোভ সামৰিব নোৱাৰে। লুভীয়া মানুহক উদেৰে তুলনা কৰা হৈছে। এতেকে,—লুভীয়া মানুহ, a glutton.

মাছ বুলি নাখাই জিজি বুলি খোৱা—ক্রি, কেঁচুৱা লৰাই মাছক জিজি বোলে। এতেকে,—একেটা কাৰ্য্যকে বেলেগ নামেৰে কৰা, কোনো কাৰ্য্য পোনপটীয়াকৈ নকৰি আওপাকে কৰা, to do the same thing under a different name.

মাজ সাগৰত নাও বুৰা—ক্রি, সাগৰৰ মাজ ঠাইত নাও বুৰিলে ৰক্ষাৰ উপায় নাথাকে। এতেকে,—সাৰিব নোৱৰা বিপদত বা দুৰ্যোগ সঙ্কটত পৰা, to be shipwrecked in mid-sea, to fall into the greatest disaster.

মাণিকী-মাকৰ কঁবিয়া—বিং, (মাণিকী=জীয়েকৰ নাম। মাণিকীৰ মাক=যৈণীয়েক। কঁবিয়া—কাণত পিন্ধা অলঙ্কাৰ।) গিৰিয়েকে যৈণীয়েকৰ কাণৰ কঁবিয়া জোৰ কৰ শুৱনী দেখে। এতেকে,—অতি শুৱনী মানুহ। (খেমেলীয়া প্ৰয়োগ) a very beautiful person (used playfully).

মাতৰ হেনা-হচাঁ—বিং, (হেনা-হচাঁ=হেনা-হেচাঁ, হেনা অনুৰূপ শব্দ।)

কোনো মানুহে কথা কওঁতে হেঁচা দি কথা কয়। এতেকে,—অস্পষ্ট বা বিকৃত মাত, defective tone.

মাত হৰা—ক্রি, মাত-হৰণ হোৱা অর্থাৎ উত্তৰ নাইকিয়া হোৱা, to be dumb-founded.

মাতৰ তিতা—বিং, তিতা মাত অর্থাৎ কেটেৰা-জেঙেৰা মাত, an acrimonious tongue.

মাধমৰীয়া মাৰ—বিং, [মাধৱনৰীয়া মাৰ] কোনো ডাঙৰ কাম কৰিবলৈ হলে "মাধৱ" বুলি আৰম্ভ কৰা হয়। এতেকে,—মাধৱ বুলি আৰম্ভ কৰা প্রহাৰ অর্থাৎ ডাঙৰ প্রহাৰ, a severe beating.

মান্ধাতাৰ দিনত—ক্রি-বিণ, মান্ধাতা সত্যযুগৰ ৰজা আছিল। এতেকে,—বহুকাল পূর্ব্বে, in times of yore, in remote past, long ago.

মানিলে ধান হোৱা, নামানিলে পতান হোৱা'—ক্রি, (ধান=সাহ থকা বস্তু। পতান=সাহ নথকা বস্তু।) মনেৰে যেনে ভাব কৰে তেনে মূল্যবান বা মূল্যহীন বস্তু-স্বৰূপ হোৱা, to be as a valuable or a worthless thing according as it is looked at from this or that point of view.

মানুহৰ লগৰ মানুহ—বিং, প্রকৃতিত যাক মানুহ বুলিব পৰা যায়, সেই মানুহৰ লগৰ-মানুহ অর্থাৎ যোগ্য মানুহ, a worthy man.

মানে যহে থকা—ক্রি, কোনো কার্য্য কৰিলে মান আৰু যশস্যা নষ্ট হবৰ সম্ভাৱনা থকা-স্থলত সেই কার্য্য নকৰি মান আৰু যশস্যাকে থকা অর্থাৎ মান আৰু যশস্যা অটুট ৰখা, to maintain one's reputation unimpaired.

মাম—বিং, মাত ফুটা কেঁচুৱা লৰাই 'মাম' এনে শব্দ উচ্চাৰণ কৰে ; মাকে আৰুপৰা ধৰি লয়, যে লৰাই ভোক লাগি ভাত খুজিছে। এতেকে,—ভাত (কেঁচুৱা-লৰাৰ মাত), boiled rice (used by baby).

মাৰি যাওঁ মৰি যাওঁ কৰি ধৰা—ক্রি, 'ভোকো মাৰি যাওঁ, মইও মৰি যাওঁ' এই বুলি যুঁজ কৰিবলৈ ধৰে বোলা হৈছে। এতেকে,—জীৱনৰ আশা এৰি দি কোনো কার্য্য কৰিবলৈ ধৰা, to take to doing a

thing desperately.

মাৰি থোৱা হাঁহক চাবী পাৰি বহুওৱা—ক্রি, যি হাঁহক অলপতে মাৰি থোৱা হৈছিল, সেই হাঁহক মৰম কৰি মন্ত্ৰিবলৈ চাবী পাৰি দিয়া হয় বোলা হৈছে। এতেকে,—যাৰ প্ৰতি কোনো অপকাৰজনক কাৰ্য্য কৰা সুনিশ্চিত তাৰ প্ৰতি দয়া প্ৰকাশ কৰা, to be compassionate to a person whom one feels bound to punish in some way.

মাৰিলে যম জীয়ালে ঈশ্বৰ—বিং, যমে মাৰে, ঈশ্বৰে জীয়ায়। এতেকে,—মৰণ-জীৱনৰ গৰাকি, সুখ-দুখ বিলাওঁতা, a dispenser of fortune.

মালিনীয়ে ফুলৰ শোক নাপাহৰা—ক্রি, ফুলেই মালিনীৰ সৰ্ব্ব-সম্পত্তি। কেনেবাকৈ ফুল নষ্ট হলে, মালিনীয়ে তাৰ শোক কেতিয়াও পাহৰিব নোৱাৰে। এতেকে,—জীবিকাৰ প্ৰধান উপায় নষ্ট হলে তাৰ শোক সদাই মনত জাগ্ৰত ৰখা, not to be able to forget the loss of one's principal means of livelihood.

মালৌৰ চাব—বিং, জোৰহাটৰ অন্তৰ্গত মালৌ নামৰ ঠাইত গাখীৰৰ চাব সকলোৰে জনা জাত। এতেকে,—অতি উপাদেয় বস্তু, a delicacy.

মাহ-খোৱা বান্দৰ—বিং, মাহ বান্দৰৰ অতি প্ৰিয় বস্তু। বান্দৰে যাৰে তাৰে মাহনীত সোমাই মাহ খাই ফুৰে। এতেকে,—টটাটিঙা মানুহক, a knave.

মাহৰ মাৰ দেখি তিলে বেত মেলা—ক্রি, মাহ ধৰিলে টাঙোনেৰে মৰিয়াই গহৰ-পৰা গুটি উলিওৱা হয়। তিলৰ চেইবিলাক আপোনা-আপুনি বেত মেলি গুটি ওলাই পৰে। এই মূলত কোৱা হৈছে, যে মাহৰ মাৰ দেখি তিলে মাৰৰ ভয়ত নিজেই বেত মেলি ওলাই পৰে। এতেকে,—পৰৰ শাস্তি দেখি বলৱন্তৰ অভিলাষ অনুযায়ী আনৰে নিজে শাস্তি নো পাওঁতেই কাৰ্য্য কৰা, to act according to the wishes of a powerful person without being told to so act by taking warning from the cases of those persons who were recalcitrant and therefore punished.

মাহৰ শাক ৰবাৰ ভাত—বিং, মাটি-মাহৰ আজা আক ৰবা-চাউলৰ ভাত আগৰ

দিনত গাৱঁলীয়া মনুহৰ সুখাদ্য আহাৰ আছিল। এতেকে,—অত্যন্ত তৃপ্তিজনক আহাৰ, a sumptuous repast.

মিছা কথাই সিঁচা পানীয়ে সমান হোৱা—ক্রি, পানী সিঁচিলে মাছ ওলাই পৰি ধৰা পৰে। সেইৰূপে পানী সিঁচিলে অর্থাৎ মিছা কথাৰ টাকনী আঁতৰালে মিছা কথা ওলাই পৰি ধৰা পৰে। এতেকে,—মিছা কথা সহজ ধৰা পৰা, the detecting of a lie without much difficulty.

মিছা কথাৰ ঠেং চুটি হোৱা—ক্রি, যি মানুহৰ এটা ঠেং চুটি অর্থাৎ যি মানুহ লেঙেৰা, সি বহুদূৰ খোজ কাঢ়ি যাব নোৱাৰে। মিছা কথাক তেনে মানুহেৰে তুলনা কৰা হৈছে। এতেকে,—মিছা কথা বেছি দূৰ যাব নোৱৰা অর্থাৎ অলপতে ধৰা পৰা, the detecting of a lie without very much delay.

মিছাত ফুৰা—ক্রি, মিছাৰ ওপৰত ফুৰে অর্থাৎ মাটিৰ ওপৰত নুফুৰি মিছাৰ ওপৰত ফুৰে বোলা হৈছে। এতেকে,—সদাহ মিছা কথা কৈ ফুৰা, to speak lies habitually.

মিছাৰ ভঁড়াল—বিং, ভঁড়ালত বস্তু পূর্ণ থাকে। এই স্থলত বস্তুৰ সলনি 'মিছা' পূর্ণ থাকে বোলা হৈছে। এতেকে,—মিছা কথাৰ পূর্ণ-পাত্র অর্থাৎ বহু-মিছলীয়া মানুহ, a liar of the first water.

মিছাৰ বাহ—বিং, বাহত বস্তু থাকে। এই স্থলত বস্তুৰ সলনি 'মিছা' থাকে বোলা হৈছে। এতেকে,—মিছা কথাৰ বাসস্থান অর্থাৎ ঘাই মিছলীয়া মানুহ, a principal liar.

মুকুতা নহৈ সোকোতা হোৱা—ক্রি, মুকুতা মূল্যবান বস্তু, কিন্তু সোকোতা পাহৰ একো মূল্য নাই। এই দুই শব্দৰ উচ্চাৰণৰ সাদৃশ্য আছে, কিন্তু মূল্যৰ সম্পর্কে একো মিল নাই। এতেকে,—বহুমূলীয়া বস্তু নহৈ একো মূল্য নাইকিয়া বস্তু হোৱা, to turn out to be a trifle instead of a precious thing.

মুখ ওলমোৱা—ক্রি, মানুহৰ অসন্তোষ হলে মুখ গধুৰ হয় অর্থাৎ মুখৰ আনন্দৰ চিন নাথাকে। গধুৰ হলে বস্তু তলৰ ফাললৈ ওলমি যায়। এতেকে,—অসন্তোষৰ ভাব ধাৰণ কৰা, to assume a sorrowful attitude.

মুখ চন্দবি ভঙ্গা—ক্রি, [মুখ চন্দ্রিকা ভঙ্গা] (ভঙ্গ = শুচোৱা ।) বিয়াৰ পিচত দৰা-কন্যা একে লগ কৰি মুখ-চন্দ্রিকা শুচোৱা নিয়ম আছে । এতেকে,—মুখৰ লাজ শুচোৱা, to remove the delicacy which is felt by one at the first sight of another.

মুখ চাই কথা কোৱা—ক্রি, মানুহক চিনিবৰ নিমিত্তে মুখলৈ চাব লাগে । কোনো কথা কবৰ সময়ত মানুহৰ মুখলৈ চোৱা হয় অর্থাৎ মুখ চিনি লৈ যাৰ সম্পর্কে যেনেভাবে কোৱা ভাল তাৰ সম্পর্কে তেনেভাবে কয় বোলা হৈছে । এতেকে,—পক্ষপাত আচৰি কথা কোৱা, to speak with a bias.

মুখ চাই দাপোন—বিং, মুখ ভাল হলে দাপোণত তাৰ প্রতিবিম্ব ভাল হয় আৰু মুখ বেয়া হলে প্রতিবিম্ব বেয়া হয় । এতেকে,—গুণ অনুযায়ী কার্য্য, action according to quality.

মুখ জুৰোৱা—ক্রি, একে লগে থাকিবলৈ লগৰীয়া পালে বুকু জুৰায় । তেনে লগৰীয়া নাই, কিন্তু মুখ জুৰাব পৰা যায় অর্থাৎ মুখেৰে কথা পাতি শান্তি পাব পৰা যায়, এনে ভাব বুজোৱা হৈছে । এতেকে,—দুখৰ কথা কবলৈ মানুহ পোৱা অর্থাৎ সহানুভূতি দেখুওৱা মানুহ পোৱা, to find a sympathetic person to whom a heavy heart can be emptied.

মুখ বজোৱা—ক্রি, তাল বজালে যেনেকৈ হাই হয়, দন্দৰ অভিপ্রায়েৰে মুখ মেলি কথা কলেও সেইৰূপে হাই হয় । এতেকে,—দন্দৰ অভিপ্রায়েৰে কথা কোৱা, to speak with a view to picking a quarrel.

মুখ ভঙ্গা—ক্রি, [মুখ লগা ভঙ্গা] মন্ত্রেৰে জাৰি মুখ-লগাৰ চিকিৎসা কৰা, to treat an ailment induced by "evil mouth" by means of incantation.

মুখ মৰা—ক্রি, মুখ মৰাৰ নিচিনা দেখা যোৱা, মুখ নিস্তেজ হোৱা, to lose freshness of countenance.

মুখ মৰা—ক্রি, [মুখক মৰা] মুখ বন্ধ কৰা, নিমাত কৰা, উত্তৰ কাটিব নোৱৰা অৱস্থা কৰা, to leave no room for reply.

মুখ মেলি থকা—ক্রি, বন-বাৰি কৰিবলৈ হাত মেলিব লাগে, খাবলৈ মুখ মেলিব

লাগে। এই হলত হাত নেমেলাকৈ মুখ মেলি থাকে, এই ভাব বুজোৱা হৈছে। এতেকে,—নিজে কায-বন নকৰাকৈ আনৰ ওপৰত নির্ভৰ কৰি আশা পালি থকা, to expect gain without labour.

মুখ শুকাই টেমিৰ মুৰ যেন হোৱা—ক্রি, টেমিৰ মুৰ সৰু। ডৰকৈ ভয় পালে মুখ শুকায় অর্থাৎ নিৰস বুজায়। এতেকে—ডৰকৈ ভয় পাই সমলি নিৰানন্দ ভাব ধাৰণ কৰা, to assume a sorry and miserable look on account of great fear.

মুখ হাত ধোৱা—ক্রি, মূত্র ত্যাগ কৰিলে মুখ আৰু হাত ধুব লাগে। এতেকে,—মূত্র ত্যাগ কৰা, to discharge urine.

মুখত মৌ বিং মৌ মিঠা বস্তু। এতেকে,—মুখত মিঠা মাত, a sweet tongue

মুখত সোপা দিয়া—ক্রি, মুখত সোপা দিলে মাতিব পৰা নাযায়। এতেকে,—নিমাত কৰ, উত্তৰ দিবলৈ বাট নাইকিয়া কৰা, to stop one's mouth, to leave no room for reply.

মুখত হৰি নাম, হাতত কৃত্য-কাম - বিং, মুখত হৰি নাম থাকিব লাগে কিন্তু হাতত কৃত্য-কাম থাকিব লাগে অর্থাৎ মুখেৰে হৰি-কীর্তন কৰিব লাগে কিন্তু হাতেৰে কৃত্য-কাম কৰিবলৈ এৰি দিব নালাগে। এতেকে,—একে লগে ঈশ্বৰ-চিন্তা আৰু কর্ত্তব্য-পালন, the observance of religion and the performance of duty at the same time.

মুখতে খিঁউ-মৌ সোপাকে দিয়া—ক্রি, খিঁউ-মৌ ভাল বস্তু। মুখতে অর্থাৎ মুখেৰে কথা কওঁতে খিঁউ-মৌ সোপাকে দিম বুলি কয়। পিচত প্রকৃততে দিব পাৰিব লে নোৱাৰিব সেই কথা ভাবি নাচায়। এতেকে,—বহু ভাল বস্তু দিবৰ নিমিত্তে নতুবা-নিচিন্তাকৈ তৎক্ষণাৎ অঙ্গীকাৰ কৰা, to promise to give many good things without thinking for a moment whether one would be able to give them or not, to make smooth promises unthinkingly.

মুখতে খঁটা গোৱা; মুখতে কটা মোৱা—ক্রি, মুখেৰে বজাৰ গুণ-কীর্তন কৰিলে

বঁটা পায়। মুখেৰে বজাৰ অপ্রিয় কথা কলে সেই মানুহক কাটিবলৈ আদেশ কৰা হয়। এতেকে,—মুখৰ দ্বাৰা মঙ্গল আৰু অমঙ্গল দুইকো লাভ কৰিব পৰা, to attain good or evil by the manner in which a man talks.

মুখতে ধৰা—ক্রি, এজনে মুখেৰে কথা কৈ থাকোঁতে তাৰ মুখতে ধৰা অর্থাৎ তাক কবলৈ আন এজনে বাধা দি সেই কথাৰ ওপৰতে কোৱা, to speak when another person is speaking and thus to interrupt him in the midst of his speech.

মুখৰ খজুৱতি মৰা—ক্রি, মুখেৰে কথা কৈ মুখৰ খজুৱতি অর্থাৎ কথা কোৱাৰ স্পৃহা গুচোৱা, to give the reins to the tongue.

মুখৰ ছাই মাটি গুচোৱা—ক্রি, মৃত্যুৰ পাচত প্রেত-যোনিৰপৰা উদ্ধাৰৰ অর্থে শ্রাদ্ধাদি ক্রিয়া কৰা হয়। পার্থিব মলিনতা যুগুচে মানে আত্মা প্রেতস্বরূপ হৈ থাকে। খৰি দিলে মৰা-শ ছাই হয় আৰু মাটি দিলে মৰা-শ মাটি হয়। (ছাই মাটি=পার্থিব মলিনতা।) প্রেতে শ্রাদ্ধৰ বস্তু খাই শুদ্ধ হয়। সেই দেখি 'মুখ' শব্দ ব্যবহৃত হৈছে। এতেকে,—মৃতকৰ প্রথমে কৰিব লগীয়া শ্রাদ্ধাদি ক্রিয়া কৰা, to perform the preliminary funeral ceremonies of a dead person.

মুখৰ মাহিলা—বিং, [মুখৰ মহলা] লেখা-পঢ়াত পাৰ্গত হৈছে নে নাই বুজাবৰ নিমিত্তে মুখেৰে মহলা দিয়া হয়। মহলা দিওঁতে যিমানখিনি পঢ়োৱা হৈছে, সকলো কথাৰ বিষয়ে কব লাগে। এতেকে,—মুখেৰে বহু কথাৰ প্রকাশ অর্থাৎ যি কথা কার্য্যত পৰিণত কৰা নহয় তেনে কথাৰ প্রকাশ, much empty talking.

মুখৰ ভাত কাঢ়ি নিয়া—ক্রি, কেঁচুৱা লৰাই ভাত খাওঁতে কাউৰীয়ে ভাত কাঢ়ি লৈ যায়। সেই কথাৰপৰা এই বাক্যৰ সৃষ্টি হৈছে। (মুখৰ ভাত=খাবৰ নিমিত্তে মুখৰ আগত বঢ়া ভাত।) এতেকে,—ধৰকৈ ডকা দিয়া, to deceive downright.

মুখলৈ চোৱা—ক্রি, মুখলৈ চালে মৰম লাগে। এতেকে,—মৰম কৰা, to pity.

মুখে মুখে উত্তৰ কটা—ক্রি, এজনে মুখেৰে প্রশ্ন কৰে, আন এজনে তাৰ উত্তৰ

দি সেই কথা কাটি দিয়ে। এতেকে,—উত্তৰা-উত্তৰি কৰা, to engage in altercation.

মুখেৰে সাত হাল বোৱা—ক্রি, সাতখন হালেৰে মাটি চহাব বুলি মুখেৰে কয়, কিন্তু কার্য্যত একো কৰা নহয় বোলা হৈছে। এতেকে,—ফিতাদ্বি মাবি কথা কোৱা, to speak vauntingly, to boast.

মুচবি সামবি খালৈত থোৱা—ক্রি, ৰুকাই বাওঁতে মাছ পালে ৰুকাই দাঁজি আনোতে মাছে দুমদুমাবলৈ ধবে। তেতিয়া জাকৈয়া মানুহে সেই মাছ হাতেৰে খামোচা মাবি ধবি মুচবি সামবি খালৈৰ ভিতৰত সুমাই থয়। তেতিয়া মাছৰ দুমদুমনি নাইকিয়া হয়। এতেকে,—শক্তি-বহিত কৰা, to make powerless for anything.

মুঠিতে লুকোৱা—বিণ, হাতৰ মুঠিতে লুকাই থকা অর্থাৎ সৰু, চিঁয়া, slender, small.

মুদা মৰা—ক্রি, [মুখ মৰা] ("মুৰ মৰা" চোৱাঁ।)

মুখ ফুটা—বিণ, ("শিৰ ফুটা" চোৱাঁ।)

মুৰ খজুওৱা—ক্রি, মানুহে কোনো কথা ভাবি ঠিক নাপালে মুৰ খজুবায়। এতেকে,—বিবুদ্ধি হোৱা, নিকপায় হোৱা, কোনো বিষয়ে একো স্থিৰ কৰিব নোৱৰা, to be at one's wit's end, to be confounded.

মুৰ চোবাই খোৱা—ক্রি, যাৰ মুৰ চোবাই খোৱা হয়, তাৰ প্রাণবধ হয়। এতেকে,—বিশেষ হানি কৰা, ডাঙৰ অপকাৰ কৰা, to injure fatally, to harm seriously.

মুৰ দঙা মানুহ—বিং, অধীন মানুহে মুৰ দোৱাঁই থাকে। অধীনতাৰ ভাৰ বিমান গুচে, সিমান ওপৰলৈ মানুহে মুৰ দাঙি যায়। এতেকে,—ডাঙৰ মানুহ, a great man.

মুৰ পাতি লোৱা—ক্রি, নিৰ্ম্মালী দিলে মুৰ দোৱাঁই তাক শ্রদ্ধাৰে মূৰত লোৱা হয়। এতেকে,—শ্রদ্ধাৰে গ্রহণ কৰা, to accept reverentially.

মুৰ পুতি কাম কৰা—ক্রি, অতি মনোযোগেৰে কার্য্য কৰিবলৈ হলে, মুৰ পুতি অর্থাৎ মুৰটো তললৈ গোঁজা মাবি লোৱা হয়। এতেকে,—অতি মনোযোগেৰে কার্য্য কৰা, to work with closest attention.

মুখ ভঙ্গা—ক্রি, গছ পকিলে এপিসে 'মুখ' ওলায়। সেই মুখ আগি দিলে পুঁজ-পানী ওলাই গৈ লাহে লাহে গছ জামবি ভাঙ্গ হয়। এতেকে,—কোনো কার্য্যর আরম্ভণ করা, to commence a thing.

মুখ মরা—ক্রি, (মুখ=সীমা ; মরা=শেষ পরা) কোনো অবস্থার সীমা অন্ত হোৱা, the coming to the end.

মুখ মারি কন্দা—ক্রি, মানুহে অতিকৈ কান্দোতে মুখ মাৰে অর্থাৎ হাতেৰ মুখ ভুকুৱায়। এতেকে,—অতিকৈ কন্দা, to lament bitterly.

মুখ সুমোৱা—ক্রি, গৰুৱে খেওৱা ভাঙ্গিৰ খুন্দিলে আগেয়ে খেওৱাৰ বাটে মুখটো সুমাই লয়। তাৰ পিচত বল দিবলৈ চল পাই হেঁচা মাৰি খেওৱা ভাঙ্গি ভিতৰলৈ সোমায়। এতেকে,—কোনো কার্য্য পিচত সুচাকৰূপে নিষ্পন্ন কৰিব পৰাকৈ প্ৰথমতে কোনো মতে সেই কার্য্যত অলপ সোমাই লোৱা, ভবিষ্যতে পূর্ণ অধিকাৰৰ বাট বাৰি প্ৰথমে আংশিক অধিকাৰ হস্তগত কৰা, to enter an office or business with a view to securing its full privileges in course of time.

মুখত আকাশী চৰগ ভাগি পৰা—ক্রি, (চৰগ=স্বর্গ অর্থাৎ স্বর্গৰাজ ইন্দ্ৰৰ বজ্র। আকাশী=আকাশত অর্থাৎ ওপৰত থকা। ভাগি পৰা=খহি পৰা, এৰাই পৰা।) মুখত বজ্রপাত হোৱা অর্থাৎ সাংঘাতিক বিপদপাত হোৱা, to be struck down as if by a bolt from the blue.

মুখত উঠা—ক্রি, মুখত অর্থাৎ ওপৰত উঠা, প্রভুত্ব চলোৱা, to exercise authority.

মুখত চলুৱে চলুৱে পানী লোৱা—ক্রি, শোকাতুৰ মানুহে জুৱলীস্বৰূপে মুখত চলুৱে চলুৱে পানী লয়। এতেকে,—মৰমৰ বেজাৰ-অসন্তোষ পোৱা, to be affected deeply with grief, to be mortified.

মুখত চাউল দিয়া—ক্রি, বিয়াত মুখত চাউল চেটিওৱা নিয়ম আছে। এতেকে,—বিয়া হোৱা, to be wedded.

মুখত টাঙোন মরা—ক্রি, মুখত টাঙোন মাৰিলে মানুহ তৎক্ষণাৎ লুটি খাই পৰে। এতেকে,—ডাঙৰ অপকাৰ কৰা, to do a great harm.

মুখত থলে ওকণীয়ে খোৱা, মাটিত থলে পকৱাই খোৱা—বিণ, পকৱা, ওকণী

ইত্যাদিয়ে সোৱাদ বস্তু পালে খায়! অতি চেনেহত মানুহক সোৱাদ বস্তুৰে তুলনা কৰা হৈছে। তেনেকুৱা মানুহক কেনে যত্ন কৰি থোৱা যাব, যাতে তেওঁৰ লেশ মাত্রও অপকাৰ হব নোৱাৰে, সেই বিষয়ে উপায় নাপায়। এই স্থলত কোৱা হৈছে যে মুৰত থৰলৈ ভয় লাগে, জানোচা ওকণীয়ে খায়; আৰু মাটিত থৰলৈ ভয় লগে, জানোচা পকৰাই খায়। এতেকে,—অতি প্রিয়, tenderly beloved.

মুৰৰ চুলিৰ সমান আয়ুস—বিং, মুৰৰ চুলি অপৰিমিত। এতেকে,—বহু দীঘল আয়ুস, a very long life.

মুৰৰ বীজ মুগুচা লৰা—বিং, ওপজোঁতে লৰাৰ মুৰত বীজ লাগি থাকে। এই স্থলত ইমান সক বোলা হৈছে, যে মুৰৰ বীজ গুচ নাই। এতেকে,—নিচেই সক লৰা, a mere child.

মুৰে কপালে হাত দিয়া—ক্রি, অধিক বেজাৰ পালে মানুহে মুৰে কপালে হাত দি ভাবি থাকে। এতেকে,—অধিক বেজাৰ পোৱা, to be deeply afflicted with grief.

মুৰে ভৰি কৰা—ক্রি, [মুৰেৰে ভৰিৰ খোজ কঢ়া] ভৰিৰ খোজ নাকাঢি মুৰৰে খোজ কঢ়া অর্থাৎ বিপৰীতভাবে কার্য্য কৰা, to act topsy-turvy.

মুৰে শপথোৱা—ক্রি, [মুৰেৰে শপথোৱা] 'মোৰ মুৰ খাবা' এই বুলি শপথ লবলৈ কোৱা, to make one take a solemn oath.

মৃত্যু-কালত ঔষধ নোহোৱা—ক্রি, যেতিয়া মৃত্যুকাল উপস্থিত হয়, তেতিয়া ঔষধে গুণ নিদিয়ে। এতেকে,—অবশ্যম্ভাবী বিপদৰ প্রতীকাৰ নোহোৱা, the existing of no means of relief for a pre-ordained calamity.

মেখেলা-ভাৰী—বিং, তিৰোতাৰ মেখেলা অশুচি। তাক যি ভাব বৈ নিয়ে, সেই মানুহ অতি অধম বুলি গণ্য হয়। এতেকে,—অতি অধম মানুহ, a disreputable person of the worst type.

মেখেলাৰ ঘন গুটি—বিং, গছবিলাক ওখ, তাৰ গুটিও ওখ হৈ থাকে। ঘন-বিলাক চাপৰ, তাৰ গুটিও চাপৰ হৈ থাকে। ঘনগুটিবিলাক চাপৰত শকাৰ নিমিত্তে তিৰোতাৰ মেখেলাত লাগি ধৰে। মতা মানুহে

বননীত খোজ কাঢ়োঁতে চুবিয় উজাই ধবি যায়, কিন্তু ভিবোতা মানুহে ... কবে। চুটি-চাপব মানুহক এনে বিধব বনওটিবে তুলনা কব হৈছে। এতেকে,—চুটি-চাপব মানুহ, (বিদ্রূপ), a pigmy (used ironically).

মেঘ দেবতা প্রসন্ন হোৱা—ক্রি, খেতিয়কবিলাকে অনাবৃষ্টি হলে এইরূপে স্তুতি কবে "হে মেঘ দেবতা, প্রসন্ন হোৱা।" (মেঘ দেবতা = মেঘব গবাকি দেবতা অর্থাৎ ইন্দ্র।) এতেকে,—ববষুণ দিয়া, to rain.

মেঘে গাজিলে ধৰা—ক্রি, কাছই কামুবিলে মেঘে নাগাজে ধাঁলে কামোব এবি নিদিয়ে বুলি প্রবাদ আছে। এতেকে,—লেবালেপেবাকৈ ধবা, to adhere tenaciously.

মেটমবা ভাব—বিং, ভাব ডাঙৰ হলে মেটমেট-কবে শব্দ মাবি যায়। এতেকে,—বৰ ড'ঙৰ ভাক, a very heavy burden.

মেনী ম'হ খীবোৱা—ক্রি, মেনী ম'হ যিমান খীবায়, সিমান গাখীব ওলায়। সম্পত্তিশালী মানুহক মেনী ম'হেবে তুলনা কবা হৈছে। এতেকে,—আঁচাবন্ত মানুহবপবা ধন চোঁচা, to extract any amount of money from a rich man.

মেৰ-গোম—বিং, [... গোম] গোম সাপে অতিবিক্ত আহাব কবি লবিব-চা ... বিবা হৈ পবি থাকে। খকুবা মানুহেও সেইৰূপে অধিক ... ন কবি পবি পাকে। এতেকে,—অতিবিক্ত ভোজনব ফলত লবি-চবি ভুবিব নোবাবা অলেহুবা মানুহ, a sluggish, lazy, indolent person.

মেহ-মন—বিং, [মেহ-মেহীয়া মন] বাব মন মেহ-মেহীয়া তেনে মানুহ, উৎসাহ নাইকিয়া মানুহ, কামত ঢিলা মানুহ ('মেহ-মেহ' আৰু 'লেহেম' এই দুই শব্দ মূলত একে।) a person of depressed spirits, a slow worker.

মোনা সি থোৱা—ক্রি, ধন পোৱাব আগেয়ে ধন ভবাবব নিমিত্তে মোনা সি থয় বোলা হৈছে। এতেকে,—ধন পাবব আশা এবি দিয়া। (ব্যঙ্গার্থ), to give up all hope of receiving payment of a sum of money.

মোমাই মবিলে ভূতক পোৱা—ক্রি, মোমাইক ভূতে ধবিলে, যদি সেই ভূতক

খেদিব পৰা নাযায়, তেনেহলে মোমাই মৰি যাব পাৰে। এই স্থলত কোৱা হৈছে, যে আগেয়ে মোমাই মৰক, পিচত ভূতক পোৱা যাব অর্থাৎ তাক উপযুক্ত দণ্ড দিয়া যাব। এতেকে,—কোনো কার্য্য নষ্ট হোৱাৰ পিচত প্রতীকাৰৰ চেষ্টা কৰা, to contrive a means of meeting a danger after the danger has actually come and done the mischief.

মোৰ ধৰা—ক্রি, [মুখ ধৰা] আঁত ধৰা, কোনো বিষয়ৰ মূল যুজি লোৱা, to discover the main point of anything.

মোৰ হাক শুকৰ ডাক—বিং, ওজাই মন্ত্র গাওঁতে 'মোৰ হাক শুকৰ ডাক' বুলি মন্ত্রৰ বান্ধনি দিয়ে। 'হাক' আৰু 'ডাক' এই দুই শব্দে চিঞৰি কোৱা বাক্য বুজায়। এতেকে,—মহাধর্ম্মক চিত্তি প্রকাশ কৰা গহীন আজ্ঞা, a solemn charge, mandate, command.

মোৱামৰীয়া মটক—বিং, মোৱামৰীয়াবিলাক বলিষ্ঠ আৰু দুর্দ্দান্ত আছিল। মোৱামৰীয়া বিদ্রোহৰ সময়ত সিঁইতে অসমীয়া মানুহবিলাকক বিষম অত্যাচাৰ কৰিছিল। (মোৱামৰীয়া শব্দে মোৱামৰীয়া সত্র বুজায়। মটকবিলাক মোৱামৰীয়া সত্রৰ শিষ্য। আজি কালি 'মোৱামৰীয়া' আৰু 'মটক' এই দুই শব্দ সমার্থক।) এতেকে,—দুর্দ্দান্ত মানুহ, a ruffian.

মৌ-চেপা ববষুণ—বিং, পকা মৌৰ বহ-ববা চেপিলে হোৱ-হোৱ-কৰে মৌ-জোল ওলায়। এতেকে,—হোৱ-হোৱ-কৰে দিয়া ববষুণ, ডাঙৰ ববষুণ, incessant rain.

মৌ ববষা—ক্রি, মৌ-চিকনী চেপিলে মৌ-জোল ববষুণ আকাৰেৰে পৰে। মানুহৰ মুখৰ শিষ্ট ভাষা মৌৰে তুলনা কৰা হৈছে। এতেকে,—মিঠা কথা ব্যৱহাৰ কৰা, to talk sweetly.

য।

যুঁজব কুকুবা যুঁজত মবা—ক্রি, (যুঁজব কুকুবা=যুঁজব নিমিত্তে কুকুবা অর্থাৎ যুঁজাক কুকুবা।) কুকুবা-যুঁজত যেতিয়ালৈকে কুকুবাটো মবি নাযায়, তেতিয়ালৈকে সি যুঁজ মেলে। এতেকে,—যুঁজাক মানুহে যুঁজ কবি মবা অর্থাৎ প্রাণ-হানিব আশঙ্কা থাকিলেও বীবত্ব প্রকাশ কবিবলৈ নেবা, to act the part of a hero in a fight even to the point of death.

য'ত বাজ ত'ত কাজ—বিং, [য'ত বাজ্য ত'ত কার্য্য] যি য'ত থকাব যাব, তাব কার্য্য সেই ঠাইত অর্থাৎ সি সেই ঠাইত থাকি কার্য্য চলাব লাগে, এই ভাব বুজায়। এতেকে,—স্বক্ষেত্রত সম্পাদিত কার্য্য, work in one's own field of action.

যতে বাতি ততে কাতি—বিং, যি ঠাইতে বাতি হয়, সেই ঠাইতে কাতি হৈ শুই থাকে বোলা হেঁহে। এতেকে,—থকা ঠাইব অনিশ্চয়তা, uncertainty of residence.

যতবা শুদ্ধা—ক্রি, [যতবা=যাত্রা।] যাত্রা বুলিলে কোনো কার্য্যব আবম্ভ বুজায়। এতেকে,—বহনি কবা, to make a begining.

যথা থিয় সদাশিব—বিং, সদাশিবই শুপ কবোঁতে লব-চব নকবাকৈ থিয় দি থাকে। এতেকে,—লব-চব নোহোৱা অবস্থা, নিশ্চেষ্ট, উদ্যোগ-হীনতা, motionlessness, inactivity, laziness.

'যথা দৃষ্টং তথা লিখিতং' কবা—ক্রি, (সংস্কৃত বাক্য) পুথি নকল কবোঁতে নজনা মানুহে কোনো ঠাইত আখব পঢ়িব নোৱাবিলে আচলত যেনে আকাবেবে থাকে তাক ঠিক তেনে আকোবেবে তুলি থয়। এতেকে,—বুবুজাকৈ নকল কবা, to copy a writing without understanding it.

যবে-স্থবে—ক্রি-বিণ,—[যো বা সো বা] সংস্কৃত 'যো বা সো বা ভবতু' এই বাক্যে যি হওক সি হওক' বুজায়। এতেকে,—ভাল হওক বেয়া হওক নোচোৱাকৈ যেনে তেনে মতে, by any means, in a clumsy way.

যমকাল—বিং, যম আক কাল একার্থবোধক। 'কাল' শব্দে সময়ো বুজায়, সেই

দেখিছোঁ আগত এই স্থলত 'যম' শব্দ ব্যৱহৃত হৈছে। এতেকে,—যমৰ নিচিনা শত্রু, মহাশত্রু, a bitter foe.

যমপুৰী নিজান ঠাই—বিং. যমপুৰীত কোনো বস্তু দি সাহায্য কৰোঁতা মানুহ নাই। কিন্তু এই পৃথিবীত যি বস্তু পৰক দান কৰা যায়, সেই বস্তু মাথোন যমপুৰীত পোৱা যায়। এতেকে,—সহায়-সাৰথীহীন যম-নগৰ, the hell where there is none to help.

যমৰ দক্ষিণ দুৱাৰ—বিং, যমৰ নগৰৰ দক্ষিণ দুৱাৰত মহাপাপীবিলাকক দুৰ্যোধ শাস্তি দিয়া হয়। এতেকে,—দুৰ্যোধ শাস্তিৰ ঠাই, a place of pitiless punishment, a hellish place.

যমৰ দুৱাৰৰপৰা অহা—ক্রি. মৃত্যুপ্রায় অৱস্থাৰপৰা আৰোগ্য লাভ কৰা, পুনৰ্জ্জীৱন পোৱা, to return from portals of death.

যমৰ যাতনা—বিং, [যমৰ বিহিত যাতনা] উগ্র শাস্তি, hellish torments.

যাচি কীল খোৱা—ক্রি, যাচক হৈ কীল খোৱা অর্থাৎ নিজে খজি পৰৰ হাতুৰাই নিজৰ অপকাৰ সাধন কৰোৱা, to pr[illegible] danger by foolish action.

যাচি দিলে মাণিকত দৰ নোহোৱা—ক্রি, মাণিক বহুমূল্য বস্তু, [illegible] দিয়া যায়, তেনেহলে তাৰো দৰ নাইকিয়া হয়। এতেকে, সহজে পোৱা বস্তুক অনাদৰ কৰা, to slight anything which is got without an effort.

যাৰ বল তাৰ চল হোৱা—ক্রি, বলী মানুহে কোনো কার্য্য কৰিবলৈ সুবিধা পোৱা, the attaining of an advantage by a powerful person.

যাৰ বুঢ়া গৰু মৰে সি নেওৱত ধৰা—ক্রি, বুঢ়া গৰু মৰিলে গিৰিহঁতে হে নেওৱত ধৰি তাক পেলাবলৈ টানি নিয়ে, আন মানুহে নোছোৱে। এতেকে,—পৰজী মানুহে নকৰিব লগীয়া কার্য্য কৰা কিন্তু আনে তেনে কার্য্য নকৰা, the doing of a thing by a person who is responsible to do it and by none else when the thing happens to be an unpleasant one.

যাৱত চন্দ্র দিবাকৰ—ক্রি,-বিণ, যাৱত চন্দ্র সূর্য্য বর্ত্তমান থাকে, তাৱত কাল অর্থাৎ চিৰকাল, for ever.

যি মুলা বাঢ়িব তাৰ হুপাততে চিন ওলোৱা—ক্রি, পুলি হুপতীয়া হ'তেই, তাৰ শ্রী দেখি মুলা বাঢ়িব বুলি জনা যায়। মানুহক মুলাৰে তুলনা কৰা হৈছে। এতেকে,—যি মানুহ ভবিষ্যতে ডাঙৰ লোক হব তাৰ চিন লৰা-কালতে ওলোৱা, the appearing of the signs of greatness during infancy in the case of a person who will become a great man during maturity.

যুগ ভল যোৱা—ক্রি, এটা যুগ ওলালে যোৱা অর্থাৎ অতীত হোৱা, বহুকাল অতিবাহিত হোৱা, the passing away of a considerable period of time.

যুগ ধর্ম্মৰ বল—বিং, প্রত্যেক যুগত ধর্ম্মৰ বল যেলেগ, যেনে :—সত্যযুগত ধর্ম্ম ৪ পাদ, পাপ শূন্য, ত্রেতাযুগত ধর্ম্ম ৩ পাদ, পাপ ১ পাদ; দ্বাপৰযুগত ধর্ম্ম ২ পাদ, পাপ ২ পাদ; কলিযুগত ধর্ম্ম ১ পাদ, পাপ ৩ পাদ। এতেকে,—কোনো যুগত ধর্ম্মৰ যেনেকুৱা বল হব লাগে তেনেকুৱা বল অর্থাৎ যুগৰ প্রকৃতি-গত ধর্ম্ম, the characteristic virtue of a particular æon.

যেই বাটে অহা সেই বাটে যোৱা—ক্রি, আহি থিত হোৱা মাত্রকতে নোৱোৱাকৈ অহা বাটেই উভতি যোৱা. যি কার্য্যৰ নিমিত্তে আহে সেই কার্য্য সিদ্ধি নোহোৱাকৈ উভতি যোৱা, বিফল-মনোৰথ হোৱা, to go back disappointed.

যেন কুটৰ ঘাই—বিং, .[যেতেক কুটৰ মাজত ঘাই] যিমান কুট-বুদ্ধিৰ মানুহ আছে, সেইবিলাকৰ মাজত ঘাই অর্থাৎ প্রধান। এতেকে,—অঞ্জালৰ মূল, the root of all trouble.

যেত লৰাৰ তেত বুদ্ধি—বিং, লৰা যেতেক ডাঙৰ, তাৰ বুদ্ধিও তেতেক ডাঙৰ। এতেকে,— লৰাৰ বয়স অনুযায়ী বুদ্ধি, the understanding of a boy according to his age.

যেতেকে বস্তু দেখা তেতেকে খেদি যোৱা—ক্রি, কেঁচুৱা লৰাই বস্তু যেখিলে ধৰিব খোজে। যি বস্তু যিমান যোচকৈ বস্তু হয়, সি তাক সিমান বেচিকৈ খেদে। বাহিৰে ধুনীয়া কিন্তু ভিতৰে অসাৰ বস্তুক বস্তু বস্তুৰে তুলনা কৰা হৈছে। এতেকে,—বাহ্যিক সৌন্দর্য্য যিমান বেচি মানুহে সিমান তাক পাবলৈ হেঁপাহ কৰা অর্থাৎ আভ্যন্তৰিক অসাৰ-

ভুৱা বিষয়ে ভাবি নাচাই বাহ্যিক সৌন্দর্য্যত মানুহ মোহিত হোৱা, to hunt after anything unreal being attracted by the outward glamour of it.

যেনি জোল যোৱা তেনি ভেঁটা দিয়া—ক্রি, কলৰ পাতত টেঙ্গা কাটি খোৱা হয়। কাটোঁতে টেঙ্গাৰ জোল পাতত বৈ যায়। যেনি জোল যায়, সেই পিনে পাতখন দাঙ্গি দি, জোল বাগৰি মাটিত পৰিব নোৱৰাকৈ ভেঁটা দি ৰখা হয়। তেনে কৰোঁতে আন এপিনে জোল বাগৰিলে, তেতিয়া ঘুৰি সেই পিনে পুৰ্ব্বৰ দৰে ভেঁটা দিয়া হয়। সেইৰূপে মানুহে কোনো কথা যেই পোনে যেয়ালৈ চাল লয়, সেই পোনে ভেঁটা দি ঠিক্‌কৈ ৰাখে অর্থাৎ নিজৰ সিদ্ধান্ত মতে কার্য্য নকৰি, সুবিধা বুজি কার্য্য কৰি অমঙ্গল নিবাৰণ কৰি, নিজৰ স্বার্থ অটুট ৰাখে। এতেকে,—সুবিধা বুজি মত সলাই কার্য্য কৰা, to adapt oneself to expediency.

যেনিয়ে যাওঁ ভেঁট ভেঁট—বিং, (উপকথা) শিয়ালক দেখিলে মানুহে তাক মাৰিবলৈ অগা-ভেঁটা কৰে। ৰৱলোক যেনিয়ে যায়, তেনিয়ে মানুহ-বিলাকে তেওঁৰে ভেঁট হবলৈ আহে। শিয়ালে শিয়ালিৰ আগত কয়ঃ—"তই হে মোক গণিতা নকৰ। বাহিৰলৈ ওলাই গলেই, যেনিয়ে যাওঁ ভেঁট ভেঁট।" এতেকে,—সর্ব্বত্র আদৰ-সমাদৰ। (বিদ্রূপ), a triumphal public reception everywhere (used ironically).

খোৱা খোৱা হোৱা—ক্রি. [খোৱা থকা হোৱা] এবেলি যায় এবেলি থাকে এনে হোৱা অর্থাৎ মৃতপ্রায় হোৱা, to be in a precarious condition.

ব।

বং-শিঙ্গা বজোৱা—ক্রি, (উপকথা) মেনী ম'হে ধাবিত মানুহৰ লৰা এটা হেৰোৱা পাই তুলি লৈছিল। ম'হ নিলগত চৰি থাকোঁতে, লৰাটোৱে এটা বং-শিঙ্গা বজাই থাকে। 'প্ৰতিয়া' লৰাৰ কোনো অপায়-অমঙ্গল হোৱা নাই বুলি ম'হে জানিব পাৰে। এতেকে,—আনন্দৰ জাননী দিয়া, to publish a good news.

বঙ্গৰ কীল গুৰুল'-গুকল হোৱা—ক্রি, (গুকলা-গুকল=গেৰেলা-গেৰেল অৰ্থাৎ ডাঙৰ।) বঙ্গৰ ওপৰত ডাঙৰ মাৰ-কীল হলেও দন্দ নালাগে। এতেকে,—ধেমালিত কৰা ডাঙৰ প্ৰহাৰো অকাংৰে সহ্য কৰা, not to be offended even by a severe assault if it is committed only playfully.

বঙ্গা ঠঙ্গা পাৰি দিয়া—ক্রি, মানী লোকক বাহিৰলৈ বঙ্গা ঠঙ্গা পাৰি দিয়া হয়। এতেকে,—মান-সম্ভ্ৰম কৰা, to show reverence.

বঙ্গা বদ ওলোৱা পৰ—বিং, ৰাতিপুৱা প্ৰথমতে বেলি ওলোৱা পৰত যদৰ বৰণ বঙ্গা দেখা যায়। এতেকে,—সূৰ্যোদয় কাল, sun-rise.

বঙ্গাৰ আগত কথা কোৱা—ক্রি, বঙ্গাৰ আগত কথা কবলৈ হলে অতি সাৱধানে কব লাগে। এতেকে,—ডাঙৰ মানুহৰ আগত অতি সাৱধানে কথা কোৱা, to talk with a great man in a very guarded manner.

বঙ্গাৰ জী আইদেও—বিং, আহোম বঙ্গাৰ দিনত বঙ্গাৰ জীয়েকক 'আইদেও' বোলা হৈছিল। এতেকে,—বন-বাৰী কৰিব নোৱৰা সুকোমল ছোৱালী, a delicate girl who is unaccustomed to do any labour.

বঙ্গাৰ ধনৰ ওপৰত ভোট গিৰিহঁত ওলোৱা—ক্রি, (ভোট=ভোটা, ডাঙৰ।) ৰাজ-ভঁৰালত ভঁৰালী থাকে। বঙ্গাৰ আদেশ মতে ভঁৰালীয়ে আয়-ব্যয় চলায়। এই স্থলত কোৱা হৈছে, যে ভঁৰালীয়ে নিজেই প্ৰকৃত গিৰিহঁত বুলি ভাব কৰে। এতেকে,—এজনৰ বস্তুত আন এজনে গিৰিহঁত বোলাই কাৰ্য্য কৰা, to play the role of the master of a thing being in fact only the keeper of it.

ৰণত পৰি কলিয়া হোৱা—ক্রি, ৰণ কৰিবলৈ গলে দুখ কষ্ট সহিব লগীয়া হোৱাত চেহেৰা ক'লা হয়। এই স্থলত বুজোৱা হৈছে, যে সাধাৰণ অৱস্থাত চেহেৰা ভাল আছিল, কিন্তু আকস্মিক ঘটনাত চেহেৰা বিগৰিছে। এতেকে,— আকস্মিক বিপদত পৰি অৱস্থাহীন হোৱা, to be ill off on account of an unforeseen adverse circumstance.

ৰণ-শিঙ্গা বজোৱা—ৰণত ৰণ-শিঙ্গা বজোৱা হয়। এতেকে,—ৰণলৈ আহ্বান কৰা, to challange to fight.

ৰসতে নাম থোৱা—ক্রি, সবাহৰ শেষত উৎসাহেৰে থৰকৈ চাপৰি বজোৱা হয়। তেতিয়া নাম-গোৱাৰ ৰস ওলায়। কিন্তু থৰ চাপৰি যদি বহু পৰ ৰখা হয়, তেনেহলে হাত বিষাই চাপৰি ঢিলা আৰু লেটি-পেটি লাগি পৰে। তেতিয়া নাম-গোৱাৰ ৰস নাইকিয়া হয়। তেনে অৱস্থা নৌ হওঁতেই নাম থৰ লাগে, এই ভাব বুজোৱা হৈছে। এতেকে,— কোনো কাৰ্য্যৰ নিমিত্তে উৎসাহ প্ৰবল থকা অৱস্থাতে সেই কাৰ্য্য সমাধা কৰা, to finish a thing before the interest begins to wane.

ৰহু-বহী তিৰোতা—বিং, ('ৰস' পদ দিহ হৈ এই শব্দৰ উৎপত্তি হৈছে।) ৰসাল আলাপ কৰা তিৰোতা, a woman who talks humorously, a mirthful woman.

ৰা-বাঁহৰ চেপা—বিং, [ফাড়া বাঁহৰ চেপা] (হিন্দী,—'ফাড়া' শব্দৰপৰা অসমীয়া 'ফলা' শব্দ ওলাইছে।) ফলা বাঁহেৰে দিয়া চেপা অৰ্থাৎ উগ্ৰ-শাস্তি, excruciating torture.

ৰাইজ ঐ ৰজাৰ শৰণ—বিং, আতুৰত মানুহে এই বুলি চিঞৰি কয় :—"ঐ ৰাইজ ঐ ৰজা, আপোনালোকৰ শৰণাগত হৈছোঁ, বিপদৰপৰা ৰক্ষা কৰক।" এতেকে —ৰাইজ আৰু ৰজাৰ দোহাই, adjuration by the people and the king.

ৰাইজৰ লগত নমৰিলেও চকুমুদা—ক্রি, সমাজৰ সকলো মানুহ যদি মৰে, তেনেহলে কোনো এজন মানুহ যদি নমৰাকৈ থাকে, তেনেহলে সিও মৰা উচিত, তাকে কৰিব নোৱাৰিলে, অন্ততঃ চকুমুদি মৰাৰ দৰে থাকিব লাগে, এই ভাব বুজোৱা হৈছে। এতেকে,—ৰাইজৰ মতৰ বিৰুদ্ধে

কার্য্য নকরা, not to run counter to the wishes of the majority.

রাইজে নথ জোকারিলে নদী হোরা—ক্রি, বহু মানুহর নখর পানী এটোপা এটোপা পরিলেই পানী সরস্ত দমি নৈর দরে বৈ যায়। এতেকে,—প্রত্যেক মানুহে অলপ মাথোন কার্য্য করিলেও বহু মানুহর মিলনত বহু কার্য্য হোরা, the doing of a great thing by small individual efforts of many people working in co-operation.

রাও রাদ্ধি কন্দা—ক্রি, [রার রাদ্ধি কন্দা] পদ-বন্ধে রার রাদ্ধি কন্দা, ডাঙর স্বরেরে নেরানেপেরাকৈ কন্দা, to lament loudly.

রাওমুরা—বিং, [রাওমুখীয়া] মুখেরে রার কঢ়া, হুতাশীল, howling, noisy, boisterous.

রাগ'টনা—ক্রি, (রাগ=গীতর রাগ।) রাগ টানি অর্থাৎ দীঘলীয়াকৈ চিঞরি গোরা হয়। এতেকে,—চিঞরি গোরা, to speak loudly.

রাঙ্গলী ঘোঁরাত উঠা—ক্রি, ঘোঁরাত উঠি মানুহে চেকুরি ফুরে। মদ খালেও তার জাল লাগি মুর ফুরাই চেকুরি ফুরার নিচিনা ভাব হয়। মদর বরণ রঙ্গা দেখি তাক রাঙ্গলী ঘোঁরারে তুলনা করা হৈছে। এতেকে,—মদ্যপানর দ্বারা মতলীয়া হোরা, to ride a red mare i. e. to be intoxicated with wine (which is red-coloured).

রাঙ্গ ভগনর কথা কওঁতে কল-থোকা বাহুলিয়ে থোরা কথা উলিওরা—ক্রি, (রাঙ্গ-ভগন=রাষ্ট্রবিপ্লর।) এজনে রাষ্ট্রবিপ্লরর নিচিনা ভয়ানক ঘটনার বিষয়ে কথা কওঁতে আন এজনে সেই কথার ওপরতে কল-থোকা বাহুলিয়ে থোরার নিচিনা এটি অতি সামান্য ঘটনার বিষয়ে উল্লেখ করে বোলা হৈছে। এতেকে,—গুরুতর বিষয়র আলাপর মাজত অতি লঘু বিষয়র প্রস্তাবনা করা, to refer to a worthless incident in the midst of a conversation on a momentous subject.

রাজহুরা কথাই ফটা জালে সমান হোরা—ক্রি, ফটা জালত মাছ নরয়। সেই রূপে রাজহুরা কথাতো কোনো এটা মত নরয় অর্থাৎ এজনে এটা মত দিলে আন এজনে সেই মত ভাঙি পেলায়! এতেকে,—রাজহুরা কার্য্য

নিষ্ফল হোৱা, the coming to nought of a joint business.

বাতি-খোৱা ভকত—বিং, কোনো কোনো ভকতবিলাকে সাধাৰণ মানুহে নেদেখাকৈ কোনো বিশেষ ধৰ্ম্মপন্থা অনুযায়ী নিয়ম-কাৰণেৰে মাজে-বাতিৰ পিচত ভোজ-ভাত খায়। সকলো ভকতে তাত জাতি-বৰ্ণ নিৰ্ব্বিশেষে একে লগে বহি খায় আৰু তেনে ভোজত অখাদ্য বস্তুও চলে। এতেকে,—অনাচাৰী মানুহ, a heretic.

বাতিক দিন কৰি—ক্রি-বিণ, দিনত যেনেৰূপে কাৰ্য্য কৰা হয়, বাতিও সেইৰূপে কাৰ্য্য কৰা হয়, এই ভাব বুজোৱা হৈছে। এতেকে,—কায়-ক্লেশে, অত্যন্ত পৰিশ্ৰমৰ দ্বাৰা, with great efforts, laboriously.

বাতিটোকে হাতীটো দেখা—ক্রি, বাতি ক'লা, হাতীও ক'লা। দুইটা শব্দৰে উচ্চাৰণৰো সাদৃশ্য আছে। হাতী ডাঙৰ জন্তু। এই স্থলত কোৱা হৈছে, যে বাতিটো হাতীটো অৰ্থাৎ হাতীটোৰ সমান ডাঙৰ। এতেকে,—বাতিৰ দিতৰতে ডাঙৰ ঘটনাৰ দ্বাৰা আক্ৰান্ত হোৱা, একেটা বাতিতে বহু দুৰ্ঘটনাৰ দ্বাৰা অভিভূত হোৱা, to be confronted with the dark night which may hold in its womb any calamity of unforeseen character.

বাতিৰ পাচত দিন হয় বুলি অজান ফকিৰেও জনা—ক্রি, ফকিৰে ভবিষ্যৎ কথা জানে। 'অজান ফকিৰ' এই বাক্যে 'ভবিষ্যৎ কথা নজনা ফকিৰ' বুজায়। বাতিৰ পাচত দিন হয়, সেইটো কথা কবলৈ ভবিষ্যৎ বক্তা নালাগে, এই ভাব বুজোৱা হৈছে। এতেকে,—স্বতঃসিদ্ধ কথাক ভবিষ্যৎ উক্তি-স্বৰূপে কোৱা, to prophesy a fact which is self-evident to the meanest intelligence.

বাতি সেৱা—বিং, [বাতি দেৱতা সেৱা] কোনো বিশেষ ধৰ্ম্ম-পন্থাৰ মানুহে দেৱতা-সেৱা কৰিবৰ নিমিত্তে গুপ্তভাৱে সবাহ পাতে। এতেকে,—গুপ্ত মেল, a secret assembly.

বাধাপটি বাট—বিং, পূৰ্ব্ব-কালত শ্ৰীকৃষ্ণই গৰু চৰাওঁতে বাধাই তেওঁৰ ওচৰলৈ ইমান সঘনে অহা-যোৱা কৰিছিল, যে হাবিৰ মাজত বহল মুকলি পটি হৈ গৈছিল। এতেকে,—বহল মুকলি বাট, a wide open path.

বাঙ্কনী উচটাই জোল খোৱা—ক্রি, বাঙ্কনী ভাল বুলি কলে উচটনি পাই তেওঁ শলাগোঁতাজনক অধিককৈ আজা ও জোল দিয়ে। এতেকে,—

উচটাই স্বার্থ-সিদ্ধি কৰা, to induce a person to give something away by means of flattery.

বান্ধনী বেলি ওলোৱা পৰ—বিং, বাতিপুৱা বান্ধনীয়ে যেতিয়া ভাত বান্ধিবলৈ সোমায় তেনে সময় অর্থাৎ দিনৰ এপৰীয়া সময়, the part of the day in which a house wife enters into the kitchen for cooking the mid-day meal i e. forenoon.

বাম গঙ্গা একো নমত—ক্রি, কথা-বার্ত্তা পাতোঁতে কোনো কোনো মানুহে 'বাম গঙ্গা' 'হৰি হৰি' 'শ্রীবিষ্ণু' ইত্যাদি কথা উচ্চাৰণ কৰে। এই স্থলত বুজোৱা হৈছে, যে আন কথা যে একো কোৱাই নাই, 'বাম গঙ্গা' এই কথা পর্য্যন্ত উচ্চাৰণ কৰা নাই। এতেকে,—সমুলি মাত নমতা, not to speak a word.

বাম টাঙ্গোন জোকৰা—ক্রি, বাম ডাঙৰ বীৰ আছিল। এতেকে,—বীৰৰ ডাঙৰ টাঙ্গোন জোকৰা অর্থাৎ মৰিয়াবলৈ উদ্যত হোৱা, to brandish a heavy stick, to intimidate.

বাম নহৈ যম হোৱা—ক্রি, অগ্নি-পৰীক্ষাৰ পাচত সীতা দেবীয়ে এই বুলি আক্ষেপ কৰিছিল, যে বামক সকলোৱে ভাল বুলি লাগে, কিন্তু তেওঁৰ মানত তেওঁৰ স্বামী বাম নহৈ যম হল। সীতা দেবীৰ উল্লিখিত উক্তিৰপৰা এই বাক্যৰ উৎপত্তি হৈছে। এতেকে,—সাধু পুৰুষ হৈও ঘোৰ অপকাৰ কৰা, to act evilly though reputed to be a good man.

বাম বাৱণৰ যুদ্ধ—বিং, বাম আৰু বাৱণৰ ভিতৰত ভয়ঙ্কৰ যুদ্ধ হৈছিল। এতেকে,—ঘোৰতৰ যুদ্ধ, a terrible war.

বামৰ বাজ—বিং, বামৰ বাজ্য শান্তিময় আছিল। এতেকে.—শান্তিময় বাজ্য-শাসন, reign of peace.

বামে মাৰিলেও মৰা, বাৱণে মাৰিলেও মৰা—ক্রি, বাম বাৱণৰ যুদ্ধত বাৱণৰ সেনাবিলাকে যুদ্ধ কৰিবলৈ বৰ ভয় পাইছিল। কিন্তু বাৱণ অতি দুৰন্ত বজা আছিল। কোনো বণুৱাই যুদ্ধলৈ আওহেলা কৰিলে, তৎক্ষণাৎ বাৱণে তাৰ প্রাণ-বধৰ দণ্ড দিছিল। সেইবিলাকে নিকপায় হৈ যুদ্ধলৈ ওলাওঁতে এই কথা কয়:—"বামে মাৰিলেও মৰিম, বাৱণে মাৰিলেও মৰিম।" এতেকে,—কোনো কার্য্য কৰিলেও বিপদ নকৰিলেও বিপদ এনে অৱস্থা পোৱা, একো পোনে

নিস্তাৰ নোপোৱা, to be confronted with danger on either way.

বাৱণৰ চিতা জ্বলা—ক্রি, প্রবাদ আছে যে বাৱণৰ চিতা আজিলৈকে জ্বলি আছে, আৰু সি কোনো কালে নুনুমায়। এতেকে,—সংস্কৃতিকাল জ্বলি থকা, চিৰকাল স্থায়ী হোৱা, to last for all time, to be perpetual.

বাৱতে শিয়াল পথৰা বুলি চিনা—ক্রি, (উপকথা) শিয়ালে আঁচু-কাঠৰ পানীত জোবোৱা খাই পথৰা হল। তাৰিৰ ভতুলিলাকে তেতিয়া শিয়ালক চিনিব নোৱাৰি ভয়ত বিহ্বল হ'ল। শিয়ালে চেলু পাই নিজকে বঙ্গা বুলি পৰিচয় দিলে। অৱশেষত অন্যান্য শিয়ালে হোৱা দিলত, স্বভাবসিদ্ধ ধৰ্ম্ম অনুসৰি পথৰা শিয়ালেও 'হোৱা' 'হোৱা' বাৰ কাঢ়িবলৈ ধৰিলে। সি প্রকৃতিতে শিয়াল, গাত বং সানি পথৰা হৈ বঙ্গা বুলি মিছাকৈ পৰিচয় দিছিল, এই কথা তাৰ বাৱতে ধৰা পৰিল। এতেকে,—কোনো মানুহৰ স্বৰূপ তাৰ স্বভাবৰ দ্বাৰা চিনি পোৱা, to know a person by his conduct.

বাহিয়ে বাহিয়ে অহা—ক্রি, (বাহি=বাশি। অহা=মিল হোৱা।) মতে মতে মিল হোৱা, to be of one mind in any matter.

বিণিকি বিণিকি দেখা—ক্রি, (বিণিকি বিণিকি=বিণি বিণি অর্থাৎ বিঙ্গি বিঙ্গি বা অলপ বঙ্গা হৈ।) বহু দূৰৰ বস্তু বেলিৰ পোহৰ পৰি অলপ মাথোন বঙ্গচুৱাভাৱে দেখা যায় বোলা হৈছে। এতেকে,—বহু দূৰৰপৰা যৎকিঞ্চিৎ পৰিমাণে দেখিবলৈ পোৱা, to see indistinctly at a long distance.

ৰুকুণী—বিং, [রুক্মিণী] রুক্মিণী শ্রীকৃষ্ণৰ ভার্য্যা। তেওঁ অতি ৰূপৱতী আছিল। এতেকে,—অতি ৰূপৱতী তিৰোতা, a very beautiful woman.

ৰূপত বাং চবোৱা—ক্রি, ৰূপ ধুনীয়া বস্তু। তাৰ ওপৰত বাং চবালে সি দেখিবলৈ আৰু ধুনীয়া হয়। এতেকে,—ধুনত ধুন বঢ়োৱা, to add beauty to what is already beautiful.

ৰূপতী দেখি চুপতি কৰা—ক্রি, (ৰূপতী=ৰূপৱতী।) ৰূপৱতী তিৰোতা দেখিলে মানুহে চুপতি কৰে। এতেকে,—সুন্দৰ বস্তু দেখি লোভ

কৰা, পৰৰ ভাল বস্তু দেখি পাবৰ আশা কৰা, to desire to possess a thing on account of its attractive appearance.

বেচত পেঁচ—বিং, [বেচ-পেঁচ] ('বেচ' অনুৰূপ শব্দ।) তিৰোতাৰ সাজ-পাৰৰ কমনীয় আকৃতি, niceties in a woman's habiliments.

বেপি কটা—ক্রি, যন্ত্রণা দি বধিবলৈ হলে, দাবে লাহে লাহে বেপ দি দি কাটে। এতেকে,—লাহে লাহে বহুক্ষণ যন্ত্রনা দিয়া, to put to slow torture.

বেৰত ৰজাৰ দিনত—ক্রি-বিণ, বেৰত সত্যযুগৰ ৰজা আছিল। তেওঁৰ জীয়েক বেৰতীক দ্বাপৰযুগত বলভদ্রে বিয়া কৰিছিল। এতেকে,—বহুকাল পূৰ্ব্বে, long time ago.

বৈ বৈ যোৱা—ক্রি, [বহি বৈ যোৱা] (বহি=বস।) উপচি যোৱা, অপৰিমিত হোৱা, to be over-plentiful.

বোহ-ঘৰত সোমোৱা—ক্রি, আগৰ দিনত ৰৰলোক সকলৰ একোটা বোহ-ঘৰ আছিল। তেওঁবিলাকৰ পৰিয়ালৰ কোনো জনে ঠেহ পাতিবলৈ হলে, বোহ-ঘৰত সোমাই থাকে। এতেকে,—ঠেহ পতা, ওফোন্দ পতা, to be offended.

বৌ-জাল বৌ-জাল কৰা—ক্রি, [বৌ-জাল বাহু-জাল কৰা] বৌ মাছ আৰু বাহু মাছ মৰা জাল ডাঙৰ। সেই জাল পেলাওঁতে বহু দূৰলৈকে মেলি পৰে। এই স্থলত কোৱা হৈছে, যে ডাঙৰ জাল বহু দূৰলৈ মেলাৰ দৰে কথা বহু দূৰলৈ মেলি দিয়ে। এতেকে,—কথা বহু দূৰলৈ প্রচাৰ কৰা, কথা বাষ্ট্ৰ কৰা, to publish a fact widely.

বৌ বৌ নৰক—বিং, [বৌৰৰ নৰক] যমপুৰীত যিবিলাক নৰক আছে, তাৰ ভিতৰত বৌৰৰ নৰক সকলোতকৈ জঘন্য। এতেকে,—অতি জঘন্য ঠাই, the worst place.

বৌ-বৌ-কৈ ধৰা—ক্রি, কুকুৰে অচিনাকি মানুহ বা জন্তু দেখিলে বৌ-বৌ-কৈ ভুকি ধৰে। এতেকে,—কোনো মানুহক কোনো বিষয়ে টান কথা কৈ ধৰা, to make an insistent demand for anything.

বৌটোকে ঢোটো কৰা—ক্রি, নৈত নাও বাই যাওঁতে, বৌ মাছে নাওৰ বাৰত আহি কেতিয়াবা কোবায়। নাৱৰীয়াবিলাকে জল-যাত্রাৰ ভীষণতা পিচত আনক বুজাবলৈ ৰবাইকৈ কয়, যে চৌৰে ধাউম-ধাউম-কৰে

নাওৰ বাবত কোবাইছিল, আৰু সিহঁতে সুনিপুণভাবে নাও চলাই তেনে বিপদ অতিক্রম কৰি আহিছে। এতেকে,—সৰু কথাকে ডাঙৰ কথা বুলি কোৱা, কথা বঢ়াই কোৱা, to exaggerate.

ল।

লখিমী তিৰোতা—ক্রি, (লখিমী=লক্ষ্মী।) লক্ষ্মী ঐশ্বর্য্য-বিভূতিৰ অধিষ্ঠাত্রী দেবী। এতেকে,—দেবী-তুল্য তিৰোতা, a woman of excellent accomplishments.

লগত যোৱা নৰিয়া—বিং, যি নৰিয়া মানুহটো মৰিলে তাৰ লগত যায় অর্থাৎ মৃত্যু-কাল পর্য্যন্ত থাকে তেনে নৰিয়া, চিৰস্থায়ী নৰিয়া, a permanent disease.

লগুণ-গাঁথি দিয়া—ক্রি, বিয়াত এখন কাপোৰেৰে দৰা আৰু কন্যাক সংলগ্ন কৰি দিয়া হয়। এতেকে,—স্বামী ভার্য্যা-সম্বন্ধেৰে আবদ্ধ কৰা। ('লগ্ন-গাঁথি' শব্দৰপৰা 'লগুণ-গাঁথি' শব্দৰ উৎপত্তি হৈছে।), to unite a couple in wedlock.

লঘু হোৱা—ক্রি, পাতল হোৱা অর্থাৎ লাঘুনা পোৱা, অপমানিত হোৱা, to be put out of countenance, to be insulted.

লতাপতা লগা—ক্রি, [লতা-পাত লগা] (লগা=সম্বন্ধ লগা।) লতা বগাই-জোগাই তাৰ আগটোত থকা পাতখনে গৈ কোনো বস্তু ছোৱে গৈ। এতেকে,—বহু দূৰণীয়া সম্বন্ধ লগা, to be connected by distant relationship.

লফা হোৱা—ক্রি, লফা নিচেই কোমল শাক, তাক দাবলৈ অতি সহজ। এতেকে,—সহজে কাটি-ছিঙি খৰচৰ কৰা, to cut up easily, to destroy completely without difficulty.

লমো লমে দাড়ি—বিং, [লম্বা লম্বা দাড়ি] (উপকথা) বাঘে ছাবিত ছাগলীক দেখি কলে "লমো লমে, দাড়ি থলে কবে মিলা, এই জন পুকুবে খাটে বনবাস।" বাঘে ছাগলী কেলেকুয়া জন্তু আগেয়ে দেখা নাছিল। ছাগলীয়ে বাঘব অজ্ঞতা বুজিব পাবি উত্তব দিলে :—"বাঘ খালোঁ ছাব খালোঁ আক খালোঁ হাতী, আঁকা-বকা খাবলৈ নাপাই খপিজোঁ ছি বাতি।" বাঘ নিজে আঁক-বাক। তাকে খাবলৈ ছাগলীয়ে খাপ দিছে বুলি ভাবি ভয়ত অস্থিব হৈ পলাই লব মাবিলে। টেঙ্গব ছাগলীয়ে বুদ্ধিবে বাঘব মুখবপবা সাবিল। এতেকে,—দীঘল দাড়ি, a long beard.

লবত ফেঁচী সাপব মুব ছিগা—ক্রি, ফেঁচী সাপ বব খঙ্গাল। সি ফেঁট তুলি মানুহক খোঁটে। এই স্থলত ইমান বেগেবে লব মাবে বোলা হৈছে, যে ফেঁচী সাপে ফেঁট তোলোঁতেই তাব মুব ছিগি যায়, সি খুটিবলৈ সময় নাপায। এতেকে,—অতি কোবেবে লব দিয়া, to run too fast.

লবা পোৱা—ক্রি, সন্তান প্রসব কবা। (পোৱা=লাভ কবা।) to be delivered of a child.

লবা-ছোৱালীব পেঁপে-জেঁজেঁ—বিং, (পেঁপে=পেঁপাব মাত। জেঁজেঁ= জিলিব মাত।) লবা-ছোৱালীব হাই-কোঢ়াল, confused noise made by children.

লবা ভুকফিওৱা—ক্রি, মানুহে লবাক ফাঁকটি কথাবে ভুকফিয়ায় অর্থাৎ ছলনা কবে। ('ভাঁড়ে' আক 'ভুকফিয়ায়' মূলত একে।) এতেকে,—লবাক যেনেকৈ ফাক্-ফুক্ কথাবে ফুচুলায় সেইৰূপে ফুচুলোৱা, লবালি ফাঁকি কবা, to play a childish trick.

লবাইতব মাক—বিং, লবা-ছোৱালীবিলাকব অর্থাৎ পুতেক-জীয়েকবিলাকব মাক, অর্থাৎ বৈধীয়েক, the mother of one's children i. e. a wife.

লৰ্ৱাং লাখুটি—বিং, [লৰবৰ লাখুটি] লাখুটি লৰবৰ কবি ফুবে। এতেকে,—আত্মীয়-স্বজনবিহীন লবি ফুবা অকলশবীয়া মানুহ, a vagabond.

লল-সস কবা—ক্রি, (লল কবা=জিবা লল কবা অর্থাৎ খবকৈ লবোৱা। সস কবা=সস-কবে কথা কোৱা অর্থাৎ বহু আলাপ কবা।) অতি

মিত্র মানুহৰ ভিতৰত খৰাধৰিকৈ বহু আলাপ হয়। এতেকে,—অতি মিত্রতা বুজাই আলাপ কৰা। (বিদ্রূপ). to talk like a very intimate friend (used in a depreciative sense).

লহোৱা বহোৱা—ক্রি, [লাহোৱা বিলাহোৱা] লাস-বিলাস কৰা, to flirt, to coquet.

লাংখা-লিংখি—বিং, (লাংখ, = লাং খোৱা অর্থাৎ মাৰিৰ দৰে পৰি থকা। লিংখি অনুরূপ শব্দ।) পৰি থকা বস্তু-বেহানি, কম মূল্যৰ সৰু-সুৰা বস্তু, odds and ends.

লাং খাই পৰা—ক্রি, (লাং = ডাং, মাৰি।) লম্বৰ নিচিনাকৈ পৰি থকা অর্থাৎ মাটিত দীঘল হৈ পৰি যোৱা, to lie down at full length, to fall prostrate.

লাংলাং-ঠাংঠাং—বিং, ["লৈলৈ-থৈথৈ" চোৱাঁ।]

লাই পালে কুকুৰে গলৈ জঁপিওৱা—ক্রি, হিন্দুৰে কুকুৰক অশুচি জন্তু বুলি ধৰে। কুকুৰে ছুলে গা ধুব লাগে। অসমীয়া হিন্দুৰে কুকুৰক ওচৰ চাপিবলৈ নিদিয়ে। এই সূত্রত কোৱা হৈছে, যে লাই পালে তেনে অস্পৃশ্য কুকুৰেও গলৈকে জঁপিয়াই লেজেৰা-লেজেৰি কৰে। এতেকে,—লাই পালে নীচ মানুহেও ঘনিষ্ঠতা-ভাব দেখুওৱা, the showing of undue familiarity by a mean person to a great man if allowed too much indulgence.

লাই লেচাই—বিং, আসামৰ বজা গদাধৰ সিংহৰ দুজন পুতেক আছিল। এজনৰ নাম লাই আৰু আন এজনৰ নাম লেচাই। এতেকে,—যেহ সেই দুজন মাথোন, two persons,—neither more nor less.

লাই লেজু—বিণ, [লাহি লেজু] লেজু দীঘল কিন্তু লাহি। এতেকে,—গা-গাৰি নাইকিয়া দীঘল, thin and tall.

লাওৱে লাওৱে পানী খোৱা—ক্রি, দুখীয়া মানুহে লাওৰ ভিতৰটো পেলাই, পেলা অংশ উলিয়াই পেলাই, লোটা-কলহৰ নিচিনা পানী-পাত্র-স্বৰূপে তাক ব্যৱহাৰ কৰে। ডাঙৰ বিপদ হলে পিয়াহ লাগে। তেতিয়া লাওৱে লাওৱে অর্থাৎ অধিকৈ পানী খাব লগীয়া হয়। এতেকে,—ঘোৰ বিপদগ্রস্ত হোৱা, মহা কষ্টত পৰা, to be involved in great difficulty, to be highly embarrassed

লাও-পাত, কচু পাত—বিণ, [লাও-পাত কচু পাত খোৱা] ছাগলীয়ে লাও-পাত, কচু-পাত যিহকে পায়, তাকে খিৱা লপ-লপাই খাই ফুৰে। যি মানুহে ভাল-বেয়া নাবাছি যিহকে পায় তাকে কয়, সিও সেইৰূপে খিৱা লপ লপাই থাকে। এতেকে,—বহুবক্ষী, talkative, prattling, garrulous.

লাখ-টকীয়া—বিণ, বহুমূলীয়া, of high value.

লাখুটিৰ খুওা খোৱা—বিণ, যি মানুহ দুষ্টালি কৰি ফুৰে,সি যাৰে তাৰে লাখুটিৰ খুওা খাই ফুৰে। এতেকে,—দুৰন্ত, অশিষ্ট, rascally, roguish.

লাগ বুলিলে পোৱা—ক্রি, [লাগে বুলিলে পোৱা] বিচৰ মাত্রে পোৱা, to get immediately on demand.

লাগ-বান্ধ নাইকিয়া—বিণ, চকুত লগা আৰু বান্ধ নাইকিয়া অর্থাৎ দেখাত আগুৰনী আৰু কার্য্যত অনুপযুক্ত, unseemly and useless.

লাগলে ভগা—ক্রি, কাঠী-বাটি লাগিলে অর্থাৎ ঠেকা-ঠেকি হলে ভাগে। এই স্থলত লাগিলে অর্থাৎ দন্দ-কাজিয়া লাগিলে ভাগে অর্থাৎ বন্ধ হয় বোলা হৈছে। 'লগ' আৰু 'ভগা' দুই অর্থ বুজোৱা হৈছে। এতেকে,—দন্দ লাগিলে কিছু কালৰ পাচত অন্ত হোৱা, the coming of quarrel to an end after lapse of some time.

লাঙ্গে-পাতে—ক্রি-বিণ. (লাং=ডং, দীঘলীয়া মাৰি।) কোনো গছ লাঙ্গে লাঙ্গে অর্থাৎ ছেও নিদিয়াকৈ, আৰু পাতেৰে অর্থাৎ পাত গুচাই নোলোৱাকৈ ঘৰলৈ অনা কথাৰপৰা এই বাক্যৰ উৎপত্তি হৈছে। এতেকে.—কোনো অংশ বাদ নিদিয়াকৈ অর্থাৎ সমুদায়ে, তেনেই, entirely, wholly.

লাজ বন্ধ হোৱা—ক্রি, পানী নচলি বন্ধ হৈ থাকিলে অধিক পানী জমে। সেইৰূপে কোনো কথাত লাজ লাগি বহু দিন গলে-লাজ বন্ধ যায় অর্থাৎ অধিক লাজ জমে। এতেকে,—লাজ পুৰণি হৈ লাজৰ মাত্রা বৃদ্ধি হোৱা, the increasing of bashfulness by lapse of time.

লাজৰ লাখুটি—বিং, লাজৰ আশ্রয়। লাজ ৰাখিবৰ নিমিত্তে অবলম্বন, a feeble support on which a person in disgrace relies in the last resort, a mask of shame and humiliation.

লাভলৈ চাওঁতে মূলৰ হতাহতি হোৱা—ক্রি, (হতাহতি=এবেলি হাতলৈ অহা আৰু

এনেলি হাতৰপৰা এবাই যোৱা।) মানুহে লাভ পাবৰ নিমিত্তে মূল মেলি দিয়ে। এই স্থলত কোৱা হৈছে, যে লাভ পোৱা দূৰত থাকক, মূল পোৱা যাব নে নাযাব, তাৰে নিশ্চয়তা নোহোৱা হয়। এতেকে,— অধিক বস্তু পাবৰ আশা কৰোঁতে পূৰ্ব্বৰ হাতৰ বস্তুও নষ্টহবৰ আশঙ্কা হোৱা, to run the risk of losing all by concerning oneself in any affair in the hope of getting more.

লাল কাগজ—বিং, পূৰ্ব্বে আসামলৈ যিবিলাক আখৰ-টোকা আগন্ধৰ আমদানি হৈছিল, সেইবিলাক বঙ্গা আছিল। এতেকে,— আখৰ-টোকা কাগজ, blotting paper.

লালুকিলৈ তপত পানী নলগা—ক্রি, লালুকি এনে অলপ-ধতুৰা প্রাণী যে পানীৰ-পৰা তাক তুলি আনিলেই সি মৰি যায়। তাক বধিবলৈ গাত তপত পানী ঢালিবৰ আৱশ্যকতা নাই। তুচ্ছ মানুহক লালুকিৰে তুলনা কৰা হৈছে। এতেকে,—তুচ্ছ মানুহক অপকাৰ কৰিবলৈ ডাঙৰ আয়োজনৰ আৱশ্যকতা নোহোৱা, the existing of no necessity for making vast preparations to injure an insignificant enemy.

লীলামালা স্তমন্ত-হৰণ পঢ়া—ক্রি, আগৰ দিনত 'লীলামালা' আৰু 'স্তমন্ত-হৰণ' পুথি পঢ়িব পৰা হলেই সাধাৰণ শিক্ষা পোৱা হয় বুলি ধৰা হৈছিল। এতেকে,—সাধাৰণ শিক্ষা পোৱা, to be fairly educated.

লুইতে হে ব'ঠাৰ কোৰ জনা—ক্রি, লুইতত নাও বাওঁতে ব'ঠাৰ কোৰ কিমান দকৈ বহে, তাক লুইতে নিজে হে জানে, আনে তাক জানিব নোৱাৰে। এতেকে,—কোনো কাৰ্য্যৰ কষ্ট ভুক্ত-ভোগীত বাজে আনে নজনা, the knowing of the nature and extent of inconvenience in any affair by a person who is the actual sufferer and none else.

লেক্‌লো পকৱা—বিং, লেক্‌লো পকৱাৰ লালি নিছিগে। এতেকে,—ক্রমাগত আহি থকা লালি নিছিগা মানুহবিলাক, a continuous stream of people.

লেকাত লগা—ক্রি, [লেকেতীয়া লগা] কোনো কাৰ্য্যত লেকেতীয়া হৈ অর্থাৎ লেহাৰলেপাকৈ লাগি থকা, to be engaged in anything

with patience and perseverance

লেখত হোৱা জোখত নোহোৱা—(লেখ = গণনা। জোখ = পরিমাণ।) কোনো বস্তু ছিচাবত আছে, কিন্তু জোখত সি সমুলি পাতল বোলা হৈছে। এতেকে,—কোনো বস্তু বা মানুহ ছিচাবত ধৰা পৰা কিন্তু কার্য্যৰ অনুপযুক্ত গণ্য হোৱা, the taking of anything as swelling the number without adding to the value or importance of it.

লেজু—বিং, সাপ দেখিবলৈ লেজুৰ নিচিনা। এতেকে,—সাপ, a snake.

লেজুত ধৰি বল নিদিয়া—ক্রি, কোনো গধুৰ বস্তু নিবলৈ হলে, লেজু লগাই বহু মানুহে ধৰি টানে। বহু মানুহৰ ভিতৰত কোনে বল দিছে আৰু কোনে বল দিয়া নাই বুজিব পৰা নাযায়। টেঙৰ মানুহে লোকৰ লগত লেজুত ধৰি টনাৰ ভাৱ কৰে, প্রকৃততে বল নিদিয়ে। এতেকে,—কোনো কার্য্যত লাগি অমনোযোগিতাৰে সেই কার্য্য কৰা, to work half-heartedly.

লেজুৱা কাম—বিং, লেজু দীঘলীয়া বস্তু। এতেকে,—দীঘলীয়া কাম, বেগতে শেষ নোহোৱা কাম, নেৰানেপেৰাকৈ লাগি থাকি কৰিব লগীয়া কাম, a tedious work, a protracted affair.

লেধাই শামুকে পাঞ্চজন্য শঙ্খৰ বংশ বুলি কোৱা—ক্রি, লেধাই শামুক যতে ততে পানীত পৰি থাকে। পাঞ্চজন্য শঙ্খ সাগৰত থাকে, আৰু সি দুষ্প্রাপ্য বস্তু। এই স্থলত কোৱা হৈছে, যে লেধাই শামুকে নিজক পাঞ্চজন্য শঙ্খৰ বংশ-সম্ভূত বুলি চিনাকি দিয়ে। এতেকে,—ইতৰ মানুহে ফিতাহি কৰি বৰ ডাঙৰ মানুহেৰে সৈতে সম্বন্ধ থকা বুজোৱা, the attempting of a mean person to connect himself in some way with a very great man.

লেনী ভাদৈ—বিং, ভাদৈ কোনো ছোৱালীৰ নাম। এতেকে,—লেনীয়াই কথা কোৱা ছোৱালী, আলসুৱা মৰমৰ ছোৱালী, a sweet girl.

লেৰাই যোৱা—ক্রি, [লাল বোৱাই যোৱা] অতি কষ্টকৰ কার্য্য কৰোঁতে মুখৰ লাল বৈ যায়। এতেকে,—অতি কষ্টকৰ কার্য্য কৰা, to do any work with the greatest effort.

লেলাই খেলাই থকা—ক্রি, (লেলাই = লাল উলিয়াই। খেলাই = গা হেলাই

অর্থাৎ পেলাই।) যবকৈ দুখ ভাগৰ হলে গা পেলাই দি অর্থাৎ অবশ হৈ মুখেৰে শেহাবলৈ ধৰি লালতিয়ায়। এতেকে—দুখে-ভাগৰে কাল কটোৱা, অতি কষ্টেৰে জীৱনধাৰণ কৰা, to live very miserably.

লেলাট ভুঞ্জা—ক্রি, [ললাট লিখন ভুঞ্জা] পূৰ্ব্ব-জন্মৰ আৰ্জ্জন অনুযায়ী কষ্ট ভোগ কৰা, to suffer misery as a punishment for sin in the previous birth

লৈ লৰ মৰাও নহয়, দলিয়াই পেলোৱাও নহয়—বিণ, কোনো বস্তু অতি ভাল হলে মানুহে তাক লৈ লৰ মাৰে অর্থাৎ হেঁপাহেৰে লৈ যায় আৰু অতি বেয়া হলে তাক দলিয়াই পেলায় অর্থাৎ ঘিণ কৰি নিনিয়ে। এতেকে,—বৰ ভালো নহয় আৰু বৰ বেয়াও নহয় অর্থাৎ মজলীয়া গুণ-বিশিষ্ট, neither too good nor too bad i. e middling.

লৈলৈ-থৈথৈ—বিং, [লৈ যোৱা থৈ নোৱা, দ্বিত্ব] আটাইবিলাক মানুহক নিম্ন নোৱাৰি, কিছুমান লৈ যায় আৰু কিছুমান থৈ যায়। এতেকে,—গেমেজালি, বহু-দুর্গতি, chaos, disorder, distress.

লোকৰ ওপৰত উশাহ লোৱা—ক্রি, উশাহ নিজে লৰ লাগে। এই স্থলত লোকৰ উশাহৰ দ্বাৰা উশাহ লয় বোলা হৈছে। উশাহৰ দ্বাৰা জীয়াই থাকে। এতেকে,—পৰৰ অনুগ্রহৰ ওপৰত প্রাণধাৰণ কৰা, to be dependent on others' bounty.

লোকলৈ হুল পুতি নিজে ফুটিমৰা—ক্রি, দুষ্ট মানুহে লোকক অপকাৰ কৰিবৰ নিমিত্তে বাটত হুল পুতি থয়। এই স্থলত কোৱা হৈছে, যে মন কৰিব নোৱাৰি কেতিয়াবা সেই হুলতে সি নিজে পৰি সাংঘাতিক আঘাত পায়। এতেকে,—পৰৰ অনিষ্ট চিন্তা কৰোঁতে নিজৰ তদ্রূপ অনিষ্ট হোৱা, to fall a victim oneself to a trap laid for other people.

লোকে লোকে কোৱা কথা—বিং, [লোকে লোকক কোৱা কথা] উৰা বাতৰি, a gossip, a rumour.

লোণ খুটি ভাত খোৱা—ক্রি, কঙ্গাল মানুহে লোণ খুটি ভাত খায়, ভাতৰ লগত আঞ্জা-পাচলি নাখাকে। এতেকে,—নিচেই দুখীয়া খাবনেৰে খোৱা, to eat a very poor meal.

লোণ-পাত চেলেকোৱা—ক্রি, নতুন গৰু ঘৰলৈ আনিলে কিছুমান দিন তাক লোণ-লগোৱা কল-পাত চেলেকিবলৈ দিয়া হয়। লোণ-পাত চেলেকিবলৈ পাৱ, সেয়েই তাৰ ঘৰ বুলি জানি, সি সেই ঘৰতে থাকিবলৈ ধৰে, আন ঠাইলৈ নাযায়। এতেকে,—স্বার্থ-সিদ্ধিৰ নিমিত্তে খুৱাই-খুৱাই ঘৰলৈ অহ-যাহ কৰোৱা, to tempt a person to visit a house too often with an ulterior motive.

লোণ-ভাৰ পেলাই মাটি-ভাৰ আনা—ক্রি, আগৰ দিনত লোণ পাবলৈ টান আছিল। মানুহে বহু কষ্টেৰে মহজপথাৰ লোণ আনিছিল। এই স্থলত কোৱা হৈছে, যে লোণ-ভাৰ পেলাই তাৰ সলনিত মাটি-ভাৰ লৈ আহে। এতেকে,—বহুমূল্যীয়া বস্তুৰ সলনিত অকামিলা বস্তু আনা, to get a worthless thing in exchange by giving away a valuable thing.

লোৰ গুৰি-কৰাই গালে গালে খোৱা—ক্রি, চাউল ভাঙ্গি গুৰি-কৰাই তৈয়াৰ কৰা হয়। লোৰ গুৰি খোৱা অসম্ভৱ। এই স্থলত কোৱা হৈছে, যে লোৰ গুৰিকে চউলৰ গুৰি-কৰাই-স্বৰূপে গালে গালে খোৱা হয়। এতেকে,—অপৰিমীম টান কার্য্য সামাধা কৰা, to perform a Herculean task.

লৌলৌ বিঢ়া ওকণী—বিং, [লৌলৌ-কৰে যোৱা বিঢ়া ওকণী] মুখৰ চুলিত বিঢ়া আৰু লেখি ওকণী আছে। মুখৰ ওকণী চাওঁতে লেখিয়ে চুলিৰ গুৱিত এনেভাৱে কামোৰ মাৰি থাকে যাতে মানুহে তাক উফি বুলি ভাবি নমৰাকৈ এৰি দিয়ে। বিঢ়া ওকণী ডাঙৰ। সি লেখিৰ দৰে লুকাই থাকিব নোৱাৰি, মানুহৰ হাতত গম পোৱা মাত্ৰেই, লৌলৌ-কৰে যেনিয়ে তেনিয়ে লৰ মাৰে; আৰু ওকণী চোৱা মানুহ অন সাৱধান নহলে তাক ধৰিব নোৱাৰে। কোনো কোনো মানুহে বিঢ়া ওকণীৰ দৰে যেনিয়ে তেনিয়ে যায়, একে ঠাইতে শাঁতিৰে নাথাকে, এই ভাব বুজোৱা হৈছে। এতেকে,—ছটিয়ৈটীয়া মানুহ, a smart man.

শা।

শ খোৱা শগুন—বিং, মৰা-শ ঘৃণনীয় বস্তু। শগুন ইমান লোভী, যে সি গেলা-পচা মৰা-শকো নোখোৱাকৈ নাথাকে। এতেকে,—অতি লোভী মানুহ, a greedy fellow.

শকুনিৰ মন্ত্ৰণা লোৱা—ক্রি, কুৰু-পাণ্ডৱৰ যুদ্ধত শকুনি কূট-মন্ত্ৰণাৰ ওজা আছিল। এতেকে,—কূট মন্ত্ৰণা লোৱা, আওপকীয়া বুদ্ধি লোৱা, to follow a cunning advice.

শক্তি চাই ভক্তি—বিং, যি মানুহৰ যেনেকুৱা শক্তি অৰ্থাৎ আৰ্থিক অৱস্থা, সেই মানুহে তেনেকুৱা সম্ভাৰ গোটাই পূজা কৰি ভক্তি দেখুৱাব পাৰে। এতেকে—যাৰ যিমান সাধ্য সেই পৰিমাণে কৰা কাৰ্য্য, action commensurate with one's capacity.

শগুনৰ শাওত বুঢ়া গৰু নমৰা—ক্রি, মৰা-শ খাবলৈ পাম বুলি শগুনে বুঢ়া গৰু মৰিবলৈ শাও দিব পাৰে, কিন্তু তাৰ শাওতে বুঢ়া গৰু নমৰে বোলা হৈছে। স্বাৰ্থপৰ মানুহক শগুনেৰে তুলনা কৰা হৈছে। এতেকে,—স্বাৰ্থপৰ মানুহৰ অহিত-চিন্তাৰ নিমিত্তে কোনো মানুহৰ অপকাৰ নোহোৱা, the occurring of no evil to one merely because a selfish person wishes it.

শঠা মিতিৰ পতা—ক্রি, [শঠে মিতিৰালি পতা] অসৰলভাৱে স্বাৰ্থ-সিদ্ধিৰ উদ্দেশেৰে বন্ধুতা-স্থাপন কৰা, to entreat friendship with a view to serve one's own ends.

শত্রু যেন বন্ধা, মিত্র যেন নিয়া—ক্রি, ভাৰ বান্ধিবলৈ হলে শত্রুক যেনেকৈ বান্ধে, তেনেকৈ বান্ধিব লাগে, অৰ্থাৎ ভাৰ এনে টানকৈ বান্ধিব লাগে, যাতে সি ৰাটত নোসোলকে। তেতিয়া সেই ভাৰ মিত্রৰ নিচিনাকৈ অৰ্থাৎ ভাল মতে নিব পৰা যায়। এতেকে,—যাতে ভবিষ্যতে অমিল হৱৰ আশঙ্কা নাথাকে সেই মতে কোনো কাৰ্য্যৰ বন্দবস্ত পকা কৰি লোৱা, to lay down the terms of an agreement strictly and unalterably so that the parties may work on in perfect amity and concord.

শত্রু শলা—ক্রি, শত্রুক যেনেকৈ শালত দিয়ে তেনেকৈ দিয়া অৰ্থাৎ শত্রু-ভাৱেৰে

অহিত চরণ করা, to play the part of an enemy.

শত্রুক বর পিরা দিয়া—ক্রি, ডাঙর মানী লোকক খহিকৈ বর পিরা দিয়া হয়। এই স্থলত শত্রুক বর পিরা দিয়ে বোলা হৈছে। এতেকে,—শত্রুক বিশিষ্ট মান-সম্ভ্রম দেখুওরা, to show high regard to an enemy.

নাইত সুতীক্ষ্ণ শর—বিং, (শনাইত=শানিত, শানত-দিয়া।) শরর মুখ শানত দি চোকা করি লোৱা হয়। এতেকে,—চোকা অস্ত্র, an effective weapon of attack (used figuratively).

শনিয়ে পোরা—ক্রি, জ্যোতিষর মতে শনি দুষ্ট গ্রহ। এই গ্রহর দ্বারা অভিভূত হলে, নানা প্রকার দুর্গতি ঘটে। শনির ফল ১২ বছরলৈকে থাকে। এতেকে,—দিন-কাল অতি অশুভ হোরা, to be fallen on evil times

শরাধ চাবিথনীয়া করা—ক্রি, চাবিথনীয়া শরাধ ডাঙর। যদি পুতেক অনাচারী হয়, তেন্তে শরাধ নকরে। এই স্থলত বিদ্রুপভাবে কোৱা হৈছে, যে পুতেক এনে অনাচারী, যে সি চাবিথনীয়া শরাধ করে; অর্থাৎ সি মুলেই শরাধ নকরে। এতেকে,—অতি অনাচারী হোরা, (পুতেকত খাটে), to lead a sinful life (said of a son).

শল-ঠেকত পরা—ক্রি, [শলর দরে ঠেকত পরা] ঠেক পানীত পরিলে হে শল মাছ ধরা পরে। এতেকে,—সাবিধ নোহোরা ঠাইত আবদ্ধ হোরা, ডাঙর বিপদত পরা, to fall into a scrape.

শলাগোঁতে শলা-গাঁথি লগা—ক্রি, জঁতরর শলাত গাঁথি লাগিলে শলা ডাল মুঘুরে। এতেকে,—শলাগনি পাই অকর্মণ্য হোরা, to be spoilt by over-praise.

শলমারি ভঙা—ক্রি, [শলামারি ভঙা] দুষ্ট গরুরে যুঁজিব শলমারি ভাঙি হাল এরি পলাই যায়। দুষ্ট মানুহক এনে গরুরে তুলনা করা হৈছে। এতেকে,—ধন-মারী করিব লোখোজা, to shirk work.

শহা কণীয়া—বিণ, খিকিক্-খাবাক্ শব্দ শুনা মাত্রে শহাই লর মারে। এতেকে,—কাণ জাগি থকা অর্থাৎ সদাই সতর্ক হৈ থকা, wakeful, vigilant.

শহুরর জীয়েক—বিং, বৈশীয়েক, a father-in-law's daughter i. e. wife.

শহুৰৰ পুতেক—বিং, গিৰিয়েক, a father-in-law's son, i. e husband.

শাঁকে সেন্দুৰে যোৱা—ক্রি, আয়তী মানুহে শঙ্খৰ খাৰু পিন্ধে আৰু সেন্দুৰৰ ফোঁট লয়। এতেকে,—আয়তী হৈ কাল প্ৰাপ্ত হোৱা, to die before husband.

শাকত লোণ নোখোৱা—ক্রি, (শাক=শাকৰ আগ্ৰা।) লোণ চুকাৰ বুলি আগ্ৰাত লোণ নিদিয়ে, কিন্তু কোষত পিটিকাত লোণ দি তাৰ সোৱাদেৰে লোণ-নিদিয়া আগ্ৰা সানি ভাত খায়। এনে কৰাত, আগ্ৰাত যিমান লোণ ব্যয় হলহঁতেন, তাতকৈও অধিক লোণ ব্যয় হয়, এই ভাব বুজোৱা হৈছে। এতেকে,—অনৰ্থক কৃপণালি কৰা, to act miserly for nothing.

শাকে কচুৱে খোৱা—ক্রি, ইতৰ লোকে শাক, কচু এনে বিধ পাচলিৰে আগ্ৰা বান্ধি ভাত খায়। এতেকে,—ইতৰ লোকৰ খাৱন খোৱা অৰ্থাৎ সাধাৰণভাৱে কাল যাপন কৰা, to lead a plain life.

শাপে বৰ হোৱা—ক্রি, শাপ দিলে তাৰ ফল বৰ-স্বৰূপা হোৱা অৰ্থাৎ ইচ্ছা কৰি কৰা অমঙ্গল প্ৰণীতাৰ পক্ষে মঙ্গল-স্বৰূপ হোৱা, the converting of a curse into a blessing

শাম কটা—ক্রি, শান্ত ভাৱ ধৰা, to be sober, to wane.

শামুকৰ সাহ—বিং, (সাহ=ভিতৰৰ পদাৰ্থ, সাহ=সাংস।) 'শাহ' আৰু 'সাহ' এই দুই শব্দৰ খেল বুজোৱা হৈছে। সামুকৰ শাহ নাইকিয়া। এতেকে,—সাহৰ অভাৱ, want of courage.

শাৰী পুৰোৱা—ক্রি, যোগ্য মানুহৰ শাৰী অপূৰ্ণ থাকিলে এজন অযোগ্য মানুহ গৈ সেই শাৰীত বহি শাৰী পূৰ্ণ কৰে বোলা হৈছে। এতেকে,—সাধাৰণ মানুহে বৰলোক বুজাবলৈ বৰলোকৰ দৰ-দস্তুৰ অনুকৰণ কৰা, to take rank with the great men i. e. to show oneself as a great man

শালক শিঙীয়ে ঘিণোৱা—ক্রি, শাল আৰু শিঙী দুইটা মাছ অসমীয়া হিন্দুৰ অখাদ্য। এই দুইটা ঘৃণনীয় মাছ। এই ঘৃণিত শালে শিঙীক ঘৃণনীয় বুলি অবজ্ঞা কৰে বোলা হৈছে। এতেকে,—নিজে ঘৃণনীয় হৈ পৰৰ প্ৰতি ঘৃণা-ভাব দেখুওৱা, the despising of a contemptible person by another who is equally

contemptible.

শালৰ মাজত শিঙী—বিং, শিঙী মাছে শিজেৰে বিন্ধে। শাল মাছৰ মাজত শিঙী সোমালে শিঙীয়ে থাকে তাকে বিন্ধি ফুৰে। এতেকে—লোকৰ লগত নিজে ঠে থাকিব নোৱৰা মানুহ, one who is always at loggerheads with others.

শালৰ হাতী মুকলি হোৱা—ক্রি. আহোম-ৰজাৰ দিনত কোনো ডাঙৰ উৎসৱ হলে বন্দুক বেটী, হাতী-ৰখীয়া ঘোঁৱা-চোৱা সকলোকে মেলানি দিয়ে; কাজেই হাতী আৰু ঘোঁৱাক চৰিবলৈ বাজত থোৱা হয়। এতেকে,—ডাঙৰ উৎসৱ উপলক্ষে কাকো, বাদ নিদিয়াকৈ যাৱতীয় কৰ্মচাৰীক মেলানি দিয়া, the granting of holiday to every one without exception on the occasion of a grand festivity.

শাস্ত্ৰ-সন্মতকৈ—ক্রি-বিণ, [শাস্ত্ৰ-সম্মত কৰি] শাস্ত্ৰ-বিহিত কাৰ্য্য মাথোন কৰি অৰ্থাৎ যৎসামান্যৰূপে, in a humble way.

শিং গজা—ক্রি, শিং আত্ম-ৰক্ষাৰ উপায়। ৰস্তুৰ শিং গজিলে তাৰ প্ৰকৃত উপকাৰ হয়। এতেকে,—বিশেষ লাভ হোৱা, (ব্যঙ্গাৰ্থ), to be armed with a weapon of defence i. e. to have a real benefit.

শিঙৰা-মুৰীয়া মানুহ—বিং, শিঙৰা মাছৰ মুৰটো চিঁয়া আৰু তাৰ থৎ বেচি। এতেকে—খঙাল চিঁয়া মুখৰ মানুহ, বেগতে থং উঠা মানুহ, a man of irritable temperament.

শিঙৰি ঘৰত উঠা—ক্রি, আহোম-ৰজা সকলে ৰজা হোৱাৰ পিছত শিঙৰি-ঘৰত উঠাৰ নিয়ম আছিল। ৰজা শিঙৰি-ঘৰত উঠিলে তেওঁ ৰাজ্যত নিষ্কণ্টকভাৱে প্ৰতিষ্ঠিত হল বুলি গণ্য হৈছিল। এতেকে,—বিধি-অনুযায়ী ৰাজ্যভাৰ গ্ৰহণ কৰা, to assume formally the sovereignty of a country.

শিপা গজা—ক্রি, গছৰ শিপা আছে আৰু সেই দেখি সি লৰ-চৰ কৰিব নোৱাৰে। এতেকে,—লৰ-চৰ কৰিব নোৱৰা, to take root i. e. to be unable to move.

শিয়নিত শোৱা—ক্রি, (উপকথা) দুটা অজলা আৰু এটা চৈধৰ মানুহ ফুৰিবলৈ

গৈছিল। অজলা দুটাৰ কাপোৰ আছিল, টেঙৰটোৰ নাছিল। কাপোৰ দুখন দীঘলে দাঁতীয়ে দাঁতীয়ে সি জোৰালে। টেঙৰে কলে :—"মোৰ কাপোঁৰ নাই। তইতে নিজৰ নিজৰ কাপোৰ লৈ শুবি। মোৰ নিমিত্তে কষ্ট পাব নালাগে। মহ শিয়নিতে শুম।" দুই অজলাৰ মাজতে জোৰোৱা কাপোৰৰ শিয়নিত টেঙৰে শুলে। কাপোৰ দুখন ঠেক্ পুতলৰ আছিল। ৰাতি জাৰত অজলা দুটাই এবেলি ইফালে এবেলি সিফালে টনাটনি কৰোঁতে, এবেলি এটাৰ গা উদং হয়, এবেলি আনটোৰ গা উদং হয়, কিন্তু টেঙৰৰ জাপ কেতিয়াও নুগুচে। এতেকে —পৰৰ শ্রম বা অর্থৰ ওপৰত তাতৈকৈ অধিক সুখ ভোগ কৰা, to live comfortably at the expense of others.

শিয়াল-পোৱালি—বিং, শিয়াল নীচ জন্তু বুলি প্রখ্যাত। এতেকে,—নীচ মানুহ (বাপেক 'শিয়াল' নাছিল কিন্তু 'পুতেক' শিয়াল হল, এই ভাব বুজাবলৈ 'পোৱালি' শব্দ ব্যৱহৃত হৈছে।), a wily son.

শিয়াল-বাগি দিয়া—ক্রি, শিয়ালৰ দৰে ধৰিবলৈ চল নিদি বাগি দি ফুৰা, ফাঁকি-ফুঁকা দিয়া, to try to deceive by cunning.

শিয়ালৰ জাক জাক—বিং শিয়াল অপদার্থ জন্তু। শিয়ালৰ সংখ্যা অধিক হলেও সিহঁতে ডাঙৰ কার্য্য সাধিব নোৱাৰে। এতেকে,— বহু-সংখ্যক অপদার্থ মানুহ, a host of unworthy persons.

শিয়ালৰ ডিঙিত মজহৰ ভাৰ দিয়া—ক্রি, শিয়ালে মজহ দেখিলে নাখাই থাকিব নোৱাৰে। শিয়ালৰ ডিঙিত মজহৰ ভাৰ দিলে সি বাটতে মজহ খাই অন্ত কৰে, ভাৰ নিব লগীয়া ঠাই নাপায় গৈ। এতেকে,—কোনো বস্তু বা কার্য্য ধ্বংস কৰা যাৰ প্রকৃতি তেনে মানুহকে সেই বস্তু বা কার্য্যৰ ভাৰ দিয়া, to put a thing or action in charge of a person for protection whose very nature seeks the destruction of it.

শিব চাই টোকৰ মৰা—ক্রি, শিবত টোকৰ মাৰিলে বেচিকৈ দুখ পায়। বেচিকৈ দুখ দিবলৈ হলে মজহৰ ওপৰত টোকৰ নামাৰি, শিব চাই ভাৰ ওপৰত টোকৰ মাৰিব লাগে, এই ভাব বুজোৱা হৈছে। এতেকে,—যেনেৰূপ আচৰণ কৰিলে কার্য্য-উদ্ধাৰৰ সুচল হয় তেনে-

রূপ আচরণ করা, to strike one at a vulnerable point

শিব-ফুটা—বিণ, (শিব=মুর, এই স্থলত যবব মুখ।) মানুহক বব ডাঙৰ হলে অর্থাৎ অতি দীঘল হলে মুখটো মুখ ফুটাই চালব ওপবে দি ওলাব, এনে ভাব বুজোৱা হৈছে। ('ডাঙৰ' বুলিলে 'দীঘল-ডাঙৰ' অর্থাৎ 'আকৃতিত দীঘল' আক 'মানত ডাঙৰ' দুয়ো বুজায়। 'ডাঙৰ' শব্দব খেল কবি 'শিব-ফুটা' বাক্য উলিওৱা হৈছে। কোনো কোনো গছ-গছনি চালব তলত পবিলে সিও মুখ ফুটাই ওলায়, 'শিব-ফুটা' বাক্যব লগত এই কথাবো সাঁচ আছে।) এতেকে,—সুপ্রসিদ্ধ, renowned.

শিবশিবাই উঠা—ক্রি, চেঁচা পানী লাগিলে গা শিবশিবাই উঠে। এতেকে,—ববকৈ অসুখ আশাঁতি বোধ কবা, to feel very uncomfortable.

শিবত তুলি পোৱা—ক্রি, নির্ম্মালি বা প্রসাদ ভক্তিব চিনস্বৰূপে মানুহে শিবত তুলি লয়। এই স্থলত, কোনো মানুহক ইমান ভক্তি কবে বোলা হৈছে, যে তেওঁক শিবত তুলি লয়। এতেকে,—অতিপাত মান-সম্ভ্রম দেখুওৱা, to show too high regard to a person.

শিলত মুব আফাল—ক্রি, অত্যন্ত বেজাব হলে মানুহে নিজব শবীবব প্রতি আদব নাবাখে আক মবি যাওঁ বুলি যিহতে তিহতে মুব আফালে। এই স্থলত, শিলত মুব আফালে বোলা হৈছে, অর্থাৎ এনেৰূপে আফালে যাতে সি ফাটি যাবব আশঙ্ক থাকে। এতেকে,—মবণান্তিক বেজাব পোৱা, to be mortified.

শিলক চিমটি ক্ষয় নিয়াব নোৱাবা—ক্রি, নখেবে চিমটিলে শিল ক্ষয় নাযায়। ববলোকক শিলেবে তুলনা কবা হৈছে। এতেকে,—তুচ্ছ মানুহে ববলোকব অহিত চিন্তি একো কবিব নোৱাবা, not to be able to harm a powerful person by insignificant hostile acts.

শিলব খুঁটি—বিং, শিলব খুঁটি লবাব পবা নাযায়। এতেকে,—লবাব নোৱাবা অর্থাৎ অচল-অটল মানুহ, বস্তু, গুণ, ইত্যাদি, anything fixed, unalterable or determined.

শিলব বেখ—বিং, শিলব বেখ লবাব নোৱাবি। এতেকে,—লব-চব হব নোৱাবা মত বা কার্য্য, an opinion or action which is not

liable to be altered or modified on any consideration.

শিলেবে খুওা—ক্রি, বহকৈ মাবকীল কবা, to beat severely.

শিশুপাল খেদা—বিং, শ্রীকৃষ্ণে শিশুপালব প্রতি যিদ্ধপ খেদা দিছিল সেইরূপ খেদা অর্থাৎ কোবাল খেদা, a hot pursuit.

শীতল সন্নিপাত—বিং, শীতল সন্নিপাত এবিধ সাংঘাতিক জ্বব। এই জ্ববত বাহিবে গাটো চেঁচা হৈ থাকে, ভিতবে দাহ হয়। এতেকে,—বাহিবে শিষ্ট-শান্ত কিন্তু ভিতবে অঘাহটং মানুহ, an innocent-looking knave.

শুকান জেওবা-খবি—বিং, জেওবা বদত থাকি শুকাই যায়। কেঁচা বাঁহব বস থাকে, কিন্তু জেওবাব বাঁহত বস নাথাকে। সেই দেখি শুকান জেওবাব বাঁহ আনি মানুহে খবি পোবে। বস-পম নোহোবা মানুহক তেনে খবিবে তুলনা কব হৈছে। এতেকে,—নিঃকিন, a pauper.

শুকান বালি তিয়াব নোবাবা—ক্রি, শুকান বালিত পানী ঢালিলে পানী শুহি যায়, আক বালি তিতি তোতিয়াই আকৌ পূর্ব্বব দবে শুকান হৈ পবে। দুখীয়া মানুহক পবে ধন-বস্তু দিলেও, সেই ধন ব্যয় হৈ, সি পূর্ব্বব দবে দুখীয়া হৈ পবে। এতেকে,—নিজব উপার্জ্জনব বাট নাথাকিলে পবে সাহায্য কবি সদাই তাবিব নোবাবা, to be unable to keep in comfort by providing outside relief a person who has no independent source of income.

শুকানী অপেচবাই পোষা—ক্রি, শুকানী অপেচবাই পালে মানুহ দিনেকে দিনে ক্ষীণাই-শুকাই যায়। এতেকে,—ক্রমশঃ দুর্ব্বল হোৱা, to lose strength slowly and steadily.

শুদাশুদি মানুহ—বিং, গাত গুণ নোহোবা শুদা মানুহ, সাধাবণ লোক, a person without accomplishments, an average person.

শুদ্ধে-অশুদ্ধে—ক্রি-বিণ, আধা-শুদ্ধকৈ আক আধা-অশুদ্ধকৈ অর্থাৎ অসম্পূর্ণভাবে, imperfectly.

শুহুবি থটা—ক্রি, [শহুব শাহুবীক থটা] স্বামীব সহবাসত থকা, to live in the husband's home.

শুদিবব পঢ়ুৱা—বিং, আগব দিনত শুদিবব বিষয়-বাসনা আছিল, বামুণব বিদ্যা-চর্চ্চা আছিল। এতেকে,—নিয়মব বহির্ভূত কার্য্য কবা মানুহ, a

person [illegible]

শেনচোৱা মোক দি মোৰা, [illegible] কেঁচাই দিলত মেৰিব [illegible] কোৱা হৈছে, [illegible] দবে বেগেবে খেদি যায়, কিন্তু [illegible] কবিব নোৱাবি লাজ পাই কেঁচাব ঘৰে লাজে লাজে [illegible] কৈ আঁতবি আহে। এতেকে,—কোবেবে [illegible] ওচব পালে বলেবে নোৱৰা যেন দেখি হৈ অহা, to advance defiantly but retreat ignominiously.

শেনব এজাত—বিং, আহোম-বজাব দিনত শেন মেলোৱা বীতি আছিল। শেন-চোৱা খেলব মানুহে শেন পুহিছিল। আকাশে দি উবি যোৱা বজবীয়া শেনেবে যুদ্ধ কবিবলৈ পোহনীয়া শেন মেলি দিয়া হয়। বজাব আগত এই খেল দেখুওৱা শেনচোৱা বকৰাব বাঘ আছিল। তেওঁ শেন উবাই দিলে বজাই সোধে যে "শেনে জিকিব নে হাবিব?" শেনচোৱা বকৰাই উত্তব দিয়ে :—"শেনব এজাত" (অর্থাৎ "শেনব এক বকম ভাব দেখা গৈছে।") শেহত, শেনে জিককেই বা হাবকেই, শেনচোৱা বকৰাই কব পবা হয়, যে তেওঁ কোৱা মতেই কার্য্য হল। এতেকে,— দ্ব্যর্থবোধক কথা, দুভঁজীয়া কথা, an ambiguous language.

শেহতবত—ক্রি-বিং, [শেংত-অন্তত] আটাইতকৈ পিচত, in conclusion, finally.

শেহাই-কোঁপাই অহা—ক্রি, যবকৈ লবিলে মানুহে শেহাঁয় আৰু কোঁপায়। এতেকে,—কোনো বস্তু পাবব নিমিত্তে আশা কবি কোবেবে অহা, to come with high expectation.

শোধ সোধবোৱা—ক্রি, [শোধ দি পূর্ব্বদিনে সোধবোৱা] প্রতিশোধ দিয়া, to take revenge.

শোধনী ভাব—বিং, ছোৱালী দিয়ে লৈ নিদিয়ে সুধিবলৈ যুবি কন্যা-ববলৈ নিয়া ভাব, ছোৱালী-খোজা ভাব, gift to a bride's guardian on the occasion of formal proposal of marriage.

শোধিব-পাহৰ সোধোৱা—ক্রি; শোধিব আৰু পাহৰিব নহয় সোধোৱা অর্থাৎ আদিবিহি

নোহোৱা, to have absolutely no rest.

শোহনি থকা—ক্রি, চহকী মানুহে পগোৱা গাখীৰ ৰূপৰ পিয়লাত লৈ শোহা মাৰি খায়। যেতিয়া সেই মানুহৰ আৰ্থিক অৱস্থা যেয়া হয়, তেতিয়া তেওঁৰ তেনেকুৱা আয়ম নচলে। এই স্থলত কোৱা হৈছে, যে যদিও পগোৱা গাখীৰ আৰু ৰূপৰ পিয়লা দুইও নাইকিয়া হয়, তথাপি তেওঁৰ পূৰ্ব্বৰ নিচিনা শোহা মাৰি খোৱা অভ্যাসটো থাকে। পূৰ্ব্বে ৰূপৰ বাটিত পগোৱা গাখীৰ শোহা মাৰি খাইছিল, এতিয়া সেই দুইৰ অভাৱত কাঁহৰ বাটিত চেঁচা পানী শোহা মাৰি খায়। কিন্তু শোহনিটো অৰ্থাৎ শোহা মাৰি খোৱা ধৰণটো অবিকল পূৰ্ব্বৰ দৰে থাকে। এতেকে,—আৰ্থিক অৱস্থাহীন হোৱা স্বত্বেও পূৰ্ব্বৰ বৰলোকালি ধৰণ বৈ থোৱা, (বিদ্রূপ), the lingering of the ways of a rich man on the part of a person who was once a rich man but has now lost his property.

ষ।

ষাঁড় মেলা—ক্রি, বৃষোৎসৰ্গ পূজাত ষাঁড় উছৰ্গা কৰি মেলি দিয়া যায়। ইচ্ছা অনুসাৰে সেই ষাঁড় যতে ততে ফুৰি ফুৰে। যতে ততে ফুৰি ফুৰা দুষ্ট মানুহক ষাঁড়েৰে তুলনা কৰা হৈছে। এই স্থলত অভিভাৱকে সেই মানুহক ষাঁড়ৰ দৰে মেলি দিয়ে অৰ্থাৎ তত্ত্বাবধান নলয়, এই ভাব বুজোৱা হৈছে। এতেকে,—কোনো মানুহৰ তত্ত্বাবধান নলৈ ইচ্ছানুসাৰে কাৰ্য্য কৰিবলৈ ডাক এৰি দিয়া, to allow a person to act according to his own will and not to take care of him at all.

ষড় ৰস পঞ্চামৃতেৰে খোৱা—ক্রি, ৰস ছয় প্ৰকাৰ ; যেনে :—মিঠা, টেঙা, তিতা,

কেহা, জলা, লুণীয়া।] অমৃত পাঁচ প্রকার; যেনে:—ঘৈ গাখীর, এবাঁ গাখীর, ঘিউ, মৌ, চেনি। এতেকে,—উৎকৃষ্ট খাদ্য খোৱা, to eat the choicest food, to partake of delicacies.

স।

সইত খোৱা—ক্রি, [সত্য খোৱা] সত্য কৈছো বুলি শপথ লোৱা, to swear.

সংসাৰৰ লীলা-খেলা—বিং, জীৱনৰ কার্য্য-কলাপ, worldly activities.

সঁচি ধন—বিং, [সঞ্চিত ধন] ভবিষ্যতৰ ব্যয়হাৰৰ নিমিত্তে যাক সঁচি থোৱা যায় তেনে ধন, reserve fund.

সতৰামৰ নাঙ্গল—বিং, সতৰাম নামেৰে কোনো মানুহ আছিল। হাল বাওঁতে তাৰ নাঙ্গল এঠাইত লাগে, এঠাইত নালাগে। এতেকে,—এলেৱাংকৈ কৰা কার্য্য, a work clumsily done.

সতিনীৰঙ্গীয়া পৈ—বিং, সতিনীৰ প্রেম-ৰসপায়ী পতি অর্থাৎ দুজনী বৈণীয়েক থকা পিৰিয়েক, (চহা), a husband with two wives, (slang).

সত্য-নাৰায়ণৰ ভতিজা—বিং, সত্য-নাৰায়ণ বিষ্ণুৰ এক অৱতাৰ। যি মানুহে সদাই সত্য কথা কয়, তেওঁক সত্য-নাৰায়ণৰ অংশ বোলা হৈছে। এতেকে,—অতি সত্যবাদী মানুহ, (বিদ্রূপ), one who habitually speaks truth, (used ironically).

সত্যযুগৰ কথা—বিং, অতি পুৰণি কালৰ কথা, a thing of remote past.

সদ্য একত্তা—ক্রি, ভকতবিলাক সদ্রৱ ভিতৰত থাকে। কোনো ভকতে ভকতৰ অপৰাধ কৰিলে তাক সদ্রৱপৰা বাজ কৰি দিয়া হয়। এতেকে,—ধৰ্ম

বাবী একবাই দূবলৈ খেদাই দিয়া, দেশান্তব কবা, to drive a person away from hearth and home.

সন্নিপতীয়া মানুহ—বিং, সন্নিপাত দুষ্ট অব, ই সোনকালে আবোগ্য নহয়। এতেকে,—দুষ্ট মানুহ, a wicked person.

সন্ধিব বাহ বুদ্ধিবে উলিওবা—ক্রি, লোপাব মাজব বাঁহ সন্ধিত থাকে, তাবপবা তাক কাটি উলিওবা টান। এই স্থলত কোৱা হৈছে, যে বুদ্ধিব দ্বাবা তেনে বাঁহো উলিয়াব পবা যায়। এতেকে,—কোনো জটিল কার্য্য বুদ্ধিবে উদ্ধাব কবা, to perform a difficult operation tactfully.

সবাহব কল—বিং, সবাহব কল সকলোকে বিলাই দিয়া যায়। এতেকে,—যাকে তাকে বিলাই দিব পবা অলপীয়া মূল্যব বস্তু, a thing of trifling value.

সভা-শুবনী—বিণ, সভাব শোভা বঢ়োৱা, মূলস্তব, grand.

সময়ব শব—বিং, যি সময়ত শব মাবিলে শত্রু বক্ষা নপবে, চল চাই ঠিক সেই সময়তে শব মাবে বোলা হৈছে। এতেকে,—কালোচিত কার্য্য, an act in the right moment.

সম্পদীয়া পাব—বিং, প্রবাদ আছে যে কোনো মানুহব সম্পদব সময়ত পাবিলাকে নানা ঠাইবপবা ভাগি আহি তাব ঘবত বাহ লয়। কিন্তু তাব বিপদব সূচনা হোৱা মাত্রেই, একে সময়তে ঝাঁকি মাবি আটাইবিলাক পাব উবি পলায়। এতেকে,—সম্পদব-কালত লগ লোৱা আক বিপদব কালত জাঁতবি যোৱা বন্ধু-বান্ধব, ইষ্ট-মিত্র আদি মানুহ a friend in prosperity but not in adversity.

সবকি যোৱা—ক্রি, কোনো মানুহক আবদ্ধ কবি থলে সি কেনিবা অলপ সুকলা পালেই, সেই পোনে দি সবকি পলাই লব মাবে। এই স্থলত, সংসাবত আবদ্ধ মানুহে সুবঙ্গাই দি সবকি সংসাববপবা পলাই যায় বোলা হৈছে। এতেকে,—মৃত্যু প্রাপ্ত হোৱা, to die.

সবগব ভবা—বিং, [ঘৰৰ ভৰা] ভবা ওখ ঠাইত অলি থাকে। এতেকে,—ওখ খাপব মানুহ, প্রখ্যাত মানুহ, a person of high order, a distinguished person.

সবকটী-বাগ—বিণ, [সৰকটী-বাই] কলহী, garrulous.

সবিয়হব জনয় ধবি বেটেকিব চেপাটৈ ভয় কবিয় নলগা—ক্রি, সবিয়হ বেটেবিয় ভবাই তাক চেপি তেল উলিওৱা হয়। এই দৃষ্টান্ত কোৱা যাইতে, যে সবিয়হক ভবাই চেপিবই, সবিয়হ-বহলে ভয় নকৰে বেটেকিব চেপাটৈ ভয় কবা নিবর্থক। এতেকে,—যি কার্য্যব যি ফল নিশ্চিত সেই কার্য্য কবি এটাই সেই ফললৈ ভয় কবিব নলগা, not to shrink from facing the consequences of an action after the particular action has been deliberately performed.

সক সুতা কটা—ক্রি, সক সুতা কাটিবলৈ টান। এতেকে,—মিহি বা টান বন কবা, to do a piece of fine or difficult work.

সক হৈ সবকা—ক্রি, ভূতে মেনুষী বা আন জন্তুব নিচিনা সক আকাব ধাবণ কবি মানুহব দুই ভবিব মাজে দি সবকি যায়। সেইৰূপে সবকি যাব পাবিলে, সি মানুহটো ছলিব পবা শক্তি লাভ কবে। 'সক'ব আন অর্থ নম্র'। এতেকে,—সক বুজাই স্বার্থসিদ্ধি কবা, to serve one's ends by pretending to be obedient, humble or modest

সকব দোষে খুচবি খোৱা—ক্রি (সক=ইতব মানুহ।) কোনো কোনো ছালব বোগে বোগীক খুঁচবি খায় অর্থাৎ বোগ ক্রমশঃ বিয়পি গৈ বোগীব শুকতব যন্ত্রনাদায়ক হয়। এতেকে,—ইতব মানুহক কোনো অপবাধব নিমিত্তে শুকতব দণ্ড দিয়া, the punishing of a weak person relentlessly.

সৰু পানী ছোৱা—ক্রি, মূত্রত্যাগ কবিলে অলপ পানী লৈ হাত ভবি ধুব লাগে। এতেকে,—মূত্রত্যাগ কবা, to discharge urine.

সক নাওত বব ভবা দিয়া—ক্রি, সৰু নাওত সক ভবা দিব লাগে, বব ভবা দিলে নাও বুবি যায়। এতেকে,—নিশকতীয়া মানুহক সহিব নোবাবা ভাব দিয়া, to over-burden a weak a person.

সৰু সুতাব তাঁত বোৱা—ক্রি, সক সুতাব তাঁত বহলৈ টান, কিয়নো সুতাবিলাক লেহাতে ছিগি যায়। এতেকে,—মিহি বা টান বন কবা, to do a piece of fine or difficult work.

সর্গদেউ ঈশ্বব—নিং, আত্মোন্নতিলাভক তেওঁবিলাকব আশ্রয় কবা মুখ্যতঃ ঈশ্বব বুলিয়েই স্বর্গদেউ নামি আহিছিল বুলি কয়। 'সর্গদেউ' শব্দ

'সর্গৰ দেৱতা' আৰু ঈশ্বৰ শব্দে 'ঐশ্বর্য্যশালী' বা 'প্রভু' বুজায়। আহোম-ৰজাক সম্বোধন কৰোঁতে 'সর্গদেৱ ঈশ্বৰ' বোলা হৈছিল। এতেকে,—প্রধান অধিপতি, an overlord

সর্ব্বভক্ষ হুতাশন—বিং, হুতাশন অর্থাৎ জুইয়ে কেঁচা পকা একো নেৰে, সকলোকে খায়। এতেকে,—বাছ বিচাৰ নকৰাকৈ যিহকে তিহকে খোৱা মানুহ, an indiscriminate eater.

সহস্র-গাঁথি—বিং, সহস্র গাঁথি অর্থাৎ বেতৰ অসংখ্য গাঁথিৰ দ্বাৰা ঘৰ নির্ম্মিত হয়। এতেকে,—ঘৰ, a house.

সাঁচত মৰা—বিণ, কোনো বস্তু সাঁচত তৈয়াৰ কৰিলে ধুনীয়া হয়। এতেকে,—ধুনীয়া, গঢ়িত, well proportioned, handsome.

সাগৰত কাঠি জাল মৰা—ক্রি, কাঠি জাল সক পানীত মাৰে। এতেকে,—মহৎ কার্য্যত নগণ্য চেষ্টা কৰা, to employ an altogether inadequate means to do a thing of vast importance.

সাজ চাই চাপৰি বোৱা—ক্রি, সবাহত হাতেৰে চাপৰি বজোৱা হয়। সবাহৰ সাজ যদি অধিক থাকে, তেনেহলে নাম গোৱা মানুহে উৎসাহেৰে চাপৰি বজায়। সাজ কম থাকিলে, চাপৰি বৰকৈ নুফুটে। এতেকে,—লাভ অনুযায়ী কার্য্য কৰা অর্থাৎ অধিক লাভৰ আশা থাকিলে অধিক অনুৰাগেৰে আৰু কম লাভৰ আশা থাকিলে কম অনুৰাগেৰে কার্য্য কৰা, to labour according to the amount of gain which is expected

সাজ হলে দেউৰি লগা—ক্রি, দেউৰিয়ে সাজ বিলায়। সাজ নাথাকিলে দেউৰিৰ আৱশ্যকতা নাই, এই ভাব বুজোৱা হৈছে। এতেকে,—ধন হলে ধন বিলাবলৈ বিলনীয়া লগা অর্থাৎ ধন হলে হে ধন ওলা কার্য্য সাধিবৰ নিমিত্তে সক্ষম হোৱা, to be able to do any business only if the requisite fund is available and not otherwise.

সাত ঘাটৰ চেঙেলি—বিং, চেঙেলি মাছ একে ঘাটতে নাথাকে, ঘাটে ঘাটে চৰি ফুৰে। এতেকে,—টেঙৰ মানুহ, a cunning person.

সাত ঘাটৰ পানী খোৱা মানুহ—বিং, সাত ঠাইত বসতি কৰিলে সাত ঘাটৰ পানী খোৱা হয়। এতেকে,—বহু ঠাই ফুৰা মানুহ, a person of vari

ous experiences.

সাত ঠাঁই বাগৱা—ক্রি, সঙ্গতে ঠাঁই লগাই ফুৱা, (গালিৰ ধাত), to change residence too often, (a term of abuse).

সাত পানী—বিং, (পানী=পানী থকা ঠাঁই, নৈ।) বহু জলাশয়পূর্ণ দেশ, a flooded country.

সাত বিহুৱ সৈয়া—বিং, সৈয়ে কণী বিহুৱ কণী-যুঁজত জিকি আহে। এই স্থলত সেই কণী ইমান সৈয়া বোলা হৈছে, যে সি সাত বছৰত মাত্ৰোটা কণী-যুঁজত জিকি আহিছে। যি মানুহে সংসাৰৰ বহু তিক্ত পাই বিতত হৈছে, সেই মানুহক তেনে কণীৰে বিজোৰা হৈছে। এতেকে,—প্রবীণ লোক, a veteran.

সাত ভতৱাৰ বল—বিং, নৱদ্ধোৱ গৰুক ভতৱা বোলা যায়। তেনে সাতোটা গৰুৰ বলৰ সমষ্টি অৱশ্যে অসাধাৰণ হব। এতেকে,—অসাধাৰণ বল, extraordinary strength.

সাত শত্রু—বিং সাত গুণ শত্রু অর্থাৎ মহাশত্রু, an implacable enemy, a bitter foe.

সাত সাগৰ তেৰ নৈ পাৰ হোৱা—ক্রি, হিন্দু মতে পৃথিবীত সাতখন সাগৰ আছিল। তেৰনৈ=বহু নৈ। অতি দূৰ দেশৰপৰা আহিলে বাটত কেইবাখনো সাগৰ আৰু তাতকৈ বহুগুণে অধিক নৈ পাৰ হৈ আহিব লাগে, এই ভাব বুজোৱা হৈছে। এতেকে,—অতি দূৰবর্ত্তী দেশৰপৰা অহা, to come from an immense distance.

সাত সাগৰ পাৰ হৈ গৰু-খোজৰ পানীত বুৰি মৰা—ক্রি, ডাঙৰ বিপদক সাগৰেৰে আৰু নিচেই সৰু-সুৰা বিপদক গৰু-খোজৰ পানীৰে তুলনা কৰা হৈছে। এতেকে,—অনেক মহা-বিপদ নিৰাপদে অতিক্রম কৰি শেষত কোনো এটা নিচেই সৰু-সুৰা বিপদত ধ্বংস পোৱা, to be ruined in a trifling danger having successfully overcome great many dangers of vast magnitude.

সাতকুৱা অগ্নিমূর্ত্তি হোৱা—ক্রি, অগ্নি জ্বলে। সাতকুৱা অগ্নিৰ মূর্ত্তি অতি উজ্জ্বল। মানুহৰ মৰকৈ খং উঠিলে মুখত তেজ উঠে, তেতিয়া মুখখন জুইৰ নিচিনা বঙা দেখা যায়। এতেকে,—অতি ক্রোধান্বিত হোৱা,

to be profoundly agitated by feeling of anger.

সাতখন গাওঁলৈকে ঘোৱা—ক্রি, ক্রমান্বয়ে সাতখন গাওঁ বহু দূরলৈকে বিস্তৃত হৈ থাকে। এতেকে,—বহু দূরলৈকে ঘোৱা অর্থাৎ সর্বত্র প্রচারিত হোৱা, to be published far and wide.

সাত-খলপীয়া সরু—বিণ, (খলপ=খট্ খটীৰ খলপ।) সাত খলপৰ অন্তৰ সরু অর্থাৎ বহু সরু, ('বয়স' আৰু 'মান' এ দুইতো 'সরু' বুজোৱা হয়), disproportionately smaller, highly inferior.

সাত-ভৱনীয়া জেওৰা—বিং, যাতে পাৰ হৈ যাব নোৱাৰে, এনে ভাবেৰে সাত-ভৱনীয়াটৈকে জেওৱা দিয়া হয় বোলা হৈছে। এতেকে,—কোনো কাৰ্য্যত ডাঙৰ ভেঁটা, an insuperable obstacle.

সাত হাল মেঘে বৰষুণ দিয়া—ক্রি, প্রবাদ আছে যে মেঘ সাত হাল অর্থাৎ সাত জনা পুৰুষ আৰু সাত জনা তেওঁবিলাকৰ ভার্য্যা। এতেকে,—ডাঙৰ বৰষুণ দিয়া, to rain heavily.

সাতি গুণা—বিং, (সাতি=সাত) বহু গুণ, a great number of times.

সাতি ঘোখা—বিং, (সাতি=সাত) বহু পৰিমাণ, a great quantity.

সাতে পাঁচে—ক্রি-বিণ, কোনো কাৰ্য্য কৰিব লাগে নে নালাগে ভাবিলে, কৰিব লগা পোনে ৰাতোটা আৰু কৰিব-নলগা পোনে পাঁচোটা কথা পাই কৰিব লগা-পোনে অলপ ভাল দেখি সেই কাৰ্য্য কৰিবৰ নিমিত্তে ঠিক কৰা হয়, এই ভাব বুজোৱা হৈছে। এতেকে,—বহু কথা গুণি-ভাবি মনত আশঙ্কাৰে, hesitatingly.

সাতো দিশ ঘুৰা—ক্রি, হিন্দুমতে দিশ সাতোটা যেনে:—অধঃ, ঊৰ্দ্ধ, শাখলী, কুশ, পুষ্কৰ, শাক, ক্রৌঞ্চ। এতেকে,—বহু ঠাই ঘুৰা, to travel widely.

সাতো সাগৰত স্নান কৰোৱা—ক্রি, আগৰ দিনত বান্দিয়ে বাৰণক সেতুৰত ঁাৰি লৈ সাতো সাগৰত স্নান কৰাইছিল। এতেকে,—বহু কষ্ট দিয়া, to harass in various ways.

সাতৰি সোণ—বিং, [সাৰৰি সোণ] সোণ আপুকণীয়া আৰু মানুহৰ আতোৰৰ বাজুৰা এতেকে,—আপুকণীয়া হেনোহৰ বস্তু, a rare and beloved thing.

সাতাশ-পুৰুষীয়া কীৰ্ত্তি—বিং, [সাতাশ পুৰুষীয়া কীৰ্ত্তি] সাতাশ পুৰুষলৈকে চলিত

ৰীতি, চিৰকলীয়া ৰীতি, a time-honoured custom.

সাদৰক নেওচা—ক্রি, 'সাদৰ' আৰু 'আদৰ' তুল্যার্থ শব্দ। 'নেওচা' শব্দে 'নিম্ন-স্থান কৰা' (অর্থাৎ তললৈ নিয়া বা তুচ্ছ জ্ঞান কৰা) বুজায়। এতেকে,—যাৰপৰা মৰম পোৱা যায় তেনে মানুহক তুচ্ছ জ্ঞান কৰা, to treat the benefactor with intentional neglect or superciliousness.

সাধি অহা—ক্রি, পূৰ্ব্ব-জন্মৰ সাধনাৰ দ্বাৰা সৌভাগ্যৰ অধিকাৰী হৈ জন্ম গ্ৰহণ কৰ, to be possessed of good luck as a reward of virtue in the previous existence.

সান্দহ-খোৱা বালি তল যোৱ —ক্রি, নৈৰ বালিত ভোজ-খোৱাৰ প্ৰথাৰপৰা এই বাক্য ওলাইছে। যি বালিত সান্দহ খোৱা হয়, বাৰিষ কালত সি পানীৰে তল যায়। এতেকে—সুখৰ ঠাই নাইকিয়া হোৱা অর্থাৎ সুখ-ভোগ অন্ত হোৱা, the coming to an end of the days of pleasure.

সাপ মাৰি নেওৰত বিষ থোৱা—ক্রি, সাপৰ নেজৰতো বিষ থাকে, আৰু মানুহক সি নেওৰেৰে ছুটি মাৰিলেও বিষ লাগি মানুহ মৰে বুলি কয়। সাপক কোবাই মাৰিলেও নেওৰ ডাল বহু পৰলৈকে লৰফৰাই থাকে। সি মৰিলেও নেওৰ ডাল জীয়াই থাকিলে বিপদৰ আশঙ্কা থাকিব পাৰে, এনে ভাৰ বুজোৱা হৈছে। এতেকে,—শত্রুক বশীভূত কৰা কিন্তু নিৰ্ম্মূল নকৰা, not to vanquish a foe after having brought him under control.

সাপে কঁকালৰ কোব নাপাহৰা—ক্রি, সাপৰ ক্রূৰ স্বভাৱ। যদি কোনো মানুহে তাৰ কঁকালত কোব মাৰে, আৰু সি যদি সিমানতে পলাই যাবিব পাৰে, তেনেহলে অপৰাধীৰ প্ৰতিশোধ লবৰ নিমিত্তে সি সদাই চেলু চাই ফুৰে, এনে প্ৰবাদ প্ৰচলিত আছে। এতেকে,—ক্রূৰ মানুহে অপৰাধীক প্ৰতিশোধ দিবৰ নিমিত্তে সদাই চেষ্টিত থকা, the harbouring of feelings of revenge by a crooked person towards his malefactor.

সাপে তিনিবাৰ হাঁচিওৱা—ক্রি, মানুহক খুঁটিবৰ আগতে সাপে তিনিবাৰ হাঁচিয়ায়, এনে প্ৰবাদ আছে। যদি তেতিয়াও মানুহটো আঁতৰি নাযায়,

তেতিয়া হে সি তাক খোঁটে। এতেকে,— মহাশত্রুৰেও দণ্ড দিয়াৰ পূৰ্ব্বতে তিনিবাৰ সতৰ্ক কৰি দিয়া, the warning to a person thrice before punishing him even by an enemy of the worst type

সাপে সাপৰ ঠেং দেখ,—ক্রি, প্রবাদ আছে যে সাপৰ ঠেং আছে, কিন্তু তাক মানুহে নেদেখে। এই স্থলত. দুষ্ট মানুহক সাপেৰে তুলনা কৰা হৈছে। এতেকে,—দুষ্ট মানুহে দুষ্ট মানুহক চিনি পোৱা. the knowing of the ways of a wicked person only by a person who is himself wicked.

সিংহ পুৰুষ—বিং, সিংহ জন্তুৰ দৰে শ্রেষ্ঠ। এতেকে,—শ্রেষ্ঠ পুৰুষ, a grand person.

সিংহৰ এটা—বিং, সিংহৰ অর্থাৎ শ্রেষ্ঠ পুৰুষ এজন হলেও দেশৰ বহু উপকাৰ হয়, এনে ভাব বুজোৱা হৈছে। এতেকে,—অকলশৰীয়া যোগ্য মানুহ, a single worthy man.

সিংহৰ পোৱালি—বিং, সিংহ মহানুভৱ জন্তু। ইয়াৰ পোৱালিতো তদ্রূপ মহানুভৱতা প্রকাশ পায়। এতেকে,—মহানুভৱ বাপেকৰ মহানুভৱ পুতেক, a worthy son of a worthy father.

সিপাৰীয়া হোৱা—ক্রি, সিপাৰলৈ যোৱা অর্থাৎ মৃত্যুপ্রাপ্ত হোৱা, ('কাল নদীৰ ইপাৰে 'জীৱন' আৰু সিপাৰে 'মৰণ'), to go to the other bank i. e. to die.

সিপুৰী—বিং, পৰলোক, the next world.

সিফলীয়া হোৱা—ক্রি, সিফাললৈ যোৱা অর্থাৎ মৃত্যুপ্রাপ্ত হোৱা, to go to the otherside i. e. to die,

সিলিখা-বুলীয়া—বিং, সিলিখাৰ বোল ক'লা। এতেকে,—ক'লা, মলিযুক্ত, dark-coloured, soiled.

সীতাৰ হৈ মাতোঁতা নোহোৱা—ক্রি, ৰাৱণে সীতাক হৰি নি লঙ্কাৰ অশোক-বনত লুকাই থৈছিল। ৰামে সসৈন্যে গৈ লঙ্কা অৱৰোধ কৰিলে। ৰামৰ সৈন্য-সামন্ত ৰাক্ষস আছিল। সেইবিলাকে গৈ লঙ্কা জুৰি পেলালে কিন্তু ৰাৱণক সীঘ্রে পৰাস্ত কৰিব পৰা নাছিল। ৰাৱণে অশোক বনত সোমাই সীতাক নানা-প্রকাৰ প্রলোভন দেখুৱায়। সীতাই

মনব আবেগত কৈছিল :—'বামব পবিয়ালে লঙ্কা জুবি আছে, সীতাব হৈ মাতোঁতা নাই !" এতেকে, -ভাগ্য মন্দ হলে আত্মীয়-পবিয়ালব-পবাও সাহায্য নোপোৱা, not to receive help even from the nearest relations when one falls on evil times

সু-তিবী ফেদেলী—বিং, ফেদেলী তিবোতা ভাল তিবোতা, অর্থাৎ তেনে তিবোতা ৰূপবতী নোহোৱা বাবে যত্ন কবি গুণবতী হয়, এই ভাব বুজোৱা হৈছে। এতেকে,—গুণবতী কুৰূপা তিবোতা, a perfectly qualified but ugly-looking woman.

সু বাট দূব-গম হোৱা—ক্রি, সু-বাট হলে দূব-গম হয়, অর্থাৎ ভল বাট হলে দূবগীয় হয়। (এই স্থলত শব্দ খেলব দ্বাবা 'দুর্গম' এই অর্থ মনত উদিত হয়।) এতেকে,—ভাল কার্য্য সাধন সময়-সাপেক্ষ হোৱা, the taking of time for a work to be done well.

সুবসুবীয়া হোৱা—ক্রি, মানুহে ভয়ত চলাওঁতা জনে যেনি যাবলৈ কয় সুবসুব কবে তেনি যায়। এতেকে,—ভয়ত সম্পূর্ণ বশীভূত হোৱা, to submit completely under the influence of fear.

সুকৰা মৰা—ক্রি, সুকৰ্-কবে যোৱা অর্থাৎ সংসাবব লেঠা সাবি পলোৱা, মৃত্যু-প্রাপ্ত হোৱা, to flee away from this world of cares and anxieties, i. e. to die.

সূর্য্যব মুখত সোপা দিব নোৱবা—ক্রি, সূর্য্যে চাবিও পোনে বশ্মি প্রকাশ কবে। সূর্য্যব মুখত কোনোৱে সোপা দিব নোৱাবে, অর্থাৎ সূর্য্যক কোনোৱে বশ্মি প্রকাশ নকবাকৈ বাধিব নোৱাবে। বাইজক সূর্য্যেবে বিজোৱা হৈছে। বাইজব মুখত কোনোৱে সোপা দিব নোৱাবে, অর্থাৎ বাইজক কোনোৱে গুপ্ত কথা প্রকাশ নকবাকৈ বাখিব নোৱাবে। এতেকে,—গুপ্ত কথা চাকি বাখিব নোৱবা, to be unable to prevent a secret from leaking out.

সেৱা-চুক কৰা—ক্রি, (চুক কৰা=অপবাধ কৰা।) সেৱা-সুংকাব সম্বন্ধীয় অপবাধ কৰা, ভক্তিব ত্রুটি কবা, to transgress.

সেৱা-জাননী—বিং, যি বস্তু গুৰু-গোঁসাইক দি সেৱা কবি কোনো কথা জনোৱা যায় সেই বস্তু, a gift made to a high priest on the occasion of formally communicating to him any

important event.

সোঁ-মৱণেৱে মৱা—ক্রি, [সম-মৱণেৱে মৱা] বিষম অর্থাৎ অপঘাত জনিত মৱণেৱে নমৱি সম অর্থাৎ স্বাভাবিক মৱণেৱে মৱা, to die a natural death.

সোটমোচ ধোপোচ—বিং, কোনো অলাগতিয়াল বস্তু সোটমোচ কৱি ধোপোচ-কৱে পেলাই দিয়া হয়। এতেকে.—কোনো অকামিলা বস্তু বা মানুহ, a useless thing or person.

সোণ হলে দঁতাল হাতী পোন হোৱা—ক্রি, সোণ অর্থাৎ ঐশ্বর্য্য হলে হাবিৱ দঁতালহাতীকো ধৱি আনি শিকাই পোন অর্থাৎ বশীভূত কৱিব পৱা যায়। এতেকে,—ঐশ্বর্য্য-বিভূতি হলে সর্ব্ব কার্য্য সমাধা হোৱা, the making of everything easy by money.

সোণতকৈ জেউতি চৱা.—বিণ, সোণৱ জেউতি অতি বেচি। এই স্থলত, সেই জেউতিতকৈও চৱা বোলা হৈছে। এতেকে,—অনুপম সুন্দৱ, exceedingly bright.

সোণৱ-ৰূপৱ কলচী—বিং, কলচী দ'ল আদিৱ ওপৱত জিলিকি থাকে। তাতে যদি সি সোণৱ বা ৰূপৱ হয়, তেনেহলে তাৱ তিৱবিৱণি আৰু বেচি হয়। এতেকে,—সর্ব্বশ্রেষ্ঠ পুৱষ, an illustrious personage.

সোণৱ-ৰূপৱ মুখেৱে কোৱা—ক্রি, সোণ আৰু ৰূপ বিখ্যাত ধাতু। এতেকে,—বিখ্যাত মুখেৱে কোৱা অর্থাৎ যাতে বাক্যৱ খণ্ডন হব নোৱাৱে এন-ভাৱে বিখ্যাত মানুহে আপোন মুখেৱে কথা কোৱা, to speak out anything irrevocably or unalterably.

সোণৱ ষোলেং—বিং, ষোলেং এৱিধ টেঙ্গা। সোণেৱে ষোলেঙৱ আকৃতিৱে বস্তু তৈয়াৱ কৱা হয়। এতেকে,—যেই সেই মহমূলীয়া বস্তু, a valuable thing.

সোণে-পোৱালে গঁথা—ক্রি. সোণে-পোৱালে গাঁথি সুন্দৱ গলমণি তৈয়াৱ কৱা হয়। অকল সোণেৱে নাইবা অকল পোৱালেৱে ভাল গলমণি কৱিব নোৱাৱি। ভাল আৰু বেয়া দুইৱো মিহলি হলে হে কামিলা বস্তু হয়। এতেকে,—ভাল আৰু বেয়া মিহলাই কোনো লাগতিয়াল কার্য্য কৱা, to make anything useful and permanent by blending the good and the evil harmoniously.

সোণ-খটোৱা—বিণ, ৰূপৰ অলঙ্কাৰত সোণ খটালে সি মূল্যবান হয়। এতেকে,—মূল্যবাণ, valuable.

সোণ-সেৱীয়া—বিণ, সোণৰ সেৱাৰ নিচিনা, বহুমূলীয়, precious.

সোণাৰি-গঢ়ী—বিণ, সোণাৰিৰ ছোৱালীবিজাক দেখিবলৈ ধুনীয়া। এতেকে,—সুশ্ৰী, শুৱনী। (ছোৱালীত খাটে), handsome, pretty (said of a girl).

সোপায়ং নমঃ কৰা—ক্ৰি, পূজাবিয়ে লৰালৰিকৈ পূজা শেষ কৰিবৰ নিমিত্তে বেল-পাত তুলসী-পাত আদি পূজাৰ বস্তু এপাত-এপাতকৈ নিদি একে-বেলিতে সোপাকে দি দিয়ে। বস্তু দেৱতাত লগাওঁতে 'নমঃ' শব্দ উচ্চাৰণ কৰা হয়। 'সোপাকে দিয়া হৈছে' এই ভাব বুজাবলৈ বিদ্ৰূপৰ ছলেৰে 'সোপায়ং নমঃ' বোলা হৈছে। এতেকে,—প্ৰণালী মতে এটা-এটাকৈ কাৰ্য্য নকৰি সকলো কাৰ্য্য একেবেলিতে লেটি-পেটিকৈ কৰা, to do the whole thing at once in confusion instead of serially in due form.

সোলা মুখৰ চৰ—বিং, দাঁতলগা মুখত চৰিয়ালে মানুহে ৰৰ দুখ নাপায়, কিয়নো তাৰ দাঁতৰ পাৰিয়ে চৰৰ কোৰ অনেক পৰিমাণে ৰাখে। সোলা মুখত চৰিয়ালে সি ৰৰ দুখ পায়। এতেকে,—বিপদ নিচেই সহিব নোৱৰা মানুহৰ পক্ষে বিপদ, a misfortune to one who is least able to endure it.

স্বৰ্গৰ অপেচৰা—বিং, স্বৰ্গৰ অপেচৰা অতি শুৱনী। এতেকে,—অতি শুৱনী তিৰোতা, a paragon of beauty.

হ।

হনুমন্ত জাঁপ—বিং, (হনুমন্ত=হনুমান।) হনুমানে জাঁপ মাবি সাগব পাব হৈ লঙ্কাল গৈছিল। এতেকে, ডাঙৰ জাঁপ, a big leap.

হয় দিয়া—ক্রি, ['হয়' বুলি মত দিয়া] সম্মতি প্রকাশ কবা, to consent, to agree.

হবি হবি কবা—ক্রি, কোনো আচবিত কার্য্য দেখিলে হবি হবি শব্দ উচ্চাবণ কবা হয়। এতেকে,—আচবিত মনা, to be struck with wonder, to marvel, to be amazed.

হবি হবি দেখা—ক্রি, ["দেও দেও দেখা" চোৱাঁ।]

হবি কথাতকৈ চাউল কঠা টান হোৱা—ক্রি, (হবি কথা=ঈশ্বব ভক্তি চাউল কঠা=পেট প্রবর্ত্তনব উপায়, উপজীবিকা।) পবকালব পাবমার্থিক আত্মাব কল্যাণব চিন্তাতকৈ ইহকালব ভৌতিক জীবণব কল্যাণব চিন্তা টান হোৱা, the thinking of the preservation of the life in this world more deeply than the salvation of the soul in the next world.

হবিভব দিয়া—ক্রি, [হবিয়ে জগতব ভব দিয়া] সর্ব্বতোভাবে সম্মতি দিয়া, to give full support to any measure, opinion or suggestion.

হবিয়ে গোবর্দ্ধন ধবি বখা—ক্রি, হাতেবে গোবর্দ্ধন পর্ব্বত দাঙি ধবি শ্রীকৃষ্ণে গোকুলত বাত-বৃষ্টিবপবা গোপ-বালকসকলক বক্ষা কবিছিল এতেকে,—ঈশ্ববে যথোচিত উপায় উদ্ভাবন কবি বক্ষা কবা, the keeping of a person from danger by the Merciful God.

হবিণব মাংসই বৈবী হোৱা—ক্রি, যদিও হবিণ নিবপবাধী, তথাপি তাব মাংস খাবলৈ সোৱাদ যাবে তাক মানুহে বধ কবে। সম্পত্তিশালী মানুহক হবিণেবে লনা কবা হৈছে। তেওঁব সম্পত্তি দেখি পবে তেওঁব অপকাব চিন্তে। এতেকে,—সম্পত্তিশালী মানুহব নিজব সম্পত্তিয়েই শত্রু হোৱা, the turning out of a person to be enemy to self on account of his wealth which by its very nature

arouses jealousy and a desire to harm in the breast of other people.

হবিণে বাঘব পাল চেলেকা—ক্রি, বাঘে হবিণক বাঘ ভাব মাংস খায়। হবিণে নিজগতে বাঘব গব পালেই পলাই যুবে। এই স্থলত, হবিণে ওচবলৈ চাপি বাঘব পাতে লাগি তাব গালখন চেলেকি দিয়ে বোলা হৈছে। জন্তুবিলাকে চেলেকা-চেলেকি কবি ইটোবে-সিটোবে মবম বুজায়। এতেকে,—অসম্ভব কার্য্য ঘটা, the happening of the impossible.

হর্ষ-বিষাদ লগা—ক্রি, আনন্দত বেজাব লগা, আনন্দ আক বেজাবব মিহলি অবস্থা পোবা, to feel pleasure mingled with pain.

হ'ল বিয়াত উকলি দিয়া—ক্রি, প্রস্তাব ঠিক্‌ঠাক্ হৈ বিয়াব সময় উপস্থিত হল, উকলি দি উৎসব সমাধা কবিব লাগে। তর্ক-বিতর্কব সময় পাব হৈ কার্য্য-কাল উপস্থিত হল, এই ভাব বুজোবা হৈছে। এতেকে,—কার্য্য-কাল উপস্থিত হলে তর্ক-বিতর্ক এবি কার্য্য সুকলমে সমাধা কবিবলৈ চেষ্টা কবা, to try to finish a work quickly after it has actually been commenced without delaying it by discussions which are too late.

হলা গছত আটায়ে বাগি বুঠাব মবা—ক্রি, পোন হৈ থকা গছ কাটিবলৈ টান। কিন্তু যি ডাল গছ হলি থাকে তাত কুঠাব মাবিবলৈ চল, আক সি নিজব ভবতে সহজে পবি যায়। এই স্থলত কোবা হৈছে, যে হলা গছ দেখিলে আটায়ে বগিয়াবগিকৈ কুঠাব মাবে অর্থাৎ প্রত্যেক পাল বাটি কাটে, কোনেও পাল এবি নিদিয়ে। পোন হৈ থকা কাঠ কাটিবলৈ হলে, প্রত্যেকে আনক কাটিবলৈ কৈ নিজে আঁতবি থাকিব খোজে। বিপদত পবা মানুহক হলা গছেবে তুলনা কবা হৈছে। এতেকে,—বিপদত পবা মানুহক সকলোবে অপকাব কবিবলৈ আগ-বঢ়া, the harassing of a person who is already in trouble by everybody who meets him.

হস্তীব পাব পিছলা—ক্রি, হস্তী ডাঙব জন্তু। খোজ কাঢ়োঁতে আচলত কেতিয়াবা কেতিয়াবা তাবো ভবি পিছলি যায়। এতেকে,—ডাঙব মানুহবো কেতিয়াবা ভুল হোবা, the taking of a false step

even by a great man occasionally by error of judgment

হাঁ বোলোঁতেই দুমুনিয়াৰ বাতৰি পোৱা—ক্রি, বেজাৰত মানুহে দুমুনিয়া কাঢ়োঁতে 'হাঁ' এনে মাত উচ্চাৰিত হয়। এই স্থলত কোৱা হৈছে, যে হাঁ বোলোঁতেই দুমুনিয়াৰ বতৰি পোৱা যায়, অৰ্থাৎ কিহৰ নিমিত্তে দুমুনিয়া কঢ়া হৈছে, তাৰ বৃত্তান্ত কব পৰা যায়। এতেকে,—কথা উলিয়াওঁতেই আদ্যোপান্ত বৃত্তান্ত বুজিব পৰা, সামান্য আভাষৰপৰা সমস্ত ঘটনা অনুমান কৰিব পৰা, to be able to infer the whole fact from the mere mention of it.

হাঁ-হাঁ কা-কা কৰা—ক্রি, [হাঁয় হাঁয় কা কা কৰা] কাউৰীয়ে কা-কা কৰি ৰমলিয়ায়। এতেকে,—হাঁয় হাঁয় কৰি ৰ'লিওৱা অৰ্থাৎ আৰ্ত্তনাদ কৰা, দুখ-কষ্টত পৰি চিঞৰ-বাখৰ কৰি ফুৰা, to bewail one's lot on account of heavy pecuniary embarrassments.

হাঁ-তে শুকোৱা—ক্রি, হাঁ এই ভাবতে ক্ষীণাই-শুকাই যায় অৰ্থাৎ হাঁ ধন হাঁ বস্তু বুলি থাকোঁতে চিন্তাত শৰীৰ দুৰ্ব্বল হৈ যায়, এই ভাব বুজোৱা হৈছে। ('হাঁ' হাঁয় শব্দৰ অপভ্রংশ।) এতেকে,—নাটনিত কাতৰ হোৱা, to be distressed always with feelings of want.

হাঁচটি বজা—ক্রি, হাঁচটিত টেঙি-কটাৰি থোৱা হয়। কটং কাটাংকৈ টেঙি-কটাৰি বাজে, কিন্তু হাঁচটি নাবাজে। এই স্থলত, হাঁচটি বাজে বোলা হৈছে। কোনো কাৰ্য্যৰে সৈতে সম্পৰ্ক নথকা মানুহে সেই কাৰ্য্যৰ বিষয়ে মুখ বজায় অৰ্থাৎ কোন্দ-মেলা কৰে, এই ভাব বুজোৱা হৈছে। এতেকে,—অসম্পৰ্কিত বিষয়ত হস্তক্ষেপ কৰা, to interpose or interfere in other men's affairs, to meddle in anything in which one has no concern.

হাঁৱা-কাৱা কৰা—ক্রি, [হাঁয় হাঁয় কাওৱাও কৰা] হাঁয় হাঁয় কৰি কাওৱাও কৰি ফুৰা, দুখ-কষ্টত পৰি অস্থিৰ হৈ ফুৰা, to be unmanned by dire pecuniary need.

হাঁহৰ ওপৰত শিয়াল বজা হোৱা—ক্রি, হাঁহৰ বল নাই, শিয়ালে তাক অনায়াসে ধৰি লৈ যায়। প্রজাৰ ওপৰত বজাৰ ক্ষমতা অসীম। হাঁহৰ ওপৰতো শিয়ালৰ ক্ষমতা বজাৰ সমান বোলা হৈছে। দুৰ্ব্বল

মানুহক হাঁহেৰে আৰু ক্ষমতাশালী মানুহক ৰজাৰে তুলনা কৰা হৈছে। এতেকে,—নিচলাৰ ওপৰত শক্তিৰ দেখুওৱা, to show power to the weak.

হাঁহ-চোৱৰ মুৰত পাখি লাগি থকা—ক্রি, হাঁহ চুৰ কৰিলে চোৱৰ মুৰত চটা এটা পাখি লাগি থাকে, আৰু সেইবে পিচত তাক ধৰা পেলাই দিয়ে। এতেকে,—বেয়া কামৰ নিদৰ্শন বৈ যোৱা, the leaving behind of evidence of crime by a wrong-doer.

হাঁহিত পেট-নাড়ী ছিগা—ক্রি, ৰৰকৈ হাঁহিলে পেটত খুচি ধৰি নাড়ী ছিগি যোৱা যেন বোধ হয়। এতেকে,—অতিপাতকৈ হঁহা, to laugh a side-splitting laughter, to laugh outright.

হাই হাই খাই খাই কৰা—ক্রি, [হাঁয় হাঁয় খায় খায় কৰা] "হাঁয় হাঁয়, লোকে লোকে খায়" এই দৰে কৰা অৰ্থাৎ সদাই দন্দ-খৰিয়াল কৰি থকা, to engage in petty squabble due to jealousy.

হাইঠা মাটিত পৰা—ক্রি, প্ৰবাদ আছে যে হাইঠা চৰাই মাটিত নপৰে। দৈবাৎ মাটিত পৰিলে সি চাকোলা হয়। এতেকে,—যি মানুহৰ মাটিত ভৰি দিয়া অভ্যাস নাই অৰ্থাৎ যি মানুহে সদাই ওখ বাহনত ফুৰে বা ওখ আসনত থাকে তেনে মানুহে মাটিলৈ নমা, the appearing of a great man on the ground who is accustomed to keep in a high story of a house or travel in a carriage.

হাট-বাট কৰা—ক্রি, [হাটত-বাটত দেখা দেখি কৰা] লুকাই-চুৰকৈ মীলা-প্ৰিতি হোৱা, to meet clandestinely (applied to lovers).

হাটে বাটে—ক্রি-বিণ, যতে ততে প্ৰকাশ্য ঠাইত, anywhere and everywhere.

হাড়-ছাল ওলোৱা—বিণ, মানুহ অতিকৈ ক্ষীণালে হাড়বিলাক ওলায় (দেখা যায়) আৰু ছালখন ওলায় (বহলি, বাঢ় অৰ্থাৎ সোতোৱা-সোতোৱ হয়।) এতেকে,—অতি ক্ষীণ, emaciated.

হাড় শুচি কৰা—ক্রি, বিয়া নকৰাকৈ মৰিলে মানুহ অশুচি হয়। তেনে মানুহৰ হাড় প্ৰায়শ্চিত্তৰ আৰা শুচি কৰিলে শ্ৰাদ্ধাদি ক্ৰিয়া কৰা হয়। বিয়া কৰিলে হাড় শুচি হৈ থাকে ; মৰিলে সেই হাড় প্ৰায়শ্চিত্তৰ আৰা শুচি কৰিব নালাগে। দুখীয়া আৱেৰে বিয়া কৰি কোনো মতে ঘৰ

শুচি করি খোৱা হয়, এনে ভাব বুজোৱা হৈছে। এতেকে,—দুখীয়া ভাৱৰে বিয়া কৰোৱা, to celebrate the ceremony of marriage in a poor style.

হাড়ক মাটি কৰা—ক্রি, মৰা-শ পুতিলে হাড় মাটি হৈ যায়। অতিৰিক্ত পৰিশ্রম কৰিলে মানুহ মৰে। এতেকে,—অতিৰিক্ত পৰিশ্রম কৰা, to labour too hard.

হাড়ত বন গজা—ক্রি, মৰা-শ মাটিত পুতি থলে মজহ গেলি-পঁচি মাটি হৈ যায়, আৰু হাড়ৰ ওপৰত বন গজে। মৰা-শৰ এনে অৱস্থা হবলৈ বহুকাল লাগে। এতেকে,—বহুকাল পূৰ্ব্বে প্রাণ ত্যাগ কৰা, to be dead and gone long since

হাড়লৈকে চিনা—ক্রি, হাড় শৰীৰৰ অন্তৰত থাকে। এতেকে,—অন্তৰ পর্য্যন্ত জনা, to know to the core i. e. thoroughly.

হাড়ে কণ্‌কণোৱা—ক্রি, (কণ্‌কণীয়া = শুকান।) বয়স বেচি হলে হাড়তে বস মৰি সি কণ্‌কণীয়া হয় অর্থাৎ বেচি কামিলা হয়। এতেকে,—বয়সত অভিজ্ঞত বঢ়া, to become a veteran by age and experience.

হাড়-নাইকিয়া জিৱা—বিং, জিৱাৰ হাড় নাই কিয়া দেখি সি আপোনা-আপুনি যেনিয়ে তেনিয়ে লৰং-কৰং কৰি থাকে অর্থাৎ নভৱা নিচিন্তাকৈ ভাল-বেয়া কথা কৈ থাকে। এতেকে,—স্বভাৱতে বিবেচনাহীন জিৱা, the tongue which is by nature inconsiderate.

হাড়-ভঙা বন—বিং, বলে নোৱৰা বন কৰোঁতে হাড় ভাগে। এতেকে,—কঠিন পৰিশ্রমৰ দ্বাৰা সাধ্য কার্য্য, an arduous task.

হাড়ে-ছালে লগা—বিং, হাড়ৰ ওপৰত মজহ থাকে আৰু মজহৰ ওপৰত ছাল থাকে। এই স্থলত কোৱা হৈছে, যে মজহ নাইকিয়া হৈ হাড়ে ছালে লগ হৈছে। এতেকে,—অতি ক্ষীণ, emaciated.

হাত অহা—ক্রি, (অহা = চলি অহা।) কোনো কার্য্য কৰিবৰ নিমিত্তে হাত যেনে-ভাবে চলিব লাগে, অভ্যাস কৰি থাকিলে তেনেভাবে চলে বোলা হৈছে। এতেকে,—হাতৰ অভ্যাস হোৱা, to be good at performing a thing by habit.

হাত উঠা—ক্রি, (কড়ি-খেলৰ ধাক্য) কড়ি-খেলত ক্রমশঃ দানি পৰিবলৈ ধৰিলে

'হাত উঠে' বোলে। এতেকে,—ক্রমশঃ আর্থিক অবস্থা ভাল হোৱা। to be continually better off.

হাত এৰি হেতালি খেলা—ক্রি (হেতালি=হাতৰ ওপৰত ওটি দৈ খেলা এবিধ খেল।) হাত এৰি হেতালি খেলা অসম্ভৱ। এতেকে,—কোনো কাৰ্য্যৰ প্ৰধান উপাদান এৰি দি সেই কাৰ্য্য কৰিবলৈ চেষ্টা কৰা, to do a work leaving out the principal part of it.

হাত কৰা—ক্রি, হস্তগত কৰা, চুৰ কৰা, to steal.

হাত ছিগা—ক্রি, ধন-বাৰি কৰিবলৈ কৰোঁতা বা সঁহুলি নাই কিম্বা হোৱা, to be deprived of help in men, money or material.

হাত টান—বিণ, হাতৰ মুঠি টান, চিকটা close-fisted, miserly.

হাত দঙ্গা—ক্রি কীলাবৰ নিমিত্তে হাত দঙ্গা, কীলাবলৈ উদ্যোগ কৰ, to attempt to beat.

হাত দীঘল মানুহ—বিণ, যাৰ হাত দীঘল সি দূৰলৈকে ঢুকি পায়। (মহাপুৰুষ সকলৰ হাত আজানুলম্বিত বুলি ধৰ্ম্মপুথি আদিত লিখা আছে, সেই কথাৰপৰা এই বাক্য হোৱা হৈছে।) এতেকে,—বহু কাম সাধিব পৰা ধৰলোক, an influential man.

হাত-দেৰি মন-দেৰি—বিণ, (দেৰি=অধিক, বেচি।) বিলনীয়াই কোৱে জনক হাতেৰে প্ৰকৃততে বেচি দিয়ে আৰু কোনো জনক মনেৰে বেচি দিবলৈ আলচে, সেই কথাৰপৰা এই বাক্যৰ উদ্ভৱ হৈছে। এতেকে,—পক্ষপাত দোষ, bias.

হাত ধৰি দিয়া—ক্রি, [হাত টানি ধৰি দিয়া] হাত আগলৈ বঢ়াই পিচলৈ টানি ধৰি দিয়া, তাকৰৰকৈ দিয়া, to give sparingly.

হাত ধৰি শিকোৱা—ক্রি, [হাতত ধৰি শিকোৱা] কেনেকৈ কাম কৰিব লাগে শিক্ষাৰ আদিতে হাতত ধৰি শিকোৱা, আদি-শিক্ষা দিয়া, to teach the first lessons in anything.

হাত পৰা—ক্রি, (কড়ি-খেলৰ বাক্য) কড়ি-খেলত কেতিয়াবা যাৰে যাৰে দানি পৰে। যেতিয়া দানি পৰিবলৈ এৰে, তেতিয়া 'হাত পৰে' বোলে। এতেকে,—আৰ্থিক অবস্থা ভালপৰা বেয়ালৈ অহা, to be worse off.

হাত বন্দী—বিণ, হাতৰ যাৰা তুলি বন্ধ দান কৰা হয়। তাৰৰ বন্ধ দান কৰিবলৈ

হাতত বল লাগে। এতেকে,—দানী, charitably-disposed.

হাত ভরি ধোৱা—ক্রি, ভাত খাবৰ নিমিত্তে গা ধোৱা হয়, কিন্তু জলপান খাবৰ নিমিত্তে হাত আৰু ভরি মাথোন ধোৱা হয়! এতেকে,—জলপান খোৱা, to eat tiffin.

হাত মুকলি—বিণ, হাতৰ মুঠি মুকলি, দানী, charitable, beneficent.

হাত মেলি মেলি নচা—ক্রি, অতিৰিক্ত আনন্দ হলে ইতৰ মানুহে হাত মেলি মেলি নাচে। এতেকে,—অতিৰিক্ত আনন্দ প্রকাশ কৰা, to express an excess of mirth.

হাত-মোছা কানি—বিং, (কানি=কাপোৰ।) মানুহে বেয়া কাপোৰত তিতা বা মলিযুক্ত হাত মোছে। অপদার্থ মানুহক এনে কাপোৰেৰে তুলনা কৰা হৈছে। এতেকে,—অপদার্থ মানুহ, a contemptible person.

হাত বাখি দিয়া—ক্রি, [হাত ধৰি বাখি দিয়া] হাত আগলৈ যাবলৈ নেৰি ধৰি বাখি দিয়া, তাকৰ কৈ দিয়া, to give sparingly.

হাত লগোৱা—ক্রি, হাত লগাই অর্থাৎ হাতেৰে ছুই কীলোৱা, to lay hands on, to assault.

হাত লৰ—বিণ, হাতে গিৰিহঁতৰ বস্তুৰ ভিতৰতে আৰম্ভ নাথাকি লৰ-চৰ কৰি সুবিধা পালে পৰৰ বস্তু দাঙি ধৰে বোলা হৈছে। এতেকে,—পৰদ্রব্য অপহৰণকাৰী, thievish.

হাত লেচাবি যোৱা—ক্রি, মনত অচিন্তা হলে খোজ কাঢ়োঁতে মানুহে হাত লেচাবি যায়। এতেকে,—অচিন্তা-ভাৱেৰে যোৱা, to walk leisurely.

হাত সৰা—ক্রি, [হাতৰপৰা সৰা] হাতৰ পৰা এৰাই যোৱা, পলাই যোৱা, আঁতৰ হোৱা, to get out of hand.

হাত সাবটি থকা—ক্রি, এলেহুৱা মানুহে কামৰত হাত সাবটি বহি থাকে। এতেকে,—এৰাহ লাগি কাম-কাজ নকৰাকৈ থকা, to sit with folded hands, to waste time in idleness.

হাতত ধৰা—ক্রি, হাতেৰে কোনো কার্য্য কৰিব খুজিলে হাতত ধৰি বাধা দিয়া যায়। এতেকে,—বাধা দিয়া, to resist, check, hinder.

হাতত ধৰি ভৰিত ধৰাৰ সমানে কোৱা—ক্রি, হাত আৰু ভৰি দুইটা একে শৰীৰৰ বিভিন্ন অঙ্গ। হাতত ধৰি কোনো বিষয়ে অনুৰোধ কৰা

হয়। হাতত ধরিলে ভরিত ধরিবলৈ বাকি নাথাকে, এই ভাব, দুজোরা হৈছে। এতেকে,—দৃঢ়ভাবে সবিনয়ে প্রার্থনা জনোরা, to make an earnest and not far from abject request.

হাততে স্বর্গ পোৱা—ক্রি, (হাততে পোৱা=হস্তগত হোৱা। স্বর্গ=স্বর্গৰ বিভৱ।) অতুল ঐশ্বর্য্য-বিভৱৰ গৰাকি হোৱা, to attain great prosperity, to feel extreme joy or pleasure.

হাততে হেৰোৱা—ক্রি, হাতেৰে ধৰি থাকোঁতেই হেৰোৱা, হঠাৎ নাইকিয়া হোৱা, to slip off the hand, to disappear suddenly.

হাতৰ তলত ৰখা—ক্রি, এজন মানুহে আন এজনৰ হাতৰ তল হৈ থাকিলে তাক কেঁচুকি দমাহ বাধিব পাৰে। এতেকে,—দমাই ৰখা, to keep in subjection.

হাতৰ মুঠিত ৰখা—ক্রি, কোনো বস্তু হাতৰ মুঠিত ৰাখিলে সি লৰ-চৰ কৰিব নোৱাৰে। এতেকে,—লৰ-চৰ কৰিব নোৱাৰাকৈ ৰখা অর্থাৎ সম্পূর্ণ তলতীয়া কৰি ৰখা, to keep under absolute control.

হাতৰ কাণৰ বেচা—ক্রি, [হাতৰ অংকাৰ কাণৰ অলঙ্কাৰ বেচ,] তিৰোতাই মহা-কষ্টত পৰিলে অলঙ্কাৰ বেচি ধন উলিয়ায়। এতেকে,—মহা-কষ্টৰ অৱস্থা পোৱা, to be reduced to the last straits.

হাতৰ তলুৱা—বিং, হাতৰ তলুৱাত কি কি আছে তাক ভালকৈ দেখা পোৱা যায়। এতেকে,—যি মানুহৰ বস্তু বা কাৰ্য্যৰ বিষয়ে সকলো কথা সুক্ষ্মৰূপে জনা আছে তেনে মানুহ, বস্তু বা কার্য্য, anything thoroughly known.

হাতৰ তলুৱা খজুওৱা—ক্রি, হাতৰ তলুৱাত কোনো বস্তু থলে খজুওৱাৰ নিচিনা অনুভৱ হয়। এই বাক্যে আদিতে 'কোনো বস্তু পোৱা হৈছে' বুজাই-ছিল। তাৰপৰা পিছলি কোনো বস্তু 'অলপতে পোৱা যাব' এই অর্থ হল। এতেকে,—কোনো বস্তু পাবৰ আগন্তুক হোৱা, লাভৰ আশা হোৱা, to expect gain.

হাতৰ তলুৱাত নোম গজোৱা—ক্রি, নোম হাতৰ তলুৱাত নগজে, আন আন অংশত হে গজে। এই স্থলত হাতৰ তলুৱাত নোম গজায় বোলা হৈছে। এতেকে,—অসম্ভৱক সম্ভৱ কৰা, to perform a miracle.

হাতর মলি—বিং, বন-বাদী করিলে হাতত মলি লাগে। বন বাদী করি যি বস্তু পোৱা যায়, সেই বস্তু তুচ্ছ বস্তু এনে ভাব বুজোৱা হৈছে। এতেকে,— পরিশ্রমর দ্বারা উপার্জ্জন করিবপরা অপদার্থ বস্তু, a thing of very little value or importance.

হাতর শাবে ভরির শাবে যোৱা—ক্রি, কোনো মানুহে ইমান চোৰাংকৈ ধন বোলা হৈছে, যে যাওঁতে হাতর শব্দ হৈছে নে নাই হোৱা আৰু ভরিৰ শব্দ হৈছে নে নাই হোৱা সেই বিষয়ে কাণ শাবে বাখি যায় অর্থাৎ যাতে তেনে শব্দ নহয় তার নিমিত্তে যত্ন করি খোজ কাঢ়ে। এতেকে,— অতি নিস্তব্ধভাবে যোৱা, to walk stealthily.

হাতলৈ চোৱা— ক্রি, কিবা বস্তু হাতত আনিছে নে নাই অনা বুলি হাতলৈ চোৱা যায়। এতেকে —কোনো বস্তু পাবর নিমিত্তে আশা কৰা, to expect a gift.

হাতে কাণে অঁৰা—ক্রি, ধন-সম্পত্তি থকা তিৰোতাই হাতে কাণে অলঙ্কার পিন্ধি সজ্জিত হয়। এতেকে,—সম্পত্তিশালিনী হোৱা, to be possessed of great wealth, (said of a woman).

হাতে কাপে ধৰা পৰা—ক্রি, কোনো দূষণীয় কথা হাতেৰে কাপর দ্বারা লিখা অবস্থাতে ধৰা পৰে বোলা হৈছে। এতেকে,—অপরাধ করি থকা অবস্থাতে ধৰা পৰা, to be caught red-handed.

হাতে হাতে পোৱা—ক্রি, [হাতে দি হাতে পোৱা] দিওঁতাই হাতেৰে দিয়ে আৰু লওঁতাই হাতত পায়, এই ভাব বুজোৱা হৈছে। এতেকে,—তদ্দণ্ডে পোৱা, to get then and there.

হাতে কামে আজোৱা—ক্রি, কোনো তিৰোতাই বাওঁ ফালে বাওঁ হাতেৰে ধরি কাষত লৰা দাজি লৈ ফুৰায় আৰু সোওঁ ফালে সোওঁ হাতেৰে আন লৰাক মাটিয়ে টানি লৈ ফুৰায়। দুইটা লৰাকে একে লগে দাজি লৈ ফুৰাব নোৱাৰে বাবে এনে করা হয়। এতেকে,—পরর সাহায্য নোহোৱাকৈ জোটা-পোটাকৈ নিজে বহু শ্রমেৰে কার্য্য করা, (তিৰোতাত খাটে), to manage household affairs with utmost effort single-handed (said of a woman).

হাতে নামাৰি ভাতে মৰা—ক্রি, ভাত খাবলৈ নিদিলে মানুহ মৰে। হাতেৰে মাৰিলেও মানুহ মৰে। এই স্থলত হাতেৰে নামাৰি ভাতেৰে অর্থাৎ

ভাত নিদিয়াকৈ মাৰে বোলা হৈছে। এতেকে,—দেখা-শুনাকৈ নামাৰি নেদেখাকৈ কৌশলেৰে মৰা, বস্তুৰ ভোৱৰাকৈ ফিকিৰেৰে মৰা, to destroy indirectly by policy and not directly by physical force.

হাতে পাতে ধৰা—ক্রি, [হাতে প্রতি ধৰা] আটাইবিলাক মানুহে একেলগে মিলি-জুলি ধৰা, to work in co operation.

হাতে ভৰিয়ে ধৰা—ক্রি, কোনো মানুহে আন এজনৰ হাতে ভৰিয়ে ধৰে অর্থাৎ কেতিয়াবা তেওঁৰ হাতত ধৰি দৃঢ়ভাবে অনুৰোধ কৰে আৰু তাত ফল নহব বুলি আশঙ্কা কৰি তেওঁৰ ভৰিত ধৰি কাৰৌ কৰে। এতেকে,—কাৰৌ-কোকালি কৰা, কাকুতি-মিনতি কৰা, to beseech abjectly.

হাতে হাতে ধৰা—ক্রি [হাতেৰে হাতত ধৰা] চোৰে চুৰ কৰি থাকোঁতে পিছিঁতে নে মনে গৈ হাতেৰে ফচ্-কৰে চোৰক ধৰি লয় বোলা হৈছে। এতেকে,—কোনো বেয়া কাম কৰি থকা অৱস্থাতে ধৰা পেলোৱা, to catch red-handed.

হাতেৰে কই ভৰিৰে মোহৰা—ক্রি, গছ পুলি হাতেৰে মাটিত বে ৰা হয়। নষ্ট কৰিবলৈ হলে খঙ্গত ভৰিৰে মোহাৰি পেলোৱা হয়। নিজৰ শৰীৰৰ এটা অঙ্গেৰে কই আন এটা অঙ্গেৰে তাক নষ্ট কৰে, এই ভাব বুজোৱা হৈছে। এতেকে,—নিজে পাতি নিজে ভঙ্গা, to make a thing and then to mar it.

হাতী-খাবলেৰে খোৱা—ক্রি, হাতীয়ে অপৰিমিত আহাৰ কৰে। এতেকে,—অপৰিমিত আহাৰ কৰা, to eat super-abundantly.

হাতী-পৰা দিয়া—ক্রি, হাতীৰ ৰোগ হলেও সি মানুহৰ নিচিনাকৈ নোশোৱে, স্থিৰ অৱস্থাতে থাকে। যদি সি পৰে তেনেহলে আৰু উঠিব নোৱাৰে। কিছু দিন সেই অৱস্থাতে থাকি মৰি যায়। এতেকে,—সাংঘাতিক ৰোগত পৰা, to be confined to bed on account of an attack of fatal disease.

হাতীয়ে ওডালৰ গুৰিত কন্দা—ক্রি, প্রবাদ আছে যে হাতীৰ বেজাৰ লাগিলে সি ওডাল গছৰ তলত গৈ কান্দে। ওডাল প্রকাণ্ড গছ, তাৰ ছালেৰে কঁই বাটি হাতীক বন্ধা যায়। এতেকে,—উপায়হীন মানুহে

অমঙ্গল-দিওঁতা জনৰ আগতে অমঙ্গল নিৰাকৰণৰ নিমিত্তে প্ৰাৰ্থনা জনোৱা, the representing of a grievance by a helpless person to the very person who has caused the grievance.

হাতীয়ে মহে যুঁজা—ক্রি, বনৰীয়া হাতী আৰু বনৰীয়া ম'হ দুয়ো সমান বলী। কেতিয়াবা হাবিত সিহঁতৰ ভিতৰত যুদ্ধ হলে বহু পৰ লৰালেপেৰাকৈ যুদ্ধ চলি থাকে। এতেকে,—দুজন সমান বলী মানুহৰ ভিতৰত লৰালেপেৰাকৈ ডাঙৰ কাজিয়া লগা, the struggling of two equally powerful combatants in an obstinate manner.

হাতীয়ে মাউতে থাউনি নোপোৱা—বিণ, পানী ইমান দ বোলা হৈছে, যে হাতী আৰু মাউত দুয়ো গোট খাইও থাউনি নাপায় অৰ্থাৎ হাতীৰ ওপংত থিয় হৈ মাউতে থাউনি নাপায়। এতেকে,—ৰৰ দ, unfathomable.

হাতীয়ে মাখিয়ে সমান হবলৈ যোৱা—ক্রি, হাতী ডাঙৰ, মাখি সৰু। এই স্থলত মাখিয়ে হাতীৰ সমান হবলৈ যায় বোলা হৈছে। ডাঙৰ মানুহক হাতীৰ আৰু সৰু মানুহক মাখিৰ তুলনা কৰা হৈছে। এতেকে,—তুচ্ছ মানুহে ৰৰলোকৰ জোৰ লবলৈ যোৱা, the aping of a great man by an insignificant person.

হাতীৰ দাঁত—বিং, হাতীৰ দাঁত কট্‌কটীয়া। এতেকে,—লৰচৰ নোহোৱা কথা বা কাৰ্য্য, an unalterable word or act.

হাতীৰ গালৈ তৰাৰ ফুমুঠি মৰা—ক্রি, ফুমুঠি মাৰি হাতীক খেদিব পৰা নাযায়। এই স্থলত তৰা গছৰ ফুমুঠি বোলা হয় বোলা হৈছে। তৰাৰ ফুমুঠি নিচেই অকামিলা, এনে অকামিলা যে হাতীয়ে তাৰ একেবিও ভয় নকৰে, ৰৰং বৰ পাই তৰা গছ মুখত সুমাই খাই পেলায়, এনে ভাব বুজোৱা হৈছে। ৰৰলোকক হাতীৰে তুলনা কৰা হৈছে। এতেকে,—ৰৰলোকৰ প্ৰতি অকামিলা অস্ত্ৰ নিক্ষেপ কৰা, to direct a useless weapon against a powerful enemy.

হাতী-শুড়েৰে ৰৰষুণ দিয়া—ক্রি, হাতীয়ে শুড়েৰে পানী টানি শুড় ওপৰলৈ তুলি সেই পানী এৰি দিলে যেনেতাবে পৰে তেনেতাবে ৰৰষুণ দিয়ে বোলা হৈছে। এতেকে,—ডাঙৰকৈ ৰৰষুণ দিয়া, to rain in

torrents.

হামৰাও কঢ়া—ক্রি, [হাম্বা ৰব কৰা] গাই-গৰুৱে পোৱালি হেৰালে হাম্বা ৰব কৰি ফুৰে। এতেকে,—ব্যাকুলভাৱে কোনো বস্তুৰ নিমিত্তে অভিলাষ কৰা, অতিকৈ হেঁপাহ কৰা, to hanker, to have a longing desire.

হামিয়াই হেঁকটিয়াই থকা—ক্রি, অধিক চিন্তা হলে মানুহে হামিয়াই হেঁকটিয়াই থাকে। এতেকে,—চিন্তা-ব্যাকুলিত হোৱা, to live in anxiety.

হায়োবিয়ো কৰা—ক্রি, ['হে অই ঐ' বাই ঐ' কৰা] বেজাৰত বিহ্বল হৈ কোঢ়াল কৰা, to lament distressfully.

হাবলী অই—বিং, ['সাত ভাই চম্পা' সাধুকথাবপৰা লোৱা বাক্য] ('হাবলী' শব্দ 'সৰল' শব্দৰপৰা ওলাইছে। আঙ্গলী আই, a simple loving mother.

হাবামৰ নেগুৰ—বিং, 'হাবাম' যাৱনিক শব্দ, ইয়াৰ অর্থ 'অশুচি বস্তু'। নেগুৰ জন্তুৰ শৰীৰৰ শেষ ভাগ। এতেকে,—নিকৃষ্ট মানুহ, the vilest person.

হালত ঘোড়া—ক্রি, গৰুক যেনেকৈ হালত ঘোড়ে তেনে কৰা অর্থাৎ সেও কৰি নিজৰ কামত লগোৱা, to reduce to slavery.

হালে হালে সাঙ্গোৰা—ক্রি, অধিক বন্দী মানুহক নিবলৈ হলে দুটা-দুটাকৈ সাঙ্গুৰি লয়, যাতে সিঁহতে লৰি পলাবলৈ চল নাপায়। এতেকে,—সম্পূর্ণ তলতীয়া কৰা, সাৱশেষকৈ ঘটুওৱা, to subdue thoroughly.

হিয়া ধাকুৰা—ক্রি, অতিৰিক্ত বেজাৰ হলে মানুহে হিয়া ধাকুৰি অর্থাৎ ভুকুৱাই কান্দে। এতেকে,—কান্দি ব্যাকুল হোৱা, to lament loudly, to grieve bitterly.

হিয়া ধুনা—ক্রি, ধেনুৱে যেনেকৈ ভুলা কোবাই ধুনে, হাতেৰে তেনেকৈ হিয়া কোবাই জর্জৰিত কৰে, এই ভাব বুজোৱা হৈছে। অতিকৈ কান্দিলে মানুহে হাতেৰে বুকু চপবিয়ায়। এতেকে,—কান্দি ব্যাকুল হোৱা, to lament loudly, to grieve bitterly.

হিয়া ভুকুওৱা—ক্রি, ["হিয়া ধাকুৰা" চোৱা।]

হিয়াৰ আমঠু—বিং, (আমঠু=হিয়াৰ মাজৰ কলাডিল।) হিয়া মৰমৰ বাসস্থান। কোনো মানুহ ইমান প্রিয়তম যে তেওঁ সেই স্থানৰ

কেন্দ্র-স্বরূপ, এই ভাব বুজোৱা হৈছে। এতেকে,—প্রিয়তম মানুহ, a dearly beloved person.

হুতাশীন মানুহ—বিং, (হুতাশীন=হুতাশন, জুই।) জুইয়ে যি বস্তু পায় তাকে পুৰি পেলায়। এই স্থলত বুজোৱা হৈছে, যে কোনো মানুহৰ যি বস্তুৰে বা কার্য্যৰে সম্পর্ক ঘটে, সেই বস্তু বা কার্য্যই নষ্ট হৈ যায়। এতেকে,—ধ্বংসকাৰী মানুহ, a person of destructive tendencies.

হুনু বাৰ্ত্তা—বিং, 'শুনো' (অর্থাৎ মই নিজে নজানো লোকৰ মুখে শুনো) এনে বোলা কথা, উৰা-বাতৰি, a hearsay, a rumour.

হুৰমুৰ যাত্রা—বিং, কোনো ঠাইলৈ যাবলৈ হলে শুভ ক্ষণ চাই সেই মতে যাত্রা কৰিব লাগে। এই স্থলত, সেইবিলাক নিয়ম-কাৱণ একো নকৰি হুৰমুৰ-কৰে ওলাহ গুচি যায় বোলা হৈছে। এতেকে,—হুৰমুৰ-কৰে কৰা কার্য্য, anything done in great haste or impulsively.

হুৰ্‌হুৰ্‌-টক্‌টক্‌—বিং, কোনো মানুহে হুৰ্‌হুৰ্‌-কৰে যায় আৰু মুখেৰে টকাৰ দৰে টক্‌টক্‌ কৰে অর্থাৎ কথা কয়। এতেকে,—ধুমধাম-হাই-উকমি, bustle and noise.

হুল চঁচা—ক্রি, (হুল=শূল।) আহোম-ৰজাৰ দিনত শূল চাঁচি জোঙা কৰি মাটিত পুতি অপৰাধীক তাৰ ওপৰত তুলি প্রাণদণ্ড কৰা হৈছিল। এতেকে,—আনৰ অহিত চিন্তা কৰা, to plot, to design.

হুলে হুল কঢ়া—ক্রি, গাত হুল সোমালে আন এডাল হুলেৰে তাক খুঁচি উলিওৱা যায়। এতেকে,—উগ্র ৰোগ উগ্র ক্রিয়াৰ দ্বাৰা আৰোগ্য হোৱা, the curing of a cruel disease by means of an equally cruel treatment (often used figuratively).

হুৱাদুৱা লগা—ক্রি, [হোৱা দিয়া লগা] শিয়ালবিলাকে হোৱা দিলে যেন হাই হয়। এতেকে,—কন্দা-কটা কৰি হাই-উকমি কৰা, to raise a hue and cry.

হেঁকটীয়া মাছ—বিং, শৰীৰৰ কোনো ঠাইৰ মজহু কাঠ বাঢ়িলে তাকে 'হেঁকটীয়া বঢ়া' বোলে। কোনো মাছ সিজালে সি কাঠৰ নিচিনা টান মাৰি থাকে, কেতিয়াও নিসিজে। তেনে মাছকে হেঁকটীয়া মাছ বোলা যায়। নিসিজা মানুহক হেঁকটীয়া মাছেৰে তুলনা কৰা হৈছে।

এ.ত্তকে,—নিসিঙ্গা মানুহ, unyielding, obstinate.

হেঁচ-টেপ কৰা—ক্রি, [হেঁচা-টেপা কৰা] অলপ-অচৰপ চেপ দিয়া অর্থাৎ ঠাইয়ে ঠাইয়ে কিছু অসুবিধা দিয়া, to show bias in trifling matters.

হেঁচি-ঠেলি কৰা—ক্রি, কোনো কার্য্য গাৰ বলেৰে হেঁচা আৰু ঠেলা দিলে হে কৰিব পৰা যায়, এই ভাব বুজোৱা হৈছে। এতেকে,—কষ্ট কৰি কৰা, to do a thing labouriously.

হেঁচুকি গছত তোলা—ক্রি, গছত উঠিবলৈ নিজৰ ইচ্ছা নাই, আনে ত' ধৰিবা হেঁচুকি তাক ওপৰলৈ তুলি দিয়া হয় বোলা হৈছে। এতেকে,—ইচ্ছাৰ বিৰুদ্ধে আনে বলেৰে কার্য্য কৰোৱা, to compel a person to do a work against his will.

হেকাই টিলিকি বাওঁ কৰা—ক্রি, ['হে কৰাই টিলিকি বাওঁ' এনে কৰা] ৰবকৈ আনন্দ হলে বন্ধুবৰ্গক সম্বোধন কৰি টিলিকি বন্ধাই 'হেকাই টিলিকি বাওঁ' বোলা হয়। এতেকে,—বহুত উধাৰ খোৱা, to be over-jubilant.

হেঙেৰা ভাঙ্গি পকা ধান খোৱা—ক্রি, পথাৰত গৰুৰে ধান খোৱাৰ নিমিত্তে হেঙেৰা দিয়া হয়। ধান যেতিয়া পকে, সেই সময়ত হেঙেৰা ভাঙ্গি পকা ধান গৰুৱে খালে গিৰিহঁতৰ বহুৎ হানি আৰু অসন্তোষৰ কাৰণ হয়। এতেকে,— মহৎ হানিকাৰক আৰু অসন্তোষজনক কার্য্য কৰা, to do a serious mischief.

হেজাৰ হওক—ক্রি-বিণ, [হেজাৰ ভাল হওক তথাপি] হেজাৰ গুণ থকা স্বত্বেও notwithstanding many good qualities.

হেতা-ওপৰা কৰা—ক্রি, [হাতা-ওপৰা কৰা] এজনে কোনো বস্তুত হাত দিলে আন এজনে সেই হাতৰ ওপৰতে আকৌ হাত দিয়ে বোলা হৈছে। এতেকে,— কোনো বস্তু পাবৰ নিমিত্তে জোটা-পোটা কৰা, to scramble for anything.

হেদানি মেলা—ক্রি, [হাত দাজি মেলা] ধান শুকাবৰ নিমিত্তে চোতালত মেলি দিয়া হয়। বহু দূৰলৈকে মেলি দিবলৈ হলে হাত দাজি মেলি দিব লাগে। অপৰ পক্ষে, 'মেলা' শব্দে 'বাৰলৈ এৰি দিয়া' বুজায়। এতেকে,—বহু দূৰলৈ বাৰলৈ এৰি দিয়া অর্থাৎ স্বেচ্ছাচাৰী হবলৈ

দিয়া। ('হেদাঙ্গি মেলা' বাক্যও চলিত আছে।), to allow a ward to knock about aimlessly,

হেন্দোল-দোপ দল-দোপ—বিং, দলনী আৰু দোপনীৰ এঠাইত ভৰ দিলে গোটেই ঠাই হেন্দুলিবলৈ ধৰে। কোনো ঠাইত বহু মানুহৰ সমাগম হৈ ধুম-ধাম হলেও সেই ঠাই লৰি যয় বোলা হয়। এতেকে,—মহা আড়ম্বৰ, অতিপাত ধুম-ধাম, pomp and grandeur.

হেপোৰ পিটা—ক্রি, পিঠিত এছাবিবে পিটি মুখেৰে এবিধাৰে 'হেপোৰ' শব্দ উচ্চাৰণ কৰি থকা এবিধ খেলৰ নাম 'হেপোৰ পিটা'। তাৰপৰা এই বাক্যৰ উৎপত্তি হৈছে। এতেকে,—একেটা কামকে একেবাহে বহু পৰ টানি-আনুৰি কৰি থকা, to engage in drudgery.

হেলাই-হেপাই মৰা—ক্রি, [হেলাই-ফোঁপাই মৰা] হেলাই=ক্লান্তি কৰি অর্থাৎ গা পেলাই।) কৰকৈ ভাগৰ লাগিলে মানুহে গা পেলাই দি ফোঁপাই-জোপাই মৰাৰ নিচিনা হয়। এতেকে,—কোনো টান কার্য্য কৰি ভাগৰত অবশ হোৱা, to be exhausted by hard labour.

হেলৌ-হৈচৌ কৰা—ক্রি, ডাঙৰ বস্তু টানোতে মানুহে মুখেৰে 'হেলৌ-হৈচৌ' বুলি চিঞৰে। সেইৰূপে বহু পৰ চিঞৰ-বাখৰ কৰি বস্তুটো অলপ-অলপকৈ মাথোন টানি নিব পৰা যায়। এতেকে,—কোনো কার্য্য বহু পৰ লাগি থাকি অলপ-অলপকৈ কৰা, to do anything by drudgery.

হৈ-ঐ হৈ-ঐ কৰি ফুৰা—ক্রি, হৈ-ঐ হৈ-ঐ কৰি গৰু মহ আগুৰে। এতেকে,—অনবৰত কোঢ়াল কৰি ফুৰা, to move about noisily.

হোঁ-হেকো একো নমতা—ক্রি, মানুহে কেতিয়াবা সম্পূর্ণ ভাবে প্রয়োগ নকৰি 'হোঁ' 'হেকো' ইত্যাদি মাত্ৰ উচ্চাৰণ কৰি ভাব প্রকাশ কৰে। হোঁ=সম্মতিসূচক অব্যয়। হেঁকো=আনন্দসূচক অব্যয়।) এতেকে,—সমূলি মাত নমতা, to keep perfect silence.

হোৱোৱাই তললৈ যোৱা—ক্রি, ভূঁইকঁপ হলে কোনো ঠাই হোৱোৱাই তললৈ যায়। ঘৰ-বাৰী বস্তু-বেহানি তাত যি থাকে সকলো সমূলি নষ্ট হৈ যায়। এতেকে,—সমূলি নষ্ট হোৱা, to be completely ruined.

হোল-গোজ ভকত—বিং, 'হোল' শব্দ 'সবল' শব্দৰ অপভ্রংশ। এতেকে,—

সৰল গোজৰ নিচিনা মানুহ অর্থাৎ সৰল চিত্তৰ মানুহ, a sincere man.

হোলাৰ ভাই মোলা—বিং, 'হোল' শব্দ 'সৰল' শব্দৰ অপভ্রংশ। 'ব্যক্তি' বুজাবৰ নিমিত্তে 'হোলা' (হোলাই) ব্যবহৃত হৈছে। 'মোলা' বা মোল্লা (মৌলোনা) যাৱনিক শব্দ। মৌলোনা সকল সৰল স্বভাবৰ মানুহ বুলি প্রখ্যাত। এই স্থলত কোৱা হৈছে, যে ককায়েক ভায়েক দুয়ো জন সৰল। এতেকে,—সৰল পৰিয়ালৰ সৰল মানুহ। নিচেই সৰল মানুহ, a sincere man of a sincere family, a very sincere man.

হোলোঙাৰে কাণ বিন্ধোৱা—ক্রি, বেঙীৰে বা কাঁইটেৰে কাণ বিন্ধোৱা যায়, হোলোঙাৰ নিচিনা ডাঙৰ মাৰিবে কাণ বিন্ধাৰ পৰা নাযায়। এই স্থলত হোলোঙাৰে কাণ বিন্ধায় বোল হৈছে। এতেকে,—অসম্ভৱ কার্য্য কৰিবলৈ চেষ্টা কৰা, to attempt to do the impossible.

হোৱা কথা—বিং, (হোৱা=হব-লগীয়া) উচিত কথা, the right thing

হোৱা দিয়া—ক্রি, এটা শিয়ালে হোৱা দিলে আটাইবিলাক শিয়ালে হোৱা দিবলৈ ধৰে। এতেকে,—নভবা-নিচিন্তাকৈ লোকৰ মনতে মত দিয়া, to echo other's opinion unthinkingly.

হোৱাতে-নোহোৱাতো—ক্রি-বিণ, (হোৱা=হব-লগীয়া, উচিত। নোহোৱা=নহব-লগীয়া, অনুচিত।) উচিত কথাতো অনুচিত কথাতো, যেতিয়াই তেতিয়াই কাৰণ নিবিচাৰাকৈ, সময় অসময় নোচোৱাকৈ, অযথা, at any time unthinkingly, in season and out of season.

ক্ষ।

ক্ষুদ্র ৌচ কৰা—ক্রি, মূত্রত্যাগ কৰা, to discharge urine.

ক্ষুৰৰ সাঁকোত বগোৱা—ক্রি, সাকোঁ বাঁ বাহ কাঠৰ দ্বাৰা নির্ম্মিত। এই স্থলত সাঁকো ক্ষুৰৰ দ্বাৰা নির্ম্মিত বোলা হৈছে। এনে সাঁকোত বগোৱা বিপজ্জনক। এতেকে,—বিপজ্জনক কার্য্য কৰা, to embark on a hazardous undestaking.

ক্ষুৰে নাকে দন্দ কৰা—ক্রি, ক্ষুৰে অনায়াসে নাকক কটি পেলাব পাৰে। সেই দেখি নাকে ক্ষুৰেৰে দন্দ কৰিলে নাকৰ বিপদ অৱশ্যম্ভাবী। অতি বলী মানুহক ক্ষুৰেৰে আৰু অতি দুর্ব্বল মানুহক নাকেৰে তুলনা কৰা হৈছে। এতেকে,—অতি বলী মানুহে আৰু অতি দুর্ব্বল মানুহে দন্দ কৰা, the fighting of two persons in a wholly unequal match.

ক্ষেণ-ভেন দেহা—বিং, [ক্ষণ-ভঙ্গুৰ দেহা] মানুহৰ দেহা ক্ষণেকতে ভাগি যায় অর্থাৎ ধ্বংস পায়। এতেকে,—নশ্বৰ দেহা, this mortal frame.

ওপৰঞ্চিং।

অ।

অঁকবা গাঁহৰি—বিং, বনৰীয়া গাঁহৰি অঁকবা অর্থাৎ সি যেই পোনে যাব খোজে, সেই পোনেই গুমগুমাই যায়, একো বাধা-বিঘিনিলৈ কাণশাৰ নকৰে। এতেকে,—আকৌর্গোজা মানুহ (নিন্দা প্রয়োগ), an obstinate fellow.

অধিক ওঙ্গা হলে গুড় ধমনা হোৱা—ক্রি, গুড় প্রস্তুত কৰিবলৈ পাৰদর্শিতা লাগে। কিন্তু ওঙ্গা যদি অধিক হয়, তেনেহলে গুড় ভাল নহৈ ধমনা হয় অর্থাৎ গুড় সমভাবে নাথাকি ঠাইয়ে ঠাইয়ে কটকটীয়া টান মাৰে। এতেকে,— অতিৰিক্ত-সংখ্যক মানুহৰ দ্বাৰা পৰিচালিত কার্য্যৰ ফল হীন হোৱা, the coming of an action to be poor in its result if it is directed by too many experts.

আ।

আঘোণ-মহীয়া ধান চপোৱা দি চপোৱা—ক্রি, আঘোণ মাহত পথাৰত ধান পকে। সেই ধান কোৱা-কুৱিকৈ দাই ভঁড়ালত চপাই থব লাগে, নহলে বাৰম্বাৰ বা অন্যান্য কাৰণত ধান নষ্ট হবৰ আশঙ্কা থাকে। এতেকে,— কোৱা-কুৱিকৈ বহল পৰিমাণে কোনো কার্য্য কৰা, to do anything hastily and plentifully.

এ।

এবেখন মেখেলার ভাই ককাই—বিং, মেখেলা ভিবে তার পরিধানীয় বস্ত্র। এতেকে,— একে মাকর পর জন্ম পোরা ভাই ককাই, সহোদর ভাই ককাই, uterine brothers.

এদোন খুজিলে এবঠ পোরা—ক্রি, কোনো মানুহক যিমানখিনি বস্তু খোজা যায়, সিমানখিনি বস্তু সচরাচর পোরা নাযায়। এই স্থলত কোরা হৈছে, যে যদি এদোন খোজা যায়, তেন্তে একঠা পোরা যায়। (১ দোন= ১০ কঠা।) এতেকে,—বহু পরিমাণ খুজিলে অল্প পরিমাণ পোরা, to obtain a trifle of anything if one asks for a good deal of it.

এশ জালুকর মূল—বিং, [এশ জালুকর সমান মূল] এনে বিশিষ্ট মূল অর্থাৎ ঔষধর শিপা বোল হৈছে যে এশ জালুক গোটালে যিমান গুণ হয়, তার অকলৈ সিমান গুণ আছে। এই স্থলত, অতি উগ্র মানুহক তেনে শিপারে তুলনা করা হৈছে। এতেকে,—অতি উগ্র, প্রতাপী ব কার্য্যদক্ষ মানুহ, one who is exceedingly sharp, resourceful, competent

---

ও।

ওপর-ভাগর দোষ- বিং, [ওপর-ভাগর বিপক্ষে দোষ] ওপর-ভাগত থকা অর্থাৎ স্বর্গবাসী দেবতার বিপক্ষে করা দোষ, transgressions against the deities of the heaven.

ক।

কল খাই বাকলি পেলোৱা—ক্রি, নিজে কল খাই বাকলিটো আনে খাবলৈ পেলাই দিয়ে খোলা ভৈছে। এতেকে,—কোনো বস্তুৰ প্ৰধান অংশ নিজে উপভোগ কৰি অকামিলা অংশ লোকক দিয়া, to give away to another the useless portion of a thing by enjoying the essential portion oneself.

কচু লৰা—বিং, অসমীয়া প্ৰকৃতীয়ে কচুৰ ডাল খায়। কচু চোকা হলে লৰা চোকা হয়, এনে বিশ্বাস আছে। এই বাক্যত কচু চোকা, এই ভাব নিহিত আছে। এতেকে,—টটাটিঙা লৰা, a naughty boy.

কমোৱা তুলা—বিং, কমোৱা তুলা নিচেই কোমল। এতেকে,—সুকোমল মানুহ, a very delicate person

কমোৱা তুলা থোৱা দি থোৱা—ক্রি, কমোৱা তুলা নিচেই পাতল, অলপ বতাহতে উৰি যায়। সেই দেখি তাক অতি যতনেৰে থোৱা হয়। এতেকে,—অতি যতনেৰে থোৱা, to keep with utmost care.

কীলৰ কুটুম—বিং, [কীলৰ ভয়ত কুটুম] কুটুম=(এই স্থলত) বন্ধু। কীলাৰ বুলি যিজন ভয় পাই হোৱা বন্ধু, a person who turns out to be a friend under the influence of fear.

কেপে খোৱা—ক্রি, সাপে ধৰিলে ভেকুলীয়ে কেপ্-কেপ্ কৈ মাতে। কিছুমান চৰাইয়ে কেপ্-কেপ্ শব্দ কৰে। এনেধৰণ শব্দ অন্যান্য চৰাইপৰাও শুনা যায়। মানুহে কেঁচুৱা লৰাক নিচুকাৰলৈ কেপে খাব বুলি মিছা ভয় দেখুৱায়। এতেকে,—মিছা ভয়ৰ দ্বাৰা অভিভূত হোৱা, to be overcome with unreal fear.

খ।

খাই গাহৰি—বিং, [খাই হোৱা গাহৰি] জন্মৰ দ্বাৰা নহে খাদনৰ দ্বাৰা গাহৰি ভৈছে বোলা ভৈছে। গাহৰি লেতেৰা জন্তু। এতেকে,—খচুৱা

লেতেৰা মানুহ, a slovenly glutton.

খালৰ পানী বাঁহ-পাতে শোষা—ক্রি, বাৰীৰ ধাপত বাঁহ গছ থাকে। তাৰ দাঁতিতে খালৰ পানী থাকে। অসংখ্য বাঁহ-পাত খালত পৰি থাকে। খালতে পানীও থাকে। এই স্থলত কোৱা হৈছে, যে সেই অলপীয়া পানী বাঁহ-পাতেই শুহি নিয়ে। অলপীয়া সম্পত্তিক খালৰ পানীৰে আৰু সেই সম্পত্তি-ভোগী মানুহবিলাকক বাঁহ-পাতেৰে তুলনা কৰা হৈছে। এতেকে,—কোনো লোকৰ অলপীয়া ধন সম্পত্তিক পৰিবাৰ-ভুক্ত আৰু আশ্রিত বহু মানুহে ভোগ কৰি অন্ত কৰা, the draining off of the scanty resources of a person by a host of people some of whom are members of his own family while others are dependent on him.

খুটি-তাল খোৱা—ক্রি, দুখীয়া মানুহে জীবিকাৰ একো উপায় উলিয়াব নোৱাৰি খুটি-তাল বজাহ নাম গাই ঘৰে ঘৰে মাগি ফুৰে। এতেকে,—সমূলি উপায়-ৰহিত হোৱা, to have absolutely no means left to do anything.

খোৱাৰ বোন্দা—বিং, [খোৱাৰ বিষয়ে বোন্দা] বোন্দা-মেকুৰী মানুহৰ মহা-থকুৱা। এতেকে,—মহা-থকুৱা মানুহ, an excessively greedy fellow.

গ।

গকৰ আগত টোকাৰি খোৱা—ক্রি, মানুহৰ আগত টোকাৰি বজালে সি তাৰ ৰস বুজি আনন্দ উপভোগ কৰে। গকৰে বাদ্যৰ ৰস একো নুবুজে। গকৰ আগত টোকাৰি বজোৱা অসাৰ্থক। এতেকে,—মোল-নুবুজা মানুহৰ আগত কোনো ভাল কার্য্য কৰা, to do a certain good act in the presence of a person who is too dull to appreciate the real worth of it.

গালিবে কুকুব-পিটা কবা -ক্রি কুকুবে চক ছুলে তাক ধবি নথৈ পিটা হয়। এই স্থলত ইমানকৈ গালি পাবে বোলা হৈছে, যে মানুহটোক নথৈ পিটাব তুল্য কবে। এতেকে,—নথৈ গালি পবা, to abuse vilely.

গা জোকাবি যুবা—ক্রি, উলহ-মালহ কৈ ঘুবিলে গা ববকৈ জোকাব খায়। এতেবে,—উলহ-মালহকৈ ঘুবা, তবলভাবে কার্য্য কবা, to walk about merrily, to conduct oneself light-heartedly.

গুৰু এবা ভক্তি—বিং, প্রত্যেক অসমীয়া হিন্দু মানুহব নির্দ্দিষ্ট গুৰু আছে। এই স্থলত কোৱা হৈছে, যে নিজ গুৰু এবি পব গুৰুত শবণ লৈ ভক্তি কামনা কবা হৈছে। এনে ভক্তি নিসিদ্ধে, এই বাক্যব দ্বাবা এই ভাব বুজোৱা হৈছে। এতেকে,—নিজ গুৰু এবি পব গুৰুত লোৱা ভক্তি।

গুৰু-বাক্যব ভিতব মানুহ—বিং, (বাক্য=ধর্ম্মব গূঢ়-তত্ত্ব বুজোৱা বাক্য।) গুৰুবে ধর্ম্মব গূঢ়-তত্ত্ব সাধাবণ শিষ্য-বর্গক জানিবলৈ নিদিয়ে। ভক্তিমান প্রিয়শিষ্যক মাথোন তেনে শিক্ষা দিয়া হয়। এতেকে,—ধর্ম্মপন্থত বিশেষৰূপে দীক্ষিত মানুহ, one within the inner circle of a religious denomination, a person who is initiated in the esoterics of a particular system of religious life.

ঘাইব লগব মানুহ—বিং, চধাইয়ে যলৈ তলৈ গেতিয়াই গেতিয়াই গৈ থাকে, কেতিয়া ক'ত থাকে আৰু কেতিয়া কলে যায় একো স্থিবতা নাই। মন গলে কেতিয়াবা সি বহু দূবলৈকো গুচি যায়। এতেকে,—থকা-ঠাইব স্থিবতা নোহোৱা মানুহ, a person who is an constant move from place to place,

---

ছ।

ছত্র ধরা—ক্রি, (ছত্র=ছাতি।) বদে-বরষুণে নোপোরাকে ছাতিয়ে মানুহক আবৃত কবি বাখে। এতেকে,—আবৃত কবি বখা অর্থাৎ বিপদ-দুর্ঘটনা-অশান্তি-দুববস্থা-আদিবপবা আঁব কবি বখা, সুখ স্বচ্ছন্দতাবে বখা, to provide ease and comfort.

জ।

জয়দেব কাকুতি—বিং, পুর্ব্বকালত জয়দেবে দুর্ঘোব বোগবপবা মুক্তি পাবব নিমিত্তে অত্যন্ত ব্যাকুলিত হৈ একান্ত চিত্তে জগন্নাথক কাকুতি-মিনতি কবিছিল্। এতেকে,—অত্যন্ত ব্যাকুলিত হৈ একান্ত চিত্তে জনোৱা কাকুতি, most earnest entreaty.

ট।

টাকুবী ঘুবা দি ঘুবা—ক্রি, টাকুবীব দ্বাবা সুতা পকোৱা হয়। টাকুবী কোষেবে ঘুবি থাকে। অতিপাত কাম-বন কবিলেও মানুহে এবেলি ইফালে এবেলি সিফালে নোবোৱাকৈ ঘুবি ফুবে। এতেকে,—অতিপাত কাম-বন কবা, to toil uninterruptedly

টাকুবী ঘুবা দি ঘুবা—ক্রি, টাকুবী বৰকৈ ঘুবে। কোনো মানুহব মুবত গুকতব আঘাত কবিলেও তাব মুব বৰকৈ ঘুবে। এতেকে,—বৰকৈ মাব-কীল খোৱা, to receive a violent beating.

টিলিকি কিন—ক্রি, (উপকথা) কোনো এটা মানুহে এটা গৰু কিনি আনিছিল। গৰুটোৱে বাটতে মূত্রত্যাগ কৰিলে। সি ভাবিলে :—"গৰুটোৰ পেটটো ফুটা, সেই দেখি তাৰ পেটখপা পানী পৰিছে। মোক যেচোঁতাই প্রবঞ্চনা কৰিলে। যাক, মইও বাটত কাষাকাষ পালে এই দৰে ঠগিম।" সিফালৰপৰা এটা বাটকৰাই উলহুত নাম গাই টিলিকি বজাই আহি আছিল। গৰুৰ গৰাকিয়ে আগেয়ে টিলিকি শুনা নাছিল। এনে অদ্ভুত বাদ্য শিকিবৰ নিমিত্তে তাৰ হেঁপাহ হল। সি বাটকৰাক সেই বাদ্যৰ বেচ কিমান সুধিলে। বাটকৰাই ভাবিলে :—"ই মহা মূৰ্খ, ইয়াক ঠগি গৰুটো নিব পাৰিলে ভাল।" সি কলে :—"বাক ধন নালাগে। তোমাৰ গৰুটো দিয়া, মই অপূৰ্ব্ব বাদ্য তোমাক শিকাই দিম।" গৰুৰ গৰাকিয়ে ভাবিলে :—"এই বেলি ইয়াক ঠগিলোঁ। ই বেটালিয়ে গৰুটো পেট-ফুটা বুলি নজানে।" সি প্রস্তাৱত মাতি হল। বাটকৰাই এফেৰিমান পৰ তাত থাকি বুঢ়া আঙুলীৰ আগত অনামিকা আঙুলীৰ আগটো পিছলাই কেনেকৈ টিলিকি বজাব লাগে তাক ভালকৈ শিকাই দিলে। বাটকৰাই গৰু লৈ গুচি গল। ইটোৱে টিলিকিটো শিকি আনন্দত উধাৰ হৈ ওৰে বাটটো টিলিকি বজাই গৈ গৈ ঘৰ পালে গৈ। বৈণীয়েকে উলহ-মালহ-কৈ নতুনকৈ কিনি অনা গৰু চাবলৈ আহিল। তাই গৰু নেদেখি ওধা লাগিল। "গৰু আনিছা নে?" বুলি বৈণীয়েকে সোধাত সি টিলিকিটো বজাই কয় :—"এইটি?" তাই সোধে "গৰু কি কৰিলা?" সি টিলিকি বজাই কয় "এইটি ক'ত পালা?" বহু পৰ সোধা-পোছা কৰি বৈণীয়েকে বুজিব পাৰিলে যে এমুঠি ধন দি মহামূৰ্খ গিৰিয়েকে টিলিকিটো কিনি আনিলে। এতেকে,—বহুব্যয় কৰি কোনো অসাৰ কাৰ্য্য কৰা, to do at a great expense anything which turns out to be absolutely useless.

ঢ।

ঢৌ-লেটিপেটি—বিং, নৈত অসংখ্য ঢৌ দেখিবলৈ পোৱা যায়। ঢৌবিলাক লগ লাগি লেটিপেটি হৈ পৰে। 'ধেই খেতিনেতি', বাস্তৱ এটি চেও। সাদৃশ্য-নীতি অনুযায়ী এই খণ্ড-বাক্য গঠিত হৈছে। এতেকে,—অতিপাত লেটিপেটি, বিষম খেলিমেলি, utter confusion, extreme disorder.

ত।

তিৰোতাৰ এফাল সাহ—বিং, তিৰোতাৰ সাহ কম। এই স্থলত তিৰোতাৰ সাহৰ এফাল (দমানে এফাল, আধা) বোলা হৈছে। এতেকে,—নিচেই কম সাহ, কাপুকষালি, very little courage, cowardice.

তুলসী-পতীয়া বামুণ—বিং, বামুণে তুলসী-পাতেৰে শান্তিপানী পানী চেটিয়াই মানুহ বা বস্তু শুদ্ধ কৰে। এই স্থলত কোনো মানুহৰ সম্পর্কে বিদ্রূপ-ভাবেৰে বুজোৱা হৈছে, যে তেওঁ সকলোকে এইৰূপে তুলসী-পাতেৰে শুদ্ধ কৰি লব-লগীয়া অর্থাৎ অশুচি যেন দেখে। এতেকে,—অতি-ৰিক্ত নৈষ্ঠিক বামুণ, an excessively orthodox Brahmin.

দ।

দাঁত দেখিলে জাঁত দেখা—ক্রি, হাঁহিলে দাঁত দেখা পোৱা যায়। 'জাঁত' শব্দে 'আন্তৰিক স্বভাৱ' বুজাইছে। এতেকে,—কার্য্যৰ স্বভাৱৰ দ্বাৰা আন্তৰিক স্বভাৱৰ নির্ণয় কৰিবৰ নিমিত্তে সমর্থ হোৱা, (বিশেষকৈ তিৰোতাত খাটে), to be able to ascertain the inward

character of a person from his or her outward conduct (especially applies to a woman).

দাও-দাওকৈ অহা—ক্রি, [দাও-দাওকৈ উঠি অহা] ঢোলৰ চেও প্রথমে দাও-দাওকৈ বাজি পাছে ক্রমশঃ উঠি আহে। এতেকে,—ক্রমশঃ উগ্র ভাব ধাৰণ কৰা, to grow more and more violent.

ধ।

ধদুৱাৰ কীল—বিং, (ধদুৱা=চপনীয়া) চপনীয়া মানুহ ক্ষমতাহীন। তেনে মানুহে যেনীয়েকক টানকৈ কীলাব নোৱাৰে। এতেকে,—ক্ষমতাহীন মানুহে দিয়া দণ্ড, a punishment awarded by a person having almost no authority.

ধান বঢ়োৱা দি বঢ়োৱা—ক্রি, ঢেঁকী দিওঁতে খোৱাৰ খুন্দাত ধানবিলাক সিঁচিবতি হৈ পৰে। অনবৰত সেই ধান বঢ়াই খুন্দিত পেলাই থাকিব লাগে। এতেকে,—অনবৰত কোনো মানুহক আগুৰি থকা, to keep a person from straying away by unremitting vigilance.

ন।

ন-ভগনীয়া মানুহ—বিং, এঠাইৰপৰা আন ঠাইত ন-কৈ বসতি কৰা মানুহ, a new settler.

নকবিবৰ চকবি কৰা—ক্রি, চকবি কৰা=চকবিৰ নিচিনা কৰা অর্থাৎ চকবিৰ দৰে ঘুৰাই লৈ ফুৰোৱা। নকবিবৰ=নকবিৰ-লগীয়া। এতেকে,—অত্যন্ত দুর্দশাগ্রস্ত কৰা, to put to immense trouble.

নগাটো চাই হোৱাটে, লোৱা—ক্রি, নগাটো সক হলে হোৱাটো সক হয়, ডাঙৰ হলে হোৱাটো ডাঙৰ হয়। এতেকে,—শক্তি-অনুযায়ী কার্য্য কৰা, to act according to one's capacity.

নগা-শোৱন দিয়া—ক্রি, অসমীয়া মানুহে এজনৰ মুখৰ ফালে আন জনে ভৰি দি, শোৱে। কিন্তু নগাবিলাকে যেনিয়ে মন যায় তেনিয়ে ভৰি দি শোৱা। এতেকে,—ওলোটা-পোলোটাকৈ শোৱা, to sleep pell-mell.

নৰক পৰচেষ্টা দেখুওৱা—ক্রি, (পৰ=ভূত, চেষ্ট=কার্য্য, পৰচেষ্টা=মায়া।) ভূতে মানুহক মায়া-জড়িত ঘটনা দেখুৱায়। এতেকে—মায়ামূর্ত্তি ধাৰণ কৰা, ইংৰ লোকৰ বোধৰ অগম্য হোৱা, অসাধাৰণস্বৰূপ হোৱা, to appear mysterious, esoteric, incomprehensible, unintelligible.

নাচি অহা—ক্রি, [নাচি উঠি অহা] নাচনীয়ে নাচ কৰোঁতে প্ৰথমে অলপীয়া নাচ ধৰি ক্ৰমশঃ উঠি আহে অর্থাৎ নাচৰ প্ৰকোপ বাঢ়ি আহে। এতেকে,—ক্রমশঃ উগ্রভাব ধাৰণ কৰা, to grow more and more violent.

নাচিব নেজানিলে চোতালখন হেৱেম-গৰীয়া বোলা—ক্রি, ভালৰূপে নাচিবলৈ হলে চোতাল সমতল হব লাগে। নহলে চাৰিওপিনে অবাধে ভৰি চলাবলৈ চল নালাগে। হেৱেম-গৰীয়া চোতালত ভালৰূপে নাচিব পৰা নাযায়। এই স্থলত কোৱা হৈছে, যে কোনো নাচনীয়ে প্ৰকৃততে নাচিব নাজানে, কিন্তু তেওঁ অজ্ঞতা লুকাই থৈ মানুহৰ আগত কয় যে চোতালখন হেৱেম-গৰীয়া বাবে তেওঁ ভালৰূপে নাচিব পৰা নাই। এতেকে,—অজ্ঞতাবশতঃ কোনো কার্য্য কৰিব নাজানিলে নিজৰ অজ্ঞতা গোপন কৰি কোনো বাহিৰা আঁচোৱাহৰ নিমিত্তে সেই কার্য্য কৰিবলৈ অপাৰগ বুলি বুজোৱা, to explain a bad performance by saying that it is due to some external defect in the thing done and not to the real cause viz: want of the requisite qualification to do it.

নিকিনা গোলাম—বিং, আগৰ দিনত ধন দি গোলাম কিনি লোৱা হৈছিল। এই স্থলত কোনো মানুহৰ সম্পর্কে কোৱা হৈছে, যে সি গোলাম হৈছে,

অর্থাৎ গোলামৰ দৰে অযথাভাৱে খাটিছে—দুইবো প্রভেদ এয়ে যে গোলামে ধন পাইছিল, এই মানুহে তাকো পোৱা নাই। এতেকে,—যানচ মিদিয়াকৈ যাক অতিশাস্ত খটোৱা যায় তেনে মানুহ, an extremely hard-worked person in a situation which is absolutely devoid of redeeming feature whatsoever.

নিখকুৱাই মাটিতে চাৰি গাল মৰা—ক্রিং, (উপকথা) এটা খকুৱা আৰু এটা নিখকুৱা দুটা মানুহ আছিল। সিঁহতে ভাত ৰান্ধি খাবৰ নিমিত্তে দিয়া কৰিলে। কল-পাতত ভাত খোৱা হয়। ভাত পাবলৈ বুলি খকুৱাই কল-পাত কাটিবলৈ গল। নিখকুৱাই লোভ সামৰিব নোৱাৰি মাটিতে ভাত বাঢ়ি লৈ চাৰি গাল মাৰিলে অর্থাৎ চাৰি গৰাহ খালে। তেতিয়া যি ভাত কিছু তত্ আছিল। এতেকে,—বাহিৰে নিলোভী বুলি বুজোৱা মানুহে কার্য্যত অত্যন্ত লোভী মানুহৰ দৰে চলা, to hanker over-much after anything while pretending to be above temptation outwardly.

নোৱাই-তোলনীৰ আখৈ-পিঠা—বিং, নোৱাই-তোলনী বিয়াত প্রচুৰ পৰিমাণে আখৈ আৰু পিঠা চেটিওৱা ৰীতি আছে। এতেকে,—পেলাই দিব পৰা অর্থাৎ মূল্যহীন বা অপদার্থ বস্তু, a useless thing.

প।

পঞ্চ-প্রেত—বিং, যি মানুহৰ ধন-বস্তুলৈ অতিৰিক্ত মায়া-মোহ, সেই মানুহ মৰিলে সদ্গতি নাপাই প্রেত হৈ থাকে বুলি কয়। মানুহৰ শৰীৰ পঞ্চভূতৰ দ্বাৰা নির্ম্মিত। মৰিলে পঞ্চ-ভূত গৈ পঞ্চ-প্রেত হয়, এনে ভাব বুজোৱা হৈছে। এতেকে,—ধন-বস্তুলৈ অতিৰিক্ত হেঁপাহ থকা মানুহ, মহাকৃপণ, a very great miser.

পাল খোৱা—ক্রি, [পালত খোৱা] (খোৱা=সংস্তোগ কৰা।) জন্তুৰে সম্ভোগ কৰিবলৈ হলে পালত অর্থাৎ জাকত ভুৰে যায়। এতেকে,—সঙ্গম কৰা, (জন্তুত খাটে), to have sexual intercourse (said of animals).

পাতি-দিয়াক খীবোৱা—ক্রি, যি জনী গাইয়ে গাটো পাতি দিয়ে অর্থাৎ থিৰ হৈ থাকে, তাইক খীবোৱা হয়। কিন্তু যি জনী গাইয়ে হুপ্-হুপাই থাকে আৰু লথিয়ায়, তাইক কোনোৱে নিখীবায়। এই স্থলত, সেও হৈ দিয়া মানুহক পাতি দিয়া গাইৰে তুলনা কৰা হৈছে। এতেকে,—সেও হৈ দিয়া মানুহৰ পৰা ধন-বস্তু চুচি নিয়া, to extort things from a person who is found to be yielding in nature.

পানীৰ মাছ—বিং, জালেৰে পানীৰ মাছ ধৰা হয়। জালত সোমালে মাছ ধৰা পৰে, নোসোমালে সাৰি যায়। কোনো মাছ ধৰিব পৰা যাব বুলি নিশ্চিত ৰূপে কব পৰা নাযায়। এতেকে,—অনিশ্চিত ফল, uncertain result

পেট দিয়া—ক্রি, পেটৰ কথা জানিবলৈ দিয়া, বিশ্বাসী কথা কোৱা, to unbosom a secret, to disclose a confidential matter.

ব।

বস্তু-কাৰণ লোৱা—ক্রি, বস্তু=সাৰ-বস্তু অর্থাৎ ধর্ম্মৰ গুৰু। 'কাৰণ' আনুষঙ্গিক পদ, ইয়াৰ বেলেগ অর্থ নাই। এতেকে,—ধর্ম্মপথত দীক্ষিত হোৱা, to be initiated in the mysteries of a religious denomination.

বাঘৰ মাইকীয়েক—বিং, মেকুৰী আৰু বাঘ দেখিবলৈ একে। বাঘৰ মাক বাঘতকৈ দুর্ব্বল। মেকুৰীও দুর্ব্বল। তথাপি মেকুৰীক বাঘৰ মাক বুলিব পৰা

মাথায়। সেই দেখি ওইক বাঘৰ মাহীয়েক অর্থাৎ বাঘৰ মাকৰ ভনীয়েক অর্থাৎ বাঘৰ মাকতকৈও সৰু গোলা হৈছে। মেকুৰী প্রায় বাঘৰ নিচিনা, বাঘতকৈ কিছু কম, এই ভাব বুজোৱা হৈছে। এতেকে, —মেকুৰী a cat.

বাপুৰ চুণ খাই মৰা—ক্রি, (উপকথা) বামুণে দৈ গাখীৰ আনি, লিতিকাইয়ে চুৰ কৰি খায় বুলি তাক ভাঁৱিষৰ মনেৰে, চুণ খৈছোঁ বুলি কলে। লিতিকাইয়ে প্রকৃত কথাৰ গম পাই চল চাই থাকি বামুণে কোনো এটা জগৰত তাক কীলোৱাত সি, "এনেও নাই তেনেও নাই বাপুৰ চুণ খাইয়ে মৰোঁ।" বুলি কৈ ধোকা-ধোকে দৈ-গাখীৰখিনি খাই পেলালে। এতেকে,—কোনো ভাল কাৰ্য্যকে লোকৰ আগত বেয়া বুলি ফাঁকটি দি বুজাই স্বার্থসিদ্ধি কৰা, to manipulate anything to one's advantage under a pretence of doing it out and out against selfi-nterest.

বিল ফাটি সোমোৱা—ক্রি, [মাটি ফাটি বিলত সোমোৱা] 'বিল' সংস্কৃত পদ, তাৰ অর্থ 'গাঁত'। সীতা-দেবীৰ পাতালপ্রবেশৰ ঘটনাৰপৰা এই বাক্যৰ উৎপত্তি হৈছে। গাঁতৰ ভিতৰত সোমালে কোনেও দেখা নাপায়। এতেকে,—কোনেও গম ধৰিব নোৱৰাকৈ অকস্মাৎ অন্তর্হিত হোৱা, to disappear mysteriously.

বেটীৰ গভুৰা লৰা—বিং, গভুৰা লৰা জন্ম হোৱা এটা ডাঙৰ আনন্দজনক ঘটনা। বেটী নিকৃষ্ট আৰু ঘৃণিত মানুহৰ শ্রেণীত গণ্য আছিল। এই স্থলত বেটীৰ গভুৰা লৰা হোৱাটো এক্ো ডাঙৰ ঘটনা নহয়, এই ভাব বুজোৱা হৈছে। সেই লৰাৰ আমনিত ভালকৈ কাম-বন কৰিব নোৱাৰি বেটীয়ে গিৰিহঁতৰ মাৰ-কীল খোৱাৰ হে বাট মুকলি কৰে, এই ভাবো এই বাক্যত লুকাই আছে। আগৰ দিনত বন্দী-বেটী পুৰুষানুক্রমিক আছিল। বেটীৰ লৰাই ভবিষ্যতে বয়স্থ হলেও মাকক উদ্ধাৰ কৰিব নোৱাৰে, এনে এটি ভাবো এই বাক্যত পোৱা যায়। এতেকে,—স্বভাৱতে দুর্ভগীয়া মানুহৰ পক্ষে নিষ্ফল সৌভাগ্যলাভ, good fortune to a person who must perforce remain unfortunate throughout life under the domineering decree of fate.

ভ।

ভোজৰ আগ, মেলৰ পিচ—বিণ, ভোজত মানী সকল আগ শাৰীত বহে। তেওঁ-বিলাকে আনবিলাকতকৈ কিছু বেচি পৰিমাণে আদৰ পায়। মেলত কথকী সকল আগত বহে। তেওঁবিলাকে মেলৰ বিষয়টো ভালৰূপে আলোচনা কৰে। যিবিলাক তৰ্ক-পটু নহয়, সেইবিলাকে মনে মনে পিচত বহি থাকে। এই স্থলত কোনো মানুহৰ সম্পৰ্কে কোৱা হৈছে, যে তেওঁ ভোজৰ আগ কিন্তু মেলৰ পিচ। এতেকে,—খোৱাত পাৰ্গত কিন্তু কামত অপটু, prompt in dinner but slow in work.

ভোদৰ কচু—বিং, [ভোদা কচু] ভোদা অৰ্থাৎ চোক নাইকিয়া কচু অৰ্থাৎ কচু-পৰিপুষ্ট সন্তান। অসমীয়া প্ৰসূতীয়ে প্ৰসৱৰ পাচত কচুৰ জাল খায়। সাধাৰণৰ মাজত এনে বিশ্বাস আছে যে এই কচু যিমান চোকা হয়, সন্তান সিমান চোকা হয়। এতেকে,—ভোদা লাগি থকা লৰ-চৰ কৰিব নোখোজা মানুহ, a sluggard.

ম।

মইনা মাত উলিওৱা—ক্ৰি, মইনা চৰাইৰ মাত শুদলা। এই স্থলত ব্যঙ্গাৰ্থত ব্যৱহৃত হৈছে। এতেকে,—গালি-শপনিৰ ভাষা প্ৰয়োগ কৰা, টান মাত উচ্চাৰণ কৰা, to use rude and offensive language.

মইৰৰ মানুহ—বিং, মই নিজে ৰৰ আৰু আনবিলাক সক এনে ভাব কৰা মানুহ, অহঙ্কাৰী মানুহ, a self-assertive person, a presumptuous person, a vainglory.

মইমত—বিং, 'মই' ভাবৰ মত, অহঙ্কাৰ, presumption, haughtiness.

মঠ ধৰা—ক্ৰি, [মূৰ্ত্তি ধৰা] মূৰ্ত্তি বা প্ৰতিমা একে ঠাৱে থাকে, লৰ-চৰ নকৰে। মানুহে ঠেং পাতিলেও লৰ-চৰ নকৰাকৈ একে ঠাইতে থিৰ দি থাকে।

এতেকে,—ঠেক পাতি কোনো কার্য্য সমূলি করিবলৈ এবি দিয়া, to cease doing anything altogether out of a feeling of impaired dignity.

মতা চাওদাৎ—বিং, মতা চাওদাঙে মানুহ কাটিছিল, মাইকী চাওদাঙে মানুহ নাকাটিছিল। এতেকে,—দুর্দ্দান্ত মতা মানুহৰ নিচিনা তিৰোতা, an amazon, a masculine woman.

মন জুখি চোৱা—ক্রি, যন্ত্ৰ গধুৰ নে পাতল জুখি চালে গম পোৱা যায়। এতেকে,—মন গধুৰ নে পাতল কোনো কাৰ্য্যৰ দ্বাৰা তাৰ গম পোৱা, মনৰ ভাৱৰ উমান লোৱা, to sound one's mind.

মন মৰা—বিণ, মানুহ মৰিলে তেজ নাইকিয়া হয়। এই স্থলত মানুহৰ মনটো মৰা যেনা হৈছে। এতেকে,—নিস্তেজ, স্ফূর্ত্তিহীন, dispirited, depressed.

মনৰ ৰাখে খোৱা—ক্রি, বনৰ বাঘে মানুহ খায়। এই স্থলত মনৰ বাঘে খায় যেন হৈছে, অর্থাৎ প্রকৃতভে বনত বাঘ নাই কিন্তু বাঘ তাতে আছে বুলি মনত ভয় হয়। মনৰ ভয়েই তাক খায় অর্থাৎ বিহ্বল কৰে। এতেকে,—কাল্পনিক ভয়ত বিহ্বল হোৱা, to be distracted by imaginary ills.

মনে পিতে খোৱা—বিণ, [মনে চিতে খোৱা] (খোৱা = মিলি যোৱা।) মনেৰে সৈতে মিল অর্থাৎ যাক যেনেকুৱা লাগে তেনেকুৱা, মনোৰঞ্জন, suitable, appropriate, to one's liking.

মন্ত্র কৰা—ক্রি, মন্ত্রৰ দ্বাৰা কোনো মানুহক নিজৰ বশলৈ অনা যায়। এতেকে,—বশীভূত কৰা, to bring under control.

মন্ত্র নাইকিয়া—বিণ, যাৰ গাত মন্ত্র নাথাকে অর্থাৎ যি মন্ত্র জানে সি শত্রুৰ অপকাৰ কৰিব পাৰে। মন্ত্র নাইকিয়া মানুহে তেনে কৰিব নোৱাৰে। এতেকে—নির্ব্বীর্য্য, weak, harmless.

মৰ-খঁক—বিং, মৰিবৰ সময়ত অতিপাত খাবৰ নিমিত্তে খঁক লাগে। এতেকে,—অতিপাত খঁক, ডাঙৰ হেঁপাহ, extreme greediness.

মৰ-জাৱ—বিং, মৰিবৰ সময়ত অতিপাত জাৱ লাগে। এতেকে,—অতিপাত জাৱ, extreme chilliness.

মৰ-টোপনি—বিং, মৃত্যু-কালত তন্দ্রা উপস্থিত হয়। এতেকে,—অতিবিহ্বল

টোপনি, excessive sleep.

মৰণা মৰা—ক্রি, পকৰে অকাই-পকাই ফুৰি ধানৰ মৰণা মাৰে। এতেকে,—একেটা কথাকে অকাই-পকাই কৈ থকা, to speak the same thing over and over again.

মাউখে উটিলে গুৰি-পকৰাবো মৰণ নোহোৱা—ক্রি, (মাউখে=এমথা লগ হৈ।) অনেক গুৰি-পকৰা লগ হৈ চাঙ্গি পাতি পানীৰ সোঁতত বুৰি নোযোৱাকৈ উটি যাব পাৰে। এটা-এটাকৈ পলে আটাইবিলাক মৰি যায়, কিন্তু লগেৰে যোৱাত পৰস্পৰৰ সাহায্যত আটাইবিলাকে নমৰাকৈ থাকিব পাৰে। আন নালাগে, গুৰি-পকৰাৰ নিচিনা সক সক নিঃসহায় প্রাণীও একতাৰ গুণত কার্য্য সিদ্ধি কৰিব পাৰে, এই ভাব বুজাইছে। এতেকে,—একতাৰ গুণত দুর্ব্বল মানুহে ক্ষমতাশালী হব পৰা, to become powerful when united but weak when divided.

মাছৰ তেলেৰে মাছ ভজা—ক্রি, সৰিয়হৰ তেলত মাছ ভজা হয়। এই স্থলত কোৱা হৈছে, যে সৰিয়হৰ তেল খৰচ নকৰি মাছৰ তেলতে অর্থাৎ মাছৰ গাৰপৰা ওলোৱা চর্ব্বিতে মাছ ভাজে। এতেকে,—মূল ধনত হাত নিদিয়াকৈ লাভৰ ওপৰতে কোনো কার্য্য কৰা, to launch a business with the extra-money which accrues as profit without spending anything out of the principal.

মাজ-তালুত সাপে খুঁটিলে ধৰণি ধৰিবলৈ ঠাই নোহোৱা—ক্রি, সাপে খুঁটিলে ধৰণি ধৰি বিষ নমাই ৰখা হয়। কিন্তু যদি মাজ-তালুত খোঁটে, তেনেহলে ধৰণি ধৰিবলৈ ঠাই নোহোৱাত পৰে। এতেকে,—মহা-বিপদত ৰক্ষাৰ উপায় ৰহিত হোৱা, to have absolutely no means of escaping from a momentous calamity.

মাটি হোৱা—ক্রি, মাটি সোপাৰ নিচিনা লেউসেউ হোৱা, শক্তিৰহিত হোৱা, আৱমাৰ হোৱা, to be reduced to nothing, to be vanquished, to be utterly helpless.

মাটিয়ে ভেঁটিয়ে খনা—ক্রি, (মাটি=বাৰী। ভেঁটি=ঘৰ।) বাৰী আৰু ঘৰ সমূলি নষ্ট কৰা অর্থাৎ সর্ব্বস্বান্ত কৰি দেশান্তৰ কৰা, to ruin completely.

মান দেশৰ বগা হাতী—বিং. পূৰ্ব্বে মান দেশৰ ৰজাৰ বগা হাতী আছিল। সেই হাতীৰে কোনো কাম কৰোৱা নহয়। শোভাৰ নিমিত্তে বহু ব্যয় কৰি অতি যতনেৰে তাক ৰখা হয়। এতেকে,—বহুব্যয়-সাপেক্ষ অকামিলা বস্তু বা মানুহ, a thing or person of no utility requiring a large expenditure for up-keep or support, a costly encumbrance.

মাণিকৰ দাঁত—বিং. মাণিকৰ নিচিনা দাঁত, চকচকীয়া দাঁত, shining teeth.

মান-মৰাণৰ দিন—বিং. মান আৰু মৰাণে আসাম দেশত ঘোৰ অত্যাচাৰ কৰিছিল। এতেকে,—ঘোৰ অত্যাচাৰৰ কাল, days of tyranny and oppression.

মানুহ বলোৱা—ক্রি, বতাহে যেনেকৈ কোনো বস্তু বলাই আনে, সেইৰূপে বহু মানুহক বলাই অনা, কোনো ঠাইলৈ বহু মানুহ যাতে চলাচল কৰে এনে উপায় কৰা, to contrive to attract people to a certain place.

মাৰত ককালৰ জোৰা লৰোৱা—ক্রি, মাৰত কঁকাল ভঙ্গা, ৰৰকৈ মাৰ-কীল কৰা, to beat severely.

মাৰত চেলা উলিওৱা—ক্রি, মৰিয়ালে গাত চেলাৰ নিচিনা দীঘল সাঁচ বহে। এতেকে,—ৰৰকৈ মাৰ-কীল কৰা, to beat severely.

মাৰি খোৱা হাঁহৰ মুখলৈ নোচোৱা—ক্রি, যি হাঁহ মাৰি খাবৰ নিমিত্তে অনা হৈছে, তাৰ মুখলৈ চোৱা অনাৱশ্যক। মুখলৈ চালে মুখৰ কাতৰ ভাব দেখি মৰম লাগে। এতেকে,—বধ্য বস্তুলৈ মৰম নেদেখুওৱা অর্থাৎ পৰৰ অপকাৰ অনিবাৰ্য্য হলে তাক কৰিবলৈ কুণ্ঠিত নোহোৱা, not to hesitate to do what is inevitable though unpleasant.

মিঠা দিয়া—ক্রি, মিঠা বস্তু খাবলৈ ভাল। এতেকে,—ভাল ব্যৱহাৰ কৰা, to treat well.

মিঠৈ-কলা—বিং, সবাহত নাম ভাগিলে প্ৰসাদ বিলোৱা হয়। নাৰ চাউল আগেয়ে পাতত দিয়া হয়। পিচত মিঠৈ আৰু কলা দিয়া হয়। মিঠৈ আৰু কলা উলিয়াবৰ সময়ত মানুহবিলাকে হেঁতা-ওপৰা কৰে। যেয়ে খোজে বিলনীয়াই তাকে মিঠৈ-কলা দিয়ে। এতেকে,—যেয়ে খোজে

তাকে দিব পৰা বস্তু, মূল্য নাইকিয়া বস্তু, things of almost no value.

মুকলি ফুৰা—ক্রি, অসমীয়া মানুহে চাপৰিৰ নিচিনা ঠাইত সৌ শৌচাচাৰ কৰে। এতেকে,—শৌচাচাৰ কৰা, to evacuate bowels.

মুখ যুঁজোৱা—ক্রি, মুখেৰে যুঁজ কৰা অর্থাৎ ৰৰকৈ তর্কা-তর্কি কৰা, to debate hotly.

মুখ জুই দিলে নোপোৱা—ক্রি, জুই চোকা দেখি মুখ পুৰিব পাৰে। কিন্তু এই স্থলত কোৱা হৈছে, যে মুখ জুইতকৈও চোকা বাবে জুইয়ে তাক পুৰিব নোৱাৰে। এতেকে,—মুখ অতি চোকা হোৱা, to be foul-mouthed.

মেওৰে খোৱা—ক্রি, কেঁচুৱা লৰাই মেকুৰীক 'মেও' বোলে। কেঁচুৱা লৰাক ভাত খুৱাই থাকোঁতে নেদেখাকৈ মেকুৰী আহি মাছ চুৰ কৰি লৈ যায়। সেই ঘটনাৰপৰা এই বাক্যৰ উৎপত্তি হৈছে। এতেকে,—কাৰণ বুজিব নোৱৰাকৈ অকস্মাৎ অদৃশ্য হোৱা, (বিদ্রূপ), to disappear suddenly in an unaccountable manner (used ironically).

য।

যমৰ মুকুত দিয়া—ক্রি, পুতেকক মাকে মুকুত সাৰটি ধৰি থাকে। এই স্থলত, মাকৰ মুকুত নিদি যমৰ মুকুত দিয়া হয় বোলা হৈছে। এতেকে,—মৰণত দিয়া হেৰুওৱা, to lose by death.

ৰ।

ৰঙ্গা বগা দেখুওৱা—ক্রি, ৰৱকৈ মুখত আঘাত পালে মুখখন ফুলি যায়। তেতিয়া কিবাকিবি আঁক-বাঁক চিত্ৰ আকাশত উড়ি ফুৰা যেন দেখা যায়। সেই চিত্ৰৰ কেতবিলাক ৰঙ্গ আৰু কেতবিলাক বগা। এতেকে,—ৰৱকৈ প্ৰহাৰ কৰা, to give a sound beating.

ৰাতিপুৱাই দিনটোলৈ—ক্রি-বিণ, এনে বিশ্বাস আছে যে কোনো লোকৰ ৰাতিপুৱা যদি শুভ হয়, তেনেহলে গোটেই দিনটো শুভ হব; আৰু ৰাতিপুৱা যদি অশুভ হয়, তেনেহলে গোটেই দিনটো অশুভ হব। এতেকে,—গোটেই দিনটোলৈ মঙ্গলসূচক বা অমঙ্গলসূচক ৰাতিপুৱা কালতে, early in the morning which forebodes good or evil for the whole day.

ল।

লুইত ফুৰিলে গাটি চিকুণ হোৱা—ক্রি, লুইতৰ পানী পৰিষ্কাৰ। সেই দেখি লুইতৰ মাছৰ গাটি চিকুণ। ঘোলা পানীত ফুৰা মাছৰ গা [illegible] হয়। ৰৱলোকক লুইতেৰে তুলনা কৰা হৈছে। এতেকে,—লোকৰ আশ্ৰয়ত থাকি সুখ-স্বচ্ছন্দতা লাভ কৰা, to obtain ease and comfort by living in the shelter of a great man.

লেদেনা ওকটা—ক্রি, [লেদ পানী ওকটা] লেদ বা লাদ আৰু পানী অৰ্থাৎ মুত উকটি পেলায় বোলা হৈছে। এতেকে,—কোনো মানুহৰ জঘন্য পৰিচৰ্য্যা কৰা, to serve a person vilely.

লোৱৰ শুৱি-কৰাই গালে গালে চোবোৱা—ক্রি, চাউল ভাজি শুৱি-কৰাই প্ৰস্তুত কৰা হয়। তেনেকুৱা শুৱি-কৰাই হে গালে গালে চোবাই খাব পৰা

যায়। এই স্থলত লোৱৰ গুৰি-কৰাই গালে গালে চোবাই খায় বোলা হৈছে। এতেকে,—বিপৰীত টান কাৰ্য্য কৰা, to perform a Herculean task.

শ।

শদিয়াৰ পৰা ধুবুৰীলৈ—ক্রি-বিণ, শদিয়া আসামৰ পুবৰ সীমা আৰু ধুবুৰী আসামৰ পশ্চিমৰ সীমা। এতেকে,—ইমুৰবপৰা সিমুৰলৈ, বহু দূৰ পর্য্যন্ত, from one end to the other, far and wide.

শলালৰ শিল—বিং, আহোম ৰজাৰ দিনত শলালৰ গোঁহ ই অতি ক্ষমতাশালী বিষয়া আছিল। ডাঙৰ অপৰাধীক তেওঁ শিলেৰে থুন্দিছিল। এতেকে;— উগ্র দণ্ড, a severe punishment.

শুকান জেওৰাৰ ৰস উলিওৱা—ক্রি, (শুকান=নিৰস।) গছৰ ৰস আৰু মানুহৰ ধন-সম্পত্তি দুয়ো একে, এনে ভাব বুজোৱা হৈছে। এতেকে,—নিৰস বিষয়কো ৰসাল কৰা, অসমর্থ মানুহৰপৰা কোনোমতে ধন-ৰিত আদায় কৰা, to arouse interest even in the driest subject; to extort money from a person who can ill afford to spare anything.

স।

সন্ধিৰ বাঁহ বুদ্ধিৰে উলিওৱা—ক্রি, জোপাৰ ভিতৰৰ কোনো বাঁহ সন্ধিত থাকিলে তাক কাটি পাৰ বলেৰে টানি উলিয়াই আনিব পৰা যায়। এই স্থলত কোৱা হৈছে, যে ভেলে বাঁহ বুদ্ধিৰ বাৰী মানুহেও উলিয়াব পৰা

যায়। এতেকে,—টান কাৰ্য্য বুদ্ধিৰ দ্বাৰা সিদ্ধি কৰা, to perform a difficult job by means of tact.

সাত চেউৰীৰ লৰ—বিং, চেউৰী গাইয়ে ৰবকৈ লৰিব পাৰে। এই স্থলত সাত জনী চেউৰীৰ লৰ মুঠাটৌ বিমান হয়, সিমান লৰ বুজোৱা হৈছে। এতেকে,—অতিপাত লৰ, very fast running.

সাতে-সোতেৰে—ক্রি-বিণ, [সাতে সোতাৰে] (পাশা খেলৰ মাত) পাশভিত্ত সোতাৰ বেগতে নপৰে। বিপক্ষৰ গুটিয়ে সোতাৰেই দেখাকৈ নিজৰ গুটি থৰ পৰাটো প্ৰশস্ত। কিন্তু কেতিয়াবা গুটি থানিত কোনো মতে পেলাব নোৱাৰি। সময়ত এনে হয়, যে বিপক্ষৰ গুটিয়ে সাতে ছয় পৰাকৈ নিজৰ গুটি থৰ লগীয়া হয়। তেতিয়া একো উপায় নাপাই খেলুৱাইয়ে 'সাতে সোতেৰে সমান' বুলি গুটি তাতে থৈ দিয়ে। এতেকে,—উপায়ান্তৰৰহিত হৈ, finding no other alternative left.

সীতা নোহোৱা যজ্ঞ পতা—ক্রি, সীতা দেবীক বনবাসলৈ পঠিয়াব পাচত শ্রীৰামচন্দ্রে অশ্বমেধ যজ্ঞ পাতিছিল। পুৰোহিতে সীতা দেবী নহলে যজ্ঞ অসম্পূর্ণ হব বুলি কোৱাত শ্রীৰামচন্দ্রে স্বর্ণ-সীতা নির্ম্মাণ কৰাই যজ্ঞ পূর্ণ কৰিলে। এতেকে,—কোনো কার্য্যৰ প্রধান নায়ক বা উপকৰণ বাদ দি সেই কার্য্য কৰা, to do a business leaving out the chief person or thing necessary for the performance of it in the right way.

সোলাৰ মুখত মাখি পৰা— ক্রি, দাঁত-লগা মানুহৰ মুখত মাখি পৰিলে সি মুখৰ ভিতৰলৈ সোমাব নোৱাৰে। কিন্তু সোলা মানুহৰ মুখত মাখি পৰা মাত্রকে সি মুখৰ ভিতৰ পায় গৈ। মাখিত নামমাত্র মজহ থাকে। এই স্থলত বুজোৱা হৈছে, যে সোলাই সিমান ফেৰা মজহ থাকলৈ পোৱাটোও লাভজনক ঘটনা। এতেকে,—অসমর্থ মানুহে যৎকিঞ্চিৎ লাভকো বহু লাভ-স্বৰূপে গণ্য কৰা (বিদ্রূপ), the regarding of a trivial receipt as large profit by a person who is incapable of earning anything substantial.

হ।

হরি-ভকত—পুং, হরি ভক্তির অর্থে গুরুত শরণ লোৱা হয়। যি কেইজন মানুহে একে লগে শরণ লয়, তেওঁবিলাকে এজনে আন জনৰ প্রতি বিশিষ্ট সম্মান দেখুৱায়। এজনে আন জনক মাতিবলৈ হলে নাম কাঢ়ি নামাতি হরি-ভকত' বুলি মাতে। এতেকে,—একে লগে গুরুত শরণ লোৱা মানুহ; তাৰপৰা,—অতি মিলৰ মানুহ, persons who are initiated in one sitting by the *gossain*; hence, fast friends.

হাঁহ-কণীত কুহুম নাহকিয়া হোৱা—ক্রি, সকলো হাঁহ-কণীত কুহুম থাকে। এই [illegible] কুহুম নাইকিয়া বোলা হৈছে। এতেকে,—
[illegible] স্থলতে লাভ নোপোৱা, to derive no profit
o profit is inevitable.



সমাপ্ত।